# আধুনিক অসম

## এটি আভাস

### প্ৰথম খণ্ড

NOWGONG GIRLS' COLLEGE
ESTD 1962
NOWGONG-ASSAM

মুখ্য সম্পাদক
ড° জ্যোতিৰ্ময় জানা

সম্পাদক
ড° মঞ্জু লস্কৰ

Mahesh Chandra Dev Goswami Library
Acc. No. 45150
Date 14/2/20
Nowgong Girls' College

# আধুনিক অসম

## এটি আভাস

KOHA
Mahesh Ch Dev Goswami Library
Nowgong Girls' College

প্ৰথম খণ্ড

মুখ্য সম্পাদক
ড° জ্যোতিৰ্ময় জানা

সম্পাদক
ড° মঞ্জু লস্কৰ

AL 6/D
8170454068/JAN

45150

নগাঁও ছোৱালী কলেজ

*ADHUNIK ASOM: ETI ABHAS*

(A Glimpse of Modern Assam)

Vol.-I, a collection of essays dealing with some areas and aspects of Assam since 1826


**Chief Editor**

Dr Jyotirmay Jana

**Editor**

Dr Manju Laskar



**Publisher**

Dr Ajanta Dutta Bordoloi

Principal, Nowgong Girls' College

Nagaon, Assam

**ISBN 978-93-85310-08-9**

প্ৰথম প্ৰকাশ

ডিচেম্বৰ, ২০১৫



© গ্ৰন্থস্বত্ব

নগাঁও ছোৱালী কলেজ, নগাঁও, অসম

যিকোনো প্ৰবন্ধত প্ৰকাশিত যি-কোনো তথ্য বা অভিমতৰ বাবে একান্তভাৱে দায়ী সেই প্ৰবন্ধৰ লেখক, মুখ্য সম্পাদক বা সম্পাদক বা প্ৰকাশক নহয়।



মূল্য: ৩০০.০০

মুদ্ৰক

গিগাবাইট্‌ছ প্ৰেছ এণ্ড পাব্লিকেশ্যন,

মিলনপুৰ, নগাঁও (অসম)


# প্ৰকাশকৰ একাষাৰ

এক দীঘলীয়া প্ৰচেষ্টাৰ অন্তত চাৰি খণ্ডত সম্পূৰ্ণ *আধুনিক অসম: এটি আভাস* গ্ৰন্থখন প্ৰকাশ কৰিবলৈ পাই নথৈ সুখী হৈছোঁ। এয়া কিতাপখনৰ প্ৰথম খণ্ড। অৰ্থনীতি আৰু ৰাজনীতি বিষয়ত প্ৰবন্ধৰ উপৰি স্বাস্থ্য আৰু চিকিৎসা বিষয়ত মুঠ পোন্ধৰটা প্ৰবন্ধ ইয়াত সন্নিৱিষ্ট হৈছে। অৰ্থনীতি বিষয়ত প্ৰবন্ধৰ ভিতৰত সঙ্গত কাৰণতেই পৰিবহণ, প্ৰব্ৰজন আৰু বানপানীকো অন্তৰ্ভুক্ত কৰা হ'ল। ১৮২৬ চনত হোৱা য়াণ্ডাবু চুক্তিৰ জৰিয়তে যিখন অসমত আধুনিক যুগৰ সূত্ৰপাত হৈছিল সেইখন অসম যে সকলো ক্ষেত্ৰত আধুনিক হৈছে তেনে নহয়। বহু এলান্ধুকলীয়া চিন্তা, ধ্যানধাৰণা আৰু মূল্যবোধ এতিয়াও অসমৰ জনমানসিকতাৰপৰা আঁতৰা নাই। আনফালে কিছুমান ক্ষেত্ৰত সমাজ ইমান বেছি আধুনিক হৈছে যে সময়ে সময়ে সেই আধুনিকতা অবাঞ্ছিত বুলি অনুভৱ হয়। দৰাচলতে আধুনিক অসমত এফালে যেনেকৈ সুস্থ আৰু স্বাভাৱিক আধুনিকতা আছে ঠিক তেনেকৈ ক'ৰবাত ক'ৰবাত অতিমাত্ৰিক পশ্চাৎপদতা আৰু অত্যাধুনিকতাই বিৰাজ কৰিছে। আমাৰ কিতাপখনৰ কোনো কোনো প্ৰবন্ধত তেনে আভাস নিশ্চয় পোৱা যাব।

*আধুনিক অসম* নামেৰে প্ৰকাশিত আৰু প্ৰকাশ হ'বলগীয়া খণ্ডসমূহৰ বিষয়সূচীত বৈচিত্ৰ্য আনিবলৈ আৰু কিতাপখনক যথাসম্ভৱ সুন্দৰ, মনোগ্ৰাহী আৰু বস্তুনিষ্ঠ কৰি তুলিবলৈ গ্ৰন্থখনৰ মুখ্য সম্পাদক, কলেজখনৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° জ্যোতিৰ্ময় জানাৰ তৎপৰতাৰ আমি শলাগ ল'লোঁ। এই ক্ষেত্ৰত তেওঁ কলেজখনৰ অসমীয়া বিভাগৰ জ্যেষ্ঠা অধ্যাপিকা তথা কিতাপখনৰ সম্পাদক ড° মঞ্জু লস্কৰৰ সহযোগিতা লাভ কৰিছে। লেখকৰপৰা প্ৰবন্ধ সংগ্ৰহ কৰা, প্ৰবন্ধসমূহ অধ্যয়ন কৰা, তাৰ পিছত সেইবোৰ পৰ্যায়ক্ৰমে সম্পাদনা কৰা আৰু শেষত ছপাশালৰ কাম সম্পন্ন কৰাটো এক দীঘলীয়া প্ৰস্তুতি, যি সম্পূৰ্ণ হৈছে এই দুগৰাকী শিক্ষকৰ একনিষ্ঠতা আৰু প্ৰবল ইচ্ছাশক্তিৰ ফলত। দৰাচলতে এই দুই শিক্ষকৰ অবিৰাম চেষ্টাতেই *আধুনিক অসম* সপোনৰপৰা দিঠকত পৰিণত হ'ল।

নগাঁও ছোৱালী কলেজৰ স্বৰ্ণজয়ন্তী বছৰৰ কাৰ্যসূচীৰ অন্তত— অৰ্থাৎ

২০১২ চনত — কিতাপখন ওলোৱাৰ কথা আছিল। কিন্তু লেখকসকলৰপৰা যথাসময়ত লেখা পোৱা নগ'ল। সেয়েহে কিতাপখন প্ৰকাশত পলম হ'ল। এতিয়াও প্ৰতিশ্ৰুত বহু লেখা আহিবলৈ বাকী। তথাপি আমি সেইবোৰ লেখাৰ বাবে বৈ নাথাকি কিতাপখন প্ৰকাশ কৰিলোঁ।

মই কিতাপখনৰ মুখ্য সম্পাদক আৰু সম্পাদক দুয়োকে কৃতজ্ঞতা আৰু ধন্যবাদ জনালোঁ। তিনি কুৰিৰো অধিক লেখকৰ লেখাৰে পৰিপুষ্ট *আধুনিক অসম* কিতাপখনৰ লেখাবোৰ যে সমমানবিশিষ্ট হৈছে তেনে দাবী আমি নকৰোঁ। বৰ্তমান খণ্ডটিত থকা মুঠ পোন্ধৰটা প্ৰবন্ধও নিশ্চয় সমমানবিশিষ্ট নহ'ব। তথাপি লেখকসকলে আমাৰ অনুৰোধ ৰক্ষা কৰি তেওঁলোকৰ কামকাজৰ মাজত *আধুনিক অসম*ৰ বাবে প্ৰবন্ধ ৰচনা কৰি আমাৰ কৃতজ্ঞতাভাজন হৈছে। আমাৰ অনুৰোধ ৰক্ষা কৰি তেওঁলোকে দৰাচলতে এটি জাতীয় দায়িত্ব পালন কৰিলে। সেই কাৰণে তেওঁলোকৰ প্ৰত্যেকৰে শলাগ ললোঁ।

এটা কথা ঠিক, কিতাপখনে আধুনিক অসমৰ সকলো দিশ সামৰিব পৰা নাই। প্ৰকাশিত প্ৰবন্ধবোৰতো প্ৰাসঙ্গিক সকলো তথ্য সুমুৱাব পৰা হোৱা নাই। কিতাপখনত আধুনিক অসমৰ সকলো দিশ সামৰাৰ বা প্ৰকাশিত প্ৰবন্ধবোৰত প্ৰাসঙ্গিক সকলো তথ্য সুমুৱাৰ উদ্দেশ্যও আমাৰ নাছিল। আধুনিক অসমৰ নিৰ্দিষ্ট কিছুমান বিষয় সম্পৰ্কে এটি আভাস দিয়াৰ প্ৰয়াসেৰে আমি কিতাপখন উলিয়াই সহৃদয় পাঠকৰ হাতত তুলি দিলোঁ।

*আধুনিক অসম*ৰ চাৰিটা খণ্ড পঢ়ি যদি কোনো পাঠক অলপো উপকৃত হয়, তেন্তে আমি নিজকে কৃতাৰ্থ মানিম।

নগাঁও, অসম
৮ ডিচেম্বৰ ২০১৫

**ড° অজন্তা দত্ত বৰদলৈ**
অধ্যক্ষা, নগাঁও ছোৱালী কলেজ

# সূচীপত্ৰ


- আগকথা/১
- **ঔপনিবেশিক আমোলত অসমৰ অৰ্থনৈতিক বিৱৰ্তন: এটি পৰ্যালোচনা**
  কল্যাণ বৰা/২৫
- **স্বৰাজোত্তৰ অসমৰ অৰ্থনীতি**
  ড° সঞ্জীৱকুমাৰ বৰকাকতী/৩৯
- **ঔপনিবেশিক আৰু স্বৰাজোত্তৰ অসমৰ অৰ্থনীতি: এটি তুলনামূলক অধ্যয়ন**
  ড° ৰাণী মুদিয়াৰ ডেকা/৪৬
- **অসমৰ কৃষি: এটি ভৌগোলিক পৰ্যালোচনা**
  ড° নিত্যানন্দ ডেকা, ড° অৰুনীকুমাৰ ভাগৱতী/৮৬
- **অসমৰ ঔদ্যোগিক বিকাশ**
  গুণীন হাজৰিকা/১২০
- **য়াণ্ডাবু সন্ধিৰপৰা স্বাধীনতা প্ৰাপ্তিলৈ: ছকুৰি বছৰৰ ৰাজনৈতিক পৰিক্ৰমা**
  শৰৎ হাজৰিকা/১৩৪
- **স্বৰাজোত্তৰ অসমৰ ৰাজনৈতিক বিকাশৰ ধাৰা:এটি আলোকপাত**
  ৰণজিৎ বৰুৱা/১৬৯
- **অসমত পৰিবহণ ব্যৱস্থা**
  কুলেনচন্দ্ৰ দাস/১৯৮
- **অসমলৈ প্ৰব্ৰজন: অতীতৰ প্ৰয়োজন আৰু বৰ্তমানৰ শংকা**
  ড° মনোজকুমাৰ নাথ/২১৬
- **ব্ৰহ্মপুত্ৰৰ বান-গৰাখহনীয়া প্ৰতিৰোধৰ সমস্যা**
  হীৰেন গগৈ/২৩৮
- **আধুনিক অসমৰ স্বাস্থ্য আৰু চিকিৎসা**
  ডাঃ মিহিৰকুমাৰ গোস্বামী/২৫৪
- **হোমিঅ'পেথিক চিকিৎসা: জাৰ্মানিৰপৰা অসমলৈ**
  ডাঃ নাৰায়ণ দেৱনাথ
  (সংযোজক: ডাঃ বিজয়কৃষ্ণ নাথ)/২৬৬
- **অসমত আয়ুৰ্বেদিক চিকিৎসাৰ ক্ৰমবিকাশ**
  মনোজকুমাৰ শইকীয়া/২৭৫
- **যৌগিক চিকিৎসা আৰু অসম**
  অৰুণকুমাৰ তালুকদাৰ
  (সংযোজক: লক্ষ্মীপ্ৰসাদ বৰঠাকুৰ)/২৮২
- **অসমৰ পশুপালন আৰু পশুচিকিৎসা বিভাগ**
  ৰেজাউল কৰিম/২৮৯
- লেখক পৰিচিতি/২৯৭

# আগকথা

আধুনিক অসমৰ অৰ্থনীতি, ৰাজনীতি আৰু স্বাস্থ্যবিষয়ক কেইটিমান প্ৰবন্ধ আমাৰ বৰ্তমান খণ্ডটিত অন্তৰ্ভুক্ত কৰা হ'ল। অৰ্থনীতিবিষয়ক আলোচনাত আমি সঙ্গত কাৰণতেই কৃষি, উদ্যোগ, পৰিবহণ আৰু প্ৰব্ৰজনৰ দৰে গুৰুত্বপূৰ্ণ বিষয়বোৰ সুমুৱাৰ লগতে প্ৰাসঙ্গিক বিষয় হিচাপে বানপানীৰ কথাকো অন্তৰ্ভুক্ত কৰিছোঁ। স্বাস্থ্যবিষয়ক প্ৰবন্ধবোৰত গুৰুত্ব পাইছে চিকিৎসাসেৱাই আৰু এই সম্পৰ্কে লেখা প্ৰবন্ধাৱলীত এলোপেথি, হোমিঅ'পেথি, আয়ুৰ্বেদিক আৰু যৌগিক চিকিৎসাবিষয়ক প্ৰবন্ধৰ লগতে স্থান পাইছে পশুচিকিৎসাবিষয়ক প্ৰবন্ধয়ো। তথাপি প্ৰাসঙ্গিক বহু বিষয় অন্তৰ্ভুক্ত কৰিব পৰা নগ'ল।

কথা হ'ল, যিবোৰ বিষয়ত প্ৰবন্ধ প্ৰকাশ কৰা হৈছে সেইবোৰতো বহু প্ৰয়োজনীয় তথ্য সুমুৱাব পৰা হোৱা নাই। উল্লেখতকৈ অনুল্লেখৰ পৰিমাণেই বেছি। তথাপি গোটেইখিনি প্ৰবন্ধ একেলগে পঢ়িলে আধুনিক অসমৰ অৰ্থনীতি, ৰাজনীতি আৰু স্বাস্থ্য-পৰিষেৱাৰ বিষয়ে কিছু আভাস পোৱা যাব বুলি ধাৰণা হয়।

ঊনৈছ শতিকাৰ অসমৰ অন্যতম প্ৰধান সমস্যা আছিল কেঁচা টকাৰ অভাৱ। ১৮২৬ খ্ৰীষ্টাব্দত য়াণ্ডাবু চুক্তি হোৱাৰ আগৰেপৰা ইষ্ট ইণ্ডিয়া কোম্পানিয়ে অসমত ৰাজহ সংগ্ৰহৰ কাম আৰম্ভ কৰি দিছিল যদিও নগদ টকাৰে ৰাজহ আদায় দিবলৈ অসমীয়া ৰাইজ আহুকালত পৰিছিল। তিনি পূৰা মাটিৰ খাজানা তেতিয়া আছিল মাত্ৰ ২ টকা, যিটো পাইকসকলে দিব নোৱাৰিছিল। ইপিনে মান খেদাত ব্ৰিটিছৰ বহু অৰ্থব্যয় হৈছিল। এনে স্থলত খাজানা আদায় নিদিয়াকৈ কোনো সাৰিব নোৱাৰে। গতিকে চতুৰ ব্ৰিটিছ বিষয়া ডেভিড স্কটে পাইকসকলক দাসৰূপে আত্মবিক্ৰয় কৰি খাজানা পৰিশোধ কৰিবলৈ পৰামৰ্শ দিলে। স্কটৰ পৰামৰ্শ শিৰোধাৰ্য কৰি হাজাৰ হাজাৰ পাইকে আত্মবিক্ৰয় কৰি ব্ৰিটিছৰ খাজানাৰ ক্ষুধা নিবৃত্ত কৰিছিল। সেয়া ১৮২৫ চনৰ কথা।[১] ভাবিলে আচৰিত লাগে যে এই স্কটেই আগতে একমাত্ৰ কামৰূপ জিলাতেই বাৰ হেজাৰ মানুহক দাসত্বৰপৰা মুক্ত কৰিছিল।[২]

সমগ্ৰ আহোম ব্যৱস্থা বৰ্তি আছিল দাস-শ্ৰম আৰু পাইক-শ্ৰমৰ ওপৰত নিৰ্ভৰ কৰি। "Minted money" বোলা কোনো বিনিময় মাধ্যম তেতিয়া নাছিল।[৩] এনে অৱস্থাত মফট মিলছৰ ওচৰত দাখিল কৰা স্মাৰকপত্ৰত মণিৰাম দেৱানে নগদ ধনেৰে খাজানা আদায় লোৱাৰ পৰিৱৰ্তে ধান, চাউল, কপাহ, মুগা, লা, পিপলি আদি সামগ্ৰীৰে খাজানা আদায় ল'বলৈ পৰামৰ্শ আগবঢ়াইছিল।[৪] কিন্তু

ব্ৰিটিছৰ উদ্দেশ্য আছিল নগদ টকাৰ প্ৰলোভন দেখুৱাই মানুহক চাহবনুৱাত পৰিণত কৰা। ঠায়ে ঠায়ে সমূহীয়া ভোজৰ আয়োজন কৰি তেওঁলোকে ৰাইজক খুৱালে আৰু বাগিচাৰ বনুৱা হ'বৰ মন্ত্ৰ ফাঁকি কাণত ঢালিলে। প্ৰথম অৱস্থাত কিছুমান কছাৰী মানুহ তেওঁলোকৰ প্ৰলোভনত ভোল গ'লেও সামগ্ৰিকভাৱে অসমীয়া মানুহৰ ওপৰত বাগিচাৰ বনুৱা হোৱাৰ পৰামৰ্শৰ প্ৰভাৱ আছিল নেতিবাচক। বিহুগীতত ইয়াৰ স্পষ্ট প্ৰমাণ পোৱা যায়। এজন ডেকা খেতিয়কে তাৰ প্ৰিয়তমাক কৈ আছে :

বাগিচাৰ চাকৰি নালাগে লাহৰি
নালাগে তলপৰ ধন।
তই ধানে দাবি মই হালে বাম,
সেয়ে হ'ব জীৱনৰ ধন।[৫]

ইপিনে সাধাৰণ অসমীয়া খেতিয়কে নগদ টকাৰ প্ৰলোভনক যিমানেই আওকাণ নকৰক কিয়, সময়টো আছিল কেঁচা টকাৰ জয়যাত্ৰাৰ কাল। এটা জাতি আধুনিক সভ্যতাৰ বাটত কিমানখিনি আগবাঢ়িছে তাকে নিৰূপণৰ বাবে পুঁজিবাদ-নিৰ্ধাৰিত সূত্ৰটো আছিল সেই জাতিৰ অভাৱবোধ কিমান তাকে গমি চোৱা। চিংফৌসকলক ব্ৰিটিছৰ মানত সভ্য কৰাৰ কাৰণে চি এ ব্ৰুচে কাপ্তান জেনকিন্সলৈ এটি পৰামৰ্শ আগবঢ়াইছিল। তেওঁ লিখিছিল, চিংফৌসকল যদি পাহাৰ-পৰ্বতৰপৰা ভৈয়ামলৈ নামি আহে আৰু ব্ৰিটিছ বণিকসকলে যোগান ধৰা বয়বস্তুৰ বাবে অভাৱবোধ কৰে তেন্তে তেওঁলোক সভ্যতাৰ বাটত আগবঢ়া বুলি ধৰি ল'ব লাগিব। তেওঁ লিখিছে :

> I do not think the country sufficiently settled to carry on a free trade to our material benefit. Another great object would be gained by their coming down is that the more they come in contact with us the more their wants would be increasing and the more civilized and tractable neighbours they would become, and the greater demand would every year for our goods.[৬]

ব্ৰুচৰ এনে পুঁজিবাদী দৰ্শনেৰে মুঠেই প্ৰভাৱিত নহৈছিল ৰামকুমাৰ বিদ্যাৰত্ন। তেওঁ লিখিছিল :

> সাধারণ বিশ্বাস এই যে, যাহাদের অভাব যে পরিমাণে অল্প, তাহারা সেই পরিমাণে অসভ্য; কিন্তু আমি এইমতে সায় দিতে পারি না। বিশেষতঃ আসামের পক্ষে ত এই মত খাটিতে পারে না। ইহাদের সামাজিক গঠনপ্রণালী ইহাদিগকে অন্য দেশীয় বাণিজ্যের মুখাপেক্ষী হইতে দেয় নাই। নিতান্ত বিলাসীয় দ্রব্য ভিন্ন আপনার যাহা প্রয়োজনীয়, আসাম সমাজ তাহা যোগাইতে বেশ সক্ষম। উত্তর বস্ত্র চাও, আসামের গৃহলক্ষ্মীরা তাহা প্রস্তুত করিয়া দিবে। যে কিছু শস্যের প্রয়োজন, আসামে কৃষকেরা তাহা প্রদান করিতে অসমর্থ নহে। অলঙ্কার এবং অপরাপর বিলাসসামগ্রীর প্রয়োজন হয়, আসামের কারুকারেরা তাহাও প্রদান করিতে পারে।[৭]



ৰামকুমাৰে যিয়েই নকওক লাগে, সময়টো আছিল কেঁচা টকাৰ অপাৰ মান্যতাৰ যুগ। দৰাচলতে কেঁচা টকাৰ অভাৱেই আছিল সেই যুগত আটাইতকৈ ডাঙৰ অভাৱ। অসমৰ পৰম্পৰাগত বস্ত্ৰশিল্প তেতিয়া ক্ৰমান্বয়ে মূৰ দাঙি উঠা পুঁজিবাদী অৰ্থনৈতিক ব্যৱস্থাৰ প্ৰভাৱত বিপৰ্যস্ত হ'বলৈ ধৰিছে। প্ৰথমে থলুৱা সূতাক স্থানচ্যুত কৰে বিলাতী সূতাই। তাৰ পিছত আহে বিলাতী কাপোৰ। "বিলাতী সূতাৰ মুটৰী লৈ মাৰোৱাৰী ভায়া গাৱঁলীয়া মানুহৰ আগচোতালো পাইছেগৈ, এনে অৱস্থাত লাহে লাহে গাৱঁলীয়া গাভৰুৱেও বঙালী সূতাৰেহে কাপোৰ ব'ব পৰা হৈ আহিবলৈ ধৰিছে।"[৮] এই "বঙালী সূতা" গৃহস্থই বোৱনীক কিনি দিব লাগিব, কিয়নো তেওঁ হেনো গিৰীয়েকক জনাই দিছে, "ল'ৰা-ছোৱালীৰ বেম্ ৰোলত সূতা কাটিব নোৱাৰি, বিলাতী সূতা কিনি দিব লাগে, তেহে ঘৰত কাপোৰ ব'ব পাৰি।" ইপিনে "বেচেৰা গৃহস্থে ধন পায় ক'ত?"[৯] ৰত্নেশ্বৰ মহন্তই এনে পৰিস্থিতিৰ বাবে ঘৰৰ মহিলাসকলক দোষাৰোপ কৰিছে যদিও দৰাচলতে ইয়াৰ বাবে দায়ী আছিল পুঁজিবাদী সভ্যতাৰ ক্ৰমবৰ্ধমান আগ্ৰাসন আৰু ক্ৰমবিস্তাৰ। এই সভ্যতাই অসমত বিলাতী কাপোৰৰ বজাৰ সৃষ্টি কৰাৰ বহু আগতেই ৰাজ্যখনত সৃষ্টি কৰিছিল বহিঃ-ৰাজ্যৰপৰা অহা কানিৰো এখন বজাৰ। প্ৰকৃততে কানি অবিহনে ব্ৰিটিছ সাম্ৰাজ্য গঢ়ি নুঠিলেহেতেন। সাম্ৰাজ্যবাদৰ বিস্তাৰত কানিৰ ভূমিকা সম্পৰ্কে এছেক্স বিশ্ববিদ্যালয়ৰ অধ্যাপক নিগেল ছাউথে এইদৰে কৈছে : "Without opium, there would be no empire".[১০] কানিয়েই পুঁজিবাদ আৰু সাম্ৰাজ্যবাদৰ মাজত সংযোগকাৰী সেতুৰূপে কাম কৰে বুলি লিখিছে কাৰ্ল এ ট্ৰকিয়ে : "Opium was an important link between the creation of empire and capitalism in Asia".[১১] কিন্তু সেই কানি কিনিব পৰা অৰ্থবল দৰিদ্ৰ নিচলা অসমীয়া মানুহৰ নাছিল।

আগতেই কৈছোঁ, ঊনৈছ শতিকাৰ অসমৰ প্ৰধান সমস্যা আছিল অৰ্থনীতিৰ মুদ্ৰাকৰণ। *The Age of Capital* নামৰ কিতাপখনত এৰিক জে হবছ্‌বমে ১৮৪৮ চনৰপৰা ১৮৭৫ চনৰ কালছোৱাক পুঁজিৰ যুগ বুলিছে। এই কালছোৱাত অসমলৈ কিছু পৰিমাণে বাহিৰা পুঁজি আহিছিল যদিও ৰাজ্যখনত কোনো থলুৱা পুঁজি গঢ়ি নুঠাত অসমত তেতিয়া কোনো পুঁজিৰ যুগৰ সূচনা নহ'ল। অৱশ্যে অসমত এই সময়ত এটা গুৰুত্বপূৰ্ণ ঘটনা ঘটিছে, যাৰ উল্লেখ আগতেই কৰিছোঁ। সেয়া হ'ল অসমত চাহ-উদ্যোগৰ পত্তন, যাৰ নিয়ন্ত্ৰণত অসমীয়া মানুহৰ ভূমিকা আছিল নগণ্য। কিন্তু এই চাহ-উদ্যোগৰ সুবাদতে অসমৰ বাটপথবিলাক কিছু মুকলি হয় আৰু ৰাজ্যখনলৈ বাহিৰা মানুহৰ আগমনো বাঢ়ে। ১৮৮২ চনত অসমত ৰেল-যোগাযোগ ব্যৱস্থাৰ সূত্ৰপাত হোৱাৰ লগে লগে ৰাজ্যখনত আধুনিকতাৰ সম্প্ৰসাৰণ ঘটে। ১৮৫৭ চনত ৰচিত প্ৰথম আধুনিক অসমীয়া নাটক *ৰাম-নৱমীত* দতো নামৰ শঙ্কৰী পন্থৰ মানুহ এজনৰ মুখত ঘোষিত হৈছিল এবাৰ

গুৰুত্বপূৰ্ণ কথা: "এখান টকাৰ দিন হচি দে" (৫.২)।[১২] ৰেলযুগে অসমত কেঁচা টকাৰ জয়যাত্ৰাকে সুপ্ৰতিষ্ঠিত কৰিলে।

অসমত ৰেলযুগ আৰম্ভ হোৱাৰ তিনি বছৰৰ পিছত — ১৮৮৫ খ্ৰীষ্টাব্দত — গুণাভিৰাম বৰুৱা সম্পাদিত *আসাম-বন্ধুত* প্ৰকাশিত হৈছিল পূৰ্ণকান্ত শৰ্মাৰ "ধন" আৰু নৱনাথ মহন্তৰ "টকা" নামৰ দুটা কবিতা, য'ত স্পষ্টভাষাৰে গোৱা হ'ল বিত্তশক্তিৰ জয়গান। "ধন" কবিতাত পূৰ্ণকান্ত শৰ্মাই লিখিলে :

জগতৎ [জগতত] বন্ধু নাই ধনব সমান।
পূজ্য হোৱে সৰ্বস্থানে নৰ ধনবান।।
ব্ৰহ্মাহা হলেও পূজ্য ধনৰ বলত।
ধনীৰ নাহিক দুঃখ পৃথিৱী মধ্যত।।
নীচ কুলোদ্ভৱ লোক হলে ধনবান।
সমাজত তেহোঁ ভুঞ্জে অনেক সন্মান।।
ভদ্ৰবংশী যদি হোৱে ধনত বঞ্চিত।
অনাদৃত হোৱে তেহোঁ ই কথা নিশ্চিত।।[১৩]

ইপিনে "টকা" কবিতাত নৱনাথ মহন্তই টকাক উদ্দেশি ক'লে :

তোমাৰ গুণত মিছ্য সঁচা হোৱে
সঁচা কথা মিছ্য হয়;
প্ৰভু হোৱে দাস দাস হোৱে প্ৰভু
ৰজা থাকে কাৰালয়।[১৪]

এয়া যেন *Timon of Athens* নাটকত শ্যেক্সপিয়েৰে লিখা তলৰ কথাকেইটাৰেই পুনৰাবৃত্তি :

Thus much of this [বিত্ত] will make black white, foul fair,
Wrong right, base noble, old young, coward valiant. (৪.৩)।[১৫]

এই কেঁচা টকা হাতত নথকাৰ ফলত বহু দুখীয়া মানুহে মৌজাদাৰৰ তলত বেগাৰ খাটিব লগা হৈছিল। *আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰত* গুণাভিৰাম বৰুৱাই লিখিছে যে কামৰূপ জিলাৰ খাতা পৰগনাৰ চৌধুৰী মৌজাদাৰসকলে তেওঁলোকৰ তালুকৰপৰা ঘৰলৈ উভতি আহোঁতে বহু দুখীয়া মানুহক লগত লৈ আহিছিল। সেই মানুহবোৰে কেইটামান পইছা খাজানা মকুব পোৱাৰ আশাৰে বিনা পাৰিশ্ৰমিকত মৌজাদাৰৰ ঘৰত বন কৰিছিল। উনৈছ শতিকাৰ অসমত হোৱা কৃষক বিদ্ৰোহবোৰৰ মূল কাৰণ আছিল নগদ টকাৰে খাজানা আদায় দিবলৈ কৃষকসকলৰ অপাৰগতা।[১৬] *আধুনিক অসমৰ* দ্বিতীয় খণ্ডত এই বিষয়ত আলোচনা কৰা হৈছে।

অসমীয়া খেতিয়কৰ এই অসহনীয় সমস্যাৰ কথা আন বহুতৰ দৰে গুণাভিৰাম বৰুৱায়ো জানিছিল। সেয়েহে ১৮৮৪ খ্ৰীষ্টাব্দত প্ৰকাশিত *বিবাহৰহস্য নাটকত* সুনন্দ নামৰ দৰিদ্ৰ খেতিয়কজনৰ মুখত তেওঁ নিম্নলিখিত ধৰণৰ সংলাপ দিছিল :



মোৰ একো নাই। ... খাবলৈ ঘৰত ব্ৰহ্মাকণ এটা নাই। ক্ষেতিৰ ফালেও সেই। ... আফিঙৰ পৰাই বড় দুঃখ পাইছো। ... বহিয়ালনীয়ো আগৰ ব্যাধিটো উক দিছে। ওঝা জ্ঞানী ধৰিবলৈকো পয়সা এটাই নাই। গেবেলাকো আফিঙৰ আৰু কিবাকিবি অনাব বাবে টকা কম একুড়ীমান দিব লাগে। যোলে টকা খাজানাৰ এটকাও দিয়াই নাই।[১৭]

ইয়াৰ এঘাৰ বছৰমান আগেয়ে প্ৰকাশিত *আসাম বুৰঞ্জীত* তেওঁ লিখিছিল: "[অসমত] এতিয়ালৈকে এনে দৰিদ্ৰ লোক আছে যি লোণ নোহোৱা আহাৰ কৰি থাকে।"[১৮] অথচ একেখন কিতাপৰে অন্যত্ৰ তেওঁ লিখিছে :

প্ৰায় ১৮২৪ সনৰে পৰা আজিলৈকে অসম দেশত ব্ৰিটিছৰ শাসনৰ পঞ্চাশ বৎসৰ হইছে। ইয়াত দেশৰ সকলো প্ৰকাৰ উন্নতি হব লাগিছে। ... এতিয়া ৰাজস্বখিনি দিব পাৰিলেই পৰম সুখে নিৰুপদ্ৰৱে প্ৰজা সকলে থাকিব পাৰে। সি কাৰণেই লোকৰ সুখ-সম্পত্তি ক্ৰমে বৃদ্ধি হই আহিছে। ৰাজস্ব দি খাই লই থাকি যি উৎপন্ন হয় তাক ভঁড়ালত থব পাৰিছে।[১৯]

দৰাচলতে ব্ৰিটিছ-সৃষ্ট Myth of the Lazy Nativeত হয়ভৰ দি গুণাভিৰামে কোৱা ওপৰৰ কথাখিনিত কোনো ঐতিহাসিক সত্যতা নাই। উচ্চ হাৰৰ খাজানাৰ হেঁচাত শ্ৰমবিমুখ মানুহ কঠোৰ পৰিশ্ৰমী হৈ উঠিব, জেমছ মিলৰ জৰিয়তে ভাৰতলৈ অহা মালথাছ-উত্তাৰিত আৰু ৰিকাৰ্ডো-সমৰ্থিত এনে ধাৰণা[২০]ক সজ্ঞানে বা অজ্ঞানে অনুমোদন জনোৱাৰ বাহিৰে গুণাভিৰামৰ উদ্ধৃত মন্তব্যটিয়ে আন একো উদ্দেশ্য সাধন নকৰে।

খাজানা আদায় ল'লে খাজানা লোৱা কৰ্তৃপক্ষৰ ওপৰত যে কৃষিৰ উন্নতিসাধনৰ দায় বৰ্তায় সেয়া জনা কথা। কিন্তু ঔপনিবেশিক চৰকাৰে যে এই দায়িত্ব পালনত হেলা কৰিছিল সেই কথা আন কোনো নহয় বলিনাৰায়ণ বৰাৰ দৰে ঔপনিবেশিক শাসনৰ স্তাৱক এজনৰ লেখাতেই স্পষ্ট। *মৌৰ* পাতত তেওঁ লিখিছিল :

... খৰাং দিনত ৰায়তে পানী পাবৰ নিমিত্তে কৃষি বিভাগৰ পৰা অলপমান ও পুৰুষাৰ্থ কৰা দেখা নাযায়। ... নকৈ খাল খানি পানী যোগোয়াৰ কথা দূৰত থাকক আগৰ দিনৰ পুৰণি পুখুৰি বোৰ ও অমনোযোগত পোত খাই বা দলনি হই অকামিলা হই পৰি আছে। কৃষিবিভাগৰ পৰা এই খিনি উপকাৰ ও যদি নাপাব লগীয়া হল, তেন্তে সেই বিভাগ থাকি নাথাকি সমান। ... কৃষি বিভাগৰ ডিৰেক্টৰ জনাৰ কাম আৰু তেওঁৰ অফিচ উঠাই দিলেই ৰাজকোষৰ মঙ্গল, আমাৰ প্ৰজাৰ তাত অমঙ্গল নাই।[২১]

প্ৰাক্-ঔপনিবেশিক অসমৰ অৰ্থনীতিক "আকালো নাই ভঁড়ালো নাই" জাতীয় অৰ্থনীতি বুলিব পাৰি। ঔপনিবেশিক যুগত এই পৰিস্থিতিৰ আমূল পৰিৱৰ্তন ঘটিল। পৰিৱৰ্তন ঘটালে moneycracyয়ে। গাঁৱৰ মাটিগিৰি-মহাজন, ইংৰাজীশিক্ষিত মানুহ, চৰকাৰী আমোলা আৰু চাহ-উদ্যোগৰ কৰ্মচাৰীৰ দৰে moneycracyৰ আশীৰ্বাদধন্য লোকসকলক লৈ অসমত এটা মধ্যবিত্ত শ্ৰেণী গঢ় লৈ উঠিল। আৰু যিসকলে অন্ততঃ কেৰানি-মহৰীৰ কাম এটাও গোটাব নোৱাৰিলে তেওঁলোকৰ বাবে মধ্যবিত্ত শ্ৰেণীত সোমোৱাটো কঠিন হৈ পৰিল :

কেৰেণী নহ'লোঁ মহৰী নহ'লোঁ

### ধনক কেনেকৈ পাম ?[২২]

সত্ৰাধিকাৰসকলৰ একাংশ তো পৰম্পৰাগতভাৱে উচ্চবিত্ত শ্ৰেণীৰেই মানুহ আছিল। মৌজাদাৰসকলৰ একাংশও এই শ্ৰেণীত সোমাই পৰিল। ঔপনিবেশিক শাসনকালতেই *কানীয়াৰ কীৰ্ত্তন*ৰ "ঘিঁদাস মজকুৰী পিয়দাবাবু"[২৩]ৰ দৰে একালৰ বন্দী-গোলামেও অৰ্থনৈতিক উন্নতিৰ জখলাত ভৰি দিয়াৰ সুযোগ পালে। যেতিয়ালৈকে অসমীয়া মানুহৰ ঘৰত চাউল, নিমখ, শাক-পাচলি, কানি, ধঁপাত আৰু ধঁপাতসেৱনৰ হোকা আছে, তেতিয়ালৈকে তেওঁলোকে আন একোকে নিবিচাৰে বুলি ১৮৮৪ চনত প্ৰকাশিত জৰ্জ এম বাৰ্কাৰৰ *A Tea-Planter's Life in Assam* নামৰ কিতাপত উল্লেখ আছে: "While there is a sufficiency of rice, salt, and vegetables to eat, a bit of opium or the hubble-bubble in the house, he is happy, and cares not for the future."[২৪] কিন্তু উনৈছ শতিকা শেষ নৌহওঁতেই তেওঁৰ এই বক্তব্যৰ অসাৰতা প্ৰমাণ কৰি দিলে লক্ষ্মীনাথ বেজবৰুৱা, ভোলানাথ বৰুৱা, মাণিকচন্দ্ৰ বৰুৱা আৰু বাধানাথ চাংকাকতিৰ দৰে উদ্যমী ব্যৱসায়ীসকলে। (প্ৰথম অসমীয়া চাহখেতিয়ক মণিৰাম দেৱানৰ কথা নক'লোঁৱেই বা!) আনহাতে সৰহভাগ দুখীয়া দুখীয়াই ৰৈ গ'ল। অসমৰ বিপুল সম্পদৰ ওপৰত তেওঁলোকে তেওঁলোকৰ ন্যায্য অধিকাৰ সাব্যস্ত কৰাত ব্যৰ্থ হ'ল। এইদৰে দেশ স্বাধীন হোৱাৰ আগতেই "আকালো নাই ভঁড়ালো নাই" জাতীয় পৰিস্থিতিৰ ঠাইত ক্ৰমান্বয়ে এনে এক পৰিস্থিতিৰ সৃষ্টি হ'বলৈ ধৰিলে যাক অনায়াসে "a unique juxtaposition of backwardness amidst plenty"[২৫] বুলিব পাৰি।

অসমলৈ আহি চাহশিল্পৰ পত্তন তথা বিস্তাৰ আৰু অসমৰ প্ৰাকৃতিক সম্পদ লুণ্ঠনত সাফল্য আৰ্জিলেও ৰাজহসংগ্ৰহৰ ক্ষেত্ৰত ব্ৰিটিছে বিশেষ সাফল্য আৰ্জিব নোৱাৰিলে। ৰাজ্যখনৰ অধিবাসীৰ সংখ্যাল্পতাই ব্ৰিটিছৰ আশাৰ জুইত পানী ঢালিছিল। ঔপনিবেশিক স্বাৰ্থতেই তেতিয়া বিচাৰিছিল অসমত মানুহৰ সংখ্যা বাঢ়ক। আনন্দৰাম ঢেকিয়াল ফুকন আৰু গুণাভিৰাম বৰুৱাৰ দৰে আগশাৰীৰ অসমীয়া বুদ্ধিজীৱীয়েও জনসংখ্যাবৃদ্ধিৰ স্বাৰ্থত অসমলৈ বাহিৰা মানুহ অহাৰ পৃষ্ঠপোষকতা কৰিছিল। ১৮৫৩ চনত মফট মিলছৰ ওচৰত দিয়া স্মাৰকপত্ৰত আনন্দৰাম ঢেকিয়াল ফুকনে অসমৰ জনসংখ্যাবৃদ্ধিৰ বাবে যি-কেইটা পৰামৰ্শ আগবঢ়াইছিল, তাৰ ভিতৰত এটা আছিল বঙ্গদেশৰ দুৰ্গত অঞ্চলবোৰৰ মানুহবিলাকক অসমত বসবাসৰ বাবে আকৰ্ষিত কৰিব লাগে: "... the people from some of the badly provided parts of Bengal could be likewise invited to emigrate"।[২৬] ১৮০৭ শকাব্দৰ (ইংৰাজী ১৮৮৫ খ্ৰীষ্টাব্দৰ) ব'হাগ সংখ্যা *আসাম-বন্ধু*ত গুণাভিৰাম বৰুৱাই লিখিছিল :

> ব্ৰিটিশ শাসনৰ নিমিত্তে দেশৰ পথ ঘাট ভাল হইছে। বামে কি নাৱে যোৱা অহাৰ বৰ সুবিধা হইছে। এনেকি গোটেইখান দেশৰ ইমূৰলৈ আহি ঘুৰি সিমূৰলৈ যাওঁতে আজি কালি দহ দিনেই অধিক। ... ব্ৰিটিশ মূল ধনেৰে অৰণ্যময় প্ৰদেশ বোৰ ভাল হইছে। চাহৰ কৃষি আৰু বাণিজ্যৰ দ্বাৰা দেশৰ মহৎ উপকাৰ হইছে। চাহবাড়ী বোৰ এড়িলেও গবৰ্ণমেণ্টৰ আন অনেক বিভাগ সৃষ্টি হইছে। দেশৰ আয় উৎপন্নৰ বেহা বেপাৰৰ অনেক বাট ওলাইছে। সেই কাৰণে বিদেশৰ পৰা ক্ৰমে ক্ৰমে লোক আহিছে। ... ইয়াৰ দ্বাৰা প্ৰজাসংখ্যা বৃদ্ধি হ'ব লাগিছে। এতিয়া আমাৰ প্ৰজাসংখ্যা প্ৰায় ২০ লক্ষ বুলিব পাৰি। ...
>
> .... এতিয়া চাহবাড়ী, ৰেইলওৱে প্ৰভৃতি বিভাগত কাম কৰিবলৈ বিস্তৰ লোকৰ প্ৰয়োজন। আৰু এনে লোকৰ প্ৰয়োজন যি উন্নত ৰূপে কাৰ্য কৰিব পাৰে। আমাৰ তেনে অসমীয়া মানুহ নাই। ...
>
> ... আমাৰ দেশলৈ ভিন্ন দেশৰ লোক আহিবৰ যিমান সুগম উপায় হ'ব তিমান ভাল। আমাৰ মানুহে বিদেশলৈ যিমান যাবলৈ সুবিধা পাব তিমান ভাল।[২৭]



বঙ্গৰপৰা মানুহৰ প্ৰব্ৰজন ঘটাই অসমক জনবসতিপূৰ্ণ ৰাজ্যত পৰিণত কৰাৰ প্ৰথম সচেতন ঔপনিবেশিক প্ৰয়াস দেখা যায় ১৯০৪ খ্ৰীষ্টাব্দৰ ৯ ফেব্ৰুৱাৰি তাৰিখে লিখা স্যৰ এণ্ড্ৰু ফ্ৰেজাৰৰ এটা টোকাত, য'ত স্পষ্টভাৱে কোৱা হৈছে, যিহেতু বঙ্গদেশ, বিশেষকৈ পূৰ্ববঙ্গ, ঘনজনবসতিপূৰ্ণ আৰু অসমত জনসংখ্যাবৃদ্ধিৰ প্ৰয়োজন আছে, সেই হেতুকে ৰাষ্ট্ৰীয় উন্নয়ন খৰতকীয়া কৰিবৰ কাৰণে অসমক বঙ্গৰ গৰাহলৈ ঠেলি দিব লাগে :

> ... that Bengal is very densely populated, that Eastern Bengal is the most densely populated portion, that it needs room for expansion and that it can only expand towards the East. So far from hindering national development we are really giving it greater scope and enabling Bengal to absorb Assam.[২৮]

তাৎপৰ্যপূৰ্ণ কথা এই যে যি-ঔপনিবেশিক শাসকবৰ্গই ৰাজহবৃদ্ধিৰ স্বাৰ্থত আৰু অসমৰ ভূমিৰ লগত ৰাজ্যখনৰ জনসংখ্যাৰ সামঞ্জস্য বিধানৰ প্ৰয়োজনত ১৯০৪ চনত পূৰ্ববঙ্গৰপৰা মানুহ আনি অসমৰ জনসংখ্যাবৃদ্ধিৰ আঁচনি ৰচিছিল সেই ঔপনিবেশিক শাসকবৰ্গই ১৯১১, ১৯২১ আৰু ১৯৩১ চনৰ লোকপিয়লৰ প্ৰতিবেদনত পূৰ্ববঙ্গৰপৰা হোৱা মুছলমান খেতিয়কৰ প্ৰব্ৰজনক পৰিহাস কৰি সামৰিক শব্দাৱলীৰে বৰ্ণনা কৰে আৰু খিলঞ্জীয়া অসমীয়া মনস্তত্ত্বত থকা মুছলিম-ভীতিত ইন্ধন যোগায়। ১৯১১ চনৰ প্ৰতিবেদনত কোৱা হয় যে ১৮২০ চনৰ মানৰ আক্ৰমণে অসমৰ সভ্যতা আৰু সংস্কৃতিত যিমান অনিষ্ট সাধিছিল অসমত মুছলমানৰ প্ৰব্ৰজনে তাতকৈ অধিক অনিষ্ট সাধিব। ১৯২১ চনৰ প্ৰতিবেদনত এই প্ৰব্ৰজনক মুছলমানৰ সংঘবদ্ধ সামৰিক কুচকাৱাজ (march) আৰু ১৯৩১ চনৰ প্ৰতিবেদনত ইয়াক অসমৰ ওপৰত মুছলমানৰ আক্ৰমণ (attack) বুলি অভিহিত কৰা হয়।[২৯] ১৯৭৯-৮৫ চনৰ কালছোৱাত হোৱা বিদেশী বিতাড়ন আন্দোলনৰ একাংশ সমৰ্থকে ১৯১১, ১৯২১ আৰু ১৯৩১ চনৰ লোকপিয়লবোৰৰ প্ৰতিবেদনৰপৰা মুছলিম প্ৰব্ৰজনবিষয়ক প্ৰাসঙ্গিক অংশবোৰৰ উদ্ধৃতি দি জনমানসত

ত্ৰাসৰ সৃষ্টি কৰিছিল যদিও ১৯০৪ খ্ৰীষ্টাব্দত ছাৰ এণ্ড্ৰু ফ্ৰেজাৰে দিয়া টোকাৰ কথাটো গোপন কৰিছিল। যিহেতু আমাৰ বৰ্তমান সঙ্কলনটিৰ অন্যতম গুৰুত্বপূৰ্ণ বিষয় প্ৰব্ৰজন সেই হেতুকে আন এটা প্ৰাসঙ্গিক বিষয় উল্লেখ কৰিবলৈ বিচাৰিছোঁ। ১৯১৬ খ্ৰীষ্টাব্দত উদ্ভাৱিত লাইনপ্ৰথা অনুযায়ী প্ৰব্ৰজন কৰা লোকসকলক ঘাইকৈ নৈপৰীয়া ঠাইবোৰত বসবাস কৰিবলৈ দিয়া হৈছিল আৰু তেওঁলোকৰপৰা যথাৰীতি ৰাজহ সংগ্ৰহ কৰা হৈছিল যদিও চৰকাৰে ঠাইবোৰৰ উন্নয়নৰ বাবে অৰ্থব্যয়ৰ ক্ষেত্ৰত অতিমাত্ৰাই কৃপণালি কৰিছিল। ১৯৩৮ খ্ৰীষ্টাব্দৰ লাইন ছিষ্টেম কমিটীৰ প্ৰতিবেদনত কমিটীখনৰ সকলো সদস্যই এক বাক্যে এই কথা স্বীকাৰ কৰিছিল যে ৰাজ্যখনৰ নৈপৰীয়া ঠাইবোৰত বাহিৰা মানুহ আনি বহুওৱাৰ ফলত চৰকাৰৰ ৰাজহ আদায় বৃদ্ধি হৈছে যদিও উন্নয়নৰ ক্ষেত্ৰত ঠাইবোৰ নিৰ্মম বঞ্চনাৰ চিকাৰ হৈছে। যেনে, নগাঁও আৰু মঙলদৈৰ নৈপৰীয়া অঞ্চলবোৰৰপৰা সংগৃহীত ৰাজহৰ পৰিমাণ য'ত আছিল চাৰি লাখ টকা, তাত সেইবোৰ অঞ্চলৰ উন্নয়নৰ বাবে খৰচ কৰা হৈছিল মাত্ৰ চল্লিছ হাজাৰ টকাহে। এফ ডব্লিউ হোকেনহালক সভাপতি আৰু আব্দুল মতিন চৌধুৰী, ছৈয়দ আব্দুৰ ৰৌফ, ছায়দুৰ ৰহমান, ৰবিচন্দ্ৰ কছাৰী, মহেন্দ্ৰনাথ শইকীয়া, সৰ্বেশ্বৰ বৰুৱা, কামেশ্বৰ দাস আৰু এ জি পেটনক সদস্য হিচাপে লৈ গঠিত কমিটীখনৰ প্ৰতিবেদনৰ এটি সৰ্বসন্মত অংশ আছিল নিম্নলিখিত ধৰণৰ :

> We examined the Colonisation Officers of Nowgong and Mangaldoi ... and were struck with the discrepancy in the amount realised as premia for lands and the amount allotted for development of these areas by way of improvement of communications etc. Roughly, a sum of four lakhs has already been realised in these two areas concerned and only 40,000 rupees, mainly in the district of Nowgong, has been expended. The Committee are unanimous in recommending that a greater proportion of the sum realised as premia should be spent in the area for the benefit of the immigrants than is now being spent.[৩৩]

এয়া জনা কথা যে এই নৈপৰীয়া ঠাইবোৰেই পৰৱৰ্তী কালত গৰাখহনীয়াৰ কবলত পৰে আৰু ঠাইবোৰ চৰত পৰিণত হয়। স্বাভাৱিকতে নৈপৰীয়া ঠাইবোৰৰ বাসিন্দাসকল "চৰুৱা" হৈ যায়। অথচ আন্দোলন-সমৰ্থক একাংশ লোক আৰু গণমাধ্যমে এই মানুহখিনিক সন্দেহজনক বাংলাদেশী বুলি অভিহিত কৰিছিল।

যিয়েই নহওক, ১৯৮৫ খ্ৰীষ্টাব্দত সম্পাদিত অসম চুক্তিয়ে ১৯৭১ চনৰ ২৪ মাৰ্চৰ মাজৰাতিলৈকে অহা লোকসকলৰ ভাৰতীয় নাগৰিকত্বসহ অসমত থকাৰ অধিকাৰক বৈধতা দিয়ে যদিও সমস্যাৰ ওৰ পৰা বুলি আশ্বস্ত হোৱাৰ কাৰণ নাই। কেৱল ১৯৭১ খ্ৰীষ্টাব্দতেই নহয় ১৯৮৫ খ্ৰীষ্টাব্দৰ পিছতো অসমলৈ



বিদেশী নাগৰিকৰ প্ৰব্ৰজন হৈ থকা বুলি উঠা অভিযোগটোৰ সাৰবত্তা অসমৰ কোনো মহলৰপৰাই অস্বীকৃত হোৱা নাই। দৰাচলতে প্ৰব্ৰজন এটা সময়ত অসমৰ বাবে ঐতিহাসিক প্ৰয়োজন আছিল যদিও সাম্প্ৰতিক কালত ই এক ভয়াবহ সঙ্কটৰ কাৰণ হৈ পৰিছে।

বৈধ আৰু অবৈধ দুয়োভাৱেই অসমৰ জনসংখ্যা বাঢ়িছে, কিন্তু মাটিকালি বঢ়া নাই, কমিছেহে। স্বাধীনোত্তৰ অসম ঔপনিৱেশিক অসমতকৈ আয়ৱিকভাৱে যথেষ্ট ক্ষুদ্ৰ। তদুপৰি যি-ব্ৰহ্মপুত্ৰ অসমৰ বিপুল ঐশ্বৰ্যৰ উৎস হৈ উঠিব পাৰিলেহেঁতেন, ১৯৫০ চনৰ বৰ ভূঁইকম্পৰ পিছত উপযুক্ত পৰিকল্পনাৰ অভাৱত সেই ব্ৰহ্মপুত্ৰ অসমৰ অশেষ দুখ-দুৰ্গতিৰ কাৰণ হৈ পৰিছে। এহাতে ইয়াৰ গভীৰতা হ্ৰাস হৈ আছে আৰু আনহাতে অগণন সুঁতিত বিভক্ত হৈ ই প্ৰতিনিয়ত বহল হৈ গৈ আছে। ব্ৰহ্মপুত্ৰত জাহ যোৱা ভূমি চৰ হৈ ওলায় যদিও সৰহভাগ চৰৰে স্থায়িত্ব নিচেই কম। বানপানী, গৰাখহনীয়া আৰু চৰ তথা বাম মাটি দুয়োৰে বিলুপ্তিৰ ফলত প্ৰতি বছৰে অগণন মানুহ গৃহহীন আৰু আশ্ৰয়হীন হৈ বিকল্প জীৱিকাৰ সন্ধানত নগৰমুখী হয় আৰু নগৰবোৰৰ জনসংখ্যা বৃদ্ধি কৰে। জাহ যোৱা ভূমি যেতিয়া চৰ হৈ পুনৰ ওলায় তেতিয়া পূৰ্বৰ বাসিন্দাসকলৰ বাবে সেই নতুন মাটিত দখল সাব্যস্ত কৰাটো সহজ হৈ নুঠে। প্ৰথম কথা, জাহ যোৱা ভূমিৰ বাবে বহুতে খাজানা আদায় নিদিয়ে বা দিব নোৱাৰে, যাৰ ফলত তেওঁলোকৰ মাটিৰ পট্টাবোৰ বাতিল (annulled) হৈ যায়। দ্বিতীয় কথা, চৰ অঞ্চলত একধৰণৰ বীভৎস landlordism আজিও অব্যাহত। যিসকল লোকৰ হাতত প্ৰচুৰ লাঠিয়াল আৰু সমাজবিৰোধী লোক আছে, সিহঁতে জাহ যোৱা ভূমি পুনৰ চৰ হৈ ওলোৱা মাত্ৰকে লাঠিয়াল আৰু সমাজবিৰোধী লোকৰ হতুৱাই সেইবোৰ দখল কৰি লয় আৰু অৰ্থৰ বিনিময়ত ভূমি-ভোকাতুৰ মানুহবিলাকক মাটিৰ পট্টন দিয়ে। এইদৰেই চৰ-চাপৰিৰ এচাম মানুহ প্ৰতিনিয়ত এক চৰৰপৰা আন চৰলৈ লৰি ফুৰে আৰু আন এচাম মানুহ নগৰ বা শিল্পাঞ্চললৈ গৈ যিমান সমস্যাত পৰে তাতকৈ অধিক সমস্যাৰ সৃষ্টি কৰে।

অসম এতিয়াও এক কৃষিপ্ৰধান ৰাজ্য। চাহ আৰু তেল উদ্যোগৰ বাহিৰে অসমত আন কোনো গুৰুত্বপূৰ্ণ উদ্যোগ নাই। এতিয়াও অসমৰ প্ৰায় ৭০ শতাংশ মানুহ একান্তভাৱে কৃষিজীৱী আৰু সেই কৃষিৰ অৱস্থাও পঁয়ালগা। ২০-২৫ বছৰমানৰ আগলৈকে অসমৰ এক বিস্তীৰ্ণ অঞ্চলত পূৰ্ববঙ্গমূলৰ খেতিয়কসকলে মৰাপাটৰ খেতি কৰিছিল। কিন্তু চৰকাৰী অব্যৱস্থাত অসমত মৰাপাটৰ খেতি* আৰু মৰাপাটভিত্তিক উদ্যোগ কাৰ্যতঃ নোহোৱা হৈছে। কৃষি আৰু উদ্যোগ দুয়ো

* মৰাপাট খেতি কৰাত কৃষকৰ অনাগ্ৰহৰ প্ৰধান তিনিটা কাৰণ হ'ল: (ক) মৰাপাটজাত সামগ্ৰী উৎপাদনৰ বাবে পৰ্যাপ্ত উদ্যোগ গঢ়ি নুঠা, (খ) মৰাপাটৰ বস্তাৰ পৰিবৰ্তে ছিন্থেটিক বস্তাৰ ব্যাপক ব্যৱহাৰ আৰু (গ) জুট কৰ্পোৰেচন অৱ ইণ্ডিয়াৰ একাংশ দুৰ্নীতিগ্ৰস্ত বিষয়াই কৃষকৰপৰা মৰাপাট নিকিনি (অৰ্থাৎ কৃষকক ন্যায্য মূল্যৰপৰা বঞ্চিত কৰি) দালালৰপৰা মৰাপাট কিনা আৰু এই দুৰ্নীতি দমনত চৰকাৰৰ ব্যৰ্থতা।

ক্ষেত্ৰত পিছপৰি থকা ৰাজ্যখনৰ যোগাযোগ ব্যৱস্থাও অনুন্নত। ঔপনিৱেশিক শাসনকালত অসমৰ চাহবাগিচাৰ্লৈ বনুৱা অনা আৰু অসমৰপৰা চাহপাত, কয়লা, বনজ সম্পদ আদি বাহিৰলৈ নিবৰ কাৰণে ৰাজ্যখনত বাটপথৰ কিছু উন্নতি কৰা হৈছিল যদিও ৰাজ্যখনত পুঁজিৰ বিকাশৰ বাবে সেইবোৰ আছিল নিতান্তই অপৰ্যাপ্ত। ১৮৬১ খ্ৰীষ্টাব্দত লিখা কৰ্নেল হপকিন্সৰ এক বিৱৰণত এই বিষয়ত পৰ্যাপ্ত অসন্তোষ প্ৰকাশ পাইছে :

> ... not a single road fit for wheeled carriage, or even passable at all for a great portion of the year... there is such an absence of the full tide of life running through Assam, such a want of intercourse between man and man, ... a terrible sense of isolation, by which enterprise is chilled and capital and adventures scared away... the capitalist is not always to be found, who will venture his money in a country to which access is so difficult as it is to Assam, through which his correspondence travels at the rate of a mile and a half an hour and in which it may take a month to accomplish a journey of two or three hundred miles.[৩১]

আনহাতে সেই সময়ত অসমৰ বাটপথৰ অৱস্থা যে ৰাজ্যখনৰ কৃষিজীৱী ৰাইজৰ স্বাৰ্থৰ অনুকূল নাছিল তাৰ অন্যতম প্ৰমাণ হৰিবিলাস আগৰৱালাৰ নিম্নোদ্ধৃত বৰ্ণনা :

> বায়তে ধান চাউল মাহ সৰিয়হ আদি উৎপন্ন বস্তু বেচি ধন ঘটাৰ সুবিধা একেবাৰেই নাছিল, বেপাৰি বাস্তা ঘাট নাও জাহাজ গাড়ি চলাচল একো নাছিল। ২/৩ গাঁৱৰ মতা মানুহ গোট খাই চাউলৰ ভাৰ লৈ বিশ্বনাথলৈ গৈ চাউল বেচি লোণ কাপোৰ কানি আদি অতি লাগতিয়াল বস্তু আনি ব্যৱহাৰ কৰিছিল।[৩২]

অসমৰ যোগাযোগ ব্যৱস্থা স্বৰাজোত্তৰ কালতো যে মুঠেই আশাব্যঞ্জক হৈ উঠা নাই ড° শ্যামভদ্ৰ মেধিয়ে সেই বিষয়ত পৰ্যাপ্ত বিৱৰণ দাঙি ধৰিছে তেওঁৰ *Transport System and Economic Development in Assam* নামৰ কিতাপখনত। তাত তেওঁ লিখিছে: "Most of the roads in Assam are ... substandard, with narrow way, weak bridges and bad surface which cannot take heavy traffic."[৩৩] অসমৰ মুঠ ৰাষ্ট্ৰীয় ঘাইপথৰ দৈৰ্ঘ্য মাত্ৰ ৭৪০ কিলোমিটাৰ আৰু ইয়াৰ অতি সামান্য অংশহে যানবাহনৰ দ্ৰুত চলাচলৰ উপযোগী।[৩৪] ভিতৰুৱা ৰাস্তাবোৰ তো বছৰৰ প্ৰায় সময়তে দুৰ্গম হৈ থাকে। গতিকে বিকাশৰ বিপুল সম্ভাৱনা থকা সত্ত্বেও অসমৰ পৰ্যটন শিল্প পিছ পৰি আছে। এই বিষয়ত কোনো সন্দেহ নাই, ৰাজ্যখনৰ বাটপথ ইয়াৰ কৃষি আৰু উদ্যোগ উভয় ক্ষেত্ৰৰেই বিকাশৰ বাবে হতাশাব্যঞ্জক। যিখন ৰাজ্যৰ মুঠ শ্ৰম-বাহিনী (work-force)ৰ ৬৯ শতাংশ মানুহ একান্তভাৱে কৃষিৰ ওপৰত নিৰ্ভৰশীল[৩৫]



ব্যাপক গৰাখহনীয়াৰ ফলত সেইখন ৰাজ্যৰ এটি কৃষিজীৱী অঞ্চলৰ বাটপথৰ অৱস্থা যোৱা ১৯৯২ খ্ৰীষ্টাব্দতো কেনেকুৱা হৈছিল তাৰ এটি বৰ্ণনা সেই সময়ৰ এখন বাতৰি কাকতত প্ৰকাশিত প্ৰতিৱেদনৰপৰা ইয়াত তুলি দিলোঁ।[৩৬]

| আগৰ সহজ বাছৰাস্তা | দূৰত্ব | ভাড়া | জুলাই ১৯৯২ৰ বাছৰাস্তা | দূৰত্ব | ভাড়া |
|---|---|---|---|---|---|
| মৈৰাবাৰী-মৰিগাঁও (ভায়া গোনাইবৰি, বৰচলা) | ৩২ কিমি | ৫ টকা | মৈৰাবাৰী-নগাঁও<br>নগাঁও- মৰিগাঁও | ৩০ কিমি<br>৪৬ কিমি | ৫ টকা<br>৭ টকা |
| লাহৰিঘাট-মৰিগাঁও (ভায়া ডেওগুৰি, ভুৰবন্ধা) | ২৫ কিমি | ৪ টকা ১০ পইছা | লাহৰিঘাট-হাঁহচৰা (খোজ কাঢ়িব লাগে।)<br>হাঁহচৰা-নগাঁও<br>নগাঁও-মৰিগাঁও | ৫ কিমি<br>৩৫ কিমি<br>৪৬ কিমি | <br>৬ টকা<br>৭ টকা |
| মৈৰাবাৰী-বৰঙাবাৰী<br>বগুলিপাৰা-মৰিগাঁও (ভায়া বালিডোঙা) | ১৩ কিমি<br>২৪ কিমি | ১ টকা ৬৫ পইছা<br>৪ টকা | মৈৰাবাৰী-ধিং<br>ধিং-বৰঙাবাৰী<br>বাটপথ বিনষ্ট; খোজ কাঢ়িব লাগে। | ৫ কিমি<br>১৬ কিমি | |
| মৈৰাবাৰী-ভুৰাগাঁও | ২০ কিমি | ৩ টকা ৫০ পইছা | মৈৰাবাৰী-নগাঁও<br>নগাঁও-মৰিগাঁও<br>মৰিগাঁও-ভুৰাগাঁও | ৩০ কিমি<br>৪৬ কিমি<br>২৯ কিমি | ৫ টকা<br>৭ টকা<br>৪ টকা ৬০ পইছা |
| মৈৰাবাৰী-বেচামাৰী | ৯ কিমি | ১ টকা ২০ পইছা | মৈৰাবাৰী-ধিং<br>ধিং-বেচামাৰী | ৫ কিমি<br>১২ কিমি | ১ টকা<br>২ টকা |
| মৈৰাবাৰী-মৰিগাঁও (ভায়া বৰচলা) | ২৯ কিমি | ৪ টকা ৬০ পইছা | মৈৰাবাৰী-নগাঁও<br>নগাঁও-মৰিগাঁও | ৩০ কিমি<br>৪৬ কিমি | ৫ টকা<br>৭ টকা |
| গেৰুৱা-জাপৰি | ১০ কিমি | ২ টকা | খোজ কাঢ়িব লাগে। | ১০ কিমি | |

কৃষিজীৱী এই বিস্তীৰ্ণ অঞ্চলত বাটপথৰ এনে শোচনীয় অৱস্থাৰ ফলত জীয়াতু ভুগিবলগা হয় খেতিয়কসকল। প্ৰকাশিত বাতৰি মতে, মৰিগাঁৱৰ এক বিস্তীৰ্ণ অঞ্চলৰ খেতিয়ক ৰাইজ স্বাভাৱিক কাৰণতে তেতিয়া দুৰ্বিষহ যন্ত্ৰণাত ভুগিছিল। নগাঁও চহৰত তেতিয়া যি-জলকীয়া কিলোগ্ৰাম প্ৰতি ১০ টকাৰপৰা ১৫ টকাকৈ বিক্ৰী হৈছিল, মৈৰাবাৰী-লাহৰিঘাট অঞ্চলত তেতিয়া তাত দাম আছিল কিলোগ্ৰাম প্ৰতি মাথোন ৩ টকাহে। চহৰত যি-ভেণ্ডিৰ দাম আছিল কিলোগ্ৰাম প্ৰতি ৬ টকা, বাটপথ নথকা সেই দুৰ্গত অঞ্চলবোৰত সেই ভেণ্ডি তেতিয়া ১ টকাকৈ বিক্ৰী হৈছিল। আনহাতে উদ্যোগজাত পণ্যৰ দাম সেইবোৰ অঞ্চলত অধিক আছিল। যেনে, ২০/২২ টকা দামৰ লুঙ্গি সেইবোৰ অঞ্চলত ৩০

টকা দামতো পোৱা নগৈছিল।[৩৭] অসমত বাটপথ নথকা এনে দুৰ্গত গ্ৰামাঞ্চল আজিও প্ৰচুৰ সংখ্যাত পোৱা যাব। অথচ এই অঞ্চলবোৰৰপৰা ৰাজকোষলৈ ৰাজহ ঠিকেই আদায় হৈছিল আৰু হৈয়ে আছে।

ছবছৰ যোৱা বিদেশী বিতাড়ন আন্দোলনৰ প্ৰাৰম্ভিক পৰ্যায়ত সদৌ অসম ছাত্ৰ সন্থাই অসমৰ বাবে কিছুমান অৰ্থনৈতিক দাবী উত্থাপন কৰিছিল যদিও গণসংগ্ৰাম পৰিষদ গঠন হোৱাৰ পিছত বিদেশী নাগৰিকৰ চিনাক্তকৰণ, ভোটাৰ লিষ্টৰপৰা তেওঁলোকৰ নাম কৰ্তন আৰু অসমৰপৰা তেওঁলোকৰ বহিষ্কৰণৰ দাবী প্ৰধান হৈ উঠে আৰু অৰ্থনৈতিক দাবীবোৰ ক্ৰমান্বয়ে গুৰুত্বহীন হৈ যায়। সেই সময়ত কলিকতাৰপৰা প্ৰকাশিত *Sunday* কাকতত এ এন প্ৰভুৱে লিখিছিল যে ভাৰতীয় ৰাজ্যবোৰৰ বৰ্ণানুক্ৰমিক তালিকাত অসমৰ স্থান দুই নম্বৰত — অৰ্থাৎ কেৱল অন্ধ্ৰপ্ৰদেশৰ তলত — যদিও অৰ্থনৈতিকভাৱে ইয়াৰ স্থান অতিকৈ তলত। ৰাজ্যখনৰ জনসংখ্যা যিমানেই বাঢ়িছে দাৰিদ্ৰ্য সীমাৰেখাৰ তলত থকা মানুহৰ সংখ্যাও সিমানেই বৃদ্ধি হৈছে। ১৯৬০-৬১ চনত ৰাজ্যখনৰ গ্ৰামাঞ্চলৰ ১৬.৩১ শতাংশ আৰু নগৰাঞ্চলত ২২.৬৩ শতাংশ মানুহ আছিল দাৰিদ্ৰ্য সীমাৰেখাৰ তলত; পিছৰ দশকত — অৰ্থাৎ ১৯৭০-৭১ চনত — দাৰিদ্ৰ্য সীমাৰেখাৰ তলত থকা মানুহৰ এই হাৰ বাঢ়ি গৈ হয় ক্ৰমে ৩৩.০৯ আৰু ৪০.৩০ শতাংশ।[৩৮]

প্ৰভুৰ এই প্ৰবন্ধই আৰু বিস্ফোৰক কথা ফাদিল কৰিছে। প্ৰভুৱে লিখিছে যে খাৰুৱা তেলৰ উৎপাদনত অসমৰ স্থান দেশৰ ভিতৰত সৰ্বাতোকৈ ওপৰত যদিও এই ক্ষেত্ৰত ৰাজ্যখন অতিকৈ বঞ্চনাৰ চিকাৰ। অসমে য'ত খাৰুৱা তেলৰ ৰয়েল্টি আৰু ৰাজহ বাবদ বছৰি পায় ২৯.৪ কোটি টকা, কেন্দ্ৰীয় চৰকাৰে তাত পায় ৬০৪.৮ কোটি টকা। অসম উন্নত চূণশিলৰ এক সমৃদ্ধ ভাণ্ডাৰ। অথচ অসমৰ মাউলাচেৰা আৰু বোকাজানত বছৰি মাত্ৰ পাঁচ লাখ টন চিমেণ্ট উৎপাদন হয়। ৰাজ্যখনৰ নিৰ্মাণ-শিল্পৰ বাবে আৱশ্যকীয় বাকীখিনি চিমেণ্ট আমদানি কৰা হয় বিহাৰ আৰু উৰিষ্যাৰপৰাহে।[৩৯] প্ৰভুৱে দাঙি ধৰা ১৯৮২ খ্ৰীষ্টাব্দৰ এই চিত্ৰ আজিও অপৰিবৰ্তিত আছে বুলি আমি নকওঁ। কিন্তু শামুকীয়া গতিৰে সলনি হৈ থকা অসমৰ অৰ্থনৈতিক চিত্ৰপট যে আশাব্যঞ্জক হৈ উঠিছে তেনে দাবীও আমি নকৰোঁ।

ঔপনিৱেশিক অসমত দুটা প্ৰধান ৰাজনৈতিক শক্তি আছিল কংগ্ৰেছ আৰু মুছলিম লীগ। কমিউনিষ্ট আছিল যদিও লেখত ল'বলগীয়া শক্তিৰে নাছিল। ঔপনিৱেশিক শাসনকালত কংগ্ৰেছে অসমৰ ৰাইজক এই সপোন দেখুৱাইছিল যে দেশ স্বাধীন হ'লে সমগ্ৰ দেশৰ লগতে অসমো আগবাঢ়িব। দেশ স্বাধীন হ'ল আৰু দেশৰ কিছুমান অংশ বিপুল গতিৰে আগবাঢ়িল; কিন্তু দীৰ্ঘকাল কংগ্ৰেছৰ শাসনত থকা সত্ত্বেও অসম আগবাঢ়িল শামুকীয়া গতিৰে। আঞ্চলিক যুৱশক্তিৰে গঠিত অসম গণ পৰিষদে "সোণৰ অসম" গঢ়াৰ প্ৰতিশ্ৰুতি দি ক্ষমতালৈ আহিছিল যদিও দলটোৱে তাৰ প্ৰায় দহ-বছৰীয়া শাসনকালত ৰাইজৰ আশাত চেঁচাপানী ঢালিলে। উন্নয়ন দূৰত থাকক, চৰকাৰী কৰ্মচাৰীয়েই নিয়মীয়াকৈ বেতন নোপোৱা হ'ল। যি-বামপন্থী শক্তিয়ে অসমৰ আৰ্থ-সামাজিক উন্নয়নৰ দাবীত ১৯৭০ৰ দশকৰ শেষৰ ফালে বিপুল উদ্যমৰে মাত মাতিছিল, ছ-বছৰীয়া বিদেশী বিতাড়ন আন্দোলনৰ কালত সেই বামপন্থী শক্তি বিপৰ্যস্ত হ'ল। ছ-বছৰীয়া বিদেশী বিতাড়ন আন্দোলনে যি-আঞ্চলিক শক্তিটোৰ অভ্যুদয় ঘটাইছিল, একালৰ বিপুল শক্তিসম্পন্ন সেই আঞ্চলিক শক্তিটোও ৰাজ্যখনত আঞ্চলিকতাবাদৰ এক সবল শিপা থকা সত্ত্বেও ইতিমধ্যে এক প্ৰান্তীয় শক্তিত পৰিণত হৈছে। এই মুহূৰ্তত অসমৰ চাৰিটা প্ৰধান ৰাজনৈতিক শক্তি হ'ল কংগ্ৰেছ, ভাৰতীয় জনতা পাৰ্টি, অল ইণ্ডিয়া ইউনাইটেড ডেম'ক্ৰেটিক ফ্ৰণ্ট আৰু বড়োলেণ্ড পিপ্‌লছ ফ্ৰণ্ট। ইয়াৰে প্ৰথম দুটা দল ৰাজ্যৰ শাসন-ক্ষমতা দখলৰ সপোনত বিভোৰ আৰু শেষৰ দুটা দলে কাক ভাঙি কাক পাতিব আৰু কেনেকৈ নিৰ্ণায়ক শক্তি হৈ উঠিব সেই অঙ্কতেই ব্যস্ত। অসমৰ আৰ্থ-সামাজিক উন্নয়নৰ কথা ভাবিবলৈ এতিয়া সম্ভৱতঃ কাৰো আহৰি নাই।

*আধুনিক অসমৰ* বৰ্তমান খণ্ডটিৰ বাবে ৰাজনীতি, অৰ্থনীতি আৰু প্ৰাসঙ্গিক বিষয়বোৰ সম্পৰ্কে প্ৰবন্ধ ৰচনা কৰি সহায় কৰা বাবে ড° ৰাণী মুদিয়াৰ ডেকা, গুণীন হাজৰিকা, হীৰেন গগৈ, ড° সঞ্জীৱকুমাৰ বৰকাকতী, কল্যাণ বৰা, ড° অৱনীকুমাৰ ভাগৱতী, ড° নিত্যানন্দ ডেকা, কুলেন দাস, শৰৎ হাজৰিকা আৰু ৰণজিৎ বৰুৱাক গভীৰ কৃতজ্ঞতা জনালোঁ।

অসমলৈ আহি ব্ৰিটিছে অসমৰ ৰাইজৰ স্বাস্থ্যচেতনা আৰু চিকিৎসাপদ্ধতি দুয়োতেই আসোঁৱাহ বিচাৰি পাইছিল। অস্বাস্থ্যকৰ পানী খোৱা, লেতেৰা পানীত গা ধোৱা, তিতা কাপোৰ পিন্ধি থকা, চাপৰ-সেমেকা আৰু বায়ু-চলাচল নথকা ঘৰত বসবাস কৰা, সেমেকা মজিয়াত শোৱা, পুষ্টিকৰ আহাৰ নোখোৱা, পৰ্যাপ্ত আৰু পৰিচ্ছন্ন কাপোৰ নিপিন্ধা ইত্যাদি স্বাস্থ্যবিজ্ঞানবিৰোধী অভ্যাসক তেওঁলোকে যেনেকৈ নানান বেমাৰ-আজাৰৰ প্ৰাদুৰ্ভাৱৰ বাবে দায়ী কৰিছিল ঠিক তেনেকৈ বেমাৰ হ'লে আধুনিক চিকিৎসাৰ পৰিৱৰ্তে জৰা-ফুকা, তাবিজ-মাদলী, পূজা-পাতল আদিৰ ওপৰত নিৰ্ভৰ কৰাকো মৃত্যুহাৰ বৃদ্ধিৰ কাৰণ বুলি নিৰ্ণয় কৰিছিল। জ্বৰৰ উপশমৰ বাবে জোক আৰু পেটৰ বেমাৰ উপশমৰ বাবে কানিৰ ব্যৱহাৰ কৰা হৈছিল। যিহেতু গ্ৰহণীৰ দৰে সেই সময়ত ব্যাপকভাৱে হৈ থকা বেমাৰৰ চিকিৎসাত কানিৰ বাদে দুখীয়া মানুহৰ আন একো অৱলম্বন নাছিল সেই হেতুকে মফট মিল্‌ছৰ ওচৰত দাখিল কৰা স্মাৰকপত্ৰত অসমত তৎক্ষণাৎ কানি খেতি বন্ধ নকৰিবলৈ আনন্দৰাম ঢেকিয়াল ফুকনে পৰামৰ্শ আগবঢ়াইছিল।[৪০] ইংলেণ্ডত মানুহৰ জ্বৰ হ'লে তাৰ নিৰাময়ৰ বাবে জোক ব্যৱহাৰ কৰাৰ দৰে আনন্দৰাম ঢেকিয়াল ফুকনকে ধৰি সেই সময়ৰ অসমৰ বহুতো মানুহৰ জ্বৰত জোকৰ ব্যৱহাৰ কৰা হৈছিল। সমকালীন অসমত পশ্চিমীয়া চিকিৎসা গ্ৰহণত বহুতৰে আপত্তি আছিল যদিও তেওঁলোকে দেশীয় কবিৰাজী দৰবো ঠিকমতে ব্যৱহাৰ নকৰিছিল। তেওঁলোকৰ অধিক আস্থা আছিল জৰা-ফুকা, বাণ, তাবিজ-কবজৰ ওপৰত আৰু

সেই কাৰণে অসমত মৃত্যুৰ হাৰ আছিল খুবেই বেছি

> ... even the Hindu system of medicine, brought to some degree of perfection by the ancient Hindus, is little made use of by the people at large. In most parts of the country, incantations, harms and amulets are substituted in the place of medicines and the number of deaths caused by ignorant and opposite treatments is prodigiously great.[৪১]

মানুহৰ বাহ্যিক আচৰণত অস্বাভাৱিকতাই দেখা দিলে তেনে ব্যক্তিক অপশক্তিয়ে লম্ভা বুলি ধৰি লৈ "গু" শব্দ থকা মন্ত্ৰ উচ্চাৰণ কৰি তেওঁক মানুহৰ বিষ্ঠা পৰ্যন্ত খুউৱা হৈছিল।[৪২]

অসমত প্ৰথমতে মিছনেৰিৰ চেষ্টাত আৰু পিছত চাহবাগিচাক কেন্দ্ৰ কৰি পশ্চিমীয়া চিকিৎসা ব্যৱস্থাই ঠন ধৰি উঠিবলৈ লৈছিল। 'নগাৰঁত মাউৰ লগাৰ কথা" শিৰোনামেৰে *অৰুনোদইত* প্ৰকাশিত এক বাতৰিত দেখা যায় যে ১৮৫১ চনত সংহাৰী ৰূপত নগাঁৱত কলেৰাৰ প্ৰাদুৰ্ভাৱ হ'লত য'ত অসমীয়া মানুহে গাঁৱে গাঁৱে নাম গাই, বাঙালীয়ে নগৰৰ বাটেপথে কীৰ্তনসহযোগে বাতাচাৰ "হৰিৰ লুট" দি আৰু পল্টনীয়াবিলাকে পাৰ-ছাগলি-হাঁহ আদিৰে সজোৱা নৈৱেদ্য কলঙত উটুৱাই দি কলেৰাক ভেটা দিবলৈ অহোপুৰুষাৰ্থ কৰিছিল তাত মাইল্‌ছ ব্ৰন্সনে আমেৰিকাৰপৰা দৰব আনি মানুহৰ মাজত বিলাইছিল।[৪৩] ঊনৈছ শতিকাৰ অসমত চাহবাগিচাবোৰক কেন্দ্ৰ কৰি যি-দুই-এখন হাস্পতাল, স্বাস্থ্যকেন্দ্ৰ আদি গঢ়ি উঠিছিল, জাত হেৰুৱাই সমাজচ্যুত হোৱাৰ ভয়ত থলুৱা মানুহ সেইবোৰলৈ সাধাৰণতে নগৈছিল। অৱশ্যে সেই হাস্পতাল বা স্বাস্থ্যকেন্দ্ৰবোৰ খালী পৰি থকা তো দূৰৰ কথা, ৰোগাক্ৰান্ত চাহবনুৱাৰে প্ৰায়েই ভৰি পৰিছিল। "এই প্ৰদেশীয় [অসমৰ] হাসপাতালগুলি প্ৰায় কুলি-রোগীতেই পরিপূৰ্ণ। স্থানীয় লোকেরা জাতিনাশের আশঙ্কায় প্ৰায় হাসপাতালে যায় না।" — এয়া ১৮৮১ চনত ৰামকুমাৰ বিদ্যাৰত্নই লিখা কথা।[৪৪] অৱশ্যে দ্বাৰকানাথ গাঙ্গুলিৰ প্ৰতিৱেদনত প্ৰকাশ যে তেতিয়া অসমৰ আটাইতকৈ ভাল চাহবাগিচাবোৰতো যিবোৰ হাস্পতাল আছিল সেইবোৰতো চিকিৎসাৰ নামত চলিছিল ভেকোভাওনাহে। তেওঁ এই প্ৰসঙ্গত শিৱসাগৰ জিলাৰ কেইখনমান সুব্যৱস্থাপূৰ্ণ চাহবাগিচাৰ উল্লেখ কৰি কৈছে যে সেইবোৰলৈ গৈ ৰোগাক্ৰান্ত চাহবনুৱাসকলে মুঠেই সুচিকিৎসা পোৱা নাছিল।[৪৫] ভাবিলে আচৰিত লাগে যে যি-অসমীয়া মানুহে ঊনৈছ শতিকাত জাত হেৰুওৱাৰ ভয়ত চৰকাৰী হাস্পতাল কাৰ্যতঃ বৰ্জন কৰিছিল, সেই অসমীয়া মানুহেই কুৰি-একৈছ শতিকাত চৰকাৰী হাস্পতালত চিকিৎসা বিচাৰি হায়ৰান হয় আৰু বহু ক্ষেত্ৰত বিছনা এখন নাপায় বা আকাংক্ষিত পৰিযেৱা লাভত ব্যৰ্থ হৈ ব্যক্তিগত খণ্ডত চিকিৎসাৰ বাবে ভিৰ কৰে। স্বৰাজোত্তৰ অসমত স্বাস্থ্য পৰিষেৱাৰ জগৎখন এখন বিশাল জগৎ।

অৱশ্যে এই জগৎখন যিমান বিশাল, সমস্যাও তাত সিমানেই বেছি।



চৰকাৰী হাস্পতালবোৰত চিকিৎসা বিচৰা মানুহৰ অনুপাতে ডাক্তৰ আৰু নাৰ্ছৰ সংখ্যা কম। সেইবোৰত দৰবপাতিৰ ভাণ্ডাৰো প্ৰায় শূন্য। তদুপৰি সেইবোৰত আছে দুৰ্নীতিৰ পাহাৰ আৰু নিষ্ঠাৰ অভাৱ। স্বাস্থ্য পৰিষেৱাৰ ক্ষেত্ৰত অসমৰ গ্ৰামাঞ্চলৰ অৱস্থা অতিকৈ পুতৌলগা। প্ৰায়বোৰতেই দৰব নালাগে, ডাক্তৰ বিচাৰি পোৱাই টান। অৱশ্যে যোৱা ২০১০ চনত অসম চৰকাৰে স্নাতকোত্তৰ পাঠ্যক্ৰমত নাম লগাব খোজা প্ৰত্যেক এম বি বি এছ ডিগ্ৰীধাৰীৰ বাবে ৰাজ্যখনৰ গ্ৰামাঞ্চলত এবছৰ চিকিৎসাসেৱা আগবঢ়োৱাটো বাধ্যতামূলক কৰে। পিছলৈ — ২০১২ চনত — এই নিয়ম বহিঃ-ৰাজ্যৰপৰা অসমলৈ আহি স্নাতকোত্তৰ পাঠ্যক্ৰমত ভৰ্তি হ'ব খোজা ছাত্ৰছাত্ৰীৰ ক্ষেত্ৰতো বাধ্যতামূলক কৰা হয়। চৰকাৰৰ এনে পদক্ষেপ নিঃসন্দেহে শলাগৰ যোগ্য; কিন্তু ইয়ে অসমৰ গ্ৰামাঞ্চলৰ দীৰ্ঘ-উপেক্ষিত স্বাস্থ্য-পৰিষেৱাৰ ওপৰত উল্লেযোগ্য প্ৰভাৱ পেলাব পাৰিছে বুলি ক'ব নোৱাৰি, কাৰণ এবছৰীয়া নিযুক্তিৰ ম্যাদ শেষ হোৱাৰ পিছত যেতিয়া ডাক্তৰসকল সেই স্বাস্থ্যকেন্দ্ৰবোৰ এৰি গুচি যায়, তেতিয়া স্বাস্থ্যকেন্দ্ৰবোৰ চিকিৎসকশূন্য হৈ পৰে। নতুন ডাক্তৰ লগে লগে নাহে; আহে ছমাহ বা এবছৰৰ পিছত। গতিকে ৰাজ্যখনৰ বহু স্বাস্থ্যকেন্দ্ৰ এতিয়া চিকিৎসকশূন্য অৱস্থাত পৰি আছে। গুৰুতৰ অভিযোগ প্ৰায় শুনা যায় নেচনেল হেল্‌থ মিছন আঁচনিমতে নিযুক্ত প্ৰায়ভাগ চিকিৎসকৰ বিৰুদ্ধে। কৰ্তব্যপালনত তেওঁলোকৰ প্ৰায়খিনিয়েই যে অতিকৈ অনিয়মীয়া সেয়া অভিযোগমাত্ৰ নহয়, এক নিষ্ঠুৰ বাস্তৱো। ডাক্তৰ থাকে মৰিগাঁও জিলাৰ চাপৰমুখত আৰু তেওঁৰ কৰ্মস্থলী কাৰ্বি আংলং জিলাৰ কোনো এক প্ৰত্যন্তৱৰ্তী গাঁৱত — এনে অভিযোগ আচহুৱা হ'লেও বাস্তৱতা-আধাৰিত। অসমৰ চৰ-চাপৰিবোৰত অভাৱনীয় হাৰত জনসংখ্যা বৃদ্ধিৰ বাবে সততে সেইবোৰ অঞ্চলৰ ৰাইজৰ বিজ্ঞানবিমুখ দৃষ্টিভঙ্গিক দায়ী কৰা হয় যদিও ইয়াৰ বাবে অংশতঃ দায়ী অঞ্চলবোৰত স্বাস্থ্য-পৰিষেৱাৰ নিশকতীয়া ৰূপ। নেচনেল ৰুৰেল হেল্‌থ মিছনে যি-১৮খন ৰাজ্যক অধিক গুৰুত্ব দিয়াৰ কথা ঘোষণা কৰিছিল সেইবোৰৰ ভিতৰত অসম অন্যতম।[৪৬] লিঙ্গ-ভাৰসাম্য ৰক্ষা কৰা, জনসংখ্যা নিয়ন্ত্ৰণ কৰা, নাৰী আৰু শিশুৰ স্বাস্থ্যত গুৰুত্ব দিয়া, AYUSHক (মানে আয়ুৰ্বেদিক, যৌগিক, ইউনানি, সিদ্ধি আৰু হোমিঅ'পেথিক চিকিৎসাক) চিকিৎসাসেৱাৰ মূলস্ৰোতলৈ অনা, মাতৃ আৰু শিশু মৃত্যুৰ হাৰ হ্ৰাস কৰা ইত্যাদি হ'ল আঁচনিখনৰ গুৰুত্বপূৰ্ণ লক্ষ্য। কিন্তু য'ত চিকিৎসক থাকে চিকিৎসালয়ৰপৰা বহু মাইল নিলগত আৰু চিকিৎসালয়ৰ নামত ফুটা চালি আৰু ভঙা বেৰৰ বাহিৰে সাধাৰণতে আন একো দেখিবলৈ পোৱা নাযায় তাত ৰুৰেল হেল্‌থ মিছনেই হওক বা নেচনেল হেল্‌থ মিছনেই হওক অসমত কিমানখিনি সফলতা আৰ্জিছে সেয়া সহজেই অনুমেয়।

অথচ ইয়াৰ সম্পূৰ্ণ বিপৰীত চিত্ৰও নথকা নহয়, য'ত বিল্ডিং আছে, আউটডৰ এটা ধুনীয়াকৈ চলাব পৰা যন্ত্ৰপাতিও আছে, কিন্তু দেখাত বা কাৰ্যতঃ ডাক্তৰ নাই।

ইপিনে নেছনেল হেল্‌থ মিছনে AYUSHক চিকিৎসা ব্যৱস্থাৰ ঘাই সুঁতিলৈ অনাৰ নামত হোমিঅ'পেথি, আয়ুৰ্বেদ, ইউনানি আদি চিকিৎসাব্যৱস্থাক ধ্বংসৰ মুখলৈ ঠেলি দিয়া বুলি যি-অভিযোগ উঠিছে সেয়াও অসাৰুৱা নহয়। চৰকাৰী হাস্পতালবোৰৰ Out-Patient Departmentবোৰত যিসকল হোমিঅ'পেথিক আৰু আয়ুৰ্বেদিক ডাক্তৰক বহুওৱা হয় সেই ডাক্তৰসকলে সাধাৰণতে হোমিঅ'পেথিক আৰু আয়ুৰ্বেদিক দৰবৰ পৰিৱৰ্তে এলোপেথিক দৰবহে দিয়ে। ইপিনে ভাৰতৰ উচ্চতম ন্যায়ালয়ে স্পষ্টভাষাৰে কৈছে যে এজন ব্যক্তি যি-চিকিৎসাবিদ্যাত পাৰ্গত নহয়, তেওঁ যদি সেই বিদ্যাৰ অনুশীলন কৰে তেন্তে তেওঁ সেই বিদ্যাত এজন quack বা আসুৰীমতীয়া ব্যক্তি: "A person who does not have knowledge of a particular system of medicine but practices in that system is a quack or a mere pretender to medical knowledge or skill, or to put it differently, a charlatan."[৪৭] এনে ব্যক্তিয়ে যদি এলোপেথিক পদ্ধতিৰে চিকিৎসা কৰে তেন্তে তেওঁ তাত এজন অনধিকাৰ প্ৰৱেশকাৰী আৰু সেয়েহে দেশৰ উচ্চতম ন্যায়ালয়ৰ দৃষ্টিত তেওঁ দণ্ডনীয়। পুনম ভাৰ্মা বনাম অশ্বিন পেটেল আৰু অন্যান্য মামলাত দেখা যায় যে হোমিঅ'চিকিৎসক অশ্বিন পেটেলৰ হাতত এলোপেথিক চিকিৎসা লাভ কৰি পুনমৰ গিৰীয়েক প্ৰমোদ ভাৰ্মাৰ মৃত্যু হ'লত দেশৰ উচ্চতম ন্যায়ালয়ে স্পষ্ট ভাষাৰে ৰায় দিয়ে: "Allopathy, to be precise. He [অশ্বিন পেটেল নামৰ ডাক্তৰজনে] trespassed into a prohibited field and was liable to be prosecuted under section 15 (3) of the Indian Medical Council Act 1956. His conduct amounted to an actionable negligence, particularly to the duty of care indicated by this court."[৪৮] উল্লেখনীয় যে যোৱা ২০১৪ চনত মহাৰাষ্ট্ৰৰ প্ৰায় ষাঠি হাজাৰ হোমিঅ'-ডিগ্ৰীধাৰীয়ে ফাৰ্মাক'লজিৰ এবছৰীয়া এটা পাঠ্যক্ৰম সম্পূৰ্ণ কৰি এলোপেথিক দৰবেৰে ৰোগীৰ চিকিৎসা কৰিবলৈ লোৱাত ৰাজ্যখনৰ এলোপেথিক চিকিৎসকসকল বিক্ষুব্ধ হৈ উঠে। ইণ্ডিয়ান মেডিকেল এছ'চিয়েচনেও এনে গৰ্হিত ঘটনাৰ প্ৰতিবাদ জনায়। কিন্তু চৰকাৰী সদাশয়তাত কেৱল হোমিঅ' ডাক্তৰসকলেই নহয়, আয়ুৰ্বেদিক আৰু ইউনানি

* এয়া সঁচাকৈ এটা পেৰাডক্স যে বৰ্তমান কালত বিজ্ঞাপনৰ জোৰত herbal medicineৰ গুৰুত্ব বঢ়া সত্ত্বেও বহু আয়ুৰ্বেদ-ডাক্তৰে চৰকাৰী চিকিৎসালয়ত ৰোগীক এলোপেথি দৰব দিয়ে। অসমত আয়ুৰ্বেদৰ জনপ্ৰিয়তা সুদূৰ অতীজত আছিল, এতিয়াও আছে। উনৈছ শতিকাত যেতিয়া অসমলৈ এলোপেথি আহে তেতিয়াও ৰাজ্যখনত আয়ুৰ্বেদৰ জনপ্ৰিয়তা অটুট আছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ দেউতাক দীননাথ বেজবৰুৱা এজন দক্ষ আয়ুৰ্বেদ চিকিৎসক আছিল। তেওঁ আয়ুৰ্বেদিক চিকিৎসাক পশ্চিমীয়া চিকিৎসাতকৈ উন্নত বুলি ভাবিছিল আৰু তেওঁৰ ইংৰাজী শিক্ষিত পুত্ৰসকলে পশ্চিমীয়া চিকিৎসাবিজ্ঞান পঢ়িব খোজাত হতাশ হৈছিল। তেওঁ এজন পুত্ৰক কবিৰাজ কৰিবৰ কাৰণে ইংৰাজী শিক্ষাৰপৰা বিৰত কৰিছিল যদিও পুত্ৰটিৰ অকালমৃত্যু হ'ল। ইপিনে লক্ষ্মীনাথে পৰিণত বয়সত আয়ুৰ্বেদৰ গুৰুত্ব বুজি পাইছিল আৰু পিতৃৰ আয়ুৰ্বেদচৰ্চাক প্ৰথম যৌৱনত হীন দৃষ্টিৰে চোৱা কাৰণে তেওঁৰ আত্মজীৱনী *মোৰ জীৱন সোঁৱৰণ*ত আক্ষেপ কৰিছিল।



ডাক্তৰৰ সৰহভাগে নিজ নিজ চিকিৎসাশাস্ত্ৰক জলাঞ্জলি দি এলোপেথিমতেহে তাত চিকিৎসা চলাই আছে।* অসমতো সেয়াই চলিছে আৰু চলিছে অধিকতৰ শিথিলতাৰে, অৰ্থাৎ হোমিঅ' আৰু আয়ুৰ্বেদিক ডাক্তৰে ফাৰ্মাক'লজিৰ এবছৰীয়া পাঠ্যক্ৰম গ্ৰহণ নকৰিয়েই চৰকাৰী হাস্পতালত বহি বেমাৰীক এলোপেথি ঔষধ সেৱনৰ বিধান দি আছে। এইদৰে হোমিঅ'পেথিক আৰু আয়ুৰ্বেদিক চিকিৎসা তাৰ ক্লাছিকেল আদৰ্শৰপৰা বহু যোজন দূৰলৈ গুচি যাবলৈ ধৰিছে।

এয়া গ'ল সমস্যাৰ এটা দিশ। সমস্যাৰ আৰু এক গুৰুতৰ দিশ আছে। ডাক্তৰে দিয়া বহু চিকিৎসাব্যৱস্থাতেই সোমাই আছে ৰোগীৰ বহু যন্ত্ৰণাৰ কাৰণ। প্ৰায়ভাগ ডাক্তৰেই প্ৰেছক্ৰিপচনত ঔষধৰ বৰ্গীয় (generic) নাম নিলিখি যিটো লিখে সেয়া হ'ল ঔষধৰ পণ্য (brand) নাম। বিশেষ বিশেষ ঔষধ-প্ৰস্তুতকাৰী সংস্থা আৰু একাংশ ডাক্তৰৰ ইয়াত সুবিধা হয় যদিও ৰোগীৰ স্বাৰ্থ অসুৰক্ষিতহে হৈ যায়। বহু ক্ষেত্ৰত একে ফৰ্মুলাৰে তৈয়াৰ কৰা স্বল্পমূল্যৰ ঔষধৰ পৰিৱৰ্তে ডাক্তৰে দামী ঔষধৰ নাম ব্যৱস্থাপত্ৰত লিখে আৰু ঔষধ-প্ৰস্তুতকাৰী সংস্থাৰপৰা সুবিধা আদায় কৰে। বিশেষ বিশেষ নামজ্বলা ডাক্তৰৰ বিদেশভ্ৰমণ, দামী হোটেলত থকা-খোৱা, দেশ-বিদেশৰ কনফাৰেন্সত যোগদান কৰা ইত্যাদিৰ ব্যয়ো বহন কৰে ঔষধ-প্ৰস্তুতকাৰী সংস্থাবোৰে। কিছুমান ঔষধ-প্ৰস্তুতকাৰক সংস্থাৰ প্ৰতিনিধিয়ে ডাক্তৰৰ ঘৰলৈ গৈ বাচমতি চাউলৰ পেকেটো দি আহে। ডায়গ্‌নষ্টিক চেণ্টাৰবোৰৰপৰাও বহু ডাক্তৰে কমিছন পায়। সকলো ডাক্তৰে এনে কুকাৰ্য নকৰে যদিও বহুতে যে কৰে সেয়া জনা কথা। এনেবোৰ কাৰণতেই মেডিকেল কাউন্সিল অৱ ইণ্ডিয়াই ইয়াৰ ক'ড অৱ এথিক্স ৰেগুলেচন্সত স্পষ্ট ভাষাৰে কৈছে: "Every physician should, as far as possible, prescribe drugs with generic names and he/she shall ensure that there is a rational prescription and the use of drugs." ইয়াত "as far as possible."(Chapter 1)[৪৯] বাক্যাংশটো খুবেই গুৰুত্বপূৰ্ণ। বজাৰত বহু সময়ত একেই বৰ্গীয় (generic) নামৰ বহু কোম্পানিৰ দৰব পোৱা যায়, যাৰ কিছুমান অত্যন্ত নিম্নমানৰ। একাংশ ফাৰ্মাচিয়ে লোভনীয় কমিছন বা বোনাছৰ বিনিময়ত সেইবোৰ ৰাখে আৰু বিক্ৰী কৰে। সাধাৰণ মানুহৰ কথা চিন্তা কৰা বহু ডাক্তৰে সেই কাৰণে ঔষধৰ বৰ্গীয় (generic) নাম লিখিবলৈ অসুবিধা পায় আৰু পণ্য (brand) নাম লিখে। ঔষধ-প্ৰস্তুতকাৰী সংস্থাবোৰ কঠোৰভাৱে নিয়ন্ত্ৰিত নহ'লে এই ভয়াৱহ সমস্যা চলিয়েই থাকিব। যিহেতু জনসংখ্যাবৃদ্ধিৰ লগে লগে সমাজত ৰোগ-ব্যাধিৰো বৃদ্ধি হৈছে আৰু সেই তুলনাত হাস্পতাল, ডাক্তৰ, নাৰ্ছ আদিৰ সংখ্যা অপ্ৰতুল, সেই হেতুকে চৰকাৰী আৰু বেচৰকাৰী দুয়ো খণ্ডতেই চলা স্বাস্থ্য-পৰিষেৱাৰ ওপৰত প্ৰবল হেঁচাৰ সৃষ্টি হৈছে আৰু ৰোগীক সেৱাদানৰ ক্ষেত্ৰত ডাক্তৰো যান্ত্ৰিক হ'বলৈ বাধ্য হৈছে। কিছু ডাক্তৰে ইমান ক্ষিপ্ৰতাৰে ব্যৱস্থাপত্ৰবোৰ লিখে যে সেইবোৰ সাধাৰণ ৰোগীয়ে তো দূৰৰ কথা, বহু অভিজ্ঞ ফাৰ্মাচিষ্টেও

পঢ়িব নোৱাৰে। ইয়াৰ ফলত মেডিকেল কাউন্সিলে স্পষ্ট ভাষাৰে এই নিৰ্দেশ দিবলগীয়া হৈছে যে ডাক্তৰে ইংৰাজী ডাঙৰ হাতৰ আখৰেৰে ব্যৱস্থাপত্ৰবোৰ লিখিব লাগে:

> The executive committee of the Medical Council of India has decided that doctors should only write prescriptions in capital letters ... Committee members, sources said, made a strong pitch for all-caps prescriptions on the ground that misreading even a single letter can alter the name of a drug dramatically and lead to disastrous consequences for the patient.[৫০]

মেডিকেল কাউন্সিলে প্ৰত্যেক ডাক্তৰকেই বৃত্তিটোত নিযুক্ত যিকোনো ডাক্তৰৰ অসাধুতা, অযোগ্যতা আৰু দুৰ্নীতিৰ কথা নিৰ্ভয়ে প্ৰকাশ কৰিবলৈ আৰু তেওঁৰ নিজৰ ফীজ আৰু চাৰ্জৰ পৰিমাণ ব'ৰ্ডত লিখি জনাবলৈ নিৰ্দেশ দিছে:

> A physician should expose, without fear or favour, incompetent and corrupt, dishonest and unethical conduct on the part of members of the profession ... (Chapter 1)[৫১]
>
> A physician shall clearly display his fees and other charges on the board of his chamber and/or the hospitals he is visiting. (Chapter 3)[৫২]

মেডিকেল কাউন্সিল অৱ ইণ্ডিয়াৰ এনেকুৱা আৰু বহু মহান নিৰ্দেশ আছে যিবোৰ চিকিৎসাৰ দৰে মহান বৃত্তিটোত নিযুক্ত বহু ডাক্তৰে প্ৰতিনিয়ত উলংঘন কৰি আছে। এই উলংঘনকাৰীসকলৰ ভিতৰত অসমৰ বহু ডাক্তৰো আছে।

এইখিনিতে দুটা গুৰুত্বপূৰ্ণ কথা উনুকিয়াই থোৱাটো উচিত বিবেচনা কৰিছোঁ: (১) মেডিকেল কাউন্সিল অৱ ইণ্ডিয়াৰ ক'ড অৱ এথিক্স ৰেগুলেচন্সত কোৱা কথাবোৰ আইনৰ কথা নহয়, নীতিৰহে কথা, আৰু (২) কাউন্সিলৰ নিৰ্দেশিকা নমনা ডাক্তৰ মাত্ৰেই অসৎ, দুৰ্নীতিপৰায়ণ আৰু হৃদয়হীন ডাক্তৰ নহয়। কিন্তু সৰহভাগ ডাক্তৰে নিয়মবোৰ নমনাৰ ফলত যে এচাম ডাক্তৰে দুৰ্নীতিৰ আশ্ৰয় ল'ব পাৰিছে সেই কথা অস্বীকাৰ কৰাৰো উপায় নাই।

সাংস্কৃতিক ভাৰতৰ এক প্ৰাচীন চিকিৎসা-পদ্ধতি হ'ল আসন, প্ৰাণায়াম সমন্বিতে যোগাভ্যাস। মধ্যযুগত শঙ্কৰদেৱে যোগশাস্ত্ৰ পঢ়িছিল আৰু আসন, প্ৰাণায়াম আৰু যোগৰ অনুশীলন কৰিছিল। শঙ্কৰদেৱৰ যোগাভ্যাস সম্পৰ্কে দৈত্যাৰি ঠাকুৰে লিখিছে: "পৰলোক হিত সাধিবাক চিত্ত/ ধৰিলা যোগ উপায়।"[৫৩] *আধুনিক অসমৰ* বৰ্তমান খণ্ডটিত আন আন চিকিৎসা-পদ্ধতিৰ লগত যৌগিক চিকিৎসাৰ বিষয়েও আলোচনা আছে। এই বিষয়ত বোধ কৰোঁ দ্বিমত নাই যে সাম্প্ৰতিক অসমত যৌগিক ক্ৰিয়াৰ জনপ্ৰিয়তা বাঢ়িছে, কিন্তু ই নগৰীয়া উচ্চবিত্ত আৰু মধ্যবিত্তৰ মাজত যিমান জনপ্ৰিয় হৈছে নিম্নবিত্ত আৰু গাঁৱৰ মানুহৰ মাজত সিমান জনপ্ৰিয় হোৱা নাই। যিয়েই নহওক, হঠযোগৰ কিছু কিছু প্ৰণালীক ফিজিঅ'-



থেৰাপি নাম দি হুবহু একেই নাইবা সামান্য পৰিৱৰ্তিত ৰূপত হাস্পতাল, নাৰ্ছিং হোম আদিত নামমাত্ৰ শিকাই ব্যক্তিগত খণ্ডৰ চিকিৎসালয়সমূহে বিপুল অৰ্থ উপাৰ্জন কৰি আছে।

পশুপালন আৰু পশুচিকিৎসাৰ বিষয় বাদ দি স্বাস্থ্য আৰু চিকিৎসাবিষয়ক কোনো আলোচনাই সম্পূৰ্ণ নহ'ব। সেয়েহে আমাৰ কিতাপখনত এই বিষয়ত এটি প্ৰবন্ধ সন্নিৱিষ্ট কৰা হৈছে। উন্নত মানৰ পশু অবিহনে অসমত যে কৃষিৰ উন্নতি নহ'ব সেই কথা ঔপনিৱেশিক শাসনৰ প্ৰথম ছোৱাতেই বুজি পাইছিল আনন্দৰাম ঢেকিয়াল ফুকনে। ১৮৫৩ খ্ৰীষ্টাব্দত মফট মিল্‌ছৰ ওচৰত দাখিল কৰা স্মাৰকপত্ৰত সেই কাৰণে তেওঁ এই বুলি আক্ষেপ কৰিছিল যে অসমত কৃষিকাৰ্যত যিবোৰ পশু ব্যৱহাৰ কৰা হয় সেইবোৰ অতি মাত্ৰাই দুৰ্বল: "The animals used in tillage ... are of the feeblest kind."[৫৪] অথচ ১৮০৯ খ্ৰীষ্টাব্দতেই ঔপনিৱেশিক চৰকাৰৰ উদ্যোগত হাৰিয়ানাৰ হিছাৰত গৰাদি পশুৰ পাম গঢ়ি উঠিছিল। আনন্দৰামে সেই খবৰ ৰখাৰ উপৰি বঙ্গদেশতো উন্নত মানৰ গৰাদি পশু দেখিছিল। সেয়েহে তেওঁ উত্তৰ ভাৰত আৰু বঙ্গদেশৰপৰা উন্নত মানৰ গৰাদি পশু আমদানি কৰি অসমৰ প্ৰতিখন গাঁৱত কৃষিকাৰ্যৰ উন্নয়নসাধনৰ পৰামৰ্শ আগবঢ়াইছিল: "... every village be furnished ... with a supply of ... an improved breed of cattle, viz. bullocks, &c., from Bengal and Upper India."[৫৫] তেওঁ এই স্মাৰকপত্ৰ দিয়াৰ ৩৪ বছৰৰ পিছত বলিনাৰায়ণ বৰাই *মৌ*ৰ পাতত লিখিছিল যে ঔপনিৱেশিক চৰকাৰে অসমত "গৰুৰ বংশৰ উন্নতি কৰিবৰ নিমিত্তেই কোনো কোনো জিলাতে পশ্চিমা বলদ গৰু অনাই দিছে"।[৫৬] এনে কাৰ্যৰে ঔপনিৱেশিক চৰকাৰে নিশ্চয় অসমত থলুৱা গৰাদি পশুৰ মানোন্নয়নৰ কিছু প্ৰয়াস কৰিছিল, কিন্তু যাক কৃত্ৰিম প্ৰজনন বোলে অসমত তাৰ সূত্ৰপাত হৈছে স্বৰাজোত্তৰ কালত। এইবোৰ যে শলাগযোগ্য প্ৰয়াস তাত সন্দেহ নাই।

কিন্তু আমাৰ আক্ষেপৰ কাৰণো আছে। স্বৰাজোত্তৰ কালত অসমৰ পশুপালন আৰু পশুচিকিৎসা বিভাগত এনে বিৰাট কেলেংকাৰি সংঘটিত হৈছে যাক *ইণ্ডিয়ান এক্সপ্ৰেছ* কাকতত সমুদ্ৰগুপ্ত কাশ্যপে অভিহিত কৰিছে "one of India's biggest financial scandals"[৫৭] বুলি। এই scandal বা কেলেংকাৰিটো LoC (Letter of Credit) কেলেংকাৰি নামে জনাজাত। প্ৰায় চাৰিশ কোটি টকাৰ এই কেলেংকাৰিটো ১৯৮৮ (মতান্তৰে ১৯৮৫/১৯৮৬) চনত আৰম্ভ হৈ ১৯৯২ চনলৈকে চলিছিল আৰু ইয়ে বিশ্ববেংকৰ সহায়েৰে অসমত কাৰ্যকৰী হ'বলগীয়া পশুধন উন্নয়ন আঁচনিকে ধৰি বিভাগটোৰ বহু উন্নয়নমূলক আঁচনিৰ ক্ষতিসাধন কৰিছিল। এই কেলেংকাৰিত ৰাজ্যখনৰ পশুপালন বিভাগৰ একালৰ ফিল্ড এছিষ্টেণ্ট ৰাজেন বৰাকে আদি কৰি ৰাজ্যৰ পশুপালন বিভাগ আৰু ৰাজ্যিক কোষাগাৰৰ ছজন বিষয়া-কৰ্মচাৰীৰ সশ্ৰম কাৰাদণ্ড হৈছিল। *আউটলুক* কাকতত প্ৰকাশিত এক বাতৰিমতে, "Bora and his associates made their biggest killing on the

integrated Cattle Development Project at Demow in Upper Assam's Sibsagar District. A single payment of Rs 63.37 crore was made to Bora and his partners for construction that never took place."[২৮]

অসমত মানুহ আৰু পশু দুয়োৰে ক্ষেত্ৰত আৱশ্যকীয় সংখ্যক চিকিৎসক নাই। এগ্ৰিকালচাৰেল কমিছন অৱ ইণ্ডিয়াৰ নীতিমতে প্ৰতি পাঁচ হাজাৰ পশুধনৰ বিপৰীতে থাকিব লাগিব কমেও এজনকৈ পশুচিকিৎসক। কিন্তু সাম্প্ৰতিক অসমৰ চৰকাৰী পশুচিকিৎসা বিভাগত থকা ৭০৩গৰাকী পশুচিকিৎসক এই অনুপাততকৈ বহুত কম। ইপিনে অসমৰ খানাপাৰা আৰু লখিমপুৰত থকা দুখন পশুচিকিৎসা মহাবিদ্যালয়ৰপৰা প্ৰতি বছৰে বহু ছাত্ৰ চিকিৎসক হৈ ওলাই আছে, কিন্তু তেওঁলোকৰ নিযুক্তিৰ বাবে চৰকাৰৰ কোনো উদ্যোগ নাই। গতিকে তেওঁলোক নিবনুৱা হৈ ভাগ্যক ধিয়াই আছে নাইবা পশু সম্পৰ্কীয় কোনো এন জি অ' বা ভেটেৰিনাৰি ফাৰ্মাচিউটিকেলত সোমাই আছে। কিছুমানে এলআইচিৰ এজেন্সি লৈছে নাইবা মেডিকেল ৰিপ্ৰেজেণ্টেটিভ বা ঔষধ কোম্পানিৰ ছেল্‌ছ ৰিপ্ৰেজেণ্টেটিভ হৈছে। যোগ্যতা অনুসাৰে কিছুসংখ্যকে বেংক, অফিচ আদিত কেৰানি, অফিচাৰ ইত্যাদি হৈছে। কৰ্মসংস্থান বিচাৰি বহুতো এই ৰাজ্যৰ বাহিৰলৈকো ঢাপলি মেলিছে। অসমৰ ভেটেৰিনাৰি ডাক্তৰে নিজৰ ৰাজ্যত চাকৰি নাপাই দিল্লীলৈ গৈ ধনী মানুহৰ পেট-ডগৰ চিকিৎসা কৰি থকাও দেখা গৈছে। আনহাতে প্ৰয়োজনীয় সংখ্যক চিকিৎসকৰ অভাৱত কৃষিনিৰ্ভৰ অসমৰ পশুচিকিৎসাৰ ক্ষেত্ৰত এক বিৰাট শূন্যতাই দেখা দিছে আৰু এই শূন্যতা পূৰণৰ বাবে বিভিন্ন বহুজাতিক সংস্থাই অসমত প্ৰৱেশ কৰাৰ সম্ভাৱনায়ো ভুমুকি মাৰিছে। এই বহুজাতিক সংস্থাবোৰে যে ৰাজ্যৰ পশুচিকিৎসাৰ ক্ষেত্ৰখন ৰাজ্যখনৰ নিবনুৱা চিকিৎসকৰে পূৰণ কৰিব, তেনে নিশ্চয়তা নাই। অথচ এগ্ৰিকালচাৰেল কমিছন অৱ ইণ্ডিয়াৰ সিদ্ধান্তমতে এই ৰাজ্যত পশুচিকিৎসকৰ নিযুক্তি হোৱা হ'লে কমেও আৰু ডেৰ হাজাৰমান পশুচিকিৎসকৰ কৰ্মসংস্থানৰ বাট মুকলি হোৱাৰ লগতে ৰাজ্যখনত পশুচিকিৎসা পৰিষেৱাৰ মান উন্নত হ'লহেতেন বুলি বিভাগটোৰ লগত জড়িত বহুতে ক'ব খোজে।*

পশুচিকিৎসাৰ দৰে অসমৰ পশুপালনৰ ক্ষেত্ৰতো বহুজাতিক সংস্থাৰ প্ৰাধান্য

* কথাটো অশুদ্ধ বুলি আমি মুঠেই নকওঁ। কিন্তু সামাজিক দায়বদ্ধতাৰ শিক্ষা নিদিয়া পুঁজিবাদী ব্যৱস্থাত ডাক্তৰ-কৰ্মচাৰী থকা-নথকাতকৈ কেতিয়াবা কেতিয়াবা অধিক গুৰুত্বপূৰ্ণ হৈ উঠে ডাক্তৰ-কৰ্মচাৰীসকলৰ নৈতিক সততা থকা-নথকাটো। কোনেও এই কথা নক'ব যে পশুচিকিৎসা বিভাগকে ধৰি ৰাজ্যখনৰ সকলো চৰকাৰী বিভাগৰ সকলো পদাধিকাৰী আৰু কৰ্মচাৰীয়েই নৈতিকতাহীন আৰু বেয়া। কিন্তু আমাৰ অভিজ্ঞতাই কয়, বেয়াৰ প্ৰভাৱ উত্তৰোত্তৰ বৃদ্ধি পোৱাৰ ফলতেই চৰকাৰী বিভাগবোৰৰ কামকাজত মানুহৰ আস্থা দিনক দিনে হ্ৰাস পাইছে। আমি পশুচিকিৎসা বিভাগৰ কথাকেই নিৰ্দিষ্টভাৱে ক'বলৈ বিচাৰিছোঁ। চৰকাৰী পশুচিকিৎসা বিভাগত এনে বহু দৰৱ আৰু ছিটা থাকে যিবোৰ সম্পূৰ্ণ বিনামূলীয়া। কিন্তু বহুতৰে চকুৰ আগত সেইবোৰ ৰচিদ নিদিয়াকৈ বিক্ৰী কৰা হয়। কমদামী দৰৱ আৰু কৃত্ৰিম প্ৰজননৰ বেজীবোৰ প্ৰায় সময়তে বিক্ৰী কৰা হয় জুই ছাই দামত আৰু ৰচিদ নিদিয়াকৈ। ইয়াৰ ফলত যক্ষৰ ধন অবাবতে নষ্ট হোৱাৰ দৰে পশুচিকিৎসাত



বিস্তাৰৰ পূৰ্ণ সম্ভাৱনা আছে। অসমত ইতিমধ্যে সোণা, সগুন আদি বহুজাতিক কোম্পানিৰ দপদপনি আৰম্ভ হৈছে। এই কোম্পানিবোৰে হাঁহ, কুকুৰা আদি প্ৰাণীক দানা আৰু ঔষধৰ উপৰি প্ৰয়োজনীয় চিকিৎসাও দিয়ে। থলুৱা ডেকা-গাভৰুক এই কোম্পানিবোৰে হাঁহ, কুকুৰা আদি পালনৰ বাবে ঠিকাভিত্তিক নিযুক্তি দি তেওঁলোকৰ হতুৱাই প্ৰাণীবোৰ পালন কৰাই লয় আৰু সিহঁতৰ (কোম্পানিবোৰৰ) নিৰ্ধাৰিত মূল্যতেই এইবোৰ প্ৰাণী আৰু প্ৰাণীজাত সামগ্ৰী বজাৰত বিক্ৰী কৰে। বহুজাতিক কোম্পানি পৰিচালিত এনে কণ্ট্ৰাক্ট ফাৰ্মিং অসমত এতিয়া ৰমৰমীয়াকৈ চলিছে আৰু এনে এটা দিন অহাৰ উপক্ৰম হৈছে যেতিয়া অসমত বৃহৎ আকাৰৰ সমূহ প'ল্ট্ৰি আৰু ডেয়াৰি বহুজাতিক কোম্পানিবোৰৰ হাতলৈ গুচি যাব। অসমৰ একাংশ নিবনুৱা যুৱক-যুৱতী সেইবোৰত বৰ বেছি কৰ্মচাৰীহে হ'ব পাৰিব, কিন্তু সম্ভৱতঃ সেইবোৰৰ এটাৰো মালিক হ'ব নোৱাৰিব।

অসমৰ প্ৰত্যেক জিলাতেই পশুপালন আৰু পশুচিকিৎসা বিভাগৰ নিয়ন্ত্ৰণত বহু গৱেষণাগাৰ আছে আৰু সেইবোৰত কিছু যন্ত্ৰপাতিও আছে, কিন্তু সেইবোৰ ব্যৱহাৰ কৰা মানুহ নাই। অসমত পশুৰোগ নিৰ্ণয়-ব্যৱস্থা অতিশয় পুতৌলগা। গৱেষণাগাৰবোৰৰপৰা পশুৰোগ নিৰ্ণয়ত সহায় পোৱাৰ কণমানো সম্ভাৱনা নাই, কিয়নো সেইবোৰত উন্নত প্ৰযুক্তিও নাই, প্ৰযুক্তিবিদো নাই।

আমি আমাৰ গ্ৰন্থখনৰ স্বাস্থ্য আৰু চিকিৎসা বিষয়ত লিখা প্ৰবন্ধ কেইটিৰ বাবে মিহিৰকুমাৰ গোস্বামী, নাৰায়ণ দেৱনাথ, মনোজকুমাৰ শইকীয়া আৰু ৰেজাউল কৰিমক গভীৰ কৃতজ্ঞতা জনালোঁ। আমাৰ অনুৰোধ ৰক্ষা কৰি বিজয়কৃষ্ণ নাথ আৰু লক্ষীপ্ৰসাদ বৰঠাকুৰে দুটা মূল্যৱান সংযোজন লিখি দিয়াৰ কাৰণে তেওঁলোককো কৃতজ্ঞতা জনালোঁ। আমাৰ সঙ্কলনটি প্ৰকাশিত হোৱাৰ আগত বৰ্তমান সঙ্কলনটিত থকা "যৌগিক চিকিৎসা আৰু অসম" শীৰ্ষক প্ৰবন্ধৰ লেখক অৰুণকুমাৰ তালুকদাৰ প্ৰয়াত হোৱাত তেওঁৰ পৰিয়ালবৰ্গৰ প্ৰতি গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে তেওঁৰ স্মৃতিত অন্তৰৰ শ্ৰদ্ধা নিৱেদন কৰিলোঁ।

সদৌ শেষত বিভিন্ন ধৰণৰ সহায়-সহযোগ আৰু দিহা-পৰামৰ্শ আগবঢ়াই গ্ৰন্থখনৰ প্ৰকাশক অধ্যক্ষা ড° অজন্তা দত্ত বৰদলৈ, সম্পাদক ড° মঞ্জু লস্কৰ, আমাৰ কলেজৰপৰা চৰ্তাধীন ছুটী (lien) লৈ কটন কলেজ ষ্টেট ইউনিভাৰ্চিটিৰ অসমীয়া বিভাগত সহকাৰী অধ্যাপকৰূপে বৰ্তমানে কৰ্মৰত ড° বিশ্বজিৎ দাস, গিগাবাইট্‌ছ প্ৰেছৰ স্বত্বাধিকাৰী কঙ্কণ গোস্বামী, মুদ্ৰণকৰ্মী নিৰোজকুমাৰ নাথ আৰু প্ৰভাতমণি শইকীয়া আৰু সৰ্বোপৰি লেখকসকল অশেষ ধন্যবাদৰ পাত্ৰ

ব্যৱহাৰ কৰিবলগীয়া বহু দৰৱ সময়ে সময়ে ব্যৱহাৰ নোহোৱাকৈ থাকি যায় আৰু সেইবোৰ কেতিয়াবা কেতিয়াবা গাঁত খান্দি মাটিত পুতি পেলাবলগীয়াও হয়। পশুচিকিৎসা বিভাগত হৈ থকা এনে দুৰ্নীতিয়ে মানুহক বিভাগটোৰ প্ৰতি বিতুষ্ট কৰি তুলিছে আৰু ৰাজ্যখনৰ পশুচিকিৎসা ক্ষেত্ৰত বহুজাতিক কোম্পানিৰ প্ৰৱেশৰ পথ সুগম কৰিছে। অসমৰ পশুচিকিৎসা ক্ষেত্ৰত যদি বহুজাতিক কোম্পানিৰ প্ৰৱেশ ঘটে তেন্তে বিভাগটোত থকা দুৰ্নীতিও তাৰ এটা কাৰণ হ'ব।

হৈছে। আটাইবিলাক প্ৰবন্ধ যে খুব উন্নতমানৰ হৈছে, তেনে নহয়; কিন্তু কোনো কোনো প্ৰবন্ধই যে আমাৰ প্ৰত্যাশাক ছেৰাই গৈছে সেই কথা উল্লেখ নকৰাকৈ থাকোঁ কেনেকৈ? ঔপনিবেশিক আৰু স্বৰাজোত্তৰ অসমৰ অৰ্থনীতি সম্পৰ্কে ড° ৰাণী মুদিয়াৰ ডেকাৰ প্ৰবন্ধটি আমাৰ বোধেৰে তেনে এক প্ৰবন্ধ। যিয়েই হওক, লেখকসকলে যে অজস্ৰ কামৰ মাজত থাকিও আমাৰ আৰেদনত সঁহাৰি জনাইছে তাৰ বাবে আমি তেওঁলোকৰ ওচৰত কৃতজ্ঞ।

যদি এই কিতাপখনৰপৰা কোনো পাঠক অলপো উপকৃত হয় তেন্তে আমাৰ শ্ৰম সাৰ্থক হ'ব আৰু আমি নিজকে ধন্য মানিম।

জ্যোতিৰ্ময় জানা
মুখ্য সম্পাদক, *আধুনিক অসম*

**তথ্যসূত্ৰ**


১ H. K. Barpujari, ed. *The Comprehensive History of Assam*. vol. 5. Guwahati: Publication Board, Assam, 1993, p. 211

২ Sir Edward Gait. *A History of Assam*. Guwahati: Layer's. 1997, p. 231

৩ Amalendu Guha. *Mediaeval and Early Colonial Assam: Society and Polity*. Calcutta: K. P. Bagchi, 1991, p. 84

৪ Dewan Moneeram Borwah [Dewan Maniram Baruah]. "Translation of a Petition from Moneeram Borwah Dewan to the Illustrious Sudder Member Judge Bahadoor." *Report on the Province of Assam*. By A. J. Moffatt Mills. Gauhati: Publication Board, Assam, 1984, p. 620

৫ উদ্ধৃত, হেমাঙ্গ বিশ্বাস। *গানের বাহিরানা*। সম্পা. মৈনাক বিশ্বাস। কলিকতা: পেপিৰাছ, ১৯৯৮, পৃষ্ঠা ১৯৯৮।

৬ Francis Jenkins. *Report on the North-East Frontier of India*. Ed. H. K. Barpujari. Guwahati: Spectrum, 1995, p. 74

৭ ৰামকৃষ্ণ বিদ্যাৰত্ন। *উদাসীন সত্যশ্ৰবার আসাম ভ্ৰমণ*। কানাইলাল চট্টোপাধ্যায় সম্পাদিত *আসামে চা-কুলি আন্দোলন ও ৰামকুমাৰ বিদ্যাৰত্ন*। কলিকতা: পেপিৰাছ, ১৯৮৯, পৃষ্ঠা ৭৬-৭।

৮ যোগেন্দ্ৰনাৰায়ণ ভূঞা সঙ্কলিত আৰু সম্পাদিত *ৰত্নেশ্বৰ মহন্ত ৰচনাৱলী*। গুৱাহাটী: অসম প্ৰকাশন পৰিষদ, ১৯৭৭, পৃষ্ঠা ২১৭।

৯ তদেৱ।

১০ Karl A. Trocki. *Opium, Empire and the Global Political Economy: A Study of the Asian Opium Trade 1750-1950*. London: Routledge. 1999 (দ্ৰ. কিতাপখনৰ পিছ বকলাৰ উদ্ধৃতি।)

১১ তদেৱ, পৃষ্ঠা ৩২।

১২ গুণাভিৰাম বৰুৱা। *ৰাম-নৱমী*। নলবাৰী: সমন্বয় গ্ৰন্থালয়, ১৯৯৩, পৃষ্ঠা ৭২।

১৩ প. শ. [পূৰ্ণকান্ত শৰ্মা]। "ধন"। *আসাম-বন্ধু*, ব'হাগ ১৮০৭ শক (১৮৮৫ খ্ৰীষ্টাব্দ)। নগেন শইকীয়া সঙ্কলিত আৰু পুনঃ-সম্পাদিত *আসাম-বন্ধু*। গুৱাহাটী: অসম প্ৰকাশন পৰিষদ, ১৯৮৪, পৃষ্ঠা ১১৬।

১৪ ন. ন. মহন্ত [নৱনাথ মহন্ত]। "টকা"। *আসাম-বন্ধু*, আহাৰ, ১৮০৭ শক (১৮৮৫ খ্ৰীষ্টাব্দ)। নগেন শইকীয়া সঙ্কলিত আৰু পুনঃ-সম্পাদিত *আসাম-বন্ধু*। প্ৰাগুক্ত, পৃষ্ঠা ১৮৮।





১৫ William Shakespeare. Timon of Athens. Complete Works. Ed. W. J. Craig. Delhi: OUP, 1977, p. 810

১৬ গুণাভিৰাম বৰুৱা। *আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ*। গুৱাহাটী: অসম প্ৰকাশ পৰিষদ, ১৯৯২, পৃষ্ঠা ৬২-৩।

১৭ গুণাভিৰাম বৰুৱা। *বিবাহ ৰহস্য নাটক*। নগেন শইকীয়া সঙ্কলিত আৰু পুনঃ-সম্পাদিত *আসাম-বন্ধু*, মাঘ-ফাগুন, ১৮০৭ শক (১৮৮৬ খ্ৰীষ্টাব্দ), পৃষ্ঠা ৪৭১।

১৮ গুণাভিৰাম বৰুৱা। *আসাম বুৰঞ্জী*। গুৱাহাটী: অসম প্ৰকাশ পৰিষদ, ২০০১, পৃষ্ঠা ১৬২।

১৯ তদেৱ, পৃষ্ঠা ১৩৮।

২০ Eric J. Hobsbawm. *The Age of Revolution 1789-1848*. New York: Vintage, 1990, p. 163

২১ "ৰাজস্ব কমিটি"। *মৌ*, পুহ ১৮০৮ শক (জানুৱাৰি ১৮৮৭)। সত্যেন্দ্ৰনাথ শৰ্মা সঙ্কলিত আৰু পুনঃ-সম্পাদিত *মৌ*। গুৱাহাটী: অসম প্ৰকাশ পৰিষদ, ১৮৮০, পৃষ্ঠা ৭০।

২২ উদ্ধৃত, হেমাঙ্গ বিশ্বাস, প্ৰাগুক্ত।

২৩ হেমচন্দ্ৰ বৰুৱা। *কানীয়াৰ কীৰ্তন*। যতীন্দ্ৰনাথ গোস্বামী সঙ্কলিত আৰু সম্পাদিত *হেমচন্দ্ৰ বৰুৱা ৰচনাৱলী*। গুৱাহাটী: হেমকোষ প্ৰকাশন, ১৯৯৯, পৃষ্ঠা ১৪।

২৪ Barker, George M. A *Tea Planter's Life in Assam*. Calcutta: Thacker, Spink and Co., 1884, p. 78

২৫ "Economy of Assam". Wikipedia. n. p. https://en.wikipedia.org/wiki/Economy_of_Assam. Web. Last modified on 26 September 2015

২৬ Anundaram Dakeal Phookun [Anandaram Dhekial Phukan]. "Observations on the Administration of the Province of Assam." *Report on the Province of Assam*. By A. J. Moffatt Mills. Gauhati: Publication Board, Assam. 1984, p. 112

২৭ আ. ব. [গুণাভিৰাম বৰুৱা]। "আমাৰ মানুহ"। *আসাম-বন্ধু*, ব'হাগ ১৮০৭ শক (১৮৮৫ খ্ৰীষ্টাব্দ)। নগেন শইকীয়া সঙ্কলিত আৰু পুনঃ-সম্পাদিত *আসাম-বন্ধু*, প্ৰাগুক্ত, পৃষ্ঠা ১৩২-৫।

২৮ Amalendu Guha. *Planter Raj to Swaraj: Freedom Struggle and Electoral Politics in Assam*. 1826-1947. New Delhi: PPH, 1988, p. 71n.

২৯ Myron Weiner. *Sons of the Soil: Migration and Ethnic Conflict in India*. Delhi: OUP, 1988, pp. 96-7

৩০ *Report of the Line System Committee 1938*. Shillong. Printed at the Assam Government Press, 1938, p. 8

৩১ S. B. Medhi. *Transport System and Economic Development in Assam*. Guwahati: Publication Board, Assam, 1978, p. 20

৩২ বেণুধৰ শৰ্মা সম্পাদিত *হৰিবিলাস আগৰৱালা ডাঙৰীয়াৰ আত্মজীৱনী*। গুৱাহাটী: তৰুণৰাম আগৰৱালা, ১৯৬৭, পৃষ্ঠা ১৪।

৩৩ S. B. Medhi, প্ৰাগুক্ত, পৃষ্ঠা ৪৫।

৩৪ Moon Moon Sarma. "Assam: Challenges Ahead." *The Assam Tribune*. 24 September 2015. Guwahati, p. 6

৩৫ "Economy of Assam", প্ৰাগুক্ত।

৩৬ জ্যোতিৰ্ময় জানা। "মৰিগাঁওয়েৰ বিস্তীৰ্ণ ডাউন-বিধ্বস্ত অঞ্চলে পথঘাট বিপৰ্যস্ত:

জলের দামে বিকোচ্ছে কৃষি-সামগ্রী, শিল্পজাত সামগ্রী অগ্নিমূল্য"। *সময় প্রবাহ*। ১৩ জুলাই, ১৯৯২, পৃষ্ঠা ৩।

৩৭ তদেৱ।

৩৮ *Sunday*, 26 May 1980, Calcutta, pp. 14-5

৩৯ তদেৱ।

৪০ Anundaram Dakeal Phookun [Anandaram Dhekial Phukan]. প্ৰাগুক্ত, পৃষ্ঠা ১১১।

৪১ তদেৱ, পৃষ্ঠা ১১২।

৪২ জ্যোতির্ময় জানা। *ৰুদ্ৰৰাম বড় দলৈৰ বঙ্গাল বঙ্গালনী নাটক: মূল নাটক আৰু আলোচনা*। গুৱাহাটী: ভবানী বুকছ, ২০১৪, পৃষ্ঠা ৪০, ১৫১।

৪৩ "নগাঁৱত মাউৰ লগাৰ কথা"। *অৰুনোদই*, জুলাই ১৮৫১। মহেশ্বৰ নেওগ সঙ্কলিত আৰু পুনঃ-সম্পাদিত *অৰুনোদই*। গুৱাহাটী: অসম প্ৰকাশন পৰিষদ, ১৯৮৩, পৃষ্ঠা ৬০৮।

৪৪ ৰামকুমাৰ বিদ্যাৰত্ন। *কুলিকাহিনী*। সম্পা. বিশ্বনাথ মুখোপাধ্যায়। কলিকতা: যোগমায়া প্ৰকাশনি, ১৯৯৭, পৃষ্ঠা ৯৬।

৪৫ *The Bengalee*, 30 October 1886. Dwarkanath Ganguli. *Slavery in British Dominion*, Calcutta: Jijnasa, 1972, p. 16

৪৬ National Rural Health Mission (2005-2012) Mission Document. n. p. http://www.nird.org.in/brgf/doc/Rural%20HealthMission_Document. Web

৪৭ Ashutosh Kumar Mishra. *50 Leading Cases of Supreme Court Cases of Supreme Court of India*. www.discountbookstore.in. 2014. p. 1431. Web

৪৮ তদেৱ, পৃষ্ঠা ১৪-১৯।

৪৯ *Code of Ethics Regulations 2002* (amended up to December 2009). n. p. Medical Council of India. http://www.mciindia.org/RulesandRegulations/CodeofMedicalEthicsRegulations2002.aspx. Web

৫০ "MCI tells doctors: Use block letters when you write prescriptions." New Delhi: *The Indian Express* (Updated 11 February 2014). Web

৫১ Code of Ethics Regulations 2002 (Amended up to December 2009), op. cit., n. p.

৫২ তদেৱ।

৫৩ দৈত্যাৰি ঠাকুৰ। *মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱ চৰিত্ৰ*। সম্পা. হৰিনাৰায়ণ দত্ত বৰুৱা। গুৱাহাটী: দত্ত বৰুৱা এণ্ড কোম্পানি, ২০০৪, পৃষ্ঠা ১০।

৫৪ Anundaram Dakeal Phookun [Anandaram Dhekial Phukan], প্ৰাগুক্ত, পৃষ্ঠা ১০৩।

৫৫ তদেৱ।

৫৬ "ৰাজস্ব কমিটি", প্ৰাগুক্ত, পৃষ্ঠা ৬৯-৭০।।

৫৭ Samudra Gupta Kashyap. "Four get five year term in Assam vet dept scam." *The Indian Express*, 31 December 2006. Journalism of Courage. Archive. Web

৫৮ "Behind the Plot." *Outlook*, 18 December 1996. outlookindia.com


# ঔপনিৱেশিক আমোলত অসমৰ অৰ্থনৈতিক বিৱৰ্তন: এটি পৰ্যালোচনা

কল্যাণ বৰা

প্ৰথম ইংগ-বৰ্মী যুদ্ধত (১৮২৪-২৬) মানক পৰাভূত কৰি ইংৰাজে অসমৰ শাসনভাৰ লোৱাৰ পিছৰেপৰা তেওঁলোকৰ তত্ত্বাৱধানত ৰাজ্যখনৰ বহুখিনি বৈষয়িক পৰিৱৰ্তন সাধিত হয়। ইংৰাজসকলৰ আগমনৰ পূৰ্বে অসমৰ সমাজখন বহু পৰিমাণে বহিৰ্বিশ্বৰ লগত সম্পৰ্কহীন তথা আছুতীয়া আছিল। নিকটৱৰ্তী ৰাজ্য তথা দেশসমূহৰে সৈতে অসমৰ বাণিজ্যিক আদান-প্ৰদান চলি আহিছিল যদিও মানুহৰ আহ-যাহ অতি সীমিত আছিল। সমাজৰ প্ৰায় সকলোখিনি বস্তুৱেই থলুৱাভাৱে বা নিজাববীয়াকৈ উৎপাদন কৰা হৈছিল। সেয়েহে সমাজখন প্ৰায় স্বয়ংসম্পূৰ্ণ আৰু স্বাভাৱিক অৰ্থনীতিৰ অন্তৰ্গত আছিল। কিন্তু ইংৰাজে দেশৰ শাসনভাৰ লোৱাৰ পিছৰেপৰা অসমৰ পূৰ্বৰ সমাজব্যৱস্থা ভাগি পৰাৰ লগতে অৰ্থনৈতিক ক্ষেত্ৰতো আমূল পৰিৱৰ্তনৰ সূচনা হয়।

## ব্ৰিটিছ আমোলৰ ভূমিস্বত্ব

দেশাধিকাৰ লাভ কৰাৰ পিছত ব্ৰিটিছ সমগ্ৰ অসমৰ সৰ্বময় কৰ্তৃত্বশীল ভূমি মালিকত পৰিণত হ'ল আৰু ভূমি ভোগ-দখল কৰা কৃষককে ধৰি বাকীসকল ৰায়তলৈ পৰ্যবসিত হ'ল। প্ৰথম অৱস্থাত ৰায়তসকলে চৰকাৰৰপৰা ভোগ কৰা ভূমিৰ ওপৰত নিৰ্ধাৰিত খাজানা দিয়াৰ চৰ্তসাপেক্ষে ভূমিৰ মালিকীস্বত্ব লাভ কৰিছিল। এনেধৰণৰ ভূমিস্বত্ব ব্যৱস্থাক ৰায়তৱাৰী বন্দোবস্ত বুলি জনা গৈছিল। এনে ভূমি-ব্যৱস্থা প্ৰচলনত ব্ৰিটিছ-ভাৰত চৰকাৰে অনুমোদন দি উল্লেখ কৰিছিল যে ইয়াৰ উদ্দেশ্য হ'ব

> ..... in every way a preferable course to give the actual occupant of the soil as secure a tenure as can be conferred upon him, subject to the payment of revenue to the Government at rates fixed for long periods, and to preserve a clear distinction between the rights and obligations of proprietorship and the duties of fiscal and official administration.[১]

অসমত নতুন ভূমি-স্বত্ব প্ৰৱৰ্তনৰ ক্ষেত্ৰত ব্ৰিটিছ "লাখেৰাজ" (lakheraj) নামে পৰিচিত নিষ্কৰ ভূ-সম্পত্তিক কেন্দ্ৰ কৰি যথেষ্ট সমস্যাত পৰিছিল। আহোম আৰু মোগল শাসনকৰ্তাসকলে সত্ৰ, ব্ৰাহ্মণ আৰু পীৰ-দৰবেচসকলৰ ভৰণ-পোষণৰ বাবে দান কৰা এই লাখেৰাজ ভূমি নিষ্কৰ ভূমিৰূপে পৰিগণিত হোৱাৰ পৰিণতিত চৰকাৰৰ আয় হ্ৰাস হোৱাৰ আশঙ্কা কৰি ব্ৰিটিছ আমোলত এনে ধৰণৰ ভূমিৰ চৰিত্ৰৰ ব্যাপক সংশোধন কৰা হয়।[২] পৰ্যায়ক্ৰমে কেপ্টেইন বগল, কৰ্ণেল জেনকিন্স আৰু কেপ্টেইন মেথিৰ নেতৃত্বত চলা অনুসন্ধানৰ পৰিণতিস্বৰূপে সমুদায় লাখেৰাজ ভূমিক (১) দেৱোত্তৰ, (২) ব্ৰহ্মোত্তৰ আৰু (৩) ধৰ্মোত্তৰ এই তিনিটা শ্ৰেণীত ভাগ কৰা হয়।

মঠ-মন্দিৰ আৰু ধৰ্মানুষ্ঠানৰ নামত দান কৰা ভূমিক দেৱোত্তৰ ভূমি বোলা হৈছিল আৰু এনে ভূমিক সৰ্বকালৰ বাবে নিষ্কৰ ভূমিৰূপে স্বীকৃতি দিয়া হৈছিল। আনহাতে ব্ৰহ্মোত্তৰ আৰু ধৰ্মোত্তৰ ভূমিৰ খাজানা সাধাৰণ কৃষিভূমিৰ খাজানাৰ অৰ্ধেক হাৰত নিৰ্ধাৰণ কৰা হৈছিল। অৰ্থাৎ পিছৰ এই দুই শ্ৰেণী ভূমিৰ নিষ্কৰ চৰিত্ৰ বিলুপ্ত হৈছিল আৰু ১৮৭১ চনৰপৰা এই দুই শ্ৰেণী ভূমিৰ ক্ষেত্ৰত "নিষ্পিখেৰাজ" শব্দটি ব্যৱহাৰ কৰা হৈছিল।

অৱশ্যে সাধাৰণ কৃষি-ভূমিৰ ওপৰত চিৰস্থায়ী ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ সময়ত গোৱালপাৰা জিলাৰ ভূমিস্বত্ব মূলতঃ জমিদাৰী ব্যৱস্থাৰ অধীন আছিল,[৩] কিয়নো ১৭৯৩ চনত বঙ্গদেশত চিৰস্থায়ী ভূমি বন্দৱস্ত প্ৰৱৰ্তন কৰাৰ সময়ত গোৱালপাৰা বঙ্গ প্ৰশাসনৰ অন্তৰ্ভুক্ত আছিল আৰু সেই সূত্ৰে তাতো চিৰস্থায়ী ভূমি বন্দৱস্তৰ অধীনত জমিদাৰী ব্যৱস্থাৰ প্ৰচলন কৰা হৈছিল। ১৮৮৬ খ্ৰীষ্টাব্দৰ ১ জুলাইত বলবৎ হোৱা "অসম ভূমি আৰু ভূমি ৰাজহ অধিনিয়ম" (The Assam Land and Revenue Regulation 1886) অনুসৰি অসমত ছয় ধৰণৰ ভূমিস্বত্বৰ ব্যৱস্থা কৰা হৈছিল:

(১) লাখেৰাজ তথা দেৱোত্তৰ ভূমিস্বত্ব আৰু চাহখেতিৰ বাবে অনুমোদিত ফী-ছিম্পল নিয়মৰ অধীনলৈ নিয়া সকলো ভূমি, যাক স্বত্বাধিকাৰীয়ে নিষ্কৰ অৰ্থাৎ খাজানাবিহীনভাৱে ভোগ-দখল কৰিব পাৰিছিল।

(২) চিৰস্থায়ীভাৱে বন্দৱস্ত দিয়া গোৱালপাৰা জিলাৰ ভূমিস্বত্ব।

(৩) অৰ্ধেক হাৰত খাজানা দিয়াৰ চৰ্তত অস্থায়ীভাৱে বন্দোবস্ত দিয়া ভূমিৰ স্বত্ব। এনে ভূমিক নিষ্পিখেৰাজ ভূমি বোলে।

(৪) সম্পূৰ্ণ খাজানা দিয়াৰ চৰ্তত নিৰ্দিষ্ট সময়ৰ বাবে প্ৰদান কৰা ভূমিৰ স্বত্ব। এনে ভূমি খেৰাজ ভূমি ৰূপে পৰিচিত।

(৫) পূৰ্ণ হাৰত খাজানা দিয়াৰ চৰ্তত অস্থায়ীভাৱে দিয়া একচনীয়া ভূমিস্বত্ব।

(৬) পতিত ভূমি আৱণ্টন দিয়া নিয়ম অনুযায়ী অৰ্থাৎ নতুন ভূমি বন্দোৱস্তি নিয়মৰ ১ নম্বৰ ধাৰাৰ অধীনত চাহখেতিৰ স্বাৰ্থত যৎসামান্য খাজানাৰ বিনিময়ত অস্থায়ীভাৱে বন্দৱস্ত দিয়া ভূমিস্বত্ব।[৪]



এইবোৰৰ উপৰি ব্ৰিটিছে চাহ-শিল্পৰ বাবে প্ৰয়োজনীয় ভূমি সহজপ্ৰাপ্য কৰি তুলিবৰ কাৰণে কেবাখনো আইন-সংশোধনৰ জৰিয়তে সামগ্ৰিকভাৱে ভূমি আৱণ্টন নীতিকেই অতিশয় শিথিল কৰি পেলায়। আইন কেইখনৰ ভিতৰত আছে — পতিত ভূমি আৱণ্টন নীতি ১৮৩৮ (Waste Lands Grant Rules 1838), পুৰণি অসম নীতি ১৮৫৪ (Old Assam Rules 1854) আৰু ফী-ছিম্পল নীতি ১৮৬২ (Fee-Simple Rules 1862)।

## চৰকাৰৰ আয়ৰ উৎস: খাজানা আৰু কৰ-কাটল

ব্ৰিটিছ চৰকাৰৰ প্ৰধানকৈ দুবিধ আয়ৰ উৎস আছিল: কৰ-ৰাজহ (tax revenue) আৰু অনাকৰ-ৰাজহ (non-tax revenue)। কৰ-ৰাজহৰ ভিতৰত হ'ল ভূমি-ৰাজহ, আয়কৰ, বাণিজ্যিক শুল্ক, সম্পদ কৰ, বন কৰ, জল কৰ, হাট কৰ, ঘাট কৰ, আবকাৰী শুল্ক ইত্যাদি। অনাকৰ-ৰাজহৰ ভিতৰত আছিল কৰ্ট-ফী, ষ্টেম্প কৰ, জৰিমনা, মাচুল, দান-বৰঙণি, বিশেষ খাজানা আদি।

ঔপনিৱেশিক শাসনৰ আৰম্ভণিৰেপৰা ব্ৰিটিছে মাত্ৰ মুদ্ৰাৰ হিচাপত খাজানা আৰু কৰ-কাটল নিৰ্ধাৰণ কৰিছিল। এনেদৰে আহোম-শাসনৰ সময়ৰ পাইক-প্ৰথাৰ অৱসান ঘটাই টকাৰ মাধ্যমত খাজানা-সংগ্ৰহৰ ব্যৱস্থা কৰাত দেশত মুদ্ৰা-অৰ্থনীতি প্ৰৱৰ্তনৰ পথ সুগম হৈছিল। নামনি অসমৰ কামৰূপ জিলাত আকৌ ব্ৰিটিছে মোগল-প্ৰৱৰ্তিত পৰগণা ব্যৱস্থাক বাহাল ৰাখি পূৰ্বৰ চৌধুৰীসকলৰে সৈতে খাজানা সংগ্ৰহৰ বন্দৱস্ত কৰিছিল।[৫] উজনি অসমত ব্ৰিটিছে পুৰন্দৰ সিংহক শাসনভাৰ দিয়াৰ পূৰ্বে দুই-এটা সংশোধনী কৰি পাইক-প্ৰথাকে অব্যাহত ৰাখিছিল যদিও ১৮২৯-৩০ চনত কেপ্টেইন নিউৱিলে তহচিলদাৰী ব্যৱস্থা প্ৰৱৰ্তন কৰে।[৬]

১৮২৪-২৫ চনত নগাঁও আৰু ৰহা অঞ্চলৰ বাবে খাজানা সংগ্ৰহৰ দায়িত্ব অৰ্পণ কৰা হৈছিল হাৰাধন ৰায় আৰু লতাপাণি ফুকনক। এই দুয়োটা অঞ্চল তেওঁলোকে ডাকত লৈছিল। সেই একে বছৰতে ব্ৰিটিছে দৰঙৰ ৰজা বিজয়নাৰায়ণ চৌধুৰীৰ লগতো এক চুক্তি সম্পাদন কৰি তেওঁৰপৰা বাৰ্ষিক ৪২,০০০ টকা আৰু ১৫০০ পাইক আদায় কৰিছিল। চুক্তি পালনত ব্যৰ্থ হোৱা বাবে ১৮২৭-২৮ চনত বিজয়নাৰায়ণৰ সম্পত্তি চৰকাৰে সম্পূৰ্ণ বাজেয়াপ্ত কৰিছিল। নগাঁও, ৰহা আৰু দৰঙৰ প্ৰজাই চৰকাৰক বাৰ্ষিক দুটকাকৈ জনমূৰি খাজানা দিব লগা হৈছিল। মানসকলে কামৰূপত প্ৰৱৰ্তন কৰা "খৰিকাটনা" নামৰ জনমূৰি খাজানা বিধ ব্ৰিটিছে বাহাল ৰখাৰ উপৰি তাক নগাঁও আৰু দৰঙলৈ সম্প্ৰসাৰিত কৰিছিল।[৭] তদুপৰি চৰকাৰে লাখেৰাজৰূপে পৰিগণিত নিষ্কৰ ভূমিৰ ওপৰতো খাজানা আৰোপ কৰিছিল। অন্যহাতে ডিমৰীয়া, বেলতলা, ন-দুৱাৰ আৰু ৰাণীৰ ৰজাৰ লগত চুক্তি কৰি তেওঁলোকৰপৰাও কৰ আদায় কৰাৰ পন্থা হাতত লৈছিল।

১৮৩৬-৩৭ চনত চৰকাৰে খাজানা নিৰ্ধাৰণৰ বাবে কামৰূপৰ ভূমিক ৬টা শ্ৰেণীত ভাগ কৰিছিল: ৰূপিত, বাওতলী, বৰি, বাৰী, ফৰিঙ্গটি আৰু বস্তি। আকৌ

উজনি অসমত ভূমিৰ শ্ৰেণী-বিভাজন নকৰি মাত্ৰ ৰূপিত আৰু অন্যান্য ভূমিৰূপে ধৰি লৈ খাজানা নিৰূপণ কৰিছিল। ইয়াৰ উপৰি চৰকাৰে হাট কৰ, ঘাট কৰ, বিল কৰ, পাট-মুগা শিপিনীৰ ওপৰত কৰ, বন কৰ, খাছুৰী কৰ (চৰণীয়া ভূমিৰ ওপৰত কৰ), জল কৰ, ষ্টেম্প কৰ আদি অন্যান্য কৰো আৰোপ কৰিছিল। এইবোৰে দৰিদ্ৰ জনসাধাৰণক বিপৰ্যস্ত কৰি তুলিছিল। ১৮৬০ চনত ভাৰতৰ অন্যান্য ঠাইৰ লগতে অসমৰো কামৰূপ আৰু গোৱালপাৰা জিল্যাত আয়কৰ বহুওৱা হয়। পিছৰ বছৰত ইয়াৰ সম্প্ৰসাৰণ ঘটোৱা হৈছিল আৰু গোৱালপাৰাবপৰা ৬৭৪৩, কামৰূপৰপৰা ৪৫৮৪, দৰঙৰপৰা ৩৭০, নগাঁৱৰপৰা ২৫৬, শিৱসাগৰৰপৰা ২২৭ আৰু লখিমপুৰৰপৰা ৭১৫ টকা আয়কৰ নিৰ্ধাৰণ কৰা হয়।[৮] প্ৰায়ে একে সময়তে অসমত আবকাৰী কৰো প্ৰৱৰ্তন কৰা হৈছিল আৰু ১৮৭৪-৭৫ চনৰপৰা দেশীয় মদ তৈয়াৰ কৰাৰ বাবে অনুমতি প্ৰদান কৰি লাইচেন্স কৰ বহুওৱাই একেটা বছৰতে ৭১,৩১৮ টকা আদায় কৰিবলৈ সক্ষম হৈছিল।[৯]

ওঠৰ শতিকাৰ শেহৰপৰা অসমত আফু খেতিৰ প্ৰচলন আৰম্ভ হৈছিল আৰু ব্ৰিটিছে কানিৰপৰাও আয় কৰাৰ অভিপ্ৰায়েৰে থলুৱাভাৱে উৎপাদিত কানিৰ লগতে আবকাৰী কানিৰো প্ৰচলন ঘটাই আয় বৃদ্ধিৰ চেষ্টা কৰিছিল। ১৮৬০ চনৰ ১ মে'ৰপৰা ব্ৰিটিছে অসমত আফু খেতি নিষিদ্ধ কৰি কানিৰ মহলবোৰৰ জৰিয়তে কানি বিক্ৰী কৰি অধিক মুনাফা অৰ্জন কৰিছিল। বিশেষকৈ ১৮৭৩ চনৰপৰা ১৮৯৩ চনলৈকে অৰ্থাৎ ২০ বছৰৰ ভিতৰতে ঔপনিৱেশিক চৰকাৰে অসমৰপৰা কানিৰ জৰিয়তে লুণ্ঠন কৰিছিল সৰ্বমুঠ ৩,৬২,১৬,২৩৩ টকা।[১০]

ভূমিৰ খাজানা আৰু কৰ-কাটল আৰোপ কৰি চৰকাৰে যিমানেই আয়ৰ পৰিমাণ বৃদ্ধি কৰি গৈছিল সিমানেই কৃষকৰ আৰ্থিক অৱস্থা কাহিল হৈ পৰিছিল। তাতে ব্ৰিটিছে সময়ে সময়ে কৰা খাজানা বৃদ্ধিৰ লগতে মুদ্ৰা অৰ্থনীতিৰ প্ৰচলন কৰি ৰাইজক অধিক জুৰুলা কৰি তুলিছিল। তাৰেই পৰিণতিত ঔপনিৱেশিক আমোলত অসমৰ বিভিন্ন অঞ্চলত, যেনে ফুলগুৰি, পথৰুঘাট আদিত এলানি কৃষক বিদ্ৰোহ সংঘটিত হৈছিল।

## কৃষি

আহোম যুগৰ দৰে ঔপনিৱেশিক আমোলতো অসমত প্ৰচুৰ খাদ্য আৰু ব্যৱসায়িক শস্য উৎপাদন কৰা হৈছিল। বিভিন্ন জাতৰ ধান, মাহ, শাক-পাচলি, কপাহ, শণ, মৰাপাট, কুঁহিয়াৰ আদিৰ লগতে কল-নাৰিকল, তামোল-পাণ আদিৰ প্ৰাচুৰ্যৰে গাঁওসমূহ নদন-বদন আছিল। ধানৰ ভিতৰত কৃষকে প্ৰধানকৈ আহু, শালি আৰু বাও ধানৰ খেতি কৰিছিল। বি. চি. এলেনে উল্লেখ কৰা মতে কামৰূপ জিলাত মুঠতে ১৪৭বিধ বিভিন্ন জাতৰ ধানৰ খেতি কৰা হৈছিল।[১১] শিৱসাগৰ, লখিমপুৰ, দৰং আৰু নগাঁও জিলাতো যথেষ্ট পৰিমাণে ধান উৎপাদন হৈছিল। কিন্তু ১৮৬৮ চনৰ খাজানা বৃদ্ধি আৰু ১৮৭২ চনত আৰম্ভ কৰা জৰীপৰ পিছৰেপৰা উৎপাদন যথেষ্ট হ্ৰাস পোৱা পৰিলক্ষিত হৈছিল। বি. বি. চৌধুৰীৰ মতে ১৮৬১-৬৫ চনৰপৰা ১৮৮৬-৯০ চনলৈকে অসমৰ কামৰূপ, নগাঁও আৰু লখিমপুৰ জিলাত চাউলৰ মূল্যমানৰ বিশেষ হ্ৰাস বৃদ্ধি হোৱা নাছিল।[১২] (তালিকা ১)



তালিকা ১

| বৰ্ষ | গড় মূল্য | সূচাঙ্ক |
|---|---|---|
| ১৮৬১-৬৫ | ২.২৭ | ১০০ |
| ১৮৬৬-৭০ | ২.৬০ | ১১৪.৫৩ |
| ১৮৭১-৭৫ | ২.৫০ | ১১০.১৩ |
| ১৮৭৬-৮০ | ৩.৩৪ | ১৪৭.১৩ |
| ১৮৮১-৮৫ | ২.৬৩ | ১১৫.৮৫ |
| ১৮৮৬-৯০ | ২.৬১ | ১১৪.৯৭ |

গতিকে দেখা যায়, চাউলৰ উৎপাদন প্ৰচুৰ পৰিমাণে হোৱাৰ পিছতো অসমৰ কৃষকে সেইবোৰ বিক্ৰী কৰি নিজৰ হাতলৈ ধন আনিব পৰা নাছিল। চৰকাৰেও অসমৰ চাউলৰ পৰিৱৰ্তে তেওঁলোকৰ সামৰিক বাহিনীৰ বাবে বঙ্গদেশৰ চাউলহে আমদানি কৰিছিল।[১৩]

ধানৰ উপৰি অসমত মাটি মাহ, মগু মাহ, ক'লা মাহ বা খেচাৰী মাহ, ৰহৰ মাহ, লেছেৰা-মাহ, কঁঠাল, আম, আনাৰস, কল-কুঁহিয়াৰ, লাউ-কোমোৰা, জিকা, ভেণ্ডি, ভোল, নেমু আৰু পিছলৈ অমিতা, বিলাহী, মূলা, ফুল কবি, আদা, নহৰু ইত্যাদিৰ খেতিও প্ৰচুৰ পৰিমাণে কৰা হৈছিল। তদুপৰি ১৮৩০ চনৰপৰা ডেভিড স্কটৰ যত্নত অসমত আলু খেতিও আৰম্ভ কৰা হৈছিল। ১৯০১-০২ চনৰ পিছৰেপৰা পূৰ্ববঙ্গীয় ভূমিহীন মানুহৰ অসম আগমনৰ লগে লগে অসমত তৈলবীজ, ধঁপাত আৰু মৰাপাটৰ কৃষিক্ষেত্ৰ অধিক পৰিমাণে বৃদ্ধি পায়।

নতুন অৰ্থনৈতিক ব্যৱস্থাত সুদখোৰ মহাজন শ্ৰেণীৰ আৱিৰ্ভাৱ হৈছিল আৰু এই শ্ৰেণীৰ লোকে অসমৰ স্বাভাৱিক গ্ৰাম্য অৰ্থনীতিত ব্যাপক আৰু ক্ষতিকাৰক প্ৰভাৱ পেলাইছিল। মাৰোৱাৰী আৰু ঢাকাৰপৰা অহা বাঙালী বেপাৰী-মহাজনসকলে ঋণ আদায় কৰাৰ নামত কৃষকক কৃষিভূমিৰপৰা উচ্ছেদ কৰি ভিখাৰীত পৰিণত কৰিছিল। কোনো কোনো ক্ষেত্ৰত কৃষকে দিবলগীয়া সুদৰ হাৰ ৩৭.৫ আৰু ৭৫ শতাংশৰপৰা ১৫০ শতাংশলৈকে আছিল।[১৪] ১৯২৮ চনৰ Assam Banking Enquiry Committeeৰ প্ৰতিবেদনমতে ১৯২৮ চনত অসমৰ কৃষকৰ ঋণৰ মুঠ পৰিমাণ হৈছিল ২২ কোটি টকা।[১৫] চৰকাৰে কৃষিৰ উন্নতিৰ বাবে কোনো ধৰণৰ ব্যৱস্থা নোলোৱাৰ পৰিপ্ৰেক্ষিতত ঔপনিৱেশিক শাসনৰ আৰম্ভণিৰেপৰা শেষলৈকে কৃষকসকলৰ অৱস্থা অপৰিৱৰ্তিত হৈ থাকিল। ১৯৩০ চনতহে এজন পূৰ্ণপৰ্যায়ৰ সঞ্চালকসহ অসম চৰকাৰৰ অধীনত এটি পৃথক কৃষি বিভাগ স্থাপন কৰা হৈছিল।

## চাহ-উদ্যোগ

ইউৰোপ আৰু আমেৰিকাত পানীয় হিচাপে চাহৰ জনপ্ৰিয়তা বৃদ্ধিৰ পৰিপ্ৰেক্ষিততেই ব্ৰিটিছ পুঁজিপতিসকলৰ তত্ত্বাৱধানত অসমত চাহ উদ্যোগ গঢ়ি উঠিছিল। ১৮২৩ চনত ব্ৰিটিছ বণিক ৰবাৰ্ট ব্ৰুচে এজন চিংফৌ গামৰপৰা চাহগছৰ বিষয়ে সম্ভেদ লাভ কৰে। ইয়াৰ পিছতে ইংগ-বৰ্মী যুদ্ধৰ সময়ত ৰবাৰ্ট ব্ৰুচৰ ভ্ৰাতৃ আলেকজেণ্ডাৰ ব্ৰুচে উক্ত চিংফৌ গাম জনৰপৰা কেইবাটাও চাহপুলিৰ নমুনা সংগ্ৰহ কৰি ডেভিড স্কটৰ জৰিয়তে কলকাতাৰ বটানিকেল গাৰ্ডেনলৈ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। পৰীক্ষাগাৰটোৱে অসমৰ এই চাহগছৰ উৎকৃষ্টতাৰ সপক্ষে মতপোষণ কৰাৰ লগে লগে অসমৰ ইতিহাসত এক নতুন অধ্যায়ৰ সূচনা হয়।[১৬] ১৮৩৯ চনৰ ফেব্ৰুৱাৰি মাহত অসমত পৰিকল্পিত চাহখেতি কৰাৰ অভিপ্ৰায়েৰে লণ্ডনত আসাম কোম্পানি (The Assam Company) নামে এটি বৃহৎ কোম্পানি গঠন কৰা হয়। কোম্পানিয়ে কলিকতাৰ কৃষিবিজ্ঞানী জে মাষ্টাৰ্ছক অসমত চাহখেতিৰ সূচনা কৰিবলৈ দায়িত্ব অৰ্পণ কৰে। তেওঁ পোনতে নাজিৰাত কেন্দ্ৰীয় কাৰ্যালয় পাতি সাতছিয়া, গাভৰু পৰ্বত, চীনদোৱা, বুঢ়ী দিহিং আৰু টিঙৰি নদীৰ আশে-পাশে চাহবাগিচাৰ পত্তন কৰে। ইয়াৰ পৰৱৰ্তী কালত ব্ৰিটিছে মটকৰ বৰ সেনাপতিৰ ৰাজ্য আৰু চিংফৌসকলৰদ্বাৰা অধ্যুষিত অঞ্চলবোৰ অধিগ্ৰহণ কৰি চাহখেতিৰ ক্ষেত্ৰ সম্প্ৰসাৰণ কৰে।

১৮৩৮ চনত ব্ৰিটিছে উজনি অসমৰ কৰতলীয়া ৰজা পুৰন্দৰ সিংহক ক্ষমতাচ্যুত কৰি উক্ত অঞ্চলতো চাহবাগিচা স্থাপনৰ পথ নিষ্কণ্টক কৰে।[১৭] ইয়াৰ ফলত শিৱসাগৰ আৰু লখিমপুৰ জিলাৰ ভালেমান অঞ্চলত চাহবাগিচা গঢ়ি উঠে। ১৮৫২ চনত অকল শিৱসাগৰ জিলাতেই আসাম কোম্পানিৰ অধীনত ১৫খন বাগিচা আছিল আৰু সেই বছৰত উৎপাদিত চাহৰ পৰিমাণ আছিল ২,৬৭,০০০ পাউণ্ড। উক্ত বছৰতে শিৱসাগৰ জিলাত প্ৰথম অসমীয়া চাহখেতিয়ক মণিৰাম দেৱানৰ চেনিমৰা আৰু ছেনলুং নামেৰে দুখন আৰু এজন ইংৰাজ লোকৰো এখন ব্যক্তিগত বাগিচা আছিল।[১৮] ১৮৫৮-৫৯ চনত চাহ-শিল্পৰ দ্ৰুত উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি যোৰহাট টী কোম্পানি নামে এক নতুন কোম্পানি গঠিত হয়। ১৮৭২ আৰু ১৮৭৪ চনত শিৱসাগৰ জিলাত চাহখেতি কৰা ভূমি আৰু উৎপাদিত চাহৰ পৰিমাণ তলত দিয়া ২ নম্বৰ তালিকাখনৰপৰা ধাৰণা কৰিব পাৰি।[১৯]

চাহশিল্প আৰু ইয়াৰ ব্যাপক সম্প্ৰসাৰণে ৰাজ্যখনৰ অৰ্থনৈতিক জীৱনত

তালিকা ২

| বৰ্ষ | ভূমিৰ পৰিমাণ (একৰত) | উৎপাদিত চাহৰ পৰিমাণ (পাউণ্ড) |
|---|---|---|
| ১৮৭২ | ৫৫,৮১৪ | ৩১,৯৯,৫০০ |
| ১৮৭৪ | ২২,৫৭৩ | ৪৫,২৮,৩২৯ |



এক প্ৰধান চালিকা শক্তিৰূপে কাম কৰাৰ লগতে প্ৰচলিত ভূমিনীতিৰ ব্যাপক পৰিৱৰ্তন আনিছিল। মাৰ্ক্সে কৈছিল, ভাৰতবৰ্ষত ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানিৰদ্বাৰা ৰেললাইন বহুওৱা কাৰ্যই দেশত শিল্পায়নৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰি এক সৰ্বহাৰা শ্ৰেণীৰ সৃষ্টি কৰাটো অনিবাৰ্য। এই চাহবাগিচাসমূহত কাম কৰিবৰ বাবে ভাৰতৰ বিভিন্ন অঞ্চলৰপৰা হাজাৰ হাজাৰ লোক অসমলৈ আমদানি কৰা হৈছিল। এই প্ৰব্ৰজনে অসমৰ জনগাঁথনিত ব্যাপক পৰিৱৰ্তন সাধিছিল। ইংৰাজ চাহখেতিয়কসকলে এশ বছৰৰ ভিতৰত অসমৰ চাহশিল্পৰপৰা প্ৰায় দুই হাজাৰ কোটি টকা লাভ কৰিছিল।[২০] অসমৰ অৰ্থনৈতিক উন্নয়নত ফুটা কড়ি এটাও ব্যয় নকৰাকৈ চাহশিল্পৰপৰা লাভ কৰা এই বৃহৎ পৰিমাণৰ ধন আছিল প্ৰকৃতাৰ্থতে লুণ্ঠন।

অৱশেষ ইংৰাজ চাহখেতিয়কসকলক অনুকৰণ কৰি একাংশ অসমীয়া লোকো চাহখেতিৰ লগত জড়িত হৈ পৰিছিল। মণিৰাম দেৱান আৰু দীননাথ বেজবৰুৱাৰ উপৰি ৰোমেশ্বৰ বৰুৱা, মাণিকচন্দ্ৰ বৰুৱা, হেমধৰ বৰুৱা, জগন্নাথ বৰুৱা, বিষ্ণুৰাম বৰুৱা, শিৱপ্ৰসাদ বৰুৱা, দেৱীচৰণ বৰুৱা, গঙ্গাগোবিন্দ ফুকন, কালিপ্ৰসাদ চলিহা ইত্যাদি লোকে চাহশিল্পত যথেষ্ট উন্নতি কৰিছিল।[২১]

## কাঠৰ মিল স্থাপন

চাহশিল্পৰ বিকাশে অসমত কাঠৰ মিল স্থাপনত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। অসমত উৎপাদিত চাহ বাহিৰলৈ ৰপ্তানি কৰাৰ বাবে কাঠৰ বাকচৰ প্ৰয়োজন হৈছিল। অমিয়কুমাৰ দাসে তেওঁৰ *জীৱনস্মৃতিত* উল্লেখ কৰিছে যে হৰিবিলাস আগৰৱালাই চাহবাগিচাৰ বাবে বাকচ তৈয়াৰ কৰিবলৈ কাঠৰ মিল স্থাপন কৰিছিল।[২২] অসমৰ হাবিত বাকচ তৈয়াৰ কৰিবলৈ কেঁচামালৰ আকাল নাছিল। সেয়েহে অকল তেজপুৰতেই নহয় অসমৰ অন্যান্য ঠাইতো কাঠৰ মিল গঢ়ি উঠিছিল। মাৰ্ঘেৰিটাত থকা আসাম ৰেলৱে এণ্ড ট্ৰেডিং কোম্পানিৰ গঠনকাৰ্যও অসমত গঢ়ি উঠা চাহশিল্পক কেন্দ্ৰ কৰিয়েই হৈছিল।

প্ৰথম বিশ্বযুদ্ধৰ সময়ত কাঠৰ বাকচত বিদেশলৈ চাহ ৰপ্তানি কৰাটো অসুবিধাজনক হোৱাত ১৯১৮ চনত পোনতে অসমত আসাম শ্ব মিল এণ্ড কোম্পানি নামৰ এটা কাৰখানা স্থাপন কৰা হৈছিল। ইয়েই আছিল দেশৰ ভিতৰত প্ৰথম প্লাইউড ফেক্টৰি। ১৯২৪ চনত মাৰ্ঘেৰিটাত আৰু পিছলৈ তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাতো এই কাৰখানাৰ প্ৰসাৰ ঘটিছিল। ১৯৩৮ চনলৈ অসমত মুঠ দুটা প্লাইউড ফেক্টৰি থকাৰ বিপৰীতে সমগ্ৰ ভাৰতবৰ্ষত মাত্ৰ তিনিটাহে প্লাইউড ফেক্টৰি আছিল।[২৩] চৰকাৰী ভাষ্য মতে :

> Tea is the mainstay of this industry .... Tea grown in these estates are packed in plywood chests for despatch either to sale centres in India or for export to foreign countries. It is also in great demand for the manufacture of furniture, travelling boxes and decorative pieces....[২৪]

## কয়লা উদ্যোগ

অসমত পোনতে ১৮২৫ চনত লেফটেনেণ্ট উইলকক্সে অবিভক্ত লখিমপুৰ জিলাৰ বৰহাট অঞ্চলত কয়লাৰ সন্ধান পাইছিল। ইয়াৰ পিছত ১৮২৮ চনত চাৰ্লছ আলেকজেণ্ডাৰ ব্ৰুচে তাৰপৰা ৫০০০ মোন কয়লা নিষ্কাশন কৰি কলিকতালৈ প্ৰেৰণ কৰিছিল। জিয়লজিকেল ছাৰ্ভে অব ইণ্ডিয়াই এই কয়লা ইংলেণ্ডত পোৱা কয়লাৰ সমপৰ্য্যায়ৰ বুলি কোৱাৰ লগতে তেতিয়ালৈকে ভাৰতবৰ্ষত পোৱা কয়লাৰ ভিতৰত ইয়াক সৰ্বোৎকৃষ্ট বুলি মন্তব্য কৰিছিল।[২৫]

ইতিমধ্যে শিৱসাগৰ জিলাৰ চক্ৰাই, দিখৌ, জাঁজী আৰু দিছৈ অঞ্চলত কয়লাৰ সন্ধান পোৱা গৈছিল। তাত থকা কয়লাৰ পৰিমাণ এক কোটি টন বুলি অনুমান কৰা হৈছিল। ইয়াৰে জাঁজী আৰু দিছৈৰপৰা আনুমানিক ত্ৰিছ লাখ টন কয়লা নিষ্কাশন কৰিব পৰা হ'ব বুলি জনা গৈছিল।[২৬] তদুপৰি অবিভক্ত লখিমপুৰ জিলাৰ জয়পুৰ আৰু বুঢ়ী দিহিং নদীৰ লগতে মেজৰ গডউইন অষ্টিন আৰু মেডলিকটে গাৰো পাহাৰৰ কেবা ঠাইতো কয়লা থকাৰ সন্ধান পাইছিল।[২৭] আকৌ খাচি পাহাৰ আৰু জয়ন্তীয়া পাহৰবো বিভিন্ন ঠাইত কয়লাৰ অৱস্থিতিৰ উমান পোৱা গৈছিল। ১৮৫০-৫৬ চনৰ কালছোৱাত অকল জয়ন্তীয়া পাহাৰৰপৰা ৫,১০০ টন কয়লা নিষ্কাশন কৰা হৈছিল।[২৮]

ব্ৰিটিছ চৰকাৰৰ নেৰানেপেৰা অনুসন্ধান আৰু খননকাৰ্যৰ পৰিণতিস্বৰূপে ঊনৈছ শতিকাত উজনি অসমৰ মাকুম, লিডু, নামডাং, টিপোং, বৰগোলাই আদি অঞ্চলত খনিৰপৰা কয়লা নিষ্কাশনৰ কাম আৰম্ভ কৰা হৈছিল। এনেদৰে মেলেট, হেলি, মেডলিকট আদি ব্ৰিটিছ উদ্যোগীসকলৰ আশাশুধীয়া প্ৰচেষ্টাত অসমত কয়লা উদ্যোগ ঠন ধৰি উঠিছিল। পৰৱৰ্তী কালত আসাম ৰে'লৱে এণ্ড ট্ৰেডিং কোম্পানিয়ে এই আটাইবোৰ কয়লাখনিৰ মালিকীস্বত্ব লাভ কৰে।[২৯] কয়লা-উদ্যোগ প্ৰসাৰৰ লগে লগে অসমত বিশেষকৈ ৰে'ল, জাহাজ আৰু চাহবাগিচাৰ কল-কাৰখানাকে ধৰি বিভিন্ন কল-কাৰখানাৰ ইন্ধন যোগোৱাত বিশেষ সুবিধা হৈছিল। কয়লা যিহেতু উদ্যোগীকৰণৰ প্ৰাথমিক চৰ্ত সেই কাৰণে থলুৱাভাৱে সেইটো পূৰণ হোৱাত অসমত পুঁজিবাদী আৰ্হিত কিছু শিল্প-উদ্যোগ গঢ়ি উঠাটো সহজ হৈ উঠিছিল।

## খনিজ তেল উদ্যোগ

১৮২৫ চনত উইলকক্সে বুঢ়ীদিহিঙৰ চুপকং সন্নিহিত অঞ্চলত প্ৰাকৃতিক তেলৰ প্ৰথম সন্ধান পায়। ইয়াৰ পিছত চাফ্ৰাই নৈৰ পাৰত চি এ ব্ৰুচে, নামৰূপ নৈৰ পাৰত মেজৰ হোৱাইটে, বৰহাটৰ ওচৰত জেনকিন্সে আৰু নামচিক নৈৰ নাহৰপুং সন্নিহিত অঞ্চলত কৰ্ণেল এছ এফ হেনেই প্ৰাকৃতিক তেল থকা বুলি উল্লেখ কৰে।[৩০] এইবোৰৰ পৰিণতিত ওৱাজেনট্ৰাইবাৰ নামৰ চাহ-খেতিয়ক এজনক পোনতে ১৮৫৪ চনত মাকুম আৰু চুবুৰীয়া বাবুপুঙত তৈল-নিষ্কাশনৰ দায়িত্ব দিয়া হয়।[৩০] ইয়াৰ পিছত কিল'প ষ্টুৱাৰ্ট এণ্ড কোম্পানিৰ স্বত্বাধিকাৰী গুডএনাফক বুঢ়ী দিহিং আৰু নোৱা দিহিঙৰ মাজৰ অঞ্চলটোত তেল নিষ্কাশন কৰিবলৈ দিয়া হয়। ১৮৬৭ চনৰ ২৬ মাৰ্চত পোন প্ৰথমবাৰৰ বাবে মাকুমত তেল-খাদ খনন কৰি খনিজ তেল উৎপাদন কৰা হৈছিল। মাকুমৰ ১১৮ ফুট গভীৰ এই খাদটোৰপৰা সেইদিনাখন মুঠ ৩০০ গেলন তেল উলিওৱা হৈছিল। এছিয়াৰ ভিতৰতে প্ৰথমটো খনিজ তেলৰ উৎপাদনক্ষম মাকুমৰ এই খাদটো অৱশ্যে বেছি দিন বৰ্তি নাথাকিল। উল্লেখ্য ১৮৬৯ চনত মাকুমত আৰু কেইবাটাও খাদ খনন কৰি সেইবোৰৰপৰাও কেইবাশ গেলন তেল উলিওৱা হৈছিল।[৩১]

১৮৮৯ চনত ডিব্ৰুগড়ৰপৰা লিডুলৈ ৰে'ল লাইন বহুওৱা কাৰ্যত জড়িত আসাম ৰে'লৱে এণ্ড ট্ৰেডিং কোম্পানিয়ে ডিগবৈত খনিজ তেলৰ সন্ধান পাই ইয়াৰপৰা তেল উৎপাদন কৰাৰ স্বত্ব লাভ কৰে। এই কোম্পানিটোৱেই ডিগবৈত প্ৰথম ৬৬২ ফুট গভীৰ খাদৰপৰা তেল উৎপাদনৰ কাম আৰম্ভ কৰে।[৩২] উক্ত কোম্পানিটোৰ নেতৃত্বতে ১৮৯৩ আৰু ১৮৯৬ চনত ক্ৰমে ডিগবৈ আৰু মাৰ্ঘেৰিটাত পৰীক্ষামূলকভাৱে একোটাকৈ তেল শোধনাগাৰ স্থাপন কৰা হৈছিল। ১৮৯৯ চনত খনিজ তেল নিষ্কাশনৰ বাবে আসাম অইল কোম্পানি গঠিত হয়। অৱশেষত ১৯০১ চনৰ ডিচেম্বৰ মাহৰপৰা ডিগবৈ তেল শোধনাগাৰটো আনুষ্ঠানিকভাৱে কাৰ্যক্ষম বুলি ঘোষণা কৰা হয়।[৩৩] ১৯১৯ চনত দৈনিক ১৮,০০০ গেলন তেল উৎপাদন কৰা ডিগবৈ তৈল শোধনাগাৰটো এচিয়াৰ ভিতৰতে সবাতোকৈ পুৰণি তৈল শোধনাগাৰ আছিল। ১৯২১ চনত ডিগবৈ তৈল শোধনাগাৰৰ সমুদায় দায়িত্ব বাৰ্মা অয়ল কোম্পানিৰ হাতলৈ যায় আৰু ১৯২৫ চনত দৈনিক ৩০,০০০ গেলন আৰু ১৯৩১ চনত দৈনিক ১,৮০,০০০ গেলন পৰ্যন্ত তেল উৎপাদন কৰা সম্ভৱ হৈছিল।

## মৰাপাট উদ্যোগ

ঊনৈছ শতিকাৰ প্ৰায় আৰম্ভণিৰেপৰা অসমত প্ৰচুৰ মৰাপাট উৎপাদন কৰা হৈছিল যদিও ঔপনিবেশিক আমোলত অসমত মৰাপাট কল স্থাপন কৰা হোৱা নাছিল। অসমত উৎপাদিত মৰাপাট ইংৰাজ পুঁজিপতিসকলৰ নেতৃত্বত গঢ়ি উঠা বঙ্গৰ হুগলিস্থিত মৰাপাট কলবোৰলৈ কেঁচামাল হিচাপে ৰপ্তানি কৰা হৈছিল। ক্ৰিমিয়াৰ যুদ্ধ (১৮৫৩-৫৬)ৰ সময়ৰেপৰা ব্ৰিটিছৰ বাবে মৰাপাট আৰু মৰাপাটৰ সামগ্ৰী গুৰুত্বপূৰ্ণ বিবেচিত হ'বলৈ লৈছিল, কিয়নো তেতিয়াৰেপৰা সাময়িকভাৱে ইংলেণ্ডে ৰাছিয়াৰপৰা শণৰ ৰছী বা তাৰে তৈয়াৰ কৰা বস্তু পোৱাটো বন্ধ হৈ গৈছিল। উক্ত বছৰতে অকলেণ্ড নামে এজন ইংৰাজ লোকে বঙ্গদেশৰ শ্ৰীৰামপুৰত এটা মৰাপাটৰ কল স্থাপন কৰিছিল। ১৮৬৩-৬৪ চনলৈকে ভাৰতত মাত্ৰ দুটা মৰাপাট কল আছিল যদিও লাহে লাহে বিভিন্ন অঞ্চলত মৰাপাট কল গঢ়ি উঠে। ১৮৭৯-৮০, ১৮৮৪-৮৫, ১৮৮৯-৯০ আৰু ১৮৯৪-৯৫ চনত ভাৰতত গঢ়ি উঠা

মৰাপাট কলৰ সংখ্যা আছিল যথাক্ৰমে ২২, ২৪, ২৭ আৰু ২৯ টা।[৩৪] ইয়াৰ অধিকাংশই কলিকতাৰ আশে-পাশে গঢ়ি উঠিছিল।

এইখিনি সময়ত মৰাপাট কলৰ বৃদ্ধিৰ তুলনাত মৰাপাট উৎপাদনৰ হাৰ বৃদ্ধি পোৱা নাছিল। গতিকে মৰাপাট কলৰ কেঁচামালৰ চাহিদা অনুযায়ী মৰাপাট উৎপাদনৰ ক্ষেত্ৰ বৃদ্ধি কৰাটো ব্ৰিটিছ চৰকাৰৰ অন্যতম লক্ষ্য হৈ পৰিছিল। লৰ্ড কাৰ্জনৰ ১৯০৫ চনৰ বঙ্গভঙ্গ আঁচনি ৰূপায়ণৰ অন্তৰালতো যে অসমৰ সাৰুৱা মাটিত মৰাপাটৰ কৃষি-ক্ষেত্ৰ বৃদ্ধি কৰাৰ এক গোপন অভিসন্ধি আছিল সেইটো ধুৰুপ।[৩৫] পূৰ্ববঙ্গীয় কৃষকে যাতে অসমৰ ভূমিত প্ৰচুৰ মৰাপাট উৎপাদন কৰি হুগলিৰ মৰাপাট কলসমূহলৈ চালান দিব পাৰে সেইটোৰ প্ৰতি কাৰ্জন অধিক আগ্ৰহী আছিল। তেওঁ আশা কৰা মতেই ১৯০৫ চনৰ পৰৱৰ্তী সময়ছোৱাত অসমত মৰাপাটৰ কৃষি-ক্ষেত্ৰৰ বিপুল সম্প্ৰসাৰণ ঘটিছিল। কিন্তু অসমীয়া কৃষকৰ অৰ্থনৈতিক অৱস্থাৰ সামান্যও উন্নতি পৰিলক্ষিত হোৱা নাছিল।

## থলুৱা হস্তশিল্পৰ অৱনতি

ব্ৰিটিছৰ অসমলৈ আগমনৰ পূৰ্বে অসমত হস্তশিল্পৰ যথেষ্ট সমাদৰ আছিল। সমাজত তেলী, কঁহাৰ, মৰিয়া, সোণাৰী, কমাৰ, কুমাৰ আদি বিভিন্ন বৃত্তিজীৱী লোক আছিল যদিও তেওঁলোকৰ বৃত্তি কৃষিক্ষেত্ৰৰপৰা বিচ্ছিন্ন হোৱাৰ পৰিৱৰ্তে এটা অন্যটোৰ পৰিপূৰকহে আছিল। কুমাৰ আৰু হীৰাসকলে মাটিৰ মলা-চৰু, পাট-চৰু, ভুৰুকা, দুলৰী, ঘট, কলহ আদি তৈয়াৰ কৰিছিল। কিন্তু ব্ৰিটিছ অহাৰ কিছু বছৰৰ ভিতৰতে বাৰ্মিংহামৰ লো আৰু এলুমিনিয়ামৰ বাচন-বৰ্তন বজাৰত উপচি পৰিবলৈ ধৰাত এই হস্তশিল্পৰ পতন আৰম্ভ হয়। ঠিক তেনেদৰে কৃষি-কাৰ্য বা অন্যান্য ঘৰুৱা কামকাজত ব্যৱহৃত দা-কুঠাৰ, কটাৰী, বঠী, চিপৰাং, বৰশী, কাঁচি ইত্যাদিও বাহিৰৰপৰা আমদানি হ'বলৈ ধৰাত অসমৰ থলুৱা কমাৰসকল লাহে লাহে কৰ্মসংস্থানহীন হৈ আহিবলৈ ধৰে আৰু শিল্পটোও নিশকতীয়া হৈ পৰে।

অসমীয়া সোণাৰীসকলে সোণ আৰু ৰূপৰ হৰেক ৰকমৰ আ-অলঙ্কাৰ তৈয়াৰ কৰিছিল। আ-অলঙ্কাৰ গঢ়াৰ ক্ষেত্ৰত যোৰহাট আৰু বৰপেটাত দুটা পৃথক পৃথক ধাৰাৰ নিৰ্মাণ-শৈলীৰ প্ৰচলন আছিল।[৩৬] কিন্তু ব্ৰিটিছ আমোলত ক্ৰমান্বয়ে এই দুয়োটা ধাৰাই নিষ্প্ৰভ হৈ পৰে আৰু লাহে লাহে অসমীয়া থলুৱা সোণাৰীৰ অভাৱ পৰিলক্ষিত হয়। অসমৰ পাহাৰ অঞ্চলৰ আৰু ভৈয়ামৰ বহু জনজাতীয় বস্ত্ৰত — বিশেষকৈ ডফলা, মন্‌পা, ছেৰপুককোন, মিৰি, নগা আৰু বড়ো-কাপোৰত ৰং দিয়াৰ সুবিধাৰ বাবে মজাঠী, লেটেকু, ধোপাবৰ, কুজী-থেকেৰা, শিলিখা, আমলখি, জাম, মধুৰি-আম, কেন্দু, কেহৰাজ, আছুগছ, টেপৰ টেঙা আদি ৰসৰ মিশ্ৰণ ঘটাই থলুৱাভাৱে ৰং প্ৰস্তুত কৰিছিল।[৩৭] কিন্তু ঔপনিৱেশিক বাণিজ্যৰ সম্প্ৰসাৰণৰ লগে লগে বজাৰত ৰাসায়নিক ৰং সুলভ হৈ পৰে আৰু থলুৱাভাৱে ৰং তৈয়াৰ কৰা পৰম্পৰাৰ অন্ত পৰে। ঠিক তেনেদৰে মধ্যযুগৰেপৰা



অসমত সাঁচি আৰু জৰী গছৰ আঁহ আৰু তুলাৰপৰা কাগজ তৈয়াৰ কৰি তাক লিখন কাৰ্যত ব্যৱহাৰ কৰা হৈছিল।[৩৮] কিন্তু, লাহে লাহে কলত তৈয়াৰী কাগজৰ আমদানি সুলভ হৈ পৰাত এই পৰম্পৰাগত কাগজ প্ৰস্তুত প্ৰণালী লুপ্ত হয়।

ৰাতি ঘৰ পোহৰাবলৈও অসমৰ মানুহে সততে এৰা গছ আৰু সৰিয়হৰ তেল ব্যৱহাৰ কৰিছিল। তদুপৰি খাদ্য হিচাপেও সৰিয়হৰ তেল ব্যৱহাৰ কৰা হৈছিল। তেল পেৰাৰ সুবিধাৰ অৰ্থে কাঠেৰে নিৰ্মিত ঘানী নামৰ এবিধ হস্তনিৰ্মিত যন্ত্ৰ আছিল। ব্ৰিটিছসকল অহাৰ পিছত গুৱাহাটীত ভাপৰদ্বাৰা চালিত দুটা কল বহুওৱা হৈছিল। তাৰে এটাত দৈনিক ১২০০ গেলন সৰিয়হৰ তেল তৈয়াৰ কৰাৰ লগতে অন্যটোত সৰিয়হৰ তেলৰ লগতে আটা তৈয়াৰ কৰা আৰু কপাহ নেওঠা হৈছিল।[৩৯] এনেদৰে ঔপনিৱেশিক শাসনৰ সূচনাকালতে অসমত যন্ত্ৰচালিত কল-কাৰখানাৰ প্ৰচলনে থলুৱা হস্তশিল্প আৰু ক্ষুদ্ৰ উদ্যোগসমূহক মৃত্যুমুখী কৰি তুলিলে।

## যাতায়াত আৰু যোগাযোগ ব্যৱস্থাৰ উন্নয়ন

অৰ্থনৈতিক উন্নয়নৰ লগত যাতায়াত তথা যোগাযোগ ব্যৱস্থাৰ উন্নয়ন অঙ্গাঙ্গীভাৱে জড়িত। গতিকে অসমৰ জনসাধাৰণৰ স্বাৰ্থত নহ'লেও অন্ততঃ চাহপাত, খনিজ তেল, কয়লা আদিৰ সুচল পৰিবহণৰ স্বাৰ্থতেই ব্ৰিটিছ চৰকাৰে অসমৰ যাতায়াত, পৰিবহণ আৰু যোগাযোগ ব্যৱস্থাৰ উন্নয়ন সাধন কৰিবলৈ বাধ্য হৈছিল। ১৮৪৭ চনত ব্ৰিটিছ চৰকাৰে ব্ৰহ্মপুত্ৰৰ বুকুত কলিকতাৰপৰা গুৱাহাটীলৈকে প্ৰায় ৯৬০ কিলোমিটাৰ জলপথত পোন-প্ৰথমবাৰৰ বাবে জাহাজ চলাচলৰ ব্যৱস্থা কৰে।[৪০] ১৮৫৬ চনত গুৱাহাটীৰপৰা ডিব্ৰুগড়লৈকে এই সেৱাৰ সম্প্ৰসাৰণ কৰা হয়। ১৮৬১ চনৰপৰা ইণ্ডিয়ান জেনেৰেল ষ্টীম নেভিগেচন কোম্পানিয়ে কলিকতাৰপৰা ডিব্ৰুগড়লৈকে আৰু তাৰ পিছৰ বছৰতে ৰিভাৰ নেভিগেচন কোম্পানিয়েও নিয়মীয়াকৈ ব্ৰহ্মপুত্ৰত জাহাজ চলাবলৈ লোৱাত জলপৰিবহণ ব্যৱস্থাৰ যথেষ্ট উন্নতি হয়।[৪১] ইয়াৰ পিছতে জইণ্ট ষ্টীমাৰ কোম্পানিজ ৰূপে পৰিচিত দুটা কোম্পানিয়ে অসমৰপৰা নিয়মীয়াকৈ পণ্যসামগ্ৰী ব্ৰহ্মপুত্ৰৰে কলিকতালৈ উলিয়াই নিছিল।[৪২]

পথ-পৰিবহণ ব্যৱস্থাৰ উন্নতিসাধনৰ অৰ্থে ১৮৬৬ চনত আসাম ট্ৰাঙ্ক ৰোডৰ নিৰ্মাণকাৰ্য আৰম্ভ হয়। ১৮৬৮ চনত গড়কাপ্তানি বিভাগ আৰু ১৮৮০ চনত লোকেল ব'ৰ্ড স্থাপন হোৱাৰ পিছত পথ-পৰিবহণ ক্ষেত্ৰই কিছু অগ্ৰগতি লাভ কৰে। ১৯০৩-০৪ চনলৈকে অসমত ১৪৪ মাইল পকী ৰাস্তা, ৪০০০ মাইল গৰুগাড়ী চলাব পৰা ৰাস্তা আৰু ৩,৫৫০ মাইল ঘোঁৰাগাড়ী চলাবপৰা ৰাস্তা প্ৰস্তুত হৈ উঠিছিল।[৪৩] ১৯২২ চনত অসমত প্ৰথমবাৰৰ বাবে যোৰহাট আৰু জাঁজীৰ মাজত যাত্ৰীবাহী বাছ চলাচলৰ ব্যৱস্থা কৰা হৈছিল। ১৯২৬-২৭ চনত অসমৰ বাবে ৰাস্তা-ব'ৰ্ড আৰু ১৯২৯-৩০ চনত কেন্দ্ৰীয় ৰাস্তা-পুঁজি গঠন কৰাৰ পিছত সেই পুঁজিৰপৰা অসম চৰকাৰে ৰাস্তা-নিৰ্মাণৰ বাবে ২১,০৮,০০০ টকাৰ

সাহায্য লাভ কৰাৰ লগতে বিজাৰ্ভ পুঁজিৰপৰাও ৩৬,০৮,০০০ টকা অনুদান হিচাপে পাইছিল।[৪৪] দ্বিতীয় বিশ্বযুদ্ধৰ সময়ছোৱাত শিলিগুৰিক যোগীঘোপাৰ সৈতে সংযুক্ত কৰাৰ লগতে শিলিগুৰি-চৌখোৱাঘাট ৰাস্তাটোৰো উন্নয়ন সাধন কৰি তাক আসাম এপ্ৰ'চ ৰোড নাম দিয়া হৈছিল।

ঔপনিৱেশিক শোষণৰ উদ্দেশ্য আগত ৰাখি অসমত ৰে'ল-পৰিবহণ ব্যৱস্থাৰ সম্প্ৰসাৰণৰ বাবে ১৮৮২ চনত ৯১ মাইল দীৰ্ঘ ডিব্ৰু-শদিয়া ৰে'ল-লাইন (মিটাৰ গজ) বহুৱাই ৰেল চলাচলৰ সূচনা কৰা হয়। তাৰ পিছত আসাম ৰে'লৱে এণ্ড ট্ৰেডিং কোম্পানিয়ে ১৮৮২ আৰু ১৮৮৩ চনত যোৰহাট প্ৰভিন্সিয়েল ৰে'লৱেজ আৰু তেজপুৰ বিন্দুকুৰিৰ মাজত ৰে'ল-লাইন বহুৱাই অসমত ৰে'ল পৰিবহণৰ সম্প্ৰসাৰণ ঘটায়। ১৮৮৫ চনপৰ্যন্ত এই কোম্পানিৰ অধীনত উক্ত তিনিওটা ৰে'ল-লাইনৰ মুঠতে ২০০ কিলোমিটাৰ পথ ৰে'ল চলাচলৰ বাবে মুকলি কৰা হৈছিল।[৪৫] ১৮৯২ চনত আসাম-বেঙ্গল ৰে'লৱেই অসমত লাইন নিৰ্মাণৰ কাম হাতত লয় আৰু পোনতে বঙ্গদেশৰ চান্দুবাৰপৰা অসমৰ বদৰপুৰলৈকে এটি লাইন বহুওৱা হয়। পৰ্যায়ক্ৰমে সেই লাইনটো চট্টগ্ৰামৰপৰা কাছাৰলৈকে (১৮৯৭), কাছাৰৰপৰা লামডিঙলৈকে আৰু অন্য এটা লাইন গুৱাহাটীৰপৰা ডিব্ৰুগড়-তিনিচুকীয়ালৈকে সম্প্ৰসাৰিত হৈছিল। ইফালে ১৯০২ চনত কলিকতাৰপৰা ধুবুৰীলৈকে ইষ্টাৰ্ন বেংগল ৰে'লৱেৰ সম্প্ৰসাৰণ ঘটাই ১৯০৯ চনৰ ভিতৰত ইয়াক আমিনগাঁৱলৈকে সম্প্ৰসাৰিত কৰা হৈছিল।[৪৬] ফলত অসমৰ প্ৰায় আটাইকেইটা অঞ্চল ৰে'ল-লাইনেৰে ব্ৰহ্মপুত্ৰ নদীৰ সৈতে আৰু লগতে দুটা সামুদ্ৰিক বন্দৰ চট্ৰগ্ৰাম আৰু কলিকতাৰ সৈতেও সংলগ্ন হৈ পৰে। চাহ-শিল্প, খনিজ তেল আৰু কয়লা উদ্যোগৰ উন্নয়নৰ লগতে এই ঘটনাই অসমৰ ঔপনিৱেশিক অৰ্থনীতিত এক গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছিল। ড° শ্যামভদ্ৰ মেধিয়ে নিম্নোক্ত তালিকাখনৰ জৰিয়তে ১৮৮২-৮৩ চনৰপৰা ১৯৪৩ চনলৈকে অসমত ৰে'ল সম্প্ৰসাৰণৰ খতিয়ান দাঙি ধৰিছে (দ্ৰ. তালিকা ৩):[৪৭]

তালিকা ৩

| বৰ্ষ | কিলোমিটাৰ |
|---|---|
| ১৮৮২-২৯ | ৩৮১ |
| ১৯০১-১০ | ৭৫৭ |
| ১৯১১-২০ | ৫৩ |
| ১৯২১-৩০ | ২২৮ |
| ১৯৩১-৪০ | ৪৮ |
| ১৯৪১-৪৩ | ২০ |

গতিকে দেখা যায় যে অসমলৈ ব্ৰিটিছৰ আগমন আৰু তেওঁলোকে গ্ৰহণ কৰা অৰ্থনৈতিক নীতিৰ ফলত অসমৰ সমাজজীৱনত এক বিৰাট পৰিৱৰ্তনৰ



সূচনা হৈছিল। আহোম-যুগৰ পাইক-প্ৰথাত অভ্যস্ত অসমীয়া জনসাধাৰণে হঠাতে ব্ৰিটিছৰ মুদ্ৰা-অৰ্থনীতিৰ গৰাহত পৰি কক্‌বকাবলৈ ধৰিছিল। তদুপৰি নতুন নতুন উদ্যোগ আৰু কল-কাৰখানা স্থাপনৰ ফলতো অসমৰ থলুৱা কৃষকৰ উন্নতিৰ পৰিৱৰ্তে এচাম বহিৰাগত লোকৰহে আৰ্থিক লাভ হৈছিল। আনকি যাতায়াত তথা পৰিবহণ ব্যৱস্থাৰ উন্নয়নৰ ক্ষেত্ৰতো ব্যৱসায়িক ভিত্তিত গঢ়ি উঠা চাহশিল্প, খনিজ তেল আৰু কয়লা উদ্যোগেহে প্ৰাথমিক তথা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

তথ্যসূত্ৰ


১ R. C. Kalita. *History of Land Rights in the Brahmaputra Valley under British Rule, 1826-1947*. Tezpur, 1997. p. 7
২ তদেৱ, পৃষ্ঠা ১৭।
৩ তদেৱ, পৃষ্ঠা ৮-৯।
৪ তদেৱ, পৃষ্ঠা ১৭।
৫ H. K. Barpujari *et al* eds. *Political History of Assam*, vol. 1. Guwahati: Govt of Assam, Guwahati, 1977, p. 11
৬ তদেৱ, পৃষ্ঠা ১১।
৭ H. K. Barpujari. *Assam in the Days of the Company 1826-1858*. Guwahati, 1963, pp. 26
৮ H. K. Barpujari, ed. *The Comprehensive History of Assam*, vol. 5. Guwahati: Publication Board, Assam, 1993, p. 11
৯ তদেৱ, পৃষ্ঠা ১২।
১০ R. C. Kalita, প্ৰাগুক্ত, পৃষ্ঠা ৩১১ ।
১১ B. C. Allen. *Assam District Gazetters: Kamrup*, vol. 4. 1905, p. 318
১২ Quoted in B. B. Chaudhuri, "Movement of Rent in Eastern India, 1793-1930". *Indian Historical Review*, ICHR, January 1977, vol. 3, No. 2. p. 386
১৩ Memorial of the Assam Company to the Governor General of India in Council, 1 May 1857. Home Deptt., Revenue Branch, Consultation, 22 May 1857, No. 4 NAI
১৪ R. C. Kalita, প্ৰাগুক্ত, পৃষ্ঠা ৩২-৬।
১৫ কৃষ্ণনাথ শৰ্মা। *কৃষ্ণ শৰ্মাৰ ডায়েৰী*। গুৱাহাটী: অসম প্ৰকাশন পৰিষদ, ১৯৭২, পৃষ্ঠা ২৫০।
১৬ B. C. Allen, প্ৰাগুক্ত, পৃষ্ঠা ১৬১-২।
১৭ H. K. Barpujari, প্ৰাগুক্ত, পৃষ্ঠা ৭১।
১৮ তদেৱ, পৃষ্ঠা ১১৫-২৫।
১৯ W. W. Hunter. *A Statistical Account of Assam*, vol. 1. Delhi: B.R. Publishing Corporation, 1982, p. 263
২০ *Assam District Gazetteers: Lakhimpur District*. Govt. of Assam, 1976. p. 244
২১ যতীন্দ্ৰনাথ গোস্বামী। *জগন্নাথ বৰুৱা*। গোলাঘাট: ১৯৬৮, পৃষ্ঠা ৯৭।
২২ হৰিপ্ৰসাদ নেওগ। সম্পাদিত *হেমপ্ৰসাদ বৰুৱা*। গোলাঘাট: ১৯৬৮, পৃষ্ঠা ৯৭।

২৩ *Assam District Gazetteers: Lakhimpur District*. প্ৰাগুক্ত, পৃষ্ঠা ২৪৭।
২৪ তদেৱ।
২৫ তদেৱ।
২৬ A. J. Moffatt Mills. *Report on the Province of Assam 1853*. Guwahati: Assam Publication Board, pp. 30, 133
২৭ W.W. Hunter, প্ৰাগুক্ত, পৃষ্ঠা ২৩১।
২৮ তদেৱ, পৃষ্ঠা ২৯৯। W. W. Hunter. *A Statistical Account of Assam*, vol. 2. Delhi: B. R. Publishing corporation, 1982, pp. 141-2
২৯ W. W. Hunter, প্ৰাগুক্ত, vol. 1. পৃষ্ঠা ২১০, ২৩২-৪।
৩০ H. K. Barpujari (ed.). *The Comprehensive History of Assam*, vol. 5. Guwahati: Publication Board, Assam, 1993, p. 86
৩১ তদেৱ, পৃষ্ঠা ২।
৩২ তদেৱ।
৩৩ তদেৱ।
৩৪ D. R. Gadgil. *The Industrial Evolution of India in Recent Times. 1860-1939*. Delhi: OUP, 1974, p. 57
৩৫ তদেৱ, পৃষ্ঠা ৭৫।
৩৬ Rajen Saikia. *Social and Economic History of Assam. 1853-1921*. Delhi: Manohar, 2000, p. 61
৩৭ তদেৱ, পৃষ্ঠা ৫০-৩।
৩৮ Sarbeswar Rajguru. *Mediaeval Assamese Society 1228-1826*. Nagaon,1988, p. 275
৩৯ B. C. Allen, প্ৰাগুক্ত, pp. 155-6
৪০ S.B. Medhi. *Transport System and Economic Development in Assam*. Guwahati: Publication Board, Assam, 1978, pp. 19-20
৪১ তদেৱ।
৪২ তদেৱ।
৪৩ তদেৱ, পৃষ্ঠা ৪১।
৪৪ তদেৱ, পৃষ্ঠা ৪২।
৪৫ তদেৱ, পৃষ্ঠা ৫৬, ৬৪।
৪৬ তদেৱ।
৪৭ তদেৱ।

# স্বৰাজোত্তৰ অসমৰ অৰ্থনীতি

ড° সঞ্জীৱকুমাৰ বৰকাকতী

প্ৰাকৃতিক সম্পদত অতিশয় চহকী অসমৰ তুলনামূলকভাৱে বিকাশৰ হাৰ যথোপযুক্ত নহয়। বিশেষকৈ স্বৰাজোত্তৰ কালছোৱাত ভাৰতৰ আগশাৰীৰ ৰাজ্যসমূহৰ তুলনাত অসমে অৰ্থনৈতিক প্ৰগতি লাভ কৰাত বিশেষ সফল হোৱা নাই। মূলধন গঠনৰ নিৰিখ, জনমূৰি আয়, বেংকৰ ঋণ যোগানৰ হাৰ, দক্ষ শ্ৰমিকৰ উপলব্ধি, বিদ্যুৎ উৎপাদন, জনমূৰি সাৰৰ ব্যৱহাৰ আদি বিভিন্ন অৰ্থনৈতিক চালকৰ ক্ষেত্ৰত ৰাজ্যখন সৰ্বভাৰতীয় নিৰিখতকৈ বহু পিছপৰি আছে। বহু সময়ত ঊৰ্ধ্বগামী পৰিবৰ্তনতকৈ নিম্নগামী পৰিবৰ্তনহে পৰিলক্ষিত হৈছে। অৰ্থাৎ ৰাজ্যখনৰ আৰ্থিক স্থিতি আপেক্ষিক বিবেচনাত ক্ৰমাগতভাৱে শোচনীয় হৈছে। ১৯৮৫ চনৰ পৰিসংখ্যা অনুসৰি প্ৰতি লাখ জনসংখ্যাৰ মাজত গুজৰাটত ১,৮৯০জন কাৰখানা-কৰ্মী থকাৰ বিপৰীতে অসমত মাথোন ৪০০জন কাৰখানা-কৰ্মীহে আছিল। ১৯৯০-৯১ চনত পাঞ্জাৱত জনমূৰি বিদ্যুৎ ব্যৱহাৰৰ পৰিমাণ ৬৩১ কিলোৱাট ঘণ্টা হোৱাৰ বিপৰীতে অসমত মাথোন ৭০ কিলোৱাট ঘণ্টা আছিল। ২০০৩ চনত এটা বেংক শাখাই সৰ্বভাৰতীয় পৰ্যায়ত ১৬,০০০জন গ্ৰাহকক সেৱা আগবঢ়োৱাৰ বিপৰীতে অসমত ২২,০০০জন গ্ৰাহকক সেৱা আগবঢ়াব লাগিছিল।

সৰ্বভাৰতীয় নিৰিখৰ তুলনাত স্বৰাজোত্তৰ কালছোৱাত অসমৰ ৰাজ্যিক ঘৰুৱা আয় সদায় কম হাৰত বৃদ্ধি হৈ আহিছে। প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাত সৰ্বভাৰতীয় ৮.২ শতাংশৰ তুলনাত অসমৰ ঘৰুৱা উৎপাদন ৪.৯ শতাংশ বৃদ্ধি হৈছিল। দ্বিতীয় পৰিকল্পনাত ৯.৭ শতাংশ বৃদ্ধিৰ তুলনাত অসমত ৫.৩ শতাংশ হাৰত অধোগামীহে হৈছিল। তৃতীয় পৰিকল্পনাত ৮.৬ শতাংশৰ বিপৰীতে ২.৮ শতাংশ, চতুৰ্থ পৰিকল্পনাত ৫.৯ শতাংশৰ বিপৰীতে ০.৩ শতাংশ, পঞ্চম পৰিকল্পনাত ১৫.৩ শতাংশৰ বিপৰীতে ০.৭ শতাংশ অধোগমন আৰু ষষ্ঠ পৰিকল্পনাত ৭.৪ শতাংশৰ বিপৰীতে ৭.১ শতাংশ বৃদ্ধি সাব্যস্ত হৈছিল। অৰ্থাৎ অসমে কাহানিও সৰ্বভাৰতীয় হাৰৰ লগত ফেৰ মাৰিব পৰাতো নায়েই, দুবাৰ শোচনীয়ভাৱে বিপৰ্যস্তহে হৈছে। উদাৰীকৰণ প্ৰক্ৰিয়াৰ সূত্ৰপাত ঘটাৰ পৰৱৰ্তী দশকটোতো একে ছবিকে দেখা গ'ল। ১৯৯৩-৯৪ চনৰপৰা ২০০২-০৩ চনলৈ

সৰ্বভাৰতীয় নিগুট উৎপাদন ৬৮.৬ শতাংশ বৃদ্ধি হোৱাৰ বিপৰীতে অসমত মাথোন ২৪.৫ শতাংশহে বৃদ্ধি হ'ল। এইদৰে অসম আৰু সৰ্বভাৰতীয় পৰিস্থিতিৰ মাজত প্ৰতিনিয়ত ব্যৱধান বৃদ্ধি হৈ আহিছে। গতিকে অসমৰ অৰ্থনৈতিক বিকাশ যিমানেই নহওক লাগে, ৰাজ্যখন সৰ্বভাৰতীয় প্ৰেক্ষাপটত এখন অধোগমনকাৰী ৰাজ্য হিচাপেহে প্ৰমাণিত হৈছে। বিক্ষিপ্তভাৱে এবাৰ বা দুবাৰ অৰ্থনৈতিকভাৱে বিপৰ্যস্ত হোৱাটো গ্ৰহণ কৰিব পাৰি। কিন্তু এই ধাৰা যেতিয়া নিৰৱচ্ছিন্ন, অবাৰিত হয়, তেতিয়া বুজিব লাগিব যে ক'ৰবাত কিবা কেনা আছে। অসমৰ অৰ্থনৈতিক প্ৰশাসন আৰু ৰাজনীতিক-আমোলাৰ সততা-নিষ্ঠাৰ প্ৰতি স্বাভাৱিকতে প্ৰশ্ন উত্থাপিত হ'ব। ইতিমধ্যে কেইবাটাও অৰ্থনৈতিক কেলেংকাৰিয়ে এই প্ৰশ্নক ন্যায্যতা প্ৰদান কৰিছে।

অসমৰ অৰ্থনীতিৰ চাৰিটা প্ৰধান পণ্য হৈছে ধান, মৰাপাট, চাহ আৰু খাৰুৱা তেল। ইয়াৰ ভিতৰত ধান উৎপাদনৰ ইতিহাস ৬,০০০ বছৰৰ পুৰণি। বাকী তিনিটা পণ্য উৎপাদনৰ প্ৰক্ৰিয়াৰ বিকাশ ঘটিছে ঔপনিৱেশিক শাসনকালতেই। মৰাপাট উৎপাদনৰ আৰম্ভণি যদিও প্ৰাক্-ঔপনিৱেশিক কালত, ঔপনিৱেশিক কালত পূৰ্ববংগৰপৰা হোৱা প্ৰব্ৰজনৰ পিছত ই অধিক সাৰ-পানী পায়। গতিকে স্বাধীনোত্তৰ কালৰ ইতিহাসে অসমৰ অৰ্থনীতিত কিমান নতুন উল্লেখনীয় পণ্য সংযোগ কৰিলে, সিয়ো প্ৰশ্নৰ বিষয়। মাধ্যমিক খণ্ডত সংযোজিত কৃষিভিত্তিক উদ্যোগ বা ৰাসায়নিক উদ্যোগসমূহক বিবেচনালৈ আনিলেও সেইবোৰে ৰাজ্যখনৰ অৰ্থনীতিত আমূল পৰিৱৰ্তন আনিব পৰা নাই। মূলধনৰ অভাৱ আৰু এই সন্দৰ্ভত বিত্তীয় প্ৰতিষ্ঠানসমূহৰ অসহযোগিতা এক অন্যতম কাৰণ হ'ব পাৰে। ১৯৮৪ চনত বেংকসমূহৰ ঋণ-জমাৰ অনুপাতটো সৰ্বভাৰতীয় পৰ্যায়ত ৬৮ শতাংশ হোৱাৰ বিপৰীতে অসমত ৪৬.৮ শতাংশ আছিল। ২০০৩ খ্ৰীষ্টাব্দত এই অনুপাত সৰ্বভাৰতীয় পৰ্যায়ত ৫৯.৪ শতাংশ হোৱাৰ বিপৰীতে অসমত অকল্পনীয়ভাৱে মাথোন ২৮.৬ শতাংশ হয়। অৰ্থাৎ অসমৰ ৰাইজৰ জমা ধনৰ প্ৰায় তিনি-চতুৰ্থাংশ অসমৰ বাহিৰতহে বিনিয়োগ হয়। স্বাভাৱিকতে বেংকসমূহৰ এনে অসহযোগিতাই অসমৰ অৰ্থনৈতিক উন্নয়ন প্ৰক্ৰিয়াক বাধাগ্ৰস্ত কৰিছে।

অৰ্থনীতিৰ বিকাশ হ'বলৈ হ'লে অৰ্থনীতিৰ বিভিন্ন খণ্ডত উৎপাদিকা হাৰ বৃদ্ধি হ'ব লাগিব। কিন্তু বিভিন্ন কাৰণত অসমৰ অৰ্থনীতিৰ প্ৰধান অংশ কৃষিখণ্ডত উৎপাদিকা হাৰ এতিয়াও যথোপযুক্ত বৃদ্ধি হোৱা নাই। ২০০০-০১ চনত এই খণ্ডটোৱে অসমৰ মুঠ কৰ্মী বাহিনীৰ ৬১.১ শতাংশ নিযুক্ত কৰি ৰাখিছিল। কিন্তু তেওঁলোকে ৰাজ্যখনৰ মুঠ ঘৰুৱা উৎপাদনৰ মাথোন ৩৫.২৪ শতাংশহে উৎপাদন কৰিছিল। গতিকে এই খণ্ডটোৱেই ৰাজ্যখনৰ অৰ্থনীতিৰ আটাইতকৈ দুৰ্বল আৰু লেহুকা খণ্ড।

দুৰ্বল কৃষি খণ্ডৰ দৰে অসমৰ উদ্যোগ খণ্ডতো নিম্ন উৎপাদিকা হাৰৰ সমস্যা পৰিলক্ষিত হয়। কিন্তু মন কৰিবলগীয়া যে উদ্যোগৰ ক্ষেত্ৰত স্বাধীনোত্তৰ



কালৰ প্ৰথম ছোৱাত অসমৰ অৱস্থা সৰ্বভাৰতীয় নিৰিখৰ লগত ফেৰ মাৰিব পৰা বিধৰ আছিল; পৰৱৰ্তী সময়তহে অসমৰ তুলনামূলক স্থিতি অৱনমিত হয়। কাৰখানাসমূহত জনমূৰি মূল্য সংযোজনৰ পৰিমাণ বিবেচনা কৰিলে দেখা যায় যে ১৯৬০-৬১ চনত সৰ্বভাৰতীয় ২৩ টকা নিৰিখতকৈ অসমৰ পৰিমাণ সামান্য বেছি, অৰ্থাৎ ২৬ টকা আছিল। কিন্তু ১৯৮০-৮১ চনত সৰ্বভাৰতীয় পৰিমাণ ১৭৮ টকালৈ বৃদ্ধি হোৱাৰ বিপৰীতে অসমৰ পৰিমাণ ৬০ টকাহে হয়। এই সময়ছোৱাত অসমৰ স্থিতি ভাৰতীয় ৰাজ্যসমূহৰ ভিতৰত চতুৰ্থ স্থানৰপৰা ষোড়শ স্থানলৈ অৱনমিত হয়। ইয়াৰপৰা বুজা যায় যে ঔপনিৱেশিক শাসনকালত অসমত সৃষ্টি হোৱা উদ্যোগ সম্পৰ্কীয় পৰিকাঠামোক স্বাধীনোত্তৰ কালত শক্তিশালী কৰি তোলা নহ'ল আৰু ভাৰতৰ অন্য ৰাজ্যসমূহত হোৱা দ্ৰুত প্ৰগতিৰ বিপৰীতে অসমৰ উদ্যোগ খণ্ডত সামগ্ৰিকভাৱে স্থবিৰতাই বিৰাজ কৰিলে। এই বিষয়টোত ইতিমধ্যে চৰ্চা হৈছে। ৰাজ্যখনৰ ৰাজনৈতিক অস্থিৰতাৰ বাবে উদ্যোগ খণ্ডৰ প্ৰগতি ব্যাহত হোৱাৰ বিষয়ে সকলোৱেই একপ্ৰকাৰ সহমত প্ৰকাশ কৰে। কিন্তু এই অস্থিৰতা উপৰিউক্ত ১৯৬০-৬১ৰপৰা ১৯৮০-৮১ চনৰ কালছোৱাত নাছিল। অথচ সৰ্বভাৰতীয় প্ৰেক্ষাপটত অসমৰ স্থিতি অৱনমিত হ'ল। ই নিশ্চয় দুৰ্বল আন্তঃগাঁথনি তথা প্ৰশাসনিক দুৰ্বলতাৰ বাবেই হ'বলৈ পালে।

কৃষি তথা উদ্যোগ খণ্ড উভয়ৰে দুৰ্বলতাৰ বাবে অসমৰ অৰ্থনৈতিক বিকাশ সৰ্বভাৰতীয় নিৰিখতকৈ কম হাৰত হ'ল। আমি ইতিমধ্যে এই বিষয়ে তথ্য দাঙি ধৰিছোঁ। এনে নিম্ন হাৰৰ বিকাশৰ বিপৰীতে ৰাজ্যখনত প্ৰব্ৰজনজনিত জনসংখ্যা বৃদ্ধিয়ে প্ৰচণ্ড জনবিস্ফোৰণ ঘটাই আহিছে। সৰ্বভাৰতীয় নিৰিখতকৈ অসমৰ জনসংখ্যা বৃদ্ধিৰ হাৰ অধিকাংশ সময়ত ৫০ শতাংশ অধিক হোৱা দেখা যায়। নিম্ন অৰ্থনৈতিক বিকাশ আৰু উচ্চ জনসংখ্যা বৃদ্ধিৰ ফলত নতুনকৈ সৃষ্টি হোৱা কৰ্মী বাহিনীৰ অধিকাংশই সংস্থাপিত নোহোৱাকৈ ৰৈ যায়। এইদৰে অসমৰ নিবনুৱা সমস্যাৰ জটিলতা ক্ৰমান্বয়ে বৃদ্ধি হৈ গৈ আছে। নিয়োগ বিনিময় কেন্দ্ৰসমূহত পঞ্জীকৃত নিবনুৱাৰ সংখ্যা ১৯৭৫ চনৰ ১,৮৯,০৪৫জনৰপৰা বৃদ্ধি হৈ ২০০২ চনত ১৫,৭১,৯৬৬জন হয়গৈ। তদুপৰি এই কেন্দ্ৰসমূহৰ জৰিয়তে সংস্থাপিত হোৱা লোকৰ সংখ্যা প্ৰতি বছৰে বৃদ্ধি হোৱাৰ সলনি হ্ৰাসহে হৈছে। ১৯৭৫ চনত ৭,৩৮৩জন লোকে কৰ্মসংস্থান পোৱাৰ বিপৰীতে ২০০২ চনত মাথোন ৭৪৭জনেহে কৰ্মসংস্থান লাভ কৰে।

অসমৰ দুৰ্বল অৰ্থনীতিয়ে স্বাভাৱিকতে বিনিয়োগকাৰীসকলক আকৰ্ষণ কৰাত বিফল হৈছে। আনকি ব্যক্তিগত ক্ষুদ্ৰ বিনিয়োগকাৰীসকলো অসমৰ প্ৰতি আগ্ৰহী নহয়। ১৯৯৫-৯৬ চনত ভাৰতৰ বিভিন্ন কোম্পানিয়ে বজাৰত মূলধনী অংশ বিক্ৰী কৰি ৩০,০০০ কোটি টকা লাভ কৰিছিল। তাৰ ভিতৰত অসম প্ৰমুখ্যে সমগ্ৰ উত্তৰ-পূব ভাৰতে মাথোন ৫ কোটি টকা লাভ কৰিছিল। গতিকে অসমৰ প্ৰতি সৰ্বসাধাৰণ ভাৰতীয় লোকৰ আগ্ৰহ নাই বুলিয়েই ক'ব পাৰি।

শেহতীয়াভাৱে আমিনগাঁৱত যিবোৰ উদ্যোগ গোট অসমৰ বাহিৰৰ কোম্পানিসমূহে প্ৰতিষ্ঠা কৰিছে, সেইবোৰৰ অধিকাংশ পেকেজিং গোটহে, উৎপাদন গোট নহয়।

স্বাধীনতালাভৰ পৰৱৰ্তী কালছোৱাত অসমত যিবোৰ উল্লেখনীয় উদ্যোগ প্ৰতিষ্ঠা হ'ল, তাৰ ভিতৰত আছে তিনিটা তেল শোধনাগাৰ, তিনিটা কাগজ কল, এটা মৰাপাট কল, তিনিটা চেনি কল, এটা চাহকলৰ যন্ত্ৰ প্ৰস্তুত কৰা কাৰখানা, কেতবোৰ প্লাইউড কাৰখানা, সূতা কটা কল, টিনপাত কাৰখানা, ঔষধ উদ্যোগ, এটা সাৰ কাৰখানা আৰু কেতবোৰ ৰাসায়নিক উদ্যোগ। কিন্তু ইয়াৰ ভিতৰত চেনি কল, প্লাইউড কাৰখানা, এটা কাগজ কল প্ৰমুখ্যে কেইবাটাও উদ্যোগ গোট ইতিমধ্যে বন্ধ হৈ গৈছে। যিকেইটা টিনপাত কাৰখানা তিষ্ঠি আছে, সেইকেইটা ব্যক্তিগত খণ্ডৰ ক্ষুদ্ৰ গোট। কেন্দ্ৰীয় চৰকাৰৰ প্ৰস্তাৱিত গোটটো আজিলৈকে হৈ নুঠিল। চলি থকা দুটা কাগজ কলে লোকচান ভৰি আছে। মুঠতে তেল শোধনাগাৰকেইটাৰ বাহিৰে অসমত কোনো উদ্যোগ গোট সুন্দৰভাৱে চলি আছে বুলি ক'ব নোৱাৰি। শোধনাগাৰৰ ক্ষেত্ৰতো উচ্চহাৰৰ তেলৰ মূল্যৰ হেতুহে লাভ পোৱা গৈছে, কাৰণ অসমৰ আটাইকেইটা তেল শোধনাগাৰ অৰ্থনৈতিক দৃষ্টিকোণৰপৰা লাভজনক হ'ব পৰাকৈ আকাৰতকৈ সৰু। গতিকে আমাৰ উদ্যোগিকীকৰণ প্ৰক্ৰিয়াটো সুচিন্তিত পৰিকল্পনাৰে যে আগবঢ়া নাই তাক বুজিবলৈ বিশেষ অসুবিধা নহয়।

আধুনিক কালত যিকোনো বিকশিত অৰ্থনীতিৰ ক্ষেত্ৰত সেৱা খণ্ডই আটাইতকৈ বেছি গুৰুত্ব লাভ কৰা দেখা যায়। সৰ্বমুঠ উৎপাদনৰ বৃহত্তম অংশ এই খণ্ডৰপৰা আহে। আনহাতে অনুন্নত অৰ্থনীতিত এই খণ্ডই সৰ্বনিম্ন বৰঙণি যোগায়। অনুন্নত অৱস্থাৰপৰা উন্নত অৱস্থালৈ উত্তৰণ ঘটোঁতে সেৱা খণ্ডই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অসমৰ ক্ষেত্ৰত দেখা গৈছে যে ১৯৫০-৫১ চনত ৰাজ্যখনৰ সৰ্বমুঠ উপাৰ্জনৰ ১৭.৩ শতাংশ বৰঙণি যোগোৱাৰ স্থিতিৰপৰা ২০০২-০৩ চনত সেৱাখণ্ডই ৪৬ শতাংশ বৰঙণি যোগাব পৰা অৱস্থালৈ উন্নত হৈছে। অৰ্থাৎ অন্যতম সৰ্বনিম্ন বৰঙণিৰপৰা সৰ্বোচ্চ বৰঙণি আগবঢ়োৱা পৰ্যায়লৈ এই খণ্ডটো বিকশিত হৈছে। অসমৰ অৰ্থনীতিত ই নিশ্চিতভাৱে এক ধনাত্মক পৰিৱৰ্তন। কিন্তু ইয়াৰ বাবে অৰ্থনীতিৰ অন্য ক্ষেত্ৰসমূহত কিয় সমানুপাতিক পৰিৱৰ্তন হোৱা নাই, সেইটোহে চিন্তনীয় বিষয়। আমি পূৰ্বতে উল্লেখ কৰা ধৰণে সৰ্বভাৰতীয় তুলনাত অসমৰ বেংক সেৱা আশানুৰূপ নোহোৱাটো তাৰ এটা কাৰণ হ'ব পাৰে। পূৰ্বতে এইটোও দেখুওৱা হৈছে যে বেংক সেৱাৰ মাধ্যমেৰে অসমৰ মূলধনৰ বহিৰ্গমনহে ঘটিছে। গতিকে অসমৰ অৰ্থনীতিৰ সেৱা খণ্ডৰ দ্ৰুত সম্প্ৰসাৰণ ঘটিলেও সি সামগ্ৰিকভাৱে ৰাজ্যখনক অৰ্থনৈতিকভাৱে বিকশিত কৰিব পৰা নাই।

অসমৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত দেখা দিয়া এই অন্তৰায়সমূহৰ বাবে বহুলাংশে ৰাজনৈতিক সদিচ্ছাৰ অভাৱেই মূল কাৰণ। ৰাজ্যখনত স্থাপিত বেছিভাগ ৰাজহুৱা খণ্ডৰ গোট ৰাইজৰ আন্দোলনৰ ফলতহে অনুমোদিত হৈছিল। বঙাইগাঁও-



নুমলীগড় শোধনাগাৰ নিৰ্মাণৰ বাবে ৰাইজে আন্দোলন কৰিছিল। বৰ্তমান লেপেটকটাত নিৰ্মীয়মান পেট্ৰ'ৰাসায়নিক প্ৰকল্পও ৰাইজৰ দাবীৰে ফল। স্বাজোত্তৰ কালছোৱাত ৰাজনৈতিক নেতৃত্বৰ অৰ্থনৈতিক পৰিক্ষেত্ৰত বিচক্ষণতাৰ অভাৱে উন্নয়নৰ গতি মন্থৰ কৰি ৰাখিছে। বহুতো উদ্যোগ গোট ৰাজনৈতিক উদ্দেশ্যৰে অসুচল স্থানত প্ৰতিষ্ঠা কৰাৰ বাবেই সেইবোৰৰ অকালমৃত্যু ঘটিল। ধিং চহৰৰ কাগজ কল, কাতিমাৰীৰ বস্ত্ৰ উদ্যোগ আদি সেইবাবে বন্ধ হৈ গ'ল। সেইদৰে যোগীঘোপাৰ অশোক কাগজ কল আৰু বৰুৱাবামুণগাঁও-কামপুৰৰ চেনিকল পুনৰ্জীৱিত কৰাৰ ক্ষেত্ৰত ৰাজ্যখনৰ ৰাজনৈতিক নেতৃত্ব ব্যৰ্থ হৈছে। ৰাজনীতিক-প্ৰশাসকসকলৰ ব্যৰ্থতা অসমৰ অৰ্থনীতিৰ স্থবিৰতাৰ অন্যতম কাৰণ।

ঔপনিৱেশিক কালত সূত্ৰপাত ঘটা অসমৰ অৰ্থনীতিৰ এক গুৰুত্বপূৰ্ণ অঙ্গ চাহ উদ্যোগে স্বাজোত্তৰ কালত এক নতুন পৰিৱৰ্তন দেখিবলৈ পায়। সেয়া হৈছে ক্ষুদ্ৰ আকাৰৰ চাহবাগানৰ অভ্যুদয়। প্ৰধানতঃ আশীৰ দশকৰ আন্দোলনৰ ফলত হোৱা মানসিকতাৰ পৰিৱৰ্তনে বহু লোকক উদ্যমৰ পাঠ দিয়ে আৰু তেনে লোকসকলৰ একাংশই চাহখেতিত হাত দিয়ে। ২০০৭ চনত অসমত এনে ক্ষুদ্ৰ চাহবাগানৰ সংখ্যা ৫৫,০০০ হয়গৈ। এই ক্ষুদ্ৰ বাগানসমূহে সংস্থান সৃষ্টি কৰাৰ উপৰি চাহৰ উৎপাদন বৃদ্ধি আৰু ৰপ্তানি বৃদ্ধিৰ জৰিয়তে বৈদেশিক মুদ্ৰা অৰ্জনত সহায় কৰিছে। অৱশ্যে ভাৱতে উপাৰ্জন কৰা বৈদেশিক মুদ্ৰাৰ কিমানখিনি অসমত বিনিয়োগ হয়, তাত প্ৰশ্নবোধক চিন আছে। তদুপৰি বৃহৎ চাহবাগান আৰু ক্ষুদ্ৰ চাহবাগানৰ মাজতো বহু গুণগত পাৰ্থক্য আছে। এই দুটা খণ্ডই ক্ৰমান্বয়ে প্ৰায় ছয় লাখ আৰু আঢ়ৈ লাখ লোকক সংস্থাপিত কৰি ৰাখিছে। সেই অনুপাতে ক্ষুদ্ৰ বাগানসমূহত কৰা সৰ্বমুঠ বিনিয়োগ বৃহৎ বাগানসমূহৰ সৰ্বমুঠ বিনিময়ৰ এক ক্ষুদ্ৰ অংশ মাথোন। তদুপৰি ক্ষুদ্ৰ বাগানসমূহে বৃহৎ বাগানসমূহৰ যোগনিয়াৰৰ ভূমিকা পালন কৰিব লাগে। আনহাতে চৰকাৰী সুবিধাসমূহ ক্ষুদ্ৰ বাগানসমূহে নাপায়, বৃহৎ বাগানসমূহেহে পায়। ৰাজ্যখনৰ ৰাজনৈতিক ঘটনাপ্ৰবাহতো এই বাগানসমূহে বিতৰ্কিত ভূমিকা লৈ আহিছে। পূৰ্বতে আমি কৈ আহিছোঁ যে অসমৰ অৰ্থনীতিক ৰাজনীতিয়ে বিপৰ্যস্ত কৰিছে। বৃহৎ চাহ উদ্যোগৰ ক্ষেত্ৰত কথাটো ওলোটাকৈহে প্ৰযোজ্য হয়।

স্বাজোত্তৰ কালত স্থাপিত তিনিটা উল্লেখনীয় উদ্যোগ গোট হৈছে গুৱাহাটী-বঙাইগাঁও আৰু নুমলীগড়ৰ তেল-শোধনাগাৰ। কিন্তু প্ৰতিষ্ঠাকালত এই তিনিটাৰ অৱয়ৱ এনে ক্ষুদ্ৰ আছিল যে সেইকেইটা ভাৰতৰ ক্ষুদ্ৰতম তেল শোধনাগাৰৰূপে পৰিগণিত হৈছিল। তেল শোধন উদ্যোগৰ সৰ্বশ্ৰেষ্ঠ আকাৰতকৈ এই শোধনাগাৰ কেইটাৰ আকাৰ নিচেই কম আছিল। গতিকে সেইবোৰৰ উৎপাদন ব্যয় অৰ্থনৈতিকভাৱে লাভজনক নাছিল। অসমত স্থাপিত কেন্দ্ৰীয় খণ্ডৰ ৰাজহুৱা উদ্যোগসমূহৰ এইটোৱেই প্ৰধান বৈশিষ্ট্য। অৰ্থাৎ এই উদ্যোগ গোটসমূহ অৰ্থনৈতিক বিবেচনাৰে দীৰ্ঘকালীন স্থায়িত্বৰ পৰিকল্পনাৰে প্ৰতিষ্ঠা কৰা নহয়, হ্ৰস্বকালীনভাৱে

জনতাৰ ক্ষোভ প্ৰশমিত কৰিবৰৈলেহে স্থাপন কৰা হয়। যিসকল লোকে অসমত হোৱা কেন্দ্ৰীয় বিনিয়োগৰ বিষয়ে উল্লেখ কৰি অসমৰ প্ৰতি কেন্দ্ৰৰ দৰদী দৃষ্টি প্ৰমাণ কৰিবৰৈলে বিচাৰে, তেওঁলোকে এই কথাটো মন কৰা উচিত।

অসমৰ ভূগৰ্ভত বিস্তৰ পৰিমাণে প্ৰাকৃতিক গেছ উপলব্ধ আছিল। দুৰ্ভাগ্যৰ কথা যে ইয়াৰ এক বুজন পৰিমাণ ইতিমধ্যে জ্বলাই নিঃশেষ কৰা হ'ল। এই গেছৰ ওপৰত নিৰ্ভৰ কৰি এক বৃহৎ পেট্ৰ'ৰাসায়নিক প্ৰকল্প গঢ়ি তোলাৰ অৱকাশ আছিল। ১৯৮২ চনত এই বিষয়ে চিন্তা আৰম্ভ হৈছিল। কিন্তু তাৰ পিছত সুদীৰ্ঘ তিনিটা দশক পাৰ হৈ গ'ল, অথচ লেপেটকটাত নিৰ্মীয়মান পেট্ৰ'ৰাসায়নিক প্ৰকল্পটো এতিয়াও কাৰ্যক্ষম হৈ নুঠিল। ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ ক'ম্পেনি লিমিটেড নামৰ এই প্ৰকল্পটোত বছৰি ১.৫ লাখ টন ইথিলিন উৎপাদন হ'ব বুলি কোৱা হৈছে। উপযুক্ত পৰিকল্পনাৰে আগবাঢ়িলে আৰু বিত্তীয় সংস্থাবোৰে সহায় কৰিলে ইয়াৰ ভিত্তিত বহুতো আনুষঙ্গিক উদ্যোগ গঢ়ি উঠাৰ সম্ভাৱনা আছে।

অসমৰ অৰ্থনীতিলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব পৰা অন্য এক ক্ষেত্ৰ হৈছে মৰাপাট খেতি আৰু মৰাপাট উদ্যোগ। মৰাপাট খেতিৰে সৈতে প্ৰধানভাৱে বঙ্গমূলীয় লোকসকল জড়িত। কিন্তু তেওঁলোক ক্ৰমান্বয়ে অন্য কৃষিৰ প্ৰতি আগ্ৰহী হোৱাৰ ফলত মৰাপাট খেতিৰ এলেকা হ্ৰাস হৈছে। ১৯৬০-৬১ চনত ২,৯৯,০০০ হেক্টৰ মাটিত এই খেতি হোৱাৰ বিপৰীতে ২০০০-০১ চনত ৭০,০০০ হেক্টৰ মাটিতহে এই খেতি কৰা হয়। গতিকে মৰাপাট ভিত্তিক উদ্যোগৰ সম্ভাৱনাও হ্ৰাস হৈছে। অৱশ্যে শিলঘাটত অৱস্থিত মৰাপাট কলটোৱে লাভজনক স্থিতি বৰ্তাই ৰাখিব পাৰিছে। ২০০৬-০৭ চনত ৮৩২ জন বিষয়া-কৰ্মচাৰীৰে পুষ্ট এই উদ্যোগ গোটটোৱে ৯১ লাখ টকা অৰ্জন কৰিবৰৈলে সমৰ্থ হৈছিল। এসময়ত ২২ মাহ ধৰি বন্ধ হৈ থকা আৰু লোকচানেৰে ভাৰাক্ৰান্ত এই গোটটোৰ পুনৰুজ্জীৱিতকৰণৰ উদাহৰণটো অসমৰ অৰ্থনীতিত এক উল্লেখযোগ্য ঘটনা আৰু উদ্যোগ পৰিচালনাৰ ক্ষেত্ৰতো এক অনুকৰণীয় নিদৰ্শন।

স্বৰাজোত্তৰ কালত বিকশিত এটা উল্লেখনীয় উদ্যোগ হৈছে চিমেণ্ট। বোকাজান, লঙ্কা, সোণাপুৰ আদি বিভিন্ন স্থানত কেইবাটাও গোট ইতিমধ্যে স্থাপন হৈছে। ২০০২-০৩ চনত ৰাজ্যখনত মুঠ ৩.১৫ লাখ মেট্ৰিক টন চিমেণ্ট উৎপাদন হৈছিল। বোকাজানত থকা চিমেণ্ট কাৰখানাটোৱেই অসমৰ প্ৰথম চিমেণ্ট কাৰখানা। ইয়াৰ প্ৰযুক্তি পুৰণিকলীয়া হোৱা বাবে কাৰখানাটোৰপৰা যথেষ্ট প্ৰদূষণ হৈ আহিছে। সেইদৰে জয়পুৰৰ কয়লা খনি, জাগীৰোডৰ কাগজ কল, যোৰাবাটৰ চামৰা শোধন উদ্যোগ তথা গাঁৱে-ভূঁয়ে স্থাপন হোৱা ইটা ভাটাসমূহৰপৰা ব্যাপক প্ৰদূষণ হৈ আহিছে। সেইদৰে পাহাৰৰ শিল ভাঙিবৰৈলে স্থাপন কৰা কোৱাৰীসমূহেও পৰ্যাবৰণৰ সন্তুলতা বিনষ্ট কৰিছে। এনেবোৰ ক্ষেত্ৰত উদ্যোগসমূহে ৰাজ্যিক প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ নিৰ্দেশাৱলীও অমান্য কৰি অহাৰ অভিযোগ সঘনে উত্থাপিত হৈ আহিছে।



কৃষি, উদ্যোগ, সেৱাখণ্ড এই সকলোৰে বাবে নিয়মিত বিদ্যুৎ যোগান অপৰিহাৰ্য। অসমৰ ক্ষেত্ৰত এয়া এক প্ৰধান দুৰ্বলতা। ২০০২-০৩ চনত অসমৰ বিদ্যুৎ উৎপাদন গোটসমূহৰ মুঠ উৎপাদন ক্ষমতা আছিল ৫৭৪.৪ মেগাৱাট। কিন্তু সেই গোটসমূহে মাথোন ১৬০ মেগাৱাটহে উৎপাদন কৰিবৰৈলে সক্ষম হৈছিল। তাৰ ফলত ৰাজ্যখনে সদায় অন্য ৰাজ্যৰপৰা উচ্চ দৰত বিদ্যুৎ ক্ৰয় কৰি আহিছে। ২০০৭ চনত উৎপাদন ক্ষমতা ৫৭৯.৫ মেগাৱাটলৈ বৃদ্ধি হয়, কিন্তু উৎপাদিকা হাৰৰ বিশেষ পৰিৱৰ্তন হোৱা নাই। শেহতীয়াভাৱে সোৱণশিৰি নদীবান্ধৰপৰা বিদ্যুৎ উৎপাদনৰ প্ৰকল্প এটা নিৰ্মীয়মান হৈ আছে। কিন্তু অসমৰ কৃষি অৰ্থনীতি তথা উত্তৰ অসমৰ গ্ৰাম্য জীৱনৰ ওপৰত সুদূৰপ্ৰসাৰী প্ৰতিক্ৰিয়া সৃষ্টি কৰাৰ পূৰ্ণ সম্ভাৱনা থকা এই প্ৰকল্পটোৰপৰা অসমে নিচেই অলপ পৰিমাণেহে বিদ্যুৎ লাভ কৰিব। গতিকে অসমৰ আন্তঃগাঁথনিমূলক বিকাশৰ পৰিকল্পনাত ব্যাপক আসোঁৱাহ ৰৈ গৈছে বুলি ক'ব পাৰি।

অসমৰ অৰ্থনীতিত পৰিলক্ষিত অন্য এক পৰিঘটনা হৈছে কৃষি অৰ্থনীতিৰ সৈতে জড়িত খিলঞ্জীয়া লোকসকলৰ ক্ৰমবৰ্ধমান শ্ৰমবিমুখতা। ইয়াৰফলত ৰাজ্যখনৰ জনসংখ্যাৰ প্ৰয়োজন অনুপাতে পাচলি, মাছ, কণী আদি উৎপাদন নহয় আৰু এই পণ্যসমূহ ৰাজ্যৰ বাহিৰৰপৰা আমদানি কৰিব লাগে। তেনে হোৱাৰ ফলত কৃষিখণ্ডত যি-প্ৰাথমিক পুঁজি-সংগ্ৰহকৰণ প্ৰক্ৰিয়া ঘটিব লাগে, সেয়া হৈ নুঠে। ৰাজ্যখনৰ মূলধন গঠনৰ প্ৰক্ৰিয়াটোও অবিকশিত হৈ ৰয়। যি স্বল্প পৰিমাণৰ মূলধন সৃষ্টি হয়, সেয়াও বিত্তীয় সংস্থাসমূহে ৰাজ্যৰ বাহিৰলৈহে প্ৰেৰণ কৰে। ফলত অসমৰ অৰ্থনীতি নিৰন্তৰ অধিক দৰিদ্ৰতাৰ মাজলৈ সোমাই গৈ আছে। ঔপনিৱেশিক কালত ভাৰতীয় অৰ্থনীতি যি-পৰিস্থিতিৰ মাজেৰে পাৰ হৈছিল, স্বৰাজোত্তৰ অসমৰ অৰ্থনীতিও তেনে পৰিস্থিতিৰপৰা বৰ বেছি মুক্ত নহয়।

# ঔপনিৱেশিক আৰু স্বৰাজোত্তৰ অসমৰ অৰ্থনীতি: এটি তুলনামূলক অধ্যয়ন

ড° ৰাণী মুদিয়াৰ ডেকা

## পাতনি

১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰিত সম্পন্ন হোৱা য়াণ্ডাবু সন্ধি মতে অসম ইষ্ট ইণ্ডিয়া কোম্পানিৰ হাতলৈ যায়। অসমত আৰম্ভ হয় ঔপনিৱেশিক শাসন। তেতিয়াৰপৰা ১৯৪৭ চনৰ ১৫ আগষ্টত স্বাধীনতা লাভৰ দিনটোলৈকে — ঔপনিৱেশিক শাসনৰ কালছোৱাত — অসমৰ ৰাজনৈতিক পৃষ্ঠভূমি তথা প্ৰশাসনলৈ সৰু-বৰ কেতবোৰ পৰিৱৰ্তন আহিছিল, যিবোৰে সেই সময়ত অৰ্থনৈতিক কামকাজবোৰকো প্ৰভাৱিত নকৰাকৈ থকা নাছিল। আহোম ৰজাসকলৰ সুদীৰ্ঘ ছশ বছৰীয়া ৰাজত্বকালত ঠন ধৰি উঠা "আকালো নাই, ভঁড়ালো নাই"সদৃশ সহজ-সৰল অথচ আত্মনিৰ্ভৰশীল গ্ৰামীণ অৰ্থনীতি মানৱ হাতত কিছু পৰিমাণে বিধ্বস্ত হৈছিল। ১৮২৬ চনত ব্ৰিটিছ-ভাৰতৰ অংশ হিচাপে অন্তৰ্ভুক্ত হোৱাৰ পিছত ১৮৭৪ চনলৈকে বেঙ্গল প্ৰেছিডেন্সিৰ অধীনত, ১৯০৫ চনলৈকে চীফ কমিছনাৰ প্ৰভিন্স হিচাপে, ১৯০৬ চনৰপৰা ১৯১২ চনলৈকে লেফটেনেণ্ট গৱৰ্ণৰৰ অধীনত, ১৯২০ চনলৈকে অসম বিধানসভা কাউন্সিলৰ অধীনত, ১৯১৯ চনৰ গভৰ্ণমেণ্ট অৱ ইণ্ডিয়া এক্ট অনুসৰি ১৯৩৭ চনলৈকে দ্বৈত-শাসনৰ অধীনত আৰু ১৯৩৫ চনৰ ভাৰত চৰকাৰৰ অন্য এক আইনমতে ১৯৪৭ চনপৰ্যন্ত অসম বিধানসভাৰ অধীনত থকা কালত অসমত যি-ৰাজনৈতিক প্ৰশাসন চলিছিল, তাৰেই প্ৰচ্ছায়াত গঢ় লৈ উঠিছিল আধুনিক অসমৰ অৰ্থনীতিৰ পটভূমি। স্বৰাজোত্তৰ কালত ভাৰত ৰাষ্ট্ৰৰ অঙ্গৰাজ্য হিচাপে ভাৰতীয় সংবিধানৰ বিধি-বিধান অনুসৰি প্ৰস্তুত কৰা প্ৰশাসনীয় নীতিৰ আধাৰত ভিন্ন ৰাজনৈতিক দলৰ চৰকাৰৰদ্বাৰা অসমৰ অৰ্থনীতিয়ে বাট বুলিছে। অঙ্গৰাজ্য হিচাপে ভাৰতৰপৰা পৃথক এক অৰ্থব্যৱস্থা অসমে গঢ়ি তুলিব নোৱাৰে। সেয়েহে, ভাৰতীয় অৰ্থনীতিৰ সাধাৰণ বৈশিষ্ট্যবোৰেই অসমৰো অৰ্থনীতিৰ বৈশিষ্ট্য। তথাপি একেটা পৰিয়ালৰ একেই নীতি-নিয়ম আৰু প্ৰায় একেটা পৰিৱেশত থকাৰ পিছতো প্ৰতিজন সদস্য যিদৰে নিজৰ নিজৰ বুদ্ধিমত্তা, কৰ্মপ্ৰয়াস বা কৰ্মপদ্ধতি, চাৰিত্ৰিক গুণ-দোষ আদিৰদ্বাৰা



নিজৰ নিজৰ উত্তৰণৰ বাবে দায়বদ্ধ হয়, সেইদৰে ভাৰতৰ সমষ্টিগত অৰ্থনীতিৰ অংশ হিচাপে থাকিও অসম নিজৰ আৰ্থিক বিকাশৰ বাবে দায়বদ্ধ হ'বলৈ বাধ্য। নিজৰ বিকাশৰ বাবে প্ৰয়োজন অনুসৰি নীতি-বিধান গ্ৰহণ কৰিবৰ বাবে ভাৰতীয় সংবিধানেও ৰাজ্যবোৰক সুবিধা দিছে। সেইমতে, স্বৰাজোত্তৰ কালছোৱাত অসমে নিজৰ অৰ্থনীতিৰ বিকাশৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি আহিছে। ব্ৰিটিছ চৰকাৰৰ দিনত যিবোৰ কথা ভবাও হোৱা নাছিল, তেনেবোৰ কাম আজি হয়তো অনায়াসে হৈ আছে। তৎসত্বেও, দুই ভিন্ন সময়ৰ ৰেহ্-ৰূপ প্ৰত্যক্ষ কৰা নাগৰিকসকলে মাজে-সময়ে আক্ষেপেৰে কয় যে এতিয়াতকৈ ব্ৰিটিছৰ দিন বহুত ভাল আছিল। সি যিয়েই নহওক, শাসকৰ চৰিত্ৰ বিশ্লেষণ এই লেখাৰ উদ্দেশ্য নহয়। এই প্ৰবন্ধত দুই ভিন্ন সময়ত ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থাৰ এক তুলনামূলক বিৱৰণ দাঙি ধৰাৰ প্ৰয়াস কৰা হ'ব। এই তুলনাও বস্তুধৰ্মীহে, ভাল-বেয়া বিচাৰ কৰাটো এই লেখাৰ উদ্দেশ্য নহয়। অৱশ্যে, কোনো ঘটনা বা বিৱৰণ বিশ্লেষণৰ সময়ত সি ধনাত্মক প্ৰভাৱযুক্ত নে ঋণাত্মক প্ৰভাৱযুক্ত, সেয়া অৱধাৰিতভাৱে ওলাই পৰিব পাৰে। কেতিয়াবা বহুতো ঘটনাৰ ফলাফল আমি যি পাওঁ, তাক তৎকালীনভাৱে বিশ্লেষণ কৰি ভাল বা বেয়া বুলি মন্তব্য দিওঁ। কিন্তু কি কাৰণে ঘটনা ঘটিবলৈ পালে, সেইটো নজনাকৈয়ে ৰৈ যাওঁ। যিকোনো ঘটনা বা কাৰ্যৰ মাজলৈ সোমাই গ'লেহে তেনে ঘটনাৰ কাৰণ বুজি পোৱা যায়। কাৰণ ওলাই পৰিলেহে ফলাফলৰ বিশ্লেষণ সঠিক হয়। আজি অসমৰ অৰ্থনীতিৰ ৰেহ-ৰূপ চাই আমি উন্নত নে অনুন্নত, সেয়া ক'ব পাৰোঁ, কিন্তু কি কাৰণত তেনে হ'বলৈ পালে সেইটো জনাৰ বাবে এক দীৰ্ঘ সময়ৰ ঘটনা-প্ৰৱাহ বা পটভূমিৰ জ্ঞানৰ প্ৰয়োজন হয়। এই প্ৰবন্ধত তুলনামূলক অধ্যয়নৰদ্বাৰা তেনে এক জ্ঞানৰ অন্বেষণ কৰা হ'ব। অৱশ্যে এই অন্বেষণ গৌণ তথ্যভিত্তিক হ'ব। ইতিমধ্যে প্ৰকাশিত বিভিন্ন কিতাপ-পত্ৰ, প্ৰতিবেদন আদিৰ আলমত যথাসম্ভৱ চমুকৈ বিৱৰণ প্ৰস্তুত কৰা হ'ব। চাক্ষুষ অভিজ্ঞতাৰদ্বাৰা সংগৃহীত তথ্য আৰু তাৰ ভিত্তিত গঢ় লৈ উঠা ধাৰণা নিশ্চয় এই লেখাত মাজে মাজে সোমাই পৰিব।

## নিপোটল গ্ৰাম্য অৰ্থনীতি বনাম নগৰীকৰণৰ অৱধাৰিত গতি

প্ৰাক্-ঔপনিৱেশিক কালৰেপৰা অসমৰ অৰ্থনীতি আছিল গ্ৰাম-নিৰ্ভৰ। ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া তথা অসমৰ বুৰঞ্জী প্ৰণেতা ছাৰ এডৱাৰ্ড গেইট (Sir Edward Gait)ৰ মতে প্ৰাচীন কালৰপৰাই গাঁওবোৰ আছিল ভাৰতৰ মানুহৰ অৰ্থনৈতিক জীৱনৰ ৰাজহাড়। অসমতো গাঁওবোৰ আত্মনিৰ্ভৰশীল আছিল। কৃষি আছিল মানুহৰ জীৱিকানিৰ্বাহৰ প্ৰধান সম্বল। একাংশই কমাৰ, কুমাৰ, চমাৰ, মিস্ত্ৰী, ধোবা তথা অন্যান্য কাৰিকৰী কাম আৰু অন্য একাংশই পুৰোহিত তথা পণ্ডিতৰ কাম কৰিছিল। পৰস্পৰে পৰস্পৰৰ প্ৰয়োজনীয়তা পূৰণ কৰাৰ অৰ্থতেই গাঁওবোৰ স্ব-নিৰ্ভৰশীল আছিল। আহোমৰ দিনত ৰজাসকলে নৈৰ পাৰত হাবি-

বননি কাটি পৰিষ্কাৰ কৰাই গাঁও পতাৰ কথাও বুৰঞ্জীয়ে কয়।

ঔপনিবেশিক কালত গাঁওবোৰলৈ পৰিৱৰ্তন নিশ্চয়কৈ আহিছিল। সেই বুলি গাঁৱৰ মানুহৰ মাজত চহৰমুখী হোৱাৰ প্ৰৱণতা গাঢ় হোৱা নাছিল। চহৰমুখী হ'বলৈ চহৰৰ সংখ্যাও আছিল তেনেই কম। উজনিত ৰংপুৰ, গড়গাঁও আৰু নামনিত গুৱাহাটী আহোমৰ দিনৰ তিনি প্ৰসিদ্ধ চহৰ আছিল। স্বাভাৱিকতেই গাঁৱৰ জনসংখ্যা আছিল অধিক। ১৯৫১ চনৰ লোকপিয়লেই সেই কথাৰ প্ৰমাণ দিয়ে। উক্ত লোকপিয়লমতে ৯৫.৪ শতাংশ লোকেই আছিল গাঁৱৰ বাসিন্দা। মাথোন ৪.৬ শতাংশ লোকেহে সেই সময়ত চহৰত বাস কৰিছিল। দ্বিতীয় মহাসমৰৰ পিছৰপৰা সমগ্ৰ ভাৰততে নগৰায়ণৰ প্ৰক্ৰিয়া দ্ৰুত হ'বলৈ আৰম্ভ কৰে। সামৰিক-অসামৰিক প্ৰশাসন তথা ব্যৱসায়িক কাৰণত অসমতো ব্ৰিটিছ আমোলতেই নতুন নতুন নগৰ গঢ়ি উঠে আৰু নগৰৰ জনসংখ্যা বাঢ়িবলৈ লয়। উদাহৰণস্বৰূপে, গুৱাহাটী চহৰৰ জনসংখ্যা ১৮৩১ চনত ৬,০০০ৰপৰা ১৮৭১-৭২ চনত ১১,৪২৯জন হয়গৈ। ডিব্ৰুগড় এখন ব্যস্ত ব্যৱসায়িক নগৰত পৰিণত হয়। ১৯০১ চনত এই চহৰৰ জনসংখ্যা ১১,২২৭জন হয়গৈ। তেনেদৰে বৰপেটা, শ্বিলং, শিলচৰ, যোৰহাট, শিৱসাগৰ আদিৰো জনসংখ্যা বাঢ়িবলৈ লয়। তথাপি ভাৰতৰ অন্যান্য প্ৰদেশতকৈ (উবিষ্যাক বাদ দি) অসমত নগৰীয়া মানুহৰ সংখ্যা তুলনামূলকভাৱে কম আছিল।

স্বাধীনোত্তৰ কালত মানুহবোৰ ক্ৰমশঃ নগৰমুখী হ'বলৈ ধৰে। ঔপনিবেশিক কালত কৃষিখণ্ড তথা কুটিৰ-শিল্পসমূহলৈ অহা প্ৰতিকূল পৰিৱৰ্তনে মানুহক নগৰমুখী হ'বলৈ বাধ্য কৰে। স্বাধীনতা লাভৰ পিছত প্ৰশাসনিক স্বাৰ্থত জিলা সদৰ আৰু মহকুমা সদৰবোৰ নতুন নগৰলৈ ৰূপান্তৰিত হ'বলৈ ধৰে। অফিচ-কাছাৰী, বেংক, বিত্তীয় প্ৰতিষ্ঠানৰ সংখ্যা বঢ়াৰ লগে লগে নগৰৰ বাসিন্দাৰ সংখ্যাও বাঢ়িবলৈ লয়। তেনেদৰে ১৯৭১ চনৰ লোকপিয়লত অসমৰ গাঁৱৰ জনসংখ্যা হয়গৈ ৯১.১৮ শতাংশ। ২০১১ চনৰ শেহতীয়া লোকপিয়লমতে অসমৰ গাঁৱৰ জনসংখ্যা হৈছে মুঠ জনসংখ্যাৰ ৮৬ শতাংশ।

নগৰায়ণ প্ৰক্ৰিয়া দ্ৰুত হ'লেও আজিও অসমৰ অৰ্থনীতি তাহানিৰ দৰে গ্ৰাম-প্ৰধান। অসমৰ অৰ্থনীতিৰ মূলখণ্ড কৃষি, যি পৰিব্যাপ্ত হৈ আছে গাঁওবোৰত। কিন্তু তাহানিৰ দৰে বৰ্তমানৰ গাঁওবোৰৰ অৱস্থা "আকালো নাই, ভঁড়ালো নাই"সদৃশ হৈ থকা নাই। এতিয়া গাঁৱত আকালো আছে, ভঁড়ালো আছে। আকাল আছে বাবেই এতিয়াও অসমৰ গাঁৱৰ ৩৬.৪ শতাংশ লোকে দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰে। নগৰবোৰত এই সংখ্যা ২১.৮ শতাংশ। ব্ৰিটিছৰ দিনত গাঁওবোৰ আছিল নিজৰ পৰিধিত ঘূৰি ফুৰা একো একোটা বৃত্ত-সদৃশ। পৰিবহণ তথা যোগাযোগ ব্যৱস্থাও আছিল সীমিত। স্বাধীনতাৰ পিছৰপৰাই পৰিকল্পিত অৰ্থনৈতিক কাৰ্যসূচীত গ্ৰামোন্নয়ন এক নিয়মিত কাৰ্য-শিতানত পৰিণত হয়। ব্ৰিটিছ-শাসিত অসমত গ্ৰামীণ বিকাশৰ কোনো পৰিকল্পিত আঁচনি নাছিল। তাৰ বিপৰীতে প্ৰতিটো পঞ্চবাৰ্ষিক পৰিকল্পনাত গ্ৰামীণ বিকাশক অগ্ৰাধিকাৰ শিতানত ৰখা হৈছে। অসমতো এতিয়া ভাৰত চৰকাৰৰ সহযোগত গ্ৰামাঞ্চলত পথনিৰ্মাণ, গৃহনিৰ্মাণ, নিয়োগ, ৰাজহুৱা সম্পদ সৃষ্টি, শিক্ষা আৰু স্বাস্থ্যসেৱা সুবিধাৰ সম্প্ৰসাৰণ আদিৰ বাবে বিভিন্ন আঁচনি বা প্ৰকল্প, যেনে — প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা, ইন্দিৰা আৱাস যোজনা, মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ প্ৰতিভূতি আঁচনি, স্বৰ্ণজয়ন্তী ৰোজগাৰ আঁচনি আদি বিভিন্ন প্ৰকাৰৰ অৰ্থনৈতিক বিকাশমূলক আঁচনি ৰূপায়ণ কৰি থকা হৈছে। লগতে, অসম চৰকাৰে নিজাববীয়াকৈ গ্ৰহণ কৰা আঁচনি দুই-এখনো কাৰ্যক্ষেত্ৰত ৰূপায়ণ কৰি থকা দেখা গৈছে।



গাঁওবোৰত অভাৱৰ অন্ত নাই যদিও এতিয়াও গাঁওবোৰেই হৈছে মূল উৎপাদনস্থলি। গাঁৱত উৎপাদন নহ'লে নগৰৰ মানুহে নিত্য প্ৰয়োজনীয় খাদ্য-সম্ভাৰৰ যোগান নাপাব। ধান, মাহ, শাক-পাচলি, মাছ, মাংস, কণী, গাখীৰ, ফল-মূল আদি প্ৰায়বোৰ কৃষিজাত সামগ্ৰী গাঁৱৰপৰাই আহে। গাঁওবোৰ হৈছে শাৰীৰিক শ্ৰম আগবঢ়োৱা পৰা মানৱসম্পদৰ ভঁড়াল। শ্ৰমিকৰ উৎপাদন দক্ষতাই হৈছে গাঁওবোৰৰ অন্যতম সমৃদ্ধীয়া সম্পদ। ঐতিহ্যপূৰ্ণ প্ৰাচীন জ্ঞানৰো ভঁড়াল এই গাঁওবোৰ। অসমৰ পৰম্পৰাগত শিল্পকলা, যিবোৰে আজিৰ বিশ্বায়নৰ দিনতো অসমৰ পৰিচয় অক্ষুণ্ণ ৰখাত সহায় কৰে, সেইবোৰো গাঁৱতেই সিঁচৰতি হৈ আছে। গতিকে গাঁওবোৰ এতিয়াও অসমৰ ভঁড়াল। কিন্তু সেয়ে হ'লেও, গাঁৱৰ মানুহৰ ব্যক্তিগত আয় তুলনামূলকভাৱে নগৰৰ মানুহতকৈ কম।

ব্ৰিটিছৰ শাসনকালত অসমৰ গাঁও আৰু নগৰীয়া জীৱনৰ মাজত বিশেষ পাৰ্থক্য নাছিল। স্বাধীনতাৰ কালছোৱাত নগৰ আৰু গাঁওবোৰৰ মাজৰ পাৰ্থক্য বাঢ়িবলৈ লয়। ৰাজ্যৰ অৰ্থনীতি গ্ৰামনিৰ্ভৰ হোৱা সত্ত্বেও গাঁওবোৰ নিশকতীয়া হ'বলৈ ধৰে। বিকাশৰ প্ৰতিটো সূচকৰ ক্ষেত্ৰতেই গাঁওবোৰ নগৰতকৈ অনগ্ৰসৰ। গাঁও আৰু চহৰবোৰৰ মাজত বিকাশৰ যি-পাৰ্থক্য সি ক্ৰমশঃ বাঢ়ি গৈ আছে আৰু সিয়ে স্বাধীনোত্তৰ অসমত নগৰায়ণ প্ৰক্ৰিয়া দ্ৰুত হোৱাত অৰিহণা যোগাইছে। গাঁওবোৰত আগতে নথকা নেদেখা অনেক সা-সৰঞ্জাম, নিত্য ব্যৱহাৰ্য সা-সামগ্ৰী সুলভ হৈ পৰিছে। বাট-পথ হোৱাৰ লগে লগে শিক্ষানুষ্ঠান, চিকিৎসালয়, দোকান-পোহাৰ আদিও গাঁওবোৰৰ অংশস্বৰূপ হৈ পৰিছে। মাটি-তেলৰ চাকিৰ পৰিৱৰ্তে বিদ্যুৎ যোগান অহাৰ লগে লগে গাঁওবোৰৰ পূৰ্বৰ চেহেৰালৈ সম্পূৰ্ণ পৰিৱৰ্তন আহিল। গাঁৱৰ মানুহৰ জীৱন-ধাৰণ প্ৰণালীতো বহুতো পৰিৱৰ্তন হ'ল। এই পৰিৱৰ্তনে গাঁৱৰ সহজ-সৰল জীৱন-যাপন কৰা মানুহৰ সামগ্ৰিক পৰিৱেশলৈ চহৰৰ কোলাহল আৰু জটিলতাও নমাই আনিলে, যিটো ঔপনিবেশিক কালৰ মানুহে প্ৰত্যক্ষ কৰিবলগীয়া হোৱা নাছিল।

## প্ৰাকৃতিক সম্পদ: প্ৰাচুৰ্যৰ মাজত দৰিদ্ৰতা

ৰাজনৈতিক আৰু প্ৰশাসনিক স্বাৰ্থত অসমৰ ভৌগোলিক পৰিসীমা সময়ে

সময়ে সলনি হৈ আছে, যিটো তেনেই স্বাভাৱিক কথা। ভৌগোলিক অৱস্থানে প্ৰাকৃতিক সম্পদৰ স্থিতি নিৰ্ণয় কৰে। অসম এই ক্ষেত্ৰত সৌভাগ্যশালী এই বাবেই যে পৰিৱৰ্তিত পৰিস্থিতিতো অসম প্ৰাকৃতিক সম্পদৰ ক্ষেত্ৰত কঙাল হ'বলগীয়া হোৱা নাই। অৱশ্যে সুকীয়া ৰাজ্য গঠনৰ জৰিয়তে মেঘালয়, মিজোৰাম, নগালেণ্ড, মণিপুৰ আৰু অৰুণাচল অসমৰপৰা বেলেগ হৈ যোৱাৰ পিছত অসমে কেতবোৰ প্ৰাকৃতিক সম্পদ, যেনে — কয়লা, চূণশিল আৰু প্ৰচুৰ পৰিমাণৰ বনজ সম্পদৰ মালিকীস্বত্ব হেৰুৱাই পেলালে। তথাপি ব্ৰিটিছ আমোলৰ দৰেই অসমত এতিয়াও প্ৰচুৰ বনজ সম্পদ, জলজ সম্পদ আৰু খনিজ সম্পদ আছে। অস্কাৰ ফ্লেক্স নামৰ জাৰ্মান নাগৰিক তথা ব্ৰিটিছ বিষয়াগৰাকীয়ে ১৮৭৩ চনত মূল জাৰ্মান ভাষাত প্ৰকাশিত অসম সম্পৰ্কীয় তেওঁৰ কিতাপখনত লিখিছে যে কয়লাৰ ক্ষেত্ৰত অসম চহকী আছিল। অসমত থকা লোৰ খনিৰপৰা লো উলিয়াই অসমৰ কাৰিকৰে দা, কটাৰী আদি যাবতীয় সা-সৰঞ্জাম প্ৰস্তুত কৰিছিল। ফ্লেক্সৰ কিতাপত অসমত গন্ধক, নিমখ তথা সোণ থকাৰ কথাও উল্লেখ আছে।

১৮৯৯ চনত ডিগবৈত অসম অইল কোম্পানিৰদ্বাৰা ব্ৰিটিছ আমোলতেই খাৰুৱা তেলৰ অনুসন্ধানৰ কাম আৰম্ভ হৈছিল। ১৯০১ চনত ব্ৰিটিছেই পাতিছিল প্ৰথম তেল শোধনাগাৰ, যিটো কেৱল ভাৰতৰেই নহয়, সমগ্ৰ এছিয়াৰেই প্ৰথম তেল শোধনাগাৰ হিচাপে চিহ্নিত হৈছিল। ১৯৫৩-৫৪ চনপৰ্যন্ত ডিগবৈয়েই আছিল ভাৰতৰ একমাত্ৰ তৈলখাদ। ব্ৰিটিছে সন্ধান দি যোৱা সেই ভেটিতেই স্বাধীনোত্তৰ অসমত আৰু তিনিটাকৈ (নুনমাটি, বঙাইগাঁও, নুমলীগড়) শোধনাগাৰ গঢ়ি উঠিছিল। কিন্তু পৰিতাপৰ কথা এয়ে যে অসমৰ তৈল-সম্পদৰ ওপৰত ভিত্তি কৰি যিমানবোৰ আনুষঙ্গিক উদ্যোগ গঢ়ি উঠাৰ সম্ভাৱনা আছিল বা আছে, সিমানবোৰ আজি পৰ্যন্ত গঢ় লৈ নুঠিল। এতিয়াও অসমৰ শোধনাগাৰবোৰৰ উপজাত দ্ৰব্যসমূহ ঔদ্যোগিক উদ্দেশ্যত সম্পূৰ্ণভাৱে ব্যৱহাৰ কৰা নহ'ল, খাৰুৱা তেলৰ সৈতে ওলোৱা প্ৰাকৃতিক গেছ বহু বছৰ ধৰি বিনা ব্যৱহাৰে পুৰি শূন্যত বিলীন হৈ গ'ল। ব্ৰিটিছে উদ্‌ঘাটন কৰা খনিজ তেলৰদ্বাৰা অসমলৈ যি-প্ৰাচুৰ্য আহিব লাগিছিল, সি আজিকোপতি নাহিল। খনিজ তেলৰ দৰেই ব্ৰিটিছ শাসনকালতেই অসমত কয়লা আৰু চূণশিলৰো উদ্‌ঘাটন হৈছিল। সোৱণশিৰিকে ধৰি অসমৰ নৈবোৰত এসময়ত সোণোৱালসকলে বালি ধুই সোণ বুটলিছিল। ঊনৈছ শতিকাতেই ই লুপ্ত হ'ল। মেঘালয় পৃথক্ হোৱাৰ লগে লগে অসমে চূণশিল, কয়লা তথা ইউৰেনিয়ামৰ ভাণ্ডাৰো হেৰুৱালে।

বিশাল ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ উপনৈসমূহে অসমক প্ৰচুৰ জলসম্পদৰ গৰাকী কৰিছে। অসমত জলবিদ্যুৎ উৎপাদনৰ সম্ভাৱনাও প্ৰচুৰ। অৱশ্যে ব্ৰিটিছৰ দিনৰ দৰে এতিয়াও অসমত জলজ সম্পদৰ সঠিক ব্যৱহাৰ হোৱা নাই। স্বাধীনতাৰ পূৰ্বেই অবিভক্ত অসমত ভাৰতৰ মুঠ জলবিদ্যুৎ উৎপাদনৰ এক বৃহৎ অংশ উৎপাদনৰ সম্ভাৱনা থকা বুলি হিচাপ কৰি উলিওৱা হৈছিল। অৱশ্যে ১৯৫৬, ১৯৫৭ চনপৰ্যন্ত মেঘালয়ৰ এটা সৰু জলপ্ৰপাতৰপৰাহে বিদ্যুৎ উৎপাদন কৰি



শ্বিলঙলৈ বিদ্যুৎ যোগান ধৰা হৈছিল। ১৯৫৭ চনত উমট্ৰুত আন এটা জলবিদ্যুৎ প্ৰকল্প কলম্বো প্লেনৰ অধীনত কাৰ্যক্ষম কৰি তোলা হৈছিল। সম্প্ৰতি অসমত কেইবাটাও জলবিদ্যুৎ প্ৰকল্পত বিদ্যুৎ উৎপাদন কৰা হৈছে। তদুপৰি তাপবিদ্যুৎ উৎপাদন কেন্দ্ৰও স্থাপন কৰা হৈছে। চহৰবোৰৰ তো কথাই নাই, অসমৰ মুঠ ২৫,১২৪খন গাঁৱৰ (২০০১ চনৰ লোকপিয়ল মতে) ভিতৰত ১৮,৫৬৭খন গাঁৱত বিদ্যুৎ যোগান ধৰা হৈছে (৭৪ শতাংশ)। উদ্যোগ, কাৰ্যালয়, অনুষ্ঠান-প্ৰতিষ্ঠান তথা ঘৰুৱা খণ্ড আটাইবোৰকে সামৰি ২০১০-১১ চনত অসম শক্তি উৎপাদন নিগম লিমিটেড (APGCL, Assam Power Generation Corporation Ltd)এ মুঠ ৩৩১২.৩৫ মেগাৱাট বিদ্যুৎ বিক্ৰী কৰিছে। সেয়ে হ'লেও ৰাজ্যখনত এতিয়াও চাহিদা অনুপাতে বিদ্যুৎ উৎপাদন হোৱা নাই। চুবুৰীয়া ৰাজ্য মেঘালয়ৰপৰা নিয়মিতভাৱে বিদ্যুৎ ক্ৰয় কৰাৰ পিছতো অসমত বিদ্যুৎ কৰ্তন এক নিত্য নৈমিত্তিক ঘটনাত পৰিণত হৈছে। গাঁওবোৰত নামতহে বিদ্যুৎ সংযোগ কৰা হৈছে, সৰহ সময় বিদ্যুৎ যোগান ব্যাহত হৈয়েই থাকে। তদুপৰি অপৰম্পৰাগত বিদ্যুৎ উৎপাদনৰ উৎস, যেনে - সৌৰশক্তি, জৈৱ শক্তি, বতাহ-চালিত শক্তি আদিৰ ব্যৱহাৰ অসমত নাই বুলিবই পাৰি। শক্তি সম্পদৰ ক্ষেত্ৰত ১৯৬২ চনত The *Economic Development of Assam* নামৰ কিতাপখনত ড° পি চি গোস্বামীয়ে কোৱা "Though Assam occupies first place in India as regards her potential water power resources, she has the lowest figure of power developed" কথাষাৰে আজিও প্ৰাসঙ্গিকতা হেৰুওৱা নাই।

চৌপাশে পাহাৰ, গছ-গছনিৰে ভৰা সেউজী অসম আছিল বনজ সম্পদৰো আকৰ। ১৯৫৫-৫৬ চনত *Statistical Abstract of India*ত প্ৰকাশিত তথ্যমতে ১৯৫৩-৫৪ চনত অসমৰ মুঠ ভৌগোলিক এলেকাৰ ২৫.৭ শতাংশই আছিল বনভূমি। ব্ৰিটিছে ভাৰতৰ গছ-গছনিৰ ঔষধি-মূল্যৰো উমান পাইছিল আৰু সেয়েহে বনভূমি সংৰক্ষণৰ বাবে সুকীয়া নীতি-নিৰ্দেশনা ঘোষণা কৰিছিল আৰু আইনো প্ৰণয়ন কৰিছিল। ব্ৰিটিছৰ প্ৰকৃতিপ্ৰেমী দুই-এক বিষয়াই অসমৰ পাহাৰ আৰু সমতল অঞ্চলত শতাধিক জাতৰ অৰ্কিড, ফুলগছ, ঢেঁকীয়াজাতীয় বননি আৰু অন্যান্য প্ৰজাতিৰ গছ-গছনি আৱিষ্কাৰ কৰি নিজৰ নিজৰ টোকাত লিপিবদ্ধ কৰি গৈছিল। অসমৰ বহুতো ভিতৰুৱা বনাঞ্চল আজিও বৈজ্ঞানিক দৃষ্টিভঙ্গিৰে আৱিষ্কৃত হোৱাই নাই। ব্ৰিটিছৰ দিনত অসমৰ বনাঞ্চলৰ সংৰক্ষণ আৰু উচিত ব্যৱহাৰৰ অৰ্থে সুকীয়া বিভাগ খোলা হৈছিল। সংৰক্ষিত এলেকা, নিয়ন্ত্ৰিত এলেকা আদি ভাগ ভাগ কৰি বন-প্ৰশাসনৰ ব্যৱস্থা কৰা হৈছিল। ১৮৮৪-৮৫ চনত অসমৰ বন বিভাগৰ অধীনত সৰ্বমুঠ ৮,৫৯৫ বৰ্গমাইল ভূমি আছিল; ইয়াৰে ২,৩৪২ বৰ্গমাইল বনভূমি সংৰক্ষিত আৰু ৮৬৩ বৰ্গমাইল সুৰক্ষিত এলেকা বুলি স্বীকৃতি দিয়া হৈছিল। ১৯৩৮-৩৯ চনত সংৰক্ষিত বনভূমিৰ পৰিমাণ ৬৫১৪ বৰ্গমাইল আৰু অ-শ্ৰেণীবিভাজিত বনভূমিৰ পৰিমাণ ১৪,৮৮২ বৰ্গমাইল হৈছিলগৈ।

তাহানিৰপৰাই অসমৰ বনাঞ্চলত শাল, চেগুন, তিতাচপা, গমাৰি, শিমলু, বনচোম আদি মহামূল্যৱান গছ-গছনি আছে। এই গছবোৰৰ উপৰি অন্যান্য উদ্ভিদ, গছলতা, পশু-পক্ষী, জলাশয়, মাছ-কাছৰ ঔদ্যোগিক তথা বাণিজ্যিক মূল্য আজিও কোনোগুণে হ্রাস পোৱা নাই। ব্ৰিটিছে তেওঁলোকৰ বননীতিত বনজ সম্পদ আৰু ঝুমখেতি, চাহখেতি, কাঠফলা মিল, ৰেলৰে শ্লিপাৰ নিৰ্মাণকে ধৰি কাঠৰ ব্যৱসায় আদিক পৰিপূৰক হিচাপে আগবঢ়াই নিয়াৰ বিধান ৰাখিছিল।

স্বাধীন ভাৰতৰ নতুন বননীতিৰ অধীনত অসমতো বনজ সম্পদৰ সঠিক ব্যৱহাৰ আৰু সংৰক্ষণৰ বাবে চৰকাৰী প্ৰয়াসত বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছে। শেহতীয়া তথ্যানুসৰি অসমত মুঠ মাটিকালিৰ ৩৫.৩০ শতাংশই হৈছে বনভূমি। গতিকে ১৯৫২ চনৰ ৰাষ্ট্ৰীয় বননীতিমতে (১৯৮৮ চনৰ নতুন নীতিমতেও) মুঠ মাটিকালিৰ ৩৩ শতাংশ বনভূমি হ'ব লাগে, যিটো অসমৰ ক্ষেত্ৰত ঠিকে-ঠাকে আছে বুলিব পাৰি। সেয়ে হ'লেও অসমত ব্যাপক বন-বিধ্বংসীকৰণ তথা অসাধু লোকৰদ্বাৰা বিশ্ববিখ্যাত এশিঙীয়া গঁড়কে ধৰি অন্যান্য জন্তুৰ চিকাৰ, কাঠ-বাঁহৰ চোৰাং কাৰবাৰ, বনাঞ্চলৰ মাটি বেদখল আদিৰ খবৰ সঘনাই পোৱা যায়। মন কৰিবলগীয়া যে ব্ৰিটিছ আমোলতো বঙ্গৰ খৰিকটীয়াই অসমৰ হাবিৰপৰা গছ কাটি নিয়াৰ অভিযোগ সেই সময়ৰ বন বিভাগৰ বিষয়াৰ ওচৰত দাখিল কৰা হৈছিল। স্বৰূপ সলনি হ'লেও সেই সমস্যা আজিও বৰ্তি আছে আৰু ই বৰ্তি আছে বৃহৎ পৰিসৰতেই। অসম চৰকাৰে প্ৰতি বছৰে বনাঞ্চলৰপৰা কোটি টকাৰ ৰাজহ পায় (২০১০-১১ চনত চৰকাৰে ৫৮৬৮.৫২ লাখ টকাৰ ৰাজহ পাইছে); কিন্তু এক বৃহৎ পৰিমাণৰ ধন চোৰাংচিকাৰী তথা অসাধু ব্যৱসায়ীৰ হাতলৈ গুচি যায়। কেৱল বিত্তীয় লোকচানেই নহয়, সঠিক ৰূপত সংৰক্ষণৰ নীতি ৰূপায়িত নোহোৱাত অসমে বছৰি বছৰি হেৰুৱাই আছে মহামূল্যৱান জৈৱ-বৈচিত্ৰ্য। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানকে ধৰি ৫খন ৰাষ্ট্ৰীয় উদ্যান আৰু ১৮খন অভয়াৰণ্যই দেশ-বিদেশৰ পৰ্যটকক অসমলৈ আকৰ্ষণ কৰি আহিছে। উল্লেখযোগ্য যে সমগ্ৰ ভাৰতৰ দৰে অসমতো স্বাধীনতাৰ পিছত পৰ্যটন উদ্যোগে ক্ৰমশঃ অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হৈছে।

## কৃষি: অৰ্থনীতিৰ ৰাজহাড় আৰু দুৰ্ভগীয়া কৃষক

সুজলা, সুফলা, শস্যশ্যামলা অসম। উৰ্বৰা ভূমি, নাতিশীতোষ্ণ জলবায়ু, পৰ্যাপ্ত বৰষুণ, প্ৰয়োজনীয় ৰ'দ — উদাৰ প্ৰকৃতিয়ে আঁজলি ভৰাই অসমক প্ৰাচুৰ্য দিছে। গেইটে লিখিছে: "Assam has been described as a country where there is no undue prosperity or distressing starvation." আহোমৰ ছশ বছৰীয়া শাসন কালছোৱাত যি-"খেল" বা সংগঠিত শ্ৰম-ব্যৱস্থাৰে কৃষিকে ধৰি অন্যান্য উৎপাদন ব্যৱস্থা চলিছিল, ব্ৰিটিছে সেই ব্যৱস্থাৰ অন্ত পেলাইছিল। নতুন ভূমি বন্দৱস্ত প্ৰথামতে পূৰ্বতে "পাইক" নামেৰে চিহ্নিত শ্ৰমিকসকলক ৰায়ত নাম দি মাটিৰ মালিকীস্বত্ব দিয়াৰ ব্যৱস্থা কৰিলে। সমগ্ৰ ভাৰতবৰ্ষতে ব্ৰিটিছে প্ৰৱৰ্তন



কৰা জমিদাৰী, মহলদাৰী আৰু ৰায়তাৰী ভূমিস্বত্ব প্ৰথা আৰু তাৰ কুফলসমূহৰ কথা সৰ্বজনবিদিত। অসমত জমিদাৰীৰ পৰিসৰ তুলনামূলকভাৱে যথেষ্ট কম আছিল। ব্ৰিটিছ-শাসনৰ আৰম্ভণিতে গোৱালপাৰা আৰু শ্ৰীহট্ট জিলা বেঙ্গল প্ৰেছিডেন্সিৰ অংশ হিচাপে থকা বাবেই পিছতো গোৱালপাৰা আৰু কাছাৰ জিলাত স্থায়ী জমিদাৰী বন্দৱস্ত প্ৰথা চলিছিল। স্বত্ব-প্ৰথা যিয়েই নহওক কিয়, ব্ৰিটিছৰ উদ্দেশ্য আছিল ৰাজহ আদায় কৰা। পাৰ্বত্য জিলাসমূহত ঝুমখেতি চলিছিল বাবে তাত ভূমি-স্বত্বৰ কথাও অবান্তৰ আছিল আৰু সেইবোৰৰপৰা ৰাজহ আদায় কৰাও নহৈছিল। স্থায়ী বন্দৱস্তৰ লগতে লাখেৰাজ, খেৰাজ, অস্থায়ী বন্দৱস্ত আদি ভিন্ন ভিন্ন নামৰ ভূমি-স্বত্ব প্ৰথাৰ প্ৰচলন আছিল। স্বাধীনতাৰ পিছত সমগ্ৰ দেশত হোৱা ভূমিসংস্কাৰ অসমতো হৈছিল। ১৯৫১ চনত জমিদাৰী অধিগ্ৰহণ আইন, ১৯৪৮ চনত অসম আধিয়াৰ সুৰক্ষা আইন, ১৯৫৬ চনৰ ভূমি চিলিং আইন আদি অসম চৰকাৰে গ্ৰহণ কৰা উল্লেখনীয় কেইখনমান আইন, যাৰদ্বাৰা ভূমি সংস্কাৰৰ জৰিয়তে প্ৰকৃত কৃষকৰ মাজত কৃষিভূমি বিতৰণ কৰি কৃষি উৎপাদন বঢ়াব বিচৰা হৈছিল। পিছে পৰিতাপৰ কথা এয়ে যে আজিও অসমত হেজাৰ হেজাৰ ভূমিহীন কৃষক আছে আৰু অনেকৰ অৱস্থা ব্ৰিটিছৰ দিনৰ কৃষকৰ লেখীয়াই হৈ আছে।

ঔপনিৱেশিক কালত ব্ৰিটিছে বাণিজ্যিক শস্য উৎপাদনৰ ওপৰত অধিক গুৰুত্ব দিছিল। পূৰ্বৰেপৰা উৎপাদন কৰি অহা অসমৰ মানুহৰ প্ৰধান খাদ্য ধানৰ উৎপাদন সেয়েহে ব্ৰিটিছ শাসনকালত কমি গৈছিল। দুই-এক উৎসাহী ইংৰাজ বিষয়াই অসমৰ সেই সময়ত ছন পৰি থকা মাটিত কুঁহিয়াৰ, সৰিয়হ আদি খাদ্য-শস্য উৎপাদনৰ বাবে পৰামৰ্শ আগবঢ়াইছিল যদিও উচ্চ-উপাৰ্জনক্ষম "চাহ"ৰ আবিষ্কাৰে কৃষিখণ্ডক এক নতুন গতি দিছিল। চতুৰ ব্ৰিটিছে চাহৰ বাণিজ্যিক সম্ভাৱনা বুজি উঠিছিল আৰু চাহ-উৎপাদনৰ বাবে বিশাল কৃষিভূমি আবণ্টন কৰিছিল। চাহখেতিৰ আৰম্ভণি অসমৰ বাবে ভাল আছিল নে বেয়া আছিল, ব্ৰিটিছৰ উদ্দেশ্য কি আছিল, সেইবোৰ কথা একাষৰীয়াকৈ থৈ এটা কথা ক'ব পাৰি যে আজি বিশ্বায়নৰ দিনত চাহে অসমক এক সুকীয়া পৰিচয় প্ৰদান কৰিছে। অসমৰ চাহ আজি বিশ্বৰ চুকে-কোণে সমাদৃত। ভাৰত চৰকাৰেও চাহৰ নামত এক শকত পৰিমাণৰ বৈদেশিক মুদ্ৰা অৰ্জন কৰিবলৈ সক্ষম হৈছে। গতিকে সেই দিশৰপৰা ব্ৰিটিছৰ চাহখেতিয়ে অসমৰ ধানখেতিৰ গুৰুত্ব কমালে যদিও সেই কাৰ্য গোৰ মাৰি গঙ্গাত পেলোৱাৰ দৰেহে হ'লগৈ। ব্ৰিটিছৰ আমোলত কৃষিখণ্ডত সবাতোকৈ নিকৃষ্ট কাৰ্য বোধহয় আছিল কানি-খেতিৰ প্ৰচলন, যিয়ে অসমৰ কৃষি আৰু কৃষকক প্ৰাণে নামাৰিলেও পঙ্গুপ্ৰায় কৰি পেলাইছিল।

তথাপি কৃষিয়েই হৈছে অসমৰ অৰ্থনীতিৰ জীৱনৰেখা। আজিও অসমৰ মুঠ কৰ্মৰত লোকৰ ৭৫ শতাংশক প্ৰত্যক্ষভাৱে আৰু ৫৩ শতাংশ লোকক পৰোক্ষভাৱে কৃষিয়ে জীৱনধাৰণৰ পথ মোকলাই দিছে। ৰাজ্যিক আয়লৈ কৃষিয়ে ১৯.২২ শতাংশ অৰিহণা আগবঢ়াইছে (*Economic Survey of Assam, 2011-*

*12*)। অৱশ্যে ৰাজ্যিক আয়লৈ কৃষি আৰু আনুষঙ্গিক খণ্ডৰ অবিহণা ক্ৰমশঃ কমি আহিছে। (তালিকা নং ১ দ্ৰষ্টব্য।)

তালিকা ১: অসমৰ কৃষি খণ্ডৰ উৎপাদন বৃদ্ধিৰ হাৰ
(২০০৪-০৫ বৰ্ষৰ স্থিৰ মুদ্ৰামূল্যত, শতাংশ হিচাপত)

| বছৰ | ২০০৫-০৬ | ২০০৬-০৭ | ২০০৭-০৮ | ২০০৮-০৯ | ২০০৯-১০ | ২০১০-১১ |
|---|---|---|---|---|---|---|
| মুঠ ঘৰুৱা উৎপাদনলৈ কৃষিৰ বৰঙণি | ২১.৩৯ | ২০.৭৮ | ২০.৪৩ | ১৯.৫৬ | ১৯.১৮ | ১৯.২২ |
| পূৰ্বৰ বছৰৰ ভিত্তিত বাৰ্ষিক বৃদ্ধিৰ হাৰ | ১.৯ | ১.৭ | ৩.০ | ১.২ | ৫.৯ | ৭.৫ |

উৎস: Economic Survey. Assam 2011-12

এই গতিধাৰা যে কেৱল অসমৰ ৰাজ্যিক আয়ৰ ক্ষেত্ৰতেই দেখা দিছে তেনে নহয়, সমগ্ৰ ভাৰতবৰ্ষতেই আজি কৃষিখণ্ডৰ যি পূৰ্বৰ স্থান তাক সেৱা খণ্ডই অধিকাৰ কৰিছে। উদ্যোগ খণ্ডৰো অৱদান বাঢ়ি গৈ আছে, কিন্তু কমি গৈছে কৃষি খণ্ডৰ অৱিহণা। অসমো তাৰ ব্যতিক্ৰম নহয়। জাতীয় অৰ্থনীতিৰ এই চৰিত্ৰৰ সৈতে অসমৰ অৰ্থনীতিও খাপ খাইছে।

অসমৰ কৃষক আৰু কৃষি সন্দৰ্ভত গেইটে আৰু এবাৰ কথা লিখিছে:

> The chief pursuit of the people was. of course. agriculture. Agriculture was looked upon as a noble profession and every Assamese. except the Brahmanas knew how to plough. ... Some monarchs being overwhelmed by the besetting thrones of political intrigues. expressed a longing to return to their pastoral surroundings where they could earn their livelihood by means of ploughing in the field.

এইখিনিতে স্বাধীনতাৰ পৰৱৰ্তী কালৰ সমাজখনত কৃষি আৰু কৃষক সম্পৰ্কে থকা মনোভাবৰ এক তুলনাৰ উদ্ৰেক হয়। আজি অসমত কৃষিৰ বাবে বহুতো কিবাকিবি হৈছে। বিশ্ব বেংকৰ দৰে আন্তঃৰাষ্ট্ৰীয় বিত্তীয় প্ৰতিষ্ঠানৰ ধন, ভাৰত চৰকাৰে ৰূপায়ণ কৰা বিভিন্ন আঁচনি, নাবাৰ্ডকে ধৰি অনেক বেংক, বিত্তীয় প্ৰতিষ্ঠানৰ ঋণদান আঁচনি, কৃষি বিশ্ববিদ্যালয়, প্ৰযুক্তি প্ৰতিষ্ঠানৰ শিক্ষা তথা গৱেষণাৰ প্ৰভাৱ, সেউজ বিপ্লৱৰ জৰিয়তে উচ্চ-উৎপাদনক্ষম বীজ, সাৰৰ ব্যৱহাৰ আদি ইমানবোৰ নতুন নতুন কৌশল, প্ৰযুক্তি সংযুক্ত হোৱাৰ পিছতো "কৃষক" হোৱাটো কাৰোৰেই কাম্য নহয়: ই আৰু "noble profession" হৈ থকা নাই। ব্ৰাহ্মণ নালাগে, কৃষকৰ ল'ৰায়ো যেন এতিয়া নাঙলত হাত থ'বলৈ ইচ্ছুক নহয়। ইয়েই আজিৰ কৃষি-ব্যৱস্থাৰ দুৰ্বল দিশটো উদঙাই দিয়ে। অৰ্থনীতিৰ মেৰুদণ্ড হিচাপে কৃষি আজি যিবোৰ সা-সুবিধাৰে ধন্য হ'ব লাগিছিল, সেইবোৰ পোৱা নাই।



ব্ৰিটিছৰ দিনৰ দৰেই অসমৰ চাহ-শ্ৰমিকসকল আজিও অনাদৃত, অৱহেলিত, অশিক্ষিত। অনুকূল মাটি, পানী, জলবায়ু থকা সত্ত্বেও অসমে আজি ফুল, ফল, পাচলিকে ধৰি প্ৰতিটো কৃষিজাত দ্ৰব্য আন ৰাজ্যৰপৰা আমদানি কৰিবলগীয়া হয়। কৃষিৰ উৎপাদন বৃদ্ধিৰে অসমৰ শ্ৰীবৃদ্ধি কৰাটো ব্ৰিটিছ-ৰাজৰ উদ্দেশ্য নাছিল। সেইবাবে ৰাজহ আদায়, ইংলেণ্ডৰ উদ্যোগৰ বাবে কেঁচামাল সংগ্ৰহ তথা বাণিজ্যিক লাভৰ উদ্দেশ্যৰে অসমৰ কৃষি আৰু কৃষকক ব্যৱহাৰ কৰা হৈছিল। কিন্তু স্বাধীনতাৰ পিছত নিজস্ব চৰকাৰৰ উদ্দেশ্য নিঃসন্দেহে কৃষি আৰু কৃষকৰ কল্যাণসাধন। কেন্দ্ৰীয় চৰকাৰৰ কৃষি বিভাগ তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ অনুষ্ঠান-প্ৰতিষ্ঠানবোৰৰ উপৰি ৰাজ্যত আছে অসম চৰকাৰৰ কৃষি বিভাগ, কৃষি বিশ্ববিদ্যালয়, উদ্যান শস্য বিভাগ, বাগিচা শস্য বিভাগ, বীজ নিগম, কৃষি বিপণন পৰিষদ ইত্যাদি এশ এবুৰি চৰকাৰী বিভাগ। তৎসত্ত্বেও অসমত কৃষিৰ বাবে উপযুক্ত জলসিঞ্চনৰ ব্যৱস্থা নাই, উন্নত বজাৰ নাই, শস্যৰ ভঁৰাল নাই, কৃষকে উৎপাদিত ফচলৰ উচিত মূল্য নাপায়, মধ্যৱৰ্তী দালালৰ হাতলৈহে শ্ৰমৰ প্ৰকৃত মূল্য গুচি যায়, চৰকাৰী আঁচনিৰ সাহায্যৰপৰা কৃষক সদা-বঞ্চিত, আধুনিক প্ৰযুক্তি ব্যৱহাৰৰ বাবে উপযুক্ত পৰিকাঠামো নাই, আনকি বিশ্ববিদ্যালয়ৰ উচ্চশিক্ষাৰে শিক্ষিত কৃষি বিষয়াসকলে অৰ্জিত জ্ঞান ব্যৱহাৰ কৰিব পৰা পৰিৱেশ এটাও আজিলৈকে সৃষ্টি হোৱা নাই। কোন কাহানিবাই পাঞ্জাৱ, হাৰিয়ানাক সমৃদ্ধ কৰা সেউজ বিপ্লৱে সেয়েহে আজিও অসমক সম্পূৰ্ণ ৰূপত স্পৰ্শ কৰিব পৰা নাই। জলসিঞ্চনৰ কথাই চোৱা যাওক। অসম চৰকাৰৰ এটা সুকীয়া জলসিঞ্চন বিভাগ থকা সত্ত্বেও অসমৰ কৃষিত কৃত্ৰিম জলসিঞ্চন ব্যৱস্থাটোৰ বাস্তৱ অস্তিত্ব অতি দুৰ্বল। ২০০৯-১০ চনৰ হিচাপমতে অসমৰ মুঠ ৪১.০৫ লাখ হেক্টৰ কৃষিযোগ্য ভূমিৰ ২৭ লাখ হেক্টৰ ভূমিহে জলসিঞ্চনৰ উপযোগী। তাৰে ১০ লাখ হেক্টৰ ভূমিৰ বাবে বৃহৎ আৰু মজলীয়া প্ৰকল্পৰ জৰিয়তে আৰু ১৭ লাখ হেক্টৰ ভূমিৰ বাবে ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্পৰ জৰিয়তে জলসিঞ্চনৰ পৰিকল্পনা যুগুত কৰা হৈছে। কিন্তু জলসিঞ্চন বিভাগে ২০১০-১১ চনপৰ্যন্ত ৭.৯৭ লাখ হেক্টৰ ভূমিতহে জলসিঞ্চনৰ ব্যৱস্থা কৰিবলৈ সক্ষম হৈছে। তাৰো ৫.৫৩ লাখ হেক্টৰ ক্ষুদ্ৰ আৰু বাকীখিনিত বৃহৎ আৰু মজলীয়া প্ৰকল্পৰ অধীনত কৰা হৈছে। ধান-উৎপাদনৰ ক্ষেত্ৰত শেহতীয়াকৈহে অসমত উচ্চ উৎপাদনক্ষম বীজ ব্যৱহাৰ কৰা হৈছে। ২০১০-১১ চনত মাথোন ২.৪ শতাংশ ধান-উৎপাদনকাৰী কৃষিভূমিত এনে বীজ ব্যৱহাৰ কৰি চোৱা হৈছে। গতিকে পাঞ্জাৱ-হাৰিয়ানাৰ দৰে সেউজ বিপ্লৱ ঘটা ৰাজ্যৰ তুলনাত অসমৰ স্থিতি নিশকতীয়া।

কৃষি-বাণিজ্যিকীকৰণ প্ৰক্ৰিয়া ব্ৰিটিছ আমোলতে সৃষ্টি হোৱা সত্ত্বেও অসমৰ ফলমূল, শাক-পাচলিৰ ঔদ্যোগিক বাণিজ্যিকীকৰণ তেনেই দুৰ্বল অৱস্থাত আছে। অসমৰ গাঁওবোৰৰ পৰম্পৰাগত বাৰীবোৰৰ ঔষধি মূল্যসম্পন্ন ফলমূল, তৰু-তৃণবোৰৰ সংগঠিত ৰূপত উৎপাদন হোৱা তো নায়েই, বৰং নৱ-প্ৰজন্মৰ অসমীয়াৰ

বাবে সেইবোৰ ক্ৰমশঃ অচিনাকী সামগ্ৰীত পৰিণত হৈছে। ব্ৰিটিছে চাহ, নীল, ধঁপাত আৰু মৰাপাটৰপৰা আৰম্ভ কৰা কৃষি-বাণিজ্যিকীকৰণ প্ৰক্ৰিয়াক কেৱল নিজৰ লাভৰ বাবেই ব্যৱহাৰ কৰি গ'ল, তাৰ পৰম্পৰাৰ সোঁত অসমীয়াৰ হাড়-হিমজুত বোৱাই থৈ নগ'ল। এইবোৰ কাৰণতেই অসমৰ অৰ্থনীতিৰ ৰাজহাড় হৈয়ো অসমৰ কৃষি তথা কৃষকৰ জীৱন সমস্যাৰে জৰ্জৰিত হৈ থাকিল।

ব্ৰিটিছে অতি চুচুৰীয়াকৈ কৃষি খণ্ডত আনুষ্ঠানিক সম্প্ৰসাৰণৰ কাম আৰম্ভ কৰিছিল। দ্বিতীয় মহাযুদ্ধৰ আগলৈকে কৃষি-শিক্ষাৰ ক্ষেত্ৰত কেতবোৰ প্ৰাথমিক প্ৰশিক্ষণ কেন্দ্ৰ আছিল যোৰহাট আৰু কৰিমগঞ্জত। ১৯৪৮ চনত যোৰহাটত কৃষি কলেজ আৰু ১৯৬৯ চনত কৃষি বিশ্ববিদ্যালয় স্থাপন কৰা হয় আৰু কৃষি কলেজ তথা পশু চিকিৎসা মহাবিদ্যালয় ইয়াৰ অধীনলৈ আনে। ১৯২৮ চনৰ Royal Commission on Agricultureৰ প্ৰতিবেদনৰ ভিত্তিত ১৯৩০ চনতেই স্থাপিত হৈছিল সুকীয়া কৃষি সঞ্চালকালয়। এই সঞ্চালকালয়ৰ অধীনত তাহানিৰ দৰে আজিও কিছু সালসলনিৰে পশুপালন, বীজ, সাৰ আদিৰ যোগান, কৃষি-বিপণন, গ্ৰামোন্নয়ন আদি কৃষি আনুষঙ্গিক ক্ষেত্ৰবোৰ চোৱাচিতা কৰি থকা হৈছে। পশুপালন অসমৰ গ্ৰামীণ কৃষক-জীৱনৰ অঙ্গাঙ্গী-কৰ্ম আছিলেই। ব্ৰিটিছ চৰকাৰে ১৮৯৭-৯৮ চনত শিলঙত আৰু ১৯২৬ চনত খানাপাৰাত গৰু-ম'হৰ পাম মুকলি কৰে। Royal Commissionৰ পৰামৰ্শমতে ১৯৩৫ চন মানৰপৰা গাঁওবোৰত গৰু-ম'হৰ উন্নয়ন আৰু সম্প্ৰসাৰণ সম্পৰ্কীয় কামকাজ, যেনে — ডিছপেন্সৰি খুলি বিভাগীয় কৰ্মচাৰী আদিক নিযুক্তি দিবলৈ লয়। বৰ্তমান অন্যান্য ৰাজ্যৰ দৰে অসমৰ পশুপালন আৰু দুগ্ধ উন্নয়ন বিভাগটোও এক বিয়াগোম বিভাগ। কৃষি আনুষঙ্গিক যদিও ই নিজস্বভাৱে কাম কৰে। পশুপালন, হাঁহ-কুকুৰা পালন, মাংস-কণী আৰু দুগ্ধ-উৎপাদনৰ নতুন নতুন আৰু বিজ্ঞানসন্মত অনেক আঁচনি স্বাধীনতাৰ পিছৰেপৰা বিভাগটোৱে ৰূপায়ণ কৰি আহিছে। বিভাগটোৰ অধীনত বহুতো লোকে প্ৰত্যক্ষ কৰ্মসংস্থান পোৱাৰ উপৰি বহুতো পৰিয়ালৰ বাবে ই স্ব-নিয়োজন তথা আত্ম-সংস্থাপনৰ বাটো মুকলি কৰি দিছে। বিভাগটোৱে গাঁৱৰ মহিলাৰ আৰ্থিক সবলীকৰণতো পৰোক্ষভাৱে হ'লেও সহায় আগবঢ়াইছে। অনেক ক্ষেত্ৰত ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ আৰু জিলা গ্ৰাম্য বিকাশ প্ৰতিষ্ঠানৰ সহযোগত এই বিভাগটোৱে অনেক আঁচনি ৰূপায়ণ কৰিছে। তৎসত্ত্বেও বিভাগটোৱে ৰাজ্যখনক কণী, গাখীৰ, মাংস উৎপাদনত স্বাৱলম্বী কৰি তুলিব পৰা নাই। প্ৰতিনিয়ত অসমলৈ অন্য ৰাজ্যৰপৰা এই খাদ্যসামগ্ৰীসমূহৰ সোঁত বয় আৰু হাজাৰ কোটি টকা বছৰি ৰাজ্যৰ বাহিৰলৈ ওলাই যায়। এইখিনি কথা মাছ উৎপাদনৰ ক্ষেত্ৰতো প্ৰযোজ্য। নৈ-প্ৰধান ৰাজ্য হিচাপে আৰু আমিষভোজী লোকৰ সংখ্যাধিক্যৰ বাবে অসমত মৎস্য-উৎপাদন বা মীনপালন এক গুৰুত্বপূৰ্ণ অৰ্থনৈতিক কাৰ্য। নৈ-বিল-পুখুৰী-জলাশয়ৰ প্ৰাচুৰ্য সত্ত্বেও অসমত মৎস্য-উৎপাদন উঁভৈনদী হোৱা নাই। বিশাল ব্ৰহ্মপুত্ৰ, বৰাক আৰু উপনৈবোৰৰ উপৰি শেহতীয়া হিচাপমতে



অসমত ৪৩০খন পঞ্জীয়নভুক্ত বিল তথা ফিচাৰি আৰু ১৭৭টা নৈ-ফিচাৰি আছে। তদুপৰি অসংগঠিতভাৱে ব্যক্তিগত পৰ্যায়ৰ মৎস্য উৎপাদন কেন্দ্ৰ বা পুখুৰীবোৰ আছেই। শেহতীয়াভাৱে বিশ্ববেংকৰ অৰ্থ-সাহায্যত Assam Rural Infrastructure and Agricultural Services Project (ARIASP 1995-96 to 2003-04) আৰু Assam Agricultural Competitiveness Project (AACP, 2004-05 till date) আদি আঁচনিৰ ৰূপায়ণৰদ্বাৰাও মীনখণ্ডৰ বিকাশৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। তাৰ বিপৰীতে, প্ৰতি বছৰে অন্ধ্ৰপ্ৰদেশৰপৰা অহা চালানি মাছৰ ব্যৱসায় কিন্তু হ্ৰাস পোৱা নাই। বৰঞ্চ তাহানি ব্ৰিটিছৰ দিনত মাছে-কাছে গজগজাই থকা অসমৰ গাঁওবোৰতো এতিয়া অন্ধ্ৰপ্ৰদেশৰ মাছ সহজলভ্য হৈ পৰিছে।

ঋণগ্ৰস্ততা কেৱল অসমৰেই নহয়, সৰ্বভাৰতীয় স্তৰতো কৃষকসকলৰ বাবে এক জীৱন-মৰণ সমস্যা। মুদ্ৰাবিহীন অৰ্থ-ব্যৱস্থাত যেতিয়া বিনিময় প্ৰথাৰ জৰিয়তে সহজ-সৰল গ্ৰাম্যজীৱন নিৰ্বাহিত হৈছিল, তেতিয়া ঋণগ্ৰস্ততাৰ প্ৰশ্ন অহা নাছিল। মুদ্ৰা তথা বজাৰ অৰ্থনীতি অহাৰ লগে লগে কৃষকৰ বাবেও পুঁজিৰ প্ৰয়োজন হ'ল। কৰ-কাটল দিবলগীয়া হোৱাত এই প্ৰয়োজনীয়তাও বৃদ্ধি পালে। কিন্তু প্ৰশ্ন হ'ল — ঋণ আহিব ক'ৰপৰা? পূৰ্বতে আত্মীয়স্বজন, মাটিৰ মালিক, অনানুষ্ঠানিক ঋণদাতা ব্যৱসায়ী, মহাজন আদিৰপৰাই কৃষকে ঋণ লৈছিল আৰু এনে ঋণৰ বাবে উচ্চ হাৰত সুদ দিব লাগিছিল। সুদ দিব নোৱাৰিলে কোনো কোনো ক্ষেত্ৰত শাৰীৰিক শ্ৰমেৰে ঋণ পৰিশোধ কৰিব লাগিছিল। আনকি পিতৃৰ ঋণ পৰিশোধ কৰিবলৈ সন্তানে শ্ৰম কৰিব লগা ঘটনাও ভাৰতত ঘটিছিল। ব্ৰিটিছ আমোলতো কৃষকসকল ঋণগ্ৰস্ত হ'বলগীয়া হৈছিল। ১৯২৯-৩০ চনৰ Provincial Banking Enquiry Committeeৰ প্ৰতিবেদনমতে অসমত গড় হিচাপত পৰিয়ালে প্ৰতি ২০৫ টকা ঋণগ্ৰস্ত আছিল। কমিটীয়ে সমীক্ষাৰ বাবে লোৱা নমুনাসমূহৰ ভিতৰত কাছাৰত ৯০ শতাংশ, যোৰহাটত ৪৩.৫ শতাংশ, দৰঙত ৮১.৫ শতাংশ, নগাঁৱত ৭৮ শতাংশ আৰু গোৱালপাৰাত ৬২ শতাংশ পৰিয়াল ঋণগ্ৰস্ত বুলি চিহ্নিত হৈছিল। কৃষকসকলৰ ঋণগ্ৰস্ততা দূৰ কৰিবলৈ ১৯০৪ চনতেই ভাৰতত Cooperative Credit Societies Act 1904 গ্ৰহণ কৰি কৃষকসকলক ঋণ দিয়াৰ ব্যৱস্থা কৰা হৈছিল। পুনৰ ১৯১২ চনত Cooperative Societies Act প্ৰণয়নৰ জৰিয়তে ঋণদানৰ উপৰি অন্যান্য খণ্ডলৈকো সমবায় সম্প্ৰসাৰণৰ ব্যৱস্থা কৰা হৈছিল, যাৰ ধাৰাবাহিকতা আজিও অক্ষুণ্ণ আছে। কৃষিৰ বাহিৰেও অন্যান্য ক্ষেত্ৰৰ উৎপাদন, বিতৰণ, বিপণন আদিৰ ক্ষেত্ৰলৈ সমবায় খণ্ডৰ সম্প্ৰসাৰণ ঘটিছে। বিশ্বৰ আন কিছুমান দেশৰ দৰে ভাৰতৰ — বিশেষকৈ গুজৰাট, মহাৰাষ্ট্ৰ, ৰাজস্থান আদি ৰাজ্যৰ সমবায় খণ্ডটোৱে উল্লেখনীয় অৰ্থনৈতিক অৱদান আগবঢ়াইছে। কিন্তু পৰিতাপৰ কথা যে অসমত তেনে হোৱা নাই। অসম চৰকাৰৰ অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়ৰ শেহতীয়া প্ৰতিবেদনমতে "In Assam, the cooperative sector failed to achieve its desired objective due to its

**limited impact and existence of uneconomic and dormant cooperatives" (Economic Survey 2011-12)।**

অসমৰ সাম্প্ৰতিক অৰ্থনৈতিক বিকাশৰ আঁচনিসমূহৰ প্ৰসঙ্গত বিশেষকৈ গ্ৰামীণ উন্নয়নৰ প্ৰসঙ্গত পঞ্চায়তী-ৰাজ অনুষ্ঠানবোৰৰ কথা থাকিবই। শেহতীয়াকৈ স্থানীয় প্ৰশাসন ব্যৱস্থাৰ আৱেষ্টনীলৈ আনি গাঁও পঞ্চায়ত তথা নগৰ নিগমসমূহৰ বাবে কাৰ্য আৰু ক্ষমতা নিৰ্দিষ্টকৈ নিৰ্ধাৰণ কৰি অৰ্থনৈতিক তথা ৰাজনৈতিক ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰা হৈছে। অসমতো অসম গণ পৰিষদ চৰকাৰৰ দিনত তিনিখলপীয়া পঞ্চায়তী ৰাজ ব্যৱস্থা প্ৰচলন কৰি বিশেষকৈ গ্ৰামোন্নয়নৰ আঁচনি ৰূপায়ণ কৰিবলৈ লোৱা হৈছে। পিছে এই পঞ্চায়ত-ব্যৱস্থা ভাৰতৰ ইতিহাসত কোনো নতুন ঘটনা নহয়। অসমত আহোমসকলৰ দিনতো এনে ৰাইজ-মেল ব্যৱস্থাৰ প্ৰচলন আছিল। তদুপৰি ১৮৮৪ চনত লৰ্ড ৰিপনে ভাৰতত স্থানীয় প্ৰশাসন ব্যৱস্থা প্ৰৱৰ্তনৰ বাবে আইন প্ৰণয়ন কৰিছিল। মিউনিচিপাল নিগম গঠন কৰা হৈছিল, যিবোৰে চৰকাৰৰ নিৰীক্ষণত কাম কৰিছিল। অসমতো এই ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছিল আৰু ঊনৈছ শতিকাৰ শেষলৈ অসম প্ৰভিন্সত এনে প্ৰায় নখন পৌৰনিগম কাৰ্যকৰী হৈছিল। আজিৰ দৰেই তাহানিও এই নিগমবোৰে চৰকাৰৰ হৈ কৰসংগ্ৰহ কৰিছিল। অৱশ্যে ঔপনিৱেশিক শাসনকালৰ তুলনাত বৰ্তমানৰ পঞ্চায়ত ব্যৱস্থাক বিত্তীয় আৰু প্ৰশাসনীয় ক্ষমতাৰে অধিক শক্তিশালী কৰিব পৰাকৈ আইন প্ৰণয়ন কৰা হৈছে। গ্ৰামোন্নয়নৰ সৰ্বাঙ্গ বিকাশৰ ক্ষেত্ৰত পঞ্চায়ত ব্যৱস্থাটোক এক আধাৰশিলা হিচাপে ব্যৱহাৰ কৰাৰো ব্যৱস্থা কৰা হৈছে। কিন্তু অসমৰ পঞ্চায়ত ব্যৱস্থা এতিয়াও ভাৰতৰ অন্যান্য ৰাজ্যৰ দৰে শক্তিশালী হৈ উঠা নাই। গ্ৰামাঞ্চলৰ দৰিদ্ৰতা দূৰীকৰণ, নিয়োগ নিশ্চিতকৰণ, আৰ্থ-সামাজিক পৰিকাঠামো সুদৃঢ়কৰণ, স্থায়ী সম্পদ নিৰ্মাণ আৰু প্ৰাকৃতিক সম্পদৰ সঠিক ব্যৱহাৰৰ ক্ষেত্ৰত ভাৰতৰ কেইখনমান ৰাজ্য, যেনে - পশ্চিমবঙ্গ, গুজৰাট, ৰাজস্থান, তামিলনাডু আদিত পঞ্চায়তী ৰাজ যিদৰে ফলৱতী হৈছে, অসমৰ অৱস্থান তাৰপৰা বহুত দূৰৈত। পৰ্যাপ্ত আইন প্ৰণয়ন কৰাৰ পিছতো অসমৰ পঞ্চায়তসমূহ বিত্তীয় সম্পদৰ অধিকাৰী হ'ব পৰা নাই; নিৰ্বাচনবোৰো সময়মতে পতা নহয়। তদুপৰি সাংগঠনিক দিশতো সেইবোৰ যথেষ্ট দুৰ্বল হৈয়েই আছে। মুঠৰ ওপৰত শস্য, মৎস্য, পশুধনৰ উৎপাদনৰ সংহত আৰু পৰিকল্পিত যি-ব্যৱস্থা অসমৰ গ্ৰামাঞ্চল তথা কৃষিখণ্ডত চৰকাৰ, বেচৰকাৰী অনুষ্ঠান আৰু সৰ্বসাধাৰণ ৰাইজৰ প্ৰচেষ্টাত গঢ় লৈ উঠিব লাগিছিল, সি এতিয়াও বাস্তৱ ৰূপ পোৱা নাই। অৱশ্যে এইক্ষেত্ৰত চৰকাৰকো নিষ্ক্ৰিয় বুলিব নোৱাৰি। ব্ৰিটিছ-শাসনৰ তুলনাত স্বৰাজোত্তৰ কালছোৱাত কৃষিখণ্ডৰ বিকাশৰ বাবে চৰকাৰে অনেক প্ৰকল্প হাতত লৈছে, সুকীয়া বিভাগ বা এজেন্সি আদি গঠন কৰি পৰিকল্পিতভাৱে কাৰ্য-ব্যৱস্থা গ্ৰহণ কৰিছে। তেনে কেতবোৰ প্ৰকল্পৰ কাম এতিয়াও পূৰ্ণোদ্যমে চলি আছে।



## জনসংখ্যা: ধৰিত্ৰীৰ বৰ্ধিত বোজা

আজিৰ দৰে বৈজ্ঞানিক পদ্ধতিৰে লোকপিয়ল কৰাটো সম্ভৱ হোৱা নাছিল যদিও ঘাইকৈ ৰাজহ সংগ্ৰহৰ স্বাৰ্থত ঔপনিৱেশিক শাসনকালতো পৰিয়াল আৰু জনসংখ্যাৰ হিচাপ লোৱা হৈছিল। এড্‌ৱাৰ্ড গেইটে উল্লেখ কৰিছে যে ১৮৩৫ চনত অসমৰ জনসংখ্যা আছিল ৭,৯৯,৫১৯জন। ১৯৮২ চনত উত্তৰ-পূব পৰিষদে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ বাবে সুকীয়াকৈ প্ৰকাশ কৰা তথ্যমতে অসমত ১৯০১ চনত ৩২.৭০ লাখ জনসংখ্যা আছিল। ইয়াৰে ৯৭.৫ শতাংশই গাঁৱত বাস কৰিছিল। ২০১১ চনৰ শেহতীয়া (সাময়িক) লোকপিয়লমতে অসমৰ জনসংখ্যা ৩১১.৬৯ লাখ হৈছেগৈ। ইয়াৰে ৮৬ শতাংশ লোক হৈছে গাঁৱৰ বাসিন্দা। বৰ্ধিত জনসংখ্যা কেৱল অসমৰেই নহয়, সৰ্বভাৰতীয় প্ৰেক্ষাপটৰ এক গুৰুত্বপূৰ্ণ সমস্যা। সেয়ে হ'লেও ১৯০১ চনৰপৰা ১৯৮১ চনপৰ্যন্ত জনসংখ্যা বৃদ্ধিৰ হাৰৰ যি-তথ্য চৰকাৰী উৎসবোৰত পোৱা যায়, তাত অসমৰ বৃদ্ধি প্ৰায় প্ৰতিটো দশকতে সৰ্বভাৰতীয় গড়তকৈ যথেষ্ট বেছি পৰিলক্ষিত হয়। উত্তৰ-পূব পৰিষদে প্ৰকাশ কৰা তথ্যমতে ১৯০১ চনৰপৰা ১৯৮১ চনলৈকে অসমত জনসংখ্যা বৃদ্ধিৰ হাৰ ৫০৫.০১ শতাংশ, সৰ্বভাৰতীয় গড় মাথোন ১৮৬.৮৪ শতাংশ। তথ্যৰ উৎসৰ বিসঙ্গতি অথবা অন্য যি কাৰণতেই নহওক কিয় ভাৰতৰ লোকপিয়লৰদ্বাৰা প্ৰকাশিত তথ্যমতে কিন্তু ১৯৯১-২০০১ চন আৰু ২০০১-২০১১ চনৰ দশক দুটাত অসমৰ জনসংখ্যা বৃদ্ধিৰ হাৰ সৰ্বভাৰতীয় হাৰতকৈ কম হোৱা দেখা যায় (তালিকা নং ২ দ্ৰষ্টব্য)।

তালিকা ২: অসমৰ জনসংখ্যা বৃদ্ধিৰ হাৰ

| লোকপিয়লৰ চন | জনসংখ্যা (লাখ হিচাপত) | | দশকৰ বৃদ্ধি (শতাংশ) | |
|---|---|---|---|---|
| | অসম | ভাৰত | অসম | ভাৰত |
| ১৯০১ | ৩৩ | ২৩৮৪ | - | - |
| ১৯১১ | ৩৮ | ২৫২১ | ১৭.০ | ৫.৮ |
| ১৯২১ | ৪৬ | ২৫১৩ | ২০.৫ | ০.৩ |
| ১৯৩১ | ৫৬ | ২৭৮৯ | ১৯.৯ | ১১.০ |
| ১৯৪১ | ৬৭ | ৩১৮৬ | ২০.৪ | ১৪.২ |
| ১৯৫১ | ৮০ | ৩৬১৯ | ১৯.৯ | ১৩.৩ |
| ১৯৬১ | ১০৮ | ৪৩৯২ | ৩৫.০ | ২১.৫ |
| ১৯৭১ | ১৪৬ | ৫৪৮১ | ৩৫.০ | ২৪.৮ |
| ১৯৮১ | ১৮০ | ৬৮৩৩ | ২৩.৪ | ২৪.৭ |
| ১৯৯১ | ২২৪ | ৮৪৬৩ | ২৪.২ | ২৩.৯ |
| ২০০১ | ২৬৬ | ১০২৭০ | ১৮.৯ | ২১.৫ |
| ২০১১ | ৩১২ | ১২১০২ | ১৬.৯ | ১৭.৬ |

উৎস: Economic Survey of Assam 2011-12

তথ্য-সংগ্ৰহ এক কষ্টকৰ কাম। এই কষ্ট কেৱল শাৰীৰিকেই নহয়, কাৰিকৰীও। কিয়নো সময়, যোগাযোগ, প্ৰযুক্তি, তথ্য দিওঁতা ইত্যাদি কাৰিকৰী দিশবোৰ উন্নত নহ'লে সঠিক তথ্য পোৱা টান। কিন্তু সেয়ে হ'লেও এটা কথা ঠিক যে অসমত যি-জনসংখ্যা-বৃদ্ধিৰ হাৰ, সেয়া প্ৰাকৃতিক বৃদ্ধিৰ ফল নহয়। ইয়াত আছে ব্ৰিটিছৰ দিনৰপৰা হোৱা প্ৰব্ৰজনৰ ধাৰাবাহিকতা। ভাৰতৰ অন্যান্য অংশৰ তথা নেপাল আৰু ভূটানৰ অনেক লোকে জীৱিকাৰ সন্ধানত আৰু চাহ-উদ্যোগৰ কৰ্মী হিচাপে তাহানিৰপৰাই অসমলৈ আহি বসবাস কৰিবলৈ লৈছে। অস্কাৰ ফ্লেক্সে লিখিছে যে তেওঁ অসমত থকা সময়ত (১৮৬৪-৬৭) অসমৰ জনসংখ্যা ১০ লাখৰ কম আছিল আৰু তেওঁলোক আছিল হিন্দু, মুছলমান, বঙ্গদেশৰপৰা অহা প্ৰবাসী আৰু কিছু জনজাতীয় সম্প্ৰদায়ৰ অৰ্থাৎ আদিবাসী লোক। ফ্লেক্সে তেওঁৰ কিতাপত ব্ৰিটিছসকলে চীনদেশৰপৰা চাহগছৰ কাৰিকৰ আৰু ভাৰতৰ অন্যান্য ঠাই, যেনে - ছোটনাগপুৰ, উৰিষ্যা, মাদ্ৰাজ, পাঞ্জাৱ তথা নেপালৰপৰা চাহবাগানৰ বাবে মজদুৰ, কৰ্মী আদি আনি নিগাজীকৈ থাকিবলৈ দিয়াৰ কথাও লিখিছে। আজি অসমৰ আৰ্থ-সামাজিক উন্নয়নৰ পটভূমিত থলুৱা জনগোষ্ঠীবোৰৰ অস্তিত্বৰক্ষাৰ সংগ্ৰাম, প্ৰব্ৰজন আৰু লগতে বিতাড়নৰ যি-সমস্যাত চৰকাৰ তথা সৰ্বসাধাৰণ ৰাইজ ভুগিবলগীয়া হৈছে, তাত ব্ৰিটিছ-শাসনৰ প্ৰভূত অৰিহণা আছে।

অত্যধিক জনসংখ্যাই সমস্যাৰ সৃষ্টি কৰে হয়, কিন্তু দেশৰ বাবে জনসংখ্যাও এক সম্পদ। মানুহৰ বাবেই দেশক সম্পদৰ প্ৰয়োজন আৰু মানুহৰদ্বাৰাহে অন্যান্য সম্পদো ব্যৱহাৰৰ উপযোগী হৈ উঠে। ইয়াৰ বাবে অৱশ্যে মানুহক শিক্ষা, প্ৰশিক্ষণ তথা দক্ষতাৰ প্ৰয়োজন হয়। ব্ৰিটিছেই অসমত আধুনিক শিক্ষাৰ বাটকটীয়া। পূৰ্বতে শিক্ষা আছিল ৰজাঘৰীয়া তথা উচ্চ শ্ৰেণীৰ লোকৰ বাবেহে। ব্ৰিটিছৰ ইংৰাজী শিক্ষা সম্প্ৰসাৰণৰ মানসিকতাৰ লগত খ্ৰীষ্টান মিছনেৰিৰ ধৰ্মপ্ৰচাৰৰ মানসিকতাৰ সমন্বয়ত অসমতো আধুনিক শিক্ষাৰ পাতনি মেলা হ'ল। ঠায়ে ঠায়ে স্কুল পতা হ'ল আৰু লাহে লাহে কলেজীয়া শিক্ষাইও পোখা মেলিলে। এচাম আগৰণুৱা, দূৰদৰ্শী অসমীয়াৰ নেতৃত্বত গাঁৱে-ভূঞেও শিক্ষানুষ্ঠান পতা হ'ল। মহিলাৰ বাবেও সুকীয়া শিক্ষানুষ্ঠান পাতি দিয়া হ'ল। সেই তেতিয়াই লাহে লাহে জন্ম হ'ল অসমীয়া মধ্যবিত্ত শ্ৰেণীৰো। ইংৰাজী ভাষা শিক্ষাৰ প্ৰচলনৰে অসমীয়াসকলক নিজৰ প্ৰশাসন চলাই নিব পৰাৰ যোগ্যতাৰে আনুষ্ঠানিক শিক্ষা দিয়াই আছিল ব্ৰিটিছ চৰকাৰৰ নীতি। স্বৰাজোত্তৰ অসমত শিক্ষাৰ উদ্দেশ্য সলনি হ'ল। কিন্তু শিক্ষা-ব্যৱস্থাটোৰ পৰ্যাপ্ত সংশোধনৰ পিছতো ব্ৰিটিছৰ নীতিৰ প্ৰভাৱৰপৰা স্বৰাজোত্তৰ কালৰ শিক্ষা সম্পূৰ্ণ মুক্ত হ'ব নোৱাৰিলে। অৱশ্যে ব্ৰিটিছে সাজিবলৈ আৰম্ভ কৰা আধাৰশিলা দেশীয় চৰকাৰে বহুখিনি মজবুত কৰিলে। প্ৰতিখন ঠাইতে শিক্ষানুষ্ঠান পাতিলে। পূৰ্বতে অসমত কেইখনমান ৰজাদিনীয়া সংস্কৃত শিক্ষাৰ টোল আছিল। ব্ৰিটিছৰ দিনত চৰকাৰ আৰু মিছনেৰিসকলৰ প্ৰচেষ্টাত বিজ্ঞান, বাণিজ্য, কলাৰ লগতে



চিকিৎসা বিজ্ঞান, ইঞ্জিনিয়াৰিং আৰু অন্যান্য বৃত্তিমুখী পাঠ্যক্ৰমৰ প্ৰয়োগৰে শিক্ষানুষ্ঠান স্থাপন কৰা হৈছিল। ব্ৰিটিছৰ দিনতেই কটন কলেজৰ দৰে উচ্চশিক্ষাৰ অনুষ্ঠান, কামৰূপ অনুসন্ধান সমিতিৰ দৰে গৱেষণা প্ৰতিষ্ঠান আদি স্থাপন কৰা হৈছিল। সম্প্ৰতি অসমত ৩০,০৫০খন প্ৰাথমিক স্কুল, ৫৪৪৯খন মাধ্যমিক স্কুল, ৫৭১৪খন হাইস্কুল, ৯৩৩খন উচ্চতৰ মাধ্যমিক স্কুল, ২১৭খন কনিষ্ঠ মহাবিদ্যালয়, ৫খন আৰবী শিক্ষাৰ কলেজ, ১৮৯খন প্ৰাদেশীকৃত কলেজ, ৭খন চৰকাৰী কলেজ, ১৭২খন চৰকাৰী সাহায্যপ্ৰাপ্ত কলেজ, দুখন সৰ্বভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান, ৬খন বিশ্ববিদ্যালয়, ১৬খন মেডিকেল কলেজ, ১১খন ইঞ্জিনিয়াৰিং কলেজ, ৫খন আইন কলেজকে ধৰি চৰকাৰী বেচৰকাৰী পৰ্যায়ত, চহৰে-নগৰে, গাঁৱে-ভূঞে অনেক শিক্ষানুষ্ঠান গঢ় লৈ উঠিছে।* শিক্ষাৰ অধিকাৰ আইন প্ৰণয়ন কৰা হৈছে। সৰ্বশিক্ষা মিছনৰ অধীনত শিশুৰ প্ৰাথমিক শিক্ষা সাৰ্বজনীন কৰা হৈছে। প্ৰাপ্তবয়স্ক শিক্ষা, দূৰ-শিক্ষা, মুক্ত বিদ্যালয়, বিশ্ববিদ্যালয় আদি ধাৰণাবোৰো বাস্তৱত ৰূপায়িত কৰা হৈছে। তথাপি সাক্ষৰতা অথবা শিক্ষাৰ ক্ষেত্ৰত অসম কেৰলৰ সমান আগবাঢ়িব পৰা নাই। শেহতীয়া লোকপিয়ল (২০১১)ৰ তথ্য অনুসৰি অসমত সাক্ষৰ লোকৰ সংখ্যা হৈছে ৭৩.১৮ শতাংশ (পুৰুষ ৭৮.৮১ শতাংশ, মহিলা ৬৭.২৭ শতাংশ)। সাক্ষৰতাৰ ক্ষেত্ৰত ভাৰতৰ ৰাজ্যবোৰৰ ভিতৰত অসম ২৬ নম্বৰ স্থানতহে আছে। তথাপি শিক্ষাখণ্ডলৈ পৰিৱৰ্তন আহিছে। এই পৰিৱৰ্তনে সামগ্ৰিকভাৱে সমাজখনত আৰু ব্যক্তিগত পৰ্যায়ত সকলো মানুহৰেই জীৱনত প্ৰভাৱ পেলাইছে; অৰ্থনৈতিক উৎপাদনশীলতা বাঢ়িছে, নিযুক্তিৰ সম্ভাৱনীয়তা বাঢ়িছে, দৃষ্টিভঙ্গি সামগ্ৰিকভাৱে সলনি হৈছে। ইয়াৰ প্ৰভাৱে সামাজিক মূল্যবোধকো বহুক্ষেত্ৰত ছুই গৈছে আৰু নতুন নতুন ধ্যান-ধাৰণাৰ জন্ম হৈছে। নাৰীশিক্ষা, যিটো ব্ৰিটিছ-শাসনকালত তেনেই চালুকীয়া অৱস্থাত আছিল, এতিয়া পূৰ্ণতাপ্ৰাপ্তিৰ পথত। এই পৰিৱৰ্তনে অসমৰ যুৱক-যুৱতীক পৰিৱৰ্তিত অৰ্থ-ব্যৱস্থাৰ সৈতে নিজকে খাপ খুৱাই লোৱাত অৰিহণা যোগাইছে। শিক্ষাৰ বহুল প্ৰসাৰে শিক্ষিত নিবনুৱাৰো সৃষ্টি কৰিছে। বিভিন্ন স্তৰত শিক্ষা সাং কৰা প্ৰায় ১৫ লাখ নিবনুৱা আজি চৰকাৰীভাৱেই পঞ্জীয়নভুক্ত। এইবোৰৰ উপৰি পঞ্জীয়ন নকৰাকৈ অনেক লোক কৰ্মহীন হৈ থকা দেখা গৈছে। সাম্প্ৰতিক সময়ত অসমৰ আৰ্থ-সামাজিক সমস্যাসমূহৰ ভিতৰত নিবনুৱা সমস্যা অন্যতম। ব্ৰিটিছ অসমত এনে নিবনুৱা সমস্যা পৰিলক্ষিত হোৱা নাছিল। বৰঞ্চ চাহবাগান আৰু ব্ৰিটিছ প্ৰশাসনৰ অন্যান্য দিশত কাম কৰিবৰ বাবে বাহিৰৰপৰাহে লোক অনা হৈছিল।

ব্ৰিটিছ-শাসনৰ অধীনলৈ যোৱাৰ পূৰ্বে অসমৰ মানুহৰ বাবে কৰ্মৰ পৰিধিও সীমিত আছিল। ইতিমধ্যে উল্লেখ কৰা হৈছে যে কৰ্ম-বয়সৰ লোকসকলৰ সিংহভাগেই কৃষিকৰ্মৰ লগত জড়িত আছিল। তাৰ বাহিৰে আন এচাম লোক ৰজাঘৰীয়া কাৰ্যত ব্যস্ত আছিল। সৰ্বসাধাৰণৰ মাজত কমাৰ, কুমাৰ, সোণাৰি,

* এই পৰিসংখ্যা ২০১২ চনৰ, যেতিয়া লেখিকাই প্ৰবন্ধটো লিখিছিল।

মাছমৰীয়া, ক্ষুদ্ৰ-শিল্পৰ কাৰিকৰ, দৰ্জী, মিস্ত্ৰী (ব্ৰিটিছৰ দিনৰ অসম-আৰ্হিৰ ঘৰবোৰ হেনো অসমৰ মিস্ত্ৰীয়েই সাজিছিল), লগুৱা-লিক্‌চৌ, আকৌ ব্ৰিটিছৰ দিনত চিকাৰী, পানীভাৰী, ঘোঁৰা ৰখীয়া, মাউত, বান্ধনী, পাঙ্খাৱালা, চকীদাৰ আদি কামত কিছু লোক নিয়োজিত হৈছিল। উচ্চবৰ্ণৰ অসমীয়া আৰু জনগোষ্ঠীয় কিছুমান অসমীয়াই সকলো ধৰণৰ কাম নকৰিছিল। এই বিষয়ে অস্কাৰ ফ্ৰেস্কে তেওঁৰ কিতাপত সুন্দৰকৈ লিখি থৈ গৈছে। ব্ৰিটিছৰ শাসনব্যৱস্থা প্ৰৱৰ্তনৰ ফলত পিছলৈ শিক্ষিত আৰু যোগ্য অসমীয়াসকল বিভিন্ন চৰকাৰী কামত নিয়োজিত হৈছিল। অতি কমসংখ্যক লোক চাহ-ব্যৱসায়ৰ সৈতেও জড়িত হৈ পৰিছিল। অসমৰ ভিতৰুৱা ঠাইবোৰত বিভিন্ন প্ৰকাৰৰ হস্তশিল্পৰ সৈতে অতীতৰপৰা এচাম লোক জড়িত হৈ আছিল যদিও পুঁজিপতি উদ্যোক্তা বুলিবলৈ অসমত নাছিলেই। ব্ৰিটিছৰ আমোলত অতি কমসংখ্যক অসমীয়াই চাহ, কাঠ আদি ব্যৱসায়ত নিজকে নিয়োজিত কৰিছিল। আজিও সামগ্ৰিকভাৱে অসমীয়া মানুহৰ মাজত ঔদ্যোগিক মানসিকতাৰ অভাৱ। সৰু-সুৰা ব্যৱসায়, চৰকাৰী চাকৰি আদিৰে সহজ-সৰল জীৱনযাপন কৰাটোৱেই অসমীয়া মানুহৰ সহজাত ধৰ্ম। আজিও বৃহৎসংখ্যক অসমীয়াৰ এনে মানসিকতা অটুট আছে।

অৱশ্যে স্বাধীনোত্তৰ কালত অসমৰ মানুহৰ জীৱিকালৈ যথেষ্ট বিকল্প আহিছে আৰু সেয়েহে অসমীয়াসকলৰ কৰ্মজীৱন বৈচিত্ৰ্যপূৰ্ণ হোৱা পৰিলক্ষিত হৈছে। কেৱল নিজৰ চাহিদা পূৰণ কৰিবলৈ কৃষিসামগ্ৰী উৎপাদন কৰা কৃষকসকলৰ এচামে এতিয়া ব্যৱসায়িক ভিত্তিত কৃষিকৰ্ম কৰিছে। শেহতীয়াভাৱে কিছুসংখ্যকে কৃষি-উৎপাদিত ফলমূল-পাচলিৰে পৰিশোধিত খাদ্য-উদ্যোগ, যেনে - চৰবত, আচাৰ আদি প্ৰস্তুতকৰণৰ কাম, চিৰা-সান্দহ, লাড়ু, পিঠা আদি বিপণন ব্যৱসায়তো লিপ্ত হৈছে। ব্ৰিটিছৰ দিনত প্ৰায় চিন-চাবেই নোহোৱা কিছুমান ব্যৱসায়, যেনে - হোটেল, ৰেস্তোৰাঁ, বিউটি পাৰ্লাৰ, যাত্ৰী পৰিবহণৰ বাবে গাড়ী ব্যৱসায়, ইটা-বালি-চিমেণ্টৰ ব্যৱসায় আদি অনেক সেৱামূলক ব্যৱসায় এতিয়া বৃহৎ সংখ্যাত দেখিবলৈ পোৱা গৈছে। স্বাধীনোত্তৰ কালত এক বৃহৎসংখ্যক লোকক অন্য এক শ্ৰেণীৰ ক্ষুদ্ৰ ব্যৱসায়ে জীৱিকা নিৰ্বাহত সহায় কৰিছে, সেয়া হৈছে পদপথ তথা পথৰ দাঁতিত চলা ক্ষুদ্ৰ ব্যৱসায়। সৰু-সুৰা তামোল-পাণ, চাহ-জলপানৰপৰা আৰম্ভ কৰি ফলমূল, শাক-পাচলি, জোতা-চেণ্ডেল, কাপোৰ-কানি আদি এশ এবুৰি নিত্যব্যৱহাৰ্য সামগ্ৰী পদপথতে বেচা-কিনা কৰি চহৰে-নগৰে, গাঁৱে-ভূঞে একাংশ লোকে উপাৰ্জন কৰিছে। আজি অসমত সৰ্বভাৰতীয় সেৱাৰ চাকৰিৰপৰা আৰম্ভ কৰি বহুজাতিক কোম্পানিৰ চাকৰিলৈকে, চৰকাৰী-বেচৰকাৰী উভয় খণ্ডতে ৰাজ্যৰ বাহিৰে-ভিতৰে যিদৰে শত-সহস্ৰ উচ্চ শিক্ষিত লোকে চাকৰি কৰিছে, সেইদৰে ৰিক্সা-ঠেলা চলাই, দিন-হাজিৰা কৰি অসংগঠিত খণ্ডত অস্থায়ী ব্যৱস্থাৰে নিৰাপত্তাহীন চাকৰি কৰিও হেজাৰ হেজাৰ লোকে পেট প্ৰৱৰ্তাই আছে। শেহতীয়াভাৱে ভাৰতৰ অন্যান্য ৰাজ্যৰ দৰে অসমতো এচাম শিক্ষিত-অৰ্ধশিক্ষিত লোকে ৰাজনীতিৰ ক্ষেত্ৰখনত সোমাই একপ্ৰকাৰ মধ্যস্থতাকাৰীৰ ৰূপত থাকিও



জীৱিকা অৰ্জন কৰা দেখা গৈছে। সংখ্যাত কম হ'লেও অন্য এচামে পৰম্পৰাগত লুপ্তপ্ৰায় কেতবোৰ শিল্পক পুনৰুদ্ধাৰ কৰি স্বনিয়োজনৰ সুবিধা কৰি লৈছে। এনেদৰে ব্ৰিটিছৰ দিনত অতি সীমিত কৰ্মক্ষেত্ৰত থকা অসমৰ মানুহৰ কৰ্মজীৱন এতিয়া ভিন্নৰূপী কৰ্ম-ব্যৱসায়ৰদ্বাৰা বৰ্ণাঢ্য হৈ পৰিছে।

## ঔদ্যোগিকীকৰণৰ ফেঁহুজালি আৰু উদ্যোগহীনতাৰ হুমুনিয়াহ

দেশ-বিদেশৰ বুৰঞ্জীবিদসকলে অসমীয়া মানুহৰ শিল্পকৰ্মৰ উচ্চ প্ৰশংসা কৰি থৈ গৈছে। আহোম যুগত অসমৰ মানুহে বোৱা-কটা, সোণ-ৰূপৰ কাম, মৃৎপাত্ৰ-নিৰ্মাণ, হাতী-দাঁত, বাঁহ-বেত, কাঠ আদি সৰু সুৰা উদ্যোগত তেওঁলোকৰ শিল্পকৰ্মৰ নমুনা প্ৰদৰ্শন কৰিছিল। কাঠৰ আচবাবপত্ৰত তেওঁলোকে সুন্দৰ সুন্দৰ নক্সাও কাটিছিল। মোমাই তামুলী বৰবৰুৱাই মন্ত্ৰী হৈ থকা কালত প্ৰতিজন সক্ষম অসমীয়া পুৰুষে বাঁহৰ খৰাহী আৰু প্ৰতিগৰাকী সক্ষম মহিলাই সূতা কটাটো বাধ্যতামূলক কৰি দিছিল। অসমৰ হস্ততাঁতত নিৰ্মিত পাট, মুগা আৰু এৰী জগৎবিখ্যাত আছিল, যিয়ে অসমক তাহানিৰেপৰা সুকীয়া এক ঔদ্যোগিক মৰ্যাদা দিছিল। সেই সময়ত ব্ৰিটেইনতো হেনো অসমৰ মুগা কাপোৰৰ যথেষ্ট আদৰ আছিল। মোগল বুৰঞ্জীবিদসকলে অসমত উৎপাদিত পাট চীনদেশত উৎপাদিত পাটসদৃশ বুলি কৈছিল। আজিও শুৱালকুছিকে ধৰি অসমৰ অন্যান্য ঠাইত উৎপাদিত পাট-মুগা আৰু এৰী কাপোৰৰ আদৰ সমগ্ৰ বিশ্বতে আছে। ব্ৰিটিছ চৰকাৰৰ প্ৰশাসনিক প্ৰতিবেদনবোৰত অসমৰ নদীৰ বালিৰপৰা ক'ত কিমান পৰিমাণৰ সোণ কমাইছিল তাৰ বিস্তৃত উল্লেখ আছে। সোণোৱালসকলে এই সোণেৰে অলঙ্কাৰ তৈয়াৰ কৰিছিল। আহোম ৰজা ৰুদ্ৰসিংহই স্থানীয় কাৰিকৰসকলক সোণৰ অলঙ্কাৰ তৈয়াৰ কৰাৰ প্ৰশিক্ষণ দিবলৈ বাৰানছীৰপৰা প্ৰশিক্ষক অনাইছিল। ১৮৮১ চনৰ চৰকাৰী তথ্যানুসৰি সেই সময়ত দুহেজাৰতকৈ অধিক কাৰিকৰ সোণ-ৰূপৰ অলঙ্কাৰ তৈয়াৰ কৰাৰ কামত ৰত আছিল। ১৮৯১ চনত এই সংখ্যা ১৮ হেজাৰৰো অধিক হৈছিল। অৱশ্যে লাহে লাহে এই সংখ্যা কমি গৈছিল। আজিও পুৰণি অসমীয়া সোণৰ অলঙ্কাৰ তৈয়াৰ কৰাৰ পৰম্পৰা উজনি অসমৰ কোনো কোনো ঠাইত কিছু পৰিমাণে আছে যদিও নদীৰ বালিৰপৰা সোণ সংগ্ৰহকাৰ্য অত্যন্ত আয়াসসাধ্য আৰু ব্যয়বহুল হোৱা বাবে এসময়ত বন্ধ কৰি দিয়া হৈছিল। সৰ্থেবাৰী, হাজো, তিতাবৰ আৰু ৰহাত হস্তনিৰ্মিত কাঁহ আৰু পিতলৰ বাচন-বৰ্তনৰ পৰম্পৰা পূৰ্বৰপৰাই আছিল, যিবোৰ ব্ৰিটিছ শাসনকালত প্ৰায় লুপ্ত হোৱাৰ দৰেই হৈছিলগৈ। কিয়নো, সেই সময়ত এহাতে এই হস্ত-উদ্যোগসমূহে প্ৰশাসনৰ পৃষ্ঠপোষকতা হেৰুৱাইছিল, কৰ-কাটল দিবলগীয়া হৈছিল আৰু বজাৰত তুলনামূলকভাৱে সস্তীয়া বিদেশী সামগ্ৰীৰ সৈতে প্ৰতিযোগিতা কৰিবলগীয়া হৈছিল।

লোৰ আকৰৰপৰা এচাম কাৰিকৰে লোৰ সা-সঁজুলি, যেনে - কটাৰী, দা, কুঠাৰ, কোৰ, নাঙলৰ ফাল, বাকচ, তলা-চাবি, গজাল, লোহাৰ চকা আদি নিৰ্মাণ

কৰিছিল। উজনি অসমত অতি কম পৰিমাণে বৌদ্ধ শ্যামসকলে হস্তনিৰ্মিত কাগজ প্ৰস্তুত কৰি উলিয়াইছিল। এইবোৰৰ উপৰি পৰম্পৰাগতভাৱে চলি অহা কুমাৰসকলৰ মাটিৰ পাত্ৰ নিৰ্মাণ, মৌমাখি পালন, বাদ্যযন্ত্ৰ-নিৰ্মাণ, নৌকা-নিৰ্মাণ, বিভিন্ন প্ৰকাৰৰ ৰং বা আবিৰ প্ৰস্তুতকৰণৰ কুটিৰ আৰু হস্ত-উদ্যোগ বিভিন্ন সমস্যাৰ মাজতো ব্ৰিটিছৰ দিনত বৰ্তি আছিল। স্বৰাজোত্তৰ কালত ব্ৰিটিছে প্ৰায় ধ্বংস কৰা এই শিল্পসমূহক পুনৰ জীয়াই তুলিবলৈ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। পৰম্পৰাগতগত শিল্পৰ লগতে আধুনিক বহুতো ক্ষুদ্ৰ শিল্প আজিও অসমত বৰ্তি আছে। এইবোৰক বিত্তীয় সাহায্যৰ লগতে কেঁচামাল যোগান ধৰিবলৈ, যন্ত্ৰপাতিৰ ব্যৱস্থা কৰিবলৈ তথা বজাৰৰ সা-সুবিধা দিবৰ বাবে কেন্দ্ৰ তথা ৰাজ্য চৰকাৰৰ কেইবাটাও প্ৰতিষ্ঠান স্থাপন কৰা হৈছে। দেশৰ প্ৰায়বোৰ জাতীয়কৃত বাণিজ্যিক বেংকৰ শাখা অসমত আছে, যিবোৰে ক্ষুদ্ৰ উদ্যোগখণ্ডলৈ অগ্ৰাধিকাৰৰ ভিত্তিত ঋণ আগবঢ়ায়। অসম বিত্তীয় নিগম, অসম ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম, ভাৰতৰ ক্ষুদ্ৰ উদ্যোগ বিকাশ বেংক ইত্যাদিয়ে ক্ষুদ্ৰ উদ্যোগবোৰক বিত্তীয় সাহায্য প্ৰদান কৰে। উদ্যোগসমূহে যাতে চৰকাৰী সাহায্য পায় আৰু ক্ৰমবৰ্ধমান প্ৰতিযোগিতাত বৰ্তি থাকিব নোৱাৰি লুপ্ত হৈ যাবলগীয়া নহয়, তাৰ বাবে চৰকাৰে উদ্যোগবোৰক বিভিন্ন ভাগত ভগাইছে: বৃহৎ, মজলীয়া আৰু ক্ষুদ্ৰ। পুনৰ ২০০৬ চনৰ এক আইন মতে ক্ষুদ্ৰ উদ্যোগ খণ্ডক ক্ষুদ্ৰতম, ক্ষুদ্ৰ আৰু মজলীয়া এই তিনি ভাগত ভাগ কৰিছে। অসমত এনে উদ্যোগবোৰৰ সুৰক্ষাৰ্থে চৰকাৰে কিছুমান উদগনিমূলক ব্যৱস্থা গ্ৰহণ কৰিছে। ২০১০-১১ বিত্তীয় বৰ্ষৰ শেষলৈকে অসমত ৩৪,৩২৭টা এনে ক্ষুদ্ৰতম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ চৰকাৰী হিচাপমতে কাৰ্যক্ষম হৈ আছে। এই উদ্যোগবোৰে ১,৭৮,০৫৪জন লোকক নিয়োগৰ সুবিধা দিছে (Economic Survey of Assam 2011-12)। পৰম্পৰাগত কুটিৰ আৰু হস্তশিল্পক্ষেত্ৰৰ বাদেও কৃষিভিত্তিক, বনজ সম্পদভিত্তিক, ৰাসায়নিক, খনিজ, ইলেক্ট্ৰনিক, ইঞ্জিনিয়াৰিং, বস্ত্ৰ-উৎপাদন, চামৰা-ৰবৰ-কাগজ আদি ক্ষেত্ৰসমূহত সিঁচৰতি হৈ আছে। ৰাজ্যখনৰ ভিতৰুৱা ঠাইবোৰত খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ অধীনতো একাংশ উদ্যোগ গোট কাৰ্যক্ষম হৈ আছে। সেয়ে হ'লেও অন্যান্য উদ্যোগপ্ৰধান ৰাজ্যৰ তুলনাত অসমত ঔদ্যোগিকীকৰণৰ স্থিতি আজিপৰ্যন্ত অতি দুৰ্বল। ব্ৰিটিছৰ দিনৰ পেট্ৰ'লিয়াম, কয়লা আৰু চাহৰ দৰে উদ্যোগৰ পিছত অসমত উল্লেখনীয় বৃহৎ উদ্যোগ গঢ়ি নুঠিল। প্ৰতিকূল ভৌগোলিক অৱস্থান, পুঁজি তথা বিনিয়োগকাৰীৰ অভাৱ, শক্তিৰ নাটনি, কেঁচামাল, যন্ত্ৰপাতিৰ অভাৱ, দুৰ্বল পৰিবহণ ব্যৱস্থা আদিয়েই অসমৰ দুৰ্বল ঔদ্যোগিক গাঁথনিৰ কাৰণ বুলি দেখুওৱা হৈছে। কিন্তু ঊনৈছ শতিকাত অনেক প্ৰতিকূলতাৰ মাজতো ব্ৰিটিছে এই ভূমিতেই প্ৰযুক্তিনিৰ্ভৰ, ব্যয়বহুল পেট্ৰ'লিয়াম, কয়লা উলিয়াই উদ্যোগ পাতিছিল। চাহৰ দৰে বিশাল উদ্যোগ গঢ়ি তুলিছিল, যাৰ ফলত আজি দেশত উৎপাদিত মুঠ চাহপাতৰ আধাতকৈও অধিক অসমতে উৎপন্ন হয়। ব্ৰিটিছে চৰকাৰীভাৱে ১৮৩৩



চনৰপৰা চাহ-উৎপাদন কৰিবলৈ লোৱাৰ পূৰ্বে অসমবাসীয়ে ঔষধি হিচাপেহে চাহৰ ব্যৱহাৰ জানিছিল। অনেক প্ৰতিকূলতাৰ মাজতো আসাম কোম্পানি (১৮৩৯), যোৰহাট টী কোম্পানি (১৮৫৯) আৰু ক্ৰমশঃ বৃদ্ধি পাই অহা চাহ-কোম্পানিবোৰৰ তৎপৰতাত অসমৰ চাহ-উদ্যোগ বিশ্ববিখ্যাত হৈ পৰিছিল। চাহ-ৰপ্তানিৰ স্বাৰ্থতেই ১৯১৮ চনত ভাৰতৰ প্ৰথম Assam Saw Mill and Timber Company নামৰ প্লাইউড ফেক্টৰিও স্থাপন কৰা হৈছিল। ব্ৰিটিছৰ দিনতেই ইন্দোনেছিয়া, জাপান, পূব আফ্ৰিকা আদিৰ সৈতে অসমৰ চাহে প্ৰতিযোগিতাত ফেৰ মাৰিব পৰা হৈছিল। স্বৰাজোত্তৰ কালত অসম চাহ নিগম, চাহ নিলাম কেন্দ্ৰ আদি চৰকাৰী প্ৰয়াসত স্থাপন কৰা হ'ল যদিও এতিয়াও বেচৰকাৰী খণ্ডৰ বৃহৎ বৃহৎ চাহ-কোম্পানিবোৰেই অসমৰ চাহ-উদ্যোগত আধিপত্য চলাই আছে। কিন্তু মন কৰিবলগীয়া যে অসমত চাহৰ উৎপাদনে পূৰ্বৰ অৱস্থা অক্ষুণ্ণ ৰাখিব পৰা নাই। ১৯৫৫ চনত অসমে ভাৰতৰ মুঠ উৎপাদিত চাহৰ ৫৩ শতাংশ উৎপাদন কৰিছিল। ২০০৮ চনত ই ৪৯ শতাংশ হোৱা বুলি ভাৰতীয় চাহ ব'ৰ্ডে তথ্য প্ৰকাশ কৰিছে। ২০০৮ চনৰ হিচাপমতে অসমত ৩২২ হেজাৰ হেক্টৰ ভূমিৰ চাহখেতিত ৪৮৭.৫ হাজাৰ টন চাহপাত উৎপন্ন কৰা হৈছে। বৃহৎ চাহ-উদ্যোগীসকলৰ উপৰি অসমত শেহতীয়াকৈ হেজাৰ হেজাৰ ক্ষুদ্ৰ চাহ-খেতিয়ক আগবাঢ়ি আহিছে আৰু নিজাববীয়াকৈ কম মাটিতে চাহ খেতি কৰিবলৈ লৈছে। ভাৰতীয় চাহ ব'ৰ্ডৰ তথ্যমতে অসমত প্ৰায় ৫২০০০জন ক্ষুদ্ৰ চাহ-খেতিয়ক আছে আৰু ২০১১ চনৰ মাৰ্চ মাহলৈকে ইয়াৰে ৪৫৬১জন চাহ-খেতিয়ক ব'ৰ্ডৰ সৈতে পঞ্জীয়নভুক্ত হৈছে। এসময়ত ধনী বণিক শ্ৰেণীৰ সম্পদ হিচাপে পৰিগণিত হোৱা চাহ উদ্যোগত ক্ষুদ্ৰ চাহ-খেতিয়কৰ প্ৰৱেশে এক পৰিৱৰ্তিত বাতাৱৰণৰ সৃষ্টি কৰিছে।

সদাগৰ ব্ৰিটিছে নগা পাহাৰৰ পাদদেশত কয়লা খননৰ কাম আৰম্ভ কৰি অসমত কয়লা-উদ্যোগৰ পাতনি মেলিছিল। ব্ৰিটিছ বিষয়াসকলৰ তৎপৰতাত নামপং, মাকুম, নামৰূপ, বৰহাট আদিত কয়লাৰ খনন আৰম্ভ কৰিছিল। তেনেদৰেই আৰম্ভ কৰিছিল সমগ্ৰ এছিয়া মহাদেশৰ ঐতিহ্যপূৰ্ণ পেট্ৰ'লিয়াম উদ্যোগ। Geological Survey of Indiaৰদ্বাৰা উজনি অসমত খনিজ তেলৰ সন্ধান উলিওৱা হৈছিল। ১৮৬৬-৬৮ চনৰ সময়ছোৱাত এতিয়াৰ মাৰ্ঘেৰিটা, জয়পুৰৰ আশে-পাশে তৈলখাদত কাম আৰম্ভ হৈছিল। আছাম ৰেলৱে এণ্ড ট্ৰেডিং কোম্পানি, আছাম অয়েল কোম্পানি আদিৰ তৎপৰতাত অসমত আৰম্ভ হৈছিল পনীয়া সোণৰ উদ্যোগ। তাহানিৰ সেই কয়লা আৰু তেল উদ্যোগ এতিয়া ভাৰত চৰকাৰৰ অধীনৰ ক্ৰমে ক'ল ইণ্ডিয়া লিমিটেড আৰু অয়েল ইণ্ডিয়া লিমিটেডৰ হাতত। ব্ৰিটিছৰ দিনত আৰম্ভ হোৱা অন্যান্য উদ্যোগবোৰৰ ভিতৰত আছিল ক্ৰমে চেনিকল (১৯২৬), দিয়াচলাই তৈয়াৰ কৰা কাৰখানা (১৯২৫) ইত্যাদি। স্বৰাজোত্তৰ কালছোৱাত অসমত কাগজ কল, মৰাপাট কল, চিমেণ্ট কাৰখানা, সাৰ কাৰখানাকে আদি কৰি কেতবোৰ প্ৰয়োজনীয় আৰু গুৰুত্বপূৰ্ণ উদ্যোগ গঢ়ি উঠিছে। তৎসত্ত্বেও

ৰাজ্যখন ঔদ্যোগিকভাৱে অনগ্ৰসৰ আৰু পৰনিৰ্ভৰশীল হৈ থাকিবলগীয়া হৈছে। ভাৰত চৰকাৰৰদ্বাৰা ঔদ্যোগিকভাৱে অনগ্ৰসৰ ৰাজ্য হিচাপে আনকেইখন উত্তৰ-পূৰ্বাঞ্চলীয় ৰাজ্যৰ লগত অসমো চিহ্নিত হৈছে। চৰকাৰী প্ৰতিবেদনতেই প্ৰকাশ পাইছে: "... at present Assam is amongst the industrially underdeveloped states in the country. ... Assam is still making efforts for gearing up industrial activities by harnessing the untapped resources available in the state through various growth-inducing factors.' (Economic Survey of Assam 2011-12)।

শেহতীয়াকৈ ৰাজ্যখনত নতুনকৈ যিবোৰ উদ্যোগ গঢ়ি উঠিছে, সেইবোৰৰ অন্যতম হৈছে পৰ্যটন উদ্যোগ। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলেই পৰ্যটন উদ্যোগৰ সম্ভাৱনাৰে পৰিপূৰ্ণ। অপৰূপ প্ৰাকৃতিক সৌন্দৰ্যৰ উপৰি অঞ্চলটো অতুলনীয় জৈৱ বৈচিত্ৰ্যৰে সমৃদ্ধ। প্ৰাচীন মঠ-মন্দিৰ, ভাস্কৰ্য, ঐতিহাসিক স্মৃতিচিহ্ন, আপুৰুগীয়া কলা, সংস্কৃতি আদিয়ে অসমক পৰিপূৰ্ণ কৰি ৰাখিছে। অস্কাৰ ফ্লেক্সৰ কিতাপখনৰ পাতে পাতে আছে অসমৰ অনুপম সৌন্দৰ্যৰ বৰ্ণনা।* কিন্তু ব্ৰিটিছসকলে কৰি থৈ যোৱা Innerline Permit ব্যৱস্থাৰ বাবে পৰ্যটকসকলে ভাৰতৰ বাকীবোৰ অঞ্চল ঘূৰি ফুৰিয়েই ঘৰমুৱা হৈছিল। সম্প্ৰতি সেই বাধা শিথিল হোৱাত দেশ-বিদেশৰ পৰ্যটকসকল অসমলৈ আহিবলৈ লৈছে। ৰাজ্যৰ পৰ্যটন উদ্যোগৰপৰা পোৱা আয়ৰ পৰিমাণো ক্ৰমশঃ বৃদ্ধি পাই আহিছে। ২০০২-০৩ বৰ্ষত ৪১.০৩ লাখ টকাৰপৰা ২০১০-১১ চনত ১৪৩.৬০ লাখ টকালৈ আয় বৃদ্ধি পাইছে। অৱশ্যে অন্য ৰাজ্যৰ তুলনাত এই পৰিমাণ তেনেই নগণ্য। ৰাজ্যখনত পৰ্যটনক এক সুস্থ উদ্যোগ হিচাপে গঢ় দিবলৈ এতিয়াও বহুখিনি কৰিবলগীয়া আছে।

## বেহা-বেপাৰ: নদীৰপৰা আকাশ, হাটৰপৰা শ্বপিংমললৈ

ব্যৱসায়প্ৰিয় জাতি নহ'লেও অসমৰ এক বাণিজ্যিক পৰম্পৰা আছে। ব্ৰিটিছ অহাৰ পূৰ্বৰেপৰাই অসমৰ ওচৰ-চুবুৰীয়া দেশবোৰৰ সৈতে বাণিজ্যিক সম্পৰ্ক আছিল। নদীৰে এই বাণিজ্য সম্পন্ন কৰা হৈছিল। ব্ৰিটিছ বিষয়াৰ প্ৰতিবেদনৰপৰা বিভিন্ন বাণিজ্য-পথৰ কথাও জনা যায়। সেইমতে তিব্বত আৰু চীনদেশলৈ কমেও পাঁচটা বাণিজ্য-পথ আছিল। ইয়াৰে কোনোবাটো পথ ব্ৰহ্মদেশ হৈ চীনদেশলৈ গৈছিল। তেনেদৰে ভূটান আৰু তিব্বতলৈ যোৱাৰ বাবে থকা বাণিজ্য-পথবোৰক "দুৱাৰ" বোলা হৈছিল। পাহাৰ-পৰ্বতৰ মাজেৰে পথ উলিয়াই ঘোঁৰা তথা ঘোঁৰা-গাড়ী ব্যৱহাৰ কৰি ব্যৱসায়-বাণিজ্য চলোৱা হৈছিল। অসমৰ ব্যৱসায়ীয়ে ভূটান হৈ কাবুললৈ যোৱাৰ কথাও প্ৰতিবেদনবোৰত আছে। ভূটান, তিব্বত, ম্যানমাৰ আদিৰ উপৰি চুবুৰীয়া বঙ্গদেশৰ লগতো দ্ৰব্যসামগ্ৰীৰ আমদানি-

*১৮৮১ খ্ৰীষ্টাব্দত প্ৰকাশিত ৰামকুমাৰ বিদ্যাৰত্নৰ *উদাসীন সত্যশ্ৰৱাৰ আসাম ভ্ৰমণ* কিতাপখনো অসমৰ সৌন্দৰ্য বৰ্ণনাৰ এক অনুপম দলিল। — মুখ্য সম্পাদক।



ৰপ্তানি হৈছিল। বঙ্গৰপৰা নিমখ আহিছিল আৰু অসমৰপৰা সৰিয়হৰ বীজ, মুগা, পাটসূতা গৈছিল। এই ব্যৱসায়িক আদান-প্ৰদানে ৰাজকোষলৈ ৰাজহ সংগ্ৰহ কৰি দিছিল। ব্ৰিটিছৰ শাসনকালত স্বাভাৱিকতেই বেহা-বেপাৰৰ পৰিধি সম্প্ৰসাৰিত হৈছিল। নতুনকৈ আৰম্ভ কৰা ষ্টীমাৰ-সেৱাই অসমৰ পূৰ্বৰ বেহা-বেপাৰ বঢ়াইছিল। অসমৰ কেঁচামাল ইংলেণ্ডলৈ সৰবৰাহ কৰা হৈছিল আৰু অসমৰ বজাৰলৈ আহিছিল ইংলেণ্ডত তৈয়াৰী উদ্যোগজাত সামগ্ৰী। সেই তাহানিতেই ভাৰতৰ অন্যান্য অঞ্চল, বিশেষকৈ ৰাজস্থানৰপৰা ব্যৱসায়ৰ উদ্দেশ্যে মাৰোৱাৰী সম্প্ৰদায়ৰ কিছু লোক আহি অসমত ব্যৱসায়-বাণিজ্যৰ পৰিসৰ বঢ়াইছিল। আজিও অসমত বেহা-বেপাৰৰ ক্ষেত্ৰত অসমৰ থলুৱা অসমীয়াতকৈ মাৰোৱাৰী সম্প্ৰদায়ৰ লোকৰ সংখ্যা সৰহ। খাদ্যসামগ্ৰী — চাউল, দাইল, আলু, পিঁয়াজৰপৰা আৰম্ভ কৰি কাপোৰ-কানি তথা অন্যান্য ভোগ্য সামগ্ৰীবো বেহা-বেপাৰৰ গুৰি ধৰোঁতা হৈছে এই মাৰোৱাৰী সম্প্ৰদায়ৰ লোকসকল। অৱশ্যে অসমীয়া মানুহে যে বেহা-বেপাৰ নকৰে, এনে নহয়। গাঁৱে-ভূঞে, নগৰে-চহৰে বিভিন্ন প্ৰকাৰৰ ব্যৱসায়ত এতিয়া অসমীয়া লোক সোমাই পৰিছে। গুৱাহাটী হৈ পৰিছে অসমৰ মূল ব্যৱসায়িক কেন্দ্ৰ। গুৱাহাটীত পাণ-তামোলৰ দোকানৰপৰা আৰম্ভ কৰি শাক-পাচলিৰ হাট, আধুনিক চুপাৰ মাৰ্কেট, শ্বপিং মলকে ধৰি বিভিন্ন ঠাইত বিভিন্ন প্ৰকাৰৰ ব্যৱসায়-বাণিজ্য চলে। ব্ৰিটিছৰ দিনত ব্ৰিটেনত নিৰ্মিত সামগ্ৰীৰ দুই-এখন দোকান ক'ৰবাত ক'ৰবাত থকাৰ বিপৰীতে এতিয়া অসমৰ নগৰ-চহৰবোৰত বহুজাতিক কোম্পানিৰ কাপোৰ, জোতা, গাড়ী, ইলেক্ট্ৰনিক সামগ্ৰী তথা খাদ্য-সামগ্ৰীৰ অলেখ বিপণি। বিশ্ববিখ্যাত "ফুড-চেইন"ৰ ৰেস্তোৰাঁ আৰু তাৰকাযুক্ত হোটেল ব্যৱসায়ো এতিয়া অসমৰ বাবে অচিনাকি নহয়। যোগাযোগ ব্যৱস্থাৰ উন্নতি হোৱাৰ লগে লগে অসমৰ গাঁওবোৰত উৎপাদিত সকলো ধৰণৰ সামগ্ৰী গুৱাহাটীকে ধৰি প্ৰায়বোৰ চহৰতেই সহজলভ্য হৈ পৰিছে। আনহাতে গাঁওবোৰলৈও বহুজাতিক নিগমৰ ঠাণ্ডা পানীয়ৰপৰা আৰম্ভ কৰি আধুনিক ভোগ্য দ্ৰব্যলৈকে সকলোবোৰ অনায়াসে সৰবৰাহ হয়। ঠায়ে ঠায়ে বছৰটোৰ বিভিন্ন সময়ত ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় বাণিজ্য-মেলা অনুষ্ঠিত হয়, য'ত দেশ-বিদেশৰ বহুতো প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰে। মুঠতে ব্যৱসায়-বাণিজ্যৰ জগৎখনলৈ অতি কম সময়ৰ ভিতৰতে বেছ চকুতলগা পৰিৱৰ্তন আহিছে।

## যাতায়াত-পৰিবহণৰ বৈপ্লৱিক গতি: শিলৰ সাঁকোৰপৰা উৰণীয়া সেতুলৈ

অসমত বিভিন্ন সময়ত ৰজাসকলে আলি-পদূলি, মথাউৰি আদি নিৰ্মাণ কৰিছিল। পাহাৰ-নদীয়ে আবৰি ৰখা অসম ভূ-খণ্ডত পৰিবহণ বৰ সুচল নাছিল আৰু একেদৰে নিৰ্মাণ কাৰ্যও বৰ সহজ নাছিল। ১৮৫৫ চনত এ জে মফট মিলছ যেতিয়া অসমলৈ আহিছিল, তেতিয়া মাথোন নিৰ্দিষ্ট কেইটামান পথেৰেহে মানুহে অহা-যোৱা কৰিছিল। নদীপথৰ বাহিৰে যাতায়াতৰ বাবে যিবোৰ পথ আছিল, সেইবোৰ ভাল অৱস্থাত নাছিল। কাছাৰ, শ্ৰীহট্ট আদিত যাতায়াতৰ সুবিধা অতি

সীমিত আছিল। পথৰ নিৰ্মাণ আৰু চোৱাচিতা কৰিবলৈ ১৮৬৮ চনত Public Works Department, অৰ্থাৎ গড়কাপ্তানি বিভাগ স্থাপন কৰা হৈছিল। ১৮৮০ চনত লোকেল ব'ৰ্ড গঠন কৰি দি সেইবোৰক নিৰ্দিষ্ট এলেকাবোৰৰ পথনিৰ্মাণ তথা নিৰীক্ষণৰ কাম দিয়া হৈছিল। ১৯০৩-০৪ চনত অসমত মাথোন ১৪৪ মাইল পকীপথ, ৪০০০ মাইল গৰুগাড়ী চলাচল কৰিব পৰা আৰু ৩৫৫০ মাইল অসমান থহটা পথ আছিল। ১৯২৬-২৭ চনত Road Board গঠন কৰাৰ পিছৰপৰাই ক্ৰমশঃ পথৰ দৈৰ্ঘ্য বাঢ়িবলৈ লৈছিল। ব্ৰিটিছৰ আৰ্হিত এতিয়াও কেন্দ্ৰীয় তথা ৰাজ্যিক গড়কাপ্তানি বিভাগে ৰাজ্যৰ পথ-পৰিবহণৰ কাম চোৱা-চিতা কৰে। স্বাধীনতালাভৰ সময়ত অসমত মাথোন ২৬১০ মাইল দৈৰ্ঘ্যৰ পথহে যানবাহন চলাচল কৰিব পৰা বিধৰ আছিল। সম্প্ৰতি ৰাজ্যৰ ভিতৰুৱা ঠাইবোৰতো যাতায়াত সুচল হৈ পৰিছে। তথাপি লক্ষণীয় কথাটো হ'ল এয়ে যে এতিয়াও অসমৰ পথ-পৰিবহণে পূৰ্ণতা পোৱা নাই। ৰাষ্ট্ৰীয় ঘাইপথৰ মাথোন ৪ শতাংশহে অসমত আছে। অৱশ্যে শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰ তথা National Highway Authority of Indiaৰ বিভিন্ন প্ৰকল্পৰ জৰিয়তে চাৰিলেনযুক্ত আন্তঃ-ৰাজ্য সংযোগী পথ-নিৰ্মাণৰ কাম চলি আছে। তদুপৰি মুখ্যমন্ত্ৰীৰ পকীপথ-নিৰ্মাণ আঁচনি, মুখ্যমন্ত্ৰীৰ পকী দলং-নিৰ্মাণ আঁচনি, অসম বিকাশ যোজনা, অসম ৰাজ্যিক পথ প্ৰকল্প, প্ৰধান মন্ত্ৰীৰ গ্ৰাম চড়ক যোজনা আদি ভিন ভিন আঁচনিৰ জৰিয়তে অসমৰ চহৰে নগৰে, গাঁৱে-ভূঞে পথ-নিৰ্মাণ কৰা হৈছে। স্বাধীনতাৰ পিছতো বিশাল ব্ৰহ্মপুত্ৰৰ দুয়ো পাৰৰ যোগাযোগ পথেৰে সম্ভৱ হোৱা নাছিল। ১৯৬২ চনত শৰাইঘাট দলং নিৰ্মাণে এই অভাৱ দূৰ কৰিছিল। সম্প্ৰতি শৰাইঘাটৰ প্ৰথমখন ৰেল তথা পথ-পৰিবহণ সংযোগী দলঙৰ উপৰি সমান্তৰালকৈ দ্বিতীয়খন পথ সংযোগী দলং নিৰ্মাণৰ কামো চলি আছে। তদুপৰি পঞ্চৰত্ন-যোগীঘোপা সংযোগী নৰনাৰায়ণ সেতু আৰু তেজপুৰ-নগাঁও জিলা সংযোগী কলীয়াভোমোৰা সেতুৱে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰ পথেৰে সংযোজিত কৰিছে। বগীবিলত নিৰ্মিত দলংখন অৱশ্যে এতিয়াও মুকলি কৰি দিয়া নাই। শেহতীয়াকৈ অসমৰ বিভিন্ন ঠাইৰ উপনৈসমূহত থকা কাঠৰ দলংবোৰ পুনৰ্নিৰ্মাণৰ জৰিয়তে আৰ চি চিলৈ ৰূপান্তৰ কৰা হৈছে।

মুঠৰ ওপৰত অসমৰ পথ-পৰিবহণ ব্যৱস্থালৈ এক যুগান্তকাৰী পৰিৱৰ্তন আহিছে। কেৱল ৰাজ্য চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাই নহয়, বিশ্ব বেংকৰ ধনেৰেও নিৰ্মিত হৈছে অসমৰ পথ-দলং। এ এ চি পি আৰু আৰ আই ডি এফ প্ৰকল্পৰ অধীনত এই কাম কৰা হৈছে। তদুপৰি চৰকাৰৰ নতুন নীতি BOT (Build, Operate and Transfer) অনুসৰিও নুমলীগড়ৰপৰা ডিব্ৰুগড়লৈ ৩৭ নং ঘাইপথ আৰু নুমলীগড় গহপুৰৰ ৫২নং ঘাইপথত পথ তথা দলং-নিৰ্মাণৰ প্ৰকল্প মঞ্জুৰ কৰিছে। এনে সম্প্ৰসাৰণবোৰৰ ফলতেই ব্ৰিটিছৰ দিনত গৰুগাড়ীও চলিব নোৱৰা অসমৰ পথত এতিয়া গাড়ী-মটৰৰ অভাৱনীয় ভিৰ। ২০১০-১১ চনৰ হিচাপমতে অসমত প্ৰতি ১০০ বৰ্গ কিলোমিটাৰ পথত গড়ে প্ৰতি ১৭৩৮খন



বিভিন্ন প্ৰকাৰৰ গাড়ী চলাচল কৰে। ২০০০-০১ চনত এই সংখ্যা আছিল ৬৮২খন। সেয়ে হ'লেও অসমত ৰাজহুৱা পৰিবহণ ব্যৱস্থা এতিয়াও সুচল, সুৰক্ষিত আৰু পৰ্যাপ্ত বুলিব নোৱাৰি। ১৯৪৮ চনত স্থাপিত অসম ৰাজ্যিক পথ-পৰিবহণ নিগমে দীৰ্ঘদিন ধৰি সৰ্বসাধাৰণক চৰকাৰী যাতায়াত ব্যৱস্থাৰ সুবিধা দি আহিছে যদিও সি যথেষ্ট নহয়। তদুপৰি নিগমটোৰ আৰ্থিক স্থিতিৰ দুৰ্বলতাৰ বাবে ইয়াৰ সেৱা মাজে-সময়ে সঙ্কুচিত কৰাৰ লগতে ব্যক্তিগত খণ্ডৰ সহায়-সহযোগিতাও ল'বলগীয়া হৈছে। মুঠতে ৰাজ্যৰ চৰকাৰী পৰিবহণ সেৱাক ৰাইজৰ অনুকূল বুলিব নোৱাৰি। সুদৃঢ় পৰিবহণ ব্যৱস্থাৰ অভাৱে সৰ্বসাধাৰণক ব্যক্তিগতভাৱে ব্যয়বহুল যাতায়াত ব্যৱস্থাৰ আশ্ৰয় ল'বলৈ বাধ্য কৰায়। ভাৰতৰ অন্যান্য মহানগৰীৰ দৰে অসমৰ একমাত্ৰ মহানগৰীৰ আভ্যন্তৰীণ পৰিবহণ ব্যৱস্থা সুপৰিচালিত, সুদক্ষ তথা নিৰাপত্তাদায়ক নহয়। ক্ৰমবৰ্ধমান পথ-দুৰ্ঘটনা ইয়াৰ অন্যতম প্ৰমাণ। ট্ৰেফিক নিয়মাৱলীও যথেষ্ট আসোঁৱাহপূৰ্ণ আৰু অপৰ্যাপ্ত। বাৰিষা গুৱাহাটীত কৃত্ৰিম বানপানী আৰু অন্যান্য ঠাইৰে পথ-সংযোগ বিচ্ছিন্ন হোৱাটো এক নিয়মত পৰিণত হৈছে। সেয়েহে ব্ৰিটিছৰ দিনৰ পথলৈ সীমাহীন পৰিৱৰ্তন আহিলেও সামগ্ৰিকভাৱে পথ-পৰিবহণ সমস্যাৰে অসম জৰ্জৰিত হৈ আছে।

অসমৰ লগতে সমগ্ৰ ভাৰতৰ ৰেল-পৰিবহণ ব্যৱস্থাৰ ভেটি ব্ৰিটিছ সাম্ৰাজ্যবাদৰ ছত্ৰছায়াতেই গঢ় লৈ উঠিছিল। অসমত ৰে'লপথ নিৰ্মাণ আৰু চলাচল তেনেই দুৰূহ কাম বুলি প্ৰমাণ পোৱাৰ পিছতো উদ্যমী ব্ৰিটিছে কয়লা, তেল তথা চাহ-উদ্যোগৰ খাতিৰত ১৮৮১ চনত অসম ৰেলৱে এণ্ড ট্ৰেডিং কোম্পানি গঠন কৰিছিল। এই কোম্পানিয়ে ডিব্ৰু-শদিয়া ৰে'লপথ নিৰ্মাণৰ কাম হাতত লৈছিল আৰু ১৮৮২ চনত ডিব্ৰুগড় ষ্টীমাৰ ঘাটৰপৰা জয়পুৰ ৰ'ডলৈকে অসমত প্ৰথম ৰেল-চলাচল আৰম্ভ হৈছিল। ১৮৮৪ চনত কয়লা খনিসমূহ ৰেলেৰে সংযোজিত কৰা হৈছিল। খুউব ক্ষিপ্ৰতাৰে ১৮৮৫ চনত যোৰহাট-প্ৰভিন্সিয়েল ৰেলৱে মুকলি কৰি চাহবাগিচাবোৰৰ সৈতে সংযোগ স্থাপন কৰা হৈছিল। একে বছৰতে তেজপুৰ-বালিপাৰা ৰেলৱে মুকলি কৰি তেজপুৰৰ নদী-ঘাট আৰু চাহবাগান সংযোগৰ ব্যৱস্থা কৰা হৈছিল। ১৮৯২ চনত স্থাপিত অসম-বেংগল ৰেলৱেৰদ্বাৰা অসমক ভাৰতৰ অন্যান্য ঠাইৰ সৈতে সংযোগ কৰাৰ ব্যৱস্থা কৰা হৈছিল। তেনেদৰে অসমত ৰে'লপথৰ দৈৰ্ঘ্য ১৮৯১ চনৰ ১১৪ মাইলৰপৰা ১৯০৪ চনত ৭১৫ মাইললৈ বৃদ্ধি পাইছিল। ১৯৩৯ চনপৰ্যন্ত এই দৈৰ্ঘ্য হৈছিল সৰ্বমুঠ ১,৩০০ মাইল। দ্বিতীয় মহাযুদ্ধৰ সময়ছোৱাত প্ৰয়োজন অনুসৰি ৰেল-প্ৰশাসনৰ ক্ষেত্ৰত কিছু পৰিৱৰ্তন সাধন কৰা হ'ল আৰু ৰেলৰ পৰিবহণ ক্ষমতা বঢ়োৱা হ'ল। কিন্তু দেশ বিভাজনৰ ফলত অসমৰ ৰেল-পৰিবহণ ব্যৱস্থালৈ দুৰ্যোগ নামি আহিল। স্বাধীনতাৰ পিছত দেশৰ বাকী অংশৰ লগতে অসমৰো ৰেল-ব্যৱস্থালৈ পৰিৱৰ্তন আহিল। ১৯৪৭ চনত পাণ্ডুক মুখ্য কাৰ্যালয় হিচাপে লৈ Assam Railway নামকৰণেৰে নতুন ৰেল ব্যৱস্থা প্ৰৱৰ্তন কৰা হ'ল। এইটোকেই ১৯৫২ চনত

North-Eastern Railway Zoneৰ লগত (গোৰখপুৰৰ মুখ্য কাৰ্যালয়সহ) একত্ৰীকৰণ কৰা হ'ল। ১৯৫৮ চনত পুনৰ ইয়াক বেলেগ কৰি North-East Frontier Railway প্ৰতিষ্ঠা কৰা হ'ল। বহুতো ভঙা-পতা, মিটাৰগজ পথৰ ব্ৰডগজলৈ ৰূপান্তৰ আদিৰ মাজেৰে উত্তৰ-পূব সীমান্ত ৰেলৱেৰ কাৰ্যালয় মালিগাঁৱলৈ স্থানান্তৰ কৰা হয়। শেহতীয়া হিচাপমতে ২০১০-১১ চনত অসমত ৰে'লপথৰ দৈৰ্ঘ্য ২৪৩৩.৯৯ কিলোমিটাৰ হৈছেগৈ। ইয়াৰে ১৪৪৩.০৩ কিলোমিটাৰ ব্ৰডগজ আৰু ৯৯০.৯৬ কিলোমিটাৰ মিটাৰগজ। সমগ্ৰ ভাৰতৰ সৈতে প্ৰায় একে সময়তে ৰেলৰ যাত্ৰা আৰম্ভ হ'লেও অসমৰ ৰেল-পৰিবহণ এতিয়াও চালুকীয়া অৱস্থাতেই আছে। ভাৰতৰ মুঠ ব্ৰডগজ লাইনৰ মাথোন ২.৬৪ শতাংশহে অসমত আছে। দেশৰ সৰ্বমুঠ দৈৰ্ঘ্যৰ মাথোন ৩.৮ শতাংশ ৰে'লপথ অসমে পাইছে। আজি কিছু বছৰ পূৰ্বৰপৰা নতুন দিল্লীলৈ ৰাজধানী এক্সপ্ৰেছ আৰু শেহতীয়াকৈ পুৰী, জয়পুৰ, চেন্নাই আদিলৈ কেইখনমান নতুন ৰেল দিয়া হৈছে যদিও ভাৰতৰ প্ৰধান প্ৰধান চহৰসমূহৰ লগত এতিয়াও অসমৰ প্ৰত্যক্ষ ৰেল-সংযোগ ব্যৱস্থা স্থাপিত হোৱা নাই। তেনেদৰে, ৰাজ্যখনত তীব্ৰবেগী আৰু বৈদ্যুতিক ৰেল সেৱাৰ অভাৱ আজিও আছে। কেইবছৰমানৰ পূৰ্বে কেইখনমান ইণ্টাৰচিটি এক্সপ্ৰেছ ট্ৰেনৰ প্ৰচলন কৰোৱাত জনসাধাৰণ উপকৃত হৈছে যদিও এতিয়াও অনেক অভাৱ আছে। শেহতীয়াকৈ গুৱাহাটীত মন'ৰেল প্ৰচলন কৰাৰ কথা বিবেচনা কৰা হৈছে বুলি জানিব পৰা গৈছে।

আকাশী পৰিবহণৰ ক্ষেত্ৰতো অসমৰ স্থিতি অতি দুৰ্বল। ব্ৰিটিছৰ দিনত অনিয়মীয়াকৈ চলি থকা আকাশী পৰিবহণ ব্যৱস্থাটোলৈ স্বাধীনতা-উত্তৰ কালত যথেষ্ট সুস্থিৰতা আহিছে। অসমত সম্প্ৰতি ৬টা অসামৰিক বিমানবন্দৰ আছে আৰু দেশৰ বিভিন্ন অংশৰে সৈতে এই বিমানবন্দৰ কেইটাই আকাশী পথেৰে অসমক সংযোজিত কৰিছে। গুৱাহাটীৰ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমানকোঠ হৈছে অসমৰ একমাত্ৰ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ। বিদেশী ৰাষ্ট্ৰৰে ভৌগোলিক সীমাসমূহ চুই থকা সত্ত্বেও বিদেশৰ সৈতে আকাশী যোগাযোগৰ বাবে কলিকতা, দিল্লীলৈ উৰা মাৰিব লাগে। বৰঝাৰ বিমানবন্দৰে এতিয়াও বিদেশৰ সৈতে নিয়মিত ৰূপত বিমান সেৱাৰ সুবিধা দিব পৰা নাই। চৰকাৰী আৰু বেচৰকাৰী বিমানসেৱাৰ বিভিন্ন সংস্থা অসমৰপৰা বিমান চলাচলৰ লগত জড়িত যদিও এতিয়াও দেশৰ কেইবাখনো প্ৰধান চহৰলৈ অসমৰপৰা প্ৰত্যক্ষ বিমান চলাচলৰ সুবিধা হোৱা নাই। তথ্যমতে অসমৰপৰা প্ৰতিদিনে গড়ে ৯৭খন (২০০৯-১০) বিমানৰ চলাচল হয় আৰু প্ৰতিদিনে গড়ে ১৫৫১৩গৰাকী যাত্ৰীয়ে অহা-যোৱা কৰে। একেদৰে মালপত্ৰৰ সৰবৰাহও প্ৰতিবছৰে বৃদ্ধি হৈ গৈ আছে। ২০০৪-০৫ চনৰপৰা ২০০৯-১০ চনৰ সময়ছোৱাত অসমত কাৰ্গোসেৱাৰে মালপত্ৰৰ সৰবৰাহ ১২ শতাংশলৈ বৃদ্ধি পাইছে। যাত্ৰী আৰু কাৰ্গোৰ এই সৰবৰাহে অসম তথা উত্তৰ-পূৰ্বাঞ্চলত ব্যৱসায়িক তৎপৰতা বঢ়াইছে।



অসমৰ পৰম্পৰাগত পৰিবহণ হৈছে নদী-পৰিবহণ। দেশীয়ভাৱে নিৰ্মিত নাৱেৰে এই জল-পৰিবহণে যাত্ৰীসেৱাৰ লগতে সীমিত হাৰত বেহা-বেপাৰো সম্ভৱ কৰি তুলিছিল। ১৮৪৭ চনত ইষ্ট ইণ্ডিয়া কোম্পানিয়ে অসমৰপৰা কলিকতালৈ ষ্টীমাৰ সেৱা আৰম্ভ কৰিছিল। এই সেৱা নিয়মীয়া নাছিল। ১৮৬৪ চন মানৰপৰা ইণ্ডিয়া জেনেৰেল নেভিগেচন কোম্পানি আৰু ৰিভাৰ্ছ ষ্টীম নেভিগেচন কোম্পানিৰদ্বাৰা জল-পৰিবহণৰ বাণিজ্যিক সেৱা আৰম্ভ কৰা হৈছিল। ক্ৰমশঃ নতুন নতুন কোম্পানি আগবাঢ়ি আহিছিল আৰু অসমত আৰম্ভ হোৱা উদ্যোগসমূহৰ কেঁচা সামগ্ৰী, উৎপাদিত সামগ্ৰী আদিৰ সৰবৰাহ সম্ভৱ কৰি তুলিছিল। লাহে লাহে ৰেল-পৰিবহণ আৰু পথ-পৰিবহণ কৰ্তৃপক্ষৰ প্ৰশাসনীয় ব্যৱস্থাৰ সহযোগিতাৰেও ঠায়ে ঠায়ে ব্ৰহ্মপুত্ৰ, সুৰমা উপত্যকাত নদীয়েদি ফেৰি সেৱা চলিবলৈ ধৰে। স্বাধীনতা-উত্তৰ কালছোৱাত আনবোৰ মাধ্যমৰ দৰে নদী-পৰিবহণৰ উন্নয়ন তথা সম্প্ৰসাৰণৰ বাবেও ব্যৱস্থা লোৱা হৈছে। দেশৰ প্ৰায় ৩২ শতাংশ জলসম্পদ অসমে অকলে ধাৰণ কৰিছে। তথাপি কেন্দ্ৰৰপৰা পৰ্যাপ্ত মনোযোগ আকৰ্ষণ কৰিবলৈ অসমৰ নদী-পৰিবহণ ব্যৱস্থা সফল হোৱা নাই। ১৯৮৮ চনতহে ব্ৰহ্মপুত্ৰ-ধুবুৰী জলপথছোৱাক ৰাষ্ট্ৰীয় জলপথ (২নং) বুলি ঘোষণা কৰা হৈছে। তেতিয়াৰপৰা কিছু পৰিমাণে জল-পৰিবহণৰ বাণিজ্যিক ব্যৱহাৰ বাঢ়িছে। সম্প্ৰতি দুই অভিভাৱক — কেন্দ্ৰীয় আভ্যন্তৰীণ জল-পৰিবহণ নিগম আৰু জল-পৰিবহণৰ সঞ্চালকালয়ৰ দায়িত্বত জল-পৰিবহণৰ কামকাজ চলি আছে। পৰম্পৰাগত সস্তীয়া এই জল-পৰিবহণ ব্যৱস্থাটোৰো সমস্যাৰ আদি-অন্ত নাই। আচলতে এই ব্যৱস্থাই আগবঢ়োৱা সেৱা-সুবিধাসমূহ চাহিদা অনুপাতে যথেষ্ট কম। নদী-বন্দৰ, ঘাট আৰু লগতে যানসমূহতো আধুনিকতাৰ যথেষ্ট অভাৱ। প্ৰচুৰ সম্ভাৱনা থকা সত্ত্বেও এই ব্যৱস্থাটোৰ লগত ৰাজ্যখনৰ পৰ্যটন উদ্যোগক চামিল কৰিব পৰা নাই। পুৰণি যানসমূহ আঁতৰাই নতুন যানবাহন দিয়া বা আধুনিক সা-সুবিধাযুক্ত যানবাহন চলোৱা, নদী-বন্দৰসমূহত আধুনিক সা-সুবিধা প্ৰৱৰ্তন কৰা আদি কামবোৰ কেৱল কাগজে, কলমে আৰু আঁচনিতে আবদ্ধ হৈ আছে। এই ক্ষেত্ৰত চৰকাৰে উচ্চ পৰ্যায়ৰ পৰামৰ্শদাতা কমিটীও পাতি দিছে। অথচ পৰামৰ্শাৱলী আজিপৰ্যন্ত ৰূপায়ণ কৰা হোৱা নাই। তদুপৰি নদী-যাতায়াত ব্যৱস্থাত উপযুক্ত নিৰাপত্তা বা সুৰক্ষামূলক সুবিধা চৰকাৰে সংযোগ কৰা নাই।

সমস্ত যাতায়াত ব্যৱস্থালৈ চালে দেখা যায় যে ব্ৰিটিছৰ দিনৰপৰা আজিলৈকে এখন পৃথক পৃথিৱীৰ সৃষ্টি হৈছে। ক'ত তাহানিৰ সেই শিলৰ সাঁকো, ক'ত আজিৰ উৰণীয়া সেতু! এই পৰিৱৰ্তিত ব্যৱস্থাই অৰ্থনীতিটোক গতি প্ৰদান কৰিছে হয়, কিন্তু আজিও এইবোৰক লৈ গৰ্ব কৰিবলৈ বহু পথ বাকী আছে।

## যোগাযোগৰ নতুন পৃথিৱী: ডাকোৱালৰপৰা ই-মেইল

আজি দ্ৰুত যোগাযোগ ব্যৱস্থাই সমগ্ৰ পৃথিৱীখনকে এক ক্ষুদ্ৰ গাঁৱলৈ

পৰিণত কৰিছে। অসমলৈও সেই পৰিবৰ্তন আহিছে। ব্ৰিটিছ আগমনৰ আগলৈকে যাতায়াতৰ দৰে যোগাযোগ ব্যৱস্থাও পুতৌলগা বিধৰ আছিল। প্ৰয়োজনীয়তাও কম আছিল। প্ৰশাসনিক আৰু বাণিজ্যিক স্বাৰ্থতে ব্ৰিটিছে যাতায়াত আৰু যোগাযোগ ব্যৱস্থাকো সক্ৰিয় কৰি তুলিলে। স্বৰাজোত্তৰ ভাৰতত চৰকাৰী ছত্ৰছায়াত ডাক-তাঁৰ, অনাতাঁৰ, টেলিফোন, টেলিগ্ৰাফৰ নিয়মিত সেৱাৰ প্ৰচলন সম্প্ৰসাৰিত হ'ল। ১৯৪৮ চনত গুৱাহাটীক মুখ্য কাৰ্যালয় হিচাপে লৈ স্থাপিত আছাম প'ষ্টেল চাৰ্কলৰ অধীনত মুঠ ৪০০৬টা ডাকঘৰ আছে। ইয়াৰে ৩৭০৭টা গ্ৰামাঞ্চলত অৱস্থিত। ভাৰতৰ অন্যান্য ঠাইৰ দৰে অসমতো আছে স্পীড প'ষ্ট সেৱা। পথ, ৰেল আৰু আকাশী পৰিবহণৰ সহযোগত এই ডাক-তাঁৰ বিভাগে জনসাধাৰণলৈ সেৱা আগবঢ়াই আহিছে। অসমৰ ডাক-সেৱাই নিজাকৈ আৰু ভাৰত চৰকাৰৰ হৈ ডাক-সঞ্চয়, মুদ্ৰা-স্থানান্তৰ আদিৰো কাম কৰে।

ভাৰত সঞ্চাৰ টেলিকম নিগম লিমিটেড নামৰ ভাৰত চৰকাৰৰ দূৰভাষ সংযোগী ব্যৱস্থাটোৰ অধীনত ১৯৮৭ চনত অসমত টেলিকম চাৰ্কল গঠন কৰা হয়। এই চাৰ্কলৰ অধীনত অতি সম্প্ৰতি অসমত ৬০৪টা টেলিফোন এক্সচেঞ্জ কেন্দ্ৰই কাম কৰি আছে। ৰাজ্যখনত ২০০৯ চনৰ মাৰ্চ মাহলৈকে কেৱল বি এছ এন এল (BSNL) দূৰভাষ গ্ৰাহকৰ সংখ্যা হৈছে ১৩ লাখতকৈও অধিক। আনহাতে ২০১০ চনৰ ডিচেম্বৰ মাহলৈকে ৰাজ্যখনৰ মোবাইল ফোনৰ গ্ৰাহকৰ সংখ্যা ১ কোটিৰো অধিক হৈছে। BSNLৰ বাদেও ব্যক্তিগত খণ্ডৰ এয়াৰটেল, এয়াৰচেল, ৰিলায়েন্স, ভোডাফোন আদিয়েও ৰাজ্যখনৰ গ্ৰাহকক মোবাইল ফোনৰ সেৱা আগবঢ়াইছে। BSNLএ ৰাজ্যৰ ৯৫ শতাংশতকৈও অধিক গাঁৱক যোগাযোগ ব্যৱস্থাৰে সংযোজিত কৰিছে।

শেহতীয়াকৈ ৰাজ্যখনত কেতবোৰ তথ্য-প্ৰযুক্তি কেন্দ্ৰ খোলা হৈছে। এইবোৰ গাঁও পঞ্চায়তৰ সৈতে সংযোজিত। এই কেন্দ্ৰবোৰে গ্ৰামাঞ্চলৰ লোকসকলক ইণ্টাৰনেট ব্ৰডবেণ্ড সেৱাৰে সামৰি লৈছে। গতিকে নগৰ-চহৰৰ কথা বাদেই, এতিয়া গাঁৱৰ লোকেও বিশ্বব্ৰহ্মাণ্ডৰ তথ্য গাঁৱতে বহি পোৱাৰ ব্যৱস্থা এটা অন্ততঃ গঢ় লৈ উঠিছে। অৱশ্যে অভ্যাসবশতঃ অথবা কাৰিকৰী সমস্যাৰ বাবে বহুক্ষেত্ৰত অসমৰ গাঁওবাসীৰ বাবে এতিয়াও ইণ্টাৰনেট অচিনাকি হৈয়ে আছে।

## সাংস্কৃতিক অগ্ৰগতি: সৃষ্টিশীলতা, বিনোদন বনাম ঔদ্যোগিকীকৰণ

অসমৰ থলুৱা লোকসংস্কৃতি আৰু সত্ৰীয়া সংস্কৃতি ব্ৰিটিছ বণিকৰ হাতত সুৰক্ষিত হৈ আছিল। ব্ৰিটিছসকলে তাক ধ্বংস কৰাৰ ফন্দি পতা নাছিল, উত্তৰণৰ বাবেও কোনো নীতি লোৱা নাছিল। নাট-ভাওনাৰ লগতে গীত-মাত-লোকসঙ্গীতে থলুৱা লোকৰ উৎসৱ-পাৰ্বণত আনন্দৰ ঢল বোৱাইছিল। লাহে লাহে এই বিনোদনে সংগঠিত ৰূপ পাইছিল। চহৰবোৰত নাটঘৰ, স্থায়ী মঞ্চ, চিনেমাঘৰ নিৰ্মাণ হৈছিল।



অসমীয়া মানুহে শিল্প-সংস্কৃতিক নিচাৰপৰা পেছা হিচাপে গ্ৰহণ কৰিবলৈ লৈছিল। এতিয়া অসমৰ বিনোদন উদ্যোগ এক লেখত ল'বলগীয়া উদ্যোগ। চিনেমা, ভ্ৰাম্যমাণ থিয়েটাৰ, নৃত্য-গীতৰ বিনোদন উদ্যোগৰ লগতে ছপা আৰু বৈদ্যুতিন মাধ্যমৰ সংবাদ সেৱাৰ প্ৰতিষ্ঠান, কিতাপ-আলোচনীৰ প্ৰকাশক গোষ্ঠী আদি সাংস্কৃতিক উদ্যোগসমূহো ৰাজ্যখনৰ অৰ্থনীতিৰ এক অবিচ্ছেদ্য অঙ্গ হৈ পৰিছে। কেৱল ভাৰততেই নহয়, সমগ্ৰ বিশ্বতে আজি সাংস্কৃতিক উদ্যোগসমূহ বিশ্ব অৰ্থনীতিৰ অন্যতম চালিকা শক্তিৰ ৰূপত প্ৰতিষ্ঠিত হৈছে। অসমত এই উদ্যোগ চালুকীয়া অৱস্থাতে আছে আৰু এতিয়াও অৰ্থনীতিৰ অন্যান্য খণ্ড বা ক্ষেত্ৰসমূহৰ দৰে এই ক্ষেত্ৰখনক অৰ্থনীতিৰ অংশ হিচাপে গুৰুত্বসহকাৰে বিশ্লেষণ কৰি চোৱা হোৱা নাই। কিন্তু অলপ মন কৰিলে দেখা যাব যে নিয়োগ-বিনিয়োগৰ আৰু সেৱা উৎপাদন তথা বিতৰণৰ ক্ষেত্ৰখনত এই উদ্যোগে শেহতীয়াকৈ প্ৰচুৰ অৰিহণা আগবঢ়াইছে আৰু ৰাজ্যৰ অৰ্থনীতিৰ এক চালিকা শক্তিৰূপে পৰিগণিত হৈছে। সাংস্কৃতিক উদ্যোগৰ এই ৰূপ ব্ৰিটিছৰ দিনত একেবাৰেই উদ্ভাসিত হোৱা নাছিল। আনহাতে, বৰ্তমানেও চৰকাৰে কোনো সুস্পষ্ট আৰু সুদৃঢ় সাংস্কৃতিক নীতি লোৱা পৰিলক্ষিত হোৱা নাই।

## স্বাস্থ্য: জৰা-ফুকা, বেজালিৰপৰা এম আৰ আই প্ৰযুক্তিলৈ

অৰ্থনৈতিক বিকাশৰ সৈতে স্বাস্থ্যসেৱাৰ সুবিধাও জড়িত হৈ থাকে, যিদৰে থাকে শিক্ষাৰ দিশটোও। উপযুক্ত চিকিৎসা, স্বাস্থ্যসম্মত সা-সুবিধা নাপালে মানৱসম্পদৰ বিকাশ নহয়। এনে ধাৰণাসমূহক অৱশ্যে আগতে অৰ্থনৈতিক বিকাশৰ সৈতে সাঙুৰি লোৱা হোৱা নাছিল। অৰ্থনৈতিক বিকাশৰ প্ৰসঙ্গত মানৱসম্পদ সূচকৰ হিচাপ-নিকাচ কৰিবলৈ লওঁতে স্বাস্থ্যও প্ৰাসঙ্গিক হৈ পৰিল। ব্ৰিটিছৰ দিনত অসমত স্বাস্থ্যসেৱাৰ সা-সুবিধা তেনেই চালুকীয়া আছিল। বেজ-বেজালিৰ ৰাজ্য অসম। ব্ৰিটিছে চাহবাগানবোৰলৈ ডাক্তৰ আনিলে। ব্ৰিটিছ বিষয়াৰ প্ৰতিবেদনত এইবোৰ কথাও লিপিবদ্ধ হৈ আছে যে কোনো কোনো আঁকোৰগোজ অসমীয়াই বেমাৰ হ'লেও ইউৰোপীয় ডাক্তৰৰ ওচৰ চপা নাছিল আৰু তেওঁলোকে দিয়া দৰবো ব্যৱহাৰ কৰা নাছিল। তেওঁলোকে কবিৰাজী আৰু বনদৰবহে সেৱন কৰিছিল। ব্ৰিটিছৰ দিনতেই গ্ৰহণী, কলেৰা আদিয়ে মহামাৰীৰ ৰূপ লৈছিল। বিশেষকৈ চাহবাগানৰ মজদুৰসকলৰ মাজত। নিজে সম্পূৰ্ণ স্বাস্থ্যসন্মতভাৱে খোৱন-শোৱন তথা থকা-মেলা কৰিলেও ব্ৰিটিছ চৰকাৰে সৰ্বসাধাৰণৰ মাজত জনস্বাস্থ্য উত্তৰণৰ বাবে অথবা স্বাস্থ্য ৰক্ষাৰ নিয়ম সম্পৰ্কে সচেতনতা জাগ্ৰত কৰাৰ বাবে কোনো ব্যৱস্থা লোৱা নাছিল। মজদুৰসকলক তেওঁলোকে অস্বাস্থ্যকৰ পৰিৱেশত তো ৰাখিছিলেই, মেচিনৰ দৰে সপ্তাহৰ সাতোটা দিনেই কামত খটুৱাইছিল বুলি অস্কাৰ ফ্লেক্সে লিখিছে। স্বাধীনতাৰ পিছত জনসাধাৰণৰ স্বাস্থ্য ৰক্ষাৰ বিষয়টো চৰকাৰী দায়িত্বৰ অন্তৰ্ভুক্ত হ'ল। চৰকাৰে চিকিৎসা মহাবিদ্যালয়, হাস্পতাল আদি

পাতিলে। সেইবোৰত ডাক্তৰ-নাৰ্ছৰ নিয়োগ আৰু ঔষধ যোগানৰ ব্যৱস্থা কৰিলে। প্ৰথমতে চহৰবোৰতহে থকা স্বাস্থ্যসেৱাৰ সুবিধা গাঁৱলৈও সম্প্ৰসাৰিত কৰা হ'ল। ৰাজ্যখনত বিধে-বিধে চিকিৎসালয় স্থাপন কৰা হৈছে। চিকিৎসা শিক্ষানুষ্ঠানৰ সংখ্যাও বঢ়োৱা হৈছে। কেৱল চৰকাৰী খণ্ডতেই নহয়, বেচৰকাৰী খণ্ডতো বৃহৎসংখ্যক নাৰ্ছিংহোম, নাৰ্ছিং শিক্ষানুষ্ঠান খোলা হৈছে। তথাপি ৰাজ্যখনৰ মানুহৰ স্বাস্থ্যসেৱাৰ চাহিদা পূৰাব পৰা হোৱা নাই। এতিয়াও দুৰাৰোগ্য ব্যাধিৰ চিকিৎসাৰ বাবে অসমৰপৰা ভেলোৰ, চেন্নাই, মুম্বাই, দিল্লী, পাটনা আদি ঠাইলৈ ৰোগীৰ সোঁত বয়। গাঁওবোৰত চিকিৎসাৰ অভাৱত বহুতেই অকালমৃত্যুক সাবটি ল'বলগা হয়।

ব্ৰিটিছৰ দিনত প্ৰাথমিক চিকিৎসাৰ সা-সুবিধাকণো নথকা অসমত যোৱা পঁয়ষষ্ঠি বছৰে স্বাস্থ্যসেৱাৰ ভেটি যথেষ্ট মজবুত হ'ল যদিও এতিয়াও ভাৰতৰ আন বহুতো ৰাজ্যৰ তুলনাত অসমত জনসংখ্যা অনুপাতে ডাক্তৰ, নাৰ্ছ আৰু চিকিৎসালয়ৰ সংখ্যা কম। অনেক চৰকাৰী প্ৰয়াসৰ পিছতো ৰাজ্যত নৱজাতকৰ মৃত্যুৰ হাৰ, প্ৰসূতিৰ মৃত্যুৰ হাৰ আদি নিৰ্ধাৰিত লক্ষ্যমতে হ্ৰাস কৰিব পৰা নাই। তথ্যমতে ২০১০ চনত অসমত নৱজাতকৰ মৃত্যুৰ হাৰ হৈছে প্ৰতি হাজাৰ শিশুত ৫৮জন। ২০০১ চনত এই সংখ্যা আছিল ৭৪জন। একেদৰে প্ৰসূতিৰ মৃত্যুৰ হাৰ ভাৰতৰ ভিতৰতেই অসমত আটাইতকৈ বেছি। ২০০৭-০৯ চনৰ তথ্যমতে এই সংখ্যা প্ৰতি লাখত ৩৯০গৰাকী। চৰকাৰে এনে মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ বাবে বিভিন্ন প্ৰতিষেধক বেজী, ঔষধ আদি যোগান ধৰাৰ লগতে চিকিৎসালয়ত অভিজ্ঞ লোকৰদ্বাৰা সন্তান প্ৰসৱ কৰোৱাৰ আঁচনি ৰূপায়ণ কৰি আছে। ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য মিছন নামৰ কেন্দ্ৰীয় চৰকাৰৰদ্বাৰা প্ৰৱৰ্তিত আঁচনিৰ উপৰি জননী সুৰক্ষা যোজনা, মামণি, মাজনী আদি শীৰ্ষক কেইবাখনো আঁচনি সম্প্ৰতি চৰকাৰে কাৰ্যকৰী কৰি আছে। চৰকাৰী আঁচনিয়ে এতিয়া পলিঅ' নিয়ন্ত্ৰণ, অন্ধতা নিবাৰণ, পৰিয়াল কল্যাণ, স্বাস্থ্য সজাগতা শিবিৰ তথা স্বাস্থ্য শিক্ষা সম্প্ৰসাৰণ, মেলেৰিয়া নিয়ন্ত্ৰণ ইত্যাদি বিভিন্ন কাম সামৰি লৈছে। তদুপৰি স্বাস্থ্য ৰক্ষাৰ্থে বিশুদ্ধ খোৱা পানী যোগানৰ চৰকাৰী কাৰ্যসূচীও ৰূপায়ণ কৰি অহা হৈছে।

এনেবোৰ কাৰণতে অসমীয়া মানুহৰ জীৱনৰ প্ৰত্যাশিত আয়ুস পূৰ্বতকৈ বাঢ়িছে। স্বাস্থ্যৱান তথা কৰ্মঠ মানুহে অৰ্থনীতিলৈ অধিক বৰঙণি আগবঢ়াবলৈ সমৰ্থ হৈছে। তৎসত্ত্বেও ভিতৰুৱা ঠাইবোৰত আধুনিক বিজ্ঞানসন্মত স্বাস্থ্যৰ ধাৰণা আৰু মানসিকতা গঢ় লৈ উঠা নাই। অন্ধবিশ্বাস আঁতৰা নাই বাবে আজিও একাংশ মানুহে ডাক্তৰৰ পৰিৱৰ্তে বেজৰ বেজালি, জৰা-ফুকাতহে অধিক গুৰুত্ব দিয়ে। ডাইনী বিশ্বাসত এতিয়াও মানুহে মানুহক হত্যা কৰে। এনে পৰিস্থিতিয়ে কোনোপধ্যেই আধুনিক মানসিক স্বাস্থ্যৰ স্থিতি ঘোষণা নকৰে।

*২০১২ চনতেই প্ৰবন্ধটো লেখিকাৰপৰা সংগ্ৰহ কৰা হৈছিল যদিও অনিবাৰ্য কাৰণত প্ৰকাশত পলম হ'ল।
— মুখ্য সম্পাদক



## ৰাজকোষৰ পৰিৱৰ্তিত ৰূপ

এসময়ত সোণ-ৰূপ-তামৰ মুদ্ৰাৰে ৰজা-মহাৰজাসকলৰ ৰাজকোষ শক্তিশালী হৈছিল। ৰাজ্য জয় কৰি লোকৰ ৰাজ্যৰ ধনো নিজৰ কৰি লৈছিল। সময় সলনি হ'ল। আধুনিক চৰকাৰকো ধন লাগে। এই ধন সংগৃহীত হয় বিভিন্ন বিহিত ব্যৱস্থাৰে। ব্ৰিটিছে প্ৰথমতে প্ৰদেশ (province)বোৰক বিত্তীয় স্বতন্ত্ৰতা দিয়া নাছিল। ১৮৭১ চন পৰ্যন্ত প্ৰভিন্সবোৰৰ কোনো বিত্তীয় ক্ষমতা নাছিল। পিছত ১৮৭১ চনত লৰ্ড মেয়োৰ নিৰ্দেশমৰ্মে ব্ৰিটিছ ভাৰত চৰকাৰৰপৰা কিছু বিত্তীয় ক্ষমতা প্ৰভিন্সবোৰলৈ হস্তান্তৰ কৰা হৈছিল। চৰকাৰৰ বাবে সংগৃহীত কৰ-কাটলবোৰ Imperial, Provincial আৰু Divided — এই তিনিটা ভাগত ভগোৱা হৈছিল। সেইমতে কৰ-কাটল সংগ্ৰহ কৰি প্ৰভিন্স আৰু কেন্দ্ৰৰ মাজত বণ্টন কৰা হৈছিল। প্ৰদেশৰ বাজেট ঘাটি হ'লে কেন্দ্ৰৰ ৰাজহৰ ভাগ দিয়া হৈছিল। ১৯০৪ চনত লৰ্ড কাৰ্জনে কৰা বন্দৱস্ত মতে পঞ্জীয়ন, ৰাজহুৱা কাম, পুলিচ, শিক্ষা, চিকিৎসা সেৱা, আদালত আৰু কাৰাগাৰৰপৰা পোৱা ৰাজহ সম্পূৰ্ণভাৱে প্ৰদেশবোৰক দিয়া হৈছিল। ভূমিকৰ, আবকাৰী, ষ্টেম্প ডিউটি, আয়কৰৰ ভাগ সমানে ৰাজ্য আৰু কেন্দ্ৰই ভাগ কৰি লৈছিল। ৰাজহৰ অংশ যিদৰে ভাগ কৰা হৈছিল, সেই ক্ষেত্ৰসমূহৰ উন্নয়নৰ দায়িত্বও প্ৰদেশৰ হাতত দিয়া হৈছিল। ১৯১৯ চনত মণ্টেগু চেমছ্ফৰ্ড সংস্কাৰমতে এই ভাগ-বাটোৱাৰাৰ নিয়মসমূহ সলনি কৰা হৈছিল আৰু সেইমতেই ১৯৩৬-৩৭ চনমানলৈকে কেন্দ্ৰ আৰু প্ৰভিন্সবোৰৰ মাজৰ ভাগ-বাটোৱাৰা চলিছিল। ১৯৩৫ চনৰ Government of India Actমতে প্ৰভিন্সবোৰক বিত্তীয় স্বায়ত্তশাসনৰ সুবিধা দিয়া হৈছিল আৰু ১৯৩৭ চনৰপৰা ইয়াক বলবৎ কৰা হৈছিল। এই আইনে নতুনকৈ কৰ-কাটল পাব পৰা ক্ষেত্ৰবোৰ ভাগ কৰি দিছিল। Sir Otto Niemyerক কেন্দ্ৰ আৰু প্ৰভিন্সসমূহৰ মাজত ৰাজহ ভগাই দিয়াৰ বাবে দায়িত্ব দি কমিটী এখন গঠন কৰি দিছিল। প্ৰভিন্সবোৰৰ বাজেট ঘাটি পূৰণৰ বাবে কেন্দ্ৰই দিবলগীয়া ধনৰ পৰিমাণ নিৰ্ধাৰণ কৰি দিয়া হৈছিল। সেইমতে অসমৰ বাবে বছৰি ৪৫ লাখ টকা আৰু অসম ৰাইফলছৰ বাবে অতিৰিক্ত সাত লাখ টকা আবণ্টন দিছিল। পিছত এই কমিটিৰ পৰামৰ্শও সলনি কৰা হৈছিল। প্ৰাদেশিক স্বায়ত্তশাসনৰ অধীনত প্ৰদেশসমূহে নিজে বিক্ৰীকৰ, কৃষি আয়কৰ, নিযুক্তিকৰ, স্থাৱৰ সম্পত্তিকৰ আদি আৰোপ কৰিব পাৰিছিল। অসমে ১৯৩৮ চনত মটৰ স্পিৰিট আৰু লুব্ৰিকেণ্টৰ ওপৰত বিক্ৰীকৰ আৰু ১৯৩৯ চনত কৃষি আয়কৰ আৰোপ কৰিছিল।

স্বৰাজোত্তৰ কালতো ব্ৰিটিছ ৰাজস্ব-নীতিমতেই কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত প্ৰথমতে ৰাজহ ভগোৱা হৈছিল। বিত্তীয় ক্ষমতাসমূহ ক্ৰমে কেন্দ্ৰীয় সূচী, ৰাজ্যিক সূচী আৰু সমৱৰ্তী সূচীমতে ভাগ কৰা হৈছিল। পিছত বিত্তীয় আয়োগ গঠন কৰি আয়োগৰ পৰামৰ্শমতেই ৰাজহৰ ভাগ-বাটোৱাৰাত সাল-সলনি কৰি থকা হৈছিল। সম্প্ৰতি ২০১০ চনৰপৰা ২০১৫ চনপৰ্যন্ত ত্ৰয়োদশ বিত্ত আয়োগৰ দিহামতে

কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত কৰ-কাটল আদিৰ বিভাজন কৰা হৈছে।

অসম চৰকাৰৰ ৰাজহ শিতানৰ মূল অংশ দুটা হৈছে বিভিন্ন ক্ষেত্ৰত ৰাজ্য চৰকাৰে আৰোপ কৰা কৰ ৰাজহ আৰু কেন্দ্ৰীয় চৰকাৰৰ কৰৰ অংশ। চৰকাৰে কৰৰ লগতে অনাকৰ ৰাজহও সংগ্ৰহ কৰে। লগতে থাকে কেন্দ্ৰৰপৰা পোৱা বিত্তীয় সাহায্য তথা অনুদান। চৰকাৰে এতিয়া কোটি কোটি টকা এই শিতানবোৰৰ জৰিয়তেই উপাৰ্জন কৰে। তালিকা নং ৩ দ্ৰষ্টব্য।

তালিকা ৩: চৰকাৰৰ মুঠ ৰাজহ (কোটি টকা হিচাপত)

| বছৰ | কৰ ৰাজহ | | | অনাকৰ ৰাজহ | কেন্দ্ৰৰ অনুদান | মুঠ ৰাজহৰ পৰিমাণ |
|---|---|---|---|---|---|---|
| | ৰাজ্যিক | কেন্দ্ৰীয় কৰৰ অংশ | মুঠ | | | |
| ২০০৪-০৫ | ২৭১২.৯৩ | ২৫৮৫.৯০ | ৫২৯৮.৮৩ | ১০৭০.০২ | ৩৫৬৮.৪২ | ৯৯৩৭.২৭ |
| ২০১০-১১ | ৫৯২৯.৮৪ | ৭৯৬৮.৬১ | ১৩৮৯৮.৪৫ | ২৩৭৩.৩২ | ৬৭৩৩.১৬ | ২৩০০৪.৯৩ |

উৎস: Economic Survey 2011-12 of Assam

চৰকাৰে প্ৰয়োজন হ'লে উন্নয়নৰ খাতিৰত কেন্দ্ৰীয় চৰকাৰ বা অন্য উৎসৰপৰা আভ্যন্তৰীণ আৰু আন্তঃৰাষ্ট্ৰীয় স্তৰত বিদেশী উৎসৰপৰা বাহ্যিক ঋণো গ্ৰহণ কৰিব পাৰে। উল্লেখযোগ্য যে সাম্প্ৰতিক অৰ্থনৈতিক ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত ঋণ লোৱা আৰু পৰিশোধ কৰাটো হৈছে এক সাধাৰণ অৰ্থনৈতিক কাৰ্য। ই ৰাজ্যৰ বিত্তীয় দুৰ্বলতা নুবুজায়। সম্প্ৰতি অসমৰ বিত্তীয় অৱস্থা বেছ টনকিয়াল বুলিয়েই কোৱা হয়। অৱশ্যে সময়ে সময়ে অসম বিত্তীয় দুৰৱস্থাৰ সন্মুখীন নোহোৱাকৈ থকা নাই। সময়ত তেনে দুৰৱস্থা দূৰো হৈছে। অসমৰ বিত্তীয় ক্ষেত্ৰৰ দুৰ্বলতম দিশটো হৈছে এয়ে যে অসমৰ বিকাশৰ বাবে আৱণ্টিত ধন ব্যৱহাৰৰ অভাৱত কেন্দ্ৰলৈ ঘূৰি যায়। ফলস্বৰূপে পৰৱৰ্তী সময়ত অসমে বিচৰামতে পৰ্যাপ্ত ধন কেন্দ্ৰৰপৰা নাপায়। এনে অৱস্থাই অৰ্থনৈতিক উন্নয়ন ব্যাহত কৰে।

## বেংক ব্যৱস্থা : বিশ্বাসৰ পুঁজি বনাম প্ৰতাৰকৰ ঠগবাজি

স্বাধীনতাৰ সময়লৈকে সমগ্ৰ উত্তৰ-পূব অঞ্চলত চৰকাৰী কোষাগাৰৰদ্বাৰাই সমস্ত লেনদেন সংঘটিত হৈছিল। অৱশ্যে ১৯২৬ চনত অসমত ব্যক্তিগত খণ্ডৰ প্ৰচেষ্টাত Gauhati Bank নামেৰে এটা বেংক খোলা হৈছিল আৰু ক্ৰমশঃ কেইবাটাও বেংকে আত্মপ্ৰকাশ কৰিছিল। স্বাধীনতা লাভ কৰাৰ সময়লৈকে এই আটাইবোৰ বেংক বৰ্তি নাথাকিল। সমগ্ৰ দেশৰ লগতে লাহে লাহে অসমতো অসম সমবায় এপেক্স বেংক, ষ্টেট বেংক, ইউনাইটেড বেংককে ধৰি জাতীয়কৃত বাণিজ্যিক বেংক, অন্যান্য বেংক তথা বিত্তীয় প্ৰতিষ্ঠানৰ সমাগম ঘটিল। গুৱাহাটীত ৰিজাৰ্ভ বেংকৰ শাখা কাৰ্যালয় স্থাপন কৰা হ'ল। জীৱন বীমা নিগমকে ধৰি বীমা তথা অন্যান্য নন-বেংকিং বিত্তীয় প্ৰতিষ্ঠানবোৰৰো শাখা স্থাপিত হ'ল। নাবাৰ্ড, আঞ্চলিক গ্ৰামীণ বেংক, ঔদ্যোগিক বিকাশ বেংক আদি প্ৰায় সকলোবোৰ চৰকাৰী



তথা বেচৰকাৰী খণ্ডৰো অনুষ্ঠান অসমলৈ আহিল। এই প্ৰতিষ্ঠানবোৰে ৰাজ্যখনৰ বিত্তীয় সম্পদক গতিশীল কৰি তুলিলে। সাম্প্ৰতিক বেংক ব্যৱস্থাটোৱে জনসাধাৰণক কেৱল সঞ্চয় তথা ঋণ লোৱাৰ সুবিধাই দিয়া নাই, প্ৰণালীবদ্ধভাৱে অৰ্থনীতিৰ প্ৰতিটো খণ্ডৰ বিকাশত প্ৰত্যক্ষ অৰিহণা যোগাইছে। বিশেষকৈ ক্ষুদ্ৰ ঋণৰ ধাৰণাটো বাস্তৱায়িত কৰাত নেডফি আৰু নাবাৰ্ডে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। গ্ৰামীণ বেংকসমূহেও কৃষি, ক্ষুদ্ৰ ব্যৱসায়ৰ সৈতে জড়িত বৃহৎসংখ্যক লোকক বিত্তীয় সাহায্য আগবঢ়াই তেওঁলোকক উৎপাদনক্ষম কৰি তুলিছে। ৰাজ্যখনৰ বিভিন্ন ক্ষেত্ৰলৈ বিত্ত যোগানৰ ক্ষেত্ৰত ১৯৯৫ চনত স্থাপিত হোৱা নেডফি (North-East Development Financial Corporation)ৰ গুৰুত্বপূৰ্ণ ভূমিকা থকা দেখা যায়। ষ্টক এক্সচেঞ্জকে ধৰি ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নিয়ন্ত্ৰণাধীন প্ৰায়বোৰ বিত্তীয় প্ৰতিষ্ঠানৰ শাখা এতিয়া অসমত আছে। তৎসত্বেও কেতবোৰ প্ৰতাৰক বিত্তীয় প্ৰতিষ্ঠানে সঞ্চয়েৰে দুগুণ লাভ দিয়াৰ প্ৰলোভন দেখুৱাই জনসাধাৰণৰপৰা ধন সংগ্ৰহ কৰি উধাও হোৱা পৰিলক্ষিত হৈছে — যিবোৰে বিগত সময়ছোৱাত যথেষ্ট চাঞ্চল্যৰো সৃষ্টি কৰিছে। ৰিজাৰ্ভ বেংক অথবা চৰকাৰে এনে ঘটনা এতিয়াও প্ৰতিৰোধ কৰিব পৰা নাই। সৰ্বসাধাৰণৰ মাজত চৰকাৰী সঞ্চয় তথা বিনিয়োগ ব্যৱস্থাটোৰ বিষয়ে পৰ্যাপ্ত তথ্য তথা সজাগতা নথকাৰ বাবেই হয়তো এনে প্ৰতিষ্ঠানবোৰে নিজৰ দুষ্কাৰ্য চলাবলৈ সুবিধা পাইছে।

## দুৰ্নীতিৰ মকৰাজাল

ক'লা ব্যৱসায়, ক'লা টকা, দুৰ্নীতি ইত্যাদিবোৰ এতিয়া যিকোনো ঠাইৰে অৰ্থনীতিৰ এৰাব নোৱৰা ব্যাধি হৈ পৰিছে। ব্যাপক দুৰ্নীতিৰ বাবেই আজি ভাৰত চৰকাৰে ৰূপায়ণ কৰিবলৈ লোৱা এখনো আঁচনি ফলপ্ৰসূ হ'বগৈ পৰা নাই। উন্নয়নৰ নামত অহা হেজাৰ কোটি টকা আদবাটতে দুৰ্নীতিয়ে গ্ৰাস কৰে। ফলত উন্নয়নেও হেজাৰ কোটি মাইল দূৰৈত অৱস্থান কৰে। দিন যোৱাৰ লগে লগে অৰ্থনীতিটো ক্ৰমশঃ দুৰ্নীতিৰ গৰাহত সোমাই গৈ আছে। সমাজৰ বয়োজ্যেষ্ঠ লোকসকলে আজিৰ দুৰ্নীতিৰ কথা চৰ্চালৈ আহিলে আশ্চৰ্য প্ৰকাশ কৰে। কিন্তু আশ্চৰ্যৰ বিষয় এই যে ব্ৰিটিছৰ দিনতো দুৰ্নীতি হৈছিল। অস্কাৰ ফ্ৰেক্লে তেওঁৰ কিতাপখনত চাহবাগানৰ বৰকেৰাণীয়ে কিদৰে মজদুৰৰ দৰমহাৰ এটা অংশ কাঢ়ি লৈছিল, মজদুৰৰ পইছা জমা ৰাখি পিছত ৰখা নাই বুলি কৈছিল ইত্যাদি কথাবোৰ অতি স্পষ্ট ভাষাৰে বৰ্ণনা কৰিছে। অৱশ্যে ব্ৰিটিছৰ দিনত চলিছিল বুলিয়েই এতিয়াও দুৰ্নীতি হোৱা কথাটোক কোনোপধ্যেই সমৰ্থন কৰিব নোৱাৰি। বৰঞ্চ সকলো স্তৰতে হোৱা দুৰ্নীতিৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ ল'ব নোৱাৰিলে অৰ্থনীতি যে ক্ৰমশঃ ধ্বংসমুখীহে হ'ব, সেয়া সহজেই অনুমেয়।

## জীৱন ধাৱণৰ মান

অপ্লাৰ ফ্লেক্সৰ কিতাপত উল্লেখিত কেতবোৰ কথাৰপৰাই অসম ভূখণ্ডত সাধাৰণ মানুহৰ জীৱন যে সহজ-সৰল আৰু স্বাচ্ছন্দ্যপূৰ্ণ আছিল তাক অনুমান কৰিব পাৰি। তেওঁ সাধাৰণ লগুৱাই অতি পৰিষ্কাৰ কাপোৰ পিন্ধা কথা লিখিছে; মাউতে সোণৰ চেইন পিন্ধা কথা লিখিছে, মহিলাসকলে সোণ-ৰূপ, জাংফাইৰ গহণা পিন্ধা কথা লিখিছে আৰু লিখিছে অসমীয়াসকলে ধন-সম্পত্তি-ঐশ্বৰ্য ভোগ কৰাৰ কথা। অৱশ্যে চাহ-মজদুৰসকলৰ জীৱনধাৰণৰ মান যে অতি শোচনীয় আছিল, সেই কথাও তেওঁ স্পষ্টকৈয়ে উল্লেখ কৰিছে। আনহাতে এডৱাৰ্ড গেইটে লিখিছে: "The people belonging to the upper strata in the society occupied an advantageous position in the economic life of the country; the life of the poor was also not very distressing. Those in acute poverty could count upon the help of their co-villagers." আৰৌ "The standard of living was generally higher in upper Assam than in lower Assam. In the former area silk was used by almost everybody and gold ornaments were found in most of the houses. In lower Assam most people used cotton clothes and silver ornaments." (Edward Gait, 19)। পিছে ব্ৰিটিছ শাসনকালত জনসাধাৰণৰ সাৰ্বিক আৰ্থিক অৱস্থা শোচনীয় আছিল। কেৱল অসমতেই নহয়, সমগ্ৰ ভাৰততেই ব্ৰিটিছে লগোৱা কৰ-কাটলে সাধাৰণ মানুহক অতিষ্ঠ কৰি তুলিছিল। একপক্ষীয় অৰ্থনৈতিক নীতিয়ে ব্ৰিটিছ কোষাগাৰলৈ অৰিহণা যোগাইছিল ঠিকেই, কিন্তু ভাৰতৰ লগতে অসমৰ অৰ্থনীতিলৈয়ো ই স্থবিৰতা আনিছিল। ব্ৰিটিছৰ বৰ্ধিত হাৰৰ আফুখেতিয়ে কানি খোৱা অসমীয়াক আৰু বেছি নিচাত ডুবিবলৈ অৰিহণা যোগাইছিল। ফলত তেওঁলোকৰ শ্ৰমৰ ক্ষমতা হ্ৰাস পাইছিল।

আজিৰ দৰে তাহানিও ধনী-দুখীয়া এই দুই শ্ৰেণীৰ লোক আছিল। খনিজ সম্পদ, বনজ সম্পদ আৰু চাহেৰে সমৃদ্ধ উজনি অসমৰ বৈষয়িক প্ৰাচুৰ্য আৰু সম্পদহীনতাই দুখীয়া কৰা নামনি অসমৰ আৰ্থিক পাৰ্থক্যৰ ধাৰাবাহিকতাও বেছ মনকৰিবলগীয়া। আন্তঃজিলা আৰ্থিক অসমতা অসমৰ অৰ্থনীতিৰ চাৰিত্ৰিক বৈশিষ্ট্য (তালিকা নং ৪ দ্ৰষ্টব্য)।

তালিকা ৪: আন্তঃজিলা আৰ্থিক অসমতা, ২০০৯-১০

| জিলা | মুঠ ঘৰুৱা উৎপাদন (লাখ টকা হিচাপত) | জনমূৰি উৎপাদন (টকা) |
|---|---|---|
| চিৰাঙ | ৮০২১৫ | ১৭৩২৫ |
| বাক্সা | ১৪৮০১০ | ১৫৪৬৬ |
| কোকৰাঝাৰ | ২২৭২০৬ | ২৩৯১৬ |
| ওডালগুড়ি | ১৫৪৮৩০ | ১৮২৫৮ |
| ধুবুৰী | ১৯৮৩৬২ | ১১৪৮৬ |
| গোৱালপাৰা | ১৬৪১৮৯ | ১৭৭১২ |
| বঙাইগাওঁ | ১৯৫০৫২ | ১৭৮৬৫ |
| বৰপেটা | ২৩১৭৩৯ | ১৪৬০২ |
| নলবাৰী | ১৬৬৩১১ | ২১০৫২ |
| কামৰূপ | ৪১৪৭১৫ | ২৮১১৬ |
| কামৰূপ (মেট্ৰ') | ৫১৭১৭৮ | ৪৩২৭৮ |
| দৰঙ | ১৭৯১৬৯ | ২০০৬৪ |
| শোণিতপুৰ | ৩১৬৮৪৭ | ১৬৮৪৫ |
| লখিমপুৰ | ১৮৬৯৭৫ | ১৮৪৬১ |
| ধেমাজি | ১০২৩৪১ | ১৫৮৯১ |
| ডিব্ৰুগড় | ৫০৩৪৯৮ | ৩৭৬৮৭ |
| তিনিচুকীয়া | ৪৬৯০১৯ | ৩৬১৯০ |
| যোৰহাট | ৩৫১৯৩৩ | ৩১২৫৫ |
| শিৱসাগৰ | ৫২৮৮১৪ | ৪৪৬২৬ |
| গোলাঘাট | ২৪৮৩০৬ | ২৩২৯৩ |
| নগাঁও | ৩৬৭৫৮৬ | ১৪০৯৫ |
| মৰিগাঁও | ১৫৭১১৬ | ১৭৯৫৬ |
| কাছাৰ | ৩৩৮৪০২ | ২০৭৮৬ |
| হাইলাকান্দি | ১২৪৫৩৯ | ২০৩৫০ |
| কৰিমগঞ্জ | ২৩৯৪৪৫ | ২১০৭৮ |
| ডিমা হাছাও | ৮৪৬৭৭ | ৩৯৭৫৪ |
| কাৰ্বি আংলং | ২১৯৮৩৯ | ২৩৯৭৪ |
| অসম | ৬৯১৪৩১৩ | ২৩০১৯ |



উৎস: Economic Survey 2011-12 of Assam

ডিব্ৰুগড়, তিনিচুকীয়া, যোৰহাট, শিৱসাগৰ আদিৰ উচ্চ ঘৰুৱা উৎপাদন তথা জনমূৰি উৎপাদনৰ বিপৰীতে কামৰূপ জিলাক বাদ দি নামনি অসমৰ প্ৰায়বোৰ জিলাৰে আয়-উৎপাদন তুলনামূলকভাৱে কম। মানৱবিকাশ সূচকাঙ্কবোৰলৈ লক্ষ্য কৰিলেও একে ছবি দেখা যায়। (তালিকা নং ৫ দ্ৰষ্টব্য।)

তালিকা ৫: মানৱ-বিকাশ সূচক

| জিলা | মানৱ বিকাশ সূচক |
|---|---|
| যোৰহাট | ০.৬৫০ |
| কামৰূপ | ০.৫৭৪ |
| গোলাঘাট | ০.৫৪০ |
| মৰিগাঁও | ০.৪৯৪ |

| জিলা | মানৱ বিকাশ সূচক |
|---|---|
| কাৰ্বি আংলং | ০.৪৯৪ |
| ডিব্ৰুগড় | ০.৪৮৩ |
| শিৱসাগৰ | ০.৪৬৯ |
| কাছাৰ | ০.৪০২ |
| বৰপেটা | ০.৩৬৯ |
| তিনিচুকীয়া | ০.৩৭৭ |
| হাইলাকান্দি | ০.৩৬৩ |
| উত্তৰ কাছাৰ পাৰ্বত্য | ০.৩৬৩ |
| শোণিতপুৰ | ০.৩৫৭ |
| নগাঁও | ০.৩৫৬ |
| কোকৰাঝাৰ | ০.৩৫৪ |
| নলবাৰী | ০.৩৪৩ |
| লখিমপুৰ | ০.৩৩৭ |
| গোৱালপাৰা | ০.৩০৮ |
| কৰিমগঞ্জ | ০.৩০১ |
| ধেমাজি | ০.২৭৭ |
| বঙাইগাঁও | ০.২৬৩ |
| দৰং | ০.২৫৯ |
| ধুবুৰী | ০.২১৪ |
| অসম | ০.৪০৭ |

উৎস: Assam Human Development Report, 2013. Govt. of Assam

শিক্ষাৰ ক্ষেত্ৰত ব্ৰিটিছে উজনি অসমকেই কেন্দ্ৰস্থলৰূপে ব্যৱহাৰ কৰিছিল। সেই প্ৰভাৱ আজিও বিদ্যমান। স্বাভাৱিকতে মানৱবিকাশ সূচাকাঙ্কতো ই প্ৰতিফলিত হৈছে।

পছন্দৰ বিস্তাৰেই মানৱবিকাশৰ পৰিচায়ক। বিকল্প পথৰ সুবিধা থাকিলে মানুহে নিজৰ ৰুচি আৰু প্ৰয়োজন অনুসৰি পছন্দ কৰিব পাৰে, লাগিলে সি শিক্ষাই হওক বা স্বাস্থ্য সেৱাৰ সুবিধাই হওক অথবা আয়-উপাৰ্জনকাৰী জীৱিকাৰ সুবিধাই হওক। অসমত ব্ৰিটিছৰ দিনতকৈ নিঃসন্দেহে এই সুবিধাবোৰ বাঢ়িছে। তৎসত্ত্বেও অসমৰ মানৱবিকাশৰ সূচকাঙ্ক ৰাষ্ট্ৰীয় মানৱবিকাশৰ সূচকাঙ্কতকৈ কম। এচাম মানুহ নিঃসন্দেহে ধনী হৈছে। কিন্তু তাৰ বিপৰীতে দাৰিদ্ৰ্য সীমাৰেখাৰ তলত থকা বৃহৎসংখ্যক লোকে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ চাউল, দাইলৰ বাবে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰে। বহুতৰেই আজিও বিশুদ্ধ খোৱা পানী নাই, নাই টিনৰ চালি অথবা পকীঘৰ। বৃহৎসংখ্যকৰ ঘৰত আকৌ শৌচাগাৰেই নাই। এচামে জধে-মধে খৰচ কৰাৰ বিপৰীতে আন এচামৰ ক্ৰয়ক্ষমতা তেনেই কম। এইবোৰে এইটোকে প্ৰমাণ কৰে যে অসমৰ মানুহৰ জীৱনধাৰণৰ মান সামূহিকভাৱে উন্নত



নহয়। বহুতৰে বাবে মৰ্যাদাপূৰ্ণ জীৱনযাপন কৰাটো আজিও এক সপোন হৈয়ে আছে।

**পৰিকল্পনা, অৰ্থনৈতিক সংস্কাৰ আৰু এক অনিশ্চিত গোলকীয় যাত্ৰা**

পৰিকল্পনা স্বাধীন ভাৰতৰ অৰ্থনীতিৰ এক উল্লেখনীয় বৈশিষ্ট্য। ব্ৰিটিছ ৰাজৰ যি-পৰিকল্পনা আছিল, সি হৈছে শোষণ-মিশ্ৰিত শাসনৰ পৰিকল্পনা। স্বাধীন ভাৰতৰ পৰিকল্পনা হৈছে অৰ্থনৈতিক উত্তৰণৰ পৰিকল্পনা। ১৯৫০ চনত গঠন কৰা ভাৰতৰ পৰিকল্পনা আয়োগৰদ্বাৰা প্ৰস্তুত কৰা পঞ্চবাৰ্ষিক পৰিকল্পনাবোৰ দেশৰ মিশ্ৰ অৰ্থনৈতিক ব্যৱস্থাৰ অধীনত চলোৱা চৰকাৰী প্ৰয়াসৰ খতিয়ান। কেন্দ্ৰই প্ৰস্তুত কৰা পৰিকল্পনাৰ আধাৰত ৰাজ্যসমূহেও নিজৰ পৰিকল্পনা প্ৰস্তুত কৰি লয়। কেন্দ্ৰই উন্নয়নৰ নিৰ্দেশনা সম্বলিত গাইড-লাইনৰ লগতে ৰাজ্যসমূহক ধনৰো যোগান ধৰে। ৰাজ্যবোৰত ৰাজ্যিক পৰিকল্পনা ব'ৰ্ড থাকে। অসমতো প্ৰথমৰেপৰা এনে ব'ৰ্ড আছে। অৱশ্যে বেছিভাগ সময়তে ৰাজ্যিক পৰিকল্পনা ব'ৰ্ড মুখৰ হৈ নাথাকে। সেয়েহে ৰাইজে তাৰ অস্তিত্বৰ উমানকে নাপায়। সেয়ে হ'লেও ব'ৰ্ড আছে আৰু অসমতো কেন্দ্ৰৰ পথ অনুসৰণ কৰিয়েই এঘাৰটা পঞ্চবাৰ্ষিক পৰিকল্পনা আৰু পৰিকল্পনা বিৰতিৰ বাৰ্ষিক পৰিকল্পনাবোৰ সম্পন্ন কৰা হৈছে। সম্প্ৰতি ২০১২ চনৰ পহিলা এপ্ৰিলৰপৰা দ্বাদশ পঞ্চবাৰ্ষিকী পৰিকল্পনা আৰম্ভ হৈছে। এই পৰিকল্পনা সম্পূৰ্ণ হ'ব ২০১৭ চনৰ ৩১ মাৰ্চত। পৰিকল্পনাৰ কালছোৱাত অসমৰ অৰ্থনীতিৰ বিভিন্ন খণ্ডৰ বিকাশৰ বাবে পৰিকল্পিত আঁচনি নিৰ্ধাৰিত লক্ষ্য সহকাৰে প্ৰস্তুত কৰা হৈছে। এইবোৰ ৰূপায়ণৰ বাবে কেন্দ্ৰীয় চৰকাৰে পুঁজিৰ যোগান ধৰিছে (তালিকা নম্বৰ ৬ দ্ৰষ্টব্য)।

তালিকা ৬: অসমত পঞ্চবাৰ্ষিক পৰিকল্পনা ব্যয়

| পৰিকল্পনা | অনুমোদিত আবণ্টন (কোটি টকা) | প্ৰকৃত ব্যয় (কোটি টকা) |
|---|---|---|
| ১ম পৰিকল্পনা | ২১.৬৭ | ২৮.০০ |
| ২য় পৰিকল্পনা | ৫৭.৯৪ | ৬৩.১৩ |
| ৩য় পৰিকল্পনা | ১২০.০০ | ১৩২.২৪ |
| তিনিটা বাৰ্ষিক পৰিকল্পনা | ৮৯.২৫ | ৪৭.১২ |
| ৪ৰ্থ পৰিকল্পনা | ২২৩.৭৫ | ১৯৮.৪১ |
| ৫ম পৰিকল্পনা | ৪৭৩.৮৪ | ৪২৮.৬৩ |
| বাৰ্ষিক পৰিকল্পনা | ১৫৫.০০ | ১৫৯.৭৩ |
| ৬ষ্ঠ পৰিকল্পনা | ১১১৫.০০ | ১২৭৯.৭৯ |
| ৭ম পৰিকল্পনা | ২১০০.০০ | ২৪৮৯.৫৭ |
| বাৰ্ষিক পৰিকল্পনা | ৬৭৫.০০ | ৫৯৬.৬২ |
| বাৰ্ষিক পৰিকল্পনা | ৮০০.০০ | ৬৯৫.৫০ |
| ৮ম পৰিকল্পনা | ৪৬৭২.০০ | ৪৯৬৮.৬৪ |
| ৯ম পৰিকল্পনা | ৮২৪৫.২৮ | ৫৯৩৪.৭৮ |

| | | |
|---|---|---|
| ১০ম পৰিকল্পনা | ১০৯২৭.৫৩ | ৯৭১৬.১৮ |
| একাদশ পৰিকল্পনা | ৩১৮২১.৮৯ | ২৪৪১৯.৭৭ |

উৎস: Statistical Handbook, Assam 2012

বৃহৎ পৰিমাণৰ ধন ব্যয় কৰাৰ পিছতো ৰাজ্যখনৰ বিকাশৰ হাৰ সৰ্বভাৰতীয় বিকাশৰ গড় হাৰতকৈ কম হৈ আছে। বিগত কালছোৱাত দেশৰ গড় জনমূৰি আয়ৰ তুলনাত অসমৰ জনমূৰি আয় কম হৈ থকা পৰিলক্ষিত হৈছে। অৱশ্যে কেৱল জনমূৰি আয়ৰদ্বাৰা মানুহৰ বিকাশ জোখা নাযায়। শিক্ষা, স্বাস্থ্যসেৱা, লিঙ্গসমতা আদি সামাজিক দিশবোৰো বিশ্লেষণ কৰি চোৱা হয়। কিন্তু এই সামাজিক সূচকবোৰৰ ক্ষেত্ৰতো অসম সৰ্বভাৰতীয় পৰ্যায়ত নিম্নস্থানতেই থাকিবলগীয়া হৈছে। ভাৰতৰ উত্তৰ-পূব প্ৰান্তৰ এই ৰাজ্যখনে ভৌগোলিক অৱস্থান, জলবায়ু, মাটিৰ গুণাগুণ, সৰ্বসাধাৰণ মানুহৰ জীৱনধাৰণ প্ৰণালী আদিৰ ক্ষেত্ৰত পূৰ্বৰেপৰা এক সুকীয়া বৈশিষ্ট্য বহন কৰি আহিছে। ইয়াৰ আৰ্থ-সামাজিক সমস্যাৰ গতিবিধিও কিছু সুকীয়া। কাজেই ৰাজ্যৰ অৰ্থনৈতিক পৰিকল্পনা মূল পৰিকল্পনাতকৈ সুকীয়া লক্ষ্যসম্বলিত হোৱা উচিত। অথচ অসমত সেইটো নহ'ল। তাৰ বিপৰীতে ৰাজ্যিক পৰিকল্পনাখন সৰ্বভাৰতীয় পৰিকল্পনাৰ কাৰ্বন-কপিহে বুলি বিজ্ঞসকলে বিভিন্ন সময়ত সমালোচনা আগবঢ়োৱা দেখা গ'ল।

সমালোচকৰ দৃষ্টিভঙ্গিৰে বিশ্লেষণ কৰিলে দেখা যায় যে ব্ৰিটিছে সৃষ্টি কৰি থৈ যোৱা আৰু ব্ৰিটিছৰ পূৰ্বৰেপৰা থকা প্ৰাকৃতিক সমস্যাবোৰৰ (যেনে - বানপানীৰ সমস্যা, যাৰ অৰ্থনৈতিক ফল অতি বিয়োগাত্মক) স্থায়ী সমাধান তো নহ'লেই, বৰঞ্চ সমস্যাৰ পৰিসৰ বাঢ়িহে গ'ল। বান-নিয়ন্ত্ৰণৰ নামত সুকীয়া বিভাগ তথা প্ৰকল্প আঁচনি আদি গ্ৰহণ কৰি বুজন পৰিমাণৰ ধন ব্যৱহাৰৰ পিছতো অসমত বানপানীজনিত দুৰ্যোগৰ উপযুক্ত নিয়ন্ত্ৰণ আজি পৰ্যন্ত হৈ নুঠিল। বানপানী ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃত নহ'ল, যদিও প্ৰতিবছৰে হোৱা বানপানীয়ে বাট-পথ, দলং, জীৱ-জন্তু, খেতিপথাৰ আৰু অন্যান্য সম্পদৰ বিস্তৰ ক্ষতিসাধন কৰি আহিছে আৰু ৰাজ্যিক অৰ্থনীতিৰ জৰিয়তে ৰাষ্ট্ৰীয় অৰ্থনীতিৰো লোকচান কৰিছে।

ব্ৰিটিছৰ শাসনকালত আশা কৰাৰ প্ৰশ্নই নুঠে, কিন্তু স্বাজোত্তৰ কালত ৰাজ্যখনৰ প্ৰাকৃতিক সম্পদৰ লগতে মানৱসম্পদৰ যথোপযুক্ত সমীক্ষা আৰু মানৱসম্পদৰ পৰিকল্পনাৰ যথেষ্ট প্ৰয়োজন আছিল। সেয়া হোৱাহেতেন সম্পদৰ অপব্যৱহাৰ, অপচয় আদি নহ'লহেতেন আৰু ৰাজ্যখনে নিবনুৱা সমস্যাৰ দৰে জ্বলন্ত সমস্যাত কৰুৱকাই থাকিব নালাগিলহেতেন। অসমৰ বাবে সৌভাগ্যৰ কথা এয়ে যে ব্ৰিটিছৰ দিনৰ লুপ্তপ্ৰায় কুটিৰ তথা ক্ষুদ্ৰশিল্পবোৰ স্বাজোত্তৰ কালত পুনৰ জী উঠিল। কিন্তু সেই আটাইবোৰ বিকশিত হৈ নুঠিল। উদাহৰণস্বৰূপে ৰাজ্যৰ পাট-মুগা-এৰী কাপোৰৰ হস্ততাঁত শিল্প যিদৰে ঠন ধৰি উঠিল আৰু ৰাজ্যৰ ভিতৰে বাহিৰে বজাৰ সৃষ্টি কৰি ল'লে, তেনেদৰে কাঁহ-পিতল শিল্প জিলিকি নুঠিল। এক কথাত এই পৰম্পৰাগত থলুৱা শিল্পবোৰৰ ৰক্ষণাবেক্ষণ



তথা বিজ্ঞানসন্মত বিকাশৰ বাবে অসমে কোনো আছুতীয়া শিল্পনীতি গ্ৰহণ নকৰিলে।

স্বাজোত্তৰ অসমত অন্য এক নতুন সমস্যাই দেখা দিছে, যিটো সমস্যা ঔপনিৱেশিক কালত অনুভূত হোৱা নাছিল। সেয়া হৈছে আৰ্থিক বিকাশৰ নামত হোৱা পৰিৱেশ প্ৰদূষণৰ সমস্যা। অৱশ্যে ই কেৱল অসমৰেই সমস্যা নহয়। আজি সমগ্ৰ বিশ্বই পৰিৱেশজনিত সমস্যাৰ মুখামুখি হ'বলগীয়া হৈছে, যিটো সৃষ্টি হৈছে মূলতঃ মানুহৰ আৰ্থিক বিকাশৰ স্বাৰ্থত। অসমত ক্ৰমবৰ্ধমান বন-বিধ্বংসীকৰণ, জাবৰ নিষ্কাশনৰ অভাৱ, নগৰবোৰত হোৱা অনৰ্গল শব্দ-প্ৰদূষণ, খাদ্য-শস্য বৃদ্ধিৰ নামত কীটনাশক দ্ৰব্য আৰু অতিমাত্ৰাই ৰাসায়নিক সাৰৰ প্ৰয়োগ, জলাশয়সমূহৰ বিলুপ্তিকৰণ আৰু নৈ-উপনৈসমূহৰ আৱৰ্জনাৰ ভাণ্ডাৰলৈ ৰূপান্তৰ, প্লাষ্টিকৰ অতিমাত্ৰিক ব্যৱহাৰ ইত্যাদি এশ-এবুৰি প্ৰকৃতিবিৰুদ্ধ কৰ্মকাণ্ডই নদী, বায়ু, মাটি, সকলোতে প্ৰদূষণৰ সৃষ্টি কৰি পৰিৱেশ প্ৰদূষিত কৰিছে আৰু মানৱকল্যাণৰ দিশটোত কুঠাৰাঘাত কৰিছে।

ৰাজ্যৰ দুৰ্যোগ-ব্যৱস্থাপনাৰ দিশটোও অতি দুৰ্বল। বানপানী, গৰাখহনীয়া, নগৰৰ কৃত্ৰিম বান অথবা ভৱিষ্যতে হ'ব পৰা বৃহৎ ভূমিকম্প আদিৰ বিষয়ে বিভিন্ন মঞ্চত আলোচনা-বিলোচনা হয় যদিও এইবোৰৰপৰা তৎকালীনভাৱে ৰক্ষা পাব পৰা সঠিক ব্যৱস্থা এটা আজিও গঢ়ি উঠা নাই। আনহে নালাগে, ৰাজ্যখনত ক্ৰমশঃ বৃদ্ধি পাই অহা পথ-দুৰ্ঘটনা, নাও-দুৰ্ঘটনা আদি প্ৰতিৰোধ কৰাৰ বাবে কোনো সুদৃঢ় ব্যৱস্থা চৰকাৰে ল'ব পৰা নাই। এইবোৰে ৰাজ্যখনৰ মানৱ-সম্পদকে ধৰি অন্যান্য ভৌতিক সম্পদৰো হানি কৰিছে, যাৰদ্বাৰা অৰ্থনৈতিক উন্নয়ন বাধাপ্ৰাপ্ত হৈছে।

এনেদৰে প্ৰব্ৰজন, সম্পদহীনতা, ক্ৰমবৰ্ধমান নিবনুৱা সমস্যা, গাঁও-নগৰৰ বৰ্ধিত আয়-অসমতা, দুৰ্নীতি তথা ধনৰ অপব্যৱহাৰ আদিয়ে সৃষ্টি কৰা হতাশাজনক বাতাৱৰণে এসময়ত ৰাজ্যখনৰ যুৱকসকলক বিদ্ৰোহী কৰি তুলিলে আৰু আন্দোলনৰ পথ ল'বলৈ বাধ্য কৰিলে। তাৰে এচাম সশস্ত্ৰ সংগ্ৰামী হৈ উগ্ৰপন্থী হিচাপে চিহ্নিত হ'ল। এইবোৰে পূৰ্বৰ সমস্যাবোৰ লাঘৱ তো নকৰিলেই, বৰঞ্চ নতুন কেতবোৰ আইন-শৃঙ্খলাজনিত সমস্যাৰ সৃষ্টি হ'ল আৰু সেইবোৰে পুনৰ অৰ্থনীতিটোক আঘাত কৰিলে।

ৰাজ্যখনৰ এনেবোৰ আৰ্থ-সামাজিক সমস্যাৰ মাজতেই দেশে বিশ্বায়ন, উদাৰীকৰণ আৰু ব্যক্তিগতকৰণৰ মন্ত্ৰেৰে সমৃদ্ধ আৰ্থিক-সংস্কাৰ নীতি ঘোষণা কৰিলে। বিশ্বায়নে দেশৰ অন্যান্য অঞ্চলৰ লেখীয়াকৈ অসমতো বহুজাতিক কোম্পানিবোৰৰ প্ৰৱেশ মসৃণ কৰিলে। বহুজাতিকে অসমত বজাৰ পালে। সৰ্বসাধাৰণৰ ভোগৰ পৰিসৰ বাঢ়িল। ভোগবাদ সম্প্ৰসাৰিত হ'ল অভাৱ-অনাটনে জুৰুলা কৰা গাঁওবোৰলৈকো। কিন্তু দুৰ্ভাগ্যক্ৰমে দেশৰ আন আন অংশৰ দৰে অসমত বৈদেশিক বিনিয়োগ নাবাঢ়িল। ফলত ৰাজ্যৰ আয় আৰু নিয়োগ বঢ়াৰ পথ সুচল নহ'ল। বজাৰলৈ পৰিৱৰ্তন আহিল, দেশ-বিদেশত নিৰ্মিত সামগ্ৰীৰে

বজাৰ ভৰি পৰিল, অথচ উৎপাদনৰ ক্ষেত্ৰখন তুলনামূলকভাৱে পিছপৰি থাকিল। বিশ্বায়নে বজাৰলৈ অনা প্ৰতিযোগিতাত তিষ্ঠি থাকিবলৈ ৰাজ্যখনৰ কোনোটো খণ্ডৱেই সাজু নহ'ল। আনহাতে শেহতীয়াভাৱে 'লুক-ঈষ্ট পলিচি' শীৰ্ষক এক প্ৰকল্প চৰকাৰে প্ৰস্তুত কৰিছে, যাৰদ্বাৰা অসমৰ সীমান্তৱৰ্তী আৰু দক্ষিণ-পূব এছিয়াৰ দেশবোৰৰ সৈতেও অসমৰ বাণিজ্যিক সম্পৰ্ক গঢ়ি তোলাৰ কথা ভবা হৈছে। এইক্ষেত্ৰত মনকৰিবলগীয়া কথা এয়ে যে উক্ত দেশবোৰ আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিৰদ্বাৰা বহুদূৰ আগবাঢ়ি গৈছে আৰু স্বদেশত উৎপাদিত সামগ্ৰীৰে আনদেশৰ বজাৰ দখল কৰিবলৈ সক্ষম হৈছে। আনহাতে সেই বজাৰত ফেৰ মাৰিব পৰাকৈ অথবা সেইবোৰ দেশৰ বজাৰ দখল কৰিবলৈ কিন্তু অসমৰ উৎপাদক আৰু বিক্ৰেতাসকল পৰ্যাপ্ত পৰিমাণে সাজু হোৱা নাই। ইতিমধ্যে বিশ্বায়ন-প্ৰক্ৰিয়াই আনি দিয়া কুফল ৰাজ্যবাসীয়ে ভুগিব ধৰিছে বুলি সমালোচকসকলে মন্তব্য কৰিছেই। সৰ্বসাধাৰণ ৰাইজৰ নিম্নস্তৰৰপৰা উচ্চস্তৰলৈকে যদিহে দক্ষতা বৃদ্ধি কৰা নহয়, তেন্তে বিশ্বায়নৰদ্বাৰা লাভান্বিত হোৱাৰ অৱকাশো নাথাকিব।

সমালোচকসকলৰ মতে বিশ্বায়ন হ'ল নৱ-ঔপনিৱেশিকতাবাদ। বিশ্বায়নক ঔপনিৱেশিকতাবাদৰ লগত তুলনা কৰিলেও দুয়োৰে মাজত থকা পাৰ্থক্যখিনিক কিন্তু অস্বীকাৰ কৰিব নোৱাৰি। সবাতোকৈ গুৰুত্বপূৰ্ণ পাৰ্থক্যটো হৈছে এয়ে যে ঔপনিৱেশিকতাবাদৰ সময়ত আছিল অসমবিৰোধী তথা ভাৰতবিৰোধী ব্ৰিটিছ চৰকাৰ। বিপৰীতে বিশ্বায়ন প্ৰক্ৰিয়াৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ আছে দেশৰ জনসাধাৰণৰ নিৰ্বাচিত চৰকাৰ। চৰকাৰে এতিয়া এনে ধৰণৰ নীতি-নিৰ্দেশনা বলবৎ কৰিব পাৰে যাৰদ্বাৰা সৰ্বসাধাৰণ ৰাইজে বিশ্বায়নৰ সুফলসমূহ আহৰণ কৰি ল'বলৈ সক্ষম হ'ব পাৰে। বিশ্বায়ন আহিছে ম'বাইল ফোন, ইণ্টাৰনেট, টি ভি আদি আধুনিক প্ৰযুক্তিবোৰৰে সৈতে। এইবোৰক বিলাসী সামগ্ৰীৰ দৰে ব্যৱহাৰ নকৰি নিজৰ জ্ঞানভাণ্ডাৰ আৰু দক্ষতা বৃদ্ধিৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰি নিজৰ লগতে ৰাজ্যৰ উৎপাদন বঢ়াব পৰা যায়। কোনো ঠাইৰে অৰ্থনীতি একে ঠাইতে স্থবিৰ হৈ নাথাকে। পৰিৱৰ্তিত পৰিস্থিতিৰ লগত খাপ খুৱাই ল'ব পৰাটো বিকাশ লাভৰ পূৰ্বচৰ্ত। পৰিৱৰ্তিত আৰ্থ-ৰাজনৈতিক পৰিস্থিতিৰ পটভূমিত অসমৰ বাবে বহুতো প্ৰত্যাহ্বান আহিছে। কিন্তু এই প্ৰত্যাহ্বান ঔপনিৱেশিক কালৰ সমস্যা বা প্ৰত্যাহ্বানতকৈ পৃথক। সমস্যাবোৰ একে হ'লেও সেইবোৰৰ চৰিত্ৰ সলনি হৈছে। যি কি নহওক, সমস্যা যিমানেই গভীৰ নহওক কিয়, চৰকাৰৰ হাতত তাৰ সমাধানো আছে। অৱশ্যে আজিৰ ৰাজনৈতিক পটভূমিত চৰকাৰৰ ভূমিকা পূৰ্বতকৈ হ্ৰাস পাইছে। এতিয়া বেচৰকাৰী সংস্থাবোৰ হৈছে চৰকাৰৰ অংশীদাৰ। বেচৰকাৰী সংস্থা তথা সৰ্বসাধাৰণৰ সহযোগিতা আৰু অংশগ্ৰহণ অবিহনে কেৱল চৰকাৰী প্ৰচেষ্টাৰে উন্নয়ন নাহে। সেয়েহে এতিয়া অসমৰ সৰ্বাঙ্গীণ উন্নয়ন চৰকাৰ, বেচৰকাৰী সংস্থা তথা সৰ্বসাধাৰণৰ সমূহীয়া প্ৰচেষ্টাৰ ওপৰতেই নিৰ্ভৰ কৰিছে।



**প্ৰসঙ্গ পুথি**


ক. গ্ৰন্থ

১ এম. চেলিম আলী। *অসম ১৮৬৪*, অনুবাদ, ২০১২ (মূল: Oscar Flex. *Pflanzerleben in Indien - Kulturgeschichtliche Bilder aus Assam*, 1873, in German)

২ A. C. Sinha. *Colonial Legacy and Environmental Crisis in North-East-India*. Guwahati: EBH Publishing, 2012

৩ A. J. Moffatt Mills. *Report on the Province of Assam*, Guwahati: Publication Board, Assam, 1984.

৪ B. K. Baruah. *A Cultural History of Assam* (Early Period). Guwahati: Bina Library, 1986

৫ Edward Gait (ed.). *A History of Assam*. Guwahati: Lawyer's, 1997

৬ H. K. Barpujari (ed.). *A Comprehensive History of Assam*, vols. 4 (1992), 5 (1993). Guwahati: Publication Board of Assam

৭ P. C. Goswami. *The Economic Development of Assam*. Delhi: Asia Publishing House, 1961

৮ Rajen Saikia. *Social and Economic History of Assam: 1853-1921*. Delhi: Manohar, 2000.

৯ S. B. Medhi. *Transport System and Economic Development in Assam*. Huwahati: Publication Board, Assam, 1978.

খ. প্ৰতিবেদন

১ *Assam Human Development Report*, 2003. Govt. of Assam.

২ *Economic Survey of Assam*, 2011-12. Directorate of Economics and Statistics, Govt. of Assam

৩ *Statistical Hand Book*, 2012. Directorate of Economics and Statistics, Govt. of Assam

# অসমৰ কৃষি: এটি ভৌগোলিক পৰ্যালোচনা

ড° নিত্যানন্দ ডেকা, ড° অৰুনীকুমাৰ ভাগৱতী

## পাতনি

অসমৰ সভ্যতা আৰু সংস্কৃতি প্ৰধানকৈ কৃষিকাৰ্যক কেন্দ্ৰ কৰি গঢ়ি উঠিছে। অসমৰ আৰ্থ-সামাজিক ব্যৱস্থা, ৰীতি-নীতি, লোকবিশ্বাস, উৎসৱ-পাৰ্বণ, পোছাক-পৰিচ্ছদ, খাদ্যাভ্যাস, ঘৰৰ আৰ্হি এই সকলোবোৰ কৃষিৰ লগত ওতপ্ৰোতভাৱে জড়িত। প্ৰাগৈতিহাসিক কালৰপৰা ভাৰত তথা দক্ষিণ-পূব এছিয়াৰ বিভিন্ন ঠাইৰপৰা বিভিন্ন সময়ত নানা জনগোষ্ঠীৰ লোক মূলতঃ কৃষিকাৰ্যৰ উদ্দেশ্যে আহি অসমত থিতাপি লৈছে। জনগোষ্ঠীয় এই লোকসকলে অসমৰ পাহাৰ-ভৈয়াম, চৰ-চাপৰিসমূহত বসতি স্থাপন কৰি নিজ নিজ পৰম্পৰা আৰু পদ্ধতিৰে নানা শস্যৰ খেতি কৰিবলৈ লয়। ইয়াৰ উপৰি ৰাজ্যখনৰ ঠাইবিশেষে থকা ভূপৃষ্ঠৰ বন্ধুৰতা, মাটিৰ প্ৰকাৰভেদ, উৰ্বৰাশক্তিৰ তাৰতম্য, জলবায়ু আৰু পানীৰ উৎসৰ ভিন্নতায়ো ইয়াৰ কৃষিক বৈচিত্ৰ্য প্ৰদান কৰিছে। অসমৰ উপক্ৰান্তীয় আৰ্দ্ৰ জলবায়ু আৰু ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ বিস্তীৰ্ণ পলসুৱা প্লাৱনভূমিয়ে ৰাজ্যখনক প্ৰধানতঃ ধানখেতিৰ এক উপযোগী ক্ষেত্ৰ হিচাপে গঢ় দিছে। কৃষিয়েই অসমৰ অৰ্থনীতিৰ চালিকাশক্তি যদিও ৰাজ্যখনৰ অৰ্থনীতিলৈ কৃষিৰ অৱদান ক্ৰমে হ্ৰাস হৈ অহা পৰিলক্ষিত হৈছে (তালিকা ১)।

তালিকা ১: অসমৰ কৃষিখণ্ডৰ বৰঙণি

২০০৪-০৫ চনৰ স্থিৰ দৰৰ নিৰিখত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন

| বৰ্ষ | ২০০৫-০৬ | ২০০৬-০৭ | ২০০৭-০৮ | ২০০৮-০৯ | ২০০৯-১০ | ২০১০-১১ | ২০১১-১২ |
|---|---|---|---|---|---|---|---|
| মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনলৈ বৰঙণি (শতাংশত) | ২১.৩৯ | ২০.৭৮ | ২০.৪৩ | ১৯.৫৬ | ১৯.১০ | ১৮.৯৫ | ১৮.২২ |

উৎস: অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়, অসম চৰকাৰ

২০০৫-০৬ বৰ্ষত কৃষিয়ে ৰাজ্যখনৰ মুঠ ঘৰুৱা উৎপাদনলৈ যোগোৱা বৰঙণিৰ পৰিমাণ আছিল ২১.৩৯ শতাংশ। ই ২০১১-১২ বৰ্ষত ১৮.২২ শতাংশলৈ হ্ৰাস পায়।



তদুপৰি ২০০১ বৰ্ষলৈ ৰাজ্যখনৰ মুঠ শ্ৰমশক্তিৰ আধাতকৈও বেছি কৃষিৰ লগত প্ৰত্যক্ষভাৱে জড়িত হৈ আছিল যদিও বৰ্তমান সময়ত কৃষিকাৰ্যৰ লগত জড়িত মানুহৰ সংখ্যা উদ্বেগজনকভাৱে হ্ৰাস পাইছে। ১৯৭১ চনত কৃষিৰ লগত জড়িত লোকৰ সংখ্যা ৬৫.৭৭ শতাংশৰপৰা ৪৮.৬৮ শতাংশ কৈ হ্ৰাস পাই ২০১১ বৰ্ষত ৩৩.৭৫ শতাংশ হৈছে (তালিকা ২)।

তালিকা ২: অসমৰ মুঠ কৰ্মীলোক

কৃষক আৰু কৃষি-বনুৱাৰ সংখ্যা, ১৯৭১-২০১১

| শ্ৰেণী | বিভিন্ন সময়ত প্ৰতিটো শ্ৰেণীত মানুহৰ সংখ্যা (লাখত) | | | |
|---|---|---|---|---|
| | ১৯৭১ | ১৯৯১ | ২০০১ | ২০১১ |
| মুঠ কৰ্মী লোক | ৪০.৮৮ | ৮০.৮৮ | ৯৫.৩৮ | ১১৯.৬৯ |
| মুঠ কৃষক | ২২৮৩(৫৫.৮৬) | ৩৫.৫৯(৪৩.৯৯) | ৩৭.৩০(৩৯.১১) | ৩১.৩৮(২৬২১) |
| মুঠ কৃষি-বনুৱা | ৪.০৫ (৯.৯১) | ৮.৪৪ (১০.৪৫) | ১২.৬৩(১৩.২৫) | ৯.০৩ (৭.৫৪) |

উৎস: কৃষি সঞ্চালকালয়, অসম চৰকাৰ

টোকা: বন্ধনীৰ ভিতৰত দেখুৱা সংখ্যাবোৰ মুঠ কৰ্মীলোকৰ শতাংশ বুজাইছে।

উল্লেখযোগ্য যে পূৰ্বৰ তুলনাত কৃষক আৰু কৃষি-বনুৱাৰ সংখ্যা বৰ্তমান সময়ত বিভিন্ন আৰ্থ-সামাজিক তথা প্ৰাকৃতিক কাৰকৰ ফলত কমি আহিছে।

অসমৰ কৃষিব্যৱস্থা প্ৰধানতঃ দুই ভাগত বিভক্ত: ক্ষুদ্ৰ খেতিয়কে কৰা ধান খেতি আৰু পুঁজিপতি গোষ্ঠীৰদ্বাৰা পৰিচালিত চাহখেতি। অৱশ্যে এই দুয়োটা খেতিৰ পদ্ধতি আৰু উদ্দেশ্য বেলেগ বেলেগ। ক্ষুদ্ৰ খেতিয়কে কৰা কৃষি প্ৰধানতঃ স্বনিৰ্ভৰশীল হোৱাৰ বাবে নিম্নতম প্ৰযুক্তি আৰু ধনৰ বিনিময়ত ক্ষুদ্ৰ আয়তনৰ কৃষিভূমিত কৰা হয়। পুঁজিপতি গোষ্ঠীৰদ্বাৰা পৰিচালিত চাহখেতি আনহাতে উচ্চ প্ৰযুক্তি আৰু বৃহৎ ধন প্ৰয়োগ কৰি তুলনামূলকভাৱে বৃহৎ পৰিসৰত ব্যৱসায়িক লাভালাভৰ বাবে কৰা হয়। ক্ষুদ্ৰ কৃষিকাৰ্যত ৰাজ্যখনৰ সিংহভাগ লোক জড়িত হৈ থকাৰ বিপৰীতে চাহখেতিত প্ৰধানতঃ চাহ-জনগোষ্ঠীৰ লোকসকল ব্যাপকভাৱে নিয়োজিত হৈ আছে। চাহখেতিৰ বাবে উপযোগী ভূমি ৰাজ্যখনৰ সকলো অঞ্চলতে দেখা নাযায়। চাহখেতিৰ প্ৰাধান্য উজনি অসমৰ জিলা কেইখনতহে দেখিবলৈ পোৱা যায়। অৱশ্যে নামনি অসমৰ কিছু কিছু অঞ্চলত আৰু বৰাক উপত্যকা অঞ্চলতো চাহখেতি কম-বেছি পৰিমাণে কৰা হয়। উল্লেখযোগ্য যে চাহখেতি এক উদ্যোগ হিচাপে বিবেচিত হোৱা কাৰণে ৰাজ্যখনৰ চহাজীৱনৰ লগত এই খেতি ওতপ্ৰোতভাৱে জড়িত নহয়। অসমৰ মুঠ কৰ্মীলোকৰ ১০ শতাংশতকৈয়ো কম লোকহে চাহখেতিৰ লগত জড়িত। এইখিনিতে উল্লেখযোগ্য যে অসমৰ বহু ঠাইত বৰ্তমান ক্ষুদ্ৰ চাহখেতিৰ প্ৰচলন দেখা গৈছে যদিও ক্ষুদ্ৰ চাহবাগানবোৰে বৃহৎ চাহবাগিচাবোৰৰ লগত ফেৰ মাৰিব নোৱৰাৰ লগতে চাহপাতৰ উপযুক্ত বজাৰমূল্য

নোপোৱাৰ ফলত ক্ষুদ্ৰ চাহখেতিয়কসকল যথেষ্ট আহুকালৰ সন্মুখীন হ'ব লগা হৈছে।


পৰম্পৰাগত কৃষিব্যৱস্থা অসমৰ কৃষিৰ এটা প্ৰধান বৈশিষ্ট্য। মূলতঃ ক্ষুদ্ৰ খেতিয়কসকলে জীৱিকাৰ বাবে পৰম্পৰাগত কৃষিত থলুৱা পদ্ধতিত ক্ষুদ্ৰ আৰু সিঁচৰতি কৃষিভূমিত থলুৱা বীজ আৰু সঁজুলিৰ ব্যৱহাৰ কৰি ধান, মাহ, মৰাপাট, সৰিয়হ আদিৰ খেতি কৰে। এই কৃষিব্যৱস্থাৰ লগত পশুপালন আৰু মীনপালনো সংযুক্ত হৈ আছে। পৰম্পৰাগত কৃষিব্যৱস্থাত খেতিয়কসকলে তেওঁলোকৰ মাটিৰ উচ্চতা, উৰ্বৰতা আৰু ঘৰৰপৰা দূৰত্বৰ ওপৰত ভিত্তি কৰি বিভিন্ন ধৰণে শ্ৰেণীবিভাজন কৰি সেইমতে শস্য ৰোপণ কৰে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ বসতিপূৰ্ণ প্লাৱনভূমি অঞ্চলৰ কৃষিভূমিবোৰ সাধাৰণতে শালিতলি, আহুতলি, বাওতলি, কঠীয়াতলি, শাকনিবাৰী, বাৰী-বস্তি, বাকৰি আদি শ্ৰেণীত বিভক্ত কৰা হয়। তদুপৰি প্ৰায়ভাগ খেতিয়কে সৰু-বৰ একোটি পুখুৰী বা খাল খান্দি তাত মাছপোহাৰ উপৰি খেতিপথাৰত পানীযোগান, বিধানৰ শস্য গজালি উলিয়াবলৈ পানীত তিওৱা, গৰু-ম'হক পানী খুওৱাকে আদি কৰি বিভিন্ন কামত ব্যৱহাৰ কৰে। ঘৰৰ পাছফালে গঢ়ি তোলা তামোল-পাণৰ বাৰী-বস্তিবোৰো অসমীয়া কৃষিভিত্তিক সমাজব্যৱস্থাৰ এটা উল্লেখনীয় বৈশিষ্ট্য। এই তামোল-পাণৰ বাৰী-বস্তিবোৰৰপৰা খেতিয়কসকলে বিভিন্নধৰণৰ লাগতিয়াল সামগ্ৰী সংগ্ৰহ কৰাৰ উপৰি তাত উৎপাদিত তামোল-পাণকে ধৰি ফলমূল আদি বিক্ৰী কৰি বিপদৰ ক্ষণত দুই-চাৰি টকা উপাৰ্জন কৰে। ঠিক তেনেদৰে পশুপালন ব্যৱস্থাও অসমীয়া চহাজীৱনৰ এক অবিচ্ছেদ্য অঙ্গ। গৰু, ম'হ, ছাগলি, গাহৰি, হাঁহ, পাৰ, কুকুৰা আদি পশু-পক্ষী অতীজৰেপৰা অসমৰ খেতিয়কসকলে পালন কৰি আহিছে। গৰু-ম'হৰ লগত কৃষিকাৰ্যৰ এৰাব নোৱৰা সম্পৰ্ক থকাৰ কাৰণে এটা সময়ত প্ৰায় প্ৰতিঘৰ খেতিয়ক পৰিয়ালৰে গৰু আছিল। বৰ্তমান সময়ত ট্ৰেক্টৰ/পাৱাৰ টিলাৰেৰে মাটি চহাবলৈ আৰম্ভ কৰাৰ ফলত হালোৱা গৰুৰ সংখ্যা কমিছে যদিও এতিয়াও গ্ৰামীণ সমাজত কম-বেছি পৰিমাণে পশুপালন বৃত্তি বৰ্তি আছে। গতিকে দেখা যায় যে অসমৰ পৰম্পৰাগত কৃষিব্যৱস্থাত কৃষি, পশুপালন আৰু মীনপালনে এটাক এৰি আনটো চলিব নোৱৰা সম্পৰ্ক ৰক্ষা কৰি আছে।

কুৰি শতিকাৰ আশীৰ দশকৰ আগলৈকে ৰাজ্যখনৰ কৃষিক্ষেত্ৰত আধুনিক কৃষিৰ প্ৰভাৱ একেবাৰে সীমিত আছিল বুলি ক'ব পাৰি। ক্ষুদ্ৰ খেতিয়কসকলে থলুৱা জাতৰ শস্য আৰু কৃষি সঁজুলি ব্যৱহাৰ কৰিয়ে কৃষিকাৰ্য সম্পাদন কৰিছিল (চিত্ৰ ১)।

আনকি খেতিয়কসকলে ঘৰতে প্ৰস্তুত কৰা বিভিন্ন ধৰণৰ জৈৱ সাৰ আৰু কীটনাশক দ্ৰব্যৰ ব্যৱহাৰ কৰিছিল (চিত্ৰ ২)।


পৰম্পৰাগত পদ্ধতিত কৰা কৃষিৰ উৎপাদন আধুনিক পদ্ধতিত কৰা উৎপাদনতকৈ কম যদিও এই কৃষি ৰাজ্যখনৰ প্ৰাকৃতিক পৰিৱেশ আৰু সমাজব্যৱস্থাৰ লগত খাপ খোৱা ধৰণৰ আছিল। কিন্তু দেখা যায় যে সেই সময়ৰ পৰম্পৰাগত





চিত্ৰ ১: পৰম্পৰাগত ধানখেতিৰ কেইটামান বিশেষ পৰ্যায়

কৃষিৰ বিকাশৰ ক্ষেত্ৰত চৰকাৰে কৰা অৱহেলা, জলসিঞ্চন ব্যৱস্থাৰ অভাৱ, শস্যৰ মজুতকৰণ তথা সংৰক্ষণ ব্যৱস্থাৰ অভাৱ, উৎপাদিত শস্যৰ উপযুক্ত বজাৰমূল্য আৰু ৰপ্তানিৰ ব্যৱস্থা নথকা কাৰণে পৰম্পৰাগত কৃষি লাভজনক বৃত্তি হিচাপে গঢ় লৈ নুঠিল। বৰ্তমান সময়ত এই কথা অনুভৱ কৰা হৈছে যে অসমৰ পূৰ্বৰ পৰম্পৰাগত কৃষিব্যৱস্থাৰ সমস্যাসমূহ আঁতৰাই ইয়াক সঠিক বিকাশৰ পথেৰে আগবঢ়াই নিয়া হ'লে ৰাজ্যখনৰ পৰম্পৰাগত কৃষিব্যৱস্থা আজি বিশ্বৰ দৰবাৰত জিলিকি থাকিলহেঁতেন। কিয়নো বৰ্তমান সময়ত উন্নত দেশবোৰে আধুনিক পদ্ধতিত কৰা কৃষিয়ে পাৰিপাৰ্শ্বিকতা আৰু জনস্বাস্থ্যৰ ওপৰত পেলোৱা বিৰূপ প্ৰভাৱবোৰৰ প্ৰতি সচেতন হৈ পৰম্পৰাগত কৃষিৰ প্ৰতি পুনৰ মনোনিৱেশ কৰিবলৈ ধৰিছে। কিন্তু অসমত পৰম্পৰাগত কৃষিৰ বিকাশসাধন কৰাৰ পৰিৱৰ্তে




চিত্ৰ ২: পৰম্পৰাগত ধানখেতিত ব্যৱহৃত জৈৱিক কীটনাশক, শস্য সুৰক্ষা আৰু ৰবিশস্যত (অলুখেতিত) জৈৱ সাৰ প্ৰয়োগ।

তাৰ উৎপাদন কম হোৱাৰ অজুহাতত সেই কৃষিপদ্ধতি ক্ৰমান্বয়ে নাইকিয়া কৰি তাৰ ঠাইত ৰাজ্যখনৰ পাৰিপাৰ্শ্বিকতা আৰু সমাজব্যৱস্থাৰ লগত খাপ নোখোৱা তথাকথিত আধুনিক কৃষিপদ্ধতি প্ৰয়োগ কৰাত ৰাজ্যখনৰ কৃষিব্যৱস্থাই ক্ৰমে ধ্বংসৰ পিনেহে গতি কৰিবলৈ লৈছে। আধুনিক খেতি বিজ্ঞানসন্মতভাৱে কৰাৰ কাৰণে কৃষিক্ষেত্ৰত যি-পৰিকাঠামো আৰু খেতিয়কৰ পক্ষে যি-প্ৰশিক্ষণ বা জ্ঞানৰ দৰকাৰ, তাৰ অভাৱত ৰাজ্যখনৰ কৃষিব্যৱস্থা আজি এক জটিল সন্ধিক্ষণত উপনীত হৈছে।

থলুৱা কৃষিপদ্ধতিৰ প্ৰচলন লাহে লাহে কমি অহাৰ লগে লগে কৃষিৰ




লগত জড়িত কৃষ্টি-সংস্কৃতি তথা সমাজজীৱনৰ লগত ওতপ্ৰোতভাৱে সম্পৃক্ত হৈ থকা নানান ৰীতি-নীতি, খাদ্যাভ্যাস, ঘৰৰ-আৰ্হি আদিৰ পৰিবৰ্তন ঘটা পৰিলক্ষিত হৈছে (চিত্ৰ ৩)।



চিত্ৰ ৩: ধানখেতিৰ লগত জড়িত লোকবিশ্বাস আৰু উৎসৱ।

আধুনিক কৃষিৰ প্ৰভাৱৰ ফলত থলুৱা কৃষিসঁজুলিবোৰ লাহে লাহে হেৰাই যোৱাৰ উপক্ৰম ঘটিছে । ঘানী, নেওঠনী, দোণ, বিন্ধা আদি কৃষিসঁজুলি প্ৰায় বিলুপ্তিৰ পথত। ঠিক তেনেদৰে নাঙল, যুৱলি, মৈ, আকৰা, দাকুৱা, জবকা আদি কৃষিসঁজুলিবোৰো আধুনিক কৃষিসঁজুলিৰ ক্ৰমবৰ্ধমান ব্যৱহাৰৰ ফলত কৃষিব্যৱস্থাৰপৰা ক্ৰমাৎ হেৰাই যাবলৈ ধৰিছে (চিত্ৰ ৪)।

পৰম্পৰাগত কৃষিসঁজুলিবোৰ খেতিয়কসকলে নিজ নিজ অঞ্চলত উপলব্ধ বাঁহ, বেত, কাঠ আদিৰে তৈয়াৰ কৰি লৈছিল। তদুপৰি এই কৃষিসঁজুলিবোৰ নিজ নিজ অঞ্চলৰ প্ৰাকৃতিক পাৰিপাৰ্শ্বিকতাৰ লগত খাপখোৱাকৈ তৈয়াৰ কৰি লৈছিল বাবে পৰিৱেশত সেইবোৰৰ নেতিবাচক প্ৰভাৱ পৰা নাছিল। সম্প্ৰতি দেখা গৈছে যে ৰাজ্যখনৰ প্ৰায়ভাগ অঞ্চলতে ট্ৰেক্টৰেৰে মাটি চহোৱা আৰু মৰণা মৰাৰ ফলত গৰিষ্ঠসংখ্যক দুখীয়া তথা উপান্ত খেতিয়কে ধনৰ অভাৱত যথাসময়ত মাটি চহাব নোৱৰা হৈছে। ট্ৰেক্টৰেৰে মাটি চহোৱাৰ পিছত লগে লগে শস্য



চিত্ৰ ৪: কেইবিধমান পৰম্পৰাগত কৃষি সঁজুলি।

ৰোপণ নকৰিলে মাটি টান হৈ যায় আৰু ফলত শস্যৰোপণত অসুবিধা হয় বুলি খেতিয়কসকলে প্ৰায়ে অভিযোগ কৰে। ট্ৰেক্টৰেৰে চহোৱা মাটিত অপতৃণৰ প্ৰকোপো বেছি হয়, কিয়নো ট্ৰেক্টৰে অপতৃণবোৰ উভালি পেলোৱাৰ পৰিৱৰ্তে কাটি-ছিঙি মাটিত মিহলি কৰি দিয়ে। কিন্তু নাঙল-মৈৰে মাটি চহালে অপতৃণবোৰ শিপাসহ উঠি আহে আৰু তেতিয়া সেইবোৰ গুচাবলৈ সহজ হয়। খেতিয়কসকলে নাঙলেৰে উভালি দিয়া অপতৃণবোৰ বোকাৰ সৈতে চপাই আনি পথাৰৰ আলিবন্ধাত ব্যৱহাৰ কৰে। পথাৰৰ আলিবোৰত পৰৱৰ্তী সময়ত বিভিন্ন ধৰণৰ ঘাঁহ-বন গজি এক ক্ষুদ্ৰ পৰিস্থিতিতন্ত্ৰৰ সৃষ্টি কৰি প্ৰকাৰান্তৰে কৃষিব্যৱস্থাক সহায়হে কৰে। আলিবোৰত থকা এই অপতৃণবোৰ শস্য চপোৱাৰ পিছত পোহনীয়া গৰু-ছাগলিৰ খাদ্য হয়। তদুপৰি অপতৃণবোৰৰ পাত আৰু গুটি চৰাই-চিৰিকটিৰো খাদ্য হয়। দেখাত যদিও অপতৃণবোৰ শস্যৰ অনিষ্টকাৰী, বাস্তৱতে এইবোৰ অবিহনে পথাৰত মজবুত আলি বান্ধিব নোৱাৰি। এই অপতৃণবোৰে আলিবোৰ সুদৃঢ় কৰাত সহায় কৰে বাবে পথাৰৰ আলিৰ ওপৰেৰে খেতিয়কে খোজ কাঢ়ি গৈ শস্য নিৰীক্ষণ কৰিব পাৰে।

আগৰ দিনত মৰাচাহ দিয়া প্ৰথাত খেতিয়কসকলে প্ৰথমে ব'হাগ মাহৰ প্ৰথম বৰষুণ দিয়াৰ পিছত শালিধান তলিত দুই-একচাহ হাল বাই ৰাখি পুনৰ ১৫-২০ দিনৰ মূৰত মাটিডৰা চহ কৰে। এনেদৰে মাটি চহ কৰি ৰখাৰ ফলত পচনক্ৰিয়া সংঘটিত হৈ মাটিৰ জীপ আৰু উৰ্বৰাশক্তি বৃদ্ধি পায়। গৰুৰে হাল বালে মাটিৰ উৰ্বৰাশক্তি বৃদ্ধি হোৱাত সহায় কৰা কেঁচু, কুমতি আদি পোক পতঙ্গবোৰ নমৰে।



হালগৰু থকা ক্ষুদ্ৰ খেতিয়কসকলে নিজৰ খেতিৰ মাটি নাথাকিলেও লোকৰ ঘৰত মৰগীয়া হাল বাই শস্য উৎপাদন বা কিছু ধন উপাৰ্জন কৰিব পাৰিছিল। কিন্তু হাল-গৰুৰ ব্যৱস্থা দ্ৰুতগতিত কমি অহাৰ ফলত পৰম্পৰাগতভাবে উদ্ভাৱিত তথা পাৰিপাৰ্শ্বিক আৰু সমাজব্যৱস্থাৰ লগত খাপখোৱা এইবোৰ কৃষিব্যবস্থা লোপ পাবলৈ ধৰিছে।

উন্নত জাতৰ বৰ্ণসঙ্কৰ শস্যৰ খেতি কৰাৰ ফলত থলুৱা জাতৰ শস্যবোৰ কালক্ৰমত নোহোৱা হৈ যাব ধৰিছে। বানপানী আৰু পোক-পতঙ্গৰ বিৰুদ্ধে উন্নত জাতৰ শস্যৰ প্ৰতিৰোধ ক্ষমতা থলুৱা শস্যতকৈ যথেষ্ট কম। উন্নত জাতৰ ধান পাঁচ-ছয়দিন বানপানীৰ তলত বুৰি থাকিলে পচি গৈ সম্পূৰ্ণৰূপে নষ্ট হয়। কিন্তু থলুৱা জাতৰ ধানখেতিত সোমোৱা বানপানী ওলাই যোৱাৰ পিছত ধানগছবোৰে পুনৰ পোখা মেলি ঠন ধৰি উঠে। বাওধান আকৌ বানপানীত নষ্ট হোৱাৰ পৰিৱৰ্তে শ্ৰীবৃদ্ধিহে হয়। সেই কাৰণে খেতিয়কসকলে এই ধানৰ খেতি অতি দ মাটিত বা বানপীড়িত অঞ্চলতহে কৰে। থলুৱা জাতৰ ধান পিছৰ বছৰৰ কাৰণে সংৰক্ষণ কৰি ৰাখিব পাৰি আৰু তেনে ধানৰ চাউল এবছৰ পিছত খালে বেছি সোৱাদ পোৱা যায় বুলি খেতিয়কসকলে ভাবে। থলুৱা জাতৰ শালিধান, যেনে — জহা, বোকা, বৰা আদিৰপৰা নানা তৰহৰ পিঠা-পনা তৈয়াৰ কৰাৰ উপৰি এই জাতৰ শালিধানবোৰৰ নৰা ঘৰৰ চালি সজাত ব্যৱহাৰ কৰা হয়। কিন্তু উন্নত জাতৰ ধান পিঠা-পনা তৈয়াৰ কৰাৰ বাবে সুবিধাজনক নহয় আৰু এই ধানৰ নৰা থৰঙা হোৱাৰ লগতে কম সময়ৰ ভিতৰতে পচি যায় কাৰণে ঘৰৰ চালি সজাত ব্যৱহাৰ কৰিব নোৱাৰি। উন্নত জাতৰ শস্যৰ বীজ ঠিক সময়ত ৰোপণ নকৰিলে আৰু উপযুক্ত সাৰ-পানী প্ৰয়োগ নকৰিলে উৎপাদন ভাল নহয়। সেয়ে দুখীয়া খেতিয়কসকলে উন্নত জাতৰ শস্যৰ খেতিৰ বাবে যথাসময়ত বীজ আৰু সাৰ-পানী নাপালে আহুকালত পৰে। থলুৱা শালিধানৰ খেতি ক্ৰমান্বয়ে নাইকিয়া হোৱাৰ ফলত অসমীয়া সমাজত প্ৰচলিত শালিধানৰ চাউলেৰে প্ৰস্তুত কৰা পিঠা-পনা, নৰাৰ চালিঘৰ আদি নোহোৱাৰ উপক্ৰম হ'ল। থলুৱা পিঠা-পনাৰ ঠাইত আজিকালি বজাৰত উপলব্ধ খাদ্য গ্ৰামাঞ্চলৰ পৰিয়ালৰ ল'ৰা-ছোৱালীৰ মাজতো জনপ্ৰিয় হৈ পৰিল। ঘৰৰ চালিত নৰা বা খেৰৰ পৰিৱৰ্তে প্লাষ্টিকৰ পাত ব্যৱহাৰ কৰিবলৈ ধৰিলে। উন্নত জাতৰ শস্যৰ বীজ সংৰক্ষণ কৰিব নোৱাৰি কাৰণে খেতিয়কৰ ঘৰৰপৰা ভঁৰাল ঘৰ, ডুলি-পাচি আদি লাহে লাহে নোহোৱা হ'বলৈ ধৰিলে। হাল-গৰুৰ ব্যৱহাৰ কমি অহাৰ ফলত গোহালিত গৰু নোহোৱা হ'ল। উন্নত জাতৰ ধানৰ চাউলেৰে পিঠা-পনা তৈয়াৰ কৰিবলৈ অৰ্থাভাৱ হোৱাৰ কাৰণে গাঁৱৰ ঘৰৰপৰা ঢেঁকীশালৰ লগতে গুৰিচালনি, টেকেলি, পাটচৰু আদিবোৰ নোহোৱা হ'বলৈ ধৰিলে। এনেদৰে তথাকথিত আধুনিক কৃষিব্যৱস্থাই আৰু কৃষকৰ বাবে কৰা কিছুমান চৰকাৰী আঁচনিয়ে দীঘলীয়া বিৱৰ্তনৰ মাজেৰে সৃষ্টি হোৱা ৰাজ্যখনৰ পৰম্পৰাগত থলুৱা কৃষিব্যৱস্থাটোক ধ্বংস কৰাৰ

লগতে কৃষিভিত্তিক সমাজব্যৱস্থাটোক নষ্ট কৰি পেলাইছে। এসময়ত কৃষিভূমিৰ পৰিমাণ আৰু উৎপাদন গাঁৱৰ একোখন ঘৰৰ অৰ্থনৈতিক অৱস্থাৰ মাপকাঠী আছিল। ঘৰত উৎপাদিত শস্য ভোগ কৰি খেতিয়কে আত্মতৃপ্তি লাভ কৰিছিল। বিশেষকৈ গাৱঁৰ বিত্তৱানসকলে দোকানৰপৰা চাউল কিনি খোৱাটো লজ্জাজনক তথা দুখজনক বিষয় হিচাপে ধৰিছিল। কিন্তু বৰ্তমান সময়ত নগৰ-চহৰৰ দৰে গ্ৰামাঞ্চলৰো লোকসকলে, আনকি খেতিয়কৰ পুত্ৰ-কন্যায়ো খেতিৰ মাটি এৰি অন্যান্য বৃত্তিৰ পিনে ঢাল খাইছে। আগৰ দিনত চাকৰিয়ালসকলেও গাঁৱতে থাকি আজৰি সময়ত খেতিপথাৰলৈ যোৱাৰ উপৰি আধিয়া বা চুক্তিত দি হ'লেও খেতিখন চলাই নিজে খাই থকাৰ লগতে ভূমিহীন দুখীয়া খেতিয়কসকলকো প্ৰকাৰান্তৰে সহায় কৰিছিল। কিন্তু বৰ্তমান প্ৰায়ভাগ চাকৰিয়ালে গাঁৱৰ মাটি-ভেটি এৰি চহৰমুখী হোৱাৰ প্ৰৱণতা দেখা গৈছে। চৰকাৰী কৃষি আঁচনিবোৰৰপৰা সুফল লাভৰ বিপৰীতে সেইবোৰত সংঘটিত দুৰ্নীতিৰ জৰিয়তে নাইবা দুৰ্নীতি কৰি সহজে ধনী হোৱা লোকসকলক দেখি গাঁৱৰ সহজ-সৰল মানুহৰ মনবোৰ ভাৰাক্ৰান্ত হৈছে। ইয়াৰ ফলত খেতিয়কসকলে আজিকালি কষ্টকৰ কৃষিকাৰ্যৰ প্ৰতি বিৰাগভাব পোষণ কৰিছে। ইয়াৰ উপৰি কিছুমান আঁচনি উৎপাদনমুখী কৃষিকৰ্মত নিয়োগ কৰাৰ পৰিৱৰ্তে অদূৰদৰ্শী তথা ৰাজনৈতিক মুনাফা লাভৰ স্বাৰ্থত প্ৰয়োগ কৰাত খেতিয়কসকলৰ খেতি-পথাৰৰ কামৰ প্ৰতি উৎসাহ কমে। বান-খহনীয়াৰপৰা কৃষিভূমি ৰক্ষা কৰাৰ কোনো ফলদায়ক আঁচনি আজিলৈকে গ্ৰহণ কৰা দেখা নগ'ল। উৎপাদন কৰা খাদ্য-শস্যৰ উপযুক্ত বজাৰমূল্য নোপোৱাৰ ফলত আজি খেতিয়কসকলে কৃষিকাৰ্যক লোকচানজনক বৃত্তি বুলি গণ্য কৰিবলৈ বাধ্য হৈছে। সেয়ে খেতিয়ক পৰিয়ালৰ নতুন প্ৰজন্মই আজি খেতিৰ পৰিৱৰ্তে অন্যান্য বৃত্তিৰ পিনে ধাৱমান হ'বলৈ ধৰিছে। সম্প্ৰতি গ্ৰামাঞ্চলত এনে এক পৰিস্থিতিৰ সৃষ্টি হৈছে যে খেতিমাটি থকা লোকসকলেও কৃষিকাৰ্য চলাই যোৱাটো কঠিন হৈ পৰিছে। হালবোৱা, শস্য ৰোপণ কৰা, শস্য চপোৱা আদি কৃষিকাৰ্যৰ বাবে প্ৰয়োজনীয় মানুহৰ অভাৱ হোৱাৰ কাৰণে গ্ৰামাঞ্চলৰপৰা কৃষিকাৰ্য প্ৰায় উঠি যোৱাৰ উপক্ৰম হৈছে। আনকি আধিয়া, বন্ধকী, মৰগীয়া আৰু চুক্তিত দি বা লৈ কৃষিকাৰ্য কৰা প্ৰথাবোৰো আজি প্ৰায় বিলুপ্ত হোৱাৰ পথত।

অতি পৰিতাপৰ কথা এয়ে যে যি-সময়ত পৃথিৱীৰ উন্নত দেশবোৰত কৃষিকাৰ্য ধনী আৰু সুপ্ৰশিক্ষিত লোকৰদ্বাৰা পৰিচালিত হৈছে সেই সময়ত আমাৰ ৰাজ্যখনৰ খেতিয়কৰ অৱস্থা আটাইতকৈ পুতৌ লগা। বৰ্তমান সময়ত কৃষিকাৰ্য নিম্নমানৰ অৰ্থনৈতিক বৃত্তি হিচাপে পৰিগণিত হৈছে। ইয়াৰ উপৰি সামাজিকভাৱেও খেতিয়কসকল অৱহেলিত আৰু উপেক্ষিত। খেতিয়কসকলৰ সমস্যা সমাধানৰ বেলিকাও চৰকাৰৰ ' আন্তৰিকতাৰ অভাৱ আৰু গা এৰা দিয়া ধৰণৰ মনোভাব দেখা যায়।



## কৃষিৰ ঐতিহাসিক পটভূমি

অসমৰ ভূমিভাগৰ পশ্চিম দিশৰ বাহিৰে বাকী তিনিওটা দিশ পৰ্বত-পাহাৰ আৰু মালভূমিৰে আগুৰা। অৱশ্যে ইয়াৰ নদী-উপত্যকা আৰু গিৰিপথেৰে প্ৰাগৈতিহাসিক কালৰপৰাই ভাৰতৰ বিভিন্ন ৰাজ্য তথা চুবুৰীয়া ৰাষ্ট্ৰ, বিশেষকৈ দক্ষিণ-পূব এছিয়াৰ বিভিন্ন দেশৰ লগত অঞ্চলটোৰ মানুহৰ আহ-যাহ চলিছিল। অসমৰ লোকসকল অষ্ট্ৰ'-এছিয়াটিক, টিবেট'-চাইনীজ আৰু ইণ্ড'-ইউৰোপীয় ভাষা-ভাষী লোক । এই ৰাজ্যলৈ প্ৰথমতে কোন ঠাইৰপৰা আৰু কোন সময়ত মানুহ আহিছিল তাৰ ব্যাখ্যা আগবঢ়োৱা অত্যন্ত জটিল। তথাপি নৃতাত্ত্বিক, প্ৰত্নতাত্ত্বিক আৰু কিছু ঐতিহাসিক তথ্য আৰু বিৱৰণৰ ওপৰত ভিত্তি কৰি অসমলৈ ঘটা প্ৰব্ৰজনৰ কথা কিছু জানিব পাৰি।

অসমলৈ অহা প্ৰথম লোকসকল অষ্ট্ৰ'-এছিয়াটিক ভাষা-ভাষী লোক। এই লোকসকল খ্ৰীষ্টপূৰ্ব কেইবা হাজাৰ বছৰ আগতে দক্ষিণ- পূব এছিয়াৰপৰা আহিছিল। এই লোকসকলে ব্ৰহ্মপুত্ৰ উপত্যকাৰ চাৰিওকাষে থকা পাহাৰৰ পাদদেশত বসবাস কৰি পিছত মেঘালয় পাহাৰ আৰু কাৰ্বি আংলঙত বসবাস কৰিবলৈ লয়। অসমৰ কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাহাৰীয়া অঞ্চলত বসবাস কৰা খাচিয়া লোকসকল এই জনগোষ্ঠীৰ অন্তৰ্গত। গতিকে ক'ব পাৰি যে খাচিয়াসকল অসমত বসবাস কৰা প্ৰথম জনগোষ্ঠীয় লোক।

খাচিয়াসকলৰ পিছত এই ৰাজ্যলৈ টিবেট' ভাষাভাষী মঙ্গোলীয় লোকসকলে প্ৰব্ৰজন কৰিছিল। অসমৰ বড়ো, কুকি লোকসকল এই জনগোষ্ঠীৰ অন্তৰ্গত। অসমৰ খাচিয়া, মৰাণ, বৰাহী, বড়ো, কাৰ্বি, মিছিং, তিৱা, ডিমাছা, চুতীয়া আৰু ভূঞা আদি বিভিন্ন জাতি-জনজাতিৰ লোকসকলে সাধাৰণতে পাহাৰ-পৰ্বত আৰু অৰণ্যভূমিত বসবাস কৰি ঝুম পদ্ধতিৰে কৃষিকাৰ্য সম্পাদন কৰি জীৱিকানিৰ্বাহ কৰিছিল। কালক্ৰমত অন্য কিছু জনগোষ্ঠী, যেনে— আহোম আৰু আৰ্য লোকসকলৰ এই ভূখণ্ডলৈ আগমন ঘটে। আৰ্য আৰু অনাৰ্য লোকসকলে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত ধান খেতি কৰিছিল। গাৰো আৰু বড়ো-কছাৰী লোকসকলে নামনি ব্ৰহ্মপুত্ৰ উপত্যকাত কোচ সাম্ৰাজ্যৰ অধীনত থাকি কোৰেৰে মাটি চহাই বাও আৰু আহু ধানৰ খেতি কৰিছিল। কছাৰী আৰু অন্যান্য জনজাতীয় লোকসকলে ৰাজ্যখনৰ সৰু সৰু নদনদীবোৰত বান্ধ দি কৃষিভূমিত জলসিঞ্চনৰ ব্যৱস্থা কৰিছিল। উজনি অসমৰ আদিম জনজাতি চুতীয়াসকলে শালি ধানৰ খেতি কৰিছিল। নতুন মাটি মোকলাই খেতিৰ উপযোগী কৰি তোলাৰ ক্ষেত্ৰত ভূঞাসকলৰ অৱদান উল্লেখযোগ্য। কৃষিভূমিৰ সন্ধানত ত্ৰয়োদশ শতিকাৰ আৰম্ভণিতে আহোমসকলে অসমলৈ প্ৰব্ৰজন কৰিছিল। তেওঁলোকে নিজা কৃষিপদ্ধতি আৰু কৃষিজ্ঞানৰদ্বাৰা কৃষিকাৰ্য সম্পাদন কৰি ৰাজ্যখনৰ কৃষিভিত্তিক জীৱন আৰু সংস্কৃতিলৈ প্ৰভূত বৰঙণি আগবঢ়াইছিল। তদুপৰি আহোমসকলে ৰাজ্যখনৰ বড়ো, কছাৰী, চুতীয়া, ভূঞা আদি ভূমিপুত্ৰসকলৰপৰা থলুৱা পৰিৱেশ আৰু পৰম্পৰাগত কৃষিজ্ঞান

তথা পদ্ধতি আহৰণ কৰি জনজাতীয় লোকসকলক উৎপাদন কাৰ্যত নিয়োগ কৰে। শালিধানৰ প্ৰচলন, নাঙলৰ ব্যৱহাৰ, তামোল-পাণৰ বাৰীৰ প্ৰচলন, মাটিৰ শ্ৰেণীবিভাজন, কৰ-কাটলৰ ব্যৱস্থা, বিস্তীৰ্ণ কৃষিভূমি তৈয়াৰ আদি আহোমসকলৰ ৰাজ্যখনৰ কৃষি তথা সমাজব্যৱস্থালৈ উল্লেখযোগ্য অৱদান।

অসমৰ কৃষি-পদ্ধতি আৰু কৃষি-প্ৰযুক্তিৰ গুণগত আৰু পৰিমাণগত বিকাশৰ ক্ষেত্ৰত আহোমসকলৰ অৱদানেই আটাইতকৈ উল্লেখযোগ্য। অসমৰ জনজাতীয় লোকসকলে কোৰ, কাঁচি, গছৰ ঠাল-ঠেঙুলি আদিৰে মাটি চহ কৰি কৃষিকাৰ্য কৰাৰ প্ৰমাণ পোৱা যায়। আহোমসকলে অসমৰ মাটি আৰু বন্ধুৰতাৰ লগত খাপ খোৱাকৈ বিভিন্ন ধৰণৰ কৃষি-সঁজুলি প্ৰস্তুত কৰিছিল। লোৰ ফাল লগোৱা কাঠৰ নাঙল আহোমসকলেই প্ৰথম প্ৰচলন কৰিছিল। মধ্যযুগত ব্যৱহাৰ কৰা কৃষি সঁজুলিবোৰৰ ভিতৰত নাঙল, যুৱলি, মৈ, জবকা, দলিমাৰি, কাঁচি, দা, কোৰ আদিয়ে প্ৰধান। উল্লেখযোগ্য যে ব্ৰিটিছৰ শাসনৰ সময়তো অসমৰ কৃষি-পদ্ধতি আৰু কৃষি-প্ৰযুক্তি চকুত-লগা ধৰণে পৰিৱৰ্তন হোৱা নাছিল । বিংশ শতাব্দীৰ দ্বিতীয়াৰ্ধৰ আৰম্ভণিৰ সময়ছোৱালৈকে কৃষি-পদ্ধতি মধ্যযুগীয় ব্যৱস্থাৰেই প্ৰচলিত আছিল। বিংশ শতাব্দীৰ অষ্টম দশকৰ পিছৰপৰা ৰাজ্যখনত লাহে লাহে আধুনিক কৃষিব্যৱস্থা প্ৰচলন হ'বলৈ ধৰে। আধুনিক কৃষিব্যৱস্থাত খেতিয়কসকলে উন্নত কৃষি-প্ৰযুক্তি, যেনে— ট্ৰেক্টৰ, পাৱাৰ টিলাৰ, উন্নত জাতৰ বীজ, ৰাসায়নিক সাৰ, কীটনাশক দ্ৰব্য আদিৰ প্ৰয়োগ কৰা দেখা যায় যদিও বৰ্তমানেও পৰম্পৰাগত থলুৱা কৃষিপদ্ধতি ৰাজ্যৰ কৃষিব্যৱস্থাত বিদ্যমান।

প্ৰাচীন কালত কিছু লোকে নাঙলত ফাল হিচাপে লোৰ পৰিৱৰ্তে গঁড়ৰ ছাল ব্যৱহাৰ কৰিছিল বুলি কিছু পুৰণি লেখাত উল্লেখ পোৱা যায়। প্ৰাচীন অসমত জলসিঞ্চন সম্বন্ধীয় কিছু ঐতিহাসিক তথ্য বিভিন্ন পুথিপত্ৰত লিপিবদ্ধ হৈ আছে। সপ্তম শতিকাৰ মধ্যভাগত তেতিয়াৰ কামৰূপ ৰাজ্য ভ্ৰমণ কৰি চীনা পৰিব্ৰাজক হিউৱেন চাঙে অসমৰ খেতিয়কসকলে জলসিঞ্চনৰ কাৰণে নদনদী আৰু হ্ৰদৰ পানী ব্যৱহাৰ কৰাৰ কথা উল্লেখ কৰিছে। ইংৰাজ প্ৰশাসক ৰাল্‌ফ ফিৎছে (Ralph Fitchএ) ষোল্ল শতিকাৰ দ্বিতীয় ভাগত নামনি অসম ভ্ৰমণ কৰি নৈত বান্ধ দি নৈৰ পানী কৃষিভূমিলৈ বোৱাই জলসিঞ্চন কৰাৰ কথা উল্লেখ কৰিছে। *কথা গুৰুচৰিত*ত উল্লেখ আছে যে ভূঞাসকলে বানপানীৰপৰা শস্যক্ষেত্ৰ ৰক্ষা কৰাৰ কাৰণে মথাউৰি নিৰ্মাণ কৰিছিল। কছাৰী জনজাতীয় লোকসকলেও কৃষিভূমিত জলসিঞ্চনৰ কাৰণে নদীৰ উজনি অংশত বান্ধ দি তাৰপৰা পথাৰলৈ পানী বোৱাই নিছিল। প্ৰাচীন কালৰপৰাই ৰাজ্যখনৰ অধিবাসীসকলে জলসিঞ্চনৰ কাৰণে নদনদীৰ পানী ব্যৱহাৰ কৰিছিল যদিও আহোমসকলে জলসিঞ্চন আৰু বানপানী নিয়ন্ত্ৰণৰ কাৰণে আধুনিক পদ্ধতিৰে বান্ধ আৰু মথাউৰি নিৰ্মাণ কৰিছিল। উল্লেখযোগ্য যে দিহিঙীয়া ৰজা হিচাপে পৰিচিত চুহুংমুঙে দিহিং নদীৰ পাৰত মথাউৰি নিৰ্মাণ কৰিছিল।



প্ৰাচীন কালত কৃষিভূমিত সাৰৰ ব্যৱহাৰৰ কথা ডাকৰ বচন, *কথা গুৰুচৰিত* আৰু ব্ৰিটিছৰ ৰেকৰ্ডত উল্লেখ আছে। অৱশ্যে প্ৰাচীন কালত অসমৰ কৃষিভূমি প্ৰাকৃতিকভাৱে যথেষ্ট সাৰুৱা আছিল। গৰুৰ গোবৰ আৰু শস্যৰ ঠাল-ঠেঙুলি, অপতৃণ আদি পুৰি ছাই তৈয়াৰ কৰি মানুহে সেইবোৰ পথাৰত ছটিয়াইছিল।

অসমলৈ ভাৰতৰ আন আন প্ৰদেশৰ লগতে দক্ষিণ-পূব এছিয়াৰ বিভিন্ন দেশৰপৰা অহা নানা জনগোষ্ঠীৰ লোকসকলে নিজ নিজ ঠাইৰপৰা অনা নানাধৰণৰ শস্যৰ প্ৰচলনো ইয়াত কৰিছিল। অসমৰ নদী-উপত্যকাৰ বিস্তীৰ্ণ পলসুৱা সমতলভূমি আৰু মৌচুমী জলবায়ুৱে ৰাজ্যখনৰ বেছিভাগ ঠাইকে ধানখেতিৰ উপযুক্ত ক্ষেত্ৰত পৰিণত কৰিছে। ৰাজ্যখনৰ সকলো লোকৰে মুখ্য খাদ্য ভাত হোৱা হেতুকে ধানখেতি প্ৰাচীন কালৰপৰাই এই অঞ্চলত চলি আহিছে। অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত ধানখেতিৰ ব্যাপক প্ৰচলন ষষ্ঠ শতিকাত আৰম্ভ হোৱাৰ প্ৰমাণ পোৱা গৈছে। হেমিল্টনৰ বিবৰণীত এই কথা উল্লেখ আছে যে ১৮০৮-০৯ চনত শালিধান খেতিয়ে অসমৰ মুঠ শস্যৰ চাৰি ভাগৰ তিনি ভাগ অধিকাৰ কৰিছিল। ঠিক তেনেদৰে বৰাহমিহিৰে শালি, কলমশালি (Kalamasali), য়াভাকা (Yavaka), চুকৰাকা (Sukaraka), সাষ্টিকা (Shashtika), ৰক্তশালি (Raktasali), পান্দুকা (Panduka), গৌৰাশালি (Gaurasali) আৰু নিচপভা (Nishpava) নামৰ ন বিধ ধানৰ কথা উল্লেখ কৰিছে। ষোল্ল শতিকাৰ আৰম্ভণিৰ সংস্কৃত পুথি *যোগিনী তন্ত্ৰ*ত বহুকেইবিধ ধানৰ, যেনে– ৰাজা, সোমা (Soma), ব্ৰিহ (Briha), চিঘনা (Sighna), বঙ্গ (Banga), কেতেকী (Keteki), কলাবিংক (Kalabinka), নাৰায়ণা (Narayana), মাধৱ (Madhava), প্ৰদীপ (Pradipa), অশোক (Ashoka) আদিৰ কথা উল্লেখ আছে। হাণ্টাৰৰ *Statistical Account of Assam* নামৰ কিতাপতো প্ৰায় ৮৭ বিধ ধানৰ কথা উল্লেখ আছে। তাৰ ভিতৰত চকুৱা (Chakua), বৰা (Bora) আৰু জহা (Joha) ধানৰ খেতি বিশেষভাৱে উল্লেখযোগ্য। মোগল ঘটনা-পঞ্জীয়ক (Chronicler) চিহাবুদ্দিন তালিচ (Shihabuddin Talish)ৰ বিৱৰণীত উল্লেখ আছে যে উজনি অসমত আহোমসকলৰদ্বাৰা যথেষ্ট পৰিমাণৰ শালিধানৰ খেতি কৰা হৈছিল, যিয়ে সেই সময়ত বহু বিদেশী পৰিব্ৰাজকক আকৰ্ষণ কৰিছিল।

অসমৰ কৃষিৰ ইতিহাস পুৰণি পুথি-পাঁজি, শিলালিপি তাম্ৰফলি আৰু বিদেশী পৰিব্ৰাজকৰ ভ্ৰমণ বিৱৰণীৰপৰা উদ্ধাৰ কৰিব পাৰি। আহোম ৰজা শিৱসিংহৰ দিনৰ (১৭৩৯ খ্ৰীষ্টাব্দ) তাম্ৰফলিত উল্লেখ আছে যে কামৰূপ জিলাৰ দীৰ্ঘেশ্বৰী মন্দিৰলৈ ১১.৫ সেৰ ধান যোগান ধৰাৰ অৰ্থে ৪৮ পূৰা (১৯২ বিঘা) মাটি দান দিছিল। সেই তাম্ৰফলিত উল্লেখ থকামতে সেই সময়ত ৪৮ পূৰা মাটিৰ বাৰ্ষিক উৎপাদন আছিল ১০৫ মোন।

বৰ্তমান সময়ত অসময়ত দেখিবলৈ পোৱা বহুতো শস্য ভাৰতৰ অন্যান্য ৰাজ্যৰ লগতে বিদেশৰপৰাও বিভিন্ন সময়ত ইয়ালৈ প্ৰব্ৰজনকৰা লোকসকলে লৈ

আহিছিল। যৱ ধানৰ গুটি আমেৰিকাৰ দেশসমূহৰপৰা সোতৰ শতিকাত আনি ইয়াত খেতি কৰিছিল। মাহজাতীয় শস্য, বিশেষকৈ মাটিমাহৰ খেতি আহোমসকলে ব্যাপকভাৱে কৰিছিল। খোৱাৰ উপৰি আহোমৰ শাসনকালত মঠ-মন্দিৰ, স্মৃতিস্তম্ভ আদিৰ নিৰ্মাণত চিমেণ্টৰ বিকল্প হিচাপে মাটিমাহ ব্যৱহাৰ কৰিছিল। অসমত আলুখেতিৰ প্ৰচলন ব্ৰিটিছসকলে ব্যাপকভাৱে আৰম্ভ কৰিছিল। খাচিয়া আলুৰ খেতি খাচি আৰু জয়ন্তীয়া পাহাৰত প্ৰথমে কৰা হৈছিল আৰু পিছত এই খেতি ব্ৰহ্মপুত্ৰ উপত্যকালৈ সম্প্ৰসাৰিত হৈছিল। অসমৰ গ্ৰামাঞ্চলত ব্যাপকভাৱে জনপ্ৰিয় সৰু আকাৰৰ পাটনা আলু বিহাৰৰ পাটনাৰপৰা, ভূটীয়া আলু ভূটানৰপৰা অনা হৈছিল। *যোগিনীতন্ত্ৰ, কথা গুৰুচৰিত* আৰু ডাকৰ বচনত প্ৰাচীন অসমত বিভিন্ন ধৰণৰ শাক, যেনে - লাই, ৰাবৰী, পুৰৈ, চুকা, ঢেঁকীয়া আদিৰ কথা উল্লেখ আছে। বৰগাঁও গ্ৰাণ্টত (ৰত্নপাল ৰজাৰ দিনত, ১০১০-১০৪০ খ্ৰীষ্টাব্দত) অসমত লাউ, কোমোৰা, তিয়ঁহৰ খেতিৰ কথা উল্লেখ আছে।

অসমত তামোল-পাণৰ বাৰী/বস্তি স্থাপনত আহোমসকলে যথেষ্ট উদ্যোগ লৈছিল। ৰাজ্যখনৰ বিশেষকৈ কামৰূপ আৰু দৰং জিলাত যথেষ্ট পৰিমাণৰ তামোল-পাণৰ খেতিৰ কথা নগাঁও গ্ৰাণ্টত উল্লেখ আছে। উল্লেখযোগ্য যে প্ৰাচীন অসমত নাৰিকল গছ খুউব কমকৈ দেখা পোৱা গৈছিল। উজনি অসমত নাৰিকল গছ একেবাৰে দেখিবলৈ পোৱা নগৈছিল। কামৰূপ জিলাৰ কিছু অঞ্চলতহে দুই-এডাল নাৰিকল গছ দেখিবলৈ পোৱা গৈছিল।

ভাৰতৰ পাঞ্জাব আৰু হাৰিয়ানাত ১৯৬৫ চনত যি-সেউজ বিপ্লৱ আৰম্ভ হৈছিল, সেই বিপ্লৱৰ বতাহ অসমত বহু বছৰৰ পিছতহে বলিছিল। ইয়াৰ উপৰি পাঞ্জাৱ, হাৰিয়ানাই সেউজ বিপ্লৱৰ ফলত গোমধানৰ উৎপাদনত বিশেষ সাফল্য লাভ কৰিছিল। অসমত এই বিপ্লৱৰ প্ৰভাৱ প্ৰায় ১৯৮০ চনৰ পিছতহে আৰম্ভ হয়। ইয়াৰ প্ৰভাৱত খেতিয়কে বিভিন্ন শস্যৰ, বিশেষকৈ ধানৰ উন্নত জাতৰ বীজৰ খেতি কৰিবলৈ লয়। কৃষিকাৰ্যত ব্যৱহৃত উন্নত সা-সৰঞ্জামৰ লগতে ৰাসায়নিক সাৰ আৰু কীটনাশক দৰৱৰ ব্যৱহাৰো কৰিবলৈ লয়।

## ভৌগোলিক প্ৰেক্ষাপট

অসম ভাৰতৰ উত্তৰ-পূব অংশত ২৪°৩' উত্তৰৰপৰা ২৮° উত্তৰ অক্ষাংশ আৰু ৮৯°৫' পূবৰপৰা ৯৬°১' পূব দ্ৰাঘিমাংশৰ মাজত অৱস্থিত। ইয়াৰ মুঠ মাটিকালি ৭৮,৪৩৮ বৰ্গ কিলোমিটাৰ আৰু ২০১১ বৰ্ষৰ লোকপিয়লমতে মুঠ জনসংখ্যা হ'ল ৩.১১ কোটি। ৰাজ্যখনক দুখন বিদেশী ৰাষ্ট্ৰ আৰু ভাৰতৰ সাতখন অন্য ৰাজ্যই আগুৰি আছে। ইয়াৰ উত্তৰে ভূটান আৰু অৰুণাচল তথা হিমালয়, দক্ষিণে মেঘালয় মালভূমি, ত্ৰিপুৰা, মিজোৰাম, মণিপুৰ ৰাজ্য, পূবে অৰুণাচল তথা হিমালয়ৰ কিছু অংশ আৰু নগা-পাটকাই পাহাৰমালা আৰু পশ্চিমে বাংলাদেশ আৰু পশ্চিমবঙ্গৰ সমতলভূমিয়ে আগুৰি আছে। গতিকে দেখা যায় যে পশ্চিম অংশৰ বাহিৰে এই ৰাজ্যখনৰ আন তিনিটা দিশ পাহাৰ-পৰ্বত-মালভূমিয়ে আগুৰি ৰাখিছে।




ভূ-তাত্ত্বিক দিশৰপৰা অসম আৰ্কিয়ান (Archaen rock), প্ৰি-কেম্ব্ৰিয়ান (pre-Cambrian rock), টাৰচিয়াৰি (tertiary rock) আৰু কোৱাটাৰনেৰি পলসুৱা গেদে (quaternary sediment)ৰে গঠিত। প্ৰাকৃতিক দিশৰপৰা অসমৰ মূল ভূখণ্ডক প্ৰধানতঃ চাৰিটা ভাগত ভাগ কৰিব পাৰি: ১। ব্ৰহ্মপুত্ৰ উপত্যকা, ২। বৰাক উপত্যকা, ৩। কাৰ্বি মালভূমি, ৪। বৰাইল আৰু দক্ষিণৰ পাহাৰমালা। এই চাৰিটা প্ৰধান প্ৰাকৃতিক ভাগৰ ভিতৰত ব্ৰহ্মপুত্ৰ উপত্যকাই ৫৫,৩৩৯ বৰ্গ কিলোমিটাৰ সামৰি অসমৰ মুঠ মাটিকালিৰ প্ৰায় ৭২ শতাংশ অধিকাৰ কৰি আছে। এই উপত্যকাই পূবা-পশ্চিমাকৈ ৭২০ কিল'মিটাৰ আৰু উত্তৰা-দক্ষিণাকৈ গড়ে ৮০ কিল'মিটাৰ জুৰি বিস্তৃত হৈ এক বিশাল প্লাৱনভূমিৰ সৃষ্টি কৰিছে।

ব্ৰহ্মপুত্ৰ উপত্যকাক আকৌ পূবা-পশ্চিমাকৈ চাৰিটা ভাগত ভাগ কৰিব পাৰি, যেনে — ১। উত্তৰৰ পাহাৰৰ নামনি অংশ (Northern foot hills), ২। দক্ষিণৰ পাহাৰৰ পাদদেশ (Southern foot hills), ৩। উত্তৰ আৰু দক্ষিণপৰীয়া সমতল ভূমি (North and Southbank plain), আৰু ৪। সক্ৰিয় প্লাৱনভূমি তথা চৰ-চাপৰি অঞ্চল (Active floodplain and charlands) (মানচিত্ৰ-১)।

ব্ৰহ্মপুত্ৰ উপত্যকাৰ পাহাৰৰ দাঁতিকাষৰীয়া অঞ্চলবোৰত উদ্যানশস্যৰ খেতি কৰা দেখা যায় যদিও ইয়াৰ সমতলভূমি অঞ্চলত বিভিন্ন শস্যৰ কৃষিকাৰ্য ব্যাপকভাৱে সম্পাদিত কৰা পৰিলক্ষিত হয়। সমতল ভূমিৰ বিস্তীৰ্ণ পথাৰবোৰ প্ৰধানকৈ ধানখেতিৰ কাৰণে অতি উপযোগী। তদুপৰি এই উপত্যকাৰ সক্ৰিয় প্লাৱনভূমি অঞ্চলতো ব্যাপকভাৱে ৰবিশস্য আৰু বাওধান, বড়োধানৰ খেতি কৰা হয়। সক্ৰিয় প্লাৱনভূমি অঞ্চলবোৰ বাৰিষা বানপানীৰদ্বাৰা যথেষ্ট ক্ষতিগ্ৰস্ত হয় হেতুকে এই অঞ্চলৰ খেতিয়কসকলে বাৰিষাকালিৰ খেতিৰ লোকচানৰ জোৰা মাৰিবলৈ খৰালি মাহত বড়ো ধানৰ উপৰি নানা ধৰণৰ শাক-পাচলি, মাহ, মচুৰ, সৰিয়হ আদিৰ খেতি কৰে।

ব্ৰহ্মপুত্ৰ উপত্যকাৰ পিছতে অসমৰ প্ৰধান ভূখণ্ডটো হ'ল বৰাক উপত্যকা। এই উপত্যকাটো পশ্চিম অংশৰ বাহিৰে বাকী তিনিওটা দিশ মেঘালয় মালভূমি, বৰাইল পাহাৰ, মণিপুৰ পাহাৰ আৰু মিজো পাহাৰৰ দৰে সুউচ্চ ভূমিৰে আগুৰা। ইয়াৰ পশ্চিম দিশটো বাংলাদেশৰ কুছিয়াৰা-সুৰমা সমতল ভূমিৰ পিনে খোলখোৱা। বৰাক উপত্যকাৰ মুঠ মাটিকালি ৬,৯২২ বৰ্গ কিলোমিটাৰ আৰু ইয়ে অসমৰ মুঠ মাটিকালিৰ ৮.৮২ শতাংশ ঠাই অধিকাৰ কৰি আছে। ই পূবা-পশ্চিমাকৈ ১০০ কিলোমিটাৰ আৰু উত্তৰা-দক্ষিণাকৈ ৭০ কিলোমিটাৰ জুৰি বিস্তৃত হৈ আছে। বৰাক আৰু ইয়াৰ বিভিন্ন উপনৈ, যেনে— চিৰি, জিৰি, দিক্সা, মধুৰা, জাতিংগা, সোণাই, চিংলা আদিয়ে এই উপত্যকাৰ মাটি পলসুৱা আৰু জীপাল কৰি কৃষিকাৰ্যৰ উপযোগী কৰি তুলিছে।




ওপৰত উল্লেখ কৰা দুয়োখন নদী-উপত্যকাৰ বাহিৰে অসমৰ আন দুটা ভূখণ্ড ক্ৰমে কাৰ্বি মালভূমি আৰু বৰাইল আৰু দক্ষিণৰ পাহাৰীয়া অঞ্চলেৰে গঠিত। বৰাইল পাহাৰ কোমল টাৰছিয়াৰি শিলেৰে আৰু কাৰ্বি মালভূমি কঠিন প্ৰি-কেম্ব্ৰিয়ান শিলেৰে গঠিত। এই দুই ভূখণ্ডত প্ৰধানতঃ ঝুম পদ্ধতিত খেতি কৰা দেখা যায়।

অসমৰ মাটিৰ প্ৰকাৰ আৰু ইয়াৰ বৈশিষ্ট্য উল্লেখনীয়। এই ৰাজ্যৰ মাটি প্ৰধানতঃ পলসুৱা, পাহাৰৰ পাদদেশীয় মাটি, পাহাৰীয়া মাটি আৰু লেটেৰাইট মাটিৰে গঠিত। উল্লেখযোগ্য যে অসমৰ মাটিৰ গুণগত ভিন্নতাই কৃষিৰ ক্ষেত্ৰতো ভিন্নতা আনি দিছে। পলসুৱা মাটি ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত ব্যাপকভাৱে বিস্তৃত হৈ আছে। ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ বিভিন্ন উপনৈয়ে কঢ়িয়াই অনা সাৰুৱা পলসে এই দুই উপত্যকাৰ বিস্তীৰ্ণ পথাৰবোৰ নানা শস্যৰ, বিশেষকৈ ধান,



মাহ, মচুৰ, সৰিয়হ, তিল, তিচিকে ধৰি বিভিন্ন শাক-পাচলিৰ খেতিৰ বাবে উৰ্বৰা ভূমি হিচাপে গঢ়ি তুলিছে।

অসম উপক্ৰান্তীয় আৰ্দ্ৰ জলবায়ুৰ অন্তৰ্গত। ইয়াত বছৰটোৰ ভিতৰত প্ৰধানকৈ চাৰিটা ঋতু অনুভূত হয়— ১। প্ৰাক্-মৌচুমী ঋতু, ২। মৌচুমী ঋতু, ৩। মৌচুমী উত্তৰ ঋতু আৰু ৪। শীতঋতু। প্ৰতিটো ঋতুত বৰষুণৰ পৰিমাণ, আৰ্দ্ৰতা আৰু উষ্ণতাৰ হাৰ বেলেগ বেলেগ। (শস্য ঋতু অনুযায়ী অসমৰ গড় বৃষ্টিপাতৰ পৰিমাণ ৩ নং তালিকাত দেখুওৱা হৈছে।) সেয়ে ঋতুৰ ভিন্নতা অনুযায়ী ৰাজ্যখনত খাৰিফ আৰু ৰবি শস্যৰ খেতি কৰা হয়।

প্ৰাক্-মৌচুমী কাল মাৰ্চ মাহৰ প্ৰথম ভাগৰপৰা মে' মাহৰ শেষ ভাগলৈকে চলি থাকে। এই সময়ত উত্তাপৰ মাত্ৰা লাহে লাহে বাঢ়িবলৈ ধৰে আৰু বছৰৰ প্ৰথম বৰষুণ আৰম্ভ হয়। বৰষুণৰ পৰিমাণ আৰু প্ৰকোপ এই কালছোৱাৰ শেষৰ পিনে বৃদ্ধি হয়। এই সময়ত ৰাজ্যখনৰ পথাৰত কৰা আহু ধান আৰু মৰাপাটৰ গছবোৰ লহ্‌পহীয়াকৈ বাঢ়ে। খেতিয়কসকলে এই সময়তে শালিধানৰ বাবে পথাৰত হাল বাবলৈ আৰম্ভ কৰে আৰু কঠীয়াতলী প্ৰস্তুত কৰে। জিকা, ধুন্দুলী, ভাত কেৰেলা, ভেণ্ডি, তিয়ঁহ, কোমোৰা আদি পাচলিৰ লগতে কুঁহিয়াৰ, মৰাপাট, তিল খেতিৰ কাৰণে এই সময় অতি উপযোগী।

মৌচুমী কাল মে' মাহৰ শেষৰপৰা আৰম্ভ হৈ আগষ্ট মাহৰ প্ৰথম ভাগলৈকে থাকে। এইটো সময় ৰাজ্যখনৰ প্ৰকৃত বৰ্ষাকাল। গড় উত্তাপ, আপেক্ষিক আৰ্দ্ৰতা আৰু গড় বৰষুণৰ পৰিমাণ এই সময়ত ক্ৰমে ২৮°৫ চেলচিয়াছ, ৬০-৭০ শতাংশ আৰু ২০০ ছেণ্টিমিটাৰ হয়গৈ। ৰাজ্যখনৰ মুঠ বাৰ্ষিক বৰষুণৰ ৮০ শতাংশতকৈ অধিক বৰষুণ এই সময়তে দিয়ে। মৌচুমী কালৰ আৰম্ভণিতে খেতিয়কসকলে পথাৰত শালি ধানৰ খেতিৰ বাবে কঠীয়াতলী প্ৰস্তুত কৰি পথাৰত হাল বাই ভুঁইৰোৱা কাৰ্য সমাপন কৰে। এই সময়ত ৰাজ্যখনৰ খেতিয়কসকলে মূৰ দাঙিব নোৱৰা ধৰণে পথাৰত ব্যস্ত হৈ পৰে। পথাৰত পৰ্যাপ্ত জলসিঞ্চন ব্যৱস্থা নথকাৰ ফলতে ৰাজ্যখনৰ খেতিয়কসকল কৃষিকাৰ্যৰ বাবে আজিও মৌচুমী জলবায়ুৰ ওপৰত নিৰ্ভৰশীল হৈ থাকিবলগীয়া হৈছে।

ছেপ্টেম্বৰ মাহৰ শেষৰপৰা অক্টোবৰ মাহৰ প্ৰথম ছোৱালৈকে দক্ষিণ-পশ্চিম মৌচুমী জলবায়ুৰ প্ৰভাৱ ৰাজ্যখনৰপৰা লাহে লাহে ক্ষীণ হ'বলৈ লোৱাৰ ফলত ৰাজ্যখনত বৰষুণৰ পৰিমাণ চকুত লগাকৈ হ্ৰাস পায়। পশ্চাৎগামী মৌচুমী কালত ধানৰ গেঁৰ হয় আৰু লাহে লাহে পকিবলৈ ধৰে। কেতিয়াবা নেৰা-নেপেৰা বৰষুণ আৰু বতাহে গেঁৰ হোৱা ধানবোৰ মাটিত পেলাই যথেষ্ট অনিষ্ট কৰে। শালিধানতলীত গেঁৰ হোৱা ধানৰ মাজত খেতিয়কে খেচাৰি আৰু মটৰৰ বীজ সিঁচি দিয়ে।

অসমত শীতকাল নৱেম্বৰ মাহৰ মাজভাগৰপৰা আৰম্ভ হৈ ফেব্ৰুৱাৰি মাহৰ শেষলৈকে চলি থাকে। এই সময়ছোৱাত ৰাজ্যখনৰ গড় তাপমাত্ৰা ১০°-

45150/20

তালিকা ৩: শস্যঋতু অনুযায়ী অসমৰ গড় বৃষ্টিপাতৰ পৰিমাণ (মিলিমিটাৰত)

| বৰ্ষ | খৰালি কাল | | | | ৰবি কাল | | | | গোটেই বৰ্ষত/ঋতুত | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | প্ৰকৃত বৰষুণৰ পৰিমাণ (১) | স্বাভাৱিক বৰষুণ (২) | স্বাভাৱিক বৰষুণৰ লগত পাৰ্থক্য (শতাংশ হাৰত) (৩) | ফলাফল (৪) | প্ৰকৃত বৰষুণৰ পৰিমাণ (১) | স্বাভাৱিক বৰষুণ (২) | স্বাভাৱিক বৰষুণৰ লগত পাৰ্থক্য (শতাংশ হাৰত) (৩) | ফলাফল (৪) | প্ৰকৃত বৰষুণৰ পৰিমাণ (১) | স্বাভাৱিক বৰষুণ (২) | স্বাভাৱিক বৰষুণৰ লগত পাৰ্থক্য (শতাংশ হাৰত) (৩) | ফলাফল (৪) |
| ২০০৭ | ১৮১৬.৬ | ২১১৮.২ | (-) ১৪.২ | প্ৰায় স্বাভাৱিক | ২৫৯.৭ | ৩১৩.৬ | (-) ১.৭ | প্ৰায় স্বাভাৱিক | ২০৭৬.৩ | ২৪৩১.৯ | (-) ১৪.৬ | প্ৰায় স্বাভাৱিক |
| ২০০৮ | ১৭৭৩.০ | ২০৩৪.১ | (-) ১৩.০ | প্ৰায় স্বাভাৱিক | ২৭৫.১ | ৩১৪.৮ | (-) ১২.৬ | প্ৰায় স্বাভাৱিক | ২০৪৮.১ | ২৩৫২.৯ | (-) ১৩.৫ | প্ৰায় স্বাভাৱিক |
| ২০০৯ | ১৫১২.৮ | ১৯৫৩.৬ | (-) ২২.৬ | ঘাটি বৰষুণ | ১৮৭.৪ | ৩০২.২ | (-) ৩৭.৯ | ঘাটি বৰষুণ | ১৭০০.২ | ২২৫৫.৮ | (-) ২৫.০ | ঘাটি বৰষুণ |
| ২০১০ | ২০৬৬.৩ | ১৯৭৬.০ | (-) ৪.৬ | প্ৰায় স্বাভাৱিক | ১৮৯.০ | ৩০৬.২ | (-) ৩৮.৩ | ঘাটি বৰষুণ | ২২৫৫.৩ | ২২৮২.২ | (-) ১.২ | প্ৰায় স্বাভাৱিক |
| ২০১১ | ১৪১১.১ | ২০০১.০ | (-) ২৯.৫ | ঘাটি বৰষুণ | ১৫৫.৫ | ২৯৫.৩ | (-) ৪৭.৩ | ঘাটি বৰষুণ | ১৫৬৬.৬ | ২২৯৬.৩ | (-) ২৯.৫ | ঘাটি বৰষুণ |

উৎস: অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়, অসম চৰকাৰ



১২°চেলছিয়াছলৈ হ্ৰাস পায় আৰু বাৰ্ষিক গড় বৰষুণৰ পৰিমাণো ৫৮ মিলিমিটাৰলৈ হ্ৰাস পাই ৰাজ্যখনৰ জলবায়ু শুকান আৰু ঠাণ্ডা হৈ পৰে। এই সময়ছোৱাত শালিধান চপাই মৰণা মাৰি ভঁৰালত সংৰক্ষণ কৰি ৰাখে। ইয়াৰ উপৰি নানাধৰণৰ ৰবি শস্যকে ধৰি শাক-পাচলিৰ খেতিৰে পথাৰ উঁভৈনদী হৈ পৰে। ৰাজ্যখনৰ কিছু কিছু অঞ্চলত, বিশেষকৈ সক্ৰিয় প্লাৱনভূমি অঞ্চলবোৰত খেতিয়কে বড়োধানৰ খেতি আৰম্ভ কৰে। অৱশ্যে বৰষুণৰ পৰিমাণ কমি অহাৰ ফলত আৰু উপযুক্ত জলসিঞ্চন ব্যৱস্থা নথকাৰ ফলত ৰাজ্যখনৰ লাখ লাখ হেক্টৰ কৃষিভূমি চন পৰি থাকিব লগা হয়।

## কৃষি-জলবায়ু অঞ্চল

অসমক ভূ-প্ৰাকৃতিক বন্ধুৰতা, জলবায়ু, পাৰিপাৰ্শ্বিকতা, ভূমিৰ ব্যৱহাৰ, শস্যৰ উৎপাদনৰ ওপৰত ভিত্তি কৰি ৬টা কৃষি-জলবায়ু অঞ্চল (Agro-Climatic Region)ত ভাগ কৰা হৈছে: ১। বৰাক উপত্যকা অঞ্চল, ২। মধ্য ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চল, ৩। নিম্ন ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চল, ৪। উজনি ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চল, ৫। উত্তৰপাৰৰ সমতল ভূমি অঞ্চল আৰু ৬। পাহাৰীয়া অঞ্চল (মানচিত্ৰ ২)। এই কৃষি-জলবায়ু অঞ্চলকেইটাৰ কথা চমুকৈ আলোচনা কৰা হ'ল।


### ১। বৰাক উপত্যকা অঞ্চল

এই অঞ্চলটোৱে ৬,৯২২ বৰ্গ কিলোমিটাৰ জুৰি অসমৰ মুঠ মাটিকালিৰ ৮.৮২ শতাংশ অধিকাৰ কৰি আছে। এই উপত্যকাৰ অন্তৰ্গত জিলাকেইখন হ'ল কাছাৰ, হাইলাকান্দি আৰু কৰিমগঞ্জ। বৰাক উপত্যকাৰ বালিঅহীয়া আৰু বোকা মাটি উদ্যান শস্যৰ কাৰণে অতি উপযোগী। ১৯৯৯-২০০০ চনত এই অঞ্চলত প্ৰকৃত কৃষিভূমি আৰু মুঠ কৃষিভূমি আছিল ক্ৰমে ১১০৮.৪৯ বৰ্গ কিলোমিটাৰ আৰু ৩০২২.৭২ বৰ্গ কিলোমিটাৰ, যিয়ে অঞ্চলটোৰ মুঠ মাটি কালিৰ ক্ৰমান্বয়ে ১৬.০১ শতাংশ আৰু ৪২.৬৬ শতাংশ অধিকাৰ কৰি আছে। অন্যহাতে প্ৰায় ৫.৪৭ শতাংশ মাটি ৰোপণ শস্য (plantation crop)ৰ অন্তৰ্গত।

বৰাক উপত্যকাৰ বানমুক্ত পলসুৱা ভূমি প্ৰধানতঃ ধানখেতিৰ লগতে বিভিন্ন ধৰণৰ শাক-পাচলি, আলু, সৰিয়হ, মৰাপাট আৰু মাহজাতীয় শস্যৰ কাৰণে উপযোগী। আনহাতে বিল, পিতনিৰ দৰে দ মাটিত খেতিয়কসকলে বড়োধানৰ খেতি কৰে। পাহাৰৰ নামনি অঞ্চল আৰু অনুচ্চ পাহাৰৰ টিলাবোৰত তথা ওখ ভূমিবোৰত চাহ, আনাৰস, কুঁহিয়াৰ আদি বিভিন্ন ধৰণৰ ফলমূলৰ উপৰি কিছু পৰিমাণে শাক-পাচলিৰ খেতি কৰা দেখা যায়। দক্ষিণৰ পাহাৰীয়া অঞ্চলবোৰত ঝুম পদ্ধতিৰে বিভিন্ন ধৰণৰ মছলা জাতীয় শস্যৰ খেতি কৰে।

### ২। নামনি ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চল

এই অঞ্চলটোৱে কামৰূপ, কামৰূপ (মহানগৰ), গোৱালপাৰা, ধুবুৰী, কোকৰাঝাৰ, বঙাইগাঁও, বৰপেটা, নলবাৰী, চিৰাং আৰু বাক্সা জিলাক সামৰি




লৈছে। অঞ্চলটোৰ মুঠ মাটিকালি ২০.১৬ হাজাৰ বৰ্গ কিলোমিটাৰ আৰু প্ৰকৃত কৃষিভূমি হ'ল ৯.০৭ লাখ হেক্টৰ, যিয়ে মুঠ মাটিকালিৰ ৪৭.৬৪ শতাংশ অধিকাৰ কৰি আছে। উত্তৰ দিশৰ পাহাৰৰ দাঁতিকাষৰীয়া ভূমিৰ দক্ষিণাঞ্চলত যথেষ্ট পৰিমাণে শাক-পাচলিৰ খেতি হয়। বিস্তীৰ্ণ সমতলভূমি অঞ্চলত বাৰিষা প্ৰধানতঃ ধানখেতি আৰু খৰালি যথেষ্ট পৰিমাণে শাক-পাচলিৰ খেতি কৰা হয়। ইয়াৰ উপৰি সক্ৰিয় প্লাৱনভূমি অঞ্চলত পূৰ্ববঙ্গমূলীয় লোকসকলে বড়োধানৰ লগতে নানাতৰহৰ শাক-পাচলিৰ খেতি কৰে। এই অঞ্চলৰ মুঠ শস্যক্ষেত্ৰ (gross cropped area) হ'ল ১.১৭ লাখ হেক্টৰ। এই উপত্যকাত পাহাৰৰ নামনি অঞ্চল (৭.৫২ লাখ হেক্টৰ) আৰু সমতল ভূমি (১০.৬১ লাখ হেক্টৰ) অঞ্চলে কৃষিৰ প্ৰকাৰ আৰু কৃষি-প্ৰণালীৰ ক্ষেত্ৰত ভিন্নতাৰ সৃষ্টি কৰিছে। পাহাৰৰ নামনি অঞ্চল সাধাৰণতে খাদ্যশস্য, মাহজাতীয় শস্য, তেলজাতীয়, আঁহজাতীয় আৰু মিলেটৰ খেতিৰ বাবে



উপযোগী। ইয়াৰ উপৰি পাহাৰ তথা পাহাৰীয়া টিলাবোৰত চাহৰ লগতে উদ্যানশস্যৰ খেতি কম-বেছি পৰিমাণে কৰে। বিস্তীৰ্ণ পলসুৱা প্লাৱনভূমিত প্ৰধানকৈ ধান, মাহ, সৰিয়হ, মচুৰ আৰু মৰাপাটৰ লগতে বিভিন্ন ধৰণৰ শাক-পাচলিৰ খেতি ব্যাপকভাৱে কৰা দেখা যায়। সমতলভূমিৰ দ পথাৰবোৰত খেতিয়কসকলে বড়োধানৰ খেতি বহুলভাৱে কৰে।

এই অঞ্চলটোৰ ব্ৰহ্মপুত্ৰ নদৰ উত্তৰ আৰু দক্ষিণ দিশৰ দীঘলীয়াকৈ থকা পাহাৰৰ দাঁতিকাষৰীয়া অঞ্চল, মধ্যাংশত থকা বসতিপ্ৰধান সমতলভূমি আৰু নৈৰ কাষৰীয়া সক্ৰিয় প্লাৱনভূমিয়ে বিভিন্ন ধৰণৰ কৃষিকাৰ্যৰ বাবে অৱিহণা যোগাই কৃষিক বৈচিত্ৰ্যপূৰ্ণ কৰি তুলিছে।

## ৩। মধ্য ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চল

নগাঁও আৰু মৰিগাঁও জিলা সামৰি এই অঞ্চলটো গঠিত হৈছে। ইয়াৰ মুঠ মাটিকালি ৫.৫২ হাজাৰ বৰ্গ কিলোমিটাৰ আৰু প্ৰকৃত কৃষিভূমি ৩.২৬ লাখ হেক্টৰ, যিয়ে মুঠ মাটিকালিৰ ৫৬.৮০ শতাংশ অধিকাৰ কৰি আছে।

এই উপত্যকাৰ প্লাৱনভূমিত ধান, মাহ, সৰিয়হ, গোমধান, কুঁহিয়াৰ, মৰাপাটৰ উপৰি নানাতৰহৰ শাক-পাচলিৰ খেতি কৰা হয়। অন্যহাতে উচ্চভূমি তথা পাহাৰৰ পাদদেশত চাহ, কফি, ৰবৰ আদিৰ লগতে বিভিন্ন ধৰণৰ ফল-মূলৰ খেতি কৰে। ধান এই অঞ্চলৰ প্ৰধান শস্য যদিও পূৰ্ববঙ্গমূলীয় মুছলমান খেতিয়কসকলে মৰাপাটৰ খেতি ব্যাপকভাৱে কৰে।

## ৪। উত্তৰ পাৰৰ সমতল ভূমি অঞ্চল

এই অঞ্চলটোৱে লখিমপুৰ, শোণিতপুৰ, ধেমাজি আৰু দৰং জিলা সামৰি ১৪.৩২ হাজাৰ বৰ্গ কিলোমিটাৰ অধিকাৰ কৰি আছে। উত্তৰ দিশৰ তৰাই (Tarai) অঞ্চল আৰু দক্ষিণৰ প্লাৱনভূমিৰ মাজত এই অঞ্চলটো ব্ৰহ্মপুত্ৰৰ সমান্তৰালভাৱে বিস্তৃত হৈ আছে। এই অঞ্চলৰ প্ৰকৃত কৃষিভূমিৰ পৰিমাণ ৫.২৫ লাখ হেক্টৰ (মুঠ মাটিকালিৰ ৩৬.৫০ শতাংশ)।

ধান, মাহ, মাকৈ, সৰিয়হ, গম, তিচি, তিলৰ উপৰি বিভিন্ন ধৰণৰ শাক-পাচলি এই অঞ্চলৰ প্ৰধান শস্য। উল্লেখযোগ্য যে প্লাৱনভূমি অঞ্চলত থকা শস্যক্ষেত্ৰ প্ৰতি বছৰে বান আৰু খহনীয়াৰদ্বাৰা পৰ্যাপ্ত পৰিমাণে ক্ষতিগ্ৰস্ত হয়। পাহাৰৰ নামনি অংশত থকা প্ৰাচীন পলসুৱা মাটি চাহখেতিৰ উপযোগী। তদুপৰি কল, নাৰিকল, আনাৰস, অমিতা, নেমু আদি ফল-মূলৰ খেতিও ইয়াত কৰা হয়।

## ৫। উচ্চ ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চল

এই অঞ্চলটোৰ মুঠ মাটিকালি ১৬.১৯ হাজাৰ বৰ্গ কিলোমিটাৰ। অঞ্চলটোৱে যোৰহাট, ডিব্ৰুগড়, তিনিচুকীয়া, গোলাঘাট, শিৱসাগৰ জিলা সামৰি লৈছে। প্ৰকৃত কৃষিভূমিৰ পৰিমাণ ৬.০৮ লাখ হেক্টৰ (মুঠ মাটিকালিৰ ৩৭.৬১

শতাংশ)। মুখ্য শস্য ধানৰ উপৰি বিভিন্ন ধৰণৰ মাহজাতীয় শস্য, তিল, তিচি, সৰিয়হ, গোমধান, মিলেট, যবধান, কুঁহিয়াৰ, শাক-পাচলিৰ খেতিও কৰা দেখা যায়। ৰাজ্যখনৰ চাহখেতিৰ সিংহভাগ এই অঞ্চলটোৱে নিৰূপণ কৰে।

### ৬। পাহাৰীয়া অঞ্চল

কাৰ্বি আংলং আৰু ডিমা হাছাও জিলা এই অঞ্চলৰ অন্তৰ্গত। ইয়ে ১৫.৩২ হাজাৰ বৰ্গ কিলোমিটাৰ ঠাই অধিকাৰ কৰি আছে। ১৯৯৯-২০০০ চনত এই অঞ্চলটোৰ প্ৰকৃত কৃষিভূমিৰ পৰিমাণ আছিল ১.৫১ হাজাৰ বৰ্গ কিলোমিটাৰ, যিয়ে অঞ্চলটোৰ মুঠ মাটিকালিৰ ৯.৮৫ শতাংশ অধিকাৰ কৰি আছে। কাৰ্বি মালভূমিৰ পশ্চিম ফালটো ব্ৰহ্মপুত্ৰ উপত্যকাৰ লগত মিলি আছে আৰু এই অংশটো ধান আৰু মৰাপাটৰ খেতিৰ বাবে বিখ্যাত। পাহাৰীয়া ঠাইত সাধাৰণতে ঝুম পদ্ধতিৰে ধান, আলু, মাকৈ আদি শস্যৰ খেতি কৰা দেখা যায়। আদা, হালধি আদি শস্যৰ লগতে বিভিন্ন ধৰণৰ ফল-মূল, যেনে— কমলা, আনাবস, কল, নেমু, নাৰিকল আদিৰ বাবে এই অঞ্চল প্ৰখ্যাত।

## ভূমিৰ ব্যৱহাৰ আৰু কৃষিভূমি

অসমত ভূমিৰ ব্যৱহাৰৰ ক্ষেত্ৰত ঠাইবিশেষে তাৰতম্য দেখা যায়। সময়ৰ গতিতো মাটিৰ ব্যৱহাৰৰ পৰিৱৰ্তন ঘটিছে। জনসংখ্যাৰ অবাধ বৃদ্ধি আৰু তজ্জনিত সম্পদৰ চাহিদাবৃদ্ধি আৰু অন্য কিছু বাহ্যিক কাৰকৰ ফলত কৃষিভূমিৰ লগতে অন্যান্য ভূমিৰ ওপৰতো বিৰূপ প্ৰভাৱ পৰা পৰিলক্ষিত হৈছে (তালিকা ৪)।

অতি পৰিতাপৰ কথা যে এসময়ত "জংঘলৰ ৰাজ্য" বুলি জনাজাত অসমৰ প্ৰাকৃতিক অৰণ্যভূমি মানুহৰ অবাধ ধ্বংসযজ্ঞৰ ফলত প্ৰভূত পৰিমাণে হ্ৰাস পাই আহিছে। ১৯৬৪ চনত ৰাজ্যখনৰ অৰণ্যভূমি ২০.৫০ লাখ হেক্টৰৰপৰা ২০১০ চনত ১০.৯১ শতাংশ কমি গৈ ১৮.৫৩ লাখ হেক্টৰ হৈছেগৈ। তদুপৰি বৰ্তমান সময়ত যি-অৰণ্যভূমি বৰ্তি আছে তাৰো বহু ঠাইত বেআইনীভাৱে গছ-বন কাটি তহিলং কৰিছে আৰু বাসস্থানৰ লগতে কৃষিভূমিৰ বাবে মোকলাই লৈছে। কৃষিৰ বাবে অনুপলব্ধ ভূমিৰ পৰিমাণো কুৰি শতিকাৰ সত্তৰ দশকৰপৰা ক্ৰমান্বয়ে বৃদ্ধি হোৱা দেখা গৈছে। ২০১০-১১ বৰ্ষত মুঠ অনুপলব্ধ কৃষিভূমিৰ পৰিমাণ হ'ল ২৬.২৬ লাখ হেক্টৰ আৰু ইয়াৰ ১২.১৭ লাখ হেক্টৰ অনাকৃষি ভূমি আৰু ১৪.০৮ লাখ হেক্টৰ পৰি থকা আৰু খেতি নকৰা মাটি। কৃষিৰ বাবে অনুপলব্ধ ভূমিৰ পৰিমাণ বৃদ্ধি হোৱাৰ কাৰকবোৰৰ ভিতৰত কৃষিভূমিত উদ্যোগ, কল-কাৰখানা, বসতিস্থাপন আদিয়ে প্ৰধান। খেতি নকৰা অন্য ভূমিৰ পৰিমাণো ১৯৬৮ বৰ্ষৰ তুলনাত যথেষ্ট পৰিমাণে হ্ৰাস হৈ অহা পৰিলক্ষিত হৈছে। ১৯৬৮ বৰ্ষত এই ভূমিৰ পৰিমাণ ৬.৪৫ লাখ হেক্টৰৰপৰা ২০১০-১১ বৰ্ষত ৪.৩২ লাখ হেক্টৰলৈ হ্ৰাস পাইছে। ঠিক তেনেদৰে পতিত ভূমিৰ পৰিমাণো ১৯৬৮ বৰ্ষৰ ৩.০২ লাখ হেক্টৰৰপৰা ২০১০-১১ বৰ্ষত ১.২৮ লাখ হেক্টৰলৈ হ্ৰাস পাইছে।



তালিকা ৪: অসমৰ ভূমিৰ ব্যৱহাৰ (লাখ হেক্টৰত), ১৯৬৮-২০১১

| বৰ্ষ | বননি | কৃষিৰ বাব অনুপলব্ধ ভূমি | | | অন্য খেতি নকৰা ভূমি | | | | পতিত ভূমি | | | প্ৰকৃত কৃষি ভূমি | একাধিক খেতি কৰা ভূমি | মুঠ কৃষি ভূমি |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | | অনাকৃষি ভূমি | পৰিত্যক্ত আৰু খেতি নকৰা মাটি | মুঠ | চাঁইনি আৰু পশুচাৰণ ভূমি | মিশ্ৰিত ভূমি | কৃষিৰ উপযোগী অব্যৱহৃত ভূমি | মুঠ | পতিতভূমি (বৰ্তমানৰ ভূমি বাদ দি) | বৰ্তমান পতিত ভূমি | মুঠ | | | |
| ১৯৬৮ | ২০.৮০ | তথ্যাভাৱ | তথ্যাভাৱ | ২৫.৬৯ | তথ্যাভাৱ | তথ্যাভাৱ | তথ্যাভাৱ | ৬.৪৫ | তথ্যাভাৱ | তথ্যাভাৱ | ৩.০২ | ২২.০৯ | ৫.১৮ | ২৭.২৮ |
| ১৯৭৬ | ১৯.৬৪ | তথ্যাভাৱ | তথ্যাভাৱ | ২৪.১৩ | তথ্যাভাৱ | তথ্যাভাৱ | তথ্যাভাৱ | ৫.৬৪ | তথ্যাভাৱ | তথ্যাভাৱ | ২.৩১ | ২৬.৮০ | ৬.৩১ | ৩৩.১১ |
| ১৯৫১ | ১৯.৮৪ | তথ্যাভাৱ | তথ্যাভাৱ | ২৪.৫৫ | তথ্যাভাৱ | তথ্যাভাৱ | তথ্যাভাৱ | ৫.৪৭ | তথ্যাভাৱ | তথ্যাভাৱ | ১.৭২ | ২৭.০৫ | ৭.৫৫ | ৩৪.৬০ |
| ১৯৯৮ | ১৯.৩০ | তথ্যাভাৱ | তথ্যাভাৱ | ২৫.১০ | তথ্যাভাৱ | তথ্যাভাৱ | তথ্যাভাৱ | ৪.৮১ | তথ্যাভাৱ | তথ্যাভাৱ | ২.২৫ | ২৭.০১ | | ৩৯.৩৮ |
| ২০০৩ | ১৯.৫৪ | ১০.৮০ | ১৪.৫২ | ২৫.৩৩ | ১৫৯৯৬৮ | ২.০৯ | ০.৭৭ | ৪.৪৫ | ০.৫৯ | ১.২৬ | ১.৮৬ | ২৭.৫২ | | ৩৯.৫৬ |
| ২০১০-১১ | ১৮.৫৩ | ১২.১৭ | ১৪.০৮ | ২৬.২৫ | ১৫৯৯৬৮ | ১.৯৬ | ০.৭৭ | ৪.৩২ | ০.৪৯ | ০.৭৮ | ১.২৮ | ২৮.১০ | | ৪১.৫৯ |

উৎস: DES, Govt. of Assam

২০১০-১১ বৰ্ষত জৰীপমতে অসমৰ প্ৰকৃত কৃষিভূমি হ'ল ২৮.১১ লাখ হেক্টৰ, যিয়ে ৰাজ্যখনৰ মুঠ মাটিকালিৰ ৪৪ শতাংশ অধিকাৰ কৰি আছে আৰু মুঠ কৃষিভূমি হ'ল ৪১.৬০ লাখ হেক্টৰ। অৱশ্যে প্ৰকৃত কৃষিভূমি আৰু মুঠ কৃষিভূমিৰ পৰিমাণ ষাঠিৰ দশকৰপৰা ক্ৰমান্বয়ে বৃদ্ধি হৈ আহিছে।

২০১০-১১ বৰ্ষৰ কৃষি জৰীপমতে অসমৰ ব্যৱহৃত ভূমি গোটৰ সংখ্যা হ'ল ২৭.২ লাখ, যিয়ে ২৯.৯৯ লাখ হেক্টৰ ভূমি আবৰি আছে। তদুপৰি ৰাজ্যখনৰ মুঠ কৃষিগোটৰ ৬৭.৩ শতাংশ আৰু মুঠ কৰ্ষিত ভূমি (operated area)ৰ ২৫.৮ শতাংশ হ'ল উপান্ত কৃষিগোট (marginal holding)ৰ অন্তৰ্গত, যাৰ আকাৰ এক হেক্টৰতকৈও কম। আনহাতে ১০ হেক্টৰতকৈ অধিক আকাৰৰ মাটিয়ে মুঠ গোটৰ মাত্ৰ ০.১৫ শতাংশ আৰু মুঠ কৰ্ষিত ভূমিৰ মাত্ৰ ৯.১ শতাংশহে অধিকাৰ কৰিছে (তালিকা ৫)।

তালিকা ৫: কৃষিভূমিৰ আয়তনৰ শ্ৰেণী অনুসৰি
ভূমিগোটৰ সংখ্যা আৰু ভূমিৰ পৰিমাণ

| শ্ৰেণী (হেক্টৰত) | ভূমিগোটৰ সংখ্যা (হাজাৰত) | | | ব্যৱহৃত ভূমিৰ পৰিমাণ (হাজাৰ হেক্টৰত) | | |
|---|---|---|---|---|---|---|
| | ২০০০-০১ | ২০০৫-০৬ | ২০১০-১১ | ২০০১-০১ | ২০০৫-০৬ | ২০১০-১১ |
| উপান্ত (<১.০) | ১৬৬৯৯.১১ (৬২.৬৫) | ১৭৫২.৯৪ (৬৩.৭৪) | ১৮৩১.১১ (৬৭.৩১) | ৬৬২.৭৮ (২১.২৯) | ৭০.১৪ (২৪.৯৩) | ৭৭৪.৮০ (২৫.৮৩) |
| ক্ষুদ্ৰ (১.০-২.০) | ৬৫১.০৪ (২০.৬৮) | ৫৯১.৪৬ (২১.৫১) | ৪৯৬.৫৭ (১৮.২৫) | ৭৩০.৫১ (২৩.৪৬) | ৭১৮.৩৮ (২৩.৫৬) | ৬৮৭.১৬ (২২.৯১) |
| নিম্ন-মধ্যম (২.০-৪.০) | ৩৫১.৫২ (১২.৯৬) | ৮২.৯৩ (১১.৫৬) | ৩০৩.৫৩ (১১.১৬) | ৯৫৭.৯৬ (৩০.৭৭) | ৮৪৬.০০ (২৭.৭৫) | ৮১৭.১০ (২৭.২৭) |
| মধ্যম (৪.০-১০.০) | ৯৫.৫০ (৩.৫২) | ৮২.৯৩ (৩.০২) | ৮৪.৮৭ (৩.১২) | ৪৯৮.৭৯ (১৬.২) | ৪২৫.৪০ (১৩.৯৫) | ৪৩৭.৩৭ (১৪.৫৮) |
| বৃহৎ (১০ হেক্টৰ বা ততোধিক) | ৪.৯৭ (০.১৮) | ৪.৯০ (০.১৮) | ৪.১৪ (০.১৫) | ২৬৩.৫৩ (৮.৬৮) | ২৯৮.৬১ (৯.৭৯) | ২৭১.৭৬ (৯.০৬) |
| সৰ্বমুঠ | ২৭১২.১৩ | ২৭৫০.১১ | ২৭২০.২২ | ৩১১৩.৫৮ | ৩০৪৮.৫৪ | ২৯৯৯.০৭ |

উৎস: বিত্ত আৰু পৰিসংখ্যা সঞ্চালকালয়, অসম

১৯৭০-৭১ বৰ্ষৰপৰা বৰ্তমান সময়লৈকে কৃষিগোটৰ সংখ্যা যথেষ্ট পৰিমাণে বৃদ্ধি হৈ আহিছে যদিও সেই অনুপাতে ব্যৱহৃত ভূমিৰ পৰিমাণ বৃদ্ধি হোৱা নাই। কৃষিগোটৰ গড় আয়তন বিগত কৃষিবৰ্ষসমূহৰ তুলনাত যথেষ্ট পৰিমাণে সৰু হৈ আহিছে। ১৯৭০-৭১ বৰ্ষত কৃষিগোটৰ গড় আয়তন ১.৪৭ হেক্টৰৰ বিপৰীতে ২০১০-১১ বৰ্ষত ১.১০ হেক্টৰলৈ সঙ্কুচিত হৈছে (তালিকা ৬)।

উল্লেখযোগ্য যে বংশানুক্ৰমে ভাগ-বাটোৱাৰা কৰি অহাৰ ফলত কৃষিভূমিৰ আকাৰ ক্ৰমান্বয়ে সৰু হৈ অহাৰ লগতে সিঁচৰতি হৈয়ো পৰিছে। সিঁচৰতি হৈ থকা



তালিকা ৬ : কৃষিভূমিগোট আৰু ব্যৱহৃত কৃষিভূমিৰ পৰিমাণ

| কৃষি জৰিপ বৰ্ষ | ভূমিগোটৰ সংখ্যা (লাখত) | ব্যৱহৃত কৃষিভূমি পৰিমাণ (লাখ হেক্টৰত) | ভূমিগোটৰ গড় আয়তন (হেক্টৰ) |
|---|---|---|---|
| ১৯৭০-৯১ | ১৯.৬৪ | ২৮.৮২ | ১.৪৭ |
| ১৯৭৬-৭৭ | ২২.৫৩ | ৩০.৭৯ | ১.৩৭ |
| ১৯৮০-৮১ | ২২.৯৭ | ৩১.২১ | ১.৩৬ |
| ১৯৮৫-৮৬ | ২৪.১৯ | ৩১.৬১ | ১.৩১ |
| ১৯৯০-৯১ | ২৫.২৩ | ৩২.০৫ | ১.২৭ |
| ১৯৯৫-৯৬ | ২৬.৮২ | ৩১.৩৮ | ১.১৭ |
| ২০০০-০১ | ২৭.১২ | ৩১.১৪ | ১.১৫ |
| ২০০৫-০৬ | ২৭.৫০ | ৩০.৮৯ | ১.১১ |
| ২০১০-১১ | ২৭.২০ | ২৯.৯৯ | ১.১০ |

উৎস: DES, Govt. of Assam

ক্ষুদ্ৰাকাৰ কৃষিভূমিৰ সংখ্যাধিক্যৰ ফলত ৰাজ্যখনৰ খেতিয়কসকলে আধুনিক পদ্ধতিত কৃষিকাৰ্য সম্পাদন কৰাত আৰু শস্যক্ষেত্ৰ তদাৰক কৰাত অসুবিধা পায়। বহু সময়ত এনে কৃষিভূমিত আয়তকৈ খৰচৰ মাত্ৰাও বেছি হয়। এনেবোৰ কাৰকৰ ফলত কৃষকসকলৰ মাজত কৃষিকাৰ্যৰ প্ৰতি অনীহা আহি পৰিছে।

বৰ্তমান সময়ত দ্বিতীয়ক আৰু তৃতীয়ক বৃত্তিৰ পিনে নতুন প্ৰজন্মই ঢাল খোৱাৰ ফলত কৃষিকাৰ্যত জড়িত মানুহৰ সংখ্যা দ্ৰুত গতিত হ্ৰাস পাব লাগিছে। ইয়াৰ ফলত বহু ঠাইত কৃষিভূমি ছন পৰিবলগীয়া অৱস্থা নাইবা পৰিত্যক্ত হ'বলৈ ধৰিছে। বহুলোকে কৃষিকাৰ্য চলাবলৈ সময় উলিয়াব নোৱাৰি কৃষিভূমিত কৃষিকাৰ্যৰ পৰিবৰ্তে কাঠজাতীয় গছ-গছনি ৰোপণ কৰি নাইবা খাল-পুখুৰী খান্দি কৃষিভূমিৰ পৰিবৰ্তন সাধন কৰিছে। উজনি অসমৰ কিছুমান অঞ্চলত ওখ ধানতলী আৰু বাৰী-বস্তি ক্ষুদ্ৰ চাহখেতিৰ বাবে ব্যৱহাৰ কৰা দেখা গৈছে। বৰ্তমান সময়ত কৃষকৰ সংখ্যা দ্ৰুতগতিত হ্ৰাস হৈ অহাৰ লগতে অভিজ্ঞ কৃষকসকলৰ বয়স বাঢ়ি অহাৰ ফলত আৰু নৱপ্ৰজন্মৰ মাজত কৃষিৰ প্ৰতি অনীহাৰ সৃষ্টি হোৱাত ৰাজ্যখনৰ বহু ঠাইত কৃষিকাৰ্য কোনোমতে বৰ্তি থকা বুলি ক'লেও বঢ়াই কোৱা নহ'ব। তদুপৰি আগৰ দিনত ৰাজ্যখনৰ কৃষিভূমিক গোটেই বছৰ জুৰি বিভিন্ন শস্যৰ খেতিৰ বাবে যিধৰণে ব্যাপকভাৱে ব্যৱহাৰ কৰা হৈছিল আজি-কালি সেই ধৰণৰ গহন খেতিৰ প্ৰচলন ৰাজ্যখনৰ বেছিভাগ ঠাইতে দেখিবলৈ পোৱা নাযায়। অৱশ্যে কৃষিভূমিক চৰাঞ্চলৰ খেতিয়কসকলে এতিয়াও ব্যাপকভাৱে গোটেই বছৰ জুৰি ব্যৱহাৰ কৰে। সেয়ে ৰাজ্যখনৰ ঘনবসতিপূৰ্ণ প্লাৱনভূমি আৰু সক্ৰিয় প্লাৱনভূমিৰ অন্তৰ্গত কৃষিভূমিৰ ব্যৱহাৰৰ ক্ষেত্ৰত কিছু পাৰ্থক্য দেখা যায়। ইয়াৰ উপৰি বসতিপূৰ্ণ প্লাৱনভূমিৰ যিবোৰ অংশ নগৰাঞ্চলৰপৰা কিছু দূৰৈত অৱস্থিত, সেইবোৰ অঞ্চলৰ কৃষিভূমি এতিয়াও ব্যাপকভাৱে বিভিন্ন শস্যৰ খেতিৰ বাবে ব্যৱহাৰ কৰা দেখা যায়। চহৰ-নগৰৰ পাৰ্শ্বৱৰ্তী কৃষিভূমিসমূহ কৃষিকাৰ্যৰ পৰিবৰ্তে অন্যান্য উদ্দেশ্যত,

বিশেষকৈ উদ্যোগ, কল-কাৰখানা, হোটেল-ৰেষ্টুৰেন্ট, আবাসভূমি গঢ়া আদি কামত ব্যৱহৃত হ'বলৈ ধৰিছে।

অতি পৰিতাপৰ কথা এই যে ৰাজ্যখনৰ খেতিয়কসকলক ধনৰ লোভ দেখুৱাই কিছুমান ভূ-মাফিয়া তথা ব্যৱসায়ীয়ে তেওঁলোকৰ কৃষিভূমি ক্ৰয় কৰি পিছত সেইবোৰ অন্য লাভজনক কামত ব্যৱহাৰ কৰিবলৈ লৈছে। বহু নিচলা খেতিয়কক তেওঁলোকৰ খেতিমাটিৰ বাস্তাৰ ওচৰৰ সন্মুখভাগ কিনি লৈ কৃষিভূমিলৈ অহা-যোৱা কৰা বাট বন্ধ কৰি দি পৰৱৰ্তী সময়ত তেওঁলোকক গোটেই খেতিমাটি বিক্ৰী কৰিবলৈ বাধ্য কৰোৱা হৈছে। আনকি বহুক্ষেত্ৰত পুঁজিপতিগোষ্ঠীয়ে খেতিয়কৰ ল'ৰা-ছোৱালীক কল-কাৰখানাত সংস্থাপনৰ সুবিধা দিয়াৰ প্ৰতিশ্ৰুতি দিয়ো তেওঁলোকৰ কৃষিভূমি অতি কম দামত অধিগ্ৰহণ কৰিছে। এনেদৰে ৰাজ্যখনৰ কৃষিভূমি বৰ্তমান সময়ত ব্যাপক মাত্ৰাত ভূ-মাফিয়াৰ হাতলৈ হস্তান্তৰ হ'বলৈ ধৰিছে। কৃষিভূমি অন্য কামত ব্যৱহাৰ কৰিব নোৱাৰাৰ আইন থকাৰ পিছতো চৰকাৰী বিষয়া-কৰ্মচাৰীক ভূ-মাফিয়াই পাৰিতোষিক/উপঢৌকন দি ৰাজ্যখনৰ বহু কৃষিভূমি ইতিমধ্যে অন্যান্য কামত ব্যৱহাৰ কৰিছে।

## কৃষিৰ আধুনিকীকৰণ

অসমৰ প্ৰায়ভাগ কৃষিভূমিয়েই প্ৰাকৃতিকভাৱে উৰ্বৰা। ব্ৰহ্মপুত্ৰ আৰু বৰাক আৰু ইয়াৰ বিভিন্ন উপনদীয়ে বাৰিষা কালত বানপানীৰ সৃষ্টি কৰি শস্যক্ষেত্ৰত পলস পেলাই মাটি উৰ্বৰা কৰে। ৰাজ্যখনৰ প্ৰায়ভাগ কৃষিজীৱী মানুহৰ পোহনীয়া গৰু-ছাগলি থকা বাবে খেতিয়কসকলে সেইবোৰৰ গোবৰ সাৰ হিচাপে পথাৰত প্ৰয়োগ কৰে। কিন্তু বিংশ শতাব্দীৰ আশীৰ দশক মানৰপৰা খেতিয়কসকলে উন্নতজাতৰ শস্যৰ খেতি কৰিবলৈ লৈ ৰাসায়নিক সাৰ ব্যৱহাৰ কৰি আহিছে। অৱশ্যে ৰাজ্যৰ কৃষিপথাৰত ব্যৱহাৰ কৰা ৰাসায়নিক সাৰৰ পৰিমাণ ৰাষ্ট্ৰীয় পৰ্যায়তকৈ এতিয়াও যথেষ্ট কম। ৰাসায়নিক সাৰৰ প্ৰয়োগ বাৰিষা কালৰ খেতিতকৈ খৰালি কালৰ শস্যত অধিক মাত্ৰাত কৰা দেখা যায়। ২০০১-০২ বৰ্ষত প্ৰতি হেক্টৰ ভূমিত ৪০.৭০ কিলোগ্ৰাম ৰাসায়নিক সাৰ প্ৰয়োগ কৰাৰ বিপৰীতে ২০১১-১২ বৰ্ষত প্ৰতি হেক্টৰ কৃষিভূমিত সাৰৰ প্ৰয়োগ ৭৪.৫৮ কিলোগ্ৰামলৈ বৃদ্ধি পাইছে (তালিকা ৭)।

বিৰূপ প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি অসমৰ কৃষিবিভাগে জৈৱিক কৃষিকাৰ্যৰ প্ৰতি খেতিয়কসকলক উদগনি যোগাইছে যদিও ইয়াৰ ব্যৱহাৰ এতিয়াও চকুত লগা ধৰণৰ হৈ উঠা নাই। ২০১১-১২ বৰ্ষত ৰাজ্যৰ কৃষি বিভাগৰ তত্ত্বাৱধানত ১৭৫ মেট্ৰিক টন জৈৱ সাৰ অসমৰ কৃষিভূমিত ব্যৱহৃত হৈছে।

ৰাসায়নিক সাৰৰ দৰে কীটনাশক দৰৱৰ ব্যৱহাৰো অসমৰ কৃষিভূমিত ৰাষ্ট্ৰীয় পৰ্যায়তকৈ কম। ২০১১-১২ বৰ্ষত ১৬০ মেট্ৰিক টন ৰাসায়নিক কীটনাশক দৰৱ (প্ৰতি হেক্টৰত ৩৯.৮০ গ্ৰাম) প্ৰয়োগ কৰাৰ বিপৰীতে প্ৰায় ৯০ মেট্ৰিক টন



তালিকা ৭: সাৰৰ ব্যৱহাৰ, ১৯৬৬-২০১২

| বৰ্ষ | সাৰৰ প্ৰয়োগ (মেট্ৰিক টনত) | | | | প্ৰতি হেক্টৰত প্ৰয়োগ কিলোগ্ৰাম |
|---|---|---|---|---|---|
| | নাইট্ৰ'জেন | ফছফৰাছ | পটাছ | মুঠ | |
| ১৯৬৬-৬৭ | ১৬১২ | ২৫০০ | ৯৯১ | ৫১০৩ | ১.৫০ |
| ১৯৭১-৭২ | ৪৯০০ | ২০৫০ | ১২০০ | ৮১৫০ | ২.৪০ |
| ১৯৭৬-৭৭ | ২৫৭১ | ২৮৬ | ২৭২ | ৩৪২৯ | ১.২০ |
| ১৯৮১-৮২ | ৮০২৩ | ১১৯৬ | ১৫৮৬ | ১০৮০৫ | ৩.৩০ |
| ১৯৮৬-৮৭ | ৮৭২৪ | ৩১৬১ | ৪৯১৪ | ১৬৭৯৯ | ৪.৯০ |
| ১৯৯১-৯২ | ১৯২৯৫ | ৭৮৪৩ | ৮৩৮৩ | ৩৫৫২১ | ১০.৪০ |
| ১৯৯৬-৯৭ | ৩২১৫৭ | ৫৮৩৯ | ১৭৮১৫ | ৫৫৮১১ | ১৪.২০ |
| ২০০১-০২ | ৭৫৫৮০ | ৫১৬২৫ | ৩৫৭৪১ | ১৫২৯৪৬ | ৪০.৭০ |
| ২০০৬-০৭ | ১০২৬১০ | ৫১০৭৭ | ৪৯৯৯০ | ২০৩৬৭৭ | ৫২.২৭ |
| ২০১১-১২ | ১৫১০৫৫ | ৪৯০৮৪ | ২৫৫২৭ | ২৭৫৬৬৬ | ৭৪.৫৮ |

উৎস: অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়, অসম চৰকাৰ

পৰিমাণৰ জৈৱিক কীটনাশক ব্যৱহাৰ কৰা হৈছে (তালিকা ৮)।

অসমৰ কৃষিবিভাগে ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ আঁচনিৰ অধীনত ২০১১-১২ বৰ্ষত খেতিয়কসকলক যোগান ধৰা ট্ৰেক্টৰ, পাৱাৰ টিলাৰ, থ্ৰেছাৰ, ৰ'টাভেটৰ, ৰীপাৰ আৰু ক্ষুদ্ৰ যন্ত্ৰচালিত সঁজুলিৰ সংখ্যা হ'ল ক্ৰমে ৬১৪২, ২৩৬২৭, ৪৩, ৪৪৬, ২০ আৰু ৯৯৮৮৪। অৱশ্যে ৰাজ্যখনৰ কৃষকৰ সংখ্যাৰ তুলনাত এই সংখ্যা অতি নগণ্য। তদুপৰি চৰকাৰী আঁচনিৰ মেৰপাক আৰু দুৰ্নীতিৰ ফলত এতিয়াও বহুতো প্ৰকৃত কৃষক চৰকাৰে যোগান ধৰা কৃষি সা-সঁজুলিৰপৰা বঞ্চিত হৈ আছে।

তালিকা ৮: কীটনাশক দৰৱৰ ব্যৱহাৰ, ২০০৬-২০১২

| কীটনাশক | ২০০৬-০৭ | ২০০৭-০৮ | ২০০৮-০৯ | ২০০৯-১০ | ২০১০-১১ | ২০১১-১২ |
|---|---|---|---|---|---|---|
| ৰাসায়নিক কীটনাশক (মেট্ৰিক টনত) | ১৬৫ | ১৫৮ | ১৫০ | ১৪৩ | ১৫০ | ১৬০ |
| প্ৰতি হেক্টৰত প্ৰয়োগ (gmai) | ৪১.২৫ | ৩৯.৫০ | ৩৭.৫০ | ৩৪.৭৫ | ৩৭.৫০ | ৩৯.৪০ |
| জৈৱিক কীটনাশক) মেট্ৰিক টনত) | - | ৬.৭ | - | ১৯.০০ | ২৪.০০ | ৯০.০০ আনুমানিক |

উৎস: কৃষি সঞ্চালকালয়, অসম চৰকাৰ

অসমৰ খেতিয়কসকলে কৃষিকাৰ্যৰ বাবে এতিয়াও মৌচুমী ঋতুৰ বৰষুণৰ ওপৰতে নিৰ্ভৰশীল হৈ থাকিবলগীয়া হয়। পৰ্যাপ্ত জলসিঞ্চনৰ অভাৱত খৰালি ৰাজ্যখনৰ কৃষিভূমিৰ এক বৃহৎ অংশ ছন পৰি থাকে। ইয়াৰ উপৰি জলসিঞ্চিত কৃষিভূমিৰ পৰিমাণো ৰাজ্যখনৰ সকলো জিলাতে একে নহয় (তালিকা ৯)।

জলসিঞ্চিত কৃষিভূমিৰ পৰিমাণ নগাঁও জিলাত সৰ্বাধিক হোৱাৰ বিপৰীতে

তালিকা ৯: জিলাভিত্তিত জলসিঞ্চিত কৃষিভূমিৰ পৰিমাণ (হেক্টৰ হিচাপত)

| ৰাজ্য / চন | ১৯৮০ | ১৯৮৫ | ১৯৯০ | ১৯৯৫ | ২০০০ | ২০০৫ | ২০০৭ |
|---|---|---|---|---|---|---|---|
| ক'কৰাজাৰ | ৫৪৫৫.০২ | ১৫৮৬১.৫৫ | ১২৩২৯ | ৫০২৬৮ | ৩৯৪৫ | ৩৪৬০ | ৯৩০০ |
| বঙাইগাঁও | ০ | ০ | ২০৯ | ১৭৯১.১৮ | ১৯৬৪.৮৭ | ২২০০ | ২৮২০ |
| গোৱালপাৰা | ১৫৮৪.৪৩ | ৫৩২১.৭৬ | ৭৭৮৩ | ১৪৫১.৪৪ | ৬২৩.৫ | ৫৮০ | ১৬০০ |
| ধুবুৰী | ১০৭১.৯৯ | ৩৩৫১.০১ | ৪৬৪২ | ৮৭৮.৭৩ | ১২৫৯.৭৯ | ২৫০ | ৪২০ |
| বৰপেটা | ৬৯৮৪.৯৯ | ১৮২৭৭.৬৫ | ১৬৮৫৬ | ৮০৩৯.২৮ | ৫৮৪৫.৪৫ | ৩২১০ | ৮৫৪০ |
| নলবাৰী | ৩৪৯৪.৭১ | ৫৭১০.৬৩ | ৯০২৯ | ১৭৯৪.৬৫ | ২৭৯১.০৩ | ৫৫০ | ১০১০ |
| কামৰূপ | ১৫৪৬২.৫৯ | ২০৪৮৮.০৬ | ২৪৬৭২ | ১৪৮৬৫.১৭ | ১৫৭৬৪ | ৩১৩০ | ২৬৮০ |
| মৰিগাঁও | ৩৪৬৭৮.২ | ৪৪৫৩০.৯৫ | ৬২২৯৯ | ১৬২৯৪.৬৭ | ২৭৩০৯ | ১৮২১০ | ১৮৩৮০ |
| নগাঁও | ০ | ০ | ৩০৭৩ | ৪১০৩.২৬ | ২৫৪২ | ১০১০ | ৫০০ |
| দৰং | ১৮৫১৯ | ২২২২৩ | ১৮১৭০ | ১২৪৬৮ | ১৮৬৫২ | ১০৫৫০ | ১৫৭১০ |
| শোণিতপুৰ | ১৬৭৯৭.২৬ | ২৬৪১৪.৭২ | ৩১২৩৯ | ১৪৯২১.৮৭ | ১৭৪৮০.৫ | ২৮৩০ | ৩৫৫০ |
| লখিমপুৰ | ২০৭.৪৭ | ১৮২৮.৩৩ | ১৯৪৮ | ২৩.৫ | ৯ | ০ | ৮৭০ |
| ধেমাজি | ০ | ০ | ২০৩ | ২৩৬.২৭ | ১৮৯.৬ | ০ | ০ |
| গোলাঘাট | ১৮৯৮.৮৭ | ৬৯১৬.২ | ৯৭২৪ | ১৫৬৮ | ৫২৯ | ২২০ | ৮০ |
| যোৰহাট | ০ | ০ | ৪৬৯৭ | ৬৭৫.৬২ | ১৫১.৫ | ৫০ | ৩২০ |
| শিৱসাগৰ | ৭২২.০৫ | ৫৭৬২ | ৪৩৯৭ | ১১১৫.৯ | ১৮৪ | ৩০ | ১২০ |
| ডিব্ৰুগড় | ৫৬৮.৩ | ৩৯২৯.৫ | ১৬৫০ | ৪০.৫ | ৫০৮ | ৫০ | ১০০ |
| তিনিচুকীয়া | ০ | ০ | ১৯৯ | ৫১৯.৪৫ | ৪২২.৫ | ৭০ | ১২০ |
| কাছাৰ | ৩৪৯.২৬ | ৩৪৭৩.৫২ | ২১০৩ | ৪৯৫.২৯ | ৭৭ | ৩০ | ১৩০ |
| হাইলাকান্দি | ০ | ০ | ৬৯৬ | ১৬০.৩৭ | ১১৮.০৭ | ০ | ০ |
| কৰিমগঞ্জ | ৩৫.৩৪ | ১০৯৭.৪ | ২২৬৭ | ১৪৪.৭১ | ৪৮ | ০ | ০ |
| কাৰ্বি আংলং | ৭৫৭৮ | ১৪১৪১.৬ | ১৬৯৪১ | ১৫২৫৪.৫ | ১০০৫৮ | ১৬৩৮০ | ১৮৫৬০ |
| ডিমা হাছাও | ৩১৫৬ | ৩৬৭৩ | ৪০৪৭ | ৪২০৯ | ৪২৬০ | ৪২৩০ | ৪১২০ |
| অসম | ১১৮৫৬২.৫ | ২০৩০১০.৯ | ২৩৯১৯৩ | ১১৩০৮৮.২ | ১১৪৭৩১.৮ | ৬৭১৪০ | ৮৯০৪০ |

উৎস: অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়, অসম চৰকাৰ

কৰিমগঞ্জ জিলাত সৰ্বনিম্ন। ২০১১-১২ বৰ্ষত জলসিঞ্চিত খাৰিফ শস্যৰ কৃষিভূমিৰ পৰিমাণ আছিল ১.৩৩ লাখ হেক্টৰ আৰু ৰবিশস্যৰ কৃষিভূমিৰ পৰিমাণ আছিল ০.২৫ লাখ হেক্টৰ। জলসিঞ্চিত মুঠ কৃষিভূমিৰ পৰিমাণ আছিল ১.৫৮ লাখ হেক্টৰ, অৰ্থাৎ মুঠ কৃষিভূমিৰ মাত্ৰ ৩.৮০ শতাংশ। গতিকে দেখা যায় যে ৰাজ্যখনৰ মুঠ কৃষিভূমিৰ এক বিৰাট অংশ জলসিঞ্চনৰপৰা বঞ্চিত হৈ আছে। তদুপৰি ৰাজ্যখনৰ কৃষি যিহেতু মৌচুমী জলবায়ুৰ ওপৰত নিৰ্ভৰশীল সেয়ে বাৰিষা খৰাং অৱস্থাৰ সৃষ্টি হ'লে খেতিয়কসকলৰ মাজত হাহাকাৰৰ সৃষ্টি হয়। ১৯৬৫, ১৯৭০, ২০০৬ আৰু ২০১১ চনত হোৱা খৰাঙৰ ফলত ৰাজ্যখনৰ খেতিয়কসকলৰ পানীত হাঁহ নচৰা অৱস্থা হৈছিল। অসম এখন নদীমাতৃক ৰাজ্য। ৰাজ্যখনৰ নৈ-



উপনৈবোৰত জলসিঞ্চনৰ সম্ভাৱনীয়তা থকা সত্ত্বেও লাখ লাখ হেক্টৰ কৃষিভূমি জলসিঞ্চনৰপৰা বঞ্চিত হ'বলগীয়া হোৱাটো অতি পৰিতাপৰ কথা।

## কৃষি আঁচনি

অসম চৰকাৰে ৰাজ্যখনৰ কৃষিৰ উন্নয়ন সাধনৰ কাৰণে কিছু পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যৰ ক্ষুদ্ৰ খেতিয়কসকলক উন্নত জাতৰ শস্য আৰু কিছু আধুনিক সা-সঁজুলি, যেনে— ট্ৰেক্টৰ, পাৱাৰ টিলাৰ, মৰণামৰা যন্ত্ৰ, বন-নিৰোৱা যন্ত্ৰ, সাৰ-কীটনাশক দৰৱ প্ৰয়োগ কৰা স্পে্ৰ-মেচিন, জলসিঞ্চনৰ বাবে দমকল, পাম্প আদি যোগান ধৰি আহিছে যদিও সেয়া পৰ্যাপ্ত নহয়।

কেন্দ্ৰীয় চৰকাৰৰদ্বাৰা অনুমোদিত আঁচনি Bring Green Revolution to Eastern India নামৰ আঁচনিখন ধানৰ উৎপাদন আৰু উৎপাদিকা বৃদ্ধিৰ অৰ্থে ২০১০-১১ বৰ্ষৰপৰা কাৰ্যকৰী হৈ আছে। ঠিক তেনেদৰে Mission Double Cropping আঁচনিৰ অধীনত ৰাজ্যখনৰ পাঁচ লাখ হেক্টৰ কৃষিভূমি সামৰি লোৱা হৈছে। শস্যৰ বীজৰ মান বৃদ্ধি আৰু খেতিয়কসকলৰ মাজত সেই বীজ সহজলভ্য কৰি তোলাৰ অৰ্থে অসম চৰকাৰে Assam Seed Certification Agencyৰ ওপৰত দায়িত্ব অৰ্পণ কৰিছে। ইয়াৰ উপৰি অসম চৰকাৰৰ কৃষি বিভাগে ৰাজ্যৰ খেতিয়কসকলক উৎপাদিত শস্য সংৰক্ষণ আৰু বিক্ৰীৰ সুবিধাৰ্থে পাঁচটা নতুন আঁচনি, যেনে— মুখ্যমন্ত্ৰীৰ গ্ৰামীণ ভঁড়াল যোজনা, মুখ্যমন্ত্ৰীৰ বিশেষ বজাৰ আঁচনি, মুখ্যমন্ত্ৰীৰ শুৱনি গাঁও আঁচনি, মুখ্যমন্ত্ৰীৰ নগৰমুখী উৎপাদন প্ৰচাৰ আঁচনি আৰু মুখ্যমন্ত্ৰীৰ উদয়ন প্ৰচাৰ আঁচনি গ্ৰহণ কৰিছে। শাক-পাচলিৰ উৎপাদন বৃদ্ধিৰ অৰ্থে Vegetable Initiative for Urban Clusters নামৰ এক বিশেষ আঁচনি গ্ৰহণ কৰিছে।

কিন্তু পৰিতাপৰ কথা যে কৃষি আৰু কৃষিৰ উন্নয়নৰ কাৰণে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা এই আঁচনিসমূহ বিভিন্ন ধৰণৰ চৰকাৰী মেৰপাক আৰু কেলেংকাৰিৰ ফলত ৰাজ্যখনৰ সকলো খেতিয়কে সমভাৱে সেইবোৰৰ সুফল লাভ কৰা নাই। বহুক্ষেত্ৰত এই আঁচনিসমূহ চৰকাৰী চমক সৃষ্টিৰ লক্ষ্যেৰে যুগুত কৰা হয়। তদুপৰি কৃষকৰ মৌলিক সমস্যাসমূহ সঠিকভাৱে অধ্যয়ন নকৰাকৈ যুগুত কৰা আৰু উপকৰণকৈ জাপি দিয়া ধৰণৰ আঁচনিবোৰ বহু সময়ত বুমেৰাং হৈ পৰে। অসমৰ কৃষি-জলবায়ু অঞ্চলবোৰৰ কৃষিৰ সমস্যা আৰু সম্ভাৱনীয়তাৰ মাজত কিছু পাৰ্থক্য আছে। ৰাজ্যখনৰ সকলো কৃষকৰে সমস্যাসমূহৰ মাজত কিছু উমৈহতীয়া সাদৃশ্য আছে যদিও অঞ্চলভেদে সেইবোৰৰ কিছু তাৰতম্যও দেখা যায়। সেয়ে অঞ্চলভেদে থকা কৃষকৰ আৰু কৃষিৰ সমস্যাসমূহ সঠিক ৰূপত গৱেষণা কৰি প্ৰকৃত কাৰকসমূহ চিনাক্ত কৰি সেইবোৰৰ সমাধানৰ বাবে বিজ্ঞানসন্মতভাৱে আৰু আন্তৰিকতাৰে কৃষি আঁচনিসমূহ প্ৰয়োগ কৰিলেহে কৃষকসকল উপকৃত হ'ব।

## কেইবিধমান শস্যৰ উৎপাদন আৰু উৎপাদিকা

জনসংখ্যাবৃদ্ধিৰ সমানুপাতে খাদ্যশস্যৰ চাহিদা বৃদ্ধি হোৱাৰ বাবে মানুহে ন ন কৃষিভূমি মোকলাই ল'বলগীয়া হৈছে। বিল-খাল, পাহাৰৰ নামনি, নৈকাষৰীয়া অঞ্চল, চৰ-চাপৰি আদি প্ৰাকৃতিকভাৱে স্পৰ্শকাতৰ এলেকাবোৰত ৰাজ্যখনৰ খেতিয়কসকলে নতুন নতুন কৃষিভূমি উলিয়াই লৈছে, যাৰ ফলত কিছুমান অত্যাৱশ্যক শস্যৰ খেতিকৰা মাটিৰ বৃদ্ধি হোৱা দেখা গৈছে। আকৌ পৰিৱৰ্তিত সমাজব্যৱস্থাত মানুহৰ খাদ্যাভ্যাস সলনি হোৱাৰ বাবে বা বজাৰত কিছুমান শস্যৰ চাহিদা বা মূল্য কমি অহাৰ ফলত কিছুমান শস্যৰ কৃষিভূমিত উৎপাদন আৰু উৎপাদিকা শক্তিও হ্ৰাস পাইছে (তালিকা ১০)।

অসমৰ শস্যক্ষেত্ৰ ঘাইকৈ ধান, মাহ, সৰিয়হ, মচুৰ, তিল-তিচি, ঘেঁহু, গম, কুঁহিয়াৰ, মৰাপাট আদিৰে সমৃদ্ধ। ভাত অসমীয়া মানুহৰ প্ৰধান আহাৰ হোৱা হেতুকে ৰাজ্যখনৰ খেতিয়কসকলে ধানখেতি ব্যাপকভাৱে কৰে। ধানখেতিয়ে ৰাজ্যখনৰ শস্যক্ষেত্ৰৰ মুঠ মাটিকালিৰ ৬১.৩১ শতাংশ অধিকাৰ কৰিছে। উল্লেখযোগ্য যে ১৯৫১-৫২ চনত ধানখেতিৰ মাটিকালি আছিল ১৫.৫ লাখ হেক্টৰ, যিটো ২০১১-১২ চনত ৬৪.৫২ শতাংশ বৃদ্ধি হৈ ২৫.৫ লাখ হেক্টৰ হৈছে। ঠিক তেনেদৰে ধানখেতিৰ উৎপাদন আৰু উৎপাদিকাও ১৯৫১-৫২ চনৰপৰা ২০১১-১২ চনলৈকে ক্ৰমে ২৪.০৮ শতাংশ আৰু ১২০.৪৭ শতাংশ হাৰত বৃদ্ধি হৈছে। ধানখেতিৰ দৰে ঘেঁহু আৰু মাকৈ খেতিৰ ভূমি, উৎপাদন আৰু উৎপাদিকা শক্তিও বৃদ্ধি হৈছে। আনহাতে মৰাপাট খেতিৰ ক্ষেত্ৰত ভূমিৰ উৎপাদিকা শক্তিও বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে যদিও এই খেতিৰ মাটি ২০০১-০২ চনৰপৰা ক্ৰমান্বয়ে হ্ৰাস পাইছে। মৰাপাট খেতি নামনি আৰু মধ্য অসমৰ পূৰ্ববঙ্গমূলীয় খেতিয়কসকলে যথেষ্ট পৰিমাণে কৰা দেখা যায়। ১৯৫১-৫২ চনত মৰাপাট খেতিৰ ভূমিৰ পৰিমাণ, উৎপাদন আৰু উৎপাদিকা শক্তি আছিল ক্ৰমে ১.২৩ লাখ হেক্টৰ, ৭.৪৩ লাখ মেট্ৰিক টন আৰু প্ৰতি হেক্টৰত ১০৮৪ কিলোগ্ৰাম, যিটো ২০১১-১২ চনত ক্ৰমে ০.৬৬ লাখ হেক্টৰ, ৬.০৮ লাখ মেট্ৰিক টন আৰু প্ৰতি হেক্টৰত ১৬৬৯ কিলোগ্ৰাম হৈছে। মৰাপাটৰ দৰে কুঁহিয়াৰ খেতিৰ ভূমি আৰু উৎপাদন ১৯৫১-৫২ চনৰপৰা ১৯৮৬-৮৭ চনলৈকে বৃদ্ধি হৈছিল যদিও তাৰ পিছৰ কালত এই খেতিৰ ভূমি আৰু উৎপাদন হ্ৰাস পোৱা দেখা গৈছে। ঠিক তেনেদৰে আলু, সৰিয়হ আদি শস্যৰ উৎপাদিকা শক্তি পূৰ্বৰ তুলনাত বৃদ্ধি হৈছে যদিও কৃষিভূমি আৰু উৎপাদনৰ ক্ষেত্ৰত বিভিন্ন সময়ত হ্ৰাস-বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে ১৯৮০ চনৰ পিছৰপৰা ৰাজ্যখনৰ খেতিয়কসকলে উন্নত জাতৰ শস্যৰ বীজ, ৰাসায়নিক সাৰ আৰু কীটনাশক দৰবৰ প্ৰয়োগ লাহে লাহে বৃদ্ধি কৰিবলৈ লোৱাত ধান, মাহ, গম, ঘেঁহু, মৰাপাট, আলু, সৰিয়হ আদি শস্যৰ উৎপাদন আৰু মাটিৰ উৎপাদিকা শক্তি বৃদ্ধি হ'বলৈ ধৰিছে।

তামোল গছৰ মাটিকালি পূৰ্বৰ বৰ্ষৰ তুলনাত বৃদ্ধি হৈছে যদিও ইয়াৰ



১৯২০ চনত জাতীয় কংগ্ৰেছে আৰম্ভ কৰা অসহযোগ আন্দোলনত যোগদান কৰাক লৈ অসমৰ কংগ্ৰেছী নেতাসকলৰ মাজত মতপাৰ্থক্যৰ সৃষ্টি হৈছিল। অসমৰ কংগ্ৰেছীসকলে তেতিয়ালৈকে আসাম এছ'চিয়েচনৰ নামতে কংগ্ৰেছৰ অধিৱেশনসমূহত যোগদান কৰি আহিছিল। ঘনশ্যাম বৰুৱা, চন্দ্ৰধৰ বৰুৱা, গঙ্গাগোবিন্দ ফুকন প্ৰমুখ্যে আসাম এছ'চিয়েচনৰ একাংশ নেতাৰ যুক্তি আছিল -- সৰ্বভাৰতীয় ৰাজনীতিত জড়িত হৈ পৰিলে অসমৰ স্থানীয় সমস্যাসমূহে গুৰুত্ব হেৰুৱাব। নবীনচন্দ্ৰ বৰদলৈ আৰু তৰুণৰাম ফুকনো প্ৰথমাৱস্থাত দ্বিধাগ্ৰস্ততাত আছিল যদিও পাছলৈ তেওঁলোক অসহযোগ আন্দোলনত জড়িত হৈছিল। শিক্ষানুষ্ঠান বৰ্জনক লৈয়ো যথেষ্ট মতপাৰ্থক্যই দেখা দিছিল। কুলধৰ চলিহা, তৰুণৰাম ফুকন, নবীনচন্দ্ৰ বৰদলৈ আদি নেতাই ছাত্ৰসকলে পোনে পোনে শিক্ষানুষ্ঠান বৰ্জন কৰাতকৈ কিছুদিন অপেক্ষা কৰি পৰিস্থিতিৰ ওপৰত নজৰ দিয়াত গুৰুত্ব দিছিল। কিন্তু চন্দ্ৰনাথ শৰ্মা, বিষ্ণুৰাম মেধি, ৰোহিণীকুমাৰ চৌধুৰী আদি ডেকাৰ প্ৰভাৱত অসমৰ শ শ ছাত্ৰই শিক্ষানুষ্ঠান ত্যাগ কৰি আন্দোলনত জঁপিয়াই পৰিছিল। তৰুণৰাম ফুকন, নবীনচন্দ্ৰ বৰদলৈ, গোপীনাথ বৰদলৈ, কুলধৰ চলিহা, কৃষ্ণ শৰ্মা, কামিনীকুমাৰ চন্দ আদিয়ে ওকালতি ত্যাগ কৰিছিল। কাউন্সিলৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰাৰ বাবেও কেইবাজনো নেতাই সিদ্ধান্ত লৈছিল। অসহযোগ আন্দোলনৰ আগলৈকে অসমত কংগ্ৰেছৰ সুকীয়া সংগঠন নাছিল। অসমত কংগ্ৰেছ-কৰ্মী আছিল, উল্লেখযোগ্য নেতাও আছিল, পিছে প্ৰদেশ কংগ্ৰেছহে নাছিল। জাতীয় কংগ্ৰেছৰ প্ৰতিষ্ঠালগ্নৰপৰা কংগ্ৰেছৰ সভা-সমিতিবোৰত অসমৰ কেইবাজনেও যোগদান কৰি আহিছিল। পিছে কংগ্ৰেছৰ অধিৱেশনত যোগদান কৰাটো বহুতৰ বাবেই আছিল ভ্ৰমণবিলাস আৰু আভিজাত্যৰ পৰিচায়ক, সংগ্ৰামী চেতনাৰ নহয়। ১৯২১ চনৰ জুন মাহত অসম প্ৰদেশ কংগ্ৰেছ কমিটি গঠন কৰা হয়। নেতৃত্বক কেন্দ্ৰ কৰি আৰম্ভণিৰেপৰা প্ৰদেশ কংগ্ৰেছত সংঘাত আছিল। সেই সময়ত অসমৰ আটাইতকৈ প্ৰভাৱশালী নেতা আছিল তৰুণৰাম ফুকন আৰু সৰহভাগ কংগ্ৰেছ-কৰ্মীয়ে তেওঁকেই প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰূপে বিচাৰিছিল। কিন্তু তেওঁ গৱৰ্ণমেণ্ট আৰ্ল ল কলেজ (Government Earle Law College)ৰ অংশকালীন অধ্যাপক পদৰপৰা তেতিয়ালৈকে ইস্তফা দিয়া নাছিল।[১৮] অৱশ্যে অমলেন্দু গুহৰ মতে ফুকনে এপ্ৰিল মাহতে আৰ্ল ল কলেজৰ চাকৰি ইস্তফা দিছিল, ওকালতিহে ত্যাগ কৰা নাছিল।[১৯] আনহাতে কুলধৰ চলিহাই উক্ত সভাৰ আগদিনাখন ওকালতি ত্যাগ কৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি পদৰ শক্তিশালী দাবীদাৰৰ ৰূপত আত্মপ্ৰকাশ কৰিছিল। এনে পৰিস্থিতিত চলিহাকেই প্ৰদেশ কংগ্ৰেছৰ প্ৰথমগৰাকী সভাপতি পতা হয়। নবীনচন্দ্ৰ বৰদলৈ সম্পাদক হিচাপে নিৰ্বাচিত হয়। কিছুদিনৰ পাছতে তৰুণৰাম ফুকনে ল কলেজৰ চাকৰি ত্যাগ কৰাত তেওঁক প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ বাব দিয়া হয়। অসমত লাহে লাহে কংগ্ৰেছৰ সদস্যসংখ্যা বাঢ়ি আহে, জনপ্ৰিয়তাও বাঢ়ে। অৱশ্যে তেতিয়াও কংগ্ৰেছ অসমৰ সকলো শ্ৰেণীৰ

ৰাইজৰ জাতীয় অনুষ্ঠানত পৰিণত হোৱা নাছিল। ভিতৰুৱা গ্ৰামাঞ্চলত বহু মানুহেই কংগ্ৰেছৰ কামকাজসমূহক সন্দেহৰ চকুৰে চাইছিল। বেণুধৰ শৰ্মাই লেখিছে: "গান্ধীটুপী লগা মানুহ দেখিলেই (তেতিয়া গাঁৱত গান্ধীটুপী ওলোৱাই নাছিল) ৰৌ ৰৌ কৰে কুকুৰে যি ভুকিবই নে, গাঁৱৰ ডেকাডুমা ল'ৰা-ছোৱালীবোৰেও বেঢ়ি বেঢ়ি ফিচিঙা ফিচিং কৰিব। হৰিষমুখ হোৱা ভকতসকলে গান্ধীৰ নামত জুইতো কুটা এডাল নিদিয়ে। গান্ধী ভলণ্টিয়াৰৰ গতিগোত্ৰ দেখিয়েই সেইসকলে গান্ধীক পোৱাসুঠান (কালাপাহাড়) বুলি ভাবিছিল।"[২০] এনে অৱস্থাত অসমত গণ-আন্দোলনৰ পৰিৱেশ সৃষ্টিৰ বাবে কংগ্ৰেছৰ নেতাসকলে যথেষ্ট পৰিশ্ৰম কৰিবলগীয়া হৈছিল।

অসহযোগ আন্দোলনৰ ভৰপক অৱস্থাতে চৌৰিচৌৰাৰ হিংসাত্মক ঘটনাৰ বাবে মহাত্মা গান্ধীয়ে সেই আন্দোলন বন্ধ কৰি দিয়াত কংগ্ৰেছৰ বহু নেতা-কৰ্মী কিংকৰ্তব্যবিমূঢ় হৈ পৰিছিল। অসহযোগ আন্দোলন বন্ধ হৈ পৰাত কংগ্ৰেছৰ একাংশ নেতা কাউন্সিলৰ ৰাজনীতিৰ প্ৰতি আকৰ্ষিত হয়। কাউন্সিলৰ মজিয়াৰপৰাই চৰকাৰৰ বিৰুদ্ধে সংগ্ৰাম চলাই যোৱাটোকে তেওঁলোকে অধিক বাস্তৱসন্মত হ'ব বুলি ভাবিছিল। কাউন্সিলত প্ৰৱেশৰ বাবে উদ্‌গ্ৰীৱ হৈ থকা একাংশ কংগ্ৰেছীয়ে চিত্তৰঞ্জন দাশ আৰু মতিলাল নেহৰুৰ নেতৃত্বত স্বৰাজ্য দল গঠন কৰিলে। তৰুণৰাম ফুকন, ৰোহিণীকুমাৰ চৌধুৰী, গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, কামাখ্যাৰাম বৰুৱা আদি অসমৰ আগশাৰীৰ কংগ্ৰেছীসকলে স্বৰাজ্য দলত যোগদান কৰিলে। উল্লেখযোগ্য যে স্বৰাজ্য দলত যোগ দিয়াৰ পাছতো তৰুণৰাম ফুকনে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। পিছলৈ অৱশ্যে সমালোচনাৰ সন্মুখীন হৈ তেওঁ কংগ্ৰেছ সভাপতিৰ পদ ত্যাগ কৰিছিল। এনে পৰিস্থিতিত কুলধৰ চলিহা আৰু নবীনচন্দ্ৰ বৰদলৈয়ে ক্ৰমে সভাপতি আৰু সম্পাদক হিচাপে প্ৰদেশ কংগ্ৰেছৰ দায়িত্ব চম্ভালিছিল।

১৯২৩ চনৰ নৱেম্বৰ মাহত অনুষ্ঠিত নিৰ্বাচনত স্বৰাজ্য দলে স্থানীয় কংগ্ৰেছী আৰু খিলাফত কৰ্মীসকলৰ সমৰ্থন লাভ কৰিছিল। স্বৰাজ্য দলৰ ৰাজ্যিক সভাপতি তৰুণৰাম ফুকন বিনা প্ৰতিদ্বন্দ্বিতাৰে কেন্দ্ৰীয় ব্যৱস্থাপক সভালৈ নিৰ্বাচিত হয়। ৩৯জনীয়া নিৰ্বাচিত সদস্যবিশিষ্ট প্ৰাদেশিক আইনসভাত এই দলৰ সদস্যসকল আছিল — ৰোহিণীকান্ত হাতীবৰুৱা (যোৰহাট), যোগেশচন্দ্ৰ গোহাঁই (ডিব্ৰুগড়), সৰ্বেশ্বৰ বৰুৱা (উত্তৰ লখিমপুৰ), জোনাৰাম বৰা (নগাঁও), কামাখ্যাৰাম দাস (বৰুৱা?, গুৱাহাটী?), ফৈজনুৰ আলি (ডিব্ৰুগড় - মুছলমান সমষ্টি), কমলাকান্ত দাস (বৰপেটা), বসন্তকুমাৰ দাস (উত্তৰ ছিলেট) আদি। নিৰ্দলীয় প্ৰাৰ্থী ছৈয়দ সাদ্‌উল্লা স্বৰাজ্য দলৰ সমৰ্থনতে নিৰ্বাচিত হৈছিল। পিছলৈ তেওঁ স্বৰাজ্য দলৰ লগত সম্পৰ্ক ছেদ কৰিছিল আৰু চৰকাৰত যোগ দি মন্ত্ৰীপদ লৈছিল। কাউন্সিলত স্বৰাজ্য দলৰ সংখ্যাগৰিষ্ঠতা নাছিল। গতিকে নিৰ্দলীয় সদস্যসকলক নিজৰ পক্ষলৈ অনাৰ বাবে এই দলে চেষ্টা চলাইছিল। এই ক্ষেত্ৰত কংগ্ৰেছ দলৰো সমৰ্থন থকা



যেন লাগে। প্ৰদেশ কংগ্ৰেছৰ সম্পাদক নবীনচন্দ্ৰ বৰদলৈৰ বাসগৃহত স্বৰাজ্য দল আৰু নিৰ্দলীয় সদস্য মিলি ২০জন কাউন্সিলৰৰ এখন বৈঠক অনুষ্ঠিত হোৱাটোৱেই ইয়াৰ প্ৰমাণ। উক্ত বৈঠকত স্বৰাজ্য আৰু নিৰ্দলীয় সদস্যসকলে লগ হৈ অসম নেচনেলিষ্ট পাৰ্টি গঠন কৰিছিল আৰু প্ৰাদেশিক কাউন্সিলত চৰকাৰ পক্ষ এই দলৰপৰা প্ৰায়েই প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল।

কংগ্ৰেছৰ কেন্দ্ৰীয় নেতৃত্বৰ সিদ্ধান্তৰ বিৰোধিতা কৰিয়েই স্বৰাজ্য দল গঠন হৈছিল যদিও অসমত কংগ্ৰেছ আৰু স্বৰাজ্য দলে প্ৰদেশ কংগ্ৰেছৰ সংগঠনৰ নিচিনাকৈয়ে কাম কৰিছিল। ১৯২৬ চনত পাণ্ডুত জাতীয় কংগ্ৰেছৰ অধিৱেশন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰতো স্বৰাজ্য দলৰ নেতাসকলে বিশেষ ভূমিকা লৈছিল। অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল তৰুণৰাম ফুকন। উক্ত অধিৱেশনতেই তৰুণৰাম ফুকনক ১৫গৰাকী সদস্যবিশিষ্ট কংগ্ৰেছ ৱৰ্কিং কমিটিৰ সদস্য নিৰ্বাচন কৰা হৈছিল। ফুকন অৱশ্যে ৱৰ্কিং কমিটিৰ সভাত কোনোদিনেই উপস্থিত হোৱা নাছিল।

১৯২৬ চনৰ নিৰ্বাচনত তৰুণৰাম ফুকন পুনৰ বিনা প্ৰতিদ্বন্দ্বিতাৰে কেন্দ্ৰীয় ব্যৱস্থাপক সভালৈ নিৰ্বাচিত হৈছিল। নবীনচন্দ্ৰ বৰদলৈয়েও মঙ্গলদৈ সমষ্টিৰপৰা বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈ কাউন্সিলত প্ৰৱেশ কৰিছিল। কংগ্ৰেছে মন্ত্ৰীপদ গ্ৰহণ কৰিবলৈ অমান্তি হোৱাত ব্ৰহ্মপুত্ৰ উপত্যকাৰ সাদ্‌উল্লা আৰু শ্বিলঙৰ নিকলছ্ ৰায়ক গৱৰ্নৰে মন্ত্ৰী হিচাপে নিযুক্তি দিয়ে। মন্ত্ৰীসভাত হিন্দু সম্প্ৰদায়ৰ কোনো প্ৰতিনিধি নাছিল। সুৰমা উপত্যকাৰপৰাও মন্ত্ৰী লোৱা হোৱা নাছিল। ১৯২৭ চনৰ ২২ ফেব্ৰুৱাৰি তাৰিখে গোৱালপাৰাৰ নিৰ্দলীয় কাউন্সিলৰ বিপিনচন্দ্ৰ ঘোষে কাউন্সিলত মন্ত্ৰী দুগৰাকীৰ বিৰুদ্ধে এক অনাস্থা প্ৰস্তাৱ উত্থাপন কৰে। অসমৰ কাউন্সিলত এইটোৱেই প্ৰথম অনাস্থা প্ৰস্তাৱ।

ছিলেটক অসমৰপৰা পৃথক কৰা বিষয়টোক লৈ ১৯২৬ চনত পুনৰ বিতৰ্কই দেখা দিয়ে। উক্ত বৰ্ষত অসমৰ কাউন্সিলত ছিলেট জিলাক বঙ্গদেশলৈ হস্তান্তৰ কৰাৰ সপক্ষে এক প্ৰস্তাৱ গৃহীত হয়। অসমীয়া-বাঙালী নিৰ্বিশেষে দুই উপত্যকাৰ হিন্দু সদস্যসকলে এই প্ৰস্তাৱ সমৰ্থন কৰাৰ বিপৰীতে মুছলমান সদস্যসকলে ইয়াৰ বিৰোধিতা কৰিছিল। সাদ্‌উল্লাকে ধৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ আটাইকেইজন মুছলমান কাউন্সিলৰে ছিলেটক অসমৰপৰা পৃথক কৰাৰ বিৰুদ্ধে মাত মাতিছিল। ৰাজনৈতিক উচ্চাভিলাষী সাদ্‌উল্লাই বিশ্বাস কৰিছিল যে মুছলমান সংখ্যাগৰিষ্ঠ ছিলেটক অসমৰপৰা বিচ্ছিন্ন কৰাৰ লগে লগে অসমৰ ৰাজনীতিত মুছলমানসকল প্ৰভাৱহীন হৈ পৰিব। আনহাতে ছিলেটক বঙ্গদেশৰ লগত চামিল কৰিলেও সেই জনগাঁথনিয়ে বঙ্গদেশৰ ৰাজনীতিত বিশেষ প্ৰভাৱ পেলাব নোৱাৰে। ইমানৰ পাছতো যদিহে ছিলেটক বঙ্গদেশৰ লগত চামিল কৰিবলগীয়া হয় তেন্তে কেইটামান নিৰ্দিষ্ট চৰ্তসাপেক্ষে সমগ্ৰ অসমক বঙ্গদেশৰ লগত চামিল কৰা হওক।[২১] কলিকতাৰ *সুলতান* কাকতে সাদ্‌উল্লাৰ সুৰতে সুৰ মিলাই লিখিছিল যে ছিলেটক অসমৰপৰা পৃথক কৰাৰ লগে লগে দুয়োটা উপত্যকাৰ জনসাধাৰণৰ স্বাৰ্থ ক্ষুণ্ণ

হ'ব। অসম উপত্যকাৰ মুছলমান নেতাসকল ছিলেটৰ স্বধৰ্মী লোকসকলৰ সমৰ্থনৰপৰা বঞ্চিত ৰ'ব আৰু তাৰ ফলত হিন্দুসকল লাভৱান হ'ব।[২২] আনহাতে কাছাৰৰ নেতাসকলে অনুভৱ কৰিছিল যে ছিলেট আঁতৰি গ'লে কাছাৰৰ বাংলাভাষী লোকসকল অসমত একেবাৰে সংখ্যালঘুত পৰিণত হ'ব। গতিকে তেওঁলোকৰ দাবী আছিল — ছিলেটক বঙ্গদেশৰ লগত চামিল কৰিলে কাছাৰকো চামিল কৰিব লাগিব আৰু যদিহে কাছাৰক বঙ্গদেশৰ লগত চামিল কৰা নহয়, ছিলেটকো নোৱাৰিব। ছিলেট অসমৰ মুছলিম ৰাজনীতিত এটা গুৰুত্বপূৰ্ণ বিষয় আছিল। উপত্যকাগত প্ৰতিদ্বন্দ্বিতা আৰু ভাষিক ভিন্নতাৰ বাবে অসমৰ মুছলমানসকল কেইবাটাও শিবিৰত বিভক্ত আছিল। কিন্তু সাম্প্ৰদায়িক স্বাৰ্থজড়িত বিষয়বোৰত উভয় উপত্যকাৰ মুছলমান প্ৰতিনিধিসকলে ঐক্যবদ্ধভাৱে মাত মাতিছিল। ছিলেটক অসমৰপৰা পৃথক কৰা প্ৰস্তাৱৰ বিৰুদ্ধে ব্ৰহ্মপুত্ৰ উপত্যকাৰ সাদ্‌উল্লা আৰু সুৰমা উপত্যকাৰ আব্দুল মতিন চৌধুৰীয়ে কাউন্সিলৰ বাহিৰে-ভিতৰে জনমত গঢ়াৰ চেষ্টা কৰিছিল। ছিলেট হস্তান্তৰ বিতৰ্কত ভাগ লৈ মহম্মদ বখ্‌ট মজুমদাৰ আৰু মনোৱাৰ আলিয়ে কৈছিল যে অধিকাংশ লোকেই ছিলেট অসমতে থকাটো বিচাৰে। মুছলমান সদস্যসকলৰ অহৰহ হেঁচাৰ বাবে ছিলেটক অসমৰপৰা পৃথক কৰা বিষয়টো তল পৰিছিল।

১৯৩০ চনত কংগ্ৰেছে আইন অমান্য আন্দোলন আৰম্ভ কৰে। অসম কংগ্ৰেছৰ তিনিগৰাকী উল্লেখযোগ্য নেতা তৰুণৰাম ফুকন, ৰোহিণীকুমাৰ চৌধুৰী আৰু গোপীনাথ বৰদলৈ কাউন্সিল বৰ্জনৰ বিপক্ষে আছিল। কুলধৰ চলিহা, নবীনচন্দ্ৰ বৰদলৈ আদি জ্যেষ্ঠ নেতাও আইন অমান্য আন্দোলনৰ প্ৰতি বিশেষ উৎসাহী নাছিল। বহু জ্যেষ্ঠ অভিজ্ঞ নেতাই বিভিন্ন অজুহাতত নিজকে আইন অমান্য আন্দোলনৰপৰা নিলগাই ৰাখিছিল। জ্যেষ্ঠসকলৰ নিষ্ক্ৰিয়তাত বিষ্ণুৰাম মেধি, অমিয়কুমাৰ দাস, হেমচন্দ্ৰ বৰুৱা আদি সেই সময়ৰ দ্বিতীয় শাৰীৰ নেতাই আন্দোলন পৰিচালনাৰ দায়িত্ব ল'বলগীয়া হৈছিল। তৰুণৰাম ফুকন, নবীনচন্দ্ৰ বৰদলৈ আদিয়ে যথেষ্ট হোহকা-পিচলা কৰি থাকি ব্যৱস্থাপক সভা আৰু কাউন্সিলৰ সদস্যপদ ত্যাগ কৰিলে যদিও কিছুদিনৰ পিছত অনুষ্ঠিত উপ-নিৰ্বাচনত তেওঁলোকৰ বেছিভাগেই পুনৰ প্ৰতিদ্বন্দ্বিতা কৰিলে। তৰুণৰাম ফুকন ব্যৱস্থাপক সভালৈ আৰু ৰোহিণীকুমাৰ চৌধুৰী আৰু সৰ্বেশ্বৰ বৰুৱা কাউন্সিললৈ পুনৰ নিৰ্বাচিত হ'ল। অৱশ্যে নবীনচন্দ্ৰ বৰদলৈ পৰাজিত হয়। কিছুদিনৰ পাছত তৰুণৰাম ফুকন আৰু ৰোহিণীকুমাৰ চৌধুৰীয়ে কংগ্ৰেছ দল ত্যাগ কৰিছিল। এনেকৈয়ে এক বৰ্ণিল ৰাজনৈতিক পৰিক্ৰমাৰ অধিকাৰী তৰুণৰাম ফুকন অসমৰ ৰাজনীতিত ক্ৰমাৎ অপ্ৰাসঙ্গিক হৈ আহিছিল আৰু ১৯৩৬ চনত তেওঁৰেই একালৰ সহযোগী নবীনচন্দ্ৰ বৰদলৈৰ হাতত নিৰ্বাচনত পৰাস্ত হৈছিল। তেওঁক কংগ্ৰেছ দললৈ ঘূৰাই অনাৰ চেষ্টা কৰা হৈছিল, কিন্তু তাত সঁহাৰি নজনাই ৰোহিণীকুমাৰ চৌধুৰীৰ লগ লাগি "মিলিত জনসংঘ" নামৰ দল এটা গঠন কৰিছিল। পিছে সেই দলৰপৰাও তেওঁ



তালিকা ১০: অসমৰ কেইবিধমান শস্যৰ মাটিকালি (লাখ হেক্টৰত), উৎপাদন (লাখ মেট্ৰিক টনত) আৰু উৎপাদিকা (প্ৰতি হেক্টৰত কেজি অনুপাতে)

| বৰ্ষ | ধান | | | ঘেঁহু | | | মেইজ | | | মৰাপাট | | | কুঁহিয়াৰ | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | মাটিকালি | উৎপাদন | উৎপাদিকা | মাটিকালি | উৎপাদন | উৎপাদিকা | মাটিকালি | উৎপাদন | উৎপাদিকা | মাটিকালি | উৎপাদন | উৎপাদিকা | মাটিকালি | উৎপাদন | উৎপাদিকা |
| ১৯৫১-৫২ | ১৫.৫ | ১৪ | ৮৫০ | ০.০২ | ০.০২ | ৮৯৬ | ০.০২ | ০.০১ | ৭০০ | ১.২৩ | ৭.৪৩ | ১০৮৪ | ০.২৪ | ৬.৭ | ২৭৬২২ |
| ১৯৫৬-৫৭ | ১৬ | ১৬.২ | ১১০৫ | ০.০২ | ০.০১ | ৫০৪ | ০.০৬ | ০.০৩ | ৪৬৭ | ১.১৪ | ৮.৫৭ | ১৩৫০ | ০.২৫ | ৬.৬ | ২৬৩৯৭ |
| ১৯৬১-৬২ | ১৭.৬ | ১৬.৫ | ৮৮২ | ০.০৪ | ০.০৩ | ৮১৭ | ০.০৭ | ০.০৩ | ৫২৯ | ১.৩৫ | ১০.৫ | ১৪০৪ | ০.২৮ | ১১.২ | ৪০০১২ |
| ১৯৬৬-৬৭ | ১৮.৫ | ১৬.৩ | ৮৯০ | ০.০৫ | ০.০৩ | ৬২৯ | ০.১ | ০.০৫ | ৫৪৬ | ১.২৯ | ৯.২৯ | ১২৯৬ | ০.২৯ | ৯.৬৩ | ৩৩২২১ |
| ১৯৭১-৭২ | ১৯.৬২ | ১৮.৯৬ | ১০৭৬ | ০.৪ | ০.৪৮ | ১২০২ | ০.১২ | ০.০৬ | ৫৪৯ | ১.৩৪ | ১০.৬ | ১৪৩০ | ০.৩৬ | ১৩.২ | ৩৮৭৮৪ |
| ১৯৭৬-৭৭ | ২২.১৯ | ২০.৬৭ | ৭৬৯ | ০.৬১ | ০.৬৭ | ১১০১ | ০.১৯ | ০.১১ | ৫৬২ | ১.০৬ | ৭.১১ | ১২০৬ | ০.৪৬ | ১৬.৫ | ৩৫৮০৩ |
| ১৯৮১-৮২ | ২২.৫৫ | ২২.৩৩ | ৯২৫ | ১ | ১.১২ | ১১৩০ | ০.২১ | ০.১৩ | ৬১৬ | ১.০৭ | ৯.২৪ | ১৫৫৫ | ০.৫ | ২১.৮ | ৪৩৬৩৭ |
| ১৯৮৬-৮৭ | ২৩.৬৭ | ২৩.৮৫ | ১০৩৫ | ১.২ | ১.২৬ | ১০৪৮ | ০.১৮ | ০.১১ | ৬১২ | ০.৯৭ | ৯.৫১ | ১৭৭০ | ০.৪৭ | ২১.৪ | ৪৫৫০৪ |
| ১৯৯১-৯২ | ২৫.৭২ | ৩১.৯৭ | ১২৮৯ | ০.৭৬ | ১.১১ | ১৪৫৫ | ০.১৯ | ০.১২ | ৬৩৪ | ১.০২ | ৮.৬৭ | ১৫৩৭ | ০.৩৮ | ১৪.৬ | ৩৮৪৬২ |
| ১৯৯৬-৯৭ | ২৪.৩ | ৩৩.৩ | ১৩৪০ | ০.৮৮ | ১.১৭ | ১৩৩২ | ০.১৯ | ০.১৩ | ৬৭৯ | ০.৯৪ | ৮.০৩ | ১৫৩৭ | ০.৩৩ | ১২.৮ | ৩৮৩৮৮ |
| ২০০১-০২ | ২৫.৪ | ৩৮.৫ | ১৫৩৭ | ০.৭২ | ০.৮৫ | ১১৮১ | ০.২ | ০.১৪ | ৭১১ | ০.৬৮ | ৬.৭৫ | ১৭৮১ | ০.২৭ | ১০.১ | ৩৭২৩০ |
| ২০০৬-০৭ | ২১.৯ | ২৯.২ | ১৪১২ | ০.৬ | ০.৬৭ | ১১৩২ | ০.১৯ | ০.১৪ | ৭৪৪ | ০.৫৮ | ৫.৫৯ | ১৭৪৪ | ০.২৭ | ১০.৬ | ৩৯৬৩৪ |
| ২০১১-১২ | ২৫.৫ | ৪৭.২ | ১৮৭৪ | ০.৪ | ০.৪৯ | ১২০৯ | ০.২১ | ০.১৭ | ৮০২ | ০.৬৬ | ৬.০৮ | ১৬৬৯ | ০.২৮ | ১০.৫ | ৩৭৫৫৫ |

| বৰ্ষ | আলু | | | তিল আৰু সৰিয়হ | | | তামোল | | | নাৰিকল | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| | মাটিকালি | উৎপাদন | উৎপাদিকা | মাটিকালি | উৎপাদন | উৎপাদিকা | মাটিকালি | উৎপাদন | উৎপাদিকা | মাটিকালি | উৎপাদন | উৎপাদিকা |
| ১৯৫১-৫২ | ০.১৮ | ০.৮৮ | ৪২৮৮ | ১.১৮ | ০.৫১ | ৪৩৮ | [illegible] | [illegible] | [illegible] | [illegible] | [illegible] | [illegible] |
| ১৯৫৬-৫৭ | ০.১৯ | ০.৬৩ | ৩৩২১ | ১.১৮ | ০.৫৮ | ৪৯২ | [illegible] | [illegible] | [illegible] | [illegible] | [illegible] | [illegible] |
| ১৯৬১-৬২ | ০.২৩ | ০.৯৬ | ৪১৪৭ | ১.১৭ | ০.৪ | ৩৪৭ | [illegible] | [illegible] | [illegible] | [illegible] | [illegible] | [illegible] |
| ১৯৬৬-৬৭ | ০.২৬ | ১.০৯ | ৪১২১ | ১.২৭ | ০.৫৮ | ৪৫৩ | [illegible] | [illegible] | [illegible] | [illegible] | [illegible] | [illegible] |
| ১৯৭১-৭২ | ০.২৯ | ১.৪৬ | ৪৯৯২ | ১.৪৪ | ০.৬৮ | ৪৭০ | [illegible] | [illegible] | [illegible] | [illegible] | [illegible] | [illegible] |
| ১৯৭৬-৭৭ | ০.২৮ | ১.৩৫ | ৪৮০৫ | ১.৫১ | ০.৫৩ | ৩৫১ | ০.৬৬ | ০.৪ | [illegible] | ০.৪৯ | ০.২৫ | ৪৪ |
| ১৯৮১-৮২ | ০.৫ | ২.৭৪ | ৫৪১৬ | ২.২১ | ১.০২ | ৪৬০ | ০.৪৯ | ০.৪৮ | ১৬৩ | ০.৬৬ | ০.৪৮ | ৫৯ |
| ১৯৮৬-৮৭ | ০.৫৬ | ৩.৩৮ | ৬০০০ | ৩.১ | ১.৪৯ | ৪৮১ | ০.৫৭ | ০.৫৮ | ১৭৩ | ০.৯১ | ০.৬৯ | ৬৫ |
| ১৯৯১-৯২ | ০.৬২ | ৪.৭৩ | ৭৬০৪ | ৩.০৩ | ১.৭৮ | ৫৮৬ | ০.৬৭ | ০.৫৫ | ১৬৬ | ০.১৩ | ০.৯৪ | ৬২ |
| ১৯৯৬-৯৭ | ০.৭৩ | ৫.৭৯ | ৭৮৯৬ | ২.৭৬ | ১.৪১ | ২১ | ০.৭৪ | ০.৬৪ | ১৫৩ | ০.১৯ | ১.১৮ | ৫৭ |
| ২০০১-০২ | ০.৮ | ৬.২১ | ৭৭৫২ | ২.৭২ | ১.৩৭ | ৫০৩ | ০.৭৫ | ০.৬৮ | ১৬৪ | ০.২১ | ১.৩৬ | ৫৭ |
| ২০০৬-০৭ | [illegible] | [illegible] | [illegible] | [illegible] | [illegible] | [illegible] | [illegible] | [illegible] | [illegible] | [illegible] | [illegible] | [illegible] |
| ২০১১-১২ | ০.৯৮ | ৬.৮৩ | ৬৯৭৮ | ২.৪৮ | ১.৩৯ | ৫৫৯ | ০.৬৯ | ০.৬৩ | ১৩৮ | ০.১৯ | ১.৫৯ | ৬৩ |

উৎস: অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়, অসম চৰকাৰ

উৎপাদিকা শক্তি যথেষ্ট হ্ৰাস পোৱা দেখা গৈছে। অসমীয়া গ্ৰামীণ সমাজত ঘৰৰ পিছফালে তামোল-পাণৰ বাৰী-বস্তি গঢ়ি তোলাটো এক পৰম্পৰাগত বৈশিষ্ট্য। সেয়ে নতুন নতুন ঘৰ-বাৰী গঢ়ি তোলাৰ লগে লগে তামোল গছৰ মাটি-কালি স্বাভাৱিকভাৱে বৃদ্ধি হৈছে। পৰিতাপৰ কথা যে অসমৰ প্ৰতিঘৰ থলুৱা মানুহৰ বাৰীত থকা তামোল-নাৰিকলৰ ওপৰত কেৰ্কেটুৱাৰ আক্ৰমণ ভয়ানকভাৱে বৃদ্ধি হৈ অহাৰ ফলত ইয়াৰ প্ৰকৃত উৎপাদন হ্ৰাস পাবলৈ ধৰিছে। সেয়ে বহুলোকে পূৰ্বপুৰুষে স্থাপন কৰা বাৰী-বস্তিবোৰ কাটি তাৰ ঠাইত কাঠ-জাতীয় গছ-গছনি ৰোপণ কৰিছে। আনফালে ধান-মাহ জাতীয় শস্যৰ ক্ষেত্ৰতো নানা ধৰণৰ পোক-পতঙ্গৰ উপৰি অঞ্চলবিশেষে বান্দৰ, হাতী আদিয়ে যথেষ্ট অনিষ্টসাধন কৰি এইবোৰ শস্যৰ প্ৰকৃত উৎপাদনত ঋণাত্মক প্ৰভাৱ পেলাইছে।


## বানপানী আৰু গৰাখহনীয়া

বানপানী অসমৰ কৃষিৰ লগত ওতপ্ৰোতভাৱে জড়িত এটা পৰিঘটনা। কৃষিৰ বাবে অতি উপযোগী সাৰুৱা প্লাৱনভূমিৰ সৃষ্টিৰ প্ৰধান কাৰক হৈছে বানপানী। সাম্প্ৰতিক কালত মানুহৰ ক্ৰমবৰ্ধিত প্ৰকৃতিবিধ্বংসী ক্ৰিয়াকলাপে বানপানীৰ প্ৰাকৃতিক ধৰ্মৰ লক্ষণীয় পৰিৱৰ্তন ঘটাইছে। নদীৰ তলি বাম হৈ অহা, নদীৰ গতিপথৰ পৰিৱৰ্তন, খাল-বিলৰ দ্ৰুত সংকোচন, বনধ্বংস আদি কাৰকে বহু ঠাইত বানপানীক কৃষিৰ প্ৰতিকূলে পৰিচালিত কৰিছে। তাৰ লগতে নৈৰ গৰাখহনীয়া আৰু প্লাৱনভূমিত বালিৰ অৱক্ষেপণে অন্য ধৰণৰ সমস্যাৰ সৃষ্টি কৰিছে (মানচিত্ৰ ৩)।

প্ৰায় প্ৰতি বছৰ ৰাজ্যখনৰ অসংখ্য গাঁও, কৃষিভূমি, ঘৰ-বাৰী, মানুহ আৰু গৰু-ম'হ বানপানীৰ দ্বাৰা আক্ৰান্ত হয় (তালিকা ১১)। অতি বেছি বানপানী হোৱা বছৰবোৰত বানপানীৰদ্বাৰা হোৱা ক্ষতিৰ পৰিমাণ যথেষ্ট বেছি হোৱা দেখা যায় (চিত্ৰ ৫)। উদাহৰণস্বৰূপে ১৯৮৮ চনৰ বানপানীৰ কথালৈ উনুকিয়াব পাৰি। সেই বছৰত ৰাজ্যখনৰ ১৭,১৬০খন গাঁও বানৰ কবলত পৰিছিল, প্ৰায় ৪৬ লাখ হেক্টৰ ভূমি আৰু ১৩.৩৫ লাখ হেক্টৰ কৃষিভূমি বানৰদ্বাৰা আক্ৰান্ত হৈছিল। বানাক্ৰান্ত লোকৰ সংখ্যা আছিল ১.২৬ কোটি আৰু ৪,৬২১টা গৰু-ম'হ মৃত্যুৰ মুখত পৰিছিল। সেইদৰে ২০০৪ চনতো ৰাজ্যখনৰ বহু ঠাইত ভয়ঙ্কৰ বানপানীৰ সৃষ্টি হৈছিল। এই বানত আক্ৰান্ত হৈছিল প্ৰায় ১৬ হেজাৰ গাঁও, ৫.২২ লাখ হেক্টৰ কৃষিভূমি আৰু ১.২৬ কোটি মানুহ। প্ৰায় ১.১৮ লাখ গৰু-ম'হ মৃত্যুৰ মুখত পৰিছিল। এইদৰে ডাঙৰ বানপানীৰ লগতে নিয়মীয়া বানপানীয়েও বছৰি বহু ঠাইৰ শস্যভূমি নষ্ট কৰি কৃষক ৰাইজৰ ক্ষতিসাধন কৰে।

সম্প্ৰতি আমাৰ ৰাজ্যখনত গৰাখহনীয়া বানপানীতকৈও বেছি ক্ষতিকাৰক সমস্যাৰূপে পৰিগণিত হৈছে (চিত্ৰ ৫)। নৈ-উপনৈবোৰ বাম হৈ অহাৰ ফলত সেইবোৰৰ পাৰ্শ্বখনন বৃদ্ধি পাইছে। ইয়ে ব্ৰহ্মপুত্ৰকে ধৰি সকলো নৈ-উপনৈৰ দুয়োপাৰে গৰাখহনীয়াৰ প্ৰকোপ বঢ়াইছে। ১৯৫০ চনৰ বৰ ভুঁইকঁপৰ পাছত ক্ৰমে





মানচিত্ৰ ৩

বাঢ়ি অহা গৰাখহনীয়াই ৰাজ্যখনৰ বহু পৰিমাণৰ নৈপৰীয়া সাৰুৱা কৃষিভূমি নৈৰ বুকুত জাহ নিয়াইছে। খহনীয়াত আক্ৰান্ত লোকসকলৰ বেছিভাগেই অন্য ঠাইলৈ গৈ ঘাঁহনি-বননি মোকলাই বাসস্থানৰ লগতে কৃষিভূমি গঢ়ি তুলিবলগীয়া হৈছে। সেইদৰে বানে কঢ়িয়াই আনি জমা কৰা বৃহৎ পৰিমাণৰ বালিয়েও ঠায়ে ঠায়ে সাময়িকভাৱে হ'লেও সাৰুৱা কৃষিভূমি বা পতিত ভূমিত পৰিণত কৰিছে।

## সামৰণি

অসমৰ ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ বিস্তীৰ্ণ প্লাৱনভূমি, উপক্ৰান্তীয় আৰ্দ্ৰ জলবায়ু, নৈ-উপনৈৰ ঘনত্ব, মাটিৰ ভিন্নতা, জনগোষ্ঠীয় বৈচিত্ৰ্যই ৰাজ্যখনৰ কৃষিক বিধৰণে চহকী আৰু বৈচিত্ৰ্যময় কৰি তুলিছে তাৰ সদ্ব্যৱহাৰ আৰু উপযুক্ত গৱেষণাৰ যোগেদি প্ৰসাৰ আৰু পৰিবৰ্ধনৰ ব্যৱস্থা কৰিব পৰিলে অসমে কৃষিৰ

তালিকা ১১ : অসমত বানপানীৰদ্বাৰা ক্ষতিগ্রস্ত গাঁও, কৃষিভূমি, মানুহ আৰু গৰু-ম'হৰ তথ্য

| বৰ্ষ | ক্ষতিগ্রস্ত গাঁওৰ সংখ্যা | বানাক্রান্ত ভূমিৰ পৰিমাণ (লাখ হেক্টৰত) | ক্ষতিগ্রস্ত কৃষিভূমি (লাখ হেক্টৰত) | বানাক্রান্ত লোকৰ সংখ্যা (লাখত) | গৰুমহৰ মৃত্যুৰ সংখ্যা |
|---|---|---|---|---|---|
| ১৯৮২ | ৩৭২২ | ৬৯.৬৩ | ২৫.৪৯ | ১৪.২৩ | ২৭ |
| ১৯৮৩ | ৪৪০৩ | ৬.৯৪ | ১.২৪ | ২১.২১ | ১৫৭৪ |
| ১৯৮৪ | ৯৫২৩ | ১৫.১৬ | ৪.৯১ | ৩৮.৬৯ | ২৬২৩৯ |
| ১৯৮৫ | ৫৬৭২ | ৯.২০ | ১.৩২ | ৩২.৮২ | ৮৩৩ |
| ১৯৮৬ | ২৭৫২ | ৪.২৬ | ৩.২২ | ২৩.৪৫ | ২৪২৯ |
| ১৯৮৭ | | ৩৬.৭৭ | ২.৮৯ | ১০৪.৪৮ | ১০৮৯১৩ |
| ১৯৮৮ | ১৭১৬০ | ৪৬.৫০ | ১৩.৩৫ | ১২৬.৭৭ | ৪৬২১ |
| ১৯৮৯ | ৩৮৩৪ | ৭.৪৪ | ৩.৭১ | ১৬.৪৩ | ৩০৮৬ |
| ১৯৯০ | ৩২৭৯ | ৪.৮৮ | ২.০৭ | ১৬.৯২ | ৪৭৫৭ |
| ১৯৯১ | ৬৭৬৩ | ৯.৯৭ | ৩.৪৮ | ৫৩.০৭ | ২১৬২৭ |
| ১৯৯২ | ১২৩৪ | ২.৩১ | ০.৪২ | ৯.৯৬ | ৫৮ |
| ১৯৯৩ | ৭৬৯৪ | ১২.৪৮ | ২.১৫ | ৫৩.৬১ | ১৩৫৬০ |
| ১৯৯৪ | ৭১১ | ০.৫২ | ০.২৪ | ১.৭৭ | ৯৫ |
| ১৯৯৫ | ৭৯৯৮ | ৭.২২ | ৩.৯৮ | ৫৫.৯৯ | ৬০৮৭ |
| ১৯৯৬ | ৪৭৯৭ | ১০.০১ | ২.৪৬ | ৩০.৭৭ | ৩০০০ |
| ১৯৯৭ | ৫৪০৮ | ৭.৫৪ | ১.০২ | ২৭.৫১ | ১৯৬১ |
| ১৯৯৮ | ৭৭৪০ | ১৩.২৩ | ৪.৭৭ | ৬৯.৫৭ | ৮৬২২৪ |
| ১৯৯৯ | ১৫০৩ | ২.২৩ | - | ৮.৯১ | ৯৯২ |
| ২০০০ | ৫০৯০ | ৯.৬৬ | ৩.২২ | ৩৮.৮৮ | ১৯৯৮৮ |
| ২০০১ | ১২৭৭ | ২.০৩ | ০.৩৬ | ৫.৪২ | ১৫ |
| ২০০২ | ৬৮০৭ | ১১.৭ | ২.৯৮ | ৭৫.৫০ | ৪২৯৪ |
| ২০০৩ | ৭৫৬৫ | ৯.৩২ | ২.৯৪ | ৫৬.৫১ | ৪৩১৯ |
| ২০০৪ | ১৫৯৫০ | ২৩.৬৩ | ৫.২২ | ১২৬.৩৭ | ১১৮৭৭২ |
| ২০০৫ | ১৫৩৬ | ২.২২ | ০.৯৮ | ১০.২৫ | ১৫ |
| ২০০৬ | ৯১৬ | .৫৭ | ০.১০ | ৫.৫৫ | ২৮ |

উৎস: ৰাজহ বিভাগ, অসম চৰকাৰ



চিত্ৰ ৫: গৰাখহনীয়া আৰু বানবিধ্বস্ত ধানখেতি



ক্ষেত্ৰত দেশৰ ভিতৰতে এখন আগশাৰীৰ ৰাজ্য হিচাপে পৰিগণিত হ'ব পাৰিব। এই ক্ষেত্ৰত কৃষি আৰু কৃষকৰ অনুকূলে ভূমি-নীতিৰ সংস্কাৰ সাধন, সমস্যা আৰু সম্ভাৱনাৰ বৈজ্ঞানিক বিশ্লেষণ আৰু তাৰ ভিত্তিত বহনীয় উন্নয়নৰ আঁচনি প্ৰণয়ন, সকলো স্তৰৰ কৃষকৰ অংশগ্ৰহণ সুনিশ্চিত কৰণ আৰু চৰকাৰৰ ফালৰপৰা যাৱতীয় ব্যৱস্থা গ্ৰহণ অতি প্ৰয়োজনীয় আৰু জৰুৰী।

**সহায়ক গ্ৰন্থ আৰু প্ৰবন্ধ**


১ B. C. Bhowmick, A.K. Sarma and K.C. Talukdar. *Farming System in Assam*. Jorhat: Department of Agricultural Economics. Assam Agricultural University, 1999

২ H.K. Barpujari (ed.). *The Comprehensive History of Assam*, vol. 3. Guwahati: Publication Board, Assam, 2004

৩ J.N. Phukan. "Products: Agricultural and Non-agricultural." *The Comprehensive History of Assam*, vol. 3. Guwahati: Publication Board, Assam, 2004

৪ J. Nath. *Agrarian System of Medieval Assam*. New Delhi: Concept Publishing Company, 2002

৫ M. Taher. "Assam: An Introduction". *Geography of Assam*. A.K. Bhagabati *et al* (eds.). New Delhi: Rajesh Publications, 2001

৬ N. Deka and A.K. Bhagabati. "Farming Practice in a Floodplain Village of Assam: Continuity and Change". *Indonesian Journal of Geography*, vol. 42, no.1. 2010

৭ N. Deka, A.K. Bhagabati and K. Ando. "Land Tenure Systems in a Floodplain Village of Assam, India". *Research for Tropical Agriculture*, vol. 4, Extra Issue 1. *Japanese Society of Tropical Agriculture*, 2011

৮ S. Chattopadhyaya. "Economic Condition." *The Comprehensive History of Assam*, vol.1. Guwahati: Publication Board, Assam, 2004

# অসমৰ ঔদ্যোগিক বিকাশ

গুণীন হাজৰিকা

ভাৰতৰ স্বৰাজোত্তৰ কালৰ ঔদ্যোগিক বিকাশ ঔপনিৱেশিক অতীতৰ অৱধাৰিত প্ৰভাৱেৰে প্ৰভাৱান্বিত। ভাৰতবৰ্ষৰ অৰ্থনীতিৰ এই ৰূপান্তৰ উন্নয়নশীল দেশৰ অৰ্থনীতিৰ এজন তীক্ষ্ণ পৰ্যৱেক্ষক বিশিষ্ট অৰ্থনীতিবিদ আঁদ্ৰে গুণ্ডাৰ ফ্ৰাঙ্ক (Gunder Frank)এ "development of underdevelopment" বুলি উল্লেখ কৰিছে।[১] আধুনিক অসমৰ বিকাশৰ গুৰি বিচাৰিবলৈ গ'লে — ঔপনিৱেশিক অতীতৰ প্ৰভাৱ অনুধাৱন কৰিব লাগিব। স্বৰাজোত্তৰ কালত অসমৰ বিকাশত ঔপনিৱেশিক অতীতৰ প্ৰভাৱ কৃষি, উদ্যোগ, যাতায়াত ইত্যাদি সকলো দিশতে পৰিলক্ষিত হৈছে। ঔপনিৱেশিক শাসনৰ প্ৰথম ছোৱাত সামন্তবাদী অৰ্থনীতিৰ কাঠামো ভাঙি পুঁজিবাদী ব্যৱস্থাৰ সৈতে সংযুক্ত কৰিলে।

"আকালো নাই ভঁড়ালো নাই" — এই কথাষাৰেৰে তেতিয়াৰ অৰ্থনৈতিক দিশত মানুহৰ মনোভাৱ বুজা যায়। ১৮৮০ চনত নগাঁও জিলাৰ উপায়ুক্তই দিয়া প্ৰতিবেদনৰ ভিত্তিত ডব্লিউ ই ৱাৰ্ডে উদ্যম আৰু উদ্যোগৰ অভাৱক অসমীয়া মানুহৰ চাৰিত্ৰিক বৈশিষ্ট্য বুলি নিৰ্ণয় কৰিছিল। তেওঁৰ মতে, উদ্যমৰ অভাৱেই অসমীয়া মানুহৰ দ্ৰুত উন্নয়নৰ বাটত বিৰাট বাধা। অসমীয়া খেতিয়কৰ সন্মুখত সম্পদ আহৰণৰ আৰু আহৃত সম্পদ সঞ্চয়ৰ সকলো সুবিধা থকা সত্ত্বেও মাথোন আগ্ৰহৰ অভাৱৰ হেতুকে তেওঁলোকে একো কৰিব নোৱাৰে। ৱাৰ্ডে লিখিছে যে উদৰপূৰ্তিৰ বাবেই প্ৰয়োজনীয় খাদ্য, নিচা পলুৱাবৰ বাবে কানি, লজ্জা নিবাৰণৰ বাবে বস্ত্ৰ আৰু ৰ'দ-বৰষুণৰপৰা পৰিত্ৰাণৰ বাবে মূৰৰ ওপৰত চালি এখন ঠিকমতে পালেই আন একো পাবৰ কাৰণে অসমীয়াই হাবিয়াস নকৰে। তেতিয়াৰ বিদেশী প্ৰশাসক-যাজক আদিৰ এনে মন্তব্য বিভিন্ন স্থানত উল্লেখ আছে। ১৮৩৯ চনত জন মেক'ছে উদ্যমহীন উদাসীন অসমীয়া মানুহে কমাৰ, কঁহাৰ, কুমাৰ আদিৰদ্বাৰা উৎপাদন কৰা সামগ্ৰীৰ বাহিৰে সকলো বস্তু বাহিৰৰপৰা আনিছিল। তেওঁৰ মতে, "The Assamese are not a manufacturing people".[২] তেওঁ এই কথাও কৈছে, ৰাইজে প্ৰয়োজনীয় প্ৰায় সকলো সামগ্ৰী গাঁওখনতে উৎপাদন কৰিছিল। মেক'ছে এই কথা কোৱাৰ কেইটামান



দশকৰ পাছত গুণাভিৰাম বৰুৱাই উল্লেখ কৰিছে, উৎপাদনমূলক শিল্পকৰ্মৰ লগত লাগি থকা মানুহৰ সংখ্যা কমি আহিছে, কাৰণ বিদেশৰপৰা অহা সামগ্ৰী সস্তাত আমদানি হৈছে। সেয়েহে থলুৱা কুটিৰ শিল্প ক্ৰমে অৱহেলিত হৈছে। অসমীয়া মানুহৰ উদ্যমহীনতা আৰু আলস্যৰ কাৰণ আনন্দৰাম ঢেকিয়াল ফুকনে "আফিং সেৱন" বুলি উল্লেখ কৰিছে। তেওঁ লিখিছে, "আফিং সেৱনে" এসময়ৰ পৰিশ্ৰমী দুঃসাহসী জাতিটোক পুৰুষত্বহীন, দুৰ্বল, সোৰোপা আৰু নিশকতীয়া কৰিলে।[৩] অসমীয়া মানুহৰ শিল্পকৰ্মৰ নৈপুণ্যৰ অভাৱ নাছিল। সেই কথা বুৰঞ্জীয়ে কয়। কঁহাৰ, কুমাৰ, কমাৰ, খনিকৰসকলৰ সৃষ্টিকৰ্ম বিভিন্ন কৰ্মক্ষেত্ৰত প্ৰকাশ হৈছিল। সীহাবুদ্দিন তালিচে তেওঁৰ টোকাত উল্লেখ কৰিছে, নবাব মীৰজুমলাৰ সৈন্যই বন্দী কৰি লৈ যোৱা অসমীয়া মানুহক ঢাকাত (জাহাঙ্গীৰনগৰত) সংস্থাপিত কৰি খাৰ-বাৰুদৰ বন্দুক-বৰটোপ নিৰ্মাণৰ কামত খটুৱাইছিল। পাৰদৰ্শিতা নাথাকিলে মোগলসকলে এনে কামত অসমীয়া মানুহক নিনিলেহেঁতেন।

তৎসত্ত্বেও ঘটনাক্ৰমে ৰচনা কৰা পটভূমিত ব্ৰিটিছসকলৰ আগমনে সৃষ্টি কৰা নতুন জীৱনধাৰাৰ লগত খাপ খুৱাই নিজৰ আধিপত্য প্ৰতিষ্ঠাৰ বাবে অসমৰ মানুহৰ কায়িক-মানসিক দৃঢ়তা নাছিল। কৰ্নেল লেমে (Colonel Lambএ) আক্ষেপ কৰিছিল, অসমত উৎপাদিত প্ৰচুৰ সৰিয়হ বঙ্গদেশ তথা আন ঠাইলৈ ৰপ্তানি কৰি কেঞা বা মাৰোৱাৰীসকলে এই লাভজনক ব্যৱসায়টো ইউৰোপীয় ব্যৱসায়ীসকলৰপৰা অলক্ষিতে হস্তগত কৰিছিল। স্থানীয় কৃষকৰ বাবে আগধন দি বা নিদিয়াকৈ কৃষিজাত সামগ্ৰী কম মূল্যত কিনি আৰু অধিক মুনাফা কৰি পুঁজিসঞ্চয় কৰিছিল। এনে অৰ্থকৰী ব্যৱসায়েৰে পুঁজিসঞ্চয়ৰ সুযোগ আন ঠাইৰ মানুহৰ হাতলৈ গৈছিল। আনহাতে থলুৱা মানুহ — যিসকলৰ হাতত ধন আছিল — বিনিয়োগ কৰিবলৈ তেওঁলোক ইচ্ছুক নাছিল। সেই কাৰণে "ইং'লণ্ডৰ [ইংলণ্ডৰ] বিবৰন" প্ৰবন্ধত আনন্দৰাম ঢেকিয়াল ফুকনে লিখিছিল: "তোমোলাকৰ [তোমালোকৰ] মাজত বানিজ্যৰ অনুসিলন নিচইকৈ নাই, সকলে ধন মাটিত পুতি থৈ ভাল পাই, কিন্তু জিহৰ পৰা এই ধনেৰেই ধন হই তাক নিচিন্তে।"[৪] তেওঁ আকৌ আঙুলিয়াই দিছিল: "জদি সভ্য আৰু সুখি হব খোজা তেন্তে ক্ৰিসি আৰু সিল্প কৰমত ইংৰাজৰ দৰে পাৰ্গত হবলৈ পুৰুসাৰ্থ কৰা।"[৫]

মান খেদিবলৈ অহা ইংৰাজসকলৰ অসমৰ বনজ, খনিজ, উৰ্বৰ সাৰুৱা মাটিৰ ওপৰত চকু পৰিল। য়াণ্ডাবু সন্ধিৰ সময়ত উজনি অসমত থকা ব্ৰিটিছ সেনাপতিসকলে তেওঁলোকৰ প্ৰতিবেদনত উল্লেখ কৰিছিল যে নদীৰ পাৰত বিৰিঙি থকা খাৰুৱা তেল, বুৰবুৰাই থকা গেছ, ঘাঁহনিৰে আবৰি থকা কয়লাৰ স্তৰ দেখিবলৈ পোৱা গৈছিল। ৪৬ নং ৰেজিমেণ্ট নেটিভ ইনফেণ্ট্ৰিৰ উইলকক্স, ৪০ নং নেটিভ ইনফেণ্ট্ৰিৰ মেজৰ এডাম হোৱাইট আৰু কেপ্টেইন এছ এফ হেনেই বিভিন্ন সময়ত এই তথ্যৰ বিষয়ে ওপৰ মহলত জনাইছিল। সম্ভৱ সেয়াই অসমৰ খনিজ সম্পদ নিষ্কাশনৰ বাবে অনাগত দিনত আহিবলগা "যন্ত্ৰযুগ"ৰ

প্ৰথম সম্ভেদ। ইয়াৰ আঁত ধৰিয়েই তেল আৰু কয়লাৰ উৎপাদন আৰু ব্যৱহাৰেৰে ঔদ্যোগিক বাতাৱৰণ সৃষ্টিৰ প্ৰয়াস ঘটিছিল।

অসম ৰে'লৱে আৰু ট্ৰেডিং কোম্পানি (ARTC) প্ৰতিষ্ঠাৰপৰা কয়লাখনিৰ কামকাজ ভালকৈ আৰম্ভ হৈছিল। ১৮৮০ চনত ডিব্ৰুগড়ৰপৰা লিডু ৰে'ল লাইন আৰম্ভ হৈছিল। লিডুত কয়লা উৎপাদন হৈছিল। নামচিক আৰু জয়পুৰতো কয়লা পোৱা গৈছিল। ১৮৬৫ চনত জিঅ'লজিকেল ছাৰ্ভে অৱ ইণ্ডিয়াৰ এইচ ভি মেডলিকটে অসমৰ কয়লা থকা সমূহ ঠাই পৰিদৰ্শন কৰি মাকুম নামদাং অঞ্চলত খননৰ অনুমতি দিয়ে। ১৮৬৮ চনত কলিকতাৰ ষ্টুৱাৰ্ট এণ্ড মেকিলপ কোম্পানিৰ মিঃ গুড্‌ইনাফে এচিয়াত প্ৰথম যন্ত্ৰৰে মাৰ্ঘেৰিটাৰ ওচৰত খাদ খনন সম্পন্ন কৰে। ১১৮ ফুট দ এই খাদত প্ৰথম "এক টন" তেল পোৱা যায়। এ আৰ টি কোম্পানিয়ে কয়লা, কাঠ, পেট্ৰ'লিয়ামৰ লগত জড়িত হৈ ১৮৯০ চনত ডিগবৈত তৈলক্ষেত্ৰ আৱিষ্কাৰ কৰে। তেওঁলোকে আসাম অইল কোম্পানি নামৰ এটা তেল কোম্পানি গঠন কৰে। আসাম অইল কোম্পানি গঠন অসমৰ ঔদ্যোগিক ইতিহাসত তৈল খণ্ডত হোৱা গুৰুত্বপূৰ্ণ ঘটনা। ১৯০১ চনত ডিগবৈত সৰু শোধনাগাৰ স্থাপনেৰে ৫০০ বেৰেল তেল উৎপাদনে নতুন যুগৰ ফেঁহুজালি দিলে। বিশ্বৰ ভিতৰতে পূৰণি আমেৰিকা যুক্তৰাষ্ট্ৰত কৰ্নেল ড্ৰেকে বিশ্বৰ প্ৰথম তেল খাদ আৱিষ্কাৰ কৰাৰ সাত বছৰ পিছতেই অসমৰ জয়পুৰৰ গভীৰ অৰণ্যত মিঃ গুডইনাফে তৃতীয় খননেৰে বিশ্বৰ দ্বিতীয়টো তেল খাদ আৱিষ্কাৰ কৰে।

মানৰ আক্ৰমণ, ক'লা জ্বৰ আৰু কলেৰা আদি মহামাৰীৰে অসমৰ জনসংখ্যাৰ ব্যাপক হ্ৰাস হয়। খালী উৰ্বৰ মাটিত বিশেষকৈ ওখ এঢলীয়া মাটিত ৰবাৰ্ট ব্ৰুচৰ চাহ-পুলি লগোৱাৰ চেষ্টা সফল হোৱাৰ সম্ভাৱনাই ইংৰাজ বিনিয়োগকাৰীসকলক উৎসাহিত কৰিছিল। ১৮৩৪ চনৰ আগভাগত গৱৰ্নৰ জেনেৰেলে এখন চাহ-সম্পৰ্কীয় কমিটী গঠন কৰি দিয়ে। ১৮৩৯ চনত ৫০০,০০০ পাউণ্ড মূলধন ১০০,০০০জন অংশীদাৰে সংগ্ৰহ কৰি অসম চাহ-কোম্পানি গঠন কৰে। ১৮৫৮-৫৯ চনলৈকে ৫৯,৮৬০ একৰ দখল কৰা মাটিৰ ৭৫৯৯ একৰ মাটিত চাহ খেতি হৈছিল।[৩] ১৮৭৯ চনলৈকে প্ৰায় তিনি লাখ একৰ মাটিত চাহ খেতি হৈছিল। চাহ-উদ্যোগৰ সম্প্ৰসাৰণে চাহ-উৎপাদনৰ বাবে কলঘৰ, যাতায়াতৰ বাবে পানী জাহাজ, ৰে'ল লাইন আদিৰ স্থাপন উদ্যোগৰ বিকাশৰ বাবে অপৰিহাৰ্য কৰি তুলিছিল।

অসমৰ ভৌগোলিক অৱস্থান, দুৰ্গম অৰণ্য, গভীৰ জলাশয়, পাহাৰ-পৰ্বতেৰে আৱৰা ভূখণ্ড আৰু যোগাযোগৰ অসুবিধাই ভাৰতৰ আন আন ঠাইৰ লগত ব্যৱধান বৃদ্ধি কৰিছিল। বিশাল ব্ৰহ্মপুত্ৰই আছিল তেতিয়াৰ দিনত যাতায়াতৰ বাবে সুচল ব্যৱস্থা। আৱহমান কালৰেপৰা ব্ৰহ্মপুত্ৰ জলপথ হিচাপে ব্যৱহৃত হৈছিল। ১৮৪২ চনত অসম চাহ-কোম্পানিয়ে ১৩,০০০ পাউণ্ড মুদ্ৰা খৰচ কৰি



এখন জাহাজ কিনে যদিও মাল কঢ়িওৱাত আশাপ্ৰদ সফলতা অৰ্জন কৰিব পৰা নাছিল। ১৮৫৬ চন পৰ্যন্ত গুৱাহাটী আৰু ডিব্ৰুগড়ৰ মাজত ষ্টীমাৰ চলোৱা হৈছিল। কমিছনাৰ হপকিন্সে এই অৱস্থাৰ বিষয়ে পটভূমিত লিখিছিল: "Capitalist is not always to be found, who will venture his money in a country to which access is so difficult as it is to Assam."[৪] ১৮৬১ চনৰ পাছত IGSN (Indian General Steamer Navigation) কোম্পানি ভাৰতৰ আন আন ঠাইৰপৰা অসমলৈ চাহ-বনুৱা অনা কামত জড়িত হৈছিল। ১৮৯৪-৯৫ চনৰ অসম চৰকাৰৰ এক প্ৰতিৱেদনত উল্লেখ থকা মতে উত্তৰবঙ্গ, পূৰ্ববঙ্গ, পাটনা, বিহাৰ আৰু পশ্চিমবঙ্গলৈ ব্যৱসায়িক কামত জাহাজৰ পৰ্যাপ্ত ব্যৱহাৰ হৈছিল। দেশ-বিভাজনৰ সময়লৈকে জলপথে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। ১৮৯৫ চনত আসাম-বেঙ্গল ৰে'লৱে, তাৰ আগতে ১৮৮২ আৰু ১৮৮৩ চনত যোৰহাট প্ৰভিন্সিয়েল ৰে'লৱে জাহাজঘাটলৈ চাহপাত নিবলৈ মিটাৰগজ আৰু দুফুট গজৰ ৰে'ল চলাইছিল। ১৮৮৫ চনত ডিব্ৰুগড় আৰু শদিয়ালৈ ৰে'ল চলিছিল।

প্ৰাক্-স্বাধীনতা যুগত উদ্যোগ স্থাপনৰ ক্ষেত্ৰত অসমৰ প্ৰচুৰ বনজ সম্পদৰ ভিত্তিত কাঠফলা-কল, চাহ-বাকচ-নিৰ্মাণ আৰু কাঠ-সৰবৰাহৰ ব্যৱসায় আৰম্ভ হয়। ১৮৮২ চনত মুৰকং চেলেকত প্ৰথম কাঠকল স্থাপন হয়। ১৯৫০ চনৰ বৰভুঁইকম্পত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত এই মিলটো Assam Saw Mill and Timber Company নামেৰে আন ঠাইলৈ স্থানান্তৰিত হয়। Messrs Ward and Companyয়ে চাহৰ বাকচ তৈয়াৰ কৰিছিল। সুৰমা ভেলি কাঠ-মিল কাছাৰ জিলাত স্থাপন হয়। ১৯১৮ আৰু ১৯২২ চনত তৃতীয় আৰু চতুৰ্থ প্লাইউড ফেক্টৰি স্থাপন হয়। মাৰ্ঘেৰিটাত ১৯২৪ চনত এ আৰ টি চি কোম্পানিয়ে এটা ডাঙৰ প্লাইউড ফেক্টৰি বহুৱায়। এই প্লাইউড ফেক্টৰিসমূহ ১৯৫০ চনৰ পিছত ব্যাপক হাৰত বৃদ্ধি পাইছিল। প্ৰায় তিনিশমান ফেক্টৰি হৈছিল, কিন্তু মহামান্য উচ্চতম ন্যায়ালয়ৰ বাধা-নিষেধৰ পাছত অধিকাংশ মিল বন্ধ হৈ যায়। অসমৰ বিভিন্ন ঠাইত বিশেষকৈ তিনিচুকীয়া চহৰৰ আশে পাশে গঢ় লৈ উঠা মিলসমূহে যেনেকৈ ঔদ্যোগিক পৰিৱেশ আনিছিল, তেনেকৈ পৰিৱেশ বিনষ্ট কৰি বনজ সম্পদৰ লুণ্ঠন হৈছিল। মহামান্য আদালতৰ বাধা-নিষেধ পৰিৱেশ ৰক্ষাত সামান্য পৰিমাণে হ'লেও সহায়ক হৈছিল।

প্ৰাক্-স্বাধীনতা কালত স্থাপন হোৱা আন এটা উদ্যোগ হ'ল ধুবুৰী জুইশলা কাৰখানা। ১৯২৫ চনত ছুইডিচ লোকে জুইশলা কাঠীৰ বাবে প্ৰয়োজনীয় শিমলু আদি গছ পোৱাৰ সুবিধালৈ চাই এই কাৰখানা ধুবুৰীত স্থাপন কৰিছিল। AMCO নামেৰে স্থাপন হোৱা কোম্পানিটো পিছলৈ WIMCO নামৰ কোম্পানিয়ে পৰিচালনা কৰিছিল যদিও যোৱা শতাব্দীৰ নৱৈৰ দশকত ৰুগ্ন উদ্যোগ হিচাপে বন্ধ হৈ যায়।

প্ৰাক্-স্বাধীনতা কালত অসমৰ কুটিৰ শিল্পৰ দুৰৱস্থাৰ মাজতো সৰ্থেবাৰী, হাজো, শুৱালকুছি, কৰঙা, কমাৰকুছি, লস্কৰপাবা, বৰপেটা আদি ঠাইত কাঁহ, পিতল, লোহা, হাতী-দাঁতৰ কাম, বয়নশিল্প ইত্যাদিত অংশগ্ৰহণ কৰি ভালেমান লোকে জীৱিকানিৰ্বাহ কৰাৰ লগতে উৎপাদন গোট হিচাপে কামকাজ কৰি অৰ্থনৈতিক দিশত বৰঙণি আগবঢ়াইছিল।

এই কুটিৰ শিল্পসমূহৰ বাহিৰে প্ৰাক্-স্বাধীনতা কালত স্থাপন হোৱা উদ্যোগসমূহ আছিল উপনিৱেশকাৰীসকলৰ প্ৰয়োজনৰ তাগিদাত স্থাপন হোৱা উদ্যোগ। যিবিলাক কেঁচামাল সহজে সৰবৰাহ কৰিব নোৱাৰি সেইবোৰ বজাৰৰ প্ৰতি লক্ষ্য ৰাখি উৎপাদন কৰিছিল। বিশাল চাহ-উদ্যোগ পৰিচালিত হৈছিল কলিকতা আৰু লণ্ডনৰপৰা। তেওঁলোকে অতি প্ৰয়োজন নহ'লে লাভাংশৰ পুনৰ বিনিয়োগ অসমত নকৰিছিল। স্বৰাজোত্তৰ কালৰ প্ৰথম দশকতো এই অৱস্থাৰ পৰিৱৰ্তন হোৱা নাছিল। অসম চৰকাৰে ২০১১ চনত পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ *Assam 2011: A Development Perspective* নামৰ পুথিত আক্ষেপ কৰি লিখিছে যে, ব্ৰিটিছৰ শাসনকালত অসমৰ ঔদ্যোগিক বিকাশ নিচেই নিশকতীয়া আছিল। দেশ স্বাধীন হোৱাৰ পিছত আন আন ৰাজ্যৰ লগত অসমো পৰিকল্পনাৰ আউটিলৈ আহিল যদিও সেই পৰিকল্পনাত শিল্প অৱহেলিত হৈ থাকিল, গুৰুত্ব পালে কৃষিয়ে। এইটো কথা স্পষ্টকৈ ওলাই পৰিছে যে পৰিকল্পনাৰ প্ৰথম দহোটা বছৰত ৰাজ্যখনৰ ঔদ্যোগিক জগৎখন স্থবিৰেই আছিল। ৰাজ্য চৰকাৰে উদ্যোগৰ বিকাশ "স্থবিৰ" বুলি কৈছে যদিও বাস্তৱিকতে স্বাধীনতাৰ পিছৰ সময়ছোৱাত অসমৰ অৰ্থনৈতিক ব্যৱস্থা ক্ৰমান্বয়ে নিম্নগামী হৈছিল। এনে হোৱাৰ মূলতে ভালেমান দিশ সোমাই আছে।

ভাৰত চৰকাৰে স্বাধীনতাৰ পাছৰ বছৰতেই — ১৯৪৮ চনত — ঔদ্যোগিক বিকাশৰ বাবে এটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰিছিল। অৰ্থনৈতিক উন্নয়নৰ প্ৰয়োজনত ঔদ্যোগিক বিকাশ এটা অপৰিহাৰ্য উপাদান হিচাপে বিবেচিত হ'ল। ৰে'ল আৰু আনৱিক শক্তিক ৰাষ্ট্ৰৰ একচেটিয়া দায়িত্ব হিচাপে লোৱা হয় যদিও লো-তীখা, কয়লা, জাহাজ-নিৰ্মাণ, টেলিফোন, অনাতাঁৰ যন্ত্ৰ ইত্যাদিৰ ক্ষেত্ৰত ৰাষ্ট্ৰৰ উদ্যোগত নতুন গোট স্থাপনৰ সিদ্ধান্ত লোৱা হয়। আন উদ্যোগসমূহ ব্যক্তিগত খণ্ডক দিলেও ৰাষ্ট্ৰৰ ক্ৰমাগত অংশগ্ৰহণৰ প্ৰয়োজন অনুভৱ কৰা হয়। ১৯৫৬ চনত কেন্দ্ৰীয় চৰকাৰে সমাজতান্ত্ৰিক ৰাষ্ট্ৰৰ আৰ্হিত সামাজিক উন্নয়নত দায়বদ্ধতাৰ কথা দোহাৰে। এই কথা ব্যক্তিগত খণ্ডকো সোঁৱৰাই দিয়া হয়। এই প্ৰস্তাৱৰ আন উল্লেখনীয় দিশ আছিল বিভিন্ন অঞ্চলৰ মাজত বৈষম্য দূৰ কৰা। এই বৈষম্য দূৰ কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে লোৱা প্ৰস্তাৱসমূহ কিমানখিনি কাৰ্যকৰী কৰা হৈছিল সেইটো অৱশ্যে বিচাৰ কৰি চোৱা দৰকাৰ। বেঙ্গল চেম্বাৰ অৱ কমাৰ্চে প্ৰকাশ কৰা এক তথ্যত দেখা যায় যে ভাৰতবৰ্ষৰ পূৰ্বাঞ্চল, পশ্চিম আৰু মধ্যাঞ্চল, উত্তৰাঞ্চল আৰু দক্ষিণাঞ্চলৰ ৰাজ্যসমূহৰ মাজত এনে



বৈষম্য দূৰ কৰাৰ প্ৰচেষ্টা আশানুৰূপ নাছিল। তেওঁলোকে প্ৰকাশ কৰা পৰিসংখ্যাতেই এই কথা স্পষ্ট হৈছে। ১৯৪৮-৪৯ চনত পূৰ্বাঞ্চলত পঞ্জীয়নভুক্ত কাৰখানাৰ সংখ্যা আছিল ৩৪.৭২ শতাংশ। ১৯৮৭-৮৮ চনত ই কমি আহি হ'লগৈ ১২.০২ শতাংশ। আনহাতে ১৯৪৮-৪৯ চনত পশ্চিম আৰু মধ্যাঞ্চল, উত্তৰাঞ্চল আৰু দক্ষিণাঞ্চলত ই হ'ল যথাক্ৰমে ২৩.৮১ শতাংশ, ১৭.৫৩ শতাংশ আৰু ২৩.৯৪ শতাংশ। আকৌ ১৯৮৭-৮৯ চনত হয়গৈ যথাক্ৰমে ২৮.৭২ শতাংশ, ২৩.৮৭ শতাংশ আৰু ৩৫.৩৯ শতাংশ। আন অঞ্চলসমূহত শতাংশৰ বৃদ্ধি হৈছে কিন্তু পূৰ্বাঞ্চলত শতাংশৰ হ্ৰাস হৈছে। সেইদৰে LOI পোৱা উদ্যোগৰ ক্ষেত্ৰত সংখ্যাৰ তাৰতম্য আছে। ১৯৫৬ চনৰ প্ৰস্তাৱ অনুসৰি অনগ্ৰসৰ ৰাজ্যসমূহৰ প্ৰতি বিশেষ চকু দিয়া হোৱা নাছিল। LOI পোৱাৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চল ১৯৮৮ চন পৰ্যন্ত আছিল দেশৰ ভিতৰত সৰ্বনিম্ন আৰু মহাৰাষ্ট্ৰই লাভ কৰিছিল সৰ্বাধিক অনুজ্ঞাপত্ৰ। পৰিকল্পনা আয়োগে ৱাঞ্চু আৰু পাণ্ডে কৰ্মগোট গঠন কৰি অনগ্ৰসৰ অঞ্চলক সাহায্য প্ৰদানৰ বিষয়টো অধ্যয়ন কৰিবলৈ দিছিল। কেন্দ্ৰীয় চৰকাৰে এই গোটে দিয়া কেতবোৰ পৰামৰ্শ গ্ৰহণ কৰিছিল।

স্বৰাজোত্তৰ কালৰ প্ৰথম তিনিটা দশকত অসমৰ ঔদ্যোগিক বিকাশৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ আছিল সম্পূৰ্ণ নিৰ্লিপ্ত। ৰাজ্য চৰকাৰৰো কোনো বিশেষ নীতিৰ জড়িয়তে যোগে উদ্যোগ প্ৰতিষ্ঠাৰ বাবে বিনিয়োগ আকৰ্ষণৰ প্ৰচেষ্টা ১৯৮২ চন পৰ্যন্ত নাছিল। ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ ধ্যান-ধাৰণাত অসমৰ অনগ্ৰসৰতাৰ বিষয়টোৱে ঠাই পাইছিল অসম আন্দোলনৰ সময়ত, যদিও এই আন্দোলন বিদেশী নাগৰিক বহিষ্কাৰ আন্দোলন আছিল। এই স্বতঃস্ফূৰ্ত ব্যাপক আন্দোলনৰ উঁহ বিচাৰি যাওঁতে ৰাজ্যখনৰ অনগ্ৰসৰতা তথা আঞ্চলিক বৈষম্য বিষয় দুটাই বিভিন্ন মহলৰ আলোচনাত ঠাই পাইছিল। "তেজ দিম, তেল নিদিওঁ" এনে স্বতঃস্ফূৰ্ত ধ্বনিৰ অন্তৰালত কেন্দ্ৰীয় চৰকাৰৰ চৰম বৈষম্যৰ কথা মানুহৰ মনত শিপাইছিল।

অসমৰ তৈলক্ষেত্ৰ বিশ্বৰ অতি পুৰণি তৈলক্ষেত্ৰসমূহৰ ভিতৰত অন্যতম। স্বাধীনতাৰ পিছত তেল উদ্‌ঘাটনৰ আটাইতকৈ ডাঙৰ সাফল্য আছিল ১৯৫৩ চনত নাহৰকটীয়া এক নম্বৰ তেল খাদ উদ্‌ঘাটন। স্বাধীন ভাৰতৰ খাৰুৱা তেলৰ ইতিহাসত ই আছিল এক অন্যতম গুৰুত্বপূৰ্ণ সংযোজন। তাৰ কিছুদিনৰ পাছত ১৯৫৬ চনত মৰাণত তেলৰ সন্ধান পোৱা গ'ল। কিন্তু এই বৃহৎ তৈল ভাণ্ডাৰৰপৰা অসমক উপকৃত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে এটা শোধনাগাৰ নিৰ্মাণৰ প্ৰয়োজনীয়তা অনুভৱ নকৰিলে। ১৯৬২ চনত প্ৰায় ১৪০০ কিলোমিটাৰ দীৰ্ঘ অসম, বঙ্গ, বিহাৰ তিনিখন ৰাজ্য ছোৱাকৈ পাইপ-লাইন বহুৱাই বাৰাউনিত বৃহৎ শোধনাগাৰ নিৰ্মাণৰ ব্যৱস্থা লোৱা হ'ল। অসমৰ মানুহে ব্যাপক আন্দোলন কৰা বাবে এটা সৰু শোধনাগাৰ গুৱাহাটীৰ নুনমাটিত স্থাপন কৰাৰ সিদ্ধান্ত ল'লে। স্বাধীনতাৰ প্ৰথম তিনিটা দশকত নিৰ্মাণ হোৱা উদ্যোগসমূহৰ ভিতৰত

নুনমাটি শোধনাগাৰ আছিল উদ্যোগস্থাপনৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ প্ৰথম প্ৰচেষ্টা। কিন্তু অসমৰ বাবে ই এক পুতলা শোধনাগাৰৰ বাহিৰে আন একো নাছিল। নাহৰকটীয়া শোধনাগাৰৰপৰা নিৰ্গত গেছৰ ব্যৱহাৰৰ বাবে ১৯৬৬ চনত নামৰূপত সাৰ-কাৰখানা স্থাপিত হ'ল। নামৰূপ ১, নামৰূপ ২, নামৰূপ ৩ — এই সাৰ-কাৰখানা তিনিটা এসময়ত আছিল দেশৰ ভিতৰত গুৰুত্বপূৰ্ণ সাৰ-উৎপাদন গোট। বৰ্তমান এই উদ্যোগটোক পুনৰ লাভজনকভাৱে কাৰ্যক্ষম কৰাৰ প্ৰচেষ্টা চলিছে। অবিভক্ত অসমৰ চেৰাপুঞ্জীত ১৯৫৫ চনত চিমেণ্ট কাৰখানা স্থাপন কৰা হয়। ১৯৭৭ চনত বোকাজান চি চি আই-য়ে এটা চিমেণ্ট কাৰখানা স্থাপন কৰিছিল। ১৯৭১ চনত ৰাজ্য চৰকাৰৰ যুটীয়া খণ্ডত দ্বাৰভাঙ্গাৰ ৰজাৰ সৈতে অশোক কাগজ কল স্থাপন কৰা হয়। মৰিগাঁৱৰ জাগীৰোড আৰু কাছাৰৰ পঞ্চগ্ৰামত দুটা কাগজ কল হিন্দুস্থান কাগজ নিগমে ডিমা হাচাও আৰু কাৰ্বি আংলঙৰ বাঁহৰ ওপৰত নিৰ্ভৰ কৰি স্থাপন কৰিছিল।

অসম কটন মিল উত্তৰপাৰ চাৰিদুৱাৰত স্থাপন কৰা হৈছিল। বৰ্তমান এই কপাহ কল বন্ধ হৈ আছে। অসম চৰকাৰৰ ৰাজহুৱা খণ্ডত গেছ পৰিবহণ আৰু বিতৰণৰ উদ্দেশ্যে অসম গেছ কোম্পানি আৰু মিথানল আদি উৎপাদন কৰিবলৈ অসম পেট্ৰ'-কেমিকেল লিমিটেড স্থাপন কৰা হয়। ১৯৭৪ চনত বঙাইগাঁৱত স্থাপন কৰা বঙাইগাঁও ৰিফাইনেৰি এণ্ড পেট্ৰ'কেমিকেলছ লিমিটেড (BRPL) নামে জনাজাত। গুৱাহাটীত ইণ্ডিয়া কাৰ্বন আৰু আসাম কাৰ্বন ব্যক্তিগত খণ্ডত স্থাপিত হোৱা দুটা উদ্যোগ।

ৰাজ্য চৰকাৰে পৰিকল্পনাৰ দুটা দশকত ঔদ্যোগিক বিকাশ স্থবিৰ আছিল বুলি উল্লেখ কৰিছে। যাতায়াত আৰু বিদ্যুৎ উৎপাদনৰ উন্নতি এই জড়তা ভঙাৰ বাবে নিতান্ত প্ৰয়োজন আছিল। উমিয়াম জলবিদ্যুৎ প্ৰকল্প, নাহৰকটীয়াৰ গেছেৰে বিদ্যুৎ উৎপাদনৰ নামৰূপ থাৰ্মেল প্ৰকল্প আৰু লগতে ৰে'ল সংযোগৰো কিছু উন্নতি হৈছিল পাছৰ সময়ছোৱাত। National Council for Applied Economic Research নামৰ এটা সংস্থাই উদ্যোগৰ সম্ভাৱনীয়তাৰ বিষয়ে এটা জৰীপ চলায়। ৰাজ্য চৰকাৰে ১৯৬৫ চনৰ ২১ এপ্ৰিলত অসম ঔদ্যোগিক উন্নয়ন নিগম (AIDC) স্থাপন কৰে। প্ৰথমতে "মেজৰ" (Major) শব্দটো ব্যৱহাৰ কৰি AMIDC বুলি কোৱা হৈছিল যদিও পাছত "মেজৰ" শব্দটো উঠাই দিয়া হয়। ১৯৬১-৬২ চনত ক্ষুদ্ৰ উন্নয়ন নিগম (ASIDC) স্থাপন কৰা হয়। চৰকাৰে মৰাপাটভিত্তিক কেইবাটাও মিল খোলাৰ সিদ্ধান্ত লৈছিল যদিও শিলঘাটত সমবায় খণ্ডত অসম সমবায় মৰাপাট কল লিমিটেড খোলা হয়। বৰুৱা-বামুণগাঁৱত কুঁহিয়াৰভিত্তিক সমবায় খণ্ডৰ এটা চেনিকল স্থাপন কৰা হৈছিল। পৰৱৰ্তী সময়ত কামপুৰ আৰু কাছাৰ চেনিকলকে ধৰি আটাইকেইটা সমবায়ভিত্তিক চেনিকল বন্ধ হৈ যায়।

অসমৰ ঔদ্যোগিক বিকাশ ১৯৫০-৬০ চনলৈকে চৰকাৰে কোৱা



অনুসৰিয়েই স্থবিৰ। প্ৰকৃততে এই জড়তা ১৯৮০ চন মানলৈকে প্ৰায় একেই আছিল। গতিকে ১৯৫০ চনৰপৰা ১৯৮০ চনলৈকে বিস্তৃত কালছোৱাক এটা অধ্যায় বুলি গণ্য কৰিলে ১৯৮১ চনৰপৰা ১৯৯৭ চনৰ কালছোৱাক আন এটা অধ্যায় বুলিব লাগিব। ১৯৯৭ চনৰ পৰৱৰ্তী সময়ছোৱা নতুন উদ্যোগ নীতিৰ ফলত সৃষ্টি হোৱা নতুন পৰিৱেশৰে আন এটা অধ্যায়ৰ আৰম্ভণি। ১৯৫০-৮০ দশক তিনিটাত অসমত হোৱা ঔদ্যোগিক কাৰ্যকলাপৰ বিষয়ে ইতিমধ্যে উল্লেখ কৰা হৈছে। আঞ্চলিক বৈষম্য আৰু উন্নয়নমূলক চিন্তা-চৰ্চাৰ কথা অধিক গুৰুত্ব সহকাৰে ১৯৮০ চনৰপৰা আৰম্ভ হৈছিল। অসম আন্দোলনে এই দিশত চকু মুকলি কৰিছিল।

অসম চৰকাৰৰ এসময়ৰ মুখ্য সচিব হৰেন্দ্ৰনাথ দাসে লিখিছে যে অসমৰ পৰিকল্পনা আৰু উন্নয়ন আয়ুক্ত হিচাপে তেওঁ ১৯৮৪-৮৫ চনত পাঁচ বছৰীয়া পৰিকল্পনা প্ৰস্তুত কৰা সময়ত ৰাজ্যখনৰ পূৰ্ববৰ্তী কেবা দশকৰ অৰ্থনৈতিক উন্নয়ন প্ৰক্ৰিয়াৰ মৌলিক গতি-প্ৰকৃতিসমূহৰ বিষয়ে যথেষ্ট গৱেষণা চলাইছিল। তেওঁ লক্ষ্য কৰে যে উন্নয়নৰ সমগ্ৰ পৰ্যায় জুৰি বৃদ্ধিৰ ৰাষ্ট্ৰীয় গড়ৰ তুলনাত অসমৰ অৰ্থনৈতিক বৃদ্ধিৰ হাৰ অতিকৈ মন্থৰ। দ্বিতীয়তে ১৯৭০-৭১ চনৰ স্থিৰ মূল্যৰ হিচাপত অসমৰ জনমূৰি আয়ৰ পৰিমাণ আছিল ৫০.৪৪ টকা, যিটো ১৯৫০-৫১ চনৰ সৰ্বভাৰতীয় গড় জনমূৰি আয়তকৈ বেছি। ১৯৬০ৰ দশকৰপৰা অসমৰ জনমূৰি আয় সৰ্বভাৰতীয় গড় আয়তকৈ পিছুৱাই যোৱাটো আৰম্ভ হয়। ১৯৮৪-৮৫ চনত অসমৰ জনমূৰি আয়ৰ পৰিমাণ হয়গৈ ২১২.৯০ টকা, যিটো সৰ্বভাৰতীয় গড়ৰ তুলনাত কম।

ইয়াৰপৰা এইটো স্পষ্ট হয় যে চৰকাৰী পৰ্যায়তো "মন্থৰ অৰ্থনীতি"ৰ কাৰণ উদ্‌ঘাটনৰ দিশটোৱে ব্যাপক জনজাগৰণৰ পাছতহে গুৰুত্ব লাভ কৰিছিল। ১৯৫০-৮০ চনৰ কালছোৱাত অসমৰ ৰাজনৈতিক আৰু সামাজিক জীৱন সুস্থিৰ আছিল। সেই পৰিৱেশত কেঁচামালৰে উৰ্ভৈনদী অসমত উদ্যোগ গঢ় লোৱাটো আছিল স্বাভাৱিক। কিন্তু সেয়া নহ'ল। অসমৰ চাহ বা কেঁচামালৰ ব্যৱসায় কৰি লাভৱান হোৱা প্ৰায়বিলাক ব্যৱসায়ী বা উদ্যোগপতিয়ে লাভৰ টকাটোৰ চাৰিভাগৰ এভাগো অসমত বিনিয়োগ কৰিবলৈ বা অসমৰ কল্যাণৰ কামত ব্যৱহাৰ কৰিবলৈ আগ্ৰহী নহ'ল। বিদেশী চাহ-কোম্পানিসমূহে ভাৰত চৰকাৰৰ FERA (Foreign Exchange Management Act)ৰ কবলত পৰি বহু ভাৰতীয় বণিকৰ হাতত চাহবাগান বিক্ৰী কৰে। এই ভাৰতীয় পুঁজিপতিসকলৰ মনোবৃত্তিৰ সলনি হোৱা তো দূৰৰে কথা বৰং অধিক শোষণতহে তেওঁলোকে মনোনিৱেশ কৰিলে। ভাৰত চৰকাৰে খাৰুৱা তেলৰপৰা ১৪০০ কিলোমিটাৰ দূৰত শোধনাগাৰ পাতিবলৈ বহু কোটি টকাৰ পাইপ লাইন বহুৱাত ধন বিনিয়োগ কৰিলে। কিন্তু বৰোদাত IPCL (Indian Petrochemicals Corporation Limited)ৰ যোগে গেছ আৰু তেলৰপৰা উৎপাদন হোৱা সামগ্ৰীৰে বিভিন্ন উদ্যোগ স্থাপন কৰাৰ

দৰে অসমত তেনে উদ্যোগ স্থাপন কৰাৰ প্ৰয়াস নকৰিলে। অসমত গুজৰাটতকৈয়ো কেইবা দশকৰ আগতে তেল উদ্‌ঘাটন হোৱা সত্ত্বেও প্ৰাকৃতিক তেলক ভিত্তি কৰি অসমত তৈলভিত্তিক কোনো উল্লেখযোগ্য উদ্যোগ গঢ়ি নুঠিল। বহু যুঁজবাগৰৰ পাছত যোৱা ২০০৬ চনত ডিব্ৰুগড়ৰ লেপেটকটাত এটা পেট্ৰ'কেমিকেল কমপ্লেক্সৰ কাম আৰম্ভ হৈছে। ই অসম আন্দোলন আৰু অসম চুক্তিৰ ৭ নম্বৰ দফাৰ অন্যতম প্ৰাপ্তি।

১৯৮০ৰ দশকৰপৰা আৰম্ভ হোৱা আঞ্চলিক বৈষম্যৰ চিন্তা-চৰ্চাৰ বাবে ভাৰত চৰকাৰে এল চি জৈন কমিটী আৰু এচ পি শুক্লা কমিটী ১৯৯০ৰ দশকত গঠন কৰিছিল। অসম চৰকাৰেও ড° জয়ন্ত মাধৱৰদ্বাৰা ঔদ্যোগিক বিকাশৰ কেৰোণ আৰু সম্ভাৱনাৰ বিষয়ত অধ্যয়ন কৰিছিল। ইয়াৰ বাহিৰেও ভালেমান বিশেষজ্ঞই বিভিন্ন পৰ্যায়ত ইয়াৰ অনুসন্ধান চলাইছিল।

অসম চুক্তিৰ ৭ নম্বৰ দফাত অসমৰ উন্নয়ন প্ৰসঙ্গই ঠাই পাইছিল। আগতে উল্লেখ কৰা বিশিষ্ট গান্ধীবাদী অৰ্থনীতিবিদ লক্ষ্মীচান্দ জৈনৰ পৰামৰ্শ আছিল বিভিন্ন দিশত পথ মুকলি কৰিব পৰা বিধৰ। নুমলীগড় শোধনাগাৰ হৈছিল অসম চুক্তিৰ আধাৰত। প্ৰথমবাৰৰ বাবে ৰাজ্য চৰকাৰ তেল শোধনাগাৰৰ অংশীদাৰ হৈছিল। ১৯৭০ চনৰপৰা ১৯৯৭ চনলৈকে অসমৰ ঔদ্যোগিক বিকাশৰ হাৰ আছিল ২.৬ শতাংশ, য'ত সৰ্বভাৰতীয় হাৰ আছিল ৪.৮ শতাংশ। ১৯৮৯-৯০ চনত ভি পি সিঙৰ নেতৃত্বাধীন নেচনেল ফ্ৰণ্ট চৰকাৰে অসমক বিশেষ শ্ৰেণীভুক্ত ৰাজ্য হিচাপে গণ্য কৰিছিল। অসমৰ বাবে ই অতি গুৰুত্বপূৰ্ণ আছিল। কাৰণ তেতিয়ালৈকে গেদগিল সূত্ৰ অনুসৰি ৭০ শতাংশ ঋণ আৰু ৩০ শতাংশ অনুদানৰ ভিত্তিত ৰাজ্য চৰকাৰে কেন্দ্ৰৰপৰা ধন পাইছিল। বিশেষ শ্ৰেণীভুক্ত ৰাজ্য হোৱাৰ পাছত মাত্ৰ ১০ শতাংশ ঋণ আৰু ৯০ শতাংশ অনুদান হিচাপে পাইছিল। ৰাজ্যৰ অৰ্থনীতিৰ বাবে ই আছিল এক ডাঙৰ সকাহ।

অসমত পৰ্যাপ্ত পৰিমাণে খোৱা তেল, মাছ, দালি আদি নিত্য ব্যৱহাৰ্য সামগ্ৰী উৎপাদন নোহোৱা কাৰণে অসমৰ বাহিৰৰপৰা প্ৰায় ৭০০ কোটি টকাৰ সামগ্ৰী আহিছিল বুলি অৰ্থনীতিবিদ লক্ষ্মীচান্দ জৈনে তেতিয়া ঠাৱৰ কৰিছিল। এই বৃহৎ পৰিমাণৰ ধন ৰাজ্যৰ বাহিৰলৈ যোৱাটো ৰাজ্য অৰ্থনীতিৰ বাবে আছিল ক্ষতিকাৰক।

অসম তথা উত্তৰ-পূৰ্বাঞ্চললৈ ১৯৯৬ চনত প্ৰধানমন্ত্ৰী এইচ ডি দেৱেগৌড়া আহিছিল আৰু অঞ্চলটো প্ৰায় এসপ্তাহ ভ্ৰমণ কৰিছিল। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ অনগ্ৰসৰতাৰ বিষয়ত এক নতুন উদ্যোগী পদক্ষেপ লোৱাত দেৱেগৌড়া আছিল এজন দৰদী প্ৰধানমন্ত্ৰী। তেওঁৰ এই নতুন উদ্যোগৰ ফলতেই উচ্চক্ষমতাসম্পন্ন এছ পি শুক্লা কমিটী আৰু ক্ষুদ্ৰ উদ্যোগৰ সচিব এছ এছ বোপা ৰায়ৰ অধ্যক্ষতাত শিক্ষিত নিবনুৱাৰ সমস্যা সমাধানকল্পে গঠিত আন এখন কমিটীয়ে অঞ্চলটোৰ সমস্যাসমূহ খৰচি মাৰি অধ্যয়ন কৰে।



স্বৰাজৰ পাছত দেশ-বিভাজনে আনি দিয়া দুৰ্যোগ আছিল অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ ক্ষেত্ৰত এক প্ৰধান অন্তৰায়। ২০০২ চনত পৰিকল্পনা আয়োগে Assam Development Reportত ঔদ্যোগিক বিকাশৰ মন্থৰ গতিৰ অন্যতম কাৰক হিচাপে অনুন্নত আৰু প্ৰতিকূল যোগাযোগ ব্যৱস্থা বুলি ঠাৱৰ কৰিছে। দেশ-বিভাজনে অসম তথা উত্তৰ-পূৰ্বাঞ্চলত "a huge transport access disadvantage"ৰ সৃষ্টি কৰিলে। উদ্যোগসমূহৰ বজাৰ আৰু উৎপাদন হোৱা ঠাইৰ মাজত পৰিবহণ ব্যৱস্থাৰ অত্যধিক খৰচৰ বাবে বাহিৰৰ উদ্যোগৰ লগত ফেৰ মাৰিব নোৱৰা অৱস্থা হ'ল। শুক্লা কমিটীৰ প্ৰতিবেদনত ব্যক্ত হৈছে যে দেশ-বিভাজনে অঞ্চলটোৰ ভৌগোলিক আৰু ৰাজনৈতিক দূৰত্ব বঢ়াইছে। প্ৰায় ৪,৫০০ কিলোমিটাৰ সীমান্ত ভূটান, চীন, ম্যানমাৰ আৰু বাংলাদেশৰে সৈতে সংযুক্ত। মাত্ৰ ২২ কিলোমিটাৰ বহল ভূখণ্ড শিলিগুৰি corridorৰ যোগে দেশৰ ভূখণ্ডৰ লগত সংলগ্ন হৈ থাকিল। বজাৰৰ সৈতে প্ৰায় সংযোগহীনতাৰ ভয়াবহ ৰূপটো অনুধাৱন কৰি যথোপযুক্তভাৱে তাৰ নিৰাময়ৰ ব্যৱস্থা কৰা নহ'ল। আগৰতলা আৰু কলিকতাৰ মাজৰ দূৰত্ব ৩০০ কিলোমিটাৰৰ ঠাইত সোতৰশ (১৭০০) কিলোমিটাৰ হ'ল। গুৱাহাটী আৰু কলিকতাৰ দূৰত্বও ৫০০ কিলোমিটাৰ বাঢ়িল। শিলিগুৰিৰ "কুকুৰা ডিঙি" (chicken neck) ঔদ্যোগিক বিকাশৰ প্ৰধান অন্তৰায় আছিল। স্বাধীনতাৰ পিছত জল-পৰিবহণৰ কম খৰচী সেৱা বন্ধ হ'ল। চট্টগ্ৰাম আৰু কলিকতা বন্দৰৰ সুবিধা বিঘ্নিত হ'ল। পথ-পৰিবহণ আৰু মিটাৰ ৰে'লত হোৱা পৰিবহণে এটা অৰ্থনৈতিক শ্বাসৰুদ্ধকৰ পৰিস্থিতিৰ সৃষ্টি কৰিলে। এতিয়া তিনিচুকীয়ালৈ ব্ৰডগজ, ব্ৰহ্মপুত্ৰৰ দলং আৰু বহল পথৰ ব্যৱস্থাই কিছু উন্নতি কৰিছে যদিও বিশেষ পৰিৱৰ্তনৰ বাবে আৰু অপেক্ষা কৰিব লাগিব।

হয়তো ভাৰত চৰকাৰৰ পূবলৈ চোৱা নীতি (Look East Policy) কাগজে-কলমে নাথাকি কাৰ্যত পৰিণত হোৱা হ'লে আৰু দক্ষিণ-পূব এছিয়াৰ "এছিয়ান ব্যাঘ্ৰ"সকলৰ লগত ব্যৱসায়ৰ দুৱাৰ মুকলি হোৱা হ'লে, অসমে এই দেশবোৰৰ লগত এটা ডাঙৰ বাণিজ্যিক সম্পৰ্ক গঢ়ি তোলাৰ সুযোগ পালেহেতেন। ষ্টীৱেল পথ, এছিয়ান হাইৱে আদি পৰিকল্পনাবোৰ বাস্তৱায়নৰ জৰিয়তে অসম এক বাণিজ্যিক আৰু ঔদ্যোগিক বিকাশৰ কেন্দ্ৰবিন্দু হৈ উঠাৰ উজ্জ্বল সম্ভাৱনা আছে। প্ৰাচীন অসমত যেনেকৈ প্ৰাগজ্যোতিষপুৰৰ যোগেদি চীন দেশলৈ সোণালী সূতাৰ ব্যৱসায় হৈছিল তেনেদৰে মৰে (Moreh), সুতাৰকান্দি আদিৰ দৰে ব্যৱসায়ৰ দুৱাৰ আন কেইবা ঠাইতো সুচলভাৱে হ'লে পূবলৈ চোৱা নীতি (Look East Policy)ৰ সাৰ্থকতা হ'ব।

১৯৮০ৰ দশকৰ পাছত ঔদ্যোগিক বিকাশত বাধাৰ সৃষ্টি কৰা আন এক ব্যাধি হ'ল উগ্ৰপন্থীৰ সমস্যা আৰু ধন-দাবী। চৰকাৰী প্ৰশাসনৰ কাৰ্যদক্ষতাৰ অভাৱে এনে পৰিৱেশত ইন্ধন যোগাইছে।

উক্ত দশকটোৰ পিছৰপৰা ৰাজ্য চৰকাৰে উদ্যোগীসকলক নিজাববীয়াকৈ উদ্যোগ স্থাপনত উৎসাহ দিবৰ কাৰণে কিছুমান ব্যৱস্থা গ্ৰহণ কৰিছিল। অসমত ৰাষ্ট্ৰপতিৰ শাসনকালত — ১৯৮২ চনৰ ১৫ অক্টোবৰত — ৰাজ্যখনৰ ব্যক্তিগত উদ্যোগত শিল্পস্থাপনৰ বাবে কিছুমান উদগনিমূলক নীতি ঘোষিত হৈছিল। ইয়াকে 1982 Scheme বোলে। এই নীতিৰ সুযোগ লৈ ৰাজ্যখনত উদ্যোগ স্থাপন কৰিবলৈ চৰকাৰে উদ্যোগী লোকসকলক আহ্বান জনাইছিল।

১৯৮৬ চনত অসম গণ পৰিষদ চৰকাৰৰ দিনত এখন ঔদ্যোগিক নীতি ঘোষণাৰ যোগেদি ৰাজ্য চৰকাৰে উদ্যোগৰ দিশত ল'বলগীয়া ব্যৱস্থাৰ এক স্পষ্ট ৰূপৰেখা দাঙি ধৰে। তাৰ পাছত ১৯৯১, ১৯৯৭, ২০০৩, ২০০৮ আৰু ২০১৩ চনত কিছু সাল-সলনিৰে ৰাজ্য চৰকাৰৰ উদ্যোগ-নীতি ঘোষিত হৈছিল।

শ্ৰীমনমোহন সিঙে বিত্তমন্ত্ৰী হৈ থকা কালত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ঔদ্যোগিক প্ৰতিষ্ঠানসমূহক — বিশেষকৈ মজলীয়া আৰু ক্ষুদ্ৰ উদ্যোগক — ঋণদানৰ উদ্দেশ্যে নেড্‌ফি (NEDFi অৰ্থাৎ North-Eastern Development Finance Corporation) নামৰ এটা বিত্তীয় অনুষ্ঠান স্থাপন কৰিছিল। ১৯৯৫ চনৰ ৯ আগষ্টত অনুষ্ঠানটি প্ৰতিষ্ঠা কৰা হৈছিল। সেই সময়ত প্ৰধানমন্ত্ৰী আছিল নৰসিংহ ৰাও। ইউনাইটেড ফ্ৰণ্ট চৰকাৰৰ প্ৰধানমন্ত্ৰী দেৱেগৌড়াৰ দিনত উত্তৰ-পূবৰ প্ৰতি বিশেষ গুৰুত্ব দিয়া হৈছিল। সেই নীতি এন ডি এ চৰকাৰৰ দিনত প্ৰধানমন্ত্ৰী অটলবিহাৰী বাজপেয়ীয়ে প্ৰধানমন্ত্ৰীৰ পেকেজত অঞ্চলটোৰ ঔদ্যোগিক উন্নয়নৰ বাবে বজায় ৰাখে। ১৯৯৭ চনৰ ২৪ ডিচেম্বৰত উত্তৰ-পূৰ্বাঞ্চল ঔদ্যোগিক নীতি ঘোষণা কৰা হয়। কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ চৰকাৰ কেইখনৰপৰা পোৱা অহৰহ হেঁচাত এই নীতি ঘোষণা কৰিছিল। এই নীতিৰ যোগে আগবঢ়োৱা প্ৰস্তাৱসমূহৰ ভিতৰত আছিল আবকাৰী কৰ ৰেহাই, মূলধন বিনিয়োগৰ বাবে ৰাজসাহায্য ইত্যাদি। ১০ বছৰলৈ এই নীতি কাৰ্যকৰীকৰণৰ বাবে সিদ্ধান্ত লোৱা হৈছিল। এই নীতি North-East Industrial and Investment Policy নামেৰে ২০০৭ চনত ঘোষণা কৰি আৰু দহ বছৰলৈ বৃদ্ধি কৰা হয়।

চৰকাৰৰ ঔদ্যোগিক বিকাশৰ বাবে লোৱা এই নীতিৰ ফলত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ উদ্যোগ স্থাপন আৰু বিনিয়োগৰ দিশটোত হোৱা পৰিৱৰ্তনৰ দিশবোৰ চোৱা দৰকাৰ। ১৯৭৭ চনত জনতা পাৰ্টিৰ চৰকাৰ থকা সময়ত তেতিয়াৰ উদ্যোগী মন্ত্ৰী জৰ্জ ফাৰ্নাণ্ডেজে জিলা উদ্যোগ কেন্দ্ৰ স্থাপনেৰে এটা নতুন পদক্ষেপ লৈছিল। পৰৱৰ্তী সময়ত প্ৰধানমন্ত্ৰী ৰোজগাৰ যোজনাৰ অধীনত দিয়া ঋণে বহু ক্ষুদ্ৰ ঔদ্যোগিক প্ৰতিষ্ঠান স্থাপনত উৎসাহিত কৰিছিল। ভাৰত চৰকাৰে ৰাজ্যসমূহত যুথ বান্ধি উদ্যোগ গঢ়ি তুলিবলৈ Industrial Growth Centre (উদ্যোগ বিকাশ কেন্দ্ৰ) গঠনত উদগনি দিছিল। অসমৰ গোৱালপাৰা জিলাৰ মাতিয়াত আৰু শোণিতপুৰ জিলাৰ বালিপাৰাত এনে ডাঙৰ উদ্যোগ



কেন্দ্ৰ স্থাপন হয়। ইয়াৰ উপৰি আমিনগাঁৱত EPIP, ভোমোৰাগুৰি, নলবাৰী, ৰঙিয়া, তিতাবৰ, দলগাঁও, মালিনীবিল, শিলাপথাৰ, বান্দৰদেৱা আদিত আই আই ডি ক্ষুদ্ৰ উদ্যোগৰ বাবে কেন্দ্ৰীয় চৰকাৰে সাহায্য প্ৰদান কৰিছে। প্ৰতিখন জিলা সদৰত ইণ্ডাষ্ট্ৰিয়েল ষ্টেটসমূহ আছে। AIIDC (Assam Industrial Infrastructure Development Corporation) গঠন হোৱাৰ পাছত ১৯৯৯-২০০০ চনত এই ইণ্ডাষ্ট্ৰিয়েল ষ্টেটসমূহৰ প্ৰায়বোৰক এই AIIDCৰ অধীনলৈ অনা হয়। যোৱা দুটা দশকত সীমান্ত-বাণিজ্যৰ বাবে কৰিমগঞ্জ জিলাৰ সুতাৰকান্দিত আৰু ২০০০ চনত ধুবুৰী জিলাৰ মানকাচৰত দুটা বি টি চি (Border Trade Centre) স্থাপন কৰা হয়। এই সময়ছোৱাত বিশেষকৈ উত্তৰ কাছাৰৰ চুণ-শিলৰ ওপৰত নিৰ্ভৰ কৰি চিমেণ্ট ফেক্টৰি স্থাপন কৰা হৈছে। ডুমডুমাত হিন্দুস্থান লিভাৰ প্ৰসাধন-সামগ্ৰী উৎপাদনৰ এটা উদ্যোগ। আবকাৰী কৰ ৰেহাই পোৱা প্ৰসাধন উদ্যোগৰ উপৰি ঔষধ উদ্যোগ আৰু কেইবাটাও ৰ'লিং মিল স্থাপন কৰা হৈছে। এই উদ্যোগসমূহ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ ১৯৯৭ চনৰ শিল্পনীতিৰ ফল বুলিব পাৰি। পৰৱৰ্তী সময়ত সংশোধিত নীতিসমূহৰ কিছু সুফল ফলিছে।

ভাৰত চৰকাৰে বহু বছৰ আগৰেপৰা উত্তৰ-পূৰ্বাঞ্চলৰ উদ্যোগসমূহলৈ পৰিবহণ শিতানত ৰাজসাহায্য আগবঢ়াই আহিছে। বহু সময়ত ইয়াৰ অপব্যৱহাৰ হোৱাৰ অভিযোগ আছে। ১৯৯৭ চনৰ পৰৱৰ্তী সময়ত ভাৰত চৰকাৰৰ উদ্যোগ নীতিয়ে বিনিয়োগ-প্ৰৱণতা বৃদ্ধি কৰিছিল। কিন্তু ২০০৩-২০০৪ চনত কেন্দ্ৰীয় চৰকাৰে একেবিলাক সা-সুবিধা উত্তৰাখণ্ড, হিমাচল প্ৰদেশ আদি কেইখনো ৰাজ্যলৈ আগবঢ়ায়। স্বাভাৱিকতে আওহতীয়া, যাতায়াতৰ অসুবিধা থকা, সন্ত্ৰাস-জৰ্জৰিত অসম তথা উত্তৰ-পূৰ্বাঞ্চল আৰু জম্মু-কাশ্মীৰৰ লগত আন ৰাজ্যক একাকাৰ কৰি দিয়াত যি-উদ্দেশ্যত এই নীতি গ্ৰহণ কৰা হৈছিল সেই উদ্দেশ্য ফলৱতী নহৈ বৰং কেন্দ্ৰৰ বহুঘোষিত "দৰদী নীতি"ৰ পৰিপন্থী হৈ উঠিল।

ৰাজ্য চৰকাৰৰ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ দুৰৱস্থাই উদ্যোগ পৰিচালনাত চৰকাৰী নীতিৰ ব্যৰ্থতা প্ৰমাণ কৰিছে। এসময়ত ৰুগ্ণ চাহ-উদ্যোগ বচাবলৈ অসম চাহ নিগম গঠন কৰা হৈছিল। কিন্তু সেই ৰুগ্ণ অৱস্থাৰ আজিও পৰিৱৰ্তন নহ'ল। অশোক পেপাৰ মিল অসম চুক্তিত অন্তৰ্ভুক্ত কৰাৰ পাছতো কেন্দ্ৰীয় চৰকাৰৰ সাহায্যৰে ব্যক্তিগত খণ্ডই শিল্প-পৰিচালনাৰ দায়িত্ব লৈ সফল হ'ব নোৱাৰিলে। বঙাইগাঁও শোধনাগাৰ আৰু পেট্ৰ'কেমিকলৰ উপৰি সাতটামান সূতা-কল স্থাপন হ'ব বুলি অসমৰ ৰাইজে ধাৰণা কৰিছিল যদিও সূতাকলৰ উত্তৰোত্তৰ আধুনিকীকৰণৰ প্ৰয়োজনীয়তা, প্ৰয়োজনীয় কেঁচামালৰ অভাৱ আৰু বৃহৎ বজাৰৰ লগত সুচল সংযোগৰ অভাৱৰ ফলত অসম চিনটেক্স, অসম পলিটেক্স, এপ'ল' ইত্যাদি সূতাকলৰ লগতে জাগীৰোড সূতাকলো কাৰ্যতঃ বন্ধ হৈ যায়। পৰিচালনাৰ ত্ৰুটি — বিশেষকৈ নিষ্ঠাৱান আৰু সুদক্ষ লোকৰ অভাৱ

—ইয়াৰ বাবে কম জগৰীয়া নহয়। ইপিনে শিলঘাটৰ সমবায় খণ্ডত মৰাপাট কল ১৯৮৬ চনত পুনৰুজ্জীৱিত হোৱাৰ পাছৰেপৰা নিষ্ঠাবান সুদক্ষ লোকৰ পৰিচালনাত লাভজনক উদ্যোগ হিচাপে বৰ্তি আছে। অসম গেছ কোম্পানি অসম পেট্ৰ'কেমিকেল লিমিটেড বৰ্তমান লাভজনক অৱস্থাত চলি আছে।

বৰ্তমান সময়ত চৰকাৰে নিজে উদ্যোগ স্থাপন কৰাৰ পৰিবৰ্তে ব্যক্তিগত খণ্ডলৈ সহযোগিতা আগবঢ়োৱাৰ নীতি গ্ৰহণ কৰিছে। কিন্তু অহৰ্নিশ বিদ্যুৎ যোগান আৰু সুচল বাট-পথ একান্ত আৱশ্যক। লগতে চৰকাৰী মেৰ-পেচৰপৰা ঔদ্যোগিক প্ৰচেষ্টাক মুক্ত কৰিব নোৱাৰিলে ব্যক্তিগত খণ্ডৰ বিনিয়োগে আশাপ্ৰদ ফল দেখুৱাব নোৱাৰিব।

অসমৰ ক্ষেত্ৰত সম্ভাৱনাপূৰ্ণ বিকাশৰ এটা খণ্ড হ'ল তথ্য-প্ৰযুক্তি। অসমৰ শিক্ষিত যুৱকসকলক তথ্য-প্ৰযুক্তিত আগ্ৰহী কৰি তুলিব পাৰিলে এই তথ্য-প্ৰযুক্তিয়ে বহু কৰ্মসংস্থাপনৰ সুযোগ মুকলি কৰি দিব। ২০০০ চনৰ ১৫ জুলাইত ভাৰত চৰকাৰৰ তথ্য-প্ৰযুক্তি বিভাগে মুখ্যমন্ত্ৰী আৰু তথ্য-প্ৰযুক্তি মন্ত্ৰীসকলৰ প্ৰথম সভাখনত প্ৰকাশ কৰা প্ৰস্তাৱনা পুথিত লিখিছিল যে বিংশ শতাব্দীৰ শেহৰ দশকত তথ্য-প্ৰযুক্তি এক গুৰুত্বপূৰ্ণ বাহক হিচাপে বিশ্বৰ সকলো শ্ৰেণীৰ মানুহৰ জীৱনধাৰাক প্ৰভাৱান্বিত কৰাত সক্ষম হৈছে।[৮] ভাৰত চৰকাৰে ২০০০ চনত অসমকে ধৰি কেইবাখনো ৰাজ্যত CIC (Community Information Centre) স্থাপনৰ সিদ্ধান্ত লৈছিল। নগাঁও জিলা এইক্ষেত্ৰত বাটকটীয়া। বৰঝাৰত Software Technology Park of Indiaৰ — চমুকৈ STPIৰ — সম্পন্ন এটা গোট আৰম্ভ হ'ল। আন্তৰ্জাতিক সংযোগ থকা এই কেন্দ্ৰৰদ্বাৰা দেশ-বিদেশত ব্যৱসায় বৃদ্ধি আৰু কৰ্মসংস্থাপনৰ ব্যৱস্থা তথা নতুন বিনিয়োগৰ যোগেদি অসমত তথ্য-প্ৰযুক্তিৰ নীৰৱ বিপ্লৱৰ সূচনা হ'লহেতেন। কিন্তু পৰৱৰ্তী সময়ত চৰকাৰে ইয়াৰ আন্তঃগাঁথনিৰ উন্নয়নত গুৰুত্ব প্ৰদান কৰা হ'লে হায়দৰাবাদ, বাঙ্গালুৰু আনকি কলকতাৰ দৰে নহ'লেও এখন ক্ষুদ্ৰ "চিলিকন ভেলি" অসমত গঢ় লৈ উঠিলেহেতেন। ৰাজ্য চৰকাৰে ২০০০ চনত তথ্য-প্ৰযুক্তিৰ নীতি ঘোষণা কৰিছিল। সময়ত ব্যৱস্থা লোৱা নহ'ল। বৰ্তমান অৱশ্যে ছাত্ৰছাত্ৰীৰ মাজত কম্পিউটাৰ বিতৰণ কৰা হৈছে। AMTRON (Assam Electronics Development Corporation Ltd)এ এই তথ্য-প্ৰযুক্তিৰ বিভিন্ন কামকাজ পৰিচালনা কৰিছে।

এতিয়া মুক্ত অৰ্থনীতিৰ মাজত অসমৰ এই ঔদ্যোগিক বিকাশৰ সম্ভাৱনা কিমান? উদাৰীকৰণে ব্যক্তিগত খণ্ডৰ তথা বেচৰকাৰী খণ্ডৰ উদ্যোগক উৎসাহিত কৰিছে। আন্তঃগাঁথনিৰ বিকাশত — বিশেষকৈ যোগাযোগত — জল-পথ, স্থল-পথ, ৰে'ল-পথ, আকাশী-পথ, সকলোতে এটা নিৰ্ভৰযোগ্য মান থাকিব লাগিব। বেংক তথা আন বিত্তীয় প্ৰতিষ্ঠানৰ ঋণদানৰ ব্যৱস্থা সহজ, উদাৰ আৰু জটিলতামুক্ত হ'ব লাগিব। বিদ্যুতৰ যোগান নিৰৱচ্ছিন্ন হ'ব লাগিব। বৃহৎ পুঁজিপতি



তথা বিদেশী বিনিয়োগে কৰা প্ৰচেষ্টাৰ ইতিবাচক ফলাফলক যথোপযুক্ত গুৰুত্ব দিব লাগিব। এতিয়া আমাৰ ৰাজ্যখনত বহু বিনিয়োগকাৰীয়ে কেন্দ্ৰীয় চৰকাৰ তথা ৰাজ্য চৰকাৰৰপৰা ৰাজ-সাহায্যৰ সুবিধা ল'বলৈ আহে। ৰাজ-সাহায্যৰ দিন শেষ হ'লে উদ্যোগ বন্ধ কৰি আৰু শ্ৰমিক ছাঁটাই কৰি উদ্যোগপতিসকল নিজৰ ঠাইলৈ উভতি যায়। গুজৰাট, পাঞ্জাৱৰ দৰে আমাৰ মানুহৰ মানসিকতাৰো সলনি হ'ব লাগিব, তেতিয়াহে ঔদ্যোগিক বিকাশ অধিক ত্বৰান্বিত হ'ব।

তথ্যসূত্ৰ

১ Bipan Chandra, Mridula Mukherjee, Aditya Mukherjee. *India Since Independence* (1947-2000). New Delhi: Penguin Books, 2008, p. 11

২ John M'Cosh. *Topography of Assam*. New Delhi: Logos, 1986, p. 63

৩ A. J. Moffatt Mills. *Report on the Province of Assam*. Gauhati: Publication Board, Assam, 1984, p. 110

৪ (ড°) মহেশ্বৰ নেওগ সঙ্কলিত আৰু পুনঃ-সম্পাদিত *অৰুনোদই*। গুৱাহাটী: অসম প্ৰকাশন পৰিষদ, ১৯৮৩, পৃষ্ঠা ১৩১।

৫ তদেৱ, পৃষ্ঠা ১৩০।

৬ H. K. Barpujari, ed. *The Comprehensive History of Assam*, Vol. 5. Guwahati: Publication Board, Assam, 1993, pp. 40-1

৭ S. B. Medhi. *Transport System and Economic Development*. Guwahati: Publication Board, Assam, 1978, p. 20

৮ *Agenda Papers for the First Conference of Chief Minister and IT Ministers*, 15th July 2000 (First para). Ministry of Information Technology, Government of India

# য়াণ্ডাবু সন্ধিৰপৰা স্বাধীনতা প্ৰাপ্তিলৈঃ ছকুৰি বছৰৰ ৰাজনৈতিক পৰিক্ৰমা

শৰৎ হাজৰিকা

১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰিৰ য়াণ্ডাবু সন্ধিৰপৰা ১৯৪৭ চনৰ ১৫ আগষ্ট — এই সময়ছোৱা অসমৰ ৰাজনৈতিক ইতিহাসত পৰাধীনতাৰ যুগ। ব্ৰহ্মদেশৰ ৰজা আৰু ইষ্ট ইণ্ডিয়া কোম্পানিৰ মাজত স্বাক্ষৰিত হোৱা য়াণ্ডাবু সন্ধিৰ ফলস্বৰূপে অসমত ইংৰাজ-শাসন প্ৰতিষ্ঠা হয় আৰু সেই শাসন প্ৰায় ছকুৰি বছৰ কাল বৰ্তি থাকে। য়াণ্ডাবু সন্ধিক পৰাধীনতাৰ দলিল বুলি গণ্য কৰা হয় যদিও এই সন্ধিয়ে মোৱামৰীয়া বিদ্ৰোহৰ সময়ৰপৰাই পতনৰ দিশত দ্ৰুতগতিত আগবঢ়া আহোম ৰাজতন্ত্ৰৰ বিলুপ্তিত আনুষ্ঠানিকতা প্ৰদান কৰিছিল মাত্ৰ। মোৱামৰীয়া বিদ্ৰোহ, বিদেশী আক্ৰমণ, আভ্যন্তৰীণ বিশৃঙ্খলা, ক্ষমতাকেন্দ্ৰিক অৰিয়া-অৰি আদিয়ে আহোম ৰাজতন্ত্ৰক ইতিমধ্যেই পতনৰ শেষ সীমাত উপনীত কৰিছিল আৰু অসমৰ ৰাজনীতিত বিদেশী শক্তিৰ হস্তক্ষেপৰ পথ মুকলি হৈছিল। এনে পৰিপ্ৰেক্ষিতত মানক খেদাৰ নামত অসমত আৱিৰ্ভাৱ হৈছিল ইংৰাজ সেনাৰ আৰু বিশেষ কষ্ট নকৰাকৈয়ে তেওঁলোকে অসমৰ মাটিত নিজৰ অধিকাৰ প্ৰতিষ্ঠা কৰিছিল। এই বিদেশী শাসনৰপৰা মুক্তিলাভৰ বাবে অসমবাসীয়ে দীঘলীয়া সংগ্ৰাম চলাবলগীয়া হৈছিল। এই ছকুৰি বছৰৰ ইতিহাস বহু উত্থান-পতনৰ ইতিহাস, সংঘাত আৰু সংগ্ৰামৰ ইতিহাস। ৰাজতান্ত্ৰিক, অভিজাততান্ত্ৰিক বিদ্ৰোহৰ যোগেদি আৰম্ভ হোৱা এই সংগ্ৰামখনে কৃষকৰ সংগ্ৰাম, নৱোত্থিত মধ্যবিত্ত শ্ৰেণীৰ মাজত উন্মেষ হোৱা জাতীয় চেতনা আৰু আত্মপ্ৰতিষ্ঠাৰ প্ৰয়াস আদি ঢাপ অতিক্ৰম কৰি কংগ্ৰেছৰ নেতৃত্বত লাখ লাখ জনতাৰ মুক্তিসংগ্ৰামত পৰিণত হৈ বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেদি স্বাধীনতাপ্ৰাপ্তিত সফল পৰিসমাপ্তি লাভ কৰিছিল।

য়াণ্ডাবু সন্ধিয়ে অসমৰ ৰাজনৈতিক ইতিহাস সলনি কৰি দিছিল যদিও এই সন্ধিৰ কোনো এটা দফাতে অসমক ইষ্ট ইণ্ডিয়া কোম্পানিৰ হাতত গতাই দিয়াৰ কথা কোৱা হোৱা নাই। এই সন্ধিৰ ১১টা দফাৰ ভিতৰত অসমৰ নাম মাথোন এবাৰেই উল্লেখ কৰা হৈছে আৰু তাতো অসমক ইষ্ট ইণ্ডিয়া কোম্পানিৰ হাতত গতাই দিয়াৰ কথা নাই। য়াণ্ডাবু সন্ধিৰ দুই নম্বৰ দফাত অসমৰ প্ৰসঙ্গ উল্লেখ কৰা



হৈছে। উক্ত দফাৰ পূৰ্ণ-পাঠ এনে ধৰণৰ

> His Majesty the king of Ava renounces all claims upon and will abstain from all future interference with the principality of Assam and its dependences and also with the contiguous petty states of Cachar and Jyntia, with regard to Mannipoor, it is stipulated that should Ghumbheer Sing desire to return to that country he should be recognised by the king of Ava as Rajah thereof.[১]

য়াণ্ডাবু সন্ধিত ব্ৰহ্মদেশৰ ৰজাই অসমৰ ওপৰত দাবী ত্যাগ কৰিছে। কিন্তু সেই দাবী কাৰ সপক্ষে ত্যাগ কৰিছে তাৰ উল্লেখ নাই। অসমৰ ৰাজনৈতিক ভৱিষ্যৎ সম্পৰ্কতো এই চুক্তি নিমাত। য়াণ্ডাবু সন্ধিৰ অতিৰিক্ত দশকটোতো অসমৰ কথা উল্লেখ নাই। তথাপি ঐতিহাসিক সত্য এয়েই যে য়াণ্ডাবু সন্ধিৰ পাছত ইংৰাজে একপ্ৰকাৰ বিনা-বাধাই দখলদাৰী সূত্ৰে অসমত নিজা শাসন প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। মোৱামৰীয়া বিদ্ৰোহ, মানৰ আক্ৰমণ আদিৰ ফলত সৃষ্টি হোৱা অৰাজকতাৰ পৰিপ্ৰেক্ষিতত অসমৰ সৰ্বসাধাৰণ ৰাইজেও জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাৰ স্বাৰ্থতে বিদেশী শাসনক বৰণ কৰি লৈছিল। মান আৰু মোৱামৰীয়া ভগনৰ দিনলৈ উভতি যাবলৈ কাৰো মন নাছিল। পতনোন্মুখ আহোম ৰাজতন্ত্ৰ আৰু ডা-ডাঙৰীয়া শ্ৰেণীয়ে ইতিমধ্যেই ৰাইজৰ আস্থা হেৰুৱাইছিল। গতিকে ক্ষমতা হেৰুওৱা ৰাজপৰিয়াল বা বিশেষ সুবিধাৰপৰা বঞ্চিত ডা-ডাঙৰীয়া শ্ৰেণীয়ে ইংৰাজৰ বিৰুদ্ধে বিদ্ৰোহৰ কুৰুং কাৰাং কৰাৰ সময়তো সাধাৰণ জনতাই তাত অংশগ্ৰহণ কৰিবলৈ উৎসাহ অনুভৱ কৰা নাছিল। আনকি ৰাজকীয় বা অভিজাত শ্ৰেণীৰ একাংশ লোকেও ঐক্যবদ্ধভাৱে হৃতৰাজ্য পুনৰুদ্ধাৰৰ বাবে সংগ্ৰাম কৰাৰ পৰিৱৰ্তে ইংৰাজৰপৰা সামান্য পেন্সন বা কিছু অনুগ্ৰহ আদায়ৰ প্ৰচেষ্টাতহে ব্যস্ত আছিল। নতুন শাসকৰ লগত পূৰ্বৰ শাসক আৰু তেওঁলোকৰ সমৰ্থক অভিজাত শ্ৰেণীৰ যি-টনা-আজোৰা চলিছিল, তাত ৰাজ্যৰ সিংহভাগ লোকেই নিৰ্লিপ্ত ভূমিকা পালন কৰিছিল। এনে পৰিস্থিতিত নতুন শাসক শ্ৰেণীৰ পক্ষেই পাল্লা গধুৰ হৈছিল। মণিৰাম দেৱানৰ দৰে এচাম কৰ্মোদ্যমীৰ সমৰ্থন আদায় আৰু তেওঁলোকৰ কৰ্মোদ্যম বিদেশী শাসকৰ সপক্ষে ব্যৱহাৰ কৰাৰ ক্ষেত্ৰতো ইষ্ট ইণ্ডিয়া কোম্পানিৰ শাসকবৰ্গ সফল হৈছিল। এনে পৰিস্থিতিত ইংৰাজ শাসনৰ বিৰুদ্ধে প্ৰাৰম্ভিক কালত যি-দুই-এটা বিদ্ৰোহ হৈছিল সেইবোৰ দমন কৰাত বিশেষ অসুবিধা হোৱা নাছিল।

ইংৰাজ-শাসন উচ্ছেদ কৰি আহোম ৰাজতন্ত্ৰ পুনৰুদ্ধাৰকৰণৰ ৰাজনীতিত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা প্ৰথমগৰাকী নেতা আছিল ধনঞ্জয় বৰগোহাঁই। পুতেক-জোঁৱায়েক আৰু একাংশ সহযোগীক লগত লৈ ১৮২৮ চনত ধনঞ্জয় গোমধৰ কোঁৱৰ নামৰ অপৈণত বয়সৰ ৰাজকোঁৱৰ এজনক ৰজা পতাৰ উদ্দেশ্যে ইংৰাজৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰে। কিন্তু ধনবল, জনবল, ৰণকৌশল সকলো দিশতে

নিশকতীয়া বিদ্রোহীসকলে ইংৰাজৰ বিৰুদ্ধে বিশেষ প্ৰত্যাহ্বান সৃষ্টি কৰিব নোৱাৰিলে। সামান্য প্ৰতিৰোধৰ অন্তত বিদ্রোহী বাহিনীয়ে ছত্ৰভঙ্গ দিয়ে। প্ৰায়ভাগ বিদ্রোহীয়েই বন্দী হয়। গোমধৰ কোঁৱৰে আত্মসমৰ্পণ কৰে আৰু আনৰ প্ৰৰোচনাতহে তেওঁ বিদ্রোহত যোগ দিছিল বুলি সাক্ষ্য দিয়ে। বিচাৰত প্ৰায়ভাগ বিদ্রোহীকে কাৰাদণ্ডৰ হুকুম শুনোৱা হয়। বিদ্রোহৰ মুখ্য উদ্যোক্তা ধনঞ্জয়ৰ বিৰুদ্ধে মৃত্যুদণ্ড ঘোষিত হয়। অৱশ্যে কাৰাগাৰৰপৰা পলাই গৈ ধনঞ্জয়ে আত্মৰক্ষা কৰে। "গোমধৰ কোঁৱৰৰ বিদ্রোহ" বুলি প্ৰায়ভাগ বুৰঞ্জীবিদেই উল্লেখ কৰা এই বিদ্রোহত গোমধৰ কোঁৱৰৰ কিমান হাত আছিল সেয়া বিচাৰ্য বিষয়। ইন্দ্ৰবংশী আহোম ৰাজকোঁৱৰ এজনক সিংহাসনত বহুৱাব লাগে বুলিহে গোমধৰক আগত লৈ ধনঞ্জয়হঁতে এই বিদ্রোহ কৰিছিল বুলি ভাবিবৰ থল আছে। গোমধৰৰ জবানবন্দীতো সিংহাসনৰ দাবীদাৰ ৰাজকোঁৱৰ এজনৰ বীৰত্বব্যঞ্জক বাণী নাই, পৰাজিত সৈনিকৰ আত্মৰক্ষাৰ অজুহাতহে আছে। সেয়েহে লক্ষ্মীনাথ তামুলীয়ে লিখিছে: "অসমত হোৱা ব্ৰিটিছবিৰোধী প্ৰথম সংগ্ৰামত গোমধৰৰ হাত নাছিল, হাতিয়াৰহে।"[২]

ধনঞ্জয় বৰগোহাঞেও ইয়াৰ পাছতো আন এক বিদ্রোহ সংঘটিত কৰিছিল। এইবাৰ তেওঁৰ মুখ্য সহযোগী আছিল পিয়লি ফুকন। বিদ্রোহীসকলে চুবুৰীয়া জনজাতীয় মুৰব্বীসকলৰ লগতো যোগাযোগ ৰক্ষা কৰি চলিছিল। বিদ্রোহী নেতা পিয়লি ফুকনে ৰংপুৰত থকা ইংৰাজৰ খাৰঘৰত অগ্নিসংযোগ কৰি বিদ্রোহ ঘোষণা কৰে। পিছে বিশেষ কষ্ট নকৰাকৈয়ে ইংৰাজে এই বিদ্রোহ দমন কৰিবলৈ সক্ষম হয়। বিদ্রোহৰ ঘাই নেতা ধনঞ্জয় বৰগোহাঁই এইবাৰ পলাই সাৰে। তেওঁৰ মুখ্য সহযোগী পিয়লি ফুকন আৰু জীউৰাম দুলীয়া বৰুৱাৰ ফাঁচি হয়। উল্লেখযোগ্য যে যোৰহাটত বহা বৰপঞ্চায়তৰ বিচাৰত বিদ্রোহীসকলৰ বিৰুদ্ধে মৃত্যুদণ্ডৰ আদেশ শুনোৱা হৈছিল আৰু এই বৰপঞ্চায়তৰ সদস্য-বিচাৰক আছিল মণিৰাম দেৱানকে প্ৰমুখ্য কৰি এচাম অসমীয়া ব্যক্তি।

পিয়লি ফুকন আদি লোকসকলৰ বিদ্রোহৰ প্ৰায় সমসাময়িকভাৱে গদাধৰ কোঁৱৰ নামৰ আহোম ৰাজকোঁৱৰ এজনৰ নেতৃত্বত আন এক বিদ্রোহৰ যো-জা চলিছিল। ব্ৰহ্মদেশত আশ্ৰয় লৈ থকা এইজন ৰাজকোঁৱৰৰ বিদ্রোহৰ আঁৰত ব্ৰহ্মাৰ আভা মহলৰ হাত থকা বুলি সন্দেহ কৰা হয়। পিছে বিদ্রোহীসকলে প্ৰথমটো টোপ ফুটিবলৈ নৌপাওঁতেই গদাধৰ কোঁৱৰ কোম্পানিৰ চিপাহীৰ হাতত বন্দী হয় আৰু লগে লগে বিদ্রোহৰ সম্ভাৱনাও নিৰ্মূল হয়।

এইখিনিতে উল্লেখ কৰিব পাৰি যে অসমত ব্ৰিটিছবিৰোধী প্ৰথম সংগ্ৰামসমূহত সাধাৰণ জনতাৰ অংশগ্ৰহণ নিচেই সামান্য আছিল, বিদ্রোহ হৈছিল নিচেই সামান্য পৰিসৰত, বিদ্রোহৰ নেতৃত্ব লৈছিল ক্ষমতা হেৰুওৱা অভিজাত ব্যক্তি আৰু ৰাজপৰিয়ালৰ লোকে। বিদ্রোহীসকলো পৰিচালিত হৈছিল সামন্তযুগীয় ধ্যানধাৰণাৰে। বিদ্রোহীসকলে সৰ্বসাধাৰণ ৰাইজক সংগঠিত কৰি বৃহৎ সংগ্ৰাম গঢ়ি তোলাৰ পৰিৱৰ্তে একাংশ অভিজাত ব্যক্তি আৰু সামন্ত শাসকক নিজৰ



পক্ষলৈ অনাতহে অধিক গুৰুত্ব দিছিল। তেওঁলোকৰ ধাৰণা আছিল সামন্ত শাসক আৰু অভিজাতবৰ্গক নিজৰ পক্ষলৈ আনিব পাৰিলে কায়াৰ লগত ছায়া অহাৰ দৰে সৰ্বসাধাৰণ ৰাইজ নিজে নিজেই তেওঁলোকৰ পিছে পিছে আহিব। অধিক লোকক সংগ্ৰামত চামিল কৰাৰ মানসিকতা হয়তো বিদ্রোহী নেতৃত্বৰ নাছিল। এগৰাকী লেখকৰ মতে "১৮২৮-৩০ চনৰ সাম্ৰাজ্যবাদবিৰোধী সংগ্ৰামৰ চৰিত্ৰ আছিল আহোম সামন্ত-শাসনৰ ছত্ৰছায়াত প্ৰশাসনীয় ভোগ-বিলাসৰ সা-সুবিধাত আকণ্ঠ বুৰ গৈ থকা উচ্চ খাপৰ বিষয়া-পাৰিষদ শ্ৰেণীটোৱে তেওঁলোকে ভোগ কৰি থকা সা-সুবিধাৰপৰা বঞ্চিত হোৱা আতঙ্কৰ তৎকালীন প্ৰতিক্ৰিয়া।"[৩] এইক্ষেত্ৰত সৰ্বসাধাৰণ ৰাইজৰ বিশেষ উদ্যোগ বা তৎপৰতাৰ কথা নাছিল। এনে পৰিস্থিতিত এই বিদ্রোহবোৰৰ ব্যৰ্থতা অৱশ্যম্ভাৱী আছিল।

অভিজাত বিদ্রোহসমূহৰ ব্যৰ্থতাৰ পাছত অসমত কিছুদিনলৈ বিদেশী শাসনবিৰোধী সংগ্ৰামখনলৈ কিছু স্থবিৰতা আহি পৰিছিল। এই সময়ছোৱাত এক উল্লেখযোগ্য ৰাজনৈতিক ঘটনাক্ৰমত পুৰন্দৰ সিংহক উজনি অসমৰ শাসনভাৰ প্ৰদান কৰা হৈছিল আৰু অৱধাৰিতভাৱেই মাত্ৰ পাঁচটা বছৰৰ ভিতৰতে তেওঁ ক্ষমতা হেৰুৱাইছিল। প্ৰায় নীৰৱেই তেওঁ ক্ষমতাৰপৰা আঁতৰি গৈছিল আৰু তেওঁৰ হৈ কোনেও মাত মতা নাছিল। উক্ত সময়ছোৱাতে অসমৰ ৰাজনৈতিক ইতিহাসত ঈৰ্ষণীয়ভাৱে উত্থান ঘটিছিল মণিৰাম দেৱানৰ। অমলেন্দু গুহই মণিৰাম দেৱানক "the last of the old aristocrats" বুলি অভিহিত কৰিছে।[৪] পিছে তেওঁ কেৱল "the last of the old aristocrats"এই নাছিল, তেওঁ আছিল ব্ৰিটিছৰ ছত্ৰছায়াত গঢ় লৈ থকা অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৰ প্ৰাৰম্ভিক কালৰ অন্যতম প্ৰতিভূ। ব্ৰিটিছৰ সহযোগী হিচাপে ৰাজনৈতিক জীৱন আৰম্ভ কৰা মণিৰাম দেৱানক পৰিস্থিতিয়ে ইংৰাজ-বিৰোধী কৰি তুলিছিল। মানৰ বিৰুদ্ধে যুদ্ধ কৰাৰ সময়ত আৰু তাৰ পিছৰ কালত এচাম নেতৃস্থানীয় অসমীয়াক ইংৰাজে প্ৰশাসনৰ সহযোগী কৰি লৈছিল। নৱোত্থিত এই শ্ৰেণীটোৱে পৰিৱৰ্তনৰ গুৰুত্ব সঠিকভাৱেই বুজি উঠিছিল আৰু পৰিৱৰ্তনৰ ফলস্বৰূপে হাতৰ মুঠিলৈ অহা নৱলব্ধ সা-সুবিধাসমূহ যিকোনো মূল্যৰ বিনিময়ত ভোগ কৰিবলৈ বিচাৰিছিল। ইংৰাজ-শাসনে তেওঁলোকক প্ৰশাসনৰ সহযোগী হোৱাৰ সুবিধা দিছিল আৰু তাৰ বিনিময়ত তেওঁলোকে নতুন শাসকপক্ষক সমৰ্থন কৰিছিল। এই সম্ভ্ৰান্ত শ্ৰেণীটোৰপৰাই অসমীয়া মধ্যবিত্ত শ্ৰেণী এটাৰ লাহে লাহে উত্থান ঘটিছিল। মণিৰাম দেৱান এই শ্ৰেণীটোৰ প্ৰতিনিধি। তেওঁ আছিল অসমত চাহখেতিৰ বাটকটীয়া তথা প্ৰথমগৰাকী অসমীয়া চাহখেতিয়ক। পুৰন্দৰ সিংহৰ ৰাজত্বকালত তেওঁ অতি প্ৰতিপত্তিশালী বিষয়া আছিল। পুৰন্দৰ সিংহৰ পতনৰ পিছত তেওঁ অসম চাহ-কোম্পানিত দেৱান হিচাপে কাৰ্যনিৰ্বাহ কৰে। কিন্তু বিভিন্ন কাৰণত কোম্পানিৰ উৰ্ধ্বতম কৰ্তৃপক্ষৰ লগত মনোমালিন্য ঘটাত তেওঁ পদত্যাগ কৰিবলৈ বাধ্য হয় আৰু নিজাববীয়াকৈ দুখন চাহবাগান খুলি স্বাধীনভাৱে চাহখেতিত জড়িত হৈ পৰে।

পিছে ইংৰাজ চাহখেতিয়কসকলে মণিৰাম দেৱানক তেওঁলোকৰ ব্যৱসায়ৰ প্ৰতিদ্বন্দ্বী বুলি গণ্য কৰি তেওঁক ধ্বংস কৰিবলৈ উঠিপৰি লাগিল। ইংৰাজ চৰকাৰে তেওঁলোকক সহযোগ কৰিলে। মণিৰাম দেৱানৰ হাতত থকা মৌজাবোৰ কাঢ়ি লোৱা হ'ল, ইউৰোপীয় চাহখেতিয়কসকললৈ আগবঢ়োৱা বেহাই সুবিধাৰপৰা তেওঁক বঞ্চিত কৰা হ'ল। শিৱসাগৰ জিলাৰ প্ৰিন্সিপাল এছিষ্টেণ্ট কেপ্টেইন হলৰয়ডে মণিৰাম দেৱানৰ মৰ্যাদা আৰু প্ৰতিপত্তি লাঘৱ কৰিবৰ বাবে যথাসম্ভৱ সকলো পদক্ষেপেই হাতত ল'লে, তেওঁক আৰ্থিকভাৱে বিপৰ্যস্ত কৰাৰ চেষ্টাও চলোৱা হ'ল। এনে পৰিস্থিতিত মণিৰাম দেৱানৰ মন ইংৰাজৰ প্ৰতি ক্ৰমাৎ বিক্ষুব্ধ হৈ উঠিল। ১৮৫৩ চনত কলিকতাৰ সদৰ দেৱানী আদালতৰ বিচাৰপতি মফট মিল্‌ছ অসমলৈ আহিলত মণিৰাম দেৱানে তেওঁৰ ওচৰত দুখন আৰ্জি দাখিল কৰিছিল। আৰ্জি দুখনত তেওঁ ব্ৰিটিছ-শাসনক উচ্চ প্ৰশংসা কৰিছে, কিন্তু একে সময়তে ব্ৰিটিছ চৰকাৰে প্ৰৱৰ্তন কৰা কৰকাটল নীতিকে ধৰি কিছুমান ব্যৱস্থাৰ বিৰোধিতাও কৰিছে। লগতে উজনি অসমত নতুনকৈ নিযুক্ত হোৱা ডেকা তেজৰ সামৰিক বিষয়া কেইজনমানৰ কামকাজৰ ধৰণৰ সমালোচনা কৰিছে। মণিৰাম দেৱানৰ আৰ্জি দুখন ভালকৈ অধ্যয়ন কৰিলে তেওঁৰ মনত পুঞ্জীভূত হৈ থকা ক্ষোভ আৰু অসন্তুষ্টিৰ কথা উপলব্ধি কৰিব পাৰি, কিন্তু এই অসন্তুষ্টি বিদ্ৰোহৰ পৰ্যায়লৈ যোৱা নাছিল। যিহওক, মফট মিল্‌ছে মণিৰাম দেৱানৰ আৰ্জি দুখন নাকচ কৰিছিল। বৰঞ্চ তেওঁক "a clever but an untrustworthy and intriguing person" বুলিহে তেওঁৰ প্ৰতিবেদনত টোকা দিছিল। ফলস্বৰূপে চৰকাৰৰ সন্দেহভাজন ব্যক্তিৰ তালিকাত মণিৰাম দেৱানৰ নামটোৱে ওপৰৰ শাৰীত স্থান পালে।

উজনি অসমত আহোম ৰাজতন্ত্ৰ পুনৰুদ্ধাৰৰ প্ৰচেষ্টাত অগ্ৰণী ভূমিকা লোৱাৰ বাবে মণিৰাম দেৱানে ইতিমধ্যে সিদ্ধান্ত গ্ৰহণ কৰিছিল। ১৮৫৭ চনৰ বিদ্ৰোহৰ প্ৰথমটো গুলী ফুটাৰ চাৰি দিনৰ আগতে তেওঁ গৱৰ্নৰ জেনেৰেলক সাক্ষাৎ কৰে, কিন্তু তেওঁৰপৰা কোনো আশাব্যঞ্জক সঁহাৰি লাভ নকৰিলে। সেই সময়ত বিদ্ৰোহৰ বহ্নিশিখাই সমগ্ৰ উত্তৰ ভাৰতক এফালৰপৰা গ্ৰাস কৰি আনিছিল। এনে পৰিস্থিতিত অসমত বিদ্ৰোহ হ'লে ইয়াৰপৰা ইংৰাজ শাসন উৎখাত কৰিব পৰা যাব বুলি মণিৰাম দেৱানে উপলব্ধি কৰিলে। লগে লগে তেওঁ অসমত থকা সহযোগী বন্ধুসকলৰ লগত যোগাযোগ কৰিলে আৰু অসমত থকা হিন্দুস্থানী চিপাহীখিনিক হাত কৰি লৈ ব্ৰিটিছবিৰোধী সংগ্ৰাম আৰম্ভ কৰিবলৈ পৰামৰ্শ আগবঢ়ালে। পিছে অসমত বিদ্ৰোহ আৰম্ভ হ'বলৈ নৌ পাওঁতেই কলিকতাত মণিৰাম দেৱানক ইংৰাজে গ্ৰেপ্তাৰ কৰিলে। অসমত থকা তেওঁৰ সহযোগীসকলকো গ্ৰেপ্তাৰ কৰা হ'ল। পাছত নামমাত্ৰ বিচাৰ চলাই মণিৰাম দেৱান আৰু পিয়লি বৰুৱাক মৃত্যুদণ্ড আৰু তেওঁৰ অন্যান্য সহযোগীসকলক দ্বীপান্তৰ, কাৰাদণ্ড আদিৰে দণ্ডিত কৰা হয়। এইখিনিতে উল্লেখ কৰিব পাৰি যে যি-কেইখন চিঠিৰ ওপৰত



ভিত্তি কৰি মণিৰাম দেৱানক চৰম শাস্তি দিয়া হৈছিল সেইকেইখন মূল কপিৰ পৰিবৰ্তে "true translation" আৰু "rough translation"হে আছিল। তাৎপৰ্যপূৰ্ণভাৱে চিঠিকেইখনৰ অনুবাদক আছিল বিচাৰপতি হলৰয়ড নিজে। গতিকে অনুবাদৰ বিশ্বাসযোগ্যতা সম্পৰ্কে প্ৰশ্ন থাকি যায়। অভিযুক্ত ব্যক্তিসকলক আত্মপক্ষ সমৰ্থনৰো সুযোগ দিয়া হোৱা নাছিল। ক'বলৈ গ'লে মৃত্যুদণ্ডৰ দৰে শাস্তি ভোগ কৰিবলগীয়াকৈ মণিৰাম দেৱানে বিদ্ৰোহাদি সংঘটিত কৰা নাছিল, বিদ্ৰোহৰ কুচকাৱাজহে কৰিছিল। কিন্তু মণিৰাম দেৱানৰ লগত থকা পূৰ্বৰ শত্ৰুতাসূত্ৰে কেপ্টেইন হলৰয়ডে সুযোগটো এৰি দিয়া নাছিল। গতিকে বিচাৰৰ নামত এখন প্ৰহসনহে হৈছিল আৰু মণিৰাম দেৱান কেপ্টেইন হলৰয়ডৰ প্ৰতিশোধপৰায়ণতাৰ বলি হৈছিল বুলি ভাবিবৰ থল আছে।

১৮৫৭ চনৰ বিদ্ৰোহৰ ব্যৰ্থতাৰ পাছত অসমৰ ৰাজনৈতিক সংগ্ৰামৰ ক্ষেত্ৰখনলৈ স্থবিৰতা নামি আহে। কিন্তু একে সময়তে অসমৰ ৰাজনীতিত নতুন সম্ভাৱনাৰ বীজ অঙ্কুৰিত হ'বলৈ ধৰে। ইতিমধ্যে মধ্যযুগীয় শাসনতন্ত্ৰ পুনৰুদ্ধাৰৰ বাবে সংগ্ৰাম চলাবলৈ মানুহে উৎসাহ হেৰুৱাই পেলাইছিল আৰু বিদেশী শাসনকে বাস্তৱ বুলি মানি লৈছিল। একে সময়তে অসমত মধ্যবিত্ত শ্ৰেণী এটা ক্ৰমাৎ গঢ় লৈ উঠিবলৈ আৰম্ভ কৰিছিল। এই মধ্যবিত্ত শ্ৰেণীটো আছিল ইংৰাজ-শাসনৰে ফল। তেওঁলোক পুৰণা অভিজাততন্ত্ৰৰ সদস্য নাছিল বা বংশগৌৰৱৰ বলত তেওঁলোকৰ উত্থান ঘটা নাছিল: "The middle class had no inseparable link with the past, they had no nobility pride in them. In a sense they marked a rupture with the past."[৪] সত্ৰ-অনুষ্ঠান বা মৌজাদাৰৰ দৰে ৰাজহ-বিষয়াসকলৰ মাজৰপৰা অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ উত্থান ঘটা বুলি এচাম পণ্ডিতে আগবঢ়োৱা যুক্তিৰ বিৰোধিতা কৰি ৰাজেন শইকীয়াই লিখিছে: "The Assamese middle class was the compound product of colonial bureaucracy, English education and tea industry. It is indissoluble. The three components played mutually supportive role, the social formation of the middle class was flexible and it was capable of absorbing newer elements. It was a process, not an event."[৫] এই মধ্যবিত্ত শ্ৰেণীটোৰ দুটা ঘাই অৰ্হতা আছিল: শিক্ষা আৰু সম্পদ। শিক্ষাই তেওঁলোকৰ সন্মুখত নতুন জগৎ এখনৰ দুৱাৰ মুকলি কৰি দিছিল আৰু আৰ্থিক স্বচ্ছলতাই তেওঁলোকক সেই জগৎখনত বিচৰণ কৰাত সহায় কৰিছিল। পাশ্চাত্য শিক্ষাই তেওঁলোকক সংস্কাৰমুখী কৰিছিল আৰু আৰ্থিক শক্তিয়ে তেওঁলোকক সমাজত প্ৰতিষ্ঠা দিছিল। এই মধ্যবিত্ত শ্ৰেণীটোৱে এটা সময়ত অসমত নৱজাগৰণৰ ধ্বজাবাহক হৈছিলগৈ। তেওঁলোকে সমাজৰ নেতৃত্ব দিছিল, কিন্তু ৰাজনৈতিক সংগ্ৰামৰপৰা তেওঁলোক আঁতৰি আছিল। প্ৰায়ভাগ সময়তে তেওঁলোকে প্ৰশাসনৰ সহযোগী হিচাপে কাম কৰিছিল; পৰিৱৰ্তনৰ সুবিধাও তৎক্ষণাৎ গ্ৰহণ কৰিছিল।

কিন্তু তাৎপর্যপূর্ণ কথা এয়ে যে এই মধ্যবিত্ত শ্ৰেণীটোৰ বৌদ্ধিক নেতৃত্বৰ ফলতে সৰ্বসাধাৰণ ৰাইজ জাগৰিত হৈছিল আৰু প্ৰশাসনৰ বিৰুদ্ধে ঐক্যবদ্ধ সংগ্ৰাম কৰাৰ কাৰণে অন্তৰত সাহস সঞ্চয় কৰিছিল।

অসমৰ নৱোত্থিত মধ্যবিত্ত শ্ৰেণীটোৱে ৰাজনৈতিক সংগ্ৰামৰ পৰিৱৰ্তে অসমীয়া জাতিক প্ৰতিষ্ঠা কৰাৰ ওপৰতহে গুৰুত্ব দিছিল। আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, আনন্দৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা আদি ব্যক্তিৰ গাত এটা জাতিক নেতৃত্ব দিব পৰা গুণ আছিল। আনন্দৰাম বৰুৱা আছিল ভাৰতৰ ভিতৰতে পঞ্চমগৰাকী আই চি এছ বিষয়া। চাকৰিৰ গুৰুদায়িত্বৰ মাজতে এইগৰাকী উচ্চপদস্থ বিষয়াই প্ৰাচীন সংস্কৃত গ্ৰন্থসমূহৰ গভীৰ অধ্যয়নৰ যোগেদি অসমত এক বৌদ্ধিক পৰিৱেশ গঢ়ি তুলিছিল। মাত্ৰ ডেৰকুৰি বছৰ আয়ুস লাভ কৰা আনন্দৰাম ঢেকিয়াল ফুকন আছিল অসমীয়া সমাজজীৱনৰ প্ৰাণ প্ৰতিষ্ঠাতা; এগৰাকী বটবৃক্ষ, মহীৰূহ। তেওঁৰ মানসচক্ষুত উদ্ভাসিত হৈছিল অসমৰ হাবিৰ ঠাইত "ফুলবাৰি", "গাঁৱে গাঁৱে হেজাৰে হেজাৰে পৰ্হাসালি, গিয়ানৰ সভা, চিকিতসালই, দুখিয়া দৰিদ্ৰ পৰিত্ৰাণৰ আলই"।[৭] অসমীয়া জাতীয়তাবাদৰ পিতৃস্বৰূপ ঢেকিয়াল ফুকনৰ লেখনি আৰু কৰ্মৰাজিত সমাজচেতনা আছে, স্বদেশহিতৈষণা আছে; কিন্তু ৰাজনৈতিক সংগ্ৰামৰ দিশটো তেওঁ পৰাপক্ষত পৰিহাৰ কৰি চলিছে। অৱশ্যে অসমীয়া জাতিৰ স্বাৰ্থত তেওঁ বিদেশী শাসকবৰ্গৰ ওচৰত স্পষ্ট ভাষাত নিজা মতামত প্ৰকাশ কৰিবলৈকো সঙ্কোচ কৰা নাই। অসমত কানিৰ অবাধ প্ৰচলন কৰা বুলি তেওঁ ইংৰাজ চৰকাৰক দোষাৰোপ কৰিছে। আফিঙৰ ওপৰত বা আফুখেতি কৰা কৃষকৰ ওপৰত অধিক কৰ আৰোপ কৰিলেও অসমৰপৰা কানি নিৰ্মূল নহয় বুলি তেওঁ স্পষ্ট ভাষাত কৈছে: "The tree *will* grow so long as the root is not destroyed. The source must be completely exhausted, and the introduction of fresh supplies from out of the country carefully suppressed."[৮] অসমৰ অফিচ-কাচাৰীত অসমীয়া ভাষা প্ৰৱৰ্তনৰ বাবে তেওঁ প্ৰায় অকলেই সংগ্ৰাম কৰি গৈছিল। বিদেশী শাসকৰ তলত কাম কৰা চৰকাৰী বিষয়া হিচাপে তেওঁ যথেষ্ট সীমাবদ্ধতাৰ মাজত কাম কৰিব লগাত পৰিছিল, কিন্তু মাজতে সুৰুঙা উলিয়াই অসমীয়া জাতিৰ স্বাৰ্থৰ পৰিপন্থী চৰকাৰী সিদ্ধান্ত কিছুমানৰ আওপকীয়াকৈ সমালোচনা কৰিছিল। মফট মিলছৰ ওচৰত তেওঁ যিখন স্মাৰকপত্ৰ দাখিল কৰিছিল তাত তেওঁৰ গভীৰ স্বদেশপ্ৰেম, অধ্যয়নপুষ্ট পৰিশীলিত মন আৰু এজন সুদক্ষ আমোলাৰ পৰিচয় ফুটি উঠিছে। অসমৰ কৃষিৰ উন্নতিৰ বাবেও তেওঁ বহুতো গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়াইছিল। ভূমিসংস্কাৰৰ সময়ত যাতে কৃষকৰ স্বাৰ্থই অগ্ৰাধিকাৰ পায় আৰু তেওঁলোকক যাতে জমিদাৰৰ দয়াৰ ওপৰত এৰি দিয়া নহয়, সেয়া নিশ্চিত কৰিবলৈ তেওঁ আহ্বান জনাইছিল।[৯] আনন্দৰামৰ উত্তৰসূৰি গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা[১০] আদিয়েও অসমীয়া জাতি আৰু অসমীয়া ভাষাক পুনঃপ্ৰতিষ্ঠা কৰাত বিশেষ



ভূমিকা লৈছিল। তেওঁলোক ব্ৰিটিছ চৰকাৰৰ সমৰ্থক আছিল, কিন্তু তেওঁলোকৰ চকুত আছিল পৰিৱৰ্তনৰ স্বপ্ন। তেওঁলোকৰ পিছতো অসমত আন কেইবাজনো জাতীয়তাবাদৰ হোতা ওলাইছিল আৰু সেই জাতীয়তাবাদৰ প্ৰেৰণা আছিল পাশ্চাত্যৰ সভ্যতা-সংস্কৃতি।

ঊনবিংশ শতাব্দীৰ দ্বিতীয়াৰ্ধত অসমৰ ৰাজনীতিৰ উল্লেখযোগ্য ঘটনা আছিল কৃষক বিদ্ৰোহসমূহ। ব্ৰিটিছ শাসনে অসমৰ কৃষকসকলৰ পৰম্পৰাগত, বৈচিত্ৰ্যহীন, নিৰুদ্বেগ সমাজজীৱনত কঁপনি সৃষ্টি কৰিছিল। ইংৰাজ আমোলত আহোম যুগৰ পাইক প্ৰথা উঠাই দিয়াৰ ফলত কৃষকসকলে মুদ্ৰাৰ মাধ্যমত খাজানা দিবলগীয়াত পৰিছিল। পাইক প্ৰথাতো কৃষক-প্ৰজা কম শোষিত হোৱা নাছিল। মাত্ৰ দুপুৰা মাটি "বিনাখাজনা"ই ভোগ কৰাৰ বিনিময়ত একোজন কৃষকে বছৰৰ তিনিমাহ (পিছলৈ চাৰিমাহ) বিনা বেতনে পাইক খাটিব লগাত পৰিছিল। তদুপৰি মাটিৰ মালিকীস্বত্বও কৃষকজনে সম্পূৰ্ণৰূপে লাভ নকৰিছিল। তথাপি কৃষক-প্ৰজা সেই অৱস্থাতে অভ্যস্ত আছিল। সেই যুগত অসমত মুদ্ৰা-অৰ্থনীতি একপ্ৰকাৰ অচল আছিল আৰু কৃষকৰ হাতলৈ অৰ্থ-সমাগমৰ পথো একপ্ৰকাৰ বন্ধ আছিল বুলিয়েই ক'ব পাৰি। এনে পৰিস্থিতিত ইংৰাজ চৰকাৰে ভূমি-ৰাজহ ব্যৱস্থাত পৰিৱৰ্তন অনাৰ লগতে নতুন নতুন কৰ-কাটলৰ দিহা কৰাত সাধাৰণ কৃষক ৰাইজৰ হাহাকাৰ লাগিল। তেওঁলোকৰ মনত ঔপনিৱেশিক চৰকাৰ সম্পৰ্কে সন্দেহ আৰু সংশয়ে বাহ ল'লে আৰু তাৰেই ফল হ'ল ঊনৈছ শতিকাৰ দ্বিতীয়াৰ্ধৰ কৃষক বিদ্ৰোহসমূহ।

ঊনবিংশ শতাব্দীৰ অসমৰ পৰম্পৰাগত কৃষিপদ্ধতিলৈ কোনো পৰিৱৰ্তন অহা নাছিল। সেই সময়ত অসমত বজাৰ অৰ্থনীতি গঢ় লৈ উঠা নাছিল। গতিকে অসমৰ কৃষকসকল ঘৰখনৰ বাবে প্ৰয়োজনীয় শস্য উৎপাদন কৰিয়েই সন্তুষ্ট আছিল। ব্যৱসায়িক শস্যৰ উৎপাদন হোৱা নাছিল বুলিয়েই ক'ব পাৰি। গতিকে কৃষকসকলৰ হাতলৈ ধন অহাৰ সামান্য উপাৰ্জনৰ সৰহখিনি খৰচ হৈছিল আফিং আৰু লোণত। এনে পৰিস্থিতিত মুদ্ৰাৰ মাধ্যমত মাটিৰ খাজানা পৰিশোধ কৰাটোৱেই কৃষকসকলৰ বাবে সমস্যা আছিল। বহু সময়ত খাজানা দিব নোৱাৰি মাটি ইস্তফা দিয়াৰ ঘটনাও ঘটিছিল। আনন্দৰাম ঢেকিয়াল ফুকনে খাজানা সন্দৰ্ভত লিখিছে, "The present rate of taxation, however, has far exceeded that limit and the assessment on some of the poorest class of roopit lands is nearly equal in value to the half of their produce. Unless, therefore, the Government provides the people with better and improved means of cultivating their lands, an increase of assessment will inevitably lead to an increase of the unhappiness of the people."[১১] কিন্তু ইংৰাজ চৰকাৰে অসমত মাটিৰ খাজানাৰ নিৰিখ তেনেই সামান্য বুলিহে গণ্য কৰিছিল। মফট মিলছে তেওঁৰ প্ৰতিৱেদনত উল্লেখ

কৰিছিল যে বিশেষ পৰিস্থিতিত খাজানা মাফ দিয়াৰ ব্যৱস্থা ৰাখি অসমত মাটিৰ খাজানাৰ নিৰিখ বঢ়াব পাৰি। চৰকাৰে অসমীয়া কৃষকসকলক ধোদ বুলি গণ্য কৰিছিল। বছৰৰ চাৰি মাহ কাম কৰে, বাকী আঠমাহ শুই-বহি কটায়। এখন চৰকাৰী প্ৰতিবেদনত এনেদৰে উল্লেখ কৰা হৈছে: "There is little actual poverty in the Province, land is to had [মুল] in abundance... the revenue assessment is light, and the prices of labour rule high. The wants of people are few and their habits are not extravagant; but they are as a class improvident, and the consumption of opium induces indolent habits."[১২] গতিকে অসমীয়া কৃষকৰ আৰ্থিক দিশটো বিবেচনা নকৰাকৈয়ে তেওঁলোকৰ ওপৰত বৰ্ধিত খাজানাৰ বোজা জাপি দিয়া হ'ল। লগতে সংযোজন হ'ল নতুন নতুন কৰৰ। খাজানা বৃদ্ধিৰ হাৰ বহু ঐতিহাসিকে দেখুওৱাৰ দৰে অত্যধিক নাছিল যদিও সাধাৰণ কৃষকৰ বাবে সেয়া অত্যন্ত বেছি আছিল। কৃষক-প্ৰজা যে অকল ঔপনিৱেশিক চৰকাৰৰদ্বাৰাহে শোষিত হৈছিল এনে নহয়, মৌজাদাৰ, আমোলা, টেকেলাজাতীয় মানুহেও তেওঁলোকক শোষণ কৰিছিল। গতিকে কৃষক বিদ্ৰোহসমূহৰ সময়ত মৌজাদাৰ, মৌজাদাৰৰ মহৰী আদিকো বিদ্ৰোহী কৃষকসকলে আক্ৰমণৰ লক্ষ্য কৰি লৈছিল।

১৮৬০ চনৰ মে মাহত অসমত আফুখেতি নিষিদ্ধ কৰা হয়। পিছে আফুখেতি নিষিদ্ধ কৰা হ'ল যদিও আফিং নিষিদ্ধ কৰা নহ'ল। বৰঞ্চ ৰাজহ বৃদ্ধিৰ স্বাৰ্থত চৰকাৰী মহল কিছুমানৰ যোগেদি কানীয়াসকলক আফিং বিক্ৰী কৰাৰ ব্যৱস্থা কৰা হ'ল। সেই সময়ত নগাঁও জিলাৰ ফুলগুৰি অঞ্চলত ব্যাপক পৰিমাণে আফুখেতি কৰা হৈছিল। ফুলগুৰিৰ কৃষকসকলে নিজাববীয়াকৈ আফিং উৎপাদন কৰাৰ লগতে তাক বিক্ৰি কৰি দুপইছা উপাৰ্জনো কৰিছিল। গতিকে আফুখেতি নিষিদ্ধ কৰাত ফুলগুৰিৰ কৃষকসকল অসন্তুষ্ট হ'ল। ইতিমধ্যে ইংৰাজ চৰকাৰে মন্দিৰ, দ'ল-দেৱালয় আদিৰ মাটিৰ ওপৰতো খাজানা লগাইছিল। তদুপৰি নতুনকৈ কৃষিভূমিত অন্তৰ্ভুক্ত হোৱা পতিত মাটি কিছুমানো খাজানাৰ আওতালৈ আহিছিল। গতিকে ইয়াৰ ফলত ক্ষতিগ্ৰস্ত হোৱা এচাম মানুহো ক্ষুব্ধ হৈ উঠিছিল আৰু তেওঁলোকে কৃষকসকলক অধিক উত্তেজিত কৰিছিল। বৰ্ধিত খাজানাৰ বিৰুদ্ধে এনে লোকসকলেই ৰাইজমেল কিছুমান সংগঠিত কৰিছিল আৰু এই ৰাইজমেলসমূহে ঊনৈছ শতিকাৰ দ্বিতীয়াৰ্ধত অসমৰ ৰাইজক সংগঠিত কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা লৈছিল। ১৮৬২ চনৰপৰা ফুলগুৰিৰ বিদ্ৰোহ আৰু ১৮৯১-৯২ চনত দৰং-কামৰূপৰ কৃষক বিদ্ৰোহলানিত ৰাইজমেলসমূহৰ ভূমিকা আছিল উল্লেখনীয়। ৰাইজমেলসমূহৰ সৰ্বজনগ্ৰাহ্য নিৰ্দিষ্ট নেতা নাছিল যদিও স্থানীয় মুখিয়াল লোকসকল ইয়াৰ লগত জড়িত আছিল আৰু স্বাভাৱিকতেই তেওঁলোক আছিল ধনী মাটিগিৰী বা দলৈ-পুৰোহিত শ্ৰেণীৰ লোক। এই ৰাইজমেলসমূহৰ যোগেদিয়েই নামনি অসমৰ কৃষক প্ৰজাৰ মাজত ৰাজনৈতিক চেতনাৰ সঞ্চাৰ



হৈছিল। ৰাইজমেলসমূহৰ আহ্বানত হাজাৰ হাজাৰ কৃষক প্ৰজা কেইবা মাইল বাটকুৰি বাই আহি মেলত উপস্থিত হৈছিল, মুক্তকণ্ঠে ব্ৰিটিছ চৰকাৰৰ খাজানা নীতিৰ প্ৰতিবাদ কৰিছিল আৰু সাহসেৰে চৰকাৰী নিৰ্যাতনৰ সন্মুখীন হৈছিল। কিন্তু উপযুক্ত নেতৃত্বৰ অভাৱত এই বিদ্ৰোহসমূহ বাৰে বাৰে ব্যৰ্থ হৈছিল। ফুলগুৰি, পথৰুঘাট, ৰঙিয়া, লাচিমা আদিৰ বিদ্ৰোহী কৃষকসকলক ঐক্যবদ্ধ শাসনবিৰোধী সংগ্ৰামৰ দিশত পৰিচালিত কৰিব পৰা হ'লে ঊনৈছ শতাব্দীৰ শেষভাগতে অসমত ঔপনিৱেশিক শাসনতন্ত্ৰই যে এটা শক্তিশালী জোকাৰণি অনুভৱ কৰিলেহেতেন সেয়া নিশ্চিত। কিন্তু সেয়া হোৱা নাছিল। বিদ্ৰোহীসকলৰ সুপৰিকল্পিত আঁচনি নাছিল, সুনিশ্চিত ৰণকৌশল নাছিল, নাছিল নিৰ্দিষ্ট নেতৃত্ব। কৃষকসকলৰ মাজত "সেনা" বহুত আছিল, কিন্তু ৰাইজক নেতৃত্ব দিব পৰা লোক খুবেই কম আছিল। কৃষকসকল ওলাই আহিছিল, কিন্তু তেওঁলোকৰ ক্ষোভক সুশৃঙ্খলিত আৰু সুপৰিকল্পিত ৰূপত এটা নিৰ্দিষ্ট দিশত আগবঢ়াই নি ইয়াক ঔপনিৱেশিকতাবিৰোধী সংগ্ৰামলৈ ৰূপান্তৰিত কৰিব পৰা নেতা নাছিল। প্ৰশাসনৰ তৰফৰপৰা দমননীতি আৰম্ভ হোৱাৰ লগে লগে এই সেনাসকল হেৰাই গৈছিল। গতিকে বিপুল সম্ভাৱনা থকা সত্ত্বেও এই বিদ্ৰোহসমূহ একো একোটা "revolt" বা "uprising"তে সীমাবদ্ধ হৈ ৰৈছিল। ব্ৰিটিছ ঔপনিৱেশিকতাবাদ সম্পৰ্কে বিদ্ৰোহী কৃষকসকলৰ সুস্পষ্ট ধাৰণা নাছিল। ঔপনিৱেশিকতাবিৰোধী শক্তিৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ সময়ত তেওঁলোকে ঔপনিৱেশিক শাসনক প্ৰত্যাহ্বান জনাব নে ঔপনিৱেশিক চৰকাৰৰ অৰ্থনৈতিক ব্যৱস্থাক প্ৰত্যাহ্বান জনাব সেই বিষয়ত তেওঁলোকৰ মনত কোনো স্পষ্ট ধাৰণা নাছিলেই। দৰাচলতে বিদেশী শাসন ওফৰাই দিয়াৰ উদ্দেশ্যে তেওঁলোকে বিদ্ৰোহ কৰাই নাছিল।

অসমীয়া মধ্যবিত্ত শ্ৰেণী বা কাকত আলোচনীসমূহে কৃষক-বিদ্ৰোহসমূহক একপ্ৰকাৰ উপেক্ষা কৰিছিল। *অৰুণোদইত* ফুলগুৰিৰ কৃষক-বিদ্ৰোহ সম্পৰ্কে এটা লেখা ওলাইছিল যদিও তাতো বিদ্ৰোহী কৃষকসকলক "কুসাহিয়াল নগএগ্ৰা দ্ৰোহীলোক" বুলি গৰিহণা দিয়া হৈছে। সেই সময়ৰ অসমৰ সংবাদপত্ৰসমূহত দেশ-বিদেশৰ বাৰ্তা আছে, সমাজসংস্কাৰৰ কথা আছে, অসমীয়া ভাষা আৰু অসমীয়া জাতিক পুনঃপ্ৰতিষ্ঠা কৰাৰ দৃঢ়সঙ্কল্পও আছে; কিন্তু এই সংবাদপত্ৰসমূহে ৰাজনৈতিক সংগ্ৰামৰ দিশটো এৰাই চলিছে। যি-সময়ত খাজানা বৃদ্ধিৰ বিৰুদ্ধে নামনি অসম প্ৰতিবাদত উত্তাল হৈ আছিল, সেই সময়ত চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী আদিৰ নেতৃত্বত *জোনাকী* কাকত গৌৰৱ-যশস্যাৰ চূড়ান্ত শিখৰত উপনীত হৈছিল। *জোনাকীত* "ভাৰতেশ্বৰী ভিক্টোৰিয়া"ৰ জয়গান আছে, কিন্তু ৰঙিয়া, বজালী, পাথৰিঘাটৰ কৃষকৰ অসন্তুষ্টিৰ কাহিনী নাই। নামনি অসমৰ কৃষক-বিদ্ৰোহসমূহে সাধাৰণ সংবাদ হিচাপেও তাত স্থান পোৱা নাই। ১৮৬৮ চনত মাটিৰ খাজনা বৃদ্ধি কৰাত "ৰায়তবিলাকে মনত বৰ বিসাদ পাই সকলো পোনো আমি মৰিলোঁ, মৰিলোঁ, নিচেইকে মৰিলোঁ, এই বুলি দিনে ৰাতিএ

কোআকুই কৰি" থকাৰ কথা *অৰুণোদয়*[১৩]এ প্ৰকাশ কৰিছে, কিন্তু সেই খাজনা বৃদ্ধিৰ যুক্তিযুক্ততাও এনেদৰে দৰ্শিত হৈছে: "আমাৰ মান্যৱন্ত বৰ্ত্তমান কমিস্যনাব বৰ চাহাবে সেই অতিসই আপদৰ পৰা দেশ আৰু ৰায়ত সকলোকে ৰখ্যা কৰিছে। সম্প্ৰতি এই আসাম দেসৰ ৰাজকৰ আগতকৈ বৰ্হোআত দেসৰ হানি নহৈ জে সকলোপ্ৰকাৰে ইয়াৰ উন্নতিহে হ'ব ইয়াৰ নিবাসি লোকে ক্ৰমেৰে বুজিবলৈ ধৰিব তাৰ সংসই নাই।"[১৪] খাজনা, ভূমিসংস্কাৰ আদি বিষয়ত কৃষক ৰাইজৰ পক্ষ লোৱা ৰায়ত সভাৰ দৰে সংগঠন কিছুমানৰ ওপৰত *মৌ* কাকতে সন্দেহ প্ৰকাশ কৰিছিল। ভূমিসংস্কাৰৰ প্ৰয়োজনীয়তাক নস্যাৎ কৰি *মৌ* কাকতে লিখিছে: "এই ৰায়ত সভা বিলাকৰ গুৰিত আন কোনো নাই, কেৱল মাথোন কেইজনমান নিষ্কৰ্ম্মা বহি থকা, টৌ তুলি ফুৰা, অৰ্দ্ধজীবী টেঁঙৰ, নাউ উলিয়াৰ খোজা ডেকা। দেশত অকণমান খুচুঙ খাচাঙ হলেই এওঁবিলাকে তাকে গঙাতোপ কৰি ৰায়তৰ মাজত উলিয়ায় গই ...। যি দেশৰ মাটিৰ ধান হব এৰিলে, সেই দেশৰ মাটিৰ আইনেই বা লাগিছে কেলেই? যি দেশৰ মানুহ এনে দৰীদ যে বাৰিৰ বাঁহেই ঘৰৰ খুটা, চাপৰিৰ খেৰেই ঘৰৰ ছাউনি, ফুটুকাৰ ঠাৰিয়েই জুহালৰ খৰি, সেই দেশত কাঠৰ মাচুলৰ বাবে কোঢ়াল কৰা আৱশ্যক কি? ... বাস্তৱিকে আসামৰ ৰায়ত সভা এটা মিছা আড়ম্বৰ মাথোন, ইয়াৰ দ্বাৰাই দেশৰ হানীত বাজে আন একো ফল নাই ...। এতেকে এতিয়াৰ লেখীয়া ৰায়ত সভা আসাম দেশত যিমান সোনকালে লোপ পায় তিমান আমাৰ মঙ্গল।"[১৫] কৃষক-বিদ্ৰোহসমূহ সংঘটিত হোৱা অঞ্চলৰ শিক্ষিত লোকসকলৰ দিনলিপি, টোকা, আত্মজীৱনী আদিতো উক্ত ঘটনাসমূহে বিশেষ গুৰুত্ব লাভ কৰা দেখা নাযায়। উদাহৰণস্বৰূপে পথৰুঘাট অঞ্চলৰ বাসিন্দা আৰু পথৰুঘাটৰ কৃষক-বিদ্ৰোহৰ সমসাময়িক ব্যক্তি নজৰ আলি পণ্ডিতৰ আত্মজীৱনী *মোৰ জীৱনৰ কিছু কথাত* উক্ত বিদ্ৰোহৰ কোনো বৰ্ণনা নাই। তেওঁৰ আত্মজীৱনীত পথৰুঘাট অঞ্চলৰ সমাজজীৱনৰ চিত্ৰ আছে, তেওঁৰ জীৱনসংগ্ৰামৰ কাহিনীও আছে, কিন্তু খাজানা বৃদ্ধিৰ প্ৰতিবাদত ১৮৯৪ চনৰ ২৮ জানুৱাৰিৰ দিনা ৰাজপথলৈ ওলাই আহি পথৰুঘাটৰ মাটি বুকুৰ তেজেৰে ৰাঙলি কৰা কৃষকসকলৰ কথা নাই। আত্মজীৱনীৰ একেবাৰে সামৰণিতহে তেওঁ এই বিদ্ৰোহক স্মৰণ কৰিছে। দেশ তেতিয়ালৈ স্বাধীন হৈছে।

ঊনবিংশ শতাব্দীৰ দ্বিতীয়াৰ্ধৰ কৃষক-বিদ্ৰোহসমূহ ৰাজনৈতিক সংগ্ৰাম আছিল নে পূৰাপূৰি অৰ্থনৈতিক কাৰণতে সংঘটিত হোৱা বিদ্ৰোহ আছিল সেয়া এক বহু-বিতৰ্কিত বিষয়। মূলতঃ অৰ্থনৈতিক শোষণৰ বিৰুদ্ধে সংঘটিত হোৱা এই বিদ্ৰোহসমূহৰ ৰাজনৈতিক সম্ভাৱনাৰ দিশটো কোনো কোনোৱে উপেক্ষা কৰা দেখা যায়। কোনো কোনোৱে আকৌ এই বিদ্ৰোহসমূহক স্বাধীনতাৰ সংগ্ৰাম হিচাপেই উপস্থাপন কৰিছে। পৰম্পৰাগত জীৱনযাত্ৰাত অভ্যস্ত আৰু মধ্যযুগীয় চিন্তাচৰ্চাৰে পৰিচালিত অসমৰ কৃষকসকলৰ বিদ্ৰোহত শাসনতন্ত্ৰৰ পৰিৱৰ্তন, স্বাধীনতা লাভ, ক্ষমতা আহৰণ আদিৰ দৰে ৰাজনৈতিক বিষয়ে স্থান লাভ কৰিছিল



বুলি ভবাটো নিশ্চয় ভুল হ'ব। বৰ্ধিত খাজানাই তেওঁলোকক পেপুৱা লগাইছিল আৰু তাৰ প্ৰতিবাদ জনাবলৈ তেওঁলোক ৰাজপথলৈ ওলাই আহিছিল। চৰকাৰ পক্ষই তেওঁলোকৰ দাবী আওকাণ কৰাত তেওঁলোকে উগ্ৰমূৰ্তি ধাৰণ কৰিছিল। গতিকে অৰ্থনৈতিক কাৰণতে এই বিদ্ৰোহসমূহৰ সূচনা হৈছিল। কিন্তু এই কৃষক-বিদ্ৰোহ সমূহৰপৰাই সাধাৰণ জনতাৰ মাজত ৰাজনৈতিক চেতনা সঞ্চাৰ হ'বলৈ আৰম্ভ কৰিছিল। ৰাইজমেলসমূহত চৰকাৰৰ বিৰুদ্ধে বহু কথাই মুকলিমূৰীয়াকৈ আলোচনা কৰা হৈছিল আৰু তাৰ ফলস্বৰূপে জনসাধাৰণৰ মনত বিদেশী শাসনবিৰোধী পৰিৱেশ এটা গঢ় লৈ উঠিবলৈ আৰম্ভ কৰিছিল। সাৰ্বজনিক সভা, ৰায়ত সভা আদি সংগঠনসমূহে বিদ্ৰোহী কৃষকসকলৰ পক্ষত পোনে পোনে ওলাই অহা নাছিল যদিও কৃষকসকলৰ দাবীবোৰ যে যুক্তিসঙ্গত আছিল সেয়া মানি লৈছিল আৰু সেই মৰ্মে চৰকাৰৰ ওচৰত আৰ্জিও পেচ কৰিছিল। এচাম শিক্ষিত যুৱকে নেতৃত্ব দিয়া এই সংগঠনসমূহৰ মাজতে অসমৰ ভৱিষ্যৎ ৰাজনীতিৰ বীজ নিহিত হৈ আছিল। বিদ্ৰোহী কৃষকসকলৰ সাহস আৰু আত্মত্যাগৰ কাহিনী পিছৰ কালত স্বাধীনতা সংগ্ৰামীসকলৰ বাবে অনুপ্ৰেৰণাৰ উৎস হৈছিল। পিছৰ কালত কংগ্ৰেছৰ নেতৃত্বত স্বাধীনতা-সংগ্ৰাম আৰম্ভ হোৱাত কৃষক ৰাইজক উক্ত সংগ্ৰামত জড়িত কৰোৱাৰ উদ্দেশ্যে কৃষক-বিদ্ৰোহসমূহৰ কথা সতকাই উল্লেখ কৰা হৈছিল আৰু হাজাৰ হাজাৰ কৃষক প্ৰজা দেশৰ হকে আত্মবলিদান দিবৰ বাবে আগবাঢ়ি আহিছিল। মধ্যবিত্ত শ্ৰেণীয়ে নেতৃত্ব দিছিল, কিন্তু সৰ্বস্ব ত্যাগ কৰিবলৈ ওলাই আহিছিল কৃষক প্ৰজাহে। এনেদৰেই নামনি অসমৰ কৃষকসকলৰ খাজানাবিৰোধী আধৰুৱা সংগ্ৰামখন এটা সময়ত স্বাধীনতা সংগ্ৰামৰ দিশত পৰিচালিত হৈছিল।

ইতিমধ্যে ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম হৈছিল। ব্ৰিটিছ ঔপনিৱেশিকতাবাদৰ সমৰ্থক হিচাপে আত্মপ্ৰকাশ কৰা এই অনুষ্ঠানৰ ঔপনিৱেশিকতাবাদবিৰোধী, স্বাধীনতা সংগ্ৰামী অনুষ্ঠানলৈ উত্তৰণ এক দীঘলীয়া ইতিহাস। ঊনবিংশ শতাব্দীৰ অসমত কংগ্ৰেছৰ শাখা নাছিল, কিন্তু ৰায়ত সভা, শ্বিলং এছ'চিয়েছন, আপাৰ আসাম এছ'চিয়েছন আদি সংগঠনৰ নামত অসমৰ প্ৰতিনিধিয়ে কংগ্ৰেছৰ অধিৱেশনত যোগ দিছিল। কংগ্ৰেছৰ অধিৱেশনত যোগদান কৰা অসমীয়া ব্যক্তিসকল আছিল শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ প্ৰতিনিধি — আটায়েই ব্ৰিটিছ শাসনৰ সমৰ্থক। জাতীয় কংগ্ৰেছে সেই সময়ত স্বাধীনতা-সংগ্ৰাম আৰম্ভ কৰা নাছিল। শিক্ষিত, মধ্যবিত্ত শ্ৰেণীৰ মাজত জাগৰণহে আৰম্ভ কৰিছিল আৰু সেই জাগৰণত অসমৰ মধ্যবিত্ত শ্ৰেণীয়েও ভাগ লৈছিল। জাতীয় কংগ্ৰেছৰ প্ৰতিষ্ঠাই শিক্ষিত, মধ্যবিত্তসকলৰ মাজত উৎসাহ উদ্দীপনাৰ সৃষ্টি কৰিছিল। কিন্তু সেই উদ্দীপনা ঊনবিংশ শতাব্দীত স্বাধীনতা-সংগ্ৰামলৈ ৰূপায়িত হোৱা নাছিল। ১৯০৫ চনৰ বঙ্গ-বিভাজনৰ পাছতহে জাতীয় কংগ্ৰেছৰ দৃষ্টিভঙ্গি সলনি হৈছিল। কংগ্ৰেছৰ মঞ্চলৈ নতুন তেজৰ আগমন ঘটিছিল, নেতৃত্ব সলনি হৈছিল; লগে

লগে সলনি হৈছিল কর্মপদ্ধতি। এনেদৰেই দেশত স্বাধীনতা-সংগ্ৰামৰ পটভূমি গঢ় লৈ উঠিছিল আৰু এই সংগ্ৰামত অসমৰ জনতাও জড়িত হৈ পৰিছিল।

সৰ্বভাৰতীয় ৰাজনীতিত অসম বিশেষভাৱে জড়িত হৈ পৰে ১৯০৫ চনত আৰম্ভ হোৱা বঙ্গভঙ্গ-বিৰোধী আন্দোলনৰ যোগেদি। লৰ্ড কাৰ্জনৰ বহু-চৰ্চিত, বহু-বিতৰ্কিত বঙ্গ বিভাজন অকল বাংলাভাষী লোকসকলৰ বাবেই নহয়, অসমবাসীৰ বাবেও এক বৃহৎ প্ৰত্যাহ্বান আছিল। বঙ্গবিভাজনক ১৯০৫ চনত আনুষ্ঠানিক ৰূপ দিয়া হয় যদিও তাৰ বহু আগতেই কাৰ্জনৰ আঁচনিৰ কথা অসমত জনাজনি হৈ গৈছিল। বঙ্গ-বিভাজনৰ যোগেদি পূৰ্ববঙ্গৰ ঢাকা, মৈমনসিং আদি জিলা অসমৰ লগত সাঙুৰি দিয়াৰ ফলস্বৰূপে অসমে সুকীয়া ৰাজ্য হিচাপে পূৰ্বৰ মৰ্যাদা হেৰুওৱাৰ উপক্ৰম হৈছিল। "পূৰ্ববঙ্গ আৰু অসম" বুলি নামকৰণ কৰা এই ৰাজ্যখনত প্ৰথমতে "অসম" নামটোৰ উল্লেখ নাছিলেই। পাছতহে বিভিন্ন পক্ষৰ হেঁচাত, বিশেষকৈ চাহখেতিয়কসকলৰ প্ৰবল আপত্তিৰ বাবে পূৰ্ববঙ্গৰ লগত "অসম" নামটো ৰ'লগৈ। অসম নামটোৱেই যদি নাথাকে তেন্তে "Assam Tea" থাকিব কেনেকৈ? গতিকে অসম নামটো ৰ'ল, পিছে নতুন প্ৰদেশখনত অসমীয়াসকলৰ অস্তিত্বক লৈ ভাবুকিৰ সৃষ্টি হ'ল। অসমৰ লগত পূৰ্ববঙ্গৰ যিবোৰ অঞ্চল সাঙুৰি দিয়া হৈছিল, সেইবোৰৰ বাসিন্দাসকল আছিল বাংলাভাষী আৰু সৰহসংখ্যকেই মুছলমান। ৰাজধানীও তুলি নিয়া হ'ল ঢাকালৈ। ভাষাক কেন্দ্ৰ কৰি অসমীয়া জনসাধাৰণৰ পূৰ্বৰপৰাই তিক্ত অভিজ্ঞতা আছিল। এতিয়া নতুন প্ৰদেশখনত বাংলাভাষী লোকসকল সংখ্যাগৰিষ্ঠ হোৱাৰ সম্ভাৱনাই দেখা দিয়াত তেওঁলোক শঙ্কিত হ'ল। নতুন প্ৰদেশখনত অসমীয়াভাষী লোকসকল সংখ্যালঘুত পৰিণত হ'ব, চাকৰি-বাকৰি, ব্যৱসায়-বাণিজ্য সকলোতে বাংলাভাষী লোকৰ আধিপত্য প্ৰতিষ্ঠা হ'ব। ধৰ্মৰ ক্ষেত্ৰতো বাংলাভাষী মুছলমানসকল সংখ্যাগৰিষ্ঠ হ'ব আৰু সংখ্যাৰ জোৰতে তেওঁলোকে অসমৰ ৰাজনীতি নিয়ন্ত্ৰণ কৰিব, এনে আশঙ্কাত অসমীয়া মধ্যবিত্ত শ্ৰেণী উদ্বিগ্ন হৈ উঠিল। গতিকে আসাম এছ'চিয়েচনৰ দৰে সংগঠনসমূহে প্ৰথমৰেপৰা কাৰ্জনৰ আঁচনিৰ প্ৰতিবাদ কৰিছিল। আসাম এছ'চিয়েচনৰ ১৯০৪ চনৰ ১৪ ফেব্ৰুৱাৰিত সভাৰ কাৰ্যবিৱৰণীত সংগঠনটোৰ উদ্বেগ ফুটি উঠিছে:

> ... the historic name of Assam will be obliterated for ever, her language [will] suffer, and the removal of the seat of the Government to a place outside Assam proper and further away from the geographical centre will necessarily make her lose the amount of care and attention which it [has] at present received from government.[১৬]

জগন্নাথ বৰুৱা, মাণিকচন্দ্ৰ বৰুৱা আদি নেতাসকলে নতুন প্ৰদেশখনত অসমীয়া লোকসকলৰ বাবে সাংবিধানিক ৰক্ষাকৱচ দাবী কৰিছিল। আনহাতে সুৰমা উপত্যকাৰ বাংলাভাষী হিন্দুসকলে অনুভৱ কৰিছিল যে নতুন প্ৰদেশখনত তেওঁলোক সংখ্যালঘুত পৰিণত হ'ব আৰু ৰাজনৈতিকভাৱে তেওঁলোকে গুৰুত্ব



হেৰুৱাব। ইপিনে চৰকাৰী প্ৰৰোচনাত একাংশ মুছলমান সংগঠনে বঙ্গভঙ্গৰ প্ৰতি সমৰ্থন আগবঢ়ায়। পূৰ্ববঙ্গ আৰু অসমৰ মহম্মেডান এছ'চিয়েচনে বঙ্গদেশৰ সমৰ্থনত ১৯০৬ চনৰ ১৬ অক্টোবৰত ঢাকাত এখন বিশাল সমাৱেশৰ আয়োজন কৰে। ইংৰাজৰ সমৰ্থক ঢাকাৰ নবাব চলিমুল্লা খানে ১৯০৬ চনত মুছলিম লীগৰ জন্ম দিয়াই নহয়, বঙ্গভঙ্গৰ সমৰ্থনত মুকলিকৈ মাত মাতিবলৈ লয়। এনে পৰিস্থিতিত দেশত সাম্প্ৰদায়িক বিদ্বেষভাৱে ক্ৰমাৎ গা কৰি উঠে। মুঠৰ ওপৰত, কাৰ্জনৰ কূটকৌশলত নতুন প্ৰদেশখনৰ জনসাধাৰণ জাতি, ধৰ্ম, ভাষা আৰু উপত্যকাৰ নামত ভাগ ভাগ হৈ পৰে।

বঙ্গভঙ্গৰ বিৰুদ্ধে যি-দেশজোৰা আন্দোলনৰ আৰম্ভ হৈছিল, তাৰ প্ৰভাৱ অসমতো পৰিছিল। সুৰমা উপত্যকাৰ লোকসকল স্বদেশী আন্দোলনৰ প্ৰতি বিশেষভাৱে আকৃষ্ট হৈছিল। সুৰমা উপত্যকাত কংগ্ৰেছৰ ব্যাপক প্ৰভাৱ আছিল। কিন্তু ইতিমধ্যে কংগ্ৰেছ দল নৰমপন্থী আৰু চৰমপন্থী — এই দুটা উপদলত বিভক্ত হৈ পৰিছিল। এনে পটভূমিত বঙ্গভঙ্গৰ প্ৰতিক্ৰিয়াস্বৰূপে সন্ত্ৰাসবাদত বিশ্বাসী সংগঠন কিছুমানে মূৰ দাঙি উঠিছিল। অসমক পূৰ্ববঙ্গৰ লগত লগ কৰি দিয়াৰ বিৰুদ্ধে ব্ৰহ্মপুত্ৰ উপত্যকাৰ ধুবুৰী, গোৱালপাৰা, গৌৰীপুৰ, গুৱাহাটী, ডিব্ৰুগড় আদি ঠাইত প্ৰতিবাদ সভা অনুষ্ঠিত হৈছিল। পিছে এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে ব্ৰহ্মপুত্ৰ উপত্যকাত বঙ্গভঙ্গৰ বিৰোধিতা হৈছিল যদিও সেই বিৰোধিতাই সৰ্বাত্মক আন্দোলনৰ ৰূপ লোৱা নাছিল। অৱশ্যে বঙ্গভঙ্গৰ প্ৰতিবাদত বঙ্গদেশত মূৰ দাঙি উঠা চৰমপন্থী সংগঠনসমূহৰ কামকাজে অম্বিকাগিৰী ৰায়চৌধুৰীৰ দৰে এচাম জাতীয়তাবাদী ডেকাক আকৃষ্ট কৰিছিল আৰু সেই অনুপ্ৰেৰণাতে তেওঁলোকে "সেৱাসংঘ" নামৰ এটা সংগঠন খুলিছিল। সেৱা-সংঘৰ সভাতেই অসমত এনাৰ্কিষ্ট দল গঠনৰ সিদ্ধান্ত লোৱা হৈছিল। বঙ্গদেশৰ এনাৰ্কিষ্টসকলেও অসমত এনাৰ্কিষ্ট দলৰ শাখা খোলাত বিশেষ আগ্ৰহ দেখুৱাইছিল। পিছে অম্বিকাগিৰী ৰায়চৌধুৰী প্ৰমুখ্যে ব্যক্তিসকলে কলিকতীয়া এনাৰ্কিষ্টসকলৰ প্ৰভাৱমুক্ত এটা এনাৰ্কিষ্ট দল গঠনৰহে চিন্তা কৰিছিল। উগ্ৰবাদত বিশ্বাসী এইসকল যুৱকে দীঘলীপুখুৰী পাৰৰ চাহাবৰ ক্লাবঘৰ এটাত জুই দিছিল আৰু ইয়াৰদ্বাৰা "অসমৰ বুকুৰ পৰা বৃটিছ শাসনৰ ঘাইশিপা এডাল উভালি পেলোৱা হ'ল" বুলি উল্লসিত হৈছিল। পিছে এই উল্লাস স্তিমিত হ'বলৈ বেছিদিন নালাগিল। চৰকাৰী বাহিনীয়ে তৎপৰতা আৰম্ভ কৰাৰ পাছতেই এনাৰ্কিষ্টসকলৰ স্বপ্ন ক্ষন্তেকীয়া উচ্ছ্বাসত পৰিণত হ'লগৈ।

ঊনবিংশ শতাব্দীৰ অন্তিম দশক দুটা আৰু বিংশ শতাব্দীৰ প্ৰথম ডেৰটা দশকত অসমৰ ৰাজনৈতিক আৰু সামাজিক জীৱনৰ অতি উল্লেখযোগ্য ব্যক্তি দুগৰাকী আছিল জগন্নাথ বৰুৱা আৰু মাণিকচন্দ্ৰ বৰুৱা। দুয়ো সেই যুগৰ স্নাতক, কিন্তু চৰকাৰী চাকৰিৰ প্ৰতি মোহ নকৰি তেওঁলোক চাহখেতিৰ লগত জড়িত হৈ পৰিছিল। তৰুণৰাম ফুকন আৰু নবীনচন্দ্ৰ বৰদলৈৰ উত্থানৰ আগলৈকে অসমৰ ৰাজনীতিত তেওঁলোকৰ সৰ্বময় প্ৰভাৱ পৰিলক্ষিত হৈছিল। ১৮৮৪ চনত "যোৰহাট

সাৰ্বজনিক সভা" স্থাপনৰ যোগেদি জগন্নাথ বৰুৱাই ৰাজনৈতিক জীৱন আৰম্ভ কৰাই নহয়, অসমৰ ৰাজনৈতিক জগৎখনলৈকে পৰিৱৰ্তনৰ বতৰা কঢ়িয়াই আনিছিল। জগন্নাথ বৰুৱাৰ ভাষাত এই সংগঠনৰ মুখ্য উদ্দেশ্য আছিল অসমবাসীৰ ইচ্ছা-আকাঙ্ক্ষাৰ কথা চৰকাৰৰ ওচৰত দাঙি ধৰা আৰু চৰকাৰী নীতি-আঁচনি সম্পৰ্কে জনগণক অৱগত কৰা। বহু বুৰঞ্জীবিদে এই সংগঠনক সাম্ৰাজ্যবাদী শাসকৰ সমৰ্থক বুলি সমালোচনা কৰে যদিও যোৰহাট সাৰ্বজনিক সভাই ১৮৮৬ চনৰ অসম ভূমি আৰু ৰাজহ আইনৰ বিৰোধিতা কৰিছিল, ১৮৯৩ চনত কৃষক-বিদ্ৰোহসমূহৰ সময়ত কৃষক-প্ৰজাৰ পক্ষ সমৰ্থন কৰিছিল আৰু ৰয়েল কমিছনৰ আগত অসমৰপৰা পৰ্যায়ক্ৰমে আফিং নিবাৰণ কৰাৰ পৰামৰ্শ আগবঢ়াইছিল। অসম চৰকাৰৰ উচ্চ পদবীসমূহত স্থানীয় লোকক নিযুক্তি নিদিয়া কাৰ্যতো সভাই অসন্তুষ্টি ব্যক্ত কৰিছিল। ভাইচৰয়ৰ ইম্পিৰিয়েল কাউন্সিলত অসমৰ প্ৰতিনিধিত্ব নিশ্চিত কৰাৰ বাবেও সভাৰ তৰফৰপৰা আহ্বান জনোৱা হৈছিল।

১৯০৩ চনত প্ৰতিষ্ঠিত আসাম এছ'চিয়েছনে অসমবাসীৰ ৰাজনৈতিক সচেতনতা বৃদ্ধিত বিশেষ অৰিহণা যোগাইছিল। এই সংগঠনৰ প্ৰতিষ্ঠাপক আছিল মাণিকচন্দ্ৰ বৰুৱা আৰু মৃত্যুৰ সময়লৈকে (১৯১৫ চন) তেওঁ এই দায়িত্বত আছিল। বিদেশী শাসকৰ অনুগত, নৰমপন্থী, শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ অনুষ্ঠান হিচাপে আসাম এছ'চিয়েছনে আত্মপ্ৰকাশ কৰিছিল যদিও জাতীয়তাবাদী ভাবধাৰাৰ ধ্বজাবাহক হিচাপেও এই সংগঠনে কাম কৰিছিল। ফণীধৰ চলিহা, তৰুণৰাম ফুকন, নবীনচন্দ্ৰ বৰদলৈ, চন্দ্ৰনাথ শৰ্মা আদি প্ৰখ্যাত নেতাসকলে ৰাজনৈতিক জীৱনৰ আদিপাঠ শিকিছিল আসাম এছ'চিয়েচনৰ মজিয়াত। মাণিকচন্দ্ৰ বৰুৱা, ঘনশ্যাম বৰুৱা, ফণীধৰ চলিহা, তৰুণৰাম ফুকন, নবীনচন্দ্ৰ বৰদলৈ, প্ৰভাতচন্দ্ৰ বৰুৱা আদি আসাম এছ'চিয়েচনৰ গুৰুত্বপূৰ্ণ নেতাসকল প্ৰাদেশিক আইন সভাৰ সদস্যও হৈছিলগৈ। ১৯০৮ চনত মাণিকচন্দ্ৰ বৰুৱা কেন্দ্ৰীয় ব্যৱস্থাপক সভালৈ নিৰ্বাচিত হয়। কেন্দ্ৰীয় ব্যৱস্থাপক সভাত তেৰেঁই আছিল প্ৰথম অসমীয়া প্ৰতিনিধি। ব্যৱস্থাপক সভাত তেওঁৰ প্ৰথমটো ভাষণতে মাণিকচন্দ্ৰ বৰুৱাই তথ্যসহকাৰে দেখুৱাই দিছিল যে বঙ্গবিভাজনৰ ফলত আটাইতকৈ ক্ষতিগ্ৰস্ত ৰাজ্যখন হ'ল অসম। নতুন প্ৰদেশখনত জনসংখ্যা অনুপাতে অসমে বহু বেছি ৰাজহ আদায় দি আছে আৰু অসমীয়া জাতি তথা অসমীয়া ভাষালৈ অস্তিত্বৰ সঙ্কট নামি আহিছে। মাণিকচন্দ্ৰ বৰুৱাৰ মৃত্যুৰ পাছত আসাম এছ'চিয়েচনত চন্দ্ৰনাথ শৰ্মাহঁতৰ নেতৃত্বত ডেকাশক্তিৰ প্ৰভাৱ বৃদ্ধি হয়। চন্দ্ৰনাথ শৰ্মাৰ প্ৰচেষ্টাতে এটা সময়ত আসাম এছ'চিয়েচন অসম প্ৰদেশ কংগ্ৰেছৰ লগত চামিল হয়।

আসাম এছ'চিয়েচনৰ নিচিনাকৈ সুৰমা ভেলি এছ'চিয়েচন নামৰ সংগঠনটোৱেও সুৰমা উপত্যকাৰ জনসাধাৰণৰ মাজত ৰাজনৈতিক চেতনাসঞ্চাৰ কৰাত বিশেষ ভূমিকা লৈছিল। ১৯০৬ চনত স্থাপিত হোৱা এই সংগঠনৰ লগত ৰাধাবিনোদ দাস, বিপিনচন্দ্ৰ পাল, কামিনীকুমাৰ চন্দ আদি বিখ্যাত নেতা জড়িত



আছিল। স্বৰাজলাভকে এই সংগঠনে মুখ্য উদ্দেশ্য হিচাপে লৈছিল। অৱশ্যে সেই যুগত "স্বৰাজ" সম্পৰ্কে স্পষ্ট ধাৰণা কোনেও দিব পৰা নাছিল।

১৯১১ চনত বঙ্গবিভাজন বাতিল হয় আৰু অসমক পূৰ্বৰ দৰেই চীফ কমিছনাৰ-শাসিত ৰাজ্যৰ মৰ্যাদা দিয়া হয়। ছিলেটক এইবাৰো অসমৰ লগতে ৰখা হয়। সুৰমা উপত্যকাৰ জনসাধাৰণে বিচাৰিছিল বঙ্গ-ভঙ্গ বাতিলৰ পিছত সমগ্ৰ সুৰমা উপত্যকাকে বঙ্গদেশৰ লগত চামিল কৰা হওক। অগত্যা তেওঁলোক অসমৰ লগতে থাকিবলগীয়া হ'লে পূৰ্ববঙ্গৰ বৃহৎ এলেকা এটা অসমৰ লগত ৰখা হওক যাতে অসমৰ ৰাজনীতিত তেওঁলোকৰ প্ৰভাৱ বৰ্তি থাকে। ছিলেটৰ ভালেমান মুছলমান নেতাই অনুভৱ কৰিছিল যে বঙ্গ চৰকাৰৰ পৰিৱৰ্তে অসম চৰকাৰৰপৰাহে তেওঁলোকে অধিক গুৰুত্ব লাভ কৰিবলৈ সক্ষম হ'ব। গতিকে তেওঁলোক অসমৰ লগত থকাৰ পক্ষেই মাত মাতিবলৈ ধৰে। এনেদৰে সুৰমা উপত্যকাৰ নেতাসকলৰ দোদুল্যমান স্থিতিৰ মাজেৰে ১৯১২ চনৰ ১ এপ্ৰিলৰপৰা অসমে পুনৰবাৰ এক সুকীয়া প্ৰদেশ হিচাপে আত্মপ্ৰকাশ কৰিলে।

ছিলেটৰ পিছতে গোৱালপাৰা জিলাৰ একাংশ নেতাৰ মনতো বঙ্গদেশৰ লগত চামিল হোৱাৰ মানসিকতা জাগি উঠিছিল। ১৯১২ চনত গোৱালপাৰাৰ একাংশ জমিদাৰে অসমৰ চীফ কমিছনাৰ আৰ্চডেল আৰ্লক লগ ধৰি উক্ত জিলাক অসমৰপৰা পৃথক কৰি বঙ্গদেশৰ লগত চামিল কৰাৰ প্ৰস্তাৱ আগবঢ়াইছিল। কিন্তু চীফ কমিছনাৰগৰাকীয়ে তেওঁলোকৰ প্ৰস্তাৱ নাকচ কৰি কৈছিল যে গোৱালপাৰা জিলাৰ সৰহসংখ্যক লোকেই অসমীয়াভাষী বা দৈনন্দিন জীৱনত অসমীয়া ভাষাৰ ব্যৱহাৰকাৰী। গতিকে উক্ত জিলা বঙ্গদেশৰ লগত চামিল কৰাৰ প্ৰশ্নই নুঠে। ইয়াৰ পাছতো গোৱালপাৰা এছ'চিয়েচন নামৰ সংগঠন এটাৰ ছত্ৰছায়াত গোৱালপাৰাক অসমৰপৰা পৃথক কৰাৰ প্ৰচেষ্টা অব্যাহত থাকে। আসাম এছ'চিয়েচনৰ প্ৰথমগৰাকী সভাপতি প্ৰভাতচন্দ্ৰ বৰুৱাও এই পৃথকতাবাদী আন্দোলনৰ লগত জড়িত হৈ পৰিছিল। তেওঁ যুক্তি দিছিল যে গোৱালপাৰাৰ প্ৰায় আধাসংখ্যক লোকেই বাংলাভাষাত কথা পাতে আৰু আৰ্থ-সামাজিক দিশতো বঙ্গদেশৰ লগতহে তেওঁলোকৰ নিকট-সম্পৰ্ক। গতিকে গোৱালপাৰা জিলাৰ শিক্ষানুষ্ঠানসমূহত অসমীয়াৰ পৰিৱৰ্তে বাংলাভাষা প্ৰৱৰ্তন কৰাটোহে যুক্তিসঙ্গত। এনেবোৰ কথাই অসমত ভাষাকেন্দ্ৰিক বিতৰ্কটো পুনৰ মুকলি কৰিছিল, লগতে অসমীয়া আৰু বাঙালী সম্প্ৰদায়ৰ পাৰস্পৰিক সম্পৰ্কতো বিৰূপ প্ৰভাৱ পেলাইছিল। ১৯২৬ চনত ধুবুৰীত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশন বৰ্জনৰ বাবেও প্ৰভাতচন্দ্ৰ বৰুৱা আৰু তেওঁৰ সমৰ্থকসকলে আহ্বান জনাইছিল। গোৱালপাৰা জিলাৰ বাঙালী সম্প্ৰদায়ৰ লোকসকলো বঙ্গদেশৰ লগত চামিল হোৱাৰ পক্ষপাতী আছিল। বঙ্গদেশৰ লগত চামিল হ'ব নোৱাৰিলেও অন্ততঃ সেই জিলাৰ শিক্ষানুষ্ঠানসমূহত বাংলাভাষা প্ৰচলন হওক -- এয়া আছিল তেওঁলোকৰ দাবী। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে গোৱালপাৰা জিলাত নকৈ থিতাপি

লোৱা বাংলাভাষী মুছলমান লোকসকল ভাষাকেন্দ্ৰিক সংঘাতৰ সময়ত একপ্ৰকাৰ নিৰ্লিপ্ত হৈ আছিল। জীৱন আৰু জীৱিকাৰ সংগ্ৰামত তেওঁলোক ব্যস্ত আছিল, ভাষাৰ কথা তেওঁলোকৰ বাবে গৌণ আছিল। অৱশ্যে তেওঁলোকৰ মাজৰে দুই-এজন শিক্ষিত ব্যক্তিয়ে নিজকে বাঙালী বুলি পৰিচয় দি গোৱালপাৰা জিলাৰ শিক্ষানুষ্ঠানসমূহত বাংলাভাষা প্ৰচলনৰ দাবী জনাইছিল। পশ্চিম গোৱালপাৰাৰ বিধায়ক মতিউৰ ৰহমান মিঞাই বিধানসভাত স্পষ্ট ভাষাত কৈছিল যে তেওঁৰ মাতৃভাষা বাংলা। গতিকে যদিহে তেওঁলোকৰ ওপৰত অসমীয়া ভাষা "জাপি দিয়া হয়" তেনেহ'লে সেয়া তেওঁলোকৰ বাবে বোজাস্বৰূপ হৈ পৰিব আৰু তেওঁলোকৰ ল'ৰা-ছোৱালীক মাতৃভাষা শিকাৰপৰা বঞ্চিত কৰি শিক্ষালাভৰ সুযোগকণ কাঢ়ি লোৱা হ'ব।[১৭] এনেদৰেই গোৱালপাৰা জিলাৰ জমিদাৰ শ্ৰেণী আৰু একাংশ লোকে সেই জিলাক বঙ্গদেশৰ লগত চামিল কৰা বা তাত বাংলাভাষা প্ৰচলন কৰাৰ দাবী জনাই আহিছিল যদিও প্ৰমথনাথ চক্ৰৱৰ্তীৰ নেতৃত্বত গোৱালপাৰাৰ এচাম নেতৃস্থানীয় লোক অসমত থকাৰ পক্ষপাতী আছিল। তেওঁলোকে সেই লৈ ছাইমন আয়োগৰ ওচৰত এখন স্মাৰকপত্ৰ দাখিল কৰিছিল। এনেদৰে গোৱালপাৰাৰ একাংশ নেতা তথা অনুষ্ঠানে অসমতে থকাৰ সপক্ষে মাত মাতিবলৈ ধৰাত গোৱালপাৰা জিলাৰ পৃথকতাবাদী আন্দোলন ক্ৰমাৎ স্তিমিত হৈ আহিছিল।

সুৰমা উপত্যকাৰ প্ৰভাৱশালী নেতা কামিনীকুমাৰ চন্দই ছিলেটক বঙ্গদেশৰ লগত চামিল কৰাৰ পোষকতা কৰিছিল। ইয়াৰ মূল কাৰণ ভাষিক আৱেগ আছিল যদিও তাত ৰাজনৈতিক বিচাৰ-বিবেচনায়ো স্থান লাভ কৰিছিল। ইংৰাজ চৰকাৰে নতুনকৈ প্ৰৱৰ্তন কৰিববলৈ ওলোৱা সংস্কাৰ আইনখনৰ যোগেদি অসমৰ তুলনাত বঙ্গদেশ অধিক উপকৃত হ'ব বুলি ছিলেটৰ নেতাসকলে অনুভৱ কৰিছিল। অসমত ইতিমধ্যে সুকীয়া বিশ্ববিদ্যালয় স্থাপনৰ দাবী উঠিছিল। চৰকাৰে সেই দাবী মানি ল'লে বিশ্ববিদ্যালয়খন স্বাভাৱিকতে ব্ৰহ্মপুত্ৰ উপত্যকাত স্থাপিত হোৱাৰ সম্ভাৱনা আছিল। এনে পৰিস্থিতিত বাংলাভাষী লোকসকলৰ সন্মুখত সমস্যাই দেখা দিব বুলি তেওঁলোকে ভাবিছিল। ইতিমধ্যে "ছিলেট বেঙ্গল ৰি-ইউনিয়ন লীগ" নামৰ সংগঠন এটাৰ জন্ম হৈছিল আৰু সেই সংগঠনে ছিলেটক বঙ্গদেশৰ লগত চামিল নকৰাপৰ্যন্ত সংগ্ৰাম চলাই যোৱাৰ সিদ্ধান্ত লৈছিল। অসমীয়া মধ্যবিত্ত শ্ৰেণীয়ে ছিলেট অসমৰপৰা আঁতৰি যোৱাটোৱেই বিচাৰিছিল। ছিলেট আঁতৰি গ'লে অসমত অসমীয়াসকল সংখ্যাগৰিষ্ঠ হ'ব আৰু বিশ্ববিদ্যালয় বা হাইক'ৰ্ট স্থাপনৰ সুবিধা আহিলে দুই উপত্যকাৰ মাজত টনা-আঁজোৰা নচলিব। কিন্তু গোৱালপাৰা জিলাৰপৰাও বঙ্গদেশৰ লগত চামিল হোৱাৰ দাবী উত্থাপিত হোৱাত এক নতুন সমস্যাৰ সৃষ্টি হ'ল। এনে অৱস্থাত অসমৰ নেতাসকলে যিকোনো পৰিস্থিতিতে অসমৰ অঙ্গচ্ছেদ কৰাৰ বিৰোধিতা কৰিবলৈ ধৰে— লাগিলে সেয়া গোৱালপাৰাই হওক বা ছিলেটেই।



আঁতৰি আহিবলগীয়া হৈছিল আৰু ১৯৩৭ চনৰ নিৰ্বাচনত নিৰ্দলীয় হিচাপে প্ৰতিদ্বন্দ্বিতা কৰি পৰাজয়ৰ মাজেদি ৰাজনৈতিক জীৱনৰ পৰিসমাপ্তি ঘটাবলগীয়া হয়। নবীনচন্দ্ৰ বৰদলৈৰো আগৰ প্ৰভাৱ নাছিল। কৃষ্ণনাথ শৰ্মাই লিখিছে— "এই দুজনা অসমৰ অদ্বিতীয় নেতাই ১৯৩০ আৰু ১৯৩২ চনৰ আন্দোলনত নেতৃত্ব গ্ৰহণ কৰা নাছিল। ... সেই সময়লৈকে অসমৰ ৰাজনীতি ক্ষেত্ৰত এখেত দুজনৰ প্ৰতিদ্বন্দ্বী কোনো নাছিল। নিজে নিজেই ৰাজমুকুট খহাই দি এখেত দুজনে অসম ৰাষ্ট্ৰীয় আকাশৰপৰা অৱসৰ লোৱাদি লৈছিল।"[২৩]

১৯৩৭ চনৰ নিৰ্বাচনত কংগ্ৰেছ দলে বহু চেষ্টা কৰিও নিজা টিকটত কোনো মুছলমান প্ৰাৰ্থীক প্ৰতিদ্বন্দ্বিতাত নমাব পৰা নাছিল। ১০৮জনীয়া অসম বিধানসভাত মুছলমানসকলৰ বাবে সংৰক্ষিত আসনৰ সংখ্যা আছিল ৩৪খন। ইয়াৰে ৯খন আসন লাভ কৰিছিল মুছলিম লীগে। অসম ভেলি মুছলিম পাৰ্টিয়ে আৰু সুৰমা ভেলি মুছলিম পাৰ্টিয়ে পাইছিল ৫খনকৈ আসন। এজন মুছলিম প্ৰজা পাৰ্টিৰ আৰু ১৪জন নিৰ্দলীয়। ফখৰুদ্দিন আলি আহমেদেও নিৰ্দলীয় হিচাপেই নিৰ্বাচনত জয়লাভ কৰিছিল আৰু পাছত কংগ্ৰেছত যোগ দিছিল। কংগ্ৰেছে নিজাববীয়াকৈ ৩৩খন আসনত জয়লাভ কৰি বিধানসভাত সংখ্যাগৰিষ্ঠ দল হিচাপে পৰিগণিত হয়। কিন্তু দলৰ নিৰঙ্কুশ সংখ্যাগৰিষ্ঠতা নাছিল, আছিল নেতৃত্বকেন্দ্ৰিক সংঘাত। ব্ৰহ্মপুত্ৰ উপত্যকাৰ গোপীনাথ বৰদলৈ আৰু সুৰমা উপত্যকাৰ বসন্তকুমাৰ দাস উভয়েই বিধায়িনী দলপতি পদপ্ৰত্যাশী আছিল। কংগ্ৰেছে সেই সময়ত নিৰ্দলীয় বা সৰু সৰু গোটৰ সমৰ্থন লৈ মন্ত্ৰীসভা গঠন কৰিব পৰা স্থিতিত আছিল। কিন্তু এক উল্লেখযোগ্য ঘটনাক্ৰমত দলে সিদ্ধান্ত গ্ৰহণ কৰিলে যে কংগ্ৰেছ দলে সংযুক্ত মন্ত্ৰীসভা গঠন কৰাৰ সলনি বিৰোধী দলৰ ভূমিকা গ্ৰহণ কৰিব। কংগ্ৰেছ বিধায়িনী দলৰ সভাত গোপীনাথ বৰদলৈক দলপতি আৰু বসন্তকুমাৰ দাসক বিধানসভাৰ অধ্যক্ষ পতাৰ সিদ্ধান্ত লোৱা হয়। মন কৰিবলগীয়া যে এক বিশেষ পৰিস্থিতিতহে গোপীনাথ বৰদলৈ কংগ্ৰেছ বিধায়িনী দলৰ দলপতি নিৰ্বাচিত হৈছিল। তৰুণৰাম ফুকন ইতিমধ্যে কংগ্ৰেছৰপৰা ওলাই গৈছিল। কুলধৰ চলিহা কেন্দ্ৰীয় ব্যৱস্থাপক সভালৈ নিৰ্বাচিত হৈছিল আৰু ৰাজ্য ৰাজনীতিলৈ ঘূৰি অহাৰ আগ্ৰহ দেখুওৱা নাছিল। কংগ্ৰেছ সভাপতি বিষ্ণুৰাম মেধিয়ে আকৌ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাই নাছিল। গতিকে তুলনামূলকভাৱে কনিষ্ঠ কংগ্ৰেছী গোপীনাথ বৰদলৈ বিধায়িনী দলৰ নেতা হোৱাৰ পথ মুকলি হৈছিল। হৰেন্দ্ৰনাথ বৰুৱাই সঠিকভাৱেই মন্তব্য কৰিছে: "১৯৩৭ চনৰ বিধানসভাৰ নিৰ্বাচনত প্ৰবীণ আৰু লব্ধপ্ৰতিষ্ঠ নেতা তৰুণৰাম ফুকন কিম্বা কুলধৰ চলিহাৰ কথাই নাই প্ৰদেশ কংগ্ৰেছৰ সভাপতি শ্ৰীযুত বিষ্ণুৰাম মেধি নিৰ্বাচিত হৈ অহা হ'লেও বৰদলৈ ডাঙৰীয়া কংগ্ৰেছ দলপতি আৰু সেই হিচাপে অসমৰ মুখ্যমন্ত্ৰী হ'ব নোৱাৰিলেহেতেন।"[২৪] ইতিমধ্যে দল-মত নিৰ্বিশেষে উভয় উপত্যকাৰ প্ৰায়খিনি মুছলমান বিধায়কে লগ হৈ মন্ত্ৰীসভা গঠনৰ চেষ্টা কৰিছিল। মিলিত জনসংঘৰ ৰোহিণীকুমাৰ চৌধুৰীয়েও তেওঁলোকৰ

লগত হাত উজান দিছিল। বহুতেই বিশ্বাস কৰে যে সেই জটিল মুহূৰ্তত ৰোহিণীকুমাৰ চৌধুৰীয়ে মন্ত্ৰীপদৰ অঙ্ক কৰি সাদ্উল্লাৰ লগত হাত মিলোৱাৰ সলনি কংগ্ৰেছত যোগ দিয়া হ'লে অসমৰ ৰাজনীতিৰ গতিয়েই হয়তো সলনি হৈ গ'লহেতেন।

১৯৩৭ চনৰপৰা ১৯৪৭ চনলৈকে অসমৰ ইতিহাসত মহম্মদ সাদ্উল্লা আৰু গোপীনাথ বৰদলৈৰ মাজৰ ৰাজনৈতিক প্ৰতিদ্বন্দ্বিতাখনে বিশেষ তাৎপৰ্য বহন কৰিছিল। তেওঁলোক দুয়ো আছিল দুটা সুকীয়া ধাৰাৰ ৰাজনীতিবিদ। সাদ্উল্লাই কটন কলেজৰ চাকৰি এৰি ৰাজনীতিত নামিছিল আৰু বৰদলৈয়ে সেই কলেজৰে অধ্যাপক পদ এটাৰ বাবে আৱেদন কৰি চাকৰি নাপাই প্ৰত্যক্ষ ৰাজনীতিত জড়িত হৈ পৰিছিল। অসমৰ জটিল জনগাঁথনিৰ ৰাজনৈতিক সমীকৰণৰ হিচাপ-নিকাচত দুয়ো পাকৈত আছিল। সেই সময়ত মুছলমান সম্প্ৰদায়ৰ মাজত কংগ্ৰেছৰ গণভিত্তি আছিল তেনেই লেহুকা। পাকিস্তানৰ দাবী শক্তিশালী হৈ অহাৰ লগে লগে মুছলমান জনসাধাৰণ মুছলিম লীগৰ প্ৰতি আকৰ্ষিত হৈছিল। অসম কংগ্ৰেছত ফখৰুদ্দিন আলি আহমেদ, মৌলানা তৈয়বুল্লা আদি মুছলমান নেতা আছিল; কিন্তু মুছলমান সমাজত তেওঁলোকৰ কিমান প্ৰভাৱ আছিল সেয়াহে বিচাৰ্য। ১৯৪৬ চনত ফখৰুদ্দিন আলি আহমেদে কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে ৰঙিয়াৰপৰা প্ৰতিদ্বন্দ্বিতা কৰি লীগৰ প্ৰাৰ্থী আব্দুল হাইৰ হাতত শোচনীয়ভাৱে পৰাস্ত হৈছিল। ১৯৩৭ চনত তেওঁ নিৰ্দলীয় হিচাপেহে জিকিছিল। আনহাতে মৌলানা তৈয়বুল্লাই মঙ্গলদৈ সমষ্টিৰপৰা লীগৰ প্ৰাৰ্থী আব্দুল মতিন চৌধুৰীৰ বিৰুদ্ধে কংগ্ৰেছ-প্ৰাৰ্থী হিচাপে নিৰ্বাচনত নামিবলৈয়ো অমান্তি হৈছিল। কংগ্ৰেছ-প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ সময়ত তেওঁ মুছলমান ছাত্ৰসকলৰ বিক্ষোভৰ সন্মুখীন হৈছিল। ভোটৰ ৰাজনীতিত কংগ্ৰেছ বা মুছলীম লীগ কোনো এটা দলৰ বাবেই নিজাববীয়াকৈ চৰকাৰ গঠন কৰাটো একপ্ৰকাৰ অসম্ভৱ আছিল। এনে অৱস্থাত নিকলছ ৰয়, ৰূপনাথ ব্ৰহ্ম, ভীমবৰ দেউৰী আদিৰ নেতৃত্বাধীন জনজাতীয় গোটসমূহৰ সমৰ্থন গুৰুত্বপূৰ্ণ হৈ পৰিছিল। অক্ষয়কুমাৰ দাস, ৰোহিণীকুমাৰ চৌধুৰী আদিৰ নেতৃত্বাধীন সৰুসুৰা গোটবোৰৰো যথেষ্ট ৰাজনৈতিক গুৰুত্ব আছিল। এনে সৰুসুৰা গোটবোৰৰ লগতে জনজাতীয় নেতাসকলক নিজৰ পক্ষলৈ আনি ১৯৩৭ চনত সাদ্উল্লাই মন্ত্ৰীসভা গঠন কৰিবলৈ সক্ষম হৈছিল। স্বাধীনতাৰ পিছত কংগ্ৰেছী হৈ নিজৰ ৰাজনৈতিক ভৱিষ্যৎ সুৰক্ষিত কৰিবলৈ বিচৰা বহু নেতা সেই সময়ত সাদ্উল্লাৰ লগত আছিল। পক্ষ-পৰিৱৰ্তন তেতিয়া ৰাজনীতিত একেবাৰে সাধাৰণ কথা আছিল আৰু সেই কাৰণেই সাদ্উল্লাই গোপীনাথ বৰদলৈক সদম্ভে ক'ব পাৰিছিল — "মোৰ হাতৰ মুঠিত ৩৪জন মুছলমান, ৯জন য়ুৰোপীয়, ৫জন মজদুৰ, ৭জন জনজাতীয় লোক আছে আৰু তাৰ বাহিৰেও তোমালোকৰ বিভীষণবিলাক যেনে, প্ৰমোদ দত্ত, হীৰেন্দ্ৰ চক্ৰৱৰ্তী, মহেন্দ্ৰনাথ শইকীয়া, সুৰেন বুঢ়াগোহাঁই, নৱকুমাৰ দত্ত আছে। গতিকে তোমাৰ সংখ্যাগৰিষ্ঠতাৰ অঙ্কটো ভুল।"[২৫]

সাদ্উল্লাৰ প্ৰথম মন্ত্ৰীসভাত মুছলিম লীগে যোগদান কৰা নাছিল। লীগৰ



নেতা আব্দুল মতিন চৌধুৰীয়ে এই মন্ত্ৰীসভাক মুছলিম লীগ মন্ত্ৰীসভালৈ পৰিৱৰ্তন কৰাৰ বাবে অহৰহ হেঁচা অব্যাহত ৰাখিছিল। সাদ্উল্লাৰ ওপৰত চাপ সৃষ্টিৰ উদ্দেশ্যে লীগে আনকি কংগ্ৰেছৰ লগতো হাত মিলাইছিল আৰু কংগ্ৰেছ-প্ৰাৰ্থী বসন্তকুমাৰ দাসক বিধানসভাৰ অধ্যক্ষ পদৰ বাবে সমৰ্থন কৰিছিল। তাৰ বিনিময়ত কংগ্ৰেছৰ সমৰ্থন লৈ লীগৰ প্ৰাৰ্থী আমিৰুদ্দিন আহমেদক উপাধ্যক্ষ পদত অধিষ্ঠিত কৰিছিল। বিধানসভাত চৰকাৰৰ স্থিতি মুঠেই শক্তিশালী নাছিল। অমলেন্দু গুহৰ ভাষাত সাদ্উল্লা মন্ত্ৰীসভা আছিল কোনো কাৰ্যসূচী নথকা চৰকাৰ, এখন তলিফুটা নাও — "a Government without a programme ... a leaking boat!"[২৬] এনে পৰিস্থিতিত নিজৰ ৰাজনৈতিক ভৱিষ্যৎ সুৰক্ষিত কৰাৰ স্বাৰ্থত সাদ্উল্লাই মুছলিম লীগত যোগদান কৰে আৰু মুছলিম লীগৰ দুগৰাকী সদস্যক অন্তৰ্ভুক্ত কৰি মন্ত্ৰীসভা পুনৰ্গঠন কৰে।

ঊনবিংশ শতাব্দীৰ শেষভাগৰপৰা অসমত পূৰ্ববঙ্গীয় — বিশেষকৈ মৈমনচিঙীয়া — মুছলমান লোকৰ প্ৰব্ৰজন আৰম্ভ হৈছিল। কুৰি শতিকাত এই প্ৰব্ৰজনে গণপ্ৰব্ৰজনৰ ৰূপ ধাৰণ কৰে। মুছলিম লীগ আৰু সাদ্উল্লাৰ ৰাজনৈতিক শক্তিৰ আঁৰত আছিল মুছলমান জনসমৰ্থন। সাদ্উল্লাৰ অঙ্ক আছিল অসমত মুছলমান জনসংখ্যা যিমানেই বাঢ়িব, তেওঁলোকৰ বাবে সংৰক্ষিত আসনৰ সংখ্যাও সেই অনুপাতে বৃদ্ধি হ'ব। গতিকে নিজৰ ৰাজনৈতিক ভৱিষ্যৎ সুৰক্ষিত কৰাৰ স্বাৰ্থত তেওঁ এই প্ৰব্ৰজনক প্ৰশ্ৰয় দিয়াই নহয়, নিজেও প্ৰব্ৰজনকাৰীসকলক অসমলৈ আমদানি কৰিবলৈ ধৰে। অধিক শস্য উৎপাদনৰ নামত তেওঁ পূৰ্ববঙ্গৰ হাজাৰ হাজাৰ মুছলমান কৃষকক নামনি অসমৰ জিলাকেইখনত সংস্থাপিত কৰিছিল। ফলত অসমৰ জনগাঁথনিৰ ৰূপটোৱেই সলনি হৈ যোৱাৰ উপক্ৰম হৈছিল। ১৮৮১ চনত ব্ৰহ্মপুত্ৰ উপত্যকাত মুছলমান জনসংখ্যা আছিল ৯ শতাংশ; ১৯৩১ চনত ই ১৯ শতাংশ আৰু ১৯৪১ চনত ২৩ শতাংশ হ'লগৈ। ১৯১১ চনত বৰপেটা মহকুমাত মুছলমান জনসংখ্যা আছিল মাত্ৰ ০.১ শতাংশ, কিন্তু ১৯৪১ চনত ই হ'লগৈ ৪৯ শতাংশ।[২৭] পূৰ্ববঙ্গীয় মূলৰ মুছলমানসকল ৰাজনৈতিকভাৱেও শক্তিশালী হৈ উঠিছিল আৰু সংখ্যাৰ জোৰতে তেওঁলোক নামনি অসমৰ ৰাজনীতিত এক উল্লেখযোগ্য শক্তি হোৱাৰ পথত অগ্ৰসৰ হৈছিল।

১৯২০ চনত অসম চৰকাৰে লাইনপ্ৰথা প্ৰৱৰ্তন কৰে। পূৰ্ববঙ্গৰপৰা লোকসকলে যাতে অবাধে অসমৰ কৃষিভূমি দখল কৰিব নোৱাৰে বা য'তে ত'তে বসতি স্থাপন কৰিব নোৱাৰে সেয়া নিশ্চিত কৰাৰ কাৰণে পোনতে নগাঁও জিলা আৰু বৰপেটা মহকুমাত এই ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছিল। এই ব্যৱস্থা অনুসৰি প্ৰব্ৰজনকাৰীসকলে অবাধে বসতি স্থাপন কৰিব পৰা কিছুমান অঞ্চল চিনাক্ত কৰা হৈছিল আৰু তাৰ বাহিৰে তেওঁলোকক বসতি স্থাপন কৰিবলৈ দিয়া নহৈছিল। নগাঁও আৰু বৰপেটাৰ পিছত নামনি অসমৰ অন্য জিলালৈকো লাইনপ্ৰথাৰ সম্প্ৰসাৰণ ঘটিছিল। পিছে চৰকাৰী বিষয়াসকলৰ অমনোযোগিতাৰ সুযোগ লৈ

প্ৰব্ৰজনকাৰীসকলে তেওঁলোকৰ বাবে নিৰ্দিষ্ট কৰি দিয়া এলেকাৰ বাহিৰতো জনবসতি গঢ়ি তুলিছিল। চৰকাৰে তেওঁলোকৰপৰা খাজানা পোৱা নাছিল, অথচ তেওঁলোকক উচ্ছেদ কৰাও নহৈছিল। পূৰ্ববঙ্গীয় প্ৰব্ৰজনকাৰীসকলে প্ৰায়েই লাইনপ্ৰথা উলংঘা কৰিছিল। মুছলিম লীগ আৰু কমিউনিষ্টসকল লাইনপ্ৰথাৰ বিৰোধী আছিল। মুছলীম লীগৰ মহম্মদ আমিৰুদ্দিনে লাইন প্ৰথাক "an unnatural barrier thrown in the way of human advancement"[২৮] বুলি অভিহিত কৰি ইয়াক উঠাই দিয়াৰ দাবী কৰিছিল। ভালেমান খিলঞ্জীয়া নেতাও প্ৰব্ৰজনকাৰীসকলৰ প্ৰতি সহানুভূতিশীল আছিল। অমলেন্দু গুহৰ মতে ৰাজনৈতিক স্বাৰ্থতে তেওঁলোকে প্ৰব্ৰজনকাৰীসকলৰ প্ৰতি নৰম দৃষ্টিভঙ্গি পোষণ কৰিছিল। নগাঁৱৰ খান বাহাদুৰ নুৰুদ্দিন আহমেদে কাউন্সিলত এই বুলি কৈছিল যে প্ৰব্ৰজনকাৰীসকল অসমীয়া সমাজত জাহ যোৱাৰ ক্ষেত্ৰত এক বৃহৎ বাধা হ'ল এই লাইনপ্ৰথা।[২৯] কমিউনিষ্টসকলে লাইনপ্ৰথাৰ বিৰোধিতা কৰিছিল আৰু প্ৰব্ৰজনকাৰী কৃষকসকলক উচ্ছেদ কৰাৰ বিৰুদ্ধে মাত মাতিছিল। পিছে প্ৰব্ৰজনকাৰী মুছলমান কৃষকসকল মুছলিম লীগৰ দৃঢ় সমৰ্থক হোৱাত তেওঁলোকৰ মাজত কমিউনিষ্টসকলে খুঁটি পুতিব পৰা নাছিল। আনহাতে কংগ্ৰেছ দল আৰু অসম সংৰক্ষিণী সভাকে ধৰি জাতীয়তাবাদী অনুষ্ঠানসমূহে লাইনপ্ৰথা কঠোৰভাৱে কাৰ্যকৰী কৰাৰ দাবী জনাইছিল। বৃহৎ মাত্ৰাত ঘটি থকা প্ৰব্ৰজনৰ সোঁতত ভেটা দিবৰ বাবে গোপীনাথ বৰদলৈ নেতৃত্বাধীন কংগ্ৰেছ সংযুক্ত চৰকাৰে সিদ্ধান্ত লৈছিল যে ১৯৩৮ চনৰ ১ জানুৱাৰিৰ পিছৰ প্ৰব্ৰজনকাৰীসকলক মাটিৰ পট্টা দিয়া নহয়। পিছে এই সিদ্ধান্তৰ বিৰুদ্ধে বিভিন্ন পক্ষই হৈ চৈ লগাইছিল আৰু বিভিন্ন পক্ষৰ হেঁচাত চৰকাৰে লাইনপ্ৰথা কিছু পৰিমাণে শিথিল কৰি দিবলৈ বাধ্য হৈছিল। উল্লেখযোগ্য যে অসমত ঘটি থকা অবাধ প্ৰব্ৰজনক লৈ কংগ্ৰেছৰ কেন্দ্ৰীয় নেতৃত্ব মুঠেই চিন্তিত নাছিল, বৰঞ্চ ইয়াক এক স্বাভাৱিক প্ৰক্ৰিয়া বুলিহে গণ্য কৰিছিল। কংগ্ৰেছ সভাপতি নেহৰুৱে প্ৰদেশ কংগ্ৰেছৰ সভাপতিলৈ লিখিছিল: "... immigration is desirable. The real problem is how to control and organise this immigration." তেওঁ বিশ্বাস কৰিছিল— Immigration was, therefore, bound to take place as an economic necessity. No amount of sentiment, not even laws, would stop it."[৩০]

ইতিমধ্যে বঙ্গৰপৰা অহা মুছলমানসকলে অসমৰ ৰাজনীতিত এক উল্লেখযোগ্য শক্তি হিচাপে আত্মপ্ৰকাশ কৰিছিল। বিশেষকৈ নামনি অসমত তেওঁলোক ৰাজনৈতিকভাৱে উলাই কৰিব নোৱাৰা শক্তি হৈ পৰিছিল। ইয়াৰ ফলত প্ৰকাৰান্তৰে অধিক ক্ষতিগ্ৰস্ত হৈছিল খিলঞ্জীয়া মুছলমানসকল। প্ৰব্ৰজনকাৰী মুছলমানসকলে সংখ্যাৰ জোৰতে মুছলমানৰ বাবে সংৰক্ষিত আসনসমূহৰপৰা নিজৰ প্ৰতিনিধি বিধানসভালৈ পঠিয়াব পাৰিছিল। নগাঁৱত বঙ্গমূলীয় আমিৰুদ্দিন আহমেদ আৰু ওচমান আলিৰ হাতত পৰাস্ত হোৱা প্ৰাৰ্থী দুগৰাকী আছিল খিলঞ্জীয়া



মুছলমান।[৩১] বঙ্গমূলীয় মুছলমানৰ সংখ্যাৰ জোৰতে আব্দুল হামিদ খান ভাচানি পূৰ্ববঙ্গৰপৰা গোৱালপাৰালৈ আহি একেদোপে বিধায়ক হৈছিল। কৃষকৰ সংগ্ৰামৰ লগত সাম্প্ৰদায়িক ৰাজনীতিক একাকাৰ কৰি পেলোৱা এইগৰাকী নেতা স্বাধীনতাৰ সময়লৈকে অসমৰ ৰাজনীতিৰ এক উল্লেখযোগ্য চৰিত্ৰ আছিল। নামনি অসমত মুছলিম লীগৰ সংগঠন গঢ়ি তোলা মূল ব্যক্তিজন আছিল মৌলানা ভাচানি। মৌলানা ভাচানিয়ে পূৰ্ববঙ্গৰ শোষিত-সৰ্বহাৰা কৃষকৰ নামত সংগ্ৰাম আৰম্ভ কৰিছিল আৰু এই সংগ্ৰামে চৰম পৰ্যায় পাইছিল ধৰ্মীয় ৰাষ্ট্ৰ পাকিস্তানৰ বাবে চলোৱা জঙ্গি লড়াইৰ মাজত। অৱশ্যে তেওঁ নতুন ৰাজনৈতিক ভৱিষ্যতৰ সন্ধানত সেই নতুন ৰাষ্ট্ৰখনলৈ গুচি যায়। ১৯৩৮ চনত সাদ্‌উল্লা মন্ত্ৰীসভাৰ পতন ঘটাত গোপীনাথ বৰদলৈৰ নেতৃত্বত পোনপ্ৰথম বাৰৰ বাবে কংগ্ৰেছ সংযুক্ত দলৰ চৰকাৰ গঠন হয়। কংগ্ৰেছ দলৰ কেন্দ্ৰীয় পৰ্যবেক্ষক মৌলানা আজাদৰ দৃষ্টিভঙ্গি চৰকাৰ গঠনৰ ক্ষেত্ৰত বিশেষ উৎসাহজনক নাছিল। কংগ্ৰেছ সভাপতি সুভাষচন্দ্ৰ বসুৰ ব্যক্তিগত উদ্যোগৰ বাবেহে চৰকাৰ গঠনৰ কাম উজু হৈছিল। বৰদলৈ মন্ত্ৰীসভাৰ সদস্যসকল আছিল কামিনীকুমাৰ সেন, অক্ষয়কুমাৰ দাস, ৰূপনাথ ব্ৰহ্ম, ৰামনাথ দাস, ফখৰুদ্দিন আলি আহমেদ, আলি হায়দৰ আৰু মামুদ আলি। এই মন্ত্ৰীসভাৰ কেইবাগৰাকীও সদস্য পূৰ্বতে সাদ্‌উল্লা মন্ত্ৰীসভাত আছিল বা সেই চৰকাৰৰ সমৰ্থক আছিল। উল্লেখযোগ্য যে মন্ত্ৰীসভাই শপত গ্ৰহণ কৰাৰ আগতেই সেই মন্ত্ৰীসভাৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ উত্থাপনৰ দাবী কৰি ৰোহিণীকুমাৰ চৌধুৰীয়ে এক অস্বস্তিকৰ পৰিস্থিতিৰ সৃষ্টি কৰিছিল।

দ্বিতীয় বিশ্বযুদ্ধত কংগ্ৰেছ দলে ইংৰাজক সহায় নকৰাৰ সিদ্ধান্ত লয় আৰু বিভিন্ন ৰাজ্যৰ কংগ্ৰেছী মন্ত্ৰীসভাসমূহক পদত্যাগ কৰাৰ নিৰ্দেশ দিয়ে। গোপীনাথ বৰদলৈয়ে অনুভৱ কৰিছিল যে অসমত কংগ্ৰেছ-মন্ত্ৰীসভাই পদত্যাগ কৰা মানে সাদ্‌উল্লাক চৰকাৰ গঠনৰ সুবিধা দিয়া। অসমৰ দৰে জটিল, সমস্যাবহুল ৰাজ্য এখনত মুছলিম লীগক মন্ত্ৰীসভা গঠন কৰিবলৈ দি ৰাজ্যখনক অধিক সঙ্কটৰ মুখলৈ ঠেলি দিয়া হ'ব বুলি তেওঁ অনুভৱ কৰিছিল। সৰ্বভাৰতীয় স্তৰত সুভাষচন্দ্ৰ বসু বৰদলৈ-মন্ত্ৰীসভা ক্ষমতাত থকাৰ পক্ষপাতী আছিল আৰু মৌলানা আজাদ তাৰ বিৰোধী আছিল। ইপিনে মহাত্মা গান্ধীয়ে পদত্যাগৰ বিষয়টো অসম-মন্ত্ৰীসভাৰ হাতত এৰি দিয়া উচিত হ'ব বুলি অনুভৱ কৰিছিল। কিন্তু মৌলানা তৈয়বুল্লা, বিষ্ণুৰাম মেধি, বিজয়চন্দ্ৰ ভাগৱতী আদি অসম কংগ্ৰেছৰ বহু প্ৰভাৱশালী নেতাই বৰদলৈ-মন্ত্ৰীসভাই পদত্যাগ কৰাটো বিচাৰিছিল আৰু পাকে-প্ৰকাৰে বৰদলৈক ক্ষমতালোভী নেতা বুলি সমালোচনাও কৰিছিল। এনে পৰিস্থিতিত বৰদলৈ-মন্ত্ৰীসভাই পদত্যাগ কৰে।

বৰদলৈ মন্ত্ৰীসভাৰ পদত্যাগৰ পাছত কেইবাজনো অকংগ্ৰেছী বিধায়কে নিকলছ ৰয়ৰ নেতৃত্বত এখন অনা-লীগ মন্ত্ৰীসভা গঠনৰ চেষ্টা কৰে। ৰোহিণীকুমাৰ চৌধুৰীও তেওঁলোকৰ লগত আছিল আৰু তেওঁ কংগ্ৰেছ বিধায়িনী দলৰপৰা

সমৰ্থন আদায়ৰ চেষ্টা কৰিছিল। বৈদ্যনাথ মুখাৰ্জীয়ে কংগ্ৰেছ সভাপতি মৌলানা আজাদক লগ ধৰি সাদ্‌উল্লাৰ বিকল্প চৰকাৰ এখন গঠনৰ ক্ষেত্ৰত কংগ্ৰেছৰ সমৰ্থন বিচাৰিছিল। পিছে অসমত সংযুক্ত চৰকাৰ গঠনত কংগ্ৰেছ দলে কোনো ভূমিকা নলয় বুলি ঘোষণা কৰাত সংযুক্ত চৰকাৰ গঠনৰ আশাত চেঁচাপানী পৰে।

একে সময়তে সাদ্‌উল্লাৰ নেতৃত্বত লীগ মন্ত্ৰীসভা গঠনৰ প্ৰস্তুতি তুঙ্গত উঠিছিল। মুছলিম লীগৰ আব্দুল মতিন চৌধুৰী, ইউৰোপীয় গ্ৰুপৰ নেতা হকেনহুল আদিয়ে তেওঁৰ হৈ সমৰ্থন গোটোৱাত ব্যস্ত আছিল। ৰোহিণীকুমাৰ চৌধুৰী, ৰূপনাথ ব্ৰহ্ম, মহেন্দ্ৰনাথ শইকীয়া আদিও তেওঁৰ লগ লাগিল। অৱশেষত ইংৰাজৰ যুদ্ধ প্ৰস্তুতিত সহায় কৰাৰ প্ৰতিশ্ৰুতিৰে সাদ্‌উল্লাই মন্ত্ৰীসভা গঠন কৰিলে। উক্ত প্ৰতিশ্ৰুতি ৰক্ষা কৰি সাদ্‌উল্লাই ইংৰাজৰ যুদ্ধ প্ৰস্তুতিত সম্পূৰ্ণ সহযোগ কৰিছিল। পাকিস্তান লীগৰ বাবে মুছলিম লীগে চলাই অহা কুচকাৱাজো ইতিমধ্যে তুঙ্গত উঠিছিল। বহু মুছলমান কংগ্ৰেছ-কৰ্মীয়ে মুছলিম লীগত যোগদান কৰিছিল। মুছলমান ছাত্ৰসকলকো কংগ্ৰেছী ৰাজনীতিৰপৰা আঁতৰত ৰখাৰ চেষ্টা চলোৱা হৈছিল। লীগ নেতৃত্বৰ অহৰহ প্ৰচেষ্টাত অসম প্ৰদেশ মুছলমান ছাত্ৰ সন্মিলনখন গঠন হৈছিল।

১৯৪১ চনত সাদ্‌উল্লা চৰকাৰে "লেণ্ড ডেভেলপ্‌মেণ্ট স্কীম" নামৰ আঁচনি এখন গ্ৰহণ কৰে। এই আঁচনি অনুসৰি বানপানী, খহনীয়া আদিত আক্ৰান্ত কৃষকসকলৰ লগতে লাইনপ্ৰথা ভঙ্গ কৰি অবৈধভাৱে গ্ৰেজিং ৰিজাৰ্ভ আৰু বাম মাটি দখল কৰা লোককো দখলীকৃত মাটিৰ পট্টা দিয়াৰ সিদ্ধান্ত লোৱা হয়। জনজাতীয় এলেকাসমূহত যিমানদূৰ সম্ভৱ লাইনপ্ৰথা উঠাই দিয়া হ'ব বুলিও সাদ্‌উল্লা চৰকাৰে ঘোষণা কৰে। বাহিৰা ৰাজ্যৰপৰা অহা বা আহিবলগীয়া লোকসকলৰ বাবে এনেদৰে পতিত ভূমি আৰু ৰিজাৰ্ভসমূহ মুকলি কৰি দিবলৈ লোৱা সিদ্ধান্তৰ বিৰুদ্ধে ব্ৰহ্মপুত্ৰ উপত্যকাত তীব্ৰ প্ৰতিক্ৰিয়া হৈছিল।

সেই সময়তে ৰাজ্যত যুদ্ধবিৰোধী প্ৰতিবাদ চলি আছিল। কটন কলেজৰ ছাত্ৰসকলে উলিওৱা এক যুদ্ধবিৰোধী শোভাযাত্ৰাত আৰক্ষীয়ে লাঠিচালনা কৰাত সাদ্‌উল্লা চৰকাৰ সৰ্বত্ৰ গৰিহণাৰ পাত্ৰ হ'ল। এই লৈ গোপীনাথ বৰদলৈয়ে বিধানসভাত এক সভা-স্থগিত প্ৰস্তাৱ উত্থাপন কৰে। সেইদিনাই ৰোহিণীকুমাৰ চৌধুৰীয়ে মন্ত্ৰীসভাৰপৰা পদত্যাগ কৰি "জাতীয় সংযুক্ত দল" গঠন কৰে। ফলত সাদ্‌উল্লা চৰকাৰৰ পতন ঘটে। ৰোহিণীকুমাৰ চৌধুৰীয়ে এইবাৰ নিজাববীয়াকৈ মন্ত্ৰীসভা গঠনৰ চেষ্টা কৰে আৰু এই ক্ষেত্ৰত কংগ্ৰেছৰ সমৰ্থন বিচাৰে। নীতি-আদৰ্শক খামুচি ধৰি থকাৰ পৰিৱৰ্তে ক্ষমতাৰ ৰাজনীতিত বিশ্বাসী এইগৰাকী নেতাই প্ৰয়োজনৰ মুহূৰ্তত যিকোনো দল বা ব্যক্তিৰ লগতে হাত মিলাব জানিছিল। চৰকাৰ গঠনৰ প্ৰচেষ্টাত তেওঁ গোপীনাথ বৰদলৈকে ধৰি কংগ্ৰেছ বিধায়িনী দলৰ অধিকাংশ সদস্যৰে সমৰ্থন আদায় কৰিবলৈ সক্ষম হৈছিল। কিন্তু অমিয়কুমাৰ দাস, সিদ্ধিনাথ শৰ্মা আৰু কৃষ্ণ শৰ্মাই ইয়াৰ বিৰোধিতা কৰিছিল। যথেষ্ট বাক্-বিতণ্ডাৰ পিছত কংগ্ৰেছ দলে চৌধুৰীক বাহিৰৰপৰা সমৰ্থন দিব বুলি ঘোষণা



কৰিলে। কিন্তু চৌধুৰীৰ নেতৃত্বত এখন সুস্থিৰ চৰকাৰ গঠন নহ'ব বুলি সন্দেহ কৰি অসমৰ গৱৰ্ণৰগৰাকীয়ে তেওঁক মন্ত্ৰীসভা গঠনৰ সুবিধা নিদিলে।

১৯৪২ চনৰ আগষ্ট মাহত কংগ্ৰেছে "ভাৰতত্যাগ আন্দোলন" আৰম্ভ কৰে। বিয়াল্লিছৰ গণ-আন্দোলনত অসমৰ হাজাৰ হাজাৰ মানুহে অংশগ্ৰহণ কৰিছিল আৰু বিভিন্ন ধৰণৰ চৰকাৰী নিৰ্যাতন মূৰ পাতি লৈছিল। দেশৰপৰা বিদেশী-শাসনৰ মূলোচ্ছেদ কৰাৰ প্ৰচেষ্টাত অসমৰ বহু কেইজনে আত্ম-বলিদান দিছিল। কংগ্ৰেছৰ প্ৰায়ভাগ নেতাই কাৰাগাৰত বন্দীজীৱন কটাবলগীয়া হৈছিল। মুছলিম লীগে ভাৰতত্যাগ আন্দোলনৰ প্ৰতি সমৰ্থন জনোৱা নাছিল; বৰঞ্চ কংগ্ৰেছৰ অবৰ্তমানত তেওঁলোকৰ সন্মুখত উপস্থিত হোৱা কিছু সুযোগ আদায়ৰ চেষ্টা কৰিছিল। অৱশ্যে মুছলমান সম্প্ৰদায়ৰ উল্লেখযোগ্য সংগঠন জমিয়ত-উল-উলেমাই বৰাক উপত্যকাত কংগ্ৰেছ-কৰ্মীসকলৰ লগত সহযোগিতা কৰিছিল। গণ-আন্দোলনৰ ধামখুমীয়াত সাদ্‌উল্লাৰ সন্মুখত চৰকাৰ গঠনৰ সুযোগ উপস্থিত হ'ল। ৰূপনাথ ব্ৰহ্ম আৰু ৰবিচন্দ্ৰ কছাৰীৰ নেতৃত্বাধীন জনজাতীয় গোটটোৱেও সাদ্‌উল্লাক সমৰ্থন কৰাত তেওঁ চৰকাৰ গঠন কৰিবলৈ সক্ষম হয়।

সাদ্‌উল্লাৰ দিনত লাইনপ্ৰথাক কেন্দ্ৰ কৰি পুনৰ বিতৰ্কৰ সৃষ্টি হয়। সাদ্‌উল্লা চৰকাৰে গো-চৰণীয়া পথাৰ আৰু ফৰেষ্ট ৰিজাৰ্ভবোৰো প্ৰব্ৰজনকাৰীসকলৰ বাবে মুকলি কৰি দিলে। ১৯৩৭ চনৰ পাছৰ প্ৰব্ৰজনকাৰীসকলেও ক'ৰবাত মাটি দখল কৰি ল'ব পাৰিলে সেই মাটিৰ পট্টা পোৱাৰ পথ মুকলি হ'ল। জনজাতীয় আৱেষ্টনীসমূহও প্ৰব্ৰজনকাৰীসকলৰ দখললৈ যোৱাৰ সম্ভাৱনাই দেখা দিলে। মৌলানা ভাচানিৰ নেতৃত্বত মুছলিম লীগৰ একাংশ নেতাই লাইনপ্ৰথাৰ সম্পূৰ্ণ বিলুপ্তি দাবী কৰিলে আৰু ৰাজ্যিক ৰাজনীতিত তেতিয়ালৈকে অতিকৈ দুৰ্বল কমিউনিষ্টসকলেও লাইনপ্ৰথাৰ বিৰোধিতা কৰিলে। কোনো কোনো ঠাইত থলুৱা লোকৰ লগত প্ৰব্ৰজনকাৰীসকল সংঘৰ্ষত লিপ্ত হ'ল আৰু তাক লৈ সাম্প্ৰদায়িক উত্তেজনাই দেখা দিলে। মন্ত্ৰীসভাৰ ভিতৰচ'ৰাতো বিদ্ৰোহৰ উকমুকনি উঠিল।

সাদ্‌উল্লা চৰকাৰৰ থলুৱাবিৰোধী নীতিৰ বিৰুদ্ধে সৰ্বত্ৰ প্ৰতিবাদৰ ঢৌ উঠাৰ সময়ত ৰোহিণীকুমাৰ চৌধুৰীৰ সন্মুখত চৰকাৰ গঠনৰ আন এক সুযোগ উপস্থিত হ'ল। এইক্ষেত্ৰত চৌধুৰীয়ে কংগ্ৰেছৰ সমৰ্থন বিচাৰে। সাদ্‌উল্লাও বহি থকা নাছিল। চৰকাৰ ৰক্ষাৰ স্বাৰ্থত তেওঁ গোপীনাথ বৰদলৈ আৰু ৰোহিণীকুমাৰ চৌধুৰীৰ লগত আলোচনা আৰম্ভ কৰিলে। এক উল্লেখযোগ্য ঘটনাক্ৰমত বিশেষ চৰ্তত কংগ্ৰেছ দলে সাদ্‌উল্লাৰ চৰকাৰক সমৰ্থন কৰাৰ সিদ্ধান্ত ল'লে। কংগ্ৰেছৰ মনোনীত সদস্য কেইজনমানক অন্তৰ্ভুক্ত কৰি সাদ্‌উল্লাই মন্ত্ৰীসভা গঠন কৰিলে। ফলত উচ্চাকাঙ্ক্ষী ৰোহিণীকুমাৰ চৌধুৰীৰ মুখ্যমন্ত্ৰী (তেতিয়াৰ প্ৰধানমন্ত্ৰী) হোৱাৰ সপোন দিঠকত পৰিণত নহ'ল।

১৯৪৬ চনত প্ৰাক্-স্বাধীনতা যুগৰ অন্তিমটো নিৰ্বাচন অনুষ্ঠিত হয়। কংগ্ৰেছ আৰু মুছলিম লীগ উভয়ৰ বাবেই এই নিৰ্বাচন অতি গুৰুত্বপূৰ্ণ আছিল। অসমত

মুছলিম লীগে নিজাববীয়াকৈ চৰকাৰ গঠন কৰিব পৰা পৰিস্থিতি কোনো কালেই নাছিল। গতিকে সাদুউল্লাৰ চকু আছিল ট্ৰাইবেল লীগ, সৰু সৰু আঞ্চলিক দল আৰু কংগ্ৰেছৰ বিসম্বাদীসকলৰ ওপৰত। আনহাতে কংগ্ৰেছৰ লক্ষ্য আছিল মুছলমান সমষ্টিসমূহৰপৰা যিমানদূৰ সম্ভৱ অনা-লীগ প্ৰাৰ্থী জিকাই অনা। মুছলমানৰ বাবে সংৰক্ষিত ৩৪টা সমষ্টিত কংগ্ৰেছৰ স্থিতি একেবাৰেই দুৰ্বল আছিল। মুছলিম লীগৰ বিৰুদ্ধে কংগ্ৰেছে কেৱল এটা সমষ্টিতে প্ৰাৰ্থী দিছিল আৰু তাতো বেয়াকৈ হাৰিছিল। উক্ত ৩৪টা সমষ্টিৰ ৩১টাই লীগৰ হাতলৈ গৈছিল। ৩টাত জমিয়তৰ প্ৰাৰ্থী জিকিছিল। আনহাতে সাধাৰণ সমষ্টিসমূহত কংগ্ৰেছৰ স্থিতি মজবুত আছিল। মুঠ ৫৮খন আসনত জয়লাভ কৰি ট্ৰাইবেল লীগ আৰু জমিয়তৰ সমৰ্থন লৈ কংগ্ৰেছে চৰকাৰ গঠন কৰিবলৈ সক্ষম হয়।

বৰদলৈ-মন্ত্ৰীসভাই লাইনপ্ৰথা কঠোৰভাৱে ৰূপায়ণ কৰিবলৈ লয়। মুছলিম লীগে ইয়াক সাম্প্ৰদায়িক ৰূপ দিয়ে। বেদখলকাৰীৰ বিৰুদ্ধে চলোৱা উচ্ছেদ-অভিযানৰ প্ৰতিবাদত মুছলিম লীগে ১৯৪৭ চনৰ ৩ জানুৱাৰিৰ দিনটো ক'লা দিৱস হিচাপে পালন কৰে। মৌলানা ভাচানিয়ে "ফৌজ-এ-ইছলামিয়া কিল্লা" নামৰ এক উচ্ছেদবিৰোধী ইছলামী ফৌজ গঠন কৰিলে আৰু এই ফৌজৰ জোৱানসকলক খুৱাবৰ বাবে প্ৰতিমাহৰ তিনিদিনৰ খাদ্য আগবঢ়াবলৈ মুছলমান ৰাইজলৈ গোহাৰি জনালে। নগাঁৱৰ লীগ নেতা নুৰুল হুছেইন (পিছত তেওঁ কংগ্ৰেছৰ নেতা হৈছিল) এই ফৌজৰ নায়েব-এ-চালাৰ-ই-চুবা আৰু পিছলৈ চালাৰ-ই-চুবা হৈছিল।[৩২] উচ্ছেদ-অভিযানৰ সময়ত বহু ঠাইত প্ৰব্ৰজনকাৰীসকল সংঘৰ্ষত লিপ্ত হৈছিল, ঠায়ে ঠায়ে সাম্প্ৰদায়িক উত্তেজনায়ো দেখা দিছিল।

স্বাধীনতাৰ প্ৰাক্-মুহূৰ্তত কেবিনেট মিছনৰ "গ্ৰুপিং" প্ৰস্তাৱক লৈ অসমবাসীৰ সন্মুখত এক বৃহৎ সমস্যাই দেখা দিছিল। কেবিনেট মিছনে সাৰ্বভৌম পাকিস্তানৰ দাবী নাকচ কৰিছিল, কিন্তু মুছলমান সম্প্ৰদায়ৰ লোকসকলৰ স্বনিয়ন্ত্ৰণৰ অধিকাৰৰ দাবী মানি লৈছিল। সেই উদ্দেশ্যেই সাম্প্ৰদায়িক ভিত্তিত প্ৰদেশসমূহক ক, খ আৰু গ — এই তিনিটা গ্ৰুপত ভাগ কৰাৰ প্ৰস্তাৱ দিয়া হৈছিল। দৰাচলতে মুছলিম লীগে বিচৰা পশ্চিম পাকিস্তান আৰু পূব পাকিস্তানৰ ৰাজ্যসমূহক খ আৰু গ শাখাৰ অন্তৰ্ভুক্ত কৰা হৈছিল। গ শাখাত আছিল বঙ্গদেশ আৰু অসম। গ শাখাৰ গঠন পদ্ধতি আছিল এনেধৰণৰ:[৩৩]

| প্ৰদেশ | আসনসংখ্যা | | |
|---|---|---|---|
| | সাধাৰণ | মুছলমান | মুঠ |
| বঙ্গদেশ | ২৭ | ৩৩ | ৬০ |
| অসম | ৭ | ৩ | ১০ |
| সৰ্বমুঠ | ৩৪ | ৩৬ | ৭০ |



শাখা পৰিষদবোৰে নিজ নিজ প্ৰদেশৰ আৰু গ্ৰুপ-ৰাজ্যৰ সংবিধান ৰচনা কৰিব। প্ৰদেশবোৰ গ্ৰুপৰাজ্যত সোমোৱাটো বাধ্যতামূলক আছিল আৰু কোনো ৰাজ্যই তাৰ নিৰ্দিষ্ট গ্ৰুপটোৰপৰা ওলাই আহিব খুজিলে নতুন সংবিধানমতে অনুষ্ঠিত প্ৰথম সাধাৰণ নিৰ্বাচনৰ পাছতহে পাৰিব। তদুপৰি প্ৰাদেশিক বিষয়বোৰতো গ্ৰুপৰাজ্যৰ নিয়ন্ত্ৰণ থাকিব। এনে ব্যৱস্থাত মুছলমান সংখ্যাগৰিষ্ঠ বঙ্গদেশৰ লগত থকাত অসমৰ অস্তিত্ব বিপন্ন হোৱাৰ সম্ভাৱনাই দেখা দিছিল। তদুপৰি একে গ্ৰুপৰাজ্যৰ অন্তৰ্ভুক্ত হোৱাৰ সুবাদতে পূৰ্ববঙ্গৰপৰা গণপ্ৰব্ৰজন ঘটি অসমৰ থলুৱা মানুহক অস্তিত্বহীন কৰি পেলোৱাটো একপ্ৰকাৰ নিশ্চিত আছিল। আনকি এই ব্যৱস্থা মানি লোৱা হ'লে অসম এদিনাখন পাকিস্তানৰ অন্তৰ্ভুক্ত হোৱাৰো সম্ভাৱনা আছিল।

দীঘলীয়া স্বাধীনতা-সংগ্ৰামে কংগ্ৰেছৰ বেছিভাগ বৰ্ষীয়ান নেতাক ক্লান্ত কৰি তুলিছিল আৰু যিকোনো ধৰণেৰে স্বাধীনতা গ্ৰহণ কৰিবৰ বাবে তেওঁলোক মানসিকভাৱে প্ৰস্তুত হৈছিল। কেবিনেট মিছন আঁচনিত দেশৰ বাহ্যিক অখণ্ডতা ৰক্ষাৰ প্ৰতিশ্ৰুতি আছিল আৰু সেয়াই কংগ্ৰেছ নেতাসকলৰ বাবে যথেষ্ট আছিল। কিন্তু গ্ৰুপিঙৰ যোগেদি দেশখনক ইতিমধ্যেই সাম্প্ৰদায়িকভাৱে দুভাগ কৰি পেলোৱা হৈছিল আৰু এই ব্যৱস্থাত দেশখনক ভৱিষ্যতে অধিক অস্থিৰ কৰি তোলাৰহে সম্ভাৱনা আছিল। ধৰ্ম বা ভাষা - কোনো দৃষ্টিকোণৰপৰাই অসমক বঙ্গদেশৰ গ্ৰুপত ৰখাৰ যুক্তি নাছিল। কিন্তু বাস্তৱ ক্ষেত্ৰত তাকেই কৰা হৈছিল আৰু কংগ্ৰেছ নেতৃত্বই সেয়া মানি লৈছিল। গোপীনাথ বৰদলৈৰ নেতৃত্বত অসম কংগ্ৰেছে গ্ৰুপিঙৰ বিৰোধিতা কৰিছিল আৰু সেই লৈ কংগ্ৰেছ সভাপতি মৌলানা আজাদ ক্ষুণ্ণ হৈছিল। অসম কংগ্ৰেছৰ নেতাসকলৰ আশঙ্কাক আজাদে "inexplicable fear of Bengali"[৩৪] বুলি নাকচ কৰিছিল। তদুপৰি গ্ৰুপিঙৰ বিষয়টো পুনৰ আলোচনাৰ মাজলৈ অনা নহ'ব বুলি কংগ্ৰেছ ৱৰ্কিং কমিটিয়ে সিদ্ধান্ত লৈছিল। পিছত অসমৰ নেতাসকলক কিছু সান্ত্বনা দিয়াৰ বাবে ("in order partly to meet the objection of our colleagues from Assam"[৩৫]) অসম আৰু বঙ্গৰ বিধান পৰিষদত ইউৰোপীয় সদস্যসকলক অংশগ্ৰহণ কৰিবলৈ দিব নালাগে বুলি কংগ্ৰেছ ৱৰ্কিং কমিটীয়ে দাবী উত্থাপন কৰিছিল। পিছে সেই সময়ৰ জ্বলন্ত পৰিস্থিতিত ইউৰোপীয় সদস্যৰ বিষয়টো একেবাৰে গৌণ হৈ পৰিছিল। গ্ৰুপিঙৰ বিৰোধিতা কৰি গোপীনাথ বৰদলৈ কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বৰ ৰোষত পৰিছিল। গোবিন্দবল্লভ পন্থই গ্ৰুপিঙত সোমাবৰ বাবে অসমৰ প্ৰতিনিধিসকলক বুজনি দিছিল। নেহৰু-ভগ্নী বিজয়লক্ষ্মী পণ্ডিতে আকৌ এই বুলি মন্তব্য কৰিছিল যে অসমে মুছলিম লীগৰ দৰে আঁকোৰগোজ মনোভাব লৈ ভাৰতৰ বৃহত্তৰ স্বাৰ্থক আঘাত হানিব খুজিছে। গতিকে অসমৰ আৱেদন-নিৱেদনৰ যোগ্য ঠাই ফটা কাগজৰ টুকুৰি।[৩৬] কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বৰ ওচৰত অসমৰ ভৱিষ্যৎ সম্পৰ্কে বিশেষ ভৰসা নাপাই গোপীনাথ বৰদলৈ মহাত্মা গান্ধীৰ শৰণাপন্ন হৈছিল। চতুৰ

জিন্নাই প্ৰথমে কেবিনেট মিছন আঁচনিখন গ্ৰহণ কৰিম বুলি কৈ পাছত নানান অজুহাতত সেইখন নাকচ কৰিছিল। ফলত কেবিনেট মিছন আঁচনিখনেই বাতিল হৈ গৈছিল। মৌলানা আজাদে ইয়াৰ বাবেও অসমৰ নেতাসকলক দায়ী কৰিছিল। "Both Congress and the Muslim Leaque had originally accepted the Cabinet Mission plan which meant that both had accepted the Constituent Assembly ... The only objection raised from the Congress side was by certain leaders from Assam."[৩৭] তেওঁৰ মতে গ্ৰুপিঙক লৈ কংগ্ৰেছে নতুনকৈ প্ৰশ্ন তোলাৰ যুক্তি নাছিল — "Congress was neither wise nor right in raising doubts. It should have accepted the Plan unequivocally if it stood for the unity of India."[৩৮] মহাত্মা গান্ধীয়ে অসম কংগ্ৰেছৰ নেতাসকলৰ প্ৰতি সমৰ্থন আগবঢ়োৱাত মৌলানা আজাদ বিৰক্ত হৈছিল— "In the meantime, however, Gandhiji's views changed and he gave support to Bordoloi. Jawaharlal agreed with me that the fears of the Assam leaders were unjustified and tried hard to impress them. Unfortunately, they did not listen to either Jawaharlal or me, especially since Gandhiji was now on their side and issued statements supporting their stand."[৩৯] কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বৰ এনে দৃষ্টিভঙ্গীত অসমৰ সাধাৰণ কংগ্ৰেছ কৰ্মীসকল হতাশ হৈছিল, ছাত্ৰসমাজ উত্তেজিত হৈছিল। কলিয়াবৰত অনুষ্ঠিত হোৱা ছাত্ৰ কংগ্ৰেছৰ সভাত কংগ্ৰেছৰ কেন্দ্ৰীয় নেতৃত্বক "অসম বিৰোধী" বুলি আখ্যা দিয়া হৈছিল। মুক্তিযুঁজাৰু নৰেন্দ্ৰনাথ বৰাই লিখিছে: "যদি মুছলমান সংখ্যাগৰিষ্ঠ অঞ্চলকে লগ লগাই গ্ৰুপিঙৰ ব্যৱস্থা কৰা হৈছিল, তেন্তে অসম তো মুছলমান সংখ্যাগৰিষ্ঠ প্ৰদেশ নাছিল বা নহয়। এই জ্বলন্ত সত্যটোকে সৰ্বভাৰতীয় কংগ্ৰেছ নেতাসকলে কিয় ভাবিব নোৱাৰিলে। মহম্মদ তৈয়বুল্লা চাহাবে ভাৰতীয় কংগ্ৰেছ নেতাসকলক অসমবিৰোধী আখ্যা দিছিল। বিনা ৰক্তপাতে স্বাধীনতা লাভৰ আশাত অসমৰ ৰাইজৰ মনোবেদনাৰ কথা কংগ্ৰেছৰ বিয়াগোম নেতাসকলে নেভাবিলে আৰু শ্ৰীগোপীনাথ বৰদলৈক 'আঁকোৰগোজ' বুলি মিছা অপবাদ দিলে।"[৪০] আনহাতে উল্লেখ কৰি অহা হৈছে যে — গ্ৰুপিঙৰ বিৰুদ্ধে চলোৱা সংগ্ৰামত অসম কংগ্ৰেছে বঙ্গদেশৰ শীৰ্ষস্থানীয় নেতা শৰৎচন্দ্ৰ বসু আৰু শ্যামাপ্ৰসাদ মুখোপাধ্যায়ৰ সমৰ্থন লাভ কৰিছিল। তেওঁলোকে পৰামৰ্শ দিছিল, অসমে যুঁজ কৰি কেবিনেট মিছন আঁচনি ব্যৰ্থ কৰি দিয়ক। তেওঁলোকে অসম কংগ্ৰেছৰ নেতাসকলক বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়োৱাৰ লগতে কিছু কথা চিঠিপত্ৰৰ আৰ্হিত লিখি দিছিল।

গ্ৰুপিঙকলৈ অসমৰ কংগ্ৰেছ আৰু মুছলিম লীগে দুই বিপৰীত মেৰুত অৱস্থান কৰিছিল। চিপিআইৰ স্থিতি আছিল দ্ব্যৰ্থক। এই দলে ফেডাৰেল আৰ্হিৰ অবিভক্ত ভাৰতৰ কথা কৈছিল। পিছে একে সময়তে মুছলমানসকলৰ আত্মনিয়ন্ত্ৰণৰ



অধিকাৰৰ কথাও দোহাৰিছিল। কোনোবাই ভাৰততে থাকে নে আন এখন সাৰ্বভৌম ৰাষ্ট্ৰ বিচাৰে, সেয়া সংশ্লিষ্ট পক্ষই নিৰ্ধাৰণ কৰাৰ উচিত বুলি তেওঁলোকে কৈছিল: "The people of each such unit should have the unfettered right of self -determination, i.e. the right to decide freely whether they join the Indian Union or form a separate sovereign state or another Indian Union."[৪১]

গ্ৰুপিং সম্পৰ্কে ট্ৰাইবেল লীগৰ স্থিতি দোদুল্যমান আছিল। ক্ষমতাৰ ৰাজনীতিত নিকলছ ৰয়, ৰূপনাথ ব্ৰহ্ম, ভীমবৰ দেউৰী আদি জনজাতীয় নেতাসকলে কেতিয়াবা কংগ্ৰেছৰ লগত আছিল আৰু কেতিয়াবা সাদ্উল্লাৰ লগত। প্ৰব্ৰজনকাৰীসকলৰ আগ্ৰাসনত শঙ্কিত জনজাতীয় লোকসকলে সাদ্উল্লাক সন্দেহৰ চকুৰে চাইছিল। কিন্তু ৰাজনৈতিক হিচাপ-নিকাচত তেওঁলোকৰ নেতাসকলে বাৰে বাৰে সাদ্উল্লাৰ লগতে হাত মিলাইছিল। গ্ৰুপিঙৰ প্ৰশ্ন উত্থাপন হোৱাত সাদ্উল্লাই জনজাতীয় নেতাসকলৰ সমৰ্থন আদায়ৰ চেষ্টা কৰিছিল আৰু কিছু পৰিমাণে সফলো হৈছিল। সাদ্উল্লাই কৈছিল যে কংগ্ৰেছৰ বাহিৰে সকলোৱেই গ্ৰুপিং সমৰ্থন কৰে। সুৰমা উপত্যকা আৰু পাহাৰী জনজাতীয় লোক গ্ৰুপিঙৰ সপক্ষে; ভৈয়াম জনজাতি, অনুসূচিত জাতি আৰু আহোম সম্প্ৰদায়ৰ বাবেও লীগে সুকীয়া নিৰ্বাচনৰ প্ৰতিশ্ৰুতি দিছে। গতিকে তেওঁলোকেও গ্ৰুপিঙক সমৰ্থন কৰিব। পিছে সাদ্উল্লাই জনজাতীয় নেতাসকলক সৰহদিন নিজৰ পক্ষত ৰাখিব নোৱাৰিলে। নিকলছ ৰয়ে প্ৰথমে গ্ৰুপিং সমৰ্থন কৰিছিল। কিন্তু গোপীনাথ বৰদলৈয়ে তেওঁক নিজৰ পক্ষলৈ অনাই নহয়, কংগ্ৰেছতো যোগ দিয়ালে। ৰূপনাথ ব্ৰহ্ম আৰু ভীমবৰ দেউৰীকো সৈমান কৰি কংগ্ৰেছ শিবিৰলৈ অনা হয়।

মুছলিম লীগৰ বাহিৰে গ্ৰুপিঙৰ সপক্ষে মাত মতা অসমৰ বৃহৎ সংগঠনটো আছিল আহোম এছ'চিয়েচন। এই সংগঠনে আহোমসকলৰ বাবে সংখ্যালঘু সম্প্ৰদায়ৰ স্বীকৃতি আৰু সুকীয়া নিৰ্বাচন ব্যৱস্থাৰ দাবী কৰিছিল। সাদ্উল্লাই নিজ দলৰ ৰাজনৈতিক স্বাৰ্থত এনেবোৰ দলৰ উত্থান কামনা কৰিছিল আৰু সুকীয়া নিৰ্বাচন ব্যৱস্থাৰ দাবীক সাৰপানী যোগাইছিল। কংগ্ৰেছ দলেও আহোম এছ'চিয়েচনক নিজ পক্ষলৈ অনাৰ চেষ্টা অব্যাহত ৰাখিছিল আৰু এক কৌশলী ৰাজনৈতিক পদক্ষেপত সুৰেন্দ্ৰনাথ বুঢ়াগোহাঁইক সাদ্উল্লা মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰোৱাইছিল এক ত্ৰিপাক্ষিক চুক্তিৰ যোগেদি। কম দিনৰ ভিতৰতে সুৰেন্দ্ৰনাথ বুঢ়াগোহাঁই সাদ্উল্লাৰ দৃঢ় সমৰ্থক হৈ উঠে আৰু কংগ্ৰেছ দলে আহ্বান জনোৱা সত্ত্বেও সাদ্উল্লা মন্ত্ৰীসভাৰপৰা পদত্যাগ কৰিবলৈ অমান্তি হয়। পিছে মুছলিম লীগৰ লগত হলিগলি কৰাৰ বাবে তেওঁ নিজ সম্প্ৰদায়ৰ মাজত অপ্ৰিয় হৈছিল আৰু ১৯৪৬ চনৰ নিৰ্বাচনত পৰাজয় বৰণ কৰিছিল। সাদ্উল্লাৰ প্ৰভাৱত আহোম এছ'চিয়েচনে গ্ৰুপিঙৰ সপক্ষে মাত মাতিবলৈ ধৰে। আহোম সংখ্যাগৰিষ্ঠ শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাক লৈ এখন সুকীয়া ৰাজ্য গঠনৰ বাবেও কোনো কোনোৱে দাবী জনালে। একাংশই আনকি

অসমক ব্ৰহ্মদেশৰ অন্তৰ্ভুক্ত কৰাৰো পোষকতা কৰিছিল। অৱশ্যে স্বাধীনতালাভৰ দিন ওচৰ চাপি অহাৰ লগে লগে এছ্'চিয়েচনৰ নেতাসকলে এনেবোৰ ধ্যান-ধাৰণা ত্যাগ কৰিবলৈ ধৰিছিল আৰু কংগ্ৰেছী ৰাজনীতিৰ মাজেৰেই ভৱিষ্যতৰ সন্ধান কৰিবলৈ আৰম্ভ কৰিছিল। সুৰেন্দ্ৰনাথ বুঢ়াগোহাঞিও কংগ্ৰেছত যোগ দি কেন্দ্ৰীয় মন্ত্ৰী হৈছিল গৈ। বুঢ়াগোহাঁই সম্পৰ্কে গোপীনাথ বৰদলৈয়ে যথেষ্ট উচ্চ ধাৰণা পোষণ কৰিছিল। এবাৰ বৰদলৈয়ে ডাঃ ভুবনেশ্বৰ বৰুৱাৰ আগত কৈছিল, "মই ভৱিষ্যৎ অসমৰ মুখ্যমন্ত্ৰীৰ কাৰণে কাৰ কথা কল্পনা কৰিছো ক'ব পাৰিবনে? তেওঁ হৈছে সুৰেন্দ্ৰনাথ বুঢ়াগোহাঁই।"[৪৪]

কেবিনেট মিছন আঁচনি ব্যৰ্থ হোৱাৰ পাছত মুছলিম লীগৰ পাকিস্তান গঠনৰ আন্দোলনে আগতকৈয়ো জঙ্গি ৰূপ লয়। পাকিস্তান গঠনৰ সম্ভাৱনা ইতিমধ্যে স্পষ্ট হৈছিলেই; অসমক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰাটোহে এতিয়া কথা আছিল। ধুবুৰী আৰু বঙ্গদেশৰ সীমান্তৱৰ্তী অঞ্চলত একলাখ মুজাহিদীন সংগ্ৰহৰ বাবে ভাচানিয়ে ব্যাপক তৎপৰতা আৰম্ভ কৰিলে। কিন্তু মাউণ্টবেটেন আঁচনিত অসমক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰাৰ প্ৰস্তাৱ নাছিল। তাৰ সলনি ছিলেট জিলাত গণভোট লোৱাৰ কথা আছিল। ইমান দিনে ছিলেটৰ হিন্দুসকলে বঙ্গদেশৰ লগত আৰু মুছলমানসকলে পাকিস্তানৰ লগত থকাৰ ইচ্ছা প্ৰকাশ কৰি আহিছিল। কিন্তু পৰিৱৰ্তিত পৰিস্থিতিত সকলো ওলট-পালট হৈ গ'ল। পাকিস্তানত সোমোৱাৰ ভয়ত ছিলেটৰ হিন্দুৰ গৰিষ্ঠাংশই অসমত থকাৰ সপক্ষে ভোট দিলে। আনহাতে ৰাজনৈতিক বিচাৰ-বিবেচনাৰ বাবেই ইমানদিনে বঙ্গদেশত চামিল হ'ব নিবিচৰা ছিলেটৰ মুছলমানসকলে এইবাৰ পূৰ্ববঙ্গত চামিল হোৱাৰ সপক্ষে বিপুল সংখ্যাত ভোটদান কৰিলে। ছিলেটৰ জমিয়ত নেতাসকলে তেতিয়াও অবিভক্ত ভাৰতৰ কথা কৈ আছিল যদিও তেওঁলোকৰ কথাই মুছলমান সমাজক প্ৰভাৱান্বিত কৰিব নোৱাৰিলে। ছিলেটৰ অনুসূচিত জাতিৰ একাংশ লোককো মুছলিম লীগে পাকিস্তানৰ সপক্ষে ভোট দিয়াবলৈ সক্ষম হৈছিল। এই ক্ষেত্ৰত লীগৰ হৈ কাম কৰিছিল যোগেন্দ্ৰনাথ মণ্ডলে। গণভোটৰ ফলাফলত দেখা গ'ল, ছিলেটৰ প্ৰায় ৬০ শতাংশ লোকে পাকিস্তানৰ সপক্ষে আৰু ৪০ শতাংশই ভাৰতৰ পক্ষে ভোটদান কৰিছে। গতিকে ছিলেট পাকিস্তানৰ হাতলৈ যোৱাটো নিশ্চিত হ'ল। গণভোটৰ সময়ত অসমৰ কংগ্ৰেছ-নেতৃত্বই ইচ্ছাকৃতভাৱেই ছিলেটখন পাকিস্তানৰ হাতত তুলি দিছিল বুলি বহুতে সমালোচনা কৰে। অসমৰ নেতাসকলে কেনেকৈ ছিলেটক আঁতৰাই এখন একভাষিক ৰাজ্য গঠন কৰিব পাৰি তাৰ সুযোগ বিচাৰি আছিল আৰু গণভোটৰ সময়ত সেই সুযোগটো পাই গ'ল বুলি ছিলেটৰ কংগ্ৰেছ নেতা ৰবীন্দ্ৰনাথ আদিত্যই তীৰ্যক মন্তব্য কৰিছে। অমলেন্দু গুহয়ো কৈছে: "It was indeed a lifetime opportunity for the Assamese leadership to get rid of Sylhet... Sylhet, 'the golden calf', which was sacrificed in 1874 to usher in a new province, was now once more sacrificed



at the altar of a new state."[৪৩] পিছে কংগ্ৰেছৰ তদানীন্তন অসমীয়া নেতৃত্বই গণভোটৰ আগতে ঠিক মতে প্ৰচাৰ চলোৱা হ'লে ৬০ শতাংশ মুছলমানৰ বাসভূমি ছিলেট ভাৰতত থাকি গ'লহেতেন এনে অভিমত নিতান্তই অনুমানভিত্তিক। যিকিনহওক, দেশ-বিভাজনৰ যোগেদি ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিলে আৰু স্বাধীন ভাৰতৰ এখন প্ৰদেশ হিচাপে অসমৰ পৰিক্ৰমাৰ ধাৰাবাহিকতা বজায় থাকিল।

**প্ৰসঙ্গ-টোকা**

১ N. N. Acharya. *Assam and Neighbouring States - Historical Documents*. p. 54

২ লক্ষ্মীনাথ তামুলী। *ভাৰতৰ স্বাধীনতা সংগ্ৰামত অসমৰ অৱদান*। যোৰহাট: ৰূপহী প্ৰকাশন, ১৯৮৮, পৃষ্ঠা ১৩।

৩ তদেৱ, পৃষ্ঠা ১১।

৪ Amalendu Guha. *Planter Raj to Swaraj: Freedom Struggle and Electoral Politics in Assam 1826-1947*. New Delhi: People's Publishing House, 1988, p. 20

৫ Rajen Saikia. *Social and Political History of Assam 1853-1921*. New Delhi: Manohar, 2000, p. 159

৬ তদেৱ, পৃষ্ঠা ১৬৩।

৭ আনন্দিৰাম ফুকন [আনন্দৰাম ঢেকিয়াল ফুকন]। 'ই'লণ্ডৰ [ইংলণ্ডৰ] বিবৰণ'। *অৰুনোদই*, এপ্ৰিল ১৮৪৭। মহেশ্বৰ নেওগ সঙ্কলিত আৰু পুনঃ-সম্পাদিত *অৰুনোদই*। গুৱাহাটী: অসম প্ৰকাশন পৰিষদ, ১৯৮৩, পৃষ্ঠা ১৩১।

৮ Anundaram Dakeal Phookun [Anandaram Dhekial Phukan]. "Observations on the Administration of the Province of Assam." *Report on the Province of Assam* by A J Moffatt Mills. Gauhati: Publication Board, Assam, 1984, p. 111

৯ তদেৱ, পৃষ্ঠা ৯৮-৯।

১০ হব্‌যবমে তেওঁৰ *Age of Revolution* গ্ৰন্থত মন্তব্য কৰিছে, যিখন সমাজত এটা মধ্যবিত্ত শ্ৰেণী নাই, সেইখন সমাজত জাতীয়তাবাদ সঞ্চাৰ কৰাৰ ক্ষেত্ৰত সেই জাতিৰ লোকসঙ্গীতৰ এটা সঙ্কলন বা এখন অভিধান বা ব্যাকৰণৰ গুৰুত্ব অপৰিসীম। ই জাতিটোৰ 'first declation of independence'ৰ সমতুল্য। Eric J. Hobsbawm. *Age of Revolution*. New York: Vintage, 1996, p. 266 । হব্‌যবমৰ এই মন্তব্য হেমচন্দ্ৰ বৰুৱাৰ অভিধানখনৰ মূল্যায়নৰ ক্ষেত্ৰতো প্ৰযোজ্য বুলি আমাৰ অনুভৱ।

১১ Anundaram Dakeal Phookun, প্ৰাগুক্ত, পৃষ্ঠা ১০২।

১২ 'Assam Famine Relief and Famine Prevention' বিষয়ক এখন চৰকাৰী প্ৰতিবেদনৰ প্ৰাৰম্ভিক মন্তব্য। উদ্ধৃত, Rajen Saikia, প্ৰাগুক্ত, পৃষ্ঠা ১০৪।

১৩ অৰূপজ্যোতি শইকীয়া সম্পাদিত *অৰুনোদইত* ১৯৬০ চনৰ আগষ্ট সংখ্যাত কাকতখনৰ নাম ছপা হৈছে *অৰুণোদয় সম্বাদ পত্ৰ* বুলি। দ্ৰ. অৰূপজ্যোতি শইকীয়া সঙ্কলিত আৰু পুনঃ-সম্পাদিত *অৰুনোদই*। নগাঁও: ক্ৰান্তিকাল, ২০০২, পৃষ্ঠা ৪৭৭।

১৪ *অৰুনোদই*, মাৰ্চ ১৮৬৮। তদেৱ, পৃষ্ঠা ৪৪৭-৮।

১৫ "ৰায়ত সভা"। *মৌ*, জানুৱাৰি, ১৮৮৭। ড° সত্যেন্দ্ৰনাথ শৰ্মা পুনঃ-সম্পাদিত *মৌ*। গুৱাহাটী: অসম প্ৰকাশন পৰিষদ, ১৯৮০, পৃষ্ঠা ৪৫-৬।

১৬ উদ্ধৃত, H. K. Barpujari *et al* (eds.). *Political History of Assam*, Vol. 1. Dispur: Govt of Assam, 1977, p. 180
১৭ Amalendu Guha, প্ৰাগুক্ত, পৃষ্ঠা ২৫৯।
১৮ A. C. Bhuyan *et al* (eds.). *Political History of Assam*, Vol. 2. Dispur: Publication Board, Assam, 1999, p. 36
১৯ Amalendu Guha, প্ৰাগুক্ত, পৃষ্ঠা ১২৫।
২০ বেণুধৰ শৰ্মা। *কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত*। ১৯১৫ শক, পৃষ্ঠা ২৯।
২১ A. C. Bhuyan *et al* (eds.). *Political History of Assam*, Vol. 2. প্ৰাগুক্ত, পৃষ্ঠা ২৮৫।
২২ তদেৱ, পৃষ্ঠা ২৮৪।
২৩ কৃষ্ণনাথ শৰ্মা। *কৃষ্ণ শৰ্মাৰ ডায়েৰী*। গুৱাহাটী: অসম প্ৰকাশন পৰিষদ, ১৯৭২, পৃষ্ঠা ১৪৪।
২৪ হৰেন্দ্ৰনাথ বৰুৱা। "গোপীনাথ বৰদলৈ: চমু বুৰঞ্জী"। *গোপীনাথ বৰদলৈ*। গুৱাহাটী: অসম প্ৰকাশ পৰিষদ, ২০০৩, পৃষ্ঠা ১৩।
২৫ মহেন্দ্ৰমোহন চৌধুৰী। "লোকপ্ৰিয় বৰদলৈৰ বিচক্ষণ নেতৃত্ব"। *গোপীনাথ বৰদলৈ*। তদেৱ, পৃষ্ঠা ১৪২।
২৬ Amalendu Guha, প্ৰাগুক্ত, পৃষ্ঠা ২২১।
২৭ তদেৱ, পৃষ্ঠা ২৫৮।
২৮ উদ্ধৃত, জ্যোতিৰ্ময় জানা। "অসমত সংখ্যাগুৰু সংখ্যালঘুৰ পাৰস্পৰিক সম্পৰ্কৰ প্ৰেক্ষাপটত স্বাধীনতা আন্দোলনত নগাঁৱৰ সংখ্যালঘুৰ ভূমিকা"। ইন্দ্ৰেশ্বৰ গোস্বামী সম্পাদিত *শতবাৰ্ষিকী স্মৃতিগ্ৰন্থ, শ্বহীদ ভৱন আৰু পাব্লিক লাইব্ৰেৰী*। নগাঁও, ১৯৯৯, পৃষ্ঠা ৬৯।
২৯ তদেৱ।
৩০ উদ্ধৃত, Amalendu Guha, প্ৰাগুক্ত, পৃষ্ঠা ২৫৮।
৩১ জ্যোতিৰ্ময় জানা, প্ৰাগুক্ত, পৃষ্ঠা ৭৯।
৩২ তদেৱ, পৃষ্ঠা
৩৩ Nirode Kumar Barooah. *Gopinath Bordoloi: The Assam Problem and Nehru's Centre*. Guwahati: Bhabani, 2010, p. 240
৩৪ Abul Kalam Azad. *India Wins Freedom*. New Delhi: Orient BlackSwan Longman, 2012, pp. 184-5
৩৫ তদেৱ, পৃষ্ঠা ১৮৫।
৩৬ পুষ্পলতা দাস। "বৰদলৈদেৱৰ ব্যক্তিত্বত এভুমুকি"। *গোপীনাথ বৰদলৈ*। প্ৰাগুক্ত, পৃষ্ঠা ১৯৪।
৩৭ Abul Kalam Azad, প্ৰাগুক্ত, পৃষ্ঠা ১৮৪।
৩৮ তদেৱ, পৃষ্ঠা ১৮৫।
৩৯ তদেৱ।
৪০ নৰেন্দ্ৰনাথ বৰা। *ভাৰতৰ স্বাধীনতা সংগ্ৰামত কলিয়াবৰৰ ভূমিকা*। কলিয়াবৰৰ মুক্তিযুজাৰু সন্মিলন, ১৯৯৯, পৃষ্ঠা ২৬২।
৪১ উদ্ধৃত, Amalendu Guha, প্ৰাগুক্ত, পৃষ্ঠা ৩১০
৪২ পুষ্পলতা দাস। প্ৰাগুক্ত, পৃষ্ঠা ২০৩।
৪৩ Amalendu Guha, প্ৰাগুক্ত, পৃষ্ঠা ৩১৯-২০।

# স্বৰাজোত্তৰ অসমৰ ৰাজনৈতিক বিকাশৰ ধাৰা: এটি আলোকপাত

ৰণজিৎ বৰুৱা

## এক

অসম হ'ল উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ প্ৰধান। ই ২৪°৪২′ উত্তৰ অক্ষাংশ আৰু ৪৮°৪২′ পূব আৰু ৯৬° পূব দ্ৰাঘিমাংশত অৱস্থিত।[১] অসমৰ মুঠ মাটিকালি ৭৮,৩৪৮ বৰ্গ কিলোমিটাৰ। ই ভাৰতৰ মুঠ মাটিকালিৰ ২.৪ শতাংশ। ২০১১ চনৰ লোকপিয়লৰ প্ৰাৰম্ভিক তথ্য অনুসৰি অসমৰ মুঠ জনসংখ্যা ৩,১১,৬৯,৩৭২।

প্ৰাক্-ঔপনিৱেশিক কালত অৰ্থাৎ আহোমৰ শাসনৰ সময়লৈকে অসম বুলিলে প্ৰকৃততে ব্ৰহ্মপুত্ৰ উপত্যকাকহে বুজাইছিল। আনকি অবিভক্ত গোৱালপাৰা জিলাও ইয়াৰ অংশ নাছিল। ঔপনিৱেশিক শাসনৰ সময়ত ব্ৰিটিছে নিজৰ সাম্ৰাজ্যবাদী স্বাৰ্থ ৰক্ষাৰ্থে নতুন নতুন অঞ্চল কিছুমান অসমৰ অন্তৰ্ভুক্ত কৰে। গোৱালপাৰা, সুৰমা উপত্যকা, ছিলেট আৰু পাহাৰীয়া অঞ্চলবোৰ বিভিন্ন সময়ত অসমৰ সৈতে সংলগ্ন কৰা হয়। এনেদৰে ভাৰতৰ স্বাধীনতাৰ সময়ৰ মণিপুৰ আৰু ত্ৰিপুৰাৰ বাহিৰে বৰ্তমানৰ উত্তৰ-পূব ভাৰতৰ আটাইবোৰ অঞ্চল অসমে সামৰি লৈছিল। অৱশ্যে পৰৱৰ্তী সময়ত বিভিন্ন কাৰকৰ প্ৰভাৱত কেইবাটাও অঞ্চল অসমৰপৰা আঁতৰি যায়। ব্ৰহ্মপুত্ৰ উপত্যকা, বৰাক উপত্যকা আৰু পাহাৰীয়া জিলা দুখন— কাৰ্বি আংলং আৰু ডিমা হাচাওক সামৰি বৰ্তমানৰ অসম।

অসমৰ জনগাঁথনি লক্ষ্য কৰিলে ইয়াত দ্ৰাবিড়, মংগোলীয়, অষ্ট্ৰীয় আৰু আৰ্যগোষ্ঠীবোৰৰ মূল দেখা যায়।[২] অসমত ১৬টা অনুসূচিত জাতি আছে। ২০০২ চনৰ সংশোধিত তালিকা অনুসৰি ইয়াত ১৫টা পাহাৰীয়া জনজাতি আৰু ১৪টা ভৈয়ামৰ জনজাতি আছে।

আৰ্থ-সামাজিক তথা ৰাজনৈতিক দৃষ্টিকোণৰপৰা অসমৰ যথেষ্ট গুৰুত্ব আছে। কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় তথা ৰাজনৈতিক পৰিঘটনাই অসমক সময়ে সময়ে উত্তাল কৰি আহিছে। অসমৰ জটিল ৰাজনৈতিক প্ৰেক্ষাপটত স্বৰাজোত্তৰ কালৰ ৰাজনৈতিক বিকাশৰ বিষয় (issues) আৰু ধাৰাবোৰৰ (trends) নিৰ্মোহ

বিশ্লেষণৰ প্ৰয়োজন আছে। ইয়াত অসমৰ সমাজ তথা ৰাজনীতিক প্ৰভাৱিত কৰা কেইটামান গুৰুত্বপূৰ্ণ বিষয় তথা ধাৰা সম্পৰ্কে আলোচনাৰ প্ৰয়াস কৰা হৈছে।

উল্লেখযোগ্য যে অসমৰ বৰ্তমানৰ ৰাজনৈতিক প্ৰেক্ষাপটক অতীতৰপৰা পৃথক কৰি চাব নোৱাৰি। এয়া ঔপনিৱেশিক বা স্বৰাজ পূৰ্ববৰ্তী কালৰ ৰাজনৈতিক তথা আৰ্থ-সামাজিক পৰিঘটনাবোৰবেই দীঘলীয়া পৰিক্ৰমামাত্ৰ। অৱশ্যে পৰিৱৰ্তিত পৰিস্থিতিত নতুন কিছুমান দিশো স্বৰাজোত্তৰ অসমৰ ৰাজনৈতিক ক্ষেত্ৰত সংযোজিত হৈছে।

অসম হৈছে ভাৰতৰ অৰ্থনৈতিক দিশত পশ্চাদ্‌বৰ্তী, অশান্ত এখন ৰাজ্য। ইয়াৰ সমাজ তথা ৰাজনৈতিক ব্যৱস্থাটো উগ্ৰপন্থা, ৰাষ্ট্ৰবিদ্ৰোহ,[৩] নৃগোষ্ঠীয় উত্থান তথা সংঘাত, অৰ্থনৈতিক অনগ্ৰসৰতা তথা অবৈধ অনুপ্ৰৱেশেৰে জৰ্জৰিত।[৪] ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাৰ ক্ষমতাৰ মূল কেন্দ্ৰৰপৰা বহু আঁতৰত অৱস্থিত অসম তথা উত্তৰ-পূৰ্বাঞ্চলে দীৰ্ঘদিন ধৰি দিল্লীৰ দৃষ্টিত যথোপযুক্ত গুৰুত্ব পোৱা নাছিল আৰু অৱহেলিত হৈ আছিল। ভাৰতীয় মূল ভূখণ্ডৰে সৈতে মাত্ৰ ২০ কিলোমিটাৰ বহল শিলিগুৰি কৰিডৰেৰে সংলগ্ন এই অঞ্চলটো ভাৰতৰ আঞ্চলিক বৈষম্যৰ এক জ্বলন্ত উদাহৰণ।[৫] কাৰো কাৰো মতে অসম এখন আভ্যন্তৰীণ উপনিৱেশ — A Colonial Hinterland।[৬] স্বৰাজোত্তৰ কালতো অসমৰ ক্ষেত্ৰত দিল্লীৰ শাসকগোষ্ঠী একেই ঔপনিৱেশিক মানসিকতাৰেই পৰিচালিত হৈ আহিছে বুলি বহুতে ক'ব খোজে।

স্বাধীনতাৰ প্ৰাক্-মুহূৰ্তত অসম এক জটিল পৰিস্থিতিৰ সন্মুখীন হৈছিল "গ্ৰুপিং প্ৰস্তাৱ"ৰ বাবে। ১৯৪৬ চনৰ কেবিনেট মিছনৰ প্ৰতিবেদনত ভাৰতৰ ৰাজ্যবোৰক এ, বি আৰু চি তিনিটা গ্ৰুপত বিভক্ত কৰাৰ প্ৰস্তাৱ দিছিল। অসম তথা বঙ্গক একেলগে চি গ্ৰুপত ৰখা হৈছিল। যদিও যিকোনো ৰাজ্যই সংশ্লিষ্ট গ্ৰুপৰ দুই-তৃতীয়াংশ সদস্যৰ সন্মতিসাপেক্ষে গ্ৰুপৰপৰা ওলাই যাব পাৰিব বুলি কোৱা হৈছিল অসমৰ ক্ষেত্ৰত সেয়া অসম্ভৱ আছিল, কিয়নো বঙ্গৰ সদস্যৰ তুলনাত অসমৰ সদস্য যথেষ্ট কম আছিল (তালিকা ১)।

তালিকা ১ : গ্ৰুপ চিৰ সদস্য সংখ্যা

| শ্ৰেণী | বঙ্গ | অসম |
|---|---|---|
| সাধাৰণ | ২৭ | ৭ |
| মুছলিম | ৩৩ | ৩ |
| মুঠ | ৬০ | ১০ |
| সৰ্বমুঠ ৭০ | | |

অসমক মুছলিমপ্ৰধান বঙ্গৰ সৈতে সংলগ্নকৰণৰ ফলত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। বহুতৰ দৃষ্টিত ই আছিল অসমক পাকিস্তানৰ লগত সংযোজনৰ



দিশত এক পদক্ষেপ। সেই বাবে প্ৰাদেশিক কংগ্ৰেছকে ধৰি অসমৰ অধিকাংশ দল আৰু সংগঠনে গ্ৰুপিং প্ৰস্তাৱৰ বিৰোধিতা কৰে। ইয়াৰ বিপৰীতে মুছলিম লীগৰ সমৰ্থকসকলে ইয়াক আদৰণি জনায়। গোপীনাথ বৰদলৈৰ সবল নেতৃত্বত অসমত গ্ৰুপিং প্ৰস্তাৱৰ বিৰোধিতা তীব্ৰ হৈ পৰে। উল্লেখযোগ্য যে কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বই প্ৰথম অৱস্থাত গ্ৰুপিঙৰ সমৰ্থন কৰিছিল। গ্ৰুপিঙৰ বিৰোধিতা কৰি প্ৰাদেশিক কংগ্ৰেছে চলোৱা যোগাযোগবোৰতো অসমৰ আশংকাৰ প্ৰতি কেন্দ্ৰীয় নেতৃত্বৰ উদাসীনতাৰ কথা স্পষ্ট হৈ পৰিছিল। কিন্তু এই সন্ধিক্ষণত মহাত্মা গান্ধীয়ে অসমৰ পক্ষ লৈছিল। অসমৰ জনজাতীয় দল, সংগঠনবোৰেও একেমুখে গ্ৰুপিং প্ৰস্তাৱ নাকচ কৰিছিল। অসমৰ বিধান পৰিষদে, আনকি ১৯৪৬ চনৰ ১৬ জুলাইত, গ্ৰুপিঙৰ বিৰোধিতা কৰি এক ঐতিহাসিক প্ৰস্তাৱ গ্ৰহণ কৰে। অসমৰ তীব্ৰ বিৰোধিতাৰ বাবেই গ্ৰুপিং আঁচনি কাৰ্যকৰী কৰিব পৰা নগ'ল আৰু অসম এক নিশ্চিত বিপদৰপৰা ৰক্ষা পৰে।

তাৰ কিছুদিন পিছতে লৰ্ড মাউণ্টবেটেন নতুন ভাইচৰয়ৰূপে নিযুক্ত হয়। তেওঁ ধৰ্মৰ ভিত্তিত দেশ-বিভাজনৰ আঁচনি প্ৰস্তুত কৰে আৰু কংগ্ৰেছ তথা মুছলিম লীগ উভয়ে ইয়াক সমৰ্থন কৰে। অসমৰ মুছলিমপ্ৰধান জিলা ছিলেটৰ ভৱিষ্যৎ নিৰ্ণয়ৰ বাবে গণভোটৰ ব্যৱস্থা কৰা হয়। উল্লেখযোগ্য যে ছিলেট পূৰ্বতে বঙ্গৰ অংশ আছিল। কিন্তু ১৮৭৪ চনত অসমক মুখ্য আয়ুক্তৰ প্ৰদেশ (Chief Commissioner's Province) কৰাৰ সময়তে ছিলেটক অসমৰ লগত সংলগ্ন কৰা হয়। ছিলেটক অসমৰে সৈতে সংলগ্নকৰণৰ প্ৰভাৱ আছিল সুদূৰপ্ৰসাৰী। অতি ঘন জনবসতিপূৰ্ণ এই বাংলাভাষী জিলাখনৰ অন্তৰ্ভুক্তিয়ে অসমৰ সামগ্ৰিক ভাষিক আৰু ধৰ্মীয় চৰিত্ৰ তথা জনগাঁথনিৰো ব্যাপক পৰিৱৰ্তন আনে। ফলত অসমীয়া অধ্যুষিত ব্ৰহ্মপুত্ৰ উপত্যকা আৰু বাঙালী-অধ্যুষিত সুৰমা উপত্যকাৰ মাজত এক অঘোষিত প্ৰতিযোগিতাৰ সৃষ্টি হয় আৰু ইতিমধ্যেই গা কৰি উঠা অসমীয়া-বাঙালী ভাষিক মতানৈক্যকো ই নতুন মাত্ৰা প্ৰদান কৰে। যিহেতু ছিলেট তথা বঙ্গ অসমৰ তুলনাত বহু আগতেই ব্ৰিটিছৰ অধীনলৈ আহিছিল, তাত ইতিমধ্যেই পশ্চিমীয়া শিক্ষাৰে শিক্ষিত এটা শ্ৰেণীৰ সৃষ্টি হৈছিল। এই শ্ৰেণীটোৱেই ব্ৰিটিছৰ অধিগ্ৰহণৰ পিছত অসমৰ ঔপনিৱেশিক শাসন-ব্যৱস্থাত নিম্ন আমোলাতন্ত্ৰৰ অধিকাংশ পদবীতে অধিষ্ঠিত হৈছিল। ব্ৰহ্মপুত্ৰ উপত্যকাত নতুনকৈ সৃষ্টি হ'বলৈ ধৰা অসমীয়া শিক্ষিত শ্ৰেণীটোৱে বাঙালীসকলৰ বিৰুদ্ধে প্ৰতিযোগিতাত অৱতীৰ্ণ হ'বলগীয়া হৈছিল। সেই বাবে এইসকলৰ দৃষ্টিত বাঙালীসকল প্ৰতিপক্ষ হৈ পৰিছিল। বাংলাভাষী মুছলিম সংখ্যাগৰিষ্ঠ ছিলেটৰ অন্তৰ্ভুক্তি আৰু কুৰি শতিকাত বঙ্গৰপৰা হোৱা ব্যাপক প্ৰব্ৰজনে অসমৰ জনগাঁথনি যথেষ্ট প্ৰভাৱিত কৰিছিল আৰু ভৱিষ্যৎ সংঘাতৰ পথ প্ৰশস্ত কৰি তুলিছিল। ১৯১১ চনত অসমত বাংলাভাষী লোক আছিল মুঠ জনসংখ্যাৰ ৪৫.৮ শতাংশ। ইয়াৰ বিপৰীতে অসমীয়াভাষী আছিল মাত্ৰ ২২ শতাংশ। অৱশ্যে একাংশ

অভিবাসী মুছলমানে পিছৰ লোকপিয়লবোৰত নিজৰ মাতৃভাষা বাংলাৰ সলনি অসমীয়া বুলি ঘোষণা কৰাত অসমীয়াভাষীৰ সংখ্যা ক্ৰমে বৃদ্ধি পাবলৈ লয়। ছিলেটৰ বিধায়ক অবলাকান্ত গুপ্তাই অসমক বিভিন্ন জনগোষ্ঠীৰ তথা সম্প্ৰদায়ৰ প্ৰদেশ বুলি অভিহিত কৰি কৈছিল যে বাঙালীসকলেই হ'ল ইয়াৰ সৰ্ববৃহৎ সম্প্ৰদায়।[৭] অসমৰ অংশ হিচাপে ছিলেটৰ উপস্থিতি অসমীয়া বুদ্ধিজীৱী, ৰাজনীতিবিদ তথা শিক্ষিত শ্ৰেণীটোৰ মুঠেও কাম্য নাছিল, কিয়নো ই আছিল অসমৰ সামাজিক তথা ৰাজনৈতিক ক্ষেত্ৰত তেওঁলোকৰ নিয়ন্ত্ৰণৰ প্ৰধান বাধা। সেইবাবে বিভিন্ন সময়ত ছিলেটক অসমৰপৰা পৃথক কৰাৰ দাবী উত্থাপিত হৈছিল। অৱশ্যে ব্ৰিটিছ শাসকসকলে নিজৰ স্বাৰ্থতে এনে দাবীৰ প্ৰতি গুৰুত্ব দিয়া নাছিল। ছিলেট গণভোট সেইবাবেই অসমৰ বাবে আছিল অতি গুৰুত্বপূৰ্ণ। অসমীয়া ৰাজনৈতিক নেতৃত্বৰ বাবে ই আছিল ছিলেটৰপৰা মুক্তি পোৱাৰ সুবৰ্ণ সুযোগ।[৮] ছিলেট গণভোটৰ ফলাফলে ধৰ্মীয় বিভাজনকে সূচাইছিল আৰু ৫৬.৬ শতাংশই পাকিস্তানত যোগদানৰ সপক্ষে মত প্ৰকাশ কৰিছিল। এই গণভোটৰ পিছত পাথাৰকান্দি, ৰাতাবাৰী, বদৰপুৰ আৰু কৰিমগঞ্জৰ একাংশক অসম তথা ভাৰতৰ অন্তৰ্ভুক্ত কৰাৰ বিপৰীতে ছিলেটৰ বৃহৎ অংশ পাকিস্তানৰ অন্তৰ্ভুক্ত হয়। এই গণভোটৰ ফলাফলে ব্ৰহ্মপুত্ৰ উপত্যকাত সকাহ লাভৰ পৰিৱেশৰ সৃষ্টি কৰে।[৯] ছিলেটৰ বৃহদংশৰ পৃথকীকৰণে অসমৰ জনগাঁথনি তথা ৰাজনৈতিক ক্ষেত্ৰতো যথেষ্ট পৰিৱৰ্তনৰ সূচনা কৰে। অসমত অসমীয়াভাষী ১৯৩১ চনৰ ৩১ শতাংশৰপৰা ১৯৫১ চনত ৫৬.৭ শতাংশলৈ বৃদ্ধি পায়। ইয়াৰ বিপৰীতে বাংলাভাষী ১৯৩১ চনৰ ২৩ শতাংশৰপৰা ১৯৫১ চনত ১৩ শতাংশলৈ হ্ৰাস পায়।[১০] তদুপৰি ই অসমৰ সমাজ আৰু ৰাজনীতিত বৰ্ণহিন্দু অসমীয়া অভিজাত শ্ৰেণীটোৰ নিয়ন্ত্ৰণ নিৰঙ্কুশ কৰি তোলে।[১১]

তালিকা ২

অসমত অসমীয়া আৰু বাংলাভাষী (শতাংশ হিচাপত)

| চন | অসমীয়াভাষী | বাংলাভাষী |
|---|---|---|
| ১৯১১ | ২২ | ৪৫৮ |
| ১৯৩১ | ৩১ | ২৩ |
| ১৯৫১ | ৫৬.৭ | ১৩ |

## দুই

কুৰি শতিকাৰ প্ৰথম ভাগতে অসমলৈ ব্যাপক হাৰত পূৰ্ববঙ্গৰপৰা প্ৰব্ৰজন আৰম্ভ হয়। এই প্ৰব্ৰজনকাৰীসকল আছিল মূলতঃ মুছলিম। এই অবাধ প্ৰব্ৰজনৰ ফলত অসমৰ সমাজৰ ধৰ্মীয় তথা ভাষিক চৰিত্ৰৰ পৰিৱৰ্তন ঘটিছিল আৰু জনগাঁথনিও সলনি হৈ গৈছিল। ১৯০১ চনৰপৰা ১৯৫১ চনলৈ ভাৰতৰ



জনসংখ্যাৰ বৃদ্ধিৰ হাৰ ৫২ শতাংশৰ বিপৰীতে অসমৰ বৃদ্ধিৰ হাৰ আছিল ১৩৮ শতাংশ।[১২] ব্ৰিটিছৰ অসম দখলৰ সময়ত ইয়াৰ জনবসতি আছিল অতি তাকৰ। অধিকাংশ ভূমি অব্যৱহৃত হৈ পৰি আছিল। ইয়াৰ বিপৰীতে চুবুৰীয়া বঙ্গৰ জনবসতি আছিল অতি ঘন। অধিকাংশ লোকেই আছিল দৰিদ্ৰ কৃষক। তদুপৰি জমিদাৰী শোষণেও এই লোকসকলক জুৰুলা কৰি পেলাইছিল। এনে পৰিস্থিতিত চৰকাৰী পৃষ্ঠপোষকতা, যোগাযোগ ব্যৱস্থাৰ উন্নতি, অপৰ্যাপ্ত অব্যৱহৃত ভূমিৰ উপস্থিতি আদি বিভিন্ন কাৰকে পূৰ্ববঙ্গৰপৰা অসমলৈ প্ৰব্ৰজনক উৎসাহিত কৰিছিল। এই প্ৰব্ৰজন ইমান দ্ৰুত তথা বৃহৎ আছিল যে একাধিক লোকপিয়ল আয়ুক্তই ইয়াৰ ভয়াবহতা আৰু অসমৰ সমাজজীৱনত ইয়াৰপৰা পৰিব পৰা সুদূৰপ্ৰসাৰী প্ৰভাৱৰ বিষয়ে সকীয়াই দিছিল। লাহে লাহে পূৰ্ববঙ্গৰ প্ৰব্ৰজনকাৰীসকলৰ ভূমিস্বাৰ্থৰ সৈতে খিলঞ্জীয়া লোকৰ স্বাৰ্থৰ সংঘাত হ'বলৈ ধৰে। এনে সংঘাত ৰোধৰ বাবে ১৯২০ চনত লাইন-প্ৰথা প্ৰৱৰ্তন কৰা হৈছিল। ইয়াৰ জৰিয়তে প্ৰব্ৰজনকাৰীৰ ওপৰত থলুৱা মানুহে বসতি কৰা অঞ্চলত মাটিৰ বন্দবস্ত লোৱাত বাধা আৰোপ কৰা হৈছিল। কিন্তু প্ৰকৃততে লাইন-প্ৰথাৰ প্ৰয়োগ আছিল বৰ শিথিল। চৰকাৰী কৰ্মচাৰীৰ দুৰ্নীতি আৰু পিছলৈ মুছলিম লীগৰ পৃষ্ঠপোষকতাৰ বাবে লাইন-প্ৰথাৰ প্ৰয়োগ সফল নহ'ল। ১৯২৮ চনত গৃহীত কল'নাইজেচন আঁচনি, সাদুউল্লা চৰকাৰৰ "Grow More Food" আঁচনি আদিৰ আলমতো পূৰ্ববঙ্গৰপৰা দৰিদ্ৰ মুছলিম কৃষকৰ প্ৰব্ৰজন অবাধে চলি থাকে।

তালিকা ৩

ব্ৰহ্মপুত্ৰ উপত্যকাত মুছলিম জনসংখ্যা[১৩]

| চন | মুছলিম জনসংখ্যা |
|---|---|
| ১৯১১ | ৩,৫৫,৩২০ |
| ১৯২১ | ৫,৮৫,৯৪৩ |
| ১৯৩১ | ৯,৪৩,৩৫২ |
| ১৯৪১ | ১৩,০৩,৯৬২ |

যদিও পূৰ্ববঙ্গৰপৰা হোৱা মুছলিম প্ৰব্ৰজন অসমৰ বাবে অতি স্পৰ্শকাতৰ বিষয় আছিল, অসমলৈ ঔপনিৱেশিক কালতেই আৰু কেবাশ্ৰেণীৰ লোকৰ প্ৰব্ৰজন ঘটিছিল। তাৰ ভিতৰত প্ৰধান আছিল:

- চাহবাগানত কাম কৰিবলৈ অনা ছোটনাগপুৰ, মাদ্ৰাজ, উৰিষ্যা আদি অঞ্চলৰ লোকসকল;
- ঔপনিৱেশিক শাসকৰ অধীনত বিভিন্ন চাকৰিত, আমোলা হিচাপে অহা বাঙালী লোকসকল;

- ব্যৱসায়-বাণিজ্যৰ বাবে অহা মাৰোৱাৰীসকল;
- গো-পালন আৰু সামৰিক বাহিনীত কামৰ বাবে অহা নেপালীসকল ;
- ৰাস্তা-ঘাট, দলং, ৰে'লপথ নিৰ্মাণ, অন্যান্য তুলনামূলকভাৱে নিম্ন পৰ্যায়ৰ কাম কৰিবলৈ অহা বিহাৰ, পূৰ্বৰ যুক্তপ্ৰদেশ (বৰ্তমানৰ উত্তৰ প্ৰদেশ আৰু উত্তৰাখণ্ড) আদিৰ লোকসকল।

অসমৰ জনগাঁথনিৰ পৰিৱৰ্তনত এই বৃহৎ হাৰৰ প্ৰব্ৰজনে গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছিল। ১৯০১ চনত অসমৰ অন্ততঃ এক-চতুৰ্থাংশ মানুহ আছিল বহিৰাগত বা non-indigenous।[১৪] ব্ৰিটিছৰ আগমনৰ পিছৰপৰাই অসমৰ জনসংখ্যা দ্ৰুতগতিত বৃদ্ধি পাবলৈ ধৰে। ১৮৮১ চনত অসমৰ জনসংখ্যা আছিল মাত্ৰ ১৮ লাখ। মাত্ৰ ৩০ বছৰত সেয়া দুগুণৰো অধিক হৈ ৩৮ লাখ হয়গৈ। তালিকা ৪ৰপৰা কুৰি শতিকাত অসমত হোৱা জনসংখ্যা বৃদ্ধিৰ ধাৰাটো উপলব্ধি কৰিব পাৰি।

তালিকা ৪ : জনসংখ্যা বৃদ্ধিৰ তুলনামূলক ধাৰা[১৫]

| চন | অসমৰ জনসংখ্যা লাখত | জনসংখ্যাৰ বৃদ্ধিৰ হাৰ | |
|---|---|---|---|
| | | অসম | ভাৰত |
| ১৯০১ | ৩৩ | — | — |
| ১৯১১ | ৩৮ | +১৭.০ | +৫.৮ |
| ১৯২১ | ৪৬ | +২০.৫ | −১০.৩ |
| ১৯৩১ | ৫৬ | +১৯.৯ | +১১.০ |
| ১৯৪১ | ৬৭ | +২০.০ | +১৪.২ |
| ১৯৫১ | ৮০ | +১৯.৯ | +১৩.৩ |
| ১৯৬১ | ১০৮ | +৩৪.৯ | +২১.৮ |
| ১৯৭১ | ১৪৬ | +৩৪.৯ | +২৪.৬ |
| ১৯৮১ | লোকপিয়ল হোৱা নাছিল | | |
| ১৯৯১ | ২২৪ | +৫২.৪ | +৪৮.২ |

সমগ্ৰ কুৰি শতিকা জুৰি সৰ্বভাৰতীয় হাৰতকৈ অসমৰ জনসংখ্যা বৃদ্ধিৰ হাৰ অধিক হোৱা কথাটোৱে অসমলৈ হোৱা ব্যাপক প্ৰব্ৰজন তথা অনুপ্ৰৱেশকে সূচায়। প্ৰকৃততে স্বৰাজোত্তৰ অসমতো প্ৰব্ৰজন অব্যাহত থাকে। ভাৰতৰ আন আন অংশৰপৰা চলি থকা প্ৰব্ৰজনৰ লগতে দেশ-বিভাজনৰ পিছত অহা হিন্দু শৰণাৰ্থী আৰু পূব পাকিস্তান তথা পিছত বাংলাদেশৰপৰা হৈ থকা অনুপ্ৰৱেশে বিষয়টোক অধিক জটিল কৰি তোলে। যিহেতু এই অনুপ্ৰৱেশকাৰীসকলৰ এক



বিৰাট অংশ মুছলিম, ই অসমৰ মুছলিম জনসংখ্যাৰ অস্বাভাৱিক বৃদ্ধিৰ মূল কাৰণ হৈ পৰে। সামগ্ৰিকভাৱে ভাৰতৰ আন আন অংশৰপৰা হোৱা প্ৰব্ৰজনৰ তুলনাত অনুপ্ৰৱেশৰ বিষয়টো গুৰুত্বপূৰ্ণ হৈ পৰে ধৰ্মীয় দিশটোৰ বাবেও। ১৯৭১ সময়ছোৱাত অসমত হিন্দুৰ (৪১.৮৯%) তুলনাত আৰু সৰ্বভাৰতীয় স্তৰত মুছলমানৰ (৫৫.০৪%) তুলনাত অসমত মুছলমান জনসংখ্যা বৃদ্ধিৰ হাৰ (৭৭.৪২%) আছিল অস্বাভাৱিক।[১৬] অসমত ইতিমধ্যে ৬খন জিলাত মুছলিমসকল সংখ্যাগৰিষ্ঠ হৈ পৰিছে। ২০০১ চনৰ লোকপিয়লৰ তথ্য বিশ্লেষণৰ বাবে National Commission on Minoritiesএ গঠন কৰা বিশেষজ্ঞ সমিতিৰ অধ্যক্ষই মত প্ৰকাশ কৰিছিল যে অসমৰ মুঠ দহখন জিলাত হোৱা মুছলিমৰ অস্বাভাৱিক জনসংখ্যা বৃদ্ধিৰ মূল কাৰণ হ'ল বাংলাদেশৰপৰা ৰাজ্যখনলৈ হৈ থকা বাধাহীন অনুপ্ৰৱেশ।[১৭]

## তিনি

অৱশ্যে স্বৰাজোত্তৰ অসমত অবৈধ প্ৰব্ৰজনৰ বিষয়টোৱে ১৯৭০ৰ দশকলৈকে বেছি গুৰুত্ব পোৱা নাছিল। স্বাধীনতাৰ পিছত অসমত অসমীয়া সংখ্যাগৰিষ্ঠ হোৱাটো আৰু অসমীয়া ভাষাই অসমীয়া জাতীয়তাবাদৰ মূল ভেটি হোৱা কথাটোৰ বাবেই সম্ভৱতঃ এনে হৈছিল। স্বৰাজোত্তৰ অসমত অসমীয়া অভিজাত শ্ৰেণীটোৱে অসমীয়া ভাষা পুনঃপ্ৰতিষ্ঠাৰ ওপৰতহে অধিক গুৰুত্ব দিছিল আৰু তাৰ ফলত ভাষাকেন্দ্ৰিক দ্বন্দ্বৰ সৃষ্টি হৈছিল। অসমীয়া নেতৃত্বৰ ভুল ভাষা-নীতি, দূৰদৃষ্টিহীনতা তথা দমনকেন্দ্ৰিক ভাবধাৰাই পুনৰ অসমীয়া-বাঙালী সংঘাত বৃদ্ধি কৰাৰ লগতে বিভিন্ন খিলঞ্জীয়া জনগোষ্ঠীবোৰকো অসন্তুষ্ট কৰি তুলিছিল।

অসম অধিকাৰৰ পিছত ব্ৰিটিছে ১৮৩৬ চনত অসমৰ ক'ৰ্ট-কাছাৰী আৰু শিক্ষাদানৰ ক্ষেত্ৰত বাংলা ভাষা প্ৰৱৰ্তন কৰে। অৱশ্যে ইয়াৰ বিৰুদ্ধে ক্ৰমে শক্তিশালী হৈ উঠা অসমীয়া শিক্ষিত অভিজাত শ্ৰেণীটোৰ অসন্তুষ্টি তথা বিৰোধিতাৰ পৰিপ্ৰেক্ষিতত ১৮৭৩ চনৰপৰা পুনৰ অসমীয়া ভাষা ক'ৰ্ট-কাছাৰী আৰু শিক্ষাদানৰ ভাষাৰূপে স্বীকৃত হয়। অৱশ্যে অসমীয়া-বাঙালী ভাষিক সংঘাতৰ বীজ সেই সময়তে ৰোপিত হয়।

অসমীয়া-বাঙালীৰ ভাষাগত সংঘাতৰ পৰিণতিতেই অসমলৈ পূৰ্ববঙ্গৰপৰা হোৱা প্ৰব্ৰজনৰ বিৰোধিতা কৰা হৈছিল। ইয়াত ধৰ্মীয় দিশটো জড়িত হৈ পৰিছিল পাকিস্তানৰ দাবী উত্থাপনৰ সময়ৰপৰাহে। প্ৰথম অৱস্থাত এই প্ৰব্ৰজনৰদ্বাৰা অসমীয়া ভাষা-সংস্কৃতি বিপন্ন হ'ব পাৰে বুলিহে ইয়াৰ বিৰোধিতা কৰা হৈছিল।

স্বৰাজোত্তৰ কালত অসম সাহিত্য সভাকে ধৰি বিভিন্ন জাতীয় দল-সংগঠনে অসমীয়াক অসমৰ ৰাজ্যভাষা কৰিবলৈ দাবী উত্থাপন কৰিছিল। ১৯৫৯ চনত অসম সাহিত্য সভাই অসমীয়াক ৰাজ্যভাষা হিচাপে গ্ৰহণৰ বাবে প্ৰস্তাৱ

লোৱাৰ ফলত ভাষা বিতৰ্কই এক বিশেষ ৰূপ লাভ কৰে। অসমীয়া দল-সংগঠনৰ এনে দাবীৰ বহিঃপ্ৰকাশ হিচাপে ১৯৬০ চনত ভাষা-আন্দোলন আৰম্ভ হয়। এই আন্দোলনৰ ফলত অসমীয়া আৰু বাঙালীৰ মাজত ভয়ানক গোষ্ঠী সংঘৰ্ষৰ সৃষ্টি হ'ল। ৰাজ্যৰ আইন-শৃংখলা পৰিস্থিতিৰ ব্যাপক অৱনতি ঘটে। এনে পৰিস্থিতিৰ মাজতে অসম বিধানসভাত ৰাজ্যভাষা বিধেয়কখন গৃহীত হয় আৰু আইনত পৰিণত হয়। ইয়াৰ বিৰুদ্ধে বাঙালী অধ্যুষিত অঞ্চলবোৰত ব্যাপক প্ৰতিবাদী আন্দোলনৰ সৃষ্টি হয়। অৱশেষত "শাস্ত্ৰী ফৰ্মুলা"ৰ আধাৰত সমস্যাটো সমাধানৰ পদক্ষেপ লোৱা হয়। এই ফৰ্মুলা অনুসৰি প্ৰশাসনীয় আৰু অন্যান্য কাৰ্যালয় সম্পৰ্কীয় বিষয়বোৰত কাছাৰ জিলাত বাংলা ভাষা ব্যৱহৃত হ'বলৈ ধৰে। উল্লেখযোগ্য যে পাহাৰীয়া জনজাতিবোৰো অসমীয়া ভাষাক ৰাজ্যভাষা কৰাৰ পক্ষপাতী নাছিল। অন্যান্য কাৰকৰ লগতে ভাষা বিবাদো আছিল পাহাৰীয়া জনজাতিসমূহৰ ৰাজনৈতিক দল "All Party Hill Leaders' Conference" (APHLC) সৃষ্টিৰ কাৰণ। এই দলটোৱে অসমৰ পাহাৰীয়া অঞ্চলবোৰক সামৰি এখন পৃথক ৰাজ্যৰ দাবী উত্থাপন কৰিছিল ভাষা আন্দোলনৰ সময়তে।

১৯৭২ চনত ভাষা-বিবাদ মাধ্যম আন্দোলনৰ ৰূপত প্ৰকাশিত হয়। গুৱাহাটী বিশ্ববিদ্যালয়ে ১৯৭২-৭৩ চনৰপৰা মহাবিদ্যালয় পৰ্যায়লৈ অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম হিচাপে প্ৰচলন কৰিবলৈ সিদ্ধান্ত লয়। অসমীয়া আৰু ইংৰাজীৰ লগতে বাংলা ভাষাত উত্তৰ লিখাৰ সুবিধা দিয়াৰ বিৰুদ্ধে সদৌ অসম ছাত্ৰ সন্থা আৰু অসম সাহিত্য সভাৰ নেতৃত্বত ব্যাপক আন্দোলনৰ সৃষ্টি হয়। আন্দোলনকাৰীৰ হেঁচাত গুৱাহাটী বিশ্ববিদ্যালয়ে বাংলা ভাষাত উত্তৰ লিখাৰ সুবিধা কৰ্তন কৰে। ইয়াৰ প্ৰতিবাদত বাংলা ভাষীসকলৰ মাজতো সমান্তৰাল আন্দোলনৰ সৃষ্টি হয়। বিশেষকৈ বৰাক উপত্যকাত ইয়াৰ প্ৰভাৱ আছিল যথেষ্ট। মাধ্যম আন্দোলনৰ সময়তো ৰাজ্যখনৰ কিছুমান ঠাইত দুই ভাষিক গোষ্ঠীৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত হয়।

এই ভাষা বিতৰ্ক তথা বিবাদত অসমৰ বিভিন্ন খিলঞ্জীয়া, ক্ষুদ্ৰ জনগোষ্ঠীয় ভাষাবোৰৰ ভাষিক অধিকাৰক সম্পূৰ্ণ আওকাণ কৰা হৈছিল।[১৮] অসমীয়া অভিজাত শ্ৰেণীটোৱে আধিপত্যবাদী মানসিকতাৰে অন্য জনগোষ্ঠীবোৰৰ ওপৰতো অসমীয়া ভাষাক জোৰেৰে জাপি দিবলৈ বিচাৰিছিল। ইয়াৰ ফলত এনে জনজাতি তথা গোষ্ঠীবোৰ ক্ৰমে ক্ষুণ্ণ হৈ পৰিছিল। এনে বিভিন্ন জনগোষ্ঠীবোৰ লাহে লাহে অসমীয়া আধিপত্যবাদী ভাবধাৰাৰ বিৰুদ্ধে আৰু নিজৰ পৃথক পৰিচয় সম্পৰ্কে সচেতন হৈ পৰে।

পৃথক বড়ো গৃহভূমি দাবী কৰাৰ বহু আগতেই বড়োসকলে নিজৰ ভাষাটোৰ উন্নতিৰ বাবে পদক্ষেপ লৈছিল। বড়োসকলৰ প্ৰথম সংগ্ৰাম আছিল বড়ো ভাষাটো স্কুলীয়া পৰ্যায়ত প্ৰচলনৰ বাবে। তেওঁলোকৰ প্ৰবল হেঁচাৰ ওচৰত নতিস্বীকাৰ কৰি চৰকাৰে ১৯৫৮ চনত দশম শ্ৰেণীলৈ বড়ো ভাষাক



স্বীকৃতি দিয়ে। ১৯৭৩ চনত বড়োসকলৰ লিপি আন্দোলন আৰম্ভ হয়। অসমীয়া আধিপত্যবাদৰ বিৰোধস্বৰূপে বড়োসকলৰ মাজত অসমীয়া লিপিৰ সলনি ৰোমান লিপি ব্যৱহাৰৰ দাবী উত্থাপিত হয়। চৰকাৰে কঠোৰ হাতেৰে এই আন্দোলন দমনৰ চেষ্টা কৰে আৰু পুলিচৰ গুলীচালনাত বহু বড়ো আন্দোলনকাৰী নিহত হয়। অৱশেষত কেন্দ্ৰীয় চৰকাৰৰ মধ্যস্থতাত বড়োসকলে দেৱনাগৰী লিপি গ্ৰহণ কৰে।

## চাৰি

১৯৭০ৰ দশকৰ শেষৰ ভাগতহে অবৈধ অনুপ্ৰৱেশৰ বিষয়টোৱে অসমৰ সমাজজীৱনত গুৰুত্ব লাভ কৰে। ভাৰতৰ তদানীন্তন মুখ্য নিৰ্বাচনী আয়ুক্ত এছ এল শাকধৰে ১৯৭৮ চনত ৰাজ্যিক নিৰ্বাচনী বিষয়াসকলৰ এখন সভাত অসমৰ ভোটাৰ তালিকাত যথেষ্টসংখ্যক বিদেশীৰ নাম অন্তৰ্ভুক্তিৰ বিষয়ে উল্লেখ কৰে আৰু ই অঞ্চলটোলৈ ভাবুকিৰ সৃষ্টি কৰা বুলি মত প্ৰকাশ কৰে। ১৯৭৯ চনৰ মঙলদৈ লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ সময়ত ভোটাৰ তালিকাত ভোটাৰৰ সংখ্যা অস্বাভাৱিকভাৱে বৃদ্ধি পায়। ভোটাৰ তালিকাত কেইবা হাজাৰো বিদেশীৰ নাম অন্তৰ্ভুক্ত হোৱা বুলি সন্দেহ ঘনীভূত হয়। বিভিন্ন দল-সংগঠনে বিদেশীৰ নাম কৰ্তন কৰি শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত নকৰা পৰ্যন্ত নিৰ্বাচনৰ বিৰোধিতা কৰে। বিদেশী নাগৰিকৰ উপস্থিতিয়ে অসমৰ অস্তিত্বৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰা বুলি ব্যাপক চৰ্চা আৰম্ভ হয়। অসমৰপৰা বিদেশী নাগৰিক চিনাক্তকৰণ, ভোটাৰ তালিকাৰপৰা এইসকলৰ নাম কৰ্তন আৰু বহিষ্কৰণৰ দাবীত সদৌ অসম ছাত্ৰ সন্থাই ১৯৭৯ চনৰ ৮ জুনত ১২ ঘণ্টীয়া অসম বন্ধৰ আহ্বান জনায়। এয়াই আছিল অসম আন্দোলনৰ আৰম্ভণি। পূৰ্বাঞ্চলীয় লোক পৰিষদ, অসম জাতীয়তাবাদী দল, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, অসম সাহিত্য সভা আদিকে ধৰি বিভিন্ন দল-সংগঠনো আন্দোলনত জড়িত হৈ পৰে আৰু এই অনুষ্ঠানবোৰৰ উমৈহতীয়া মঞ্চ হিচাপে তথা ছাত্ৰ সন্থাৰ সহযোগী হিচাপে অসম গণসংগ্ৰাম পৰিষদ গঠিত হয়। আন্দোলনকাৰী পক্ষই ১৯৫১ চনক বিদেশী চিনাক্তকৰণ তথা বিতাড়নৰ ভিত্তিবৰ্ষ হ'ব লাগে বুলি দাবী উত্থাপন কৰিলে। কিন্তু কেন্দ্ৰীয় চৰকাৰে সেয়া নাকচ কৰে। আন্দোলনৰ সমান্তৰালকৈ কেন্দ্ৰীয় চৰকাৰ আৰু আন্দোলনৰ নেতৃত্বৰ মাজত কেবালানিও আলোচনা অনুষ্ঠিত হয়। অৱশ্যে এই আলোচনাবোৰ বিফল হয়। কেন্দ্ৰীয় চৰকাৰে ১৯৭১ চনৰ ২৫ মাৰ্চৰ পূৰ্বৰ সময়ক বিদেশী বিতাড়নৰ সময়সীমা নিৰ্ধাৰণৰ ক্ষেত্ৰত অপাৰগতা প্ৰকাশ কৰে।

প্ৰথম অৱস্থাত অসমীয়া মুছলমানসকলকে ধৰি বিভিন্ন খিলঞ্জীয়া জনগোষ্ঠীয়ে আন্দোলনটোত সক্ৰিয়ভাৱে অংশ লৈছিল। কিন্তু ক্ৰমে আন্দোলনটোৰ চৰিত্ৰৰ পৰিৱৰ্তন হ'বলৈ ধৰে। বিদেশী বিতাড়নৰ নামত এই

আন্দোলন বাংলাভাষী মুছলিমবিৰোধী হৈ পৰে। আন্দোলনৰ নেতৃত্বই কিছুমান জনজাতিবিৰোধী দাবীও উত্থাপন কৰে। নেতৃত্বৰ জনজাতিবিৰোধী স্থিতিৰ ফলত লাহে লাহে বিভিন্ন খিলঞ্জীয়া জনগোষ্ঠী আন্দোলনটোৰপৰা আঁতৰি যাবলৈ ধৰে। আন্দোলনটোৱে অসমত সাম্প্রদায়িক ৰাজনীতিতো সাৰ-পানী যোগালে। হিন্দুত্ববাদী সংগঠন ৰাষ্ট্রীয় স্বয়ংসেৱক সংঘ আৰু ভাৰতীয় জনতা পাৰ্টিয়ে মুছলিমবিৰোধী স্থিতি লৈ আন্দোলনটোৰ প্রতি সমৰ্থন আগবঢ়ায়। ইয়াৰ বিপৰীতে কিছুমান মুছলিম ধৰ্মীয় সংগঠনেও উগ্ৰ ৰাজনৈতিক বক্তব্য আৰু মৌলবাদী প্রচাৰেৰে সাম্প্রদায়িক উত্তেজনাৰ সৃষ্টি কৰে। এনেদৰে আন্দোলনটোৰ সময়তে অসমৰ ৰাজনীতিত হিন্দু-মুছলিম বিভাজন প্ৰকট হৈ পৰে।

১৯৮৩ চনত আন্দোলনকাৰী দল-সংগঠনবোৰৰ তীব্ৰ বিৰোধিতা সত্ত্বেও অসমত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত কৰা হয়। নিৰ্বাচনৰ সময়ছোৱাত সমগ্ৰ অসমত বিভিন্ন হিংসাত্মক ঘটনা সংঘটিত হয় আৰু অসংখ্য লোকে মৃত্যুবৰণ কৰে। নিৰ্বাচনৰ সময়তে হোৱা নেলীৰ গণহত্যাই অসম আন্দোলনৰ গতি সলনি কৰি দিয়ে আৰু ইয়াৰ গণতান্ত্রিক আৰু অহিংস চৰিত্ৰত কালিমা সানে।[১৯] আন্দোলনকাৰী পক্ষৰ নিৰ্বাচন বৰ্জনৰ আহ্বানে খিলঞ্জীয়া অসমীয়া অধ্যুষিত অঞ্চলবোৰত যথেষ্ট সঁহাৰি পায়। খিলঞ্জীয়া অসমীয়া অধ্যুষিত সমষ্টিবোৰত ভোটদানৰ হাৰ আছিল একেবাৰেই নগণ্য। একাধিক সমষ্টিত ১ শতাংশতকৈও কম ভোটদান হৈছিল। ইয়াৰ বিপৰীতে বৰাক উপত্যকা, পাহাৰীয়া জিলা দুখন আৰু অভিবাসী মুছলিম অধ্যুষিত অঞ্চলবোৰত নিয়মীয়া হাৰত ভোটদান হৈছিল।

অসম আন্দোলনৰ অধ্যয়নে অসমৰ সমাজ তথা ৰাজনৈতিক জীৱনৰ নেতৃত্বৰ পটভূমি আলোচনাৰো এক সুযোগ দিয়ে। স্বাধীনতাৰ আগতে আৰু স্বৰাজোত্তৰ কালৰ ১৯৭০ৰ দশকৰ আগভাগলৈকে অসমৰ ৰাজনৈতিক নেতৃত্ব আছিল বৰ্ণহিন্দু অসমীয়াৰ হাতত। কিন্তু ১৯৭০ৰ দশকত এই পৰিস্থিতিৰ পৰিৱৰ্তন ঘটে আৰু পিছপৰা শ্ৰেণীৰ শৰৎচন্দ্ৰ সিংহ অসমৰ মুখ্যমন্ত্রী হয়। এই সময়ছোৱাত অসমীয়া বৰ্ণহিন্দু নেতৃত্বৰ অৱক্ষয় ঘটাৰ বিপৰীতে পিছপৰা শ্ৰেণী, অভিবাসী মুছলমান, অনুসূচিত জাতি আৰু জনজাতি, চাহবনুৱা শ্ৰেণীৰ সমন্বিত নেতৃত্বৰ সৃষ্টি হয়। এই শ্ৰেণীবোৰৰ প্ৰতিনিধিসকলৰ ৰাজনৈতিক গুৰুত্ব যথেষ্ট বৃদ্ধি পায়। অসম আন্দোলনৰ সময়লৈকে বৰ্ণহিন্দু অসমীয়াৰ গুৰুত্ব আৰু প্রভাৱ কমি থাকে। অসম আন্দোলনটোক বৰ্ণহিন্দু অসমীয়াৰ ৰাজনৈতিক গুৰুত্ব লাভৰ এক প্রচেষ্টা বুলি কিছুমানে ক'ব খোজে। উল্লেখযোগ্য যে বৰ্ণহিন্দু অসমীয়া নিয়ন্ত্রিত সংবাদ মাধ্যমে এই আন্দোলনটোৰ সমৰ্থনত ব্যাপক প্ৰচাৰ চলাই জনমত গঠনত অৰিহণা যোগাইছিল। আন্দোলনটোৰ নেতৃত্বৰ সামাজিক পটভূমি বিচাৰ কৰিলেও দেখা যায় যে তেওঁলোকৰ অধিকাংশই আছিল বৰ্ণহিন্দু অসমীয়া শ্ৰেণীৰ প্ৰতিনিধি। এটা ক্ষুদ্ৰ অংশহে আছিল অন্যান্য শ্ৰেণীবোৰৰ প্ৰতিনিধি। অৱশ্যে সেই বুলিয়েই আন্দোলনটোৰ গুৰুত্ব আৰু প্ৰাসঙ্গিকতা নুই কৰিব নোৱাৰি।



এই আন্দোলনটোৱে অসমৰ ভূমিক জনসাধাৰণৰ প্ৰাথমিক ৰাজনীতিকৰণৰ বাবে উৰ্বৰ কৰি তোলে। অসমৰ পশ্চাদ্‌বৰ্তী অৰ্থনীতিৰ পৰিপ্ৰেক্ষিতত এই আন্দোলনটোৰ ঐতিহাসিক গুৰুত্ব আছে। ই ৰাজ্যখনৰ নৃগোষ্ঠীয় পৰিচয় ৰক্ষাৰ প্রচেষ্টাকো প্রতিফলিত কৰে।

অসমত যে অবৈধ প্ৰব্ৰজনকাৰী আছে সেয়া স্পষ্ট। তেনে প্ৰেক্ষাপটত অসম আন্দোলনটো আছিল এক ঐতিহাসিক প্রয়োজন।[২০] অৱশ্যে এইটোও সত্য যে এই গণ-আন্দোলনটোক সঠিক পথেৰে পৰিচালনা কৰাত নেতৃত্ব ব্যৰ্থ হৈছিল। আন্দোলনটোৰ পৰিসমাপ্তি ঘটে ১৯৮৫ চনৰ ১৫ আগষ্টত স্বাক্ষৰিত অসম চুক্তিৰ মাজেৰে। যদিও সেই সময়ত ইয়াক এক ঐতিহাসিক চুক্তি বুলি অভিহিত কৰা হৈছিল, প্ৰকৃততে এয়া সত্য নাছিল। অসমৰ মৌলিক বিষয়বোৰে চুক্তিখনত উপযুক্ত স্থান নাপালে। চুক্তিখন এক প্ৰহসনহে আছিল। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰে আন্দোলনটোৰ প্ৰথম ভাগত ১৯৭১ চনক বিদেশী চিনাক্তকৰণ আৰু বিতাড়নৰ ভিত্তি বৰ্ষ কৰাৰ প্ৰস্তাৱ দিছিল যিটো আন্দোলনৰ নেতৃত্বই নাকচ কৰিছিল। কিন্তু ছবছৰজোৱা আন্দোলন আৰু অলেখ জীৱন আৰু সম্পত্তিৰ হানিৰ পিছত ১৯৮৫ চনত পুনৰ সেই ১৯৭১ চনকেই ভিত্তিবৰ্ষ হিচাপে মানি লোৱা হয়। একেদৰে অবৈধ প্ৰব্ৰজনকাৰীৰ ৰক্ষাকবচ বুলি পৰিগণিত আৰু ১৯৮৩ চনত গ্ৰহণ কৰা আই এম ডি টি আইনখনৰ বিষয়েও অসম চুক্তি আছিল ৰহস্যজনকভাৱে নিমাত। প্ৰকৃততে অসম চুক্তিখন আন্দোলনটোৰ নেতৃত্বৰ ক্ষমতা লাভৰ বাবে আপোচৰ দলিলতহে পৰিণত হয়। আনকি আন্দোলনটোত ওতপ্ৰোতভাৱে জড়িত একাংশ নেতায়ো চুক্তিখনে ছবছৰীয়া আন্দোলনটোক প্ৰতাৰণা কৰা বুলিহে নাকচ কৰে। অৱশ্যে আন্দোলনটোৰ সফল সমাপ্তিৰ উছাহৰ ঢলৰ মাজত এনে মতামতে কোনো গুৰুত্ব নাপালে। অসম আন্দোলনৰ মূল উদ্দেশ্য সাধনত — অসমত থকা অবৈধ বিদেশী চিনাক্তকৰণ, বহিষ্কৰণ আৰু ৰাজ্যখনলৈ বিদেশী আগমন বন্ধ কৰা বিষয়কেইটাত চুক্তিখন শোচনীয়ভাৱে ব্যৰ্থ হ'ল। প্ৰকৃততে আন্দোলনটোৰ নেতৃত্বৰ ক্ষমতা দখল কৰাৰ লক্ষ্য পূৰ্ণ হ'ল আৰু সাধাৰণ জনতা প্ৰবঞ্চিত হ'ল।[২১]

## পাঁচ

অসম আন্দোলনৰ পৰৱৰ্তী সময়তে জনগোষ্ঠীয় ৰাজনীতি আৰু স্বায়ত্তশাসনৰ বিষয়টো অসমৰ ৰাজনীতিৰ এটা কেন্দ্ৰীয় বিষয় হৈ পৰে। অৱশ্যে অঞ্চলটোত জনজাতীয় ৰাজনীতিৰ উন্মেষ ঘটিছিল ঔপনিৱেশিক কালতেই। ব্ৰিটিছৰ আগমনৰ সময়ত অসম কেৱল ব্ৰহ্মপুত্ৰ উপত্যকাতে সীমাবদ্ধ আছিল। বৰ্ণহিন্দু অসমীয়াকে ধৰি বড়ো, তিৱা, কোচ, মিচিং, আহোম আদিকে ধৰি বিভিন্ন জনগোষ্ঠী ইয়াত বাস কৰিছিল। ঔপনিৱেশিক শাসনৰ সময়তে আন কিছুমান অঞ্চলো অসমৰ লগত সংযুক্ত কৰা হয়। অৱশ্যে ব্ৰিটিছে পাহাৰীয়া

জনজাতিবোৰৰ পৰম্পৰাগত শাসন-প্ৰণালী তথা জীৱনশৈলী বিশেষ নিয়ন্ত্ৰণ কৰিবলৈ বিচৰা নাছিল আৰু সেইবোৰৰ বাবে পৃথক ব্যৱস্থাৰহে পোষকতা কৰিছিল। ১৯১৯ চনৰ আইনে কিছুমান অঞ্চলক পিছপৰা অঞ্চল (Backward Tract) বুলি চিহ্নিত কৰিছিল। ১৯৩৫ চনৰ ভাৰত শাসন আইনে কিছুমান অঞ্চলক বহিৰ্ভূত অঞ্চল (Excluded Area) আৰু আন কিছুমানক আংশিকভাৱে বহিৰ্ভূত অঞ্চল (Partially Excluded Area) বুলি কৈছিল। এই অঞ্চলবোৰক ভৈয়ামৰ প্ৰশাসন ব্যৱস্থাৰপৰা পৃথক কৰি ৰখা হৈছিল। পাহাৰ আৰু ভৈয়ামৰ লোকসকলৰ মাজত সমন্বয়-সংমিশ্ৰণৰ প্ৰক্ৰিয়া এটাই গঢ় লৈ উঠাটো ব্ৰিটিছ প্ৰশাসকসকলৰ অকণো কাম্য নাছিল।[22] সংবিধান ৰচনা কৰাৰ সময়ত এই অঞ্চলবোৰৰ প্ৰশাসন সন্দৰ্ভত পৰামৰ্শ দিবলৈ গোপীনাথ বৰদলৈৰ নেতৃত্বত North-East Frontier (Assam Tribal and Excluded Areas) Sub-Committee গঠন কৰি দিয়া হয়। বৰদলৈ কমিটীৰ পৰামৰ্শৰ ভিত্তিত অসমৰ পাহাৰীয়া অঞ্চলবোৰৰ স্বশাসনৰ বাবে সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। পাহাৰীয়া অঞ্চলবোৰৰ বাবে কিছুমান স্বায়ত্তশাসিত জিলা পৰিষদৰ সুবিধা দিয়া হয় আৰু এইবোৰক যথেষ্ট স্বতন্ত্ৰতাও প্ৰদান কৰা হয়। অৱশ্যে সংবিধান সভাত চলা এই সম্পৰ্কীয় বিতৰ্কত অসমৰ দুজন সদস্য ৰোহিণীকুমাৰ চৌধুৰী আৰু কুলধৰ চলিহাই বৰদলৈ কমিটীৰ পৰামৰ্শৰ বিৰোধিতা কৰিছিল। চৌধুৰীয়ে এনে পৃথক প্ৰশাসনিক ব্যৱস্থাই পাকিস্তানৰ দৰে ট্ৰাইবেলস্তান সৃষ্টিৰ পথ প্ৰশস্ত কৰিব বুলিও আশংকা প্ৰকাশ কৰিছিল। অৱশ্যে ড° বি আৰ আম্বেদকাৰে ভাৰতৰ আন অংশৰ জনজাতিসকলৰপৰা যে অসমৰ জনজাতিসমূহ পৃথক আৰু আৰ্থ-সামাজিক তথা ৰাজনৈতিক প্ৰেক্ষাপটত তেওঁলোকৰ বাবে যে বিশেষ সাংবিধানিক ব্যৱস্থাৰ প্ৰয়োজন আছে তাত গুৰুত্ব আৰোপ কৰিছিল। কিন্তু অসমীয়া নেতৃত্বৰ দুৰ্বলতা, হঠকাৰিতা, অসমীয়া ভাষা বলপূৰ্বক জাপি দিয়াৰ প্ৰচেষ্টা, সামগ্ৰিক অৰ্থনৈতিক অনগ্ৰসৰতা আদিকে ধৰি বিভিন্ন কাৰকৰ প্ৰভাৱত স্বাধীনতা-উত্তৰ কালত পাহাৰীয়া জনজাতিসমূহৰ মাজত ব্যাপক জনৰোষে দেখা দিয়ে। ইয়াৰ ফলতে এটা এটাকৈ পাহাৰীয়া অঞ্চল অসমৰপৰা ফালৰি কাটি যাবলৈ লয়।

১৯৭১ চনত মেঘালয় গঠনৰ সময়ত কাৰ্বি আংলং (তেতিয়াৰ মিকিৰ পাহাৰ) আৰু উত্তৰ কাছাৰ জিলাক মেঘালয়ত চামিলকৰণৰ বিকল্প দিয়া হৈছিল। কিন্তু জিলা দুখনৰ ৰাজনৈতিক নেতৃত্বই অসমত থকাৰ সপক্ষেহে মত প্ৰকাশ কৰিছিল। অথচ তাৰ ডেৰ দশকৰ পিছতে সেই জিলা দুখনৰ জনসাধাৰণৰ মাজত মেঘালয়ৰ আৰ্হিত স্বায়ত্তশাসিত ৰাজ্যৰ দাবী উত্থাপিত হয়। ১৯৮০ৰ দশকৰ শেষৰ ফালে Autonomous State Demand Committee (ASDC)ৰ নেতৃত্বত স্বায়ত্তশাসিত ৰাজ্যৰ দাবীত আন্দোলন তীব্ৰ হৈ পৰে। সংবিধানৰ ষষ্ঠ অনুসূচীৰ জৰিয়তে আগবঢ়োৱা ৰক্ষণাবেক্ষণবোৰে পাহাৰীয়া জিলা দুখনৰ



অৰ্থনৈতিক প্ৰগতিত আৰু জনসাধাৰণৰ অৰ্থনৈতিক সবলীকৰণৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগাব পৰা নাছিল। বিশেষকৈ দুৰ্নীতি আৰু ক্ষমতাৰ ৰাজনীতিৰ ধামখুমীয়াত অঞ্চলটোৰ জনসাধাৰণৰ সামূহিক স্বাৰ্থ অৱহেলিত হৈ ৰৈছিল। জিলা পৰিষদৰ কামকাজে জনসাধাৰণৰ আশা-আকাঙ্ক্ষা পূৰণত সম্পূৰ্ণ ব্যৰ্থ হৈছিল। এই আন্দোলনৰ ফলস্বৰূপেই ১৯৯৫ চনত চৰকাৰে ষষ্ঠ অনুসূচীক অধিক শক্তিশালী কৰি আৰু অধিক বিষয় অন্তৰ্ভুক্ত কৰি সংবিধান সংশোধন কৰিবলৈ বাধ্য হয়। ষষ্ঠ অনুসূচীৰ ৩(১) দফা সংশোধন কৰি ১৪টা অতিৰিক্ত বিষয়ত পৰিষদক বিধায়িনী ক্ষমতা প্ৰদান কৰা হয়। অৱশ্যে এই ত্ৰিপাক্ষিক বুজাবুজিৰ চুক্তিয়ে পাহাৰীয়া জনজাতিৰ স্বশাসনৰ বিষয়টো সমাধান কৰিব নোৱাৰিলে। পৰৱৰ্তী সময়ত দুয়োখন পাহাৰীয়া জিলাতে সশস্ত্ৰ সংগঠনৰদ্বাৰা বিদ্ৰোহী কাৰ্যকলাপেহে তীব্ৰ ৰূপ ধাৰণ কৰে। শেহতীয়াকৈ ২০১১ চনৰ ২৫ নৱেম্বৰত কাৰ্বি পাহাৰৰ বিদ্ৰোহী সংগঠন United Peoples' Democratic Solidarity (UPDS) কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰৰ মাজত এখন ত্ৰিপাক্ষিক চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিৰ আধাৰত পূৰ্বৰ স্বায়ত্তশাসিত পৰিষদৰ সলনি ক্ষেত্ৰীয় পৰিষদৰ ব্যৱস্থা কৰা হয় আৰু ৩৯টা নতুন বিভাগ এই পৰিষদলৈ হস্তান্তৰিত কৰা হয়।

যদিও অসম বিভিন্ন জনগোষ্ঠীৰ বাসস্থান, দেশৰ প্ৰচলিত সংবিধান আৰু আইনে কেইটামান জনগোষ্ঠীকহে জনজাতি বুলি তালিকাভুক্ত কৰিছে। ২০০২ চনৰ সংশোধিত তালিকা অনুসৰি অসমত ১৫টা পাহাৰীয়া জনজাতি আৰু ১৪টা ভৈয়ামৰ জনজাতি আছে। ২০০১ চনৰ লোকপিয়লৰ তথ্য অনুসৰি অসমৰ অনুসূচিত জনজাতি মুঠ জনসংখ্যাৰ ১২.৪ শতাংশ। উল্লেখযোগ্য যে ভৈয়ামৰ কিছুমান জনগোষ্ঠীক জনজাতি বুলি স্বীকৃতি দিলেও তেওঁলোকৰ বাবে কোনো ৰক্ষণমূলক প্ৰশাসনিক ব্যৱস্থা কৰা হোৱা নাছিল। ধাৰণা কৰা হৈছিল যে ভৈয়ামৰ জনজাতিসমূহৰ বাকী লোকসকলৰ লগত সংমিশ্ৰণৰ প্ৰক্ৰিয়া এটা চলি আছে আৰু পৃথক ৰক্ষণমূলক ব্যৱস্থাই সেই প্ৰক্ৰিয়া ব্যাহত কৰিব। কিন্তু দুৰ্ভাগ্যৰ কথা যে অসমীয়া মধ্যশ্ৰেণীৰ তথা জাতীয় কাণ্ডাৰীসকলৰ জাত্যভিমানে পাহাৰীয়া জনজাতিবোৰকহে নালাগে ভৈয়ামৰ জনজাতিবোৰকো এক অসমীয়া জাতিত স্বাভাৱিক গতিৰে জাহ যোৱাৰ সুযোগ নিদিলে। ভৈয়ামৰ জনজাতীয় লোকসকলে এফালে অসমীয়া বৰ্ণহিন্দুৰ অৱজ্ঞা-অৱহেলা-বৈষম্য আৰু আনফালে তেওঁলোকৰ ভূ-সম্পত্তিৰ আৰু আৰ্থ-ৰাজনৈতিক অধিকাৰবোৰৰ ওপৰত বিপুলসংখ্যক বহিৰাগত প্ৰব্ৰজনকাৰীৰ ক্ৰমবৰ্ধমান তীব্ৰ চাপৰ জ্বালা-যন্ত্ৰণা সহি থাকিবলগীয়া হ'ল।[23]

অসমৰ পাহাৰীয়া জনজাতিবোৰৰ স্বশাসনৰ বিষয়টোত ভৈয়ামৰ জনজাতিসকলৰ স্বাৰ্থ অৱজ্ঞা কৰা হৈছিল।[24] বৰদলৈ কমিটীয়ে ভৈয়ামৰ জনজাতিৰ বাবে পৃথক শাসন-ব্যৱস্থাৰ ধাৰণাটো নাকচ কৰি আঙুলিয়াই দিছিল

যে ভৈয়ামৰ আন লোকসকলৰ সৈতে জনজাতিবোৰৰ সংমিশ্ৰণৰ প্ৰক্ৰিয়া এটা দীৰ্ঘদিন ধৰি চলি আছিল। এনেদৰে ভৈয়ামৰ জনজাতিবোৰ সংবিধানপ্ৰদত্ত বিশেষাধিকাৰ তথা ৰক্ষণাবেক্ষণৰপৰা বঞ্চিত হৈ থাকিল। এই লোকসকলৰ আৰ্থ-সামাজিক দিশটো তেতিয়া সম্পূৰ্ণ আওকাণ কৰা হ'ল। ভৈয়ামৰ জনজাতিবোৰৰ অৰ্থনৈতিক তথা সামাজিক অৱস্থা পাহাৰীয়া জনজাতিবোৰতকৈ বিশেষ পৃথক নাছিল। তথাপি সংবিধান সভা বা বৰদলৈ কমিটীয়ে তেওঁলোকৰ বাবে বিশেষ পদক্ষেপৰ প্ৰয়োজনীয়তা নাকচ কৰিছিল।

অসমৰ জাতীয় জীৱনৰপৰা জনজাতিবোৰৰ বিচ্ছিন্নতাৰ প্ৰক্ৰিয়া ঔপনিৱেশিক কালতেই আৰম্ভ হৈছিল। ব্ৰিটিছ আমোলতেই অসমীয়া মধ্যশ্ৰেণীৰ উদ্ভৱ হয়। এই শ্ৰেণীটোৰ উদ্ভৱ আৰু বিকাশে ৰাজ্যখনৰ সামাজিক গাঁথনিটোত এক মৌলিক পৰিৱৰ্তনৰ সূচনা কৰে। এই মধ্যশ্ৰেণীটোৰ উদ্ভৱ হৈছিল ঘাইকৈ উচ্চবৰ্ণৰ মাজৰপৰাই। ফলত অসমৰ ৰাজনৈতিক, সামাজিক আৰু আৰ্থিক জীৱনত বৰ্ণহিন্দুৰ প্ৰাধান্যৰ যুগ আৰম্ভ হয়। ব্ৰিটিছৰ আমোলত এফালে অসমীয়া বৰ্ণহিন্দু মধ্যশ্ৰেণীটোৰ প্ৰভাৱ ব্যাপক হোৱাৰ বিপৰীতে জনজাতিবোৰ উপেক্ষিত আৰু বঞ্চিত হৈ ৰয়। এনে এটা পটভূমিত জনজাতীয় মূলৰ লোকসকলৰ মাজত ক্ষোভ আৰু প্ৰতিবাদৰ পুঞ্জীভৱন আৰু উদ্গীৰণ কোনো অস্বাভাৱিক ঘটনা নাছিল।[২৫] অসমৰ এই পিছপৰা জনজাতীয় লোকসকলৰ অধিকাৰ তথা সম-মৰ্যাদাৰ দিশটো বৰ্ণবাদী অসমীয়া সমাজখনে সদায় আওকাণ কৰি থাকিল। এই জনাজতিবোৰ আৰ্থ-সামাজিক দিশৰ প্ৰতিটো ক্ষেত্ৰতে বৈষম্যৰ বলি হ'ল।

১৯৩৩ চনত ৰূপনাথ ব্ৰহ্ম, ভীমবৰ দেউৰী আদিৰ প্ৰচেষ্টাত ট্ৰাইবেল লীগ গঠিত হৈছিল। লীগে জনজাতিৰ বাবে পৃথক নিৰ্বাচন প্ৰথাৰ দাবী উত্থাপন কৰিছিল। ইয়াৰ পূৰ্বেও চাইমন কমিছনৰ ওচৰত অসম কছাৰী যুৱ সংঘই একে দাবীৰে স্মাৰকপত্ৰ দিছিল। বড়োসকলৰ সুকীয়া পৰিচয় তথা পৃথক সত্তাৰ ওপৰত ইয়াত গুৰুত্ব আৰোপ কৰা হৈছিল। অসমৰ জনজাতীয় লোকসকলৰ উমৈহতীয়া স্বাৰ্থ ৰক্ষাৰ্থে কাম কৰিবলৈ ১৯৪৫ চনত পাহাৰ-ভৈয়ামৰ বিভিন্ন জনজাতিৰ প্ৰতিনিধিক লৈ Assam Tribes and Races Federation গঠন কৰা হৈছিল। এই সংগঠনটোৱে ইনাৰ লাইন প্ৰৱৰ্তন, প্ৰব্ৰজন ৰোধ, খিলঞ্জীয়া জনগোষ্ঠীবোৰৰ বাবে ভূমি সংৰক্ষণ, শিক্ষাৰ প্ৰসাৰ আদিকে ধৰি কিছুমান অতি গুৰুত্বপূৰ্ণ দাবী উত্থাপন কৰিছিল। সেই সময়তে অসমক জনজাতীয় ৰাজ্য ঘোষণাৰ দাবীও উত্থাপিত হৈছিল।[২৬]

উল্লেখযোগ্য যে ভৈয়ামৰ জনজাতিবোৰৰ ক্ষেত্ৰত চৰকাৰ যে একেবাৰে উদাসীন আছিল এনে নহয়। ৰাজনৈতিক প্ৰতিনিধিত্ব তথা চাকৰিৰ ক্ষেত্ৰত সংৰক্ষণৰ সুবিধা তেওঁলোকে লাভ কৰিছিল। বৰদলৈ চৰকাৰে প্ৰব্ৰজনকাৰীৰপৰা জনজাতীয় লোকৰ ভূমি ৰক্ষণাবেক্ষণ দিয়াৰ বাবে ৪৮টা জনজাতীয় বেষ্টনী আৰু খণ্ড (Tribal Belts and Blocks) গঠন কৰিছিল। কিন্তু চৰকাৰী কৰ্মচাৰীৰ



দুৰ্নীতি, পৰ্যাপ্ত তদাৰকীৰ অভাৱ আদিৰ বাবে সেই বেষ্টনী আৰু খণ্ডবোৰৰ মাটিত পৰৱৰ্তী সময়ত অজনজাতীয় লোকৰ হাতলৈ গুচি যায়। যথেষ্টসংখ্যক প্ৰব্ৰজনকাৰীও এনে বেষ্টনী আৰু খণ্ডবোৰত থিতাপি ল'লে। শিক্ষা আৰু চাকৰিৰ ক্ষেত্ৰতো সংৰক্ষিত কোটাবোৰ পূৰণ নহ'ল। এনে প্ৰেক্ষাপটত ভৈয়ামৰ জনজাতিবোৰৰ মাজত লাহে লাহে অসন্তোষ গঢ় লৈ উঠিল।

বড়োসকলেই হ'ল ভৈয়ামৰ সৰ্ববৃহৎ জনজাতি। স্বাধীনতাৰ পূৰ্বেই তেওঁলোকৰ মাজত গোষ্ঠীচেতনাৰ উন্মেষ ঘটিছিল। স্বৰাজোত্তৰ কালত সেয়া ব্যাপক হৈ পৰে। ১৯৬৭ চনত অসম ভৈয়াম জনজাতি পৰিষদ (Plain Tribal Council of Assam) গঠিত হয় আৰু পৃথক উদয়াচলৰ দাবী উত্থাপন কৰে। সত্তৰৰ দশকত পৃথক লিপিৰ দাবীত বড়োসকলৰ আন্দোলন গঢ়ি উঠে। অসম চৰকাৰৰ ভুল ভাষানীতি আৰু আধিপত্যবাদী মানসিকতাৰ বিৰুদ্ধে সেয়া আছিল প্ৰতিবাদ। অসম আন্দোলনটোৰ নেতৃত্বৰ অদূৰদৰ্শিতাৰ বাবে জনজাতীয় লোকসকলৰে সৈতে ব্যৱধান বৃদ্ধি পায় আৰু আন্দোলনৰ পৰৱৰ্তী সময়ত কেইবাটাও জনজাতিৰ মাজত স্বশাসনৰ দাবী উত্থাপিত হ'বলৈ ধৰে।

১৯৮৭ চনত পৃথক বড়ো ৰাজ্যৰ দাবীত আবছু (All Bodo Students' Union)ৰ নেতৃত্বত বড়ো আন্দোলন আৰম্ভ হয়। আন্দোলনটোৱে বড়ো জনসাধাৰণৰ ব্যাপক সমৰ্থন লাভ কৰে। শান্তিপূৰ্ণভাৱে আৰম্ভ হোৱা এই আন্দোলনটোৱে অতি সোনকালেই হিংসাত্মক ৰূপ ধাৰণ কৰে। আন্দোলনটোৰ গভীৰতা তথা বড়োসকলৰ ব্যাপক সমৰ্থনৰ হেঁচাত সেও মানি অসম চৰকাৰে ১৯৯৩ চনত আন্দোলনকাৰী পক্ষৰ সৈতে বড়ো চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিৰ জৰিয়তে বড়ো অধ্যুষিত অঞ্চল সামৰি বড়োলেণ্ড স্বায়ত্তশাসিত পৰিষদ (Bodoland Autonomous Council, চমুকৈ BAC) গঠনৰ ব্যৱস্থা কৰা হয়। বিএচিক ৩৭টা বিষয়ত ক্ষমতা অৰ্পণ কৰা হয়। অৱশ্যে পৰিষদখনৰ সীমা স্পষ্টকৈ নিৰ্ধাৰণৰ ক্ষেত্ৰত অসুবিধাই দেখা দিয়ে। ১৯৯৫ চনত ইতিমধ্যেই স্বশাসনৰ দাবী উত্থাপন কৰি থকা আন তিনিটা ভৈয়ামৰ জনজাতি— ৰাভা, মিচিং আৰু তিৱাসকলৰ বাবেও উপগ্ৰহীয় স্বায়ত্তশাসনৰ ব্যৱস্থা কৰা হয় আৰু তিনিখন স্বায়ত্তশাসিত পৰিষদ (Rabha Autonomous Council, Mising Autonomous Council আৰু Tiwa Autonomous Council) গঠন কৰা হয়। পিছত ২০০৫ চনত দেউৰী, সোণোৱাল কছাৰী আৰু ঠেঙাল কছাৰীসকলৰ বাবেও একেই স্বায়ত্ত শাসনৰ সুবিধা প্ৰদান কৰা হয়। কিন্তু ৰাজ্য চৰকাৰৰ আইনৰ জৰিয়তে প্ৰদান কৰা এই স্বায়ত্ত শাসন যথেষ্ট ত্ৰুটিপূৰ্ণ আছিল। ইয়াৰ সাংবিধানিক মৰ্যাদা নাছিল। তদুপৰি সীমা নিৰ্ধাৰণৰ আসোঁৱাহ, অগণতান্ত্ৰিক গঠন প্ৰক্ৰিয়া, সীমিত প্ৰশাসনিক তথা বিত্তীয় ক্ষমতা, নিকৃষ্ট ৰাজনীতি— সকলোবোৰেই এই স্বায়ত্তশাসিত পৰিষদৰ ধাৰণাটোৰ প্ৰাসঙ্গিকতা তথা গুৰুত্ব হ্ৰাস কৰে। উল্লেখযোগ্য যে ১৯৯০ৰ দশকতেই গঠিত পৰিষদ কেইখনো ২০১০

চনলৈকে মনোনীত সদস্যবেই পৰিচালিত হৈ আহিছিল। জনজাতিবোৰৰ প্ৰকৃত উন্নয়ন তথা বিকাশৰ প্ৰতি যে চৰকাৰৰ আন্তৰিকতাৰ অভাৱ সেয়া স্পষ্ট। পৰিষদকেইখন চৰকাৰৰ ৰাজনৈতিক লাভালাভৰ আহিলা ৰূপেহে পৰিগণিত হৈ আহিছে।

তালিকা ৫ : অসমৰ স্বায়ত্ত শাসিত পৰিষদবোৰ

| নাম | গঠনৰ বৰ্ষ | প্ৰথম নিৰ্বাচনৰ বৰ্ষ |
|---|---|---|
| বড়োলেণ্ড স্বায়ত্ত শাসিত পৰিষদ | ১৯৯৩ | অনুষ্ঠিত নহ'ল |
| ৰাভা স্বায়ত্ত শাসিত পৰিষদ | ১৯৯৫ | ২০১৩ |
| মিচিং স্বায়ত্ত শাসিত পৰিষদ | ১৯৯৫ | ২০১৩ |
| তিৱা স্বায়ত্ত শাসিত পৰিষদ | ১৯৯৫ | ২০১০ |
| দেউৰী স্বায়ত্ত শাসিত পৰিষদ | ২০০৫ | ২০১০ |
| সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ | ২০০৫ | ২০১৩ |
| ঠেঙাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ | ২০০৫ | ২০১০ |

*২০০৩ চনত বিএচি বাতিল কৰি সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত বড়োলেণ্ড ক্ষেত্ৰীয় পৰিষদ বা বিটিচি গঠন কৰা হয়।

চৰকাৰী অৱহেলা আৰু স্বায়ত্তশাসিত পৰিষদৰ প্ৰহসনমূলক অৱস্থিতিয়ে বড়োসকলক অধিক অসন্তুষ্ট কৰি তোলে আৰু পৃথক বড়োলেণ্ডৰ দাবীত পুনৰ আন্দোলন আৰম্ভ হয়। এই পৰ্যায়ত উগ্ৰপন্থী সংগঠন Bodo Liberation Tigers (BLT)ৰ সৃষ্টি হয় আৰু আন্দোলনটোৰ নেতৃত্বও গণতান্ত্ৰিক সংগঠনবোৰৰপৰা বিএলটিৰ হাতলৈ গুচি যায়। এই সময়ছোৱাত আন্দোলনটোৱে অধিক হিংসাত্মক ৰূপ লয়। অৱশেষত ২০০৩ চনত কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু বিএলটিৰ মাজত স্বাক্ষৰিত হোৱা ত্ৰিপাক্ষিক চুক্তিৰ মাধ্যমত আন্দোলনটোৰ সমাপ্তি ঘটে। দ্বিতীয় বড়ো চুক্তিখনৰ জৰিয়তে বড়ো অধ্যুষিত অঞ্চলত ষষ্ঠ অনুসূচীৰ অধীনত বড়োলেণ্ড ক্ষেত্ৰীয় পৰিষদ (Bodoland Territorial Council, চমুকৈ BTC) গঠনৰ ব্যৱস্থা কৰা হয়। কোকৰাঝাৰ আৰু তিনিখন নতুন জিলা — চিৰাং, বাক্সা আৰু ওদালগুৰিক সামৰি Bodoland Territorial Administrative District (BTAD) গঠনৰ ব্যৱস্থা কৰা হয়। বিটিচিৰ হাতত ৪০টা বিষয় অৰ্পণ কৰা হয়। কেন্দ্ৰীয় চৰকাৰে বিটিচিৰ বাবে ব্যাপক অৰ্থনৈতিক পেকেজো আগবঢ়ায়। ইয়াৰ ভিত্তিত বিটিএডিত আন্তঃগাঁথনিৰ উন্নয়নকে ধৰি যথেষ্ট উন্নয়নমূলক কামকাজ আৰম্ভ হৈছে। বিটিচিৰ গঠনে সাময়িকভাৱে হ'লেও বড়োসকলৰ বৃহৎ অংশক সন্তুষ্ট কৰিছে আৰু তেওঁলোকৰ সুৰক্ষা তথা সাংস্কৃতিক পৰিচয় ৰক্ষাৰ ক্ষেত্ৰত অৰিহণা যোগাইছে।

কিন্তু ষষ্ঠ অনুসূচীৰ অধীনত বিটিচি গঠনৰ কেইবাটাও নেতিবাচক দিশো উদ্ভাসিত হৈছে। বিটিএডিৰ মুঠ জনসংখ্যাৰ এটা বৃহৎ অংশই হ'ল অনা-বড়ো। অসমীয়া, অভিবাসী মুছলিম, আদিবাসী, কোচ-ৰাজবংশী, বাঙালী আদি বিভিন্ন জনগোষ্ঠীও ইয়াত আছে। উল্লেখযোগ্য যে বড়োসকল বড়োলেণ্ডৰ জনসংখ্যাৰ এক-তৃতীয়াংশতকৈও কম। কিন্তু বিটিচিৰ ৪৬খন আসনৰ ৩০খনেই জনজাতিৰ বাবে সংৰক্ষিত। ৫খন আসন অজনজাতিৰ বাবে সংৰক্ষিত, ৫খন সকলোৰে বাবে মুকলি আৰু ৬জন সদস্যক ৰাজ্যপালে প্ৰতিনিধিত্ব নোপোৱা জনগোষ্ঠীবোৰৰ মাজৰপৰা মনোনীত কৰে। বিটিচিৰ গঠনে ইয়াৰ জনগাঁথনিক প্ৰতিনিধিত্ব নকৰাটোৱে অঞ্চলটোত চেপা উত্তেজনাৰ সৃষ্টি কৰি আহিছে। বৃহৎসংখ্যক অনা-বড়োৰ উপস্থিতি সময়ে সময়ে বড়ো-অনাবড়ো সংঘাতৰো কাৰক। বড়োলেণ্ডত বড়োসকল নিৰঙ্কুশ সংখ্যাগৰিষ্ঠ নহয়। অন্যান্য জনগোষ্ঠীৰ উপস্থিতিয়ে বড়োসকলৰ বাবে এক নিভাঁজ (homogenous) সুকীয়া বড়োভূমিৰ ধাৰণাত বাধাৰ সৃষ্টি কৰি আহিছে। তদুপৰি পিছত এই অঞ্চলটোলৈ প্ৰব্ৰজন কৰা বিভিন্ন গোষ্ঠীৰ লোকৰ উপস্থিতিয়ে বড়োসকলৰ ভূমি তথা অন্যান্য সম্পদৰ ওপৰত হেঁচা বৃদ্ধি কৰে। বড়োসকলৰ ভূমি লাহে লাহে প্ৰব্ৰজনকাৰীসকলৰ দখললৈ গুচি যায়। এনে বিভিন্ন কাৰকৰ ফলত বড়োভূমিত গোষ্ঠী-সংঘৰ্ষৰ ৰাজনীতি আৰম্ভ হয়। ১৯৯৩, ১৯৯৪, ১৯৯৬, ২০০৮ আৰু শেহতীয়াকৈ ২০১২ চনত বড়োলেণ্ডত গোষ্ঠী-সংঘৰ্ষ সংঘটিত হয়। এই সংঘৰ্ষবোৰৰ ফলত কেইবালাখো লোক ক্ষতিগ্ৰস্ত হয় আৰু বিস্থাপিত হয়। উল্লেখযোগ্য যে ১৯৯০ৰ দশকতে গোষ্ঠী-সংঘৰ্ষৰ বলি হোৱা বহুতো লোক আজিও শৰণাৰ্থী শিবিৰত থাকিব লগীয়া হৈছে। এই বিস্থাপিত লোকসকল ন্যূনতম সা-সুবিধাৰপৰাও বঞ্চিত আৰু এইসকলৰ মানৱ অধিকাৰো পদে পদে ভূ-লুণ্ঠিত হৈ আছে।

ভৈয়ামত ষষ্ঠ অনুসূচীৰ প্ৰয়োগে জনজাতীয় ৰাজনীতিত নতুন ধাৰাৰ সৃষ্টি কৰিলে। বড়োসকলক ষষ্ঠ অনুসূচীৰ অধীনত স্বায়ত্তশাসন প্ৰদানৰ পিছত ৰাভা, তিৱা আৰু মিচিংসকলৰ মাজতো এনেধৰণৰ স্বায়ত্তশাসনৰ দাবী উত্থাপিত হৈছে। ই সংশ্লিষ্ট জনজাতি অধ্যুষিত অঞ্চলবোৰত সময়ে সময়ে উত্তেজনাৰ সৃষ্টি কৰিছে।



## ছয়

অসম আন্দোলনৰ সময়ৰপৰাই অসমৰ ৰাজনীতিত ধৰ্মীয় মেৰু-বিভাজন প্ৰকট হৈ পৰে আৰু সংখ্যালঘু ৰাজনীতিৰ ভেটি সুদৃঢ় হয়। উল্লেখযোগ্য যে অসম তথা সমগ্ৰ ভাৰতৰ প্ৰেক্ষাপটতো সংখ্যালঘু বুলিলে ঘাইকৈ মুছলিমসকলকেই বুজা যায়, কিয়নো এইটোৱেই হৈছে সৰ্ববৃহৎ সংখ্যালঘু গোট। কুৰি শতিকাত অসমৰ মুছলিম জনসংখ্যা দ্ৰুতগতিত বৃদ্ধি পায়। শতিকাটোৰ আৰম্ভণিতে অসমৰ মুঠ জনসংখ্যাৰ মাত্ৰ ৫ শতাংশ আছিল মুছলমান। ২০০১ চনত এয়া বৃদ্ধি পাই ৩০.৯ হয়গৈ। ২০০১ চনৰ লোকপিয়ল অনুসৰি অসমৰ

মুছলিম জনসংখ্যা হ'ল ৮২,৪০,৬১১। অসমৰ ৬খন জিলাত মুছলিমসকল ইতিমধ্যেই সংখ্যাগৰিষ্ঠত পৰিণত হৈছে।

তালিকা ৬

অসমত মুছলিম সংখ্যাগৰিষ্ঠ জিলা

| জিলাৰ নাম | মুছলিমৰ শতকৰা হাৰ |
|---|---|
| ধুবুৰী | ৭৪.২৯ |
| বৰপেটা | ৫৯.৩৭ |
| হাইলাকান্দি | ৫৭.৬৩ |
| গোৱালপাৰা | ৫৩.৭০ |
| কৰিমগঞ্জ | ৫২.৩০ |
| নগাঁও | ৫০.৯৯ |

*২০০১ চনৰ লোকপিয়ল অনুসৰি

অসমত মুছলিম জনসংখ্যা দ্ৰুত বৃদ্ধিৰ প্ৰধান কাৰণ হ'ল শতিকাজুৰি চলি থকা প্ৰব্ৰজন। ঔপনিৱেশিক কালত পূৰ্ববঙ্গৰপৰা হোৱা প্ৰব্ৰজন, স্বৰাজোত্তৰ কালত প্ৰথমে পূব পাকিস্তান আৰু পিছত বাংলাদেশৰপৰা হৈ থকা অনুপ্ৰৱেশে ইয়াক প্ৰভাৱিত কৰিছিল। এই অনুপ্ৰৱেশৰ বিৰুদ্ধেই অসম আন্দোলন সংঘটিত হৈছিল আৰু তেতিয়াৰ পৰাই অসমৰ সংখ্যালঘু ৰাজনীতিয়ে এক নতুন মাত্ৰা লাভ কৰে। স্বাধীনতাৰ পিছৰেপৰা অসমৰ মুছলিমসকলে কংগ্ৰেছ দলকেই সমৰ্থন কৰি আহিছিল। কংগ্ৰেছ দলে পৰম্পৰাগতভাৱে মুছলিমসকলক ভোটবেংক বুলি গণ্য কৰি অহাৰ অভিযোগ সততে উত্থাপিত হয়। কংগ্ৰেছৰ তদানীন্তন সভাপতি দেৱকান্ত বৰুৱাৰ "আলী আৰু কুলী থকালৈকে অসমত কংগ্ৰেছৰ শঙ্কা নাই" বুলি কৰা মন্তব্য এইক্ষেত্ৰত প্ৰণিধানযোগ্য। অসম আন্দোলনে মুছলিমসকলক কংগ্ৰেছৰ অধিক ওচৰ চপাই আনে আৰু কংগ্ৰেছ দলটো সংখ্যালঘুৰ ত্ৰাণকৰ্তা বুলি ধাৰণা এটা দিয়া হয়। ইপিনে অসম চুক্তিয়ে অসমৰ সংখ্যালঘুসকলৰ মনত নিৰাপত্তাহীনতাৰ সৃষ্টি কৰে। তেওঁলোক যথেষ্ট অসন্তুষ্ট হয় আৰু ইয়াৰ পৰিণতিতেই কেৱাটাও সংখ্যালঘু সম্প্ৰদায়ৰ প্ৰতিনিধিক লৈ সংযুক্ত সংখ্যালঘু মৰ্চা (United Minority Front, UMF) নামৰ এটা ৰাজনৈতিক দল গঠন কৰা হয়। এই দলটোৱে ১৯৮৫ চনৰ বিধানসভা নিৰ্বাচনত ১৭খন আসন লাভ কৰে। অৱশ্যে পিছৰ নিৰ্বাচনত (১৯৯১ চনত) সংখ্যালঘুসকলৰ বৃহদংশই পুনৰ কংগ্ৰেছ দলকেই সমৰ্থন কৰে।

অসমৰ সংখ্যালঘু ৰাজনীতিৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল জমিয়তৰ ভূমিকা। অসমৰ প্ৰব্ৰজিত মুছলিমসকলৰ মাজত জমিয়তৰ প্ৰভাৱ খুব বেছি আৰু ই যি দলকেই সমৰ্থন কৰে সেই দলেই সংখ্যালঘুৰ বৃহৎসংখ্যক ভোট



লাভ কৰিবলৈ সমৰ্থ হয়। ১৯৮৫ চনৰপৰা প্ৰতিটো নিৰ্বাচনতেই এয়া পৰিলক্ষিত হৈ আহিছে। জমিয়তে ১৯৮৫ চনত ইউ এম এফক, ১৯৯১ চনত কংগ্ৰেছক, ১৯৯৬ চনত অগপ মিত্ৰজোঁটক, ২০০১ চনত কংগ্ৰেছক, ২০০৬ আৰু ২০১১ চনত All India United Democratic Front (AIUDF)ক সমৰ্থন কৰিছিল। প্ৰতিটো নিৰ্বাচনতে জমিয়তৰ সমৰ্থিত দলে সংখ্যালঘু অধ্যুষিত সমষ্টিবোৰত ব্যাপক সফলতা লাভ কৰিছে। এ আই ইউ ডি এফৰ গঠন অসমৰ সংখ্যালঘু ৰাজনীতিৰ আন এটা গুৰুত্বপূৰ্ণ দিশ। ২০০৫ চনত অসমৰ সংখ্যালঘুৰ ৰক্ষাকবচ বুলি পৰিগণিত আই এম ডি টি আইনখন উচ্চতম ন্যায়ালয়ে অসাংবিধানিক বুলি বাতিল কৰে। এইক্ষেত্ৰত কংগ্ৰেছৰ ভূমিকাত অসন্তুষ্ট হৈ বদৰুদ্দিন আজমলৰ নেতৃত্বত এ আই ইউ ডি এফ দলটো গঠিত হয়। ২০০৬ আৰু ২০১১ চনৰ নিৰ্বাচনত জমিয়তৰ আশীৰ্বাদপুষ্ট এই দলটোৱে সফলতা লাভ কৰে।

মনোজকুমাৰ নাথৰ ব্যাখ্যাত প্ৰকাশ পোৱামতে অসমৰ মুঠ ১২৬টা বিধানসভা সমষ্টিৰ কমেও ৩১টা সমষ্টিৰ ফলাফল মুছলিম ভোটাৰে নিৰ্ণয় কৰিব পাৰে আৰু প্ৰতিটো সমষ্টিতে মুছলিম ভোটাৰৰ সংখ্যা অ-মুছলিমৰ তুলনাত ক্ষিপ্ৰ গতিত বাঢ়িয়েই আছে।[২৭] অসমৰ ৰাজনীতিত এই সংখ্যালঘু উত্থানৰ বিপৰীতে ১৯৯০ৰ দশকত হিন্দুত্ববাদী শক্তিৰ প্ৰতিনিধি ভাৰতীয় জনতা পাৰ্টিৰ (বিজেপি) উত্থানো এটা লক্ষণীয় দিশ। অৱশ্যে তুলনামূলকভাৱে উদাৰ আৰু ধৰ্মীয় গোড়ামিৰপৰা মুক্ত অসমীয়া সমাজব্যৱস্থা তথা ৰাজনীতিত এই দলটোৰ সফলতা এতিয়াও সীমিত। কিন্তু ২০১৪ চনৰ লোকসভা নিৰ্বাচনত এই দলটোৱে চমকপ্ৰদ সাফল্য লাভ কৰে আৰু সাতখন আসন দখল কৰে। অনাগত দিনত এই দলটোক অসমৰ জনসাধাৰণে কেনেদৰে গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।

## সাত

অসমত আঞ্চলিক ৰাজনীতিৰ ধাৰাটো শক্তিশালী হয় অসম আন্দোলনৰ সময়ৰপৰাহে। তাৰ অৰ্থ এইটো নহয় যে পূৰ্বতে অসমত কোনো স্থানীয় দল নাছিল। আনকি ঔপনিৱেশিক কালতেই ট্ৰাইবেল লীগে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি বিধান পৰিষদত আসন লাভ কৰিবলৈ সক্ষম হৈছিল। স্বৰাজোত্তৰ কালতো অবিভক্ত অসমত APHLC, Mizo Union আদি জনগোষ্ঠীয় ৰাজনৈতিক দল সক্ৰিয় হৈ আছিল। ১৯৬৭ চনত গঠিত অসম ভৈয়াম জনজাতি পৰিষদ (Plain Tribal Council of Assam, PTCA) দলটোৱেও ভৈয়ামৰ জনজাতি অধ্যুষিত অঞ্চলবোৰত প্ৰভাৱ পেলাবলৈ সক্ষম হৈছিল। অসম আন্দোলনৰ পূৰ্বেই মূলসুঁতিৰ অসমীয়া সমাজত পূৰ্বাঞ্চলীয় লোক পৰিষদ (PLP) আৰু অসম জাতীয়তাবাদী দল (AJD) নামৰ দুটা দলে আত্মপ্ৰকাশ কৰিছিল। অৱশ্যে নিৰ্বাচনী ৰাজনীতিৰ আটাইতকৈ সফলতাৰে উদ্ভাসিত আঞ্চলিক দলটো আছিল

অসম গণ পৰিষদ (Asom Gana Parishad, AGP)। ১৯৮৫ চনত অসম আন্দোলন সমাপ্ত হোৱাৰ পিছতে আন্দোলনকাৰী শক্তিবোৰ ঐক্যবদ্ধ হৈ এই দলটো গঠন কৰে। অসমৰ মূলসুঁতিৰ অসমীয়া মানুহৰ এটা বৃহৎ অংশৰ অসম আন্দোলনটোৰ সময়ৰে পৰা কংগ্ৰেছৰ প্ৰতি মোহভংগ হয়। অগপ দলৰ মূল সমৰ্থন আহিছিল এইসকলৰপৰাই। ১৯৮৫ চনত নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা লাভ কৰি এই দলটোৱে অসমত প্ৰথমখন আঞ্চলিক দলৰ চৰকাৰ গঠন কৰিবলৈ সক্ষম হৈছিল। ১৯৯৬ চনতো এই দলটোৱে দ্বিতীয়বাৰৰ বাবে চৰকাৰ গঠন কৰিবলৈ সক্ষম হয়। অৱশ্যে ব্যাপক দুৰ্নীতি, জনস্বাৰ্থবিৰোধী কামকাজ, বিদেশী বিতাড়ন তথা অসম চুক্তি ৰূপায়ণত ব্যৰ্থতা, নেতৃত্বৰ দুৰ্বলতা আদি বিভিন্ন কাৰকৰ বাবে দলটোৰ জনসমৰ্থন হ্ৰাস পায় আৰু ইয়াৰ নিৰ্বাচনী সফলতাও সীমিত হৈ পৰে। বিজেপিৰ উত্থানেও এই দলটোক কিছু ক্ষতিগ্ৰস্ত কৰিছে। অগপৰ প্ৰতি মোহভঙ্গ ঘটি একাংশই বিজেপিক সমৰ্থন কৰিবলৈ লৈছে আৰু ইয়াৰ সমৰ্থন ভেটি (support base) ক্ষয় হৈছে।

তালিকা: ৭

১৯৮৫ চনৰপৰা বিধানসভা নিৰ্বাচনত আঞ্চলিক দলৰ স্থিতি

| দলৰ নাম | গঠনৰ বৰ্ষ | নিৰ্বাচনত লাভ কৰা আসনৰ সংখ্যা | | | | | |
|---|---|---|---|---|---|---|---|
| | | ১৯৮৫ | ১৯৯১ | ১৯৯৬ | ২০০১ | ২০০৬ | ২০১১ |
| অগপ | ১৯৮৫ | ৬৪ | ১৫+৪* | ৫৯ | ২০ | ২৪ | ১০ |
| এ এছ ডি চি | ১৯৮৭ | — | ৪ | ৫ | ২ | ১ | — |
| ইউ এম এফ | ১৯৮৫ | ১৭ | — | ২ | — | — | — |
| এ আই ইউ ডি এফ | ২০০৫ | — | — | — | — | ১০ | ১৮ |
| বি পি এফ | ২০০৫ | — | — | — | — | ১১ | ১২ |

*১৯৯১ চনৰ নিৰ্বাচনত নতুন অসম গণ পৰিষদে ৪খন আসন লাভ কৰিছিল। এই দলটো আছিল অগপৰে এটা বিভাজিত গোট।

অসম আন্দোলনৰ পৰৱৰ্তী সময়ত অসমত নৃগোষ্ঠীয় উত্থান পৰিলক্ষিত হয়। ইয়াৰ লগে লগে কেইবাটাও জনগোষ্ঠীৰ মাজত সুকীয়া ৰাজনৈতিক দলৰো সৃষ্টি হয়। ই অসমৰ ৰাজনীতিৰ আন এক ধাৰা। বিটিচি গঠনৰ পিছত বড়োলেণ্ড পিপলছ ফ্ৰণ্ট (BPF) গঠিত হয়। বড়ো অধ্যুষিত অঞ্চলত এই দলটোৰ প্ৰভাৱ যথেষ্ট আছে। পাহাৰীয়া জিলা দুখনতো এ এছ ডি চি দলে গুৰুত্বপূৰ্ণ ভূমিকা ল'বলৈ সক্ষম হৈছিল। ১৯৯১ আৰু ১৯৯৬ চনৰ নিৰ্বাচনত এই দলৰ সফলতা আছিল লক্ষণীয়। কিন্তু পিছত এই দলটো বিভাজিত হয় আৰু ২০০১ চনৰ নিৰ্বাচনৰপৰা জিলা দুখনৰ নিৰ্বাচনী ৰাজনীতিত দলটোৰ প্ৰভাৱ কমি আহে। সংখ্যালঘু, বিশেষকৈ অভিবাসী মুছলিমসকলৰ স্বাৰ্থক প্ৰাধান্য দি গঠন হোৱা এ



ইউ ডি এফ দলটোৰ সাফল্যও লক্ষণীয়। ২০০৬ চনৰ নিৰ্বাচনত দলটোৱে দহখন আসন লাভ কৰিছিল, ২০১১ চনৰ নিৰ্বাচনত দলটোৰ আসনৰ সংখ্যা ১৮খনলৈ বৃদ্ধি পায় আৰু ই দ্বিতীয় সৰ্ববৃহৎ দলত পৰিণত হয়। বৰ্তমান বিধানসভাত ই হ'ল প্ৰধান বিৰোধী দল।

### আঠ

অসমৰ ৰাজনৈতিক প্ৰেক্ষাপটত বাওঁপন্থী তথা সমাজবাদী শক্তিবোৰৰ ভূমিকা সম্পৰ্কে আলোচনাৰ প্ৰয়োজনীয়তা আছে। বৰ্তমান এই শক্তিবোৰৰ প্ৰভাৱ যথেষ্ট হ্ৰাস পাইছে যদিও ১৯৭০ৰ দশকলৈকে এইবোৰৰ ভূমিকা আছিল গুৰুত্বপূৰ্ণ। অসমত সমাজবাদী তথা বাওঁপন্থী ভাবধাৰাৰ উন্মেষ ঘটিছিল ঔপনিৱেশিক কালতেই। কংগ্ৰেছত সমাজবাদী শিবিৰ এটাৰ সৃষ্টি হৈছিল আৰু অসমতো একাংশ কংগ্ৰেছ-কৰ্মী সমাজবাদী ভাবধাৰাৰে প্ৰভাৱিত হৈছিল। বিশেষকৈ ১৯৪২ চনৰ আন্দোলনৰ সময়ত এই সমাজবাদী ভাবধাৰাৰে পৰিপুষ্ট শঙ্কৰ বৰুৱা, হেম বৰুৱা আদিয়ে অসমত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। স্বাধীনতাৰ পিছত সমাজবাদীসকলে কংগ্ৰেছৰপৰা আঁতৰি আহি চ'ছিয়েলিষ্ট পাৰ্টি গঠন কৰে। ১৯৫৩ চনত প্ৰজা চ'ছিয়েলিষ্ট পাৰ্টি গঠিত হয় — চ'ছিয়েলিষ্ট পাৰ্টি আৰু কিষাণ-মজদুৰ প্ৰজা পাৰ্টি একত্ৰীকৰণৰ যোগেদি। হেম বৰুৱা এই প্ৰজা চ'ছিয়েলিষ্ট পাৰ্টিৰ প্ৰতিনিধি হিচাপে দুবাৰ লোকসভালৈ নিৰ্বাচিত হয়। অসমৰ সমস্যা তথা স্বাৰ্থত নতুন দিল্লীত অতি সৰৱ আৰু গুৰুত্বপূৰ্ণ ভূমিকা লোৱা বৰুৱা আছিল অসমৰ যোগ্য প্ৰতিনিধি।

১৯৩০ৰ দশকৰ শেষৰ ফালে অসমৰ সাম্যবাদী/বাওঁপন্থী ভাবধাৰাৰো প্ৰসাৰ ঘটিছিল। কমিউনিষ্ট লীগৰ শাখা অসমতো প্ৰতিষ্ঠিত হৈছিল। চল্লিছৰ দশকত বিপ্লৱী বাওঁপন্থী কাৰ্যকলাপে ব্যাপকতা লাভ কৰে। হৰিদাস ডেকা, হৰেন কলিতা আদিৰ নেতৃত্বত বিপ্লৱী সাম্যবাদী দল (Revolutionary Communist Party of India, সংক্ষেপে RCPI) যথেষ্ট সক্ৰিয় হৈ পৰে। ভূমিহীন কৃষকক ভূমিপট্টা দিয়া, মাটিৰ চিলিং নিৰ্ধাৰণ, শ্ৰমিক-বনুৱাৰ স্বাৰ্থ ৰক্ষা আদি বিষয়বোৰত বাওঁপন্থী তথা সমাজবাদী-উভয়েই সক্ৰিয়ভাৱে কাম কৰিছিল। স্বাধীনতাৰ আগে-পিছে সংঘটিত বিভিন্ন বনুৱা ধৰ্মঘটত নেতৃত্ব প্ৰদান কৰিছিল বাওঁপন্থী আৰু সমাজবাদীসকলেই। তেওঁলোকে বিভিন্ন ঠাইত কৃষকসকলক সংগঠিত কৰি কৃষক আন্দোলনও গঢ়ি তুলিবলৈ সক্ষম হৈছিল। বৰ্তমানৰ গোলাঘাট জিলাৰ ঘিলাধাৰীত ভূমিহীন কৃষকে মাটিৰ পট্টা লাভৰ ক্ষেত্ৰত সমাজবাদীসকলৰ অৱদান আছিল অতি গুৰুত্বপূৰ্ণ।

ক্ষমতাৰ হস্তান্তৰৰ সময়ত আৰ চি পি আই দলে সেয়া প্ৰকৃত স্বাধীনতা নহয়, ভুৱা স্বাধীনতা বুলি দ্ব্যৰ্থহীন ভাষাৰে ঘোষণা কৰিছিল। ১৯৪৮ চনত দলটোৱে সশস্ত্ৰ বিপ্লৱৰ পথ গ্ৰহণ কৰে। চৰকাৰে দলটো নিষিদ্ধ কৰে আৰু

বহুতো নেতা-কৰ্মীক গ্ৰেপ্তাৰ কৰে। আন বহুতে আত্মগোপন কৰিবলৈ বাধ্য হয়। দলৰ কৰ্মী-সমৰ্থকৰ ওপৰত পুলিচী নিৰ্যাতনো চলে। ১৯৪৭ চনত জ্যোতিপ্ৰসাদ আগৰৱালাক সভাপতি আৰু হেমাঙ্গ বিশ্বাসক সম্পাদক হিচাপে লৈ ভাৰতীয় গণনাট্য সংঘৰ (Indian People's Theatre Association, IPTA) অসম শাখা গঠিত হয়। প্ৰগতিশীল চিন্তা-চৰ্চাৰে গণসংস্কৃতিৰ ধাৰাটো আগবঢ়াই নিয়াত ই অৰিহণা যোগাইছিল। সংঘৰ কৰ্মীসকলো পুলিচৰ আতিশয্যৰ সন্মুখীন হ'বলগীয়া হৈছিল। ১৯৪৯ চনত সংঘৰ ডিব্ৰুগড়ৰ নালিয়াপুলত হোৱা অধিৱেশনত পুলিচৰ অপ্ৰৰোচিত গুলীচালনাত দুগৰাকী মহিলা নিহত হৈছিল।

আৰ চি পি আইৰ নেতৃত্বত গুৱাহাটীৰ বেলতলাত জনজাতীয় কৃষকসকলৰ মাজত ব্যাপক আন্দোলন গঢ় লৈ উঠিছিল। কামৰূপ জিলাৰ কিছুমান ঠাই, গোৱালপাৰা, শিৱসাগৰ আদিকে ধৰি আন বহুতো অঞ্চলত কৃষকক সংগঠিত কৰাত দলটো সফল হৈছিল। ১৯৫৩ চনত দলে সশস্ত্ৰ পন্থা ত্যাগ কৰে। ইয়াৰ বিপৰীতে ভাৰতীয় সাম্যবাদী দলে (Communist Party of India, সংক্ষেপে CPI) প্ৰথমৰপৰাই সংসদীয় ৰাজনীতিক সমৰ্থন কৰি আহিছিল। বাওঁপন্থী তথা সমাজবাদী দলবোৰ যে অকল কৃষক-বনুৱাৰ সমস্যাক লৈহে সৰৱ আছিল এনে নহয়, অসমৰ উন্নয়ন তথা সম্পদৰ ওপৰত অধিকাৰ আদিৰ ক্ষেত্ৰতো এইবোৰে ইতিবাচক ভূমিকা লৈছিল। ব্ৰহ্মপুত্ৰৰ ওপৰত দলঙৰ দাবী, তেল-শোধনাগাৰ স্থাপনৰ দাবীত হোৱা আন্দোলন, খাদ্য আন্দোলন আদি সকলো অৰ্থনৈতিক কাৰ্যসূচীতে বাওঁপন্থী আৰু সমাজবাদী শক্তিবোৰে অগ্ৰণী ভূমিকা লৈছিল। প্ৰথমটো তেল শোধনাগাৰ আন্দোলনৰ নেতৃত্বত আছিল পি এছ পিৰ হেম বৰুৱা, হৰেশ্বৰ গোস্বামী আদি। এই আন্দোলনৰ পৰিপ্ৰেক্ষিতত স্বাধীনোত্তৰ অসমৰ প্ৰথমটো তেল শোধনাগাৰ গুৱাহাটীৰ নুনমাটিত স্থাপিত হয়। একেদৰে বঙাইগাঁও শোধনাগাৰ ১৯৬০ৰ দশকৰ শেষৰ ফালে হোৱা দ্বিতীয়টো তেল শোধনাগাৰ আন্দোলনৰ ফল। আৰ চি পি আইৰ উপৰি আন বাওঁপন্থী দলকেইটায়ো ইয়াত সক্ৰিয় ভূমিকা লৈছিল।

বিধানসভাৰ নিৰ্বাচনতো বাওঁপন্থী দলবোৰে নিজৰ অস্তিত্ব প্ৰতিপন্ন কৰিবলৈ সক্ষম হৈছিল। বাওঁপন্থী দলবোৰে সৰ্বাধিক আসন লাভ কৰিছিল ১৯৭৮ চনৰ বিধানসভা নিৰ্বাচনত। এই দলবোৰৰ সন্মিলিত আসনৰ সংখ্যা আছিল ২৫খন। সেইবাৰেই জনতা পাৰ্টিত থকা সমাজবাদী নেতা গোলাপ বৰবৰাৰ নেতৃত্বত অসমত প্ৰথমখন অকংগ্ৰেছী চৰকাৰ গঠিত হৈছিল। অৱশ্যে জৰুৰী অৱস্থাৰ পিছত সৃষ্টি হোৱা কংগ্ৰেছবিৰোধী ঢৌৱে বাওঁপন্থী তথা অন্যান্য দলবোৰক লাভৱান কৰিছিল। এই কালছোৱাত বাওঁপন্থী ছাত্ৰ সংগঠনবোৰো আছিল যথেষ্ট সক্ৰিয়। কেইবাজনো বাওঁপন্থী ছাত্ৰনেতাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ সাধাৰণ সম্পাদকৰ পদ অলঙ্কৃত কৰিবলৈও সক্ষম হৈছিল। অসমৰ বহু কলেজত বাঁওপন্থী ছাত্ৰসংগঠনেও ছাত্ৰ একতা সভাৰ নেতৃত্ব লাভ কৰিছিল।



অসম আন্দোলনৰ সময়ছোৱা আছিল বাওঁপন্থী দলবোৰৰ বাবে সংঘাতময় কাল। বিদেশী অনুপ্ৰৱেশকাৰীৰ সমস্যাটোৰ ক্ষেত্ৰত আন্দোলনকাৰী আৰু বাওঁপন্থী শিবিৰ আছিল দুই বিপৰীত মেৰুত। আন্দোলনকাৰীসকলে বিদেশী বিতাড়নৰ ভিত্তিবৰ্ষ ১৯৫১ চন হ'ব লাগে বুলি দাবী কৰাৰ বিপৰীতে বাওঁপন্থী দলবোৰে ভিত্তিবৰ্ষ ১৯৭১ চনহে হ'ব লাগে বুলি মত প্ৰকাশ কৰিছিল। আন্দোলনটোত ক্ৰমে দেখা দিবলৈ ধৰা অগণতান্ত্ৰিক, উগ্ৰ জাতীয়তাবাদী প্ৰৱণতাৰ বিৰুদ্ধে বাওঁপন্থী দলবোৰ আছিল অত্যন্ত সৰৱ। কিন্তু অবৈধ প্ৰব্ৰজনে যে অসমীয়া জাতিৰ অস্তিত্বৰ প্ৰতি ভাবুকি আনিছে আৰু এই সমস্যাটো যে এটা জাতীয় সমস্যা সেয়া বাওঁপন্থীসকলে আওকাণ কৰা বুলি বহুতে ভাবিছিল। আন্দোলনকাৰী পক্ষৰ দৃষ্টিত বাওঁপন্থীসকলো শত্ৰুত পৰিণত হৈছিল। আন্দোলনৰ সময়ছোৱাত বাওঁপন্থী দলবোৰৰ বহুতো নেতা-কৰ্মী আক্ৰমণৰ বলি হয় আৰু কেইবাজনো কৰ্মীক হত্যা কৰা হয়। উল্লেখযোগ্য যে মধ্যবিত্ত নিয়ন্ত্ৰিত অসমীয়া সংবাদ মাধ্যমেও বাওঁপন্থীৰ ক্ষেত্ৰত নেতিবাচক ভূমিকাহে গ্ৰহণ কৰিছিল। যিহেতু অসমীয়া সমাজৰ এক বৃহৎ অংশ আন্দোলনটোৰ সৈতে জড়িত হৈ পৰিছিল, গতিকে আন্দোলনবিৰোধী স্থিতি লোৱা বাওঁপন্থী দলবোৰৰ প্ৰতি সমৰ্থন হ্ৰাস পাইছিল। অৱশ্যে একাংশ সংখ্যালঘু ছাত্ৰৰ মাজত এই সময়ছোৱাত বাওঁপন্থী ছাত্ৰ সংগঠনৰ প্ৰভাৱ বৃদ্ধি পাইছিল।

অসম আন্দোলনৰ পিছৰ সময়ছোৱাত বাওঁপন্থী দলবোৰে বিশেষ সক্ৰিয় ভূমিকা ল'ব পৰা নাই। দলবোৰৰ সাংগঠনিক স্থিতিও আন্দোলনৰ পিছৰেপৰা দুৰ্বল হৈ পৰে। নিৰ্বাচনী ৰাজনীতিতো বাওঁপন্থী দলবোৰৰ সফলতা ক্ৰমান্বয়ে সঙ্কুচিত হয়। অৱশ্যে তাৰ মাজতে চি পি আই (এম)এ দুবাৰ আৰু চি পি আই (এম এল)য়ে এবাৰ এখনকৈ লোকসভাৰ আসন লাভ কৰিবলৈ সক্ষম হয়। কিন্তু এই বিজয়ৰ ক্ষেত্ৰতো সংশ্লিষ্ট প্ৰাৰ্থীকেইজনৰ নিকা ভাবমূৰ্তি আৰু নিৰ্বাচনী মিত্ৰতাৰহে ভূমিকা বেছি আছিল। উল্লেখযোগ্য যে ২০০১ আৰু ২০১১ চনৰ বিধানসভা নিৰ্বাচনত কোনোটো বাওঁপন্থী দলেই এখনো আসন লাভ কৰিবলৈ সক্ষম নহ'ল (তালিকা ৮)।

অসমত বাওঁপন্থী দলবোৰৰ দুৰ্বল অৱস্থা বহুতো কাৰকৰ ফল। ভাৰতৰ আন আন অংশৰ দৰে অসমতো বাওঁ শিবিৰ বহুধা বিভক্ত। এইবোৰৰ সাংগঠনিক ভিত্তি বৰ সবল নহয়। বৰ্তমানৰ বিশ্বায়ন বা গোলকীকৰণৰ যুগত ভোগবাদী তথা বস্তুবাদী প্ৰৱণতাইহে প্ৰাধান্য পাইছে। ইয়াৰ পৰিপ্ৰেক্ষিতত বাওঁপন্থী দৰ্শনৰ প্ৰতি মানুহৰ আকৰ্ষণ স্বাভাৱিকতেই হ্ৰাস পাইছে। সংসদীয় ৰাজনীতিক প্ৰাধান্য দি গণ-সংগঠন তথা গণ-আন্দোলনৰ প্ৰতি পিঠি দিয়াটো বাওঁপন্থী দলবোৰৰ আন এক দুৰ্বলতা। বাওঁপন্থী দলবোৰৰ বিৰুদ্ধে এটা অভিযোগ হ'ল অসমীয়াৰ জাতিগত সুৰক্ষা তথা প্ৰব্ৰজনৰ সমস্যাক যথোপযুক্ত গুৰুত্ব নিদিয়াটো। বিগত তিনি দশকত বাওঁপন্থীসকলে অসমৰ বিশেষ আৰ্থ-সামাজিক তথা ৰাজনৈতিক

তালিকা ৮
বিধানসভা নিৰ্বাচনত বাওঁপন্থী দলৰ স্থিতি

| বৰ্ষ | দলৰ নাম | | | |
|---|---|---|---|---|
| | চি পি আই | চি পি আই এম | আৰ চি পি আই | ছ'চিয়েলিষ্ট ইউনিটি চেণ্টাৰ অব ইণ্ডিয়া বা এছ ইউ চি আই |
| ১৯৫২ | ১ | x | — | |
| ১৯৫৭ | ৪ | x | ১ | |
| ১৯৬২ | ০ | x | ১ | |
| ১৯৬৭ | ৭ | ০ | ০ | |
| ১৯৭২ | ৩ | ০ | ১ | |
| ১৯৭৮ | ৬ | ১১ | ৪ | ২ |
| ১৯৮৩ | ১ | ২ | ০ | ০ |
| ১৯৮৫ | ০ | ২ | ০ | ১ |
| ১৯৯১ | ৪ | ২ | ০ | ২ |
| ১৯৯৬ | ৩ | ২ | ০ | ০ |
| ২০০১ | ০ | ০ | ০ | ০ |
| ২০০৬ | ১ | ২ | ০ | ০ |
| ২০১১ | ০ | ০ | ০ | ০ |

*চি পি আই দলৰ বিভাজন ঘটি ১৯৬৪ চনত চি পি আই (এম) দল গঠিত হয়।
**১৯৭৮ চনৰ বিধানসভা নিৰ্বাচনত চি পি আই (এম)-সমৰ্থিত এজন নিৰ্দল প্ৰাৰ্থী আৰু এজন চি পি আই (এম এল) প্ৰাৰ্থীও বিজয়ী হৈছিল।

প্ৰেক্ষাপটত অসম তথা ইয়াৰ খিলঞ্জীয়া লোকসকলৰ স্বাৰ্থত কোনো বিশেষ কাৰ্যসূচী তথা পদক্ষেপ গ্ৰহণ কৰিব নোৱাৰিলে। এইক্ষেত্ৰত নেতৃত্বৰ দূৰদৰ্শিতাৰ অভাৱো পৰিলক্ষিত হয়। বাওঁপন্থী দলবোৰৰ নেতৃত্বই পৰিবৰ্তিত পৰিস্থিতিত বাস্তৱসন্মত আৰু ব্যৱহাৰিক পদক্ষেপেৰে দলক আগুৱাই নিয়াত সক্ষম হোৱা নাই।

## ন

স্বৰাজোত্তৰ অসমৰ ৰাজনীতিৰ আন এক গুৰুত্বপূৰ্ণ দিশ হ'ল বিদ্ৰোহী কাৰ্যকলাপ। অবিভক্ত অসমত নগা তথা মিজোসকলৰদ্বাৰা বিদ্ৰোহী কাৰ্যকলাপ সংঘটিত হৈছিল। অৱশ্যে অসমৰ পুনৰ্গঠনৰ পিছত অসম তুলনামূলকভাৱে এনে কাৰ্যকলাপৰপৰা মুক্ত আছিল। অসমত পুনৰ বিদ্ৰোহী কাৰ্যকলাপে গা কৰি উঠে ১৯৮০ৰ দশকত। এই সময়ছোৱাতে একাধিক বিদ্ৰোহী সংগঠন সক্ৰিয় হৈ উঠে আৰু বিভিন্ন হিংসাত্মক ঘটনা সংঘটিত হ'বলৈ ধৰে। ১৯৭৯ চনত অসমক স্বাধীন কৰাৰ লক্ষ্যৰে সংযুক্ত মুক্তি বাহিনী, অসম (আলফা)ৰ জন্ম হয়। অসম আন্দোলনৰ সমাপ্তিৰ পিছত ইয়াৰ কাৰ্যকলাপ তথা প্ৰভাৱ যথেষ্ট বৃদ্ধি পায়। উল্লেখযোগ্য যে সংগঠনটোৰ প্ৰথম পৰ্যায়ৰ অধিকাংশ নেতা-সদস্যই অসম আন্দোলনতো সক্ৰিয় অংশগ্ৰহণ কৰিছিল। অগপৰ প্ৰথমটো শাসনকালত আলফাই প্ৰায় সমান্তৰাল চৰকাৰ চলাইছিল। শ্ৰমদানৰ জৰিয়তে ৰাস্তাঘাট, মথাউৰি নিৰ্মাণ ও মেৰামতি, দুৰ্নীতিপৰায়ণ কৰ্মচাৰীক শাস্তি প্ৰদান, মদ-নিবাৰণ আদি কিছুমান কামকাজেৰে সংগঠনটোৱে অতি সোনকালেই জনপ্ৰিয়তা লাভ কৰিছিল। কিন্তু একে সময়তে ব্যাপক ধন দাবী, অপহৰণ, হত্যা আদিৰ জৰিয়তে ই অসমত অশান্তি তথা অস্থিৰতাৰো সৃষ্টি কৰিছিল। এনে প্ৰেক্ষাপটতে ১৯৯০ চনত অগপ চৰকাৰক বৰ্খাস্ত কৰি অসমত ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্তন কৰা হয়। একে সময়তে আলফাৰ বিৰুদ্ধে সামৰিক অভিযানো আৰম্ভ হয়। বিগত দুই দশকজোৰা প্ৰতি-বিদ্ৰোহী (counter-insurgency) অভিযানে আলফাক দুৰ্বল কৰিলেও সম্পূৰ্ণ অপ্ৰাসঙ্গিক কৰি পেলাব পৰা নাই। এইখিনিতে উল্লেখ কৰিব পাৰি যে আলফাৰ এসময়ৰ জনপ্ৰিয়তা আৰু এতিয়াও একাংশ লোকৰ আলফাৰ প্ৰতি থকা সহানুভূতি স্বাধীন অসমৰ দাবীৰ প্ৰতি সমৰ্থনৰ সমাৰ্থক নহয়। কিন্তু এইটোও সত্য যে অসম দীৰ্ঘদিন ধৰি কেন্দ্ৰৰ অৱহেলা আৰু বঞ্চনাৰ সন্মুখীন হৈ আহিছে। ৰাষ্ট্ৰীয় স্বাৰ্থৰ নামত এই অঞ্চলটোৰ স্বাৰ্থক আওকাণ কৰি অহা হৈছে। আলফাৰ সৃষ্টিও এনে কিছুমান ঐতিহাসিক ক্ৰিয়াৰ ফল। আলফা হ'ল কেন্দ্ৰৰ অৱহেলা আৰু বঞ্চনাৰ প্ৰতি অসম তথা অসমীয়াৰ ক্ষোভৰ বহিঃপ্ৰকাশ মাত্ৰ। আলফাৰ উত্থানৰ আঁৰত যিবোৰ আৰ্থ-সামাজিক তথা ৰাজনৈতিক কাৰকে ক্ৰিয়া কৰিছিল, সেইবোৰৰ উপযুক্ত সমাধান অবিহনে বিদ্ৰোহী সমস্যাটোৰ নিৰাময় সম্ভৱ নহয়। শেহতীয়াকৈ আলফাৰ গৰিষ্ঠসংখ্যকে আলোচনাৰ বাবে আগবাঢ়ি অহাটো এটা ইতিবাচক দিশ। আলফাৰ উত্থানৰ এটা লক্ষণীয় দিশ হ'ল যে ই স্বৰাজোত্তৰ কালত অসমৰ সমাজ তথা ৰাজনীতিত চলি থকা অসমীয়া শাসক শ্ৰেণীটোৰ নিয়ন্ত্ৰণক প্ৰত্যাহ্বান জনাবলৈ সক্ষম হৈছিল। তদুপৰি অসমত বসবাস কৰা সকলো জনগোষ্ঠীকে বৃহত্তৰ অসমীয়া জাতিৰ অংশ বুলি স্বীকাৰ কৰি ই অসমীয়া প্ৰভুত্ববাদক নাকচ কৰিছিল।



আলফাৰ আৰ্হিত ১৯৯০ৰ দশকৰপৰা কেইবাটাও জনগোষ্ঠীৰ মাজত নৃগোষ্ঠীয় বিদ্ৰোহী সংগঠনৰ সৃষ্টি হয়। এনে বিদ্ৰোহী সংগঠনবোৰে হিংসাত্মক কাৰ্যকলাপেৰে নিজৰ দাবীবোৰৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণৰ চেষ্টা কৰি আহিছে। বড়োসকলৰ মাজত সৃষ্টি হোৱা National Democratic Front of Bodoland (NDFB), Bodo Liberation Tiger (BLT), কাৰ্বি পাহাৰৰ

United People's Democratic Solidarity (UPDS), Karbi Longri National Liberation Front (KLNLF), Karbi People's Liberation Tigers (KPLT), ডিমা হাচাওৰ Dima Halam Daoga (DHD), আদিবাসীসকলৰ স্বাৰ্থ ৰক্ষাৰ বাবে গঠিত Birsa Commando Force (BCF), Adivasi Cobra Militants of Assam (ACMA), Adivasi National Liberation Army (ANLA) আদি এনে কিছুমান বিদ্ৰোহী সংগঠন।

তালিকা ৯

অসমৰ কেইটামান বিদ্ৰোহী সংগঠন

| সংগঠন | গঠন বৰ্ষ | বৰ্তমান স্থিতি |
|---|---|---|
| আলফা | ১৯৭৯ | বিভাজিত ; এটা গোট আলোচনাৰত, আনটো সক্ৰিয় |
| এন ডি এফ বি | ১৯৮৬ | বিভাজিত ; দুটা গোট আলোচনাৰত, এটা সক্ৰিয় |
| বি এল টি | ১৯৯৬ | অধূনালুপ্ত ; বিটিচি চুক্তিৰ সময়ত আত্মসমৰ্পণ |
| ইউ পি ডি এছ | ১৯৯৯ | অধূনালুপ্ত ; ২০১১ চনৰ কাৰ্বি চুক্তিৰ অংশীদাৰ |
| কে এল এন এল এফ | ২০০২ | যুদ্ধ বিৰত ; |
| কে পি এল টি | ২০১০ | সক্ৰিয় ; |
| ডি এইচ ডি | ১৯৯৫ | বিভাজিত ; ২০১২ চনৰ শান্তি চুক্তিৰ অংশীদাৰ |

অসমৰ বিদ্ৰোহী সমস্যাৰ বিশ্লেষণ কৰিলে কেইবাটাও দিশ উদ্ভাসিত হয়। প্ৰথমতঃ, চৰকাৰে সাধাৰণতে বিদ্ৰোহী সমস্যাটোক আইন-শৃঙ্খলাজনিত বুলিহে গণ্য কৰে। গতিকে সমস্যাটোৰ ক্ষেত্ৰত সামৰিক তথা দমনমূলক নীতিকহে প্ৰাধান্য দি আহিছে। অৱশ্যে সময়ে সময়ে বিদ্ৰোহী সংগঠনক আলোচনাৰ মেজলৈ আনিবলৈও চেষ্টা কৰা দেখা যায়। দ্বিতীয়তঃ, বিদ্ৰোহী সংগঠনবোৰে ইয়াৰ বিপ্লৱী চৰিত্ৰ ক্ৰমে হেৰুৱাই পেলাইছে আৰু এইবোৰ লাহে লাহে সন্ত্ৰাসবাদী গোটত পৰিণত হৈছে। নিৰীহ লোকক হত্যা, নিৰ্বিচাৰ বোমা বিস্ফোৰণ, অপহৰণ, বলপূৰ্বক ধন সংগ্ৰহ আদিৰদ্বাৰা এই সংগঠনবোৰে সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছে। তদুপৰি ভাৰতৰ আন অংশৰপৰা প্ৰব্ৰজন কৰা লোকক প্ৰায়বোৰ সংগঠনেই সহজ লক্ষ্য (soft target) হিচাপে লোৱা দেখা যায়। বিশেষকৈ যোৱা এক দশক মানত বিহাৰ, উত্তৰ প্ৰদেশ আদিৰপৰা অহা বহুতো নিৰীহ লোক বিদ্ৰোহীৰ আক্ৰমণৰ বলি হৈছে। তৃতীয়তঃ, উত্তৰ-পূবৰ অন্য অংশৰ লগতে অসমতো বিদ্ৰোহী, ৰাজনীতিবিদ আৰু একাংশ আমোলা-বিষয়াৰ মাজত এক অশুভ বুজাপৰাৰ সৃষ্টি হৈছে। আলফাই ১৯৯৬ চনৰ নিৰ্বাচনত অগপক আৰু ২০০১ চনৰ নিৰ্বাচনত কংগ্ৰেছক পৰোক্ষ সমৰ্থন আগবঢ়োৱাটো সৰ্বজনবিদিত। একেদৰে বড়োভূমি আৰু পাহাৰীয়া জিলা দুখনতো বিদ্ৰোহীসকল ৰাজনীতিৰ গুৰুত্বপূৰ্ণ কাৰক হৈ আহিছে। আকৌ উন্নয়নমূলক কামকাজৰ বাবে আবণ্টিত চৰকাৰী ধন দুৰ্নীতিপৰায়ণ আমোলা-বিষয়া, ৰাজনীতিবিদ আদিৰ জৰিয়তে বিদ্ৰোহীৰ হাতত পৰিছেগৈ। উত্তৰ কাছাৰ জিলাৰ (বৰ্তমানৰ ডিমা হাচাও) এহেজাৰ কোটি টকীয়া কেলেঙ্কাৰিয়ে এই দিশটো অধিক স্পষ্ট কৰি তুলিছে। চতুৰ্থতঃ, কোনো বিদ্ৰোহী সংগঠনৰ সৈতে আলোচনাই সামগ্ৰিকভাৱে সমস্যাটো সমাধানত অৰিহণা যোগাব পৰা নাই। এটা বিদ্ৰোহী সংগঠনৰ আত্মসমৰ্পণৰ পিছত আন বিদ্ৰোহী সংগঠনৰ সৃষ্টি হৈছে। ইয়াৰ প্ৰধান কাৰণ হ'ল মূল বিষয়বোৰ সমাধানৰ প্ৰতি চৰকাৰৰ অনীহা। কেৱল আত্মসমৰ্পণকাৰী বিদ্ৰোহীসকলক কিছু সা-সুবিধা দিয়েই ই দায়িত্ব সাৰিবলৈ চেষ্টা কৰি আহিছে। আলফাকে ধৰি প্ৰায়বোৰ বিদ্ৰোহী সংগঠনৰ ক্ষেত্ৰত এয়া স্পষ্ট। ১৯৯১ চনত অধিকাংশ আলফাই আত্মসমৰ্পণ কৰাৰ পিছতো আলোচনাবিৰোধী অংশটোহে প্ৰাসঙ্গিক হৈ থাকে। বৰ্তমানে একাংশ আলফা আলোচনাৰ বাবে আগবাঢ়ি অহাৰ বিপৰীতে পৰেশ বৰুৱা নেতৃত্বাধীন এটা গোট বাহিৰত ৰৈ গৈছে।



বড়োসকলৰ ক্ষেত্ৰতো বি এল টিৰ আত্মসমৰ্পণে বিদ্ৰোহৰ অন্ত পেলোৱা নাই। এন ডি এফ বিৰ দুটা গোট আলোচনাৰত অৱস্থাত থকাৰ বিপৰীতে আন এটা গোটে বিদ্ৰোহী কাৰ্যকলাপ অব্যাহত ৰাখিছে। কাৰ্বিভূমিত ইউ পি ডি এছে চৰকাৰৰ সৈতে আলোচনা আৰম্ভ কৰাৰ সময়ত ইয়াৰ বিৰোধিতা কৰি কে এল এন এল এফ গঠিত হয়। পিছত ২০১০ চনত এই সংগঠনটোৱেও শান্তিপূৰ্ণ সমাধানৰ স্বাৰ্থত অস্ত্ৰ সম্বৰণ কৰে। কিন্তু এতিয়া কাৰ্বি পাহাৰত আন এটা সংগঠন কে পি এ টি সক্ৰিয় হৈ পৰিছে। উত্তৰ কাছাৰতো Dimasa National Security Force (DNSF)এ আত্মসমৰ্পণ কৰাৰ সময়ত একাংশই Dima Halam Daoga (DHD) গঠন কৰে। ২০০৫ চনত এই সংগঠনটোও বিভাজিত হয় আৰু এটা গোটে আলোচনাৰ মেজলৈ অহাৰ বিপৰীতে আনটো গোটে ব্লেক উইডো নামেৰে বিদ্ৰোহী কামকাজ চলাই যায়। ২০১০ চনত এই সংগঠনটোৱেও আত্মসমৰ্পণ কৰি কেন্দ্ৰীয় চৰকাৰৰ সৈতে আলোচনা আৰম্ভ কৰে। কিন্তু ইতিমধ্যেই Hill Tigers Force (HTF) নামৰ আন এটি বিদ্ৰোহী সংগঠনে ডিমা হাচাওত আত্মপ্ৰকাশ কৰিছে।

এনেদৰে দেখা যায় যে অসমৰ প্ৰেক্ষাপটত সশস্ত্ৰ বিদ্ৰোহ আৰু উগ্ৰপন্থী কাৰ্যকলাপ এক অন্তহীন প্ৰক্ৰিয়াত পৰিণত হৈছে। এফালে বিদ্ৰোহী কাৰ্যকলাপে অঞ্চলটো অশান্ত কৰি তুলিছে, আনফালে বহুতৰ বাবে বিদ্ৰোহ আৰু অশান্ত পৰিৱেশ নিজৰ ক্ষুদ্ৰ স্বাৰ্থ পূৰণৰ আহিলাৰূপে পৰিগণিত হৈছে।

### দহ

স্বাধীনোত্তৰ অসমৰ ৰাজনৈতিক বিকাশৰ বিষয় তথা ধাৰাৰ বিষয়ে আলোচনা কৰিলে দেখা যায় যে অনুপ্ৰৱেশ ৰাজ্যখনৰ ৰাজনীতিৰ এটা গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। অনুপ্ৰৱেশে অসমৰ জনগাঁথনিৰ ব্যাপক পৰিৱৰ্তন সাধন

কৰাৰ লগতে ৰাজনৈতিক সমীকৰণো সলনি কৰি পেলাইছে। আনকি অনাগত সময়ত অসমৰ ৰাজনৈতিক ক্ষমতাও খিলঞ্জীয়া লোকৰ হাতৰপৰা আঁতৰি যোৱাৰ সম্ভাৱনাই দেখা দিছে। ইয়াৰ লগে লগে ধৰ্মীয় মেৰু-বিভাজনে জটিল ৰূপ লৈছে। অসমত এফালে সংখ্যালঘু ৰাজনীতি অতি শক্তিশালী হৈ পৰিছে আৰু আনফালে হিন্দুত্ববাদী, ৰাষ্ট্ৰীয়তাবাদী শক্তিবোৰৰ প্ৰভাৱো যথেষ্ট বৃদ্ধি পাইছে। ইয়ে অসমৰ ৰাজনীতিত ব্যাপক পৰিৱৰ্তন অনাৰ সম্ভাৱনাই দেখা দিছে। জনগোষ্ঠীয় উত্থানেও অসমৰ ৰাজনৈতিক পৰম্পৰালৈ পৰিৱৰ্তন আনিছে আৰু অনাগত দিনবোৰত ই অসমৰ ৰাজনীতিক যে প্ৰভাৱিত কৰিব সেয়া ধ্ৰুৱপ। বিদ্ৰোহী কাৰ্যকলাপ অসম তথা সমগ্ৰ উত্তৰ-পূবৰ ৰাজনীতিৰ এক অংশত পৰিণত হৈছে। শান্তি-প্ৰক্ৰিয়া তথা আলোচনাৰ ফলাফলে বিদ্ৰোহী কাৰ্যকলাপ তথা ৰাজনৈতিক প্ৰভাৱৰ দিশ নিৰূপণ কৰিব। ভূমি, সম্পদৰ ওপৰত নিয়ন্ত্ৰণ আদি মৌলিক বিষয়বোৰৰ সমাধান অবিহনে বিদ্ৰোহী সমস্যা বেলেগ বেলেগ ৰূপত অব্যাহত থাকিব। অসমৰ ৰাজনৈতিক ক্ষেত্ৰখনত ক্ৰমে হ্ৰাস পোৱা বৰ্ণহিন্দু অভিজাত শ্ৰেণীৰ গুৰুত্ব পুনৰুদ্ধাৰৰ বাবে সংশ্লিষ্ট পক্ষৰ প্ৰচেষ্টা অব্যাহত আছে। ইও ভৱিষ্যতৰ ৰাজনীতিক প্ৰভাৱিত কৰাৰ সম্ভাৱনা নোহোৱা নহয়।

**তথ্য সূত্ৰ**


১ গীতা ভৰালী আৰু বাল্টাৰ ফাৰ্ণাণ্ডেজ। *উন্নয়ন বনাম স্থানান্তৰণ*। গুৱাহাটী: নৰ্থ ইষ্ট ছ'চিয়েল ৰিছাৰ্চ চেণ্টাৰ, ২০০৭, পৃষ্ঠা ২৫।
২ তদেৱ, পৃষ্ঠা ২৭।
৩ হৰেকৃষ্ণ ডেকা। *প্ৰব্ৰজন আৰু অনুপ্ৰবেশ*। গুৱাহাটী: আঁক-বাক, ২০১০, পৃষ্ঠা ৬০-১।
৪ Jogendra Kumar Das. "Assam: The Post-Colonial Political Development". *Indian Journal of Political Science*. Vol. LXVI No. 4. Oct-Dec., 2005. Meerut, p. 874
৫ Sanjib Baruah. *India Against Itself*. New Delhi: *Oxford University Press*, 1999, p. iv
৬ Tilottam Mishra. "Assam: A Colonial Hinterland". *Economic and Political Weekly*. Vol. XV No. 32. Bombay, Aug 9, 1980, pp. 1357-64
৭ A. C. Bhuyan. et al (eds.) *Political History of Assam*, Vol. 3. Guwahati: Publication Board, Assam, 1999, p. 356
৮ Amalendu Guha. *Planter Raj to Swaraj: Freedom Struggle and Electoral Politics 1826-1947*. New Delhi: People's Publishing House, 1977, p. 167
৯ তদেৱ, পৃষ্ঠা ৩২০।
১০ Monirul Hussain, *The Assam Movement : Class, Ideology and Identity*, New Delhi: Manak Publication, 1993, pp. 238-9
১১ Jogendra Kumar Das, প্ৰাগুক্ত, p. 876
১২ হৰেকৃষ্ণ ডেকা। প্ৰাগুক্ত, পৃষ্ঠা ১২।
১৩ Girin Phukan. *Politics of Regionalism in North-east India*. Guwahati: Spectrum, 1996, p. 47
১৪ Amalendu Guha, প্ৰাগুক্ত, p. 39





১৫ H. K. Barpujari. *North-East India : Problems. Policies and Prospects*. Guwahati. Spectrum, 1997. p. 33 আৰু P. K. Dhar. *Economy of Assam*. New Delhi: Kalyani Publishers, 2005, p. 41
১৬ মনোজ কুমাৰ নাথ। *অসমৰ ৰাজনীতিত মুছলমান : বিশ্বাস, বাস্তৱ আৰু সংঘাত*। নগাঁও, ক্ৰান্তিকাল প্ৰকাশন, ২০১১, পৃষ্ঠা ৭২-৩।
১৭ তদেৱ, পৃষ্ঠা ৭৭।
১৮ উদ্দীপন দত্ত। "অসমীয়াৰ অস্তিত্বৰ প্ৰশ্ন আৰু অসমত ভাষাৰ ৰাজনীতি"। *ঈশান*, প্ৰথম খণ্ড। গুৱাহাটী: মণ্টাজ মিডিয়া কালেক্টিভছ, ২০০৯, পৃষ্ঠা ৩৯।
১৯ মনোজ কুমাৰ নাথ। প্ৰাগুক্ত পৃষ্ঠা ১৪২।
২০ তদেৱ, পৃষ্ঠা ১৪৬।
২১ তদেৱ, পৃষ্ঠা ১৪৯।
২২ হীৰেন গঁগৈ। "অসমৰ জনজাতীয় ইতিহাস আৰু বৰ্তমানৰ প্ৰেক্ষাপট"। *ঈশান*, প্ৰথম খণ্ড। গুৱাহাটী: মণ্টাজ মিডিয়া কালেক্টিভছ, ২০০৯, পৃষ্ঠা ৫৫।
২৩ তদেৱ, পৃষ্ঠা ৫৫-৬।
২৪ Manoj Kumar Nath. "Plain Tribes of Assam and Provision of the Sixth Schedule" in Ranjit Barua. ed. *Understanding Conflict Situation in North-East for National Integration*. Nagaon: Nowgong Girls' College, 2011, p. 126
২৫ হীৰেন গঁগৈ, প্ৰাগুক্ত, পৃষ্ঠা ৫৯।
২৬ তদেৱ, পৃষ্ঠা ৬০।
২৭ মনোজ কুমাৰ নাথ, প্ৰাগুক্ত, পৃষ্ঠা ১২৫।

# অসমত পৰিবহণ ব্যৱস্থা

## কুলেনচন্দ্র দাস

কোনো এখন দেশৰ পৰিবহণ ব্যৱস্থা হৈছে সেইখন দেশৰ অৰ্থনৈতিক উন্নয়নৰ অতিকৈ প্ৰয়োজনীয় আহিলা। কোনো এটা অঞ্চলৰ দ্ৰুত অৰ্থনৈতিক উন্নয়নৰ বাবে প্ৰয়োজনীয় আন্তঃ-গাঁথনিমূলক ব্যৱস্থাৰ সৃষ্টি আৰু সামাজিক প্ৰয়োজন পূৰণৰ বাবে এটা উন্নত পৰিবহণ ব্যৱস্থাৰ প্ৰয়োজন অনস্বীকাৰ্য। অসমে প্ৰায় সকলোবোৰ ভোগ্য সামগ্ৰীয়েই অইন ৰাজ্যৰপৰা আমদানি কৰে আৰু চাহপাত, মৰাপাট, বাঁহ আৰু বাঁহৰে তৈয়াৰ হোৱা সামগ্ৰী, কিছু খনিজাত সামগ্ৰী, তেল ইত্যাদি ৰপ্তানি কৰে বাবেই পৰিবহণ আৰু যোগাযোগৰ উন্নয়নৰ গুৰুত্ব অসমৰ অৰ্থনীতিত অপৰিসীম। তদুপৰি উত্তৰ-পূবৰ বাকী ৰাজ্যকেইখনৰ বয়বস্তু আৰু যাত্ৰী সৰবৰাহও অসমৰ মাজেদিয়েই হোৱা হেতুকে পৰিবহণ আৰু যোগাযোগৰ গুৰুত্ব অসমৰ অৰ্থনীতিত অতিকৈ বেছি। পৰিবহণ ব্যৱস্থাৰ এই অপৰিসীম গুৰুত্ব অনুধাৱন কৰিয়েই অসমে ইয়াৰ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ জৰিয়তে পৰিবহণ ব্যৱস্থাৰ উন্নয়নৰ বাবে অহোপুৰুষাৰ্থ কৰি আহিছে যদিও এতিয়াও বহুখিনি কৰণীয় আছে। পঞ্চবাৰ্ষিক পৰিকল্পনাত পৰিবহণ আৰু যোগাযোগ শিতানৰ উন্নয়নৰ বাবে অসমে কিমান মূলধন বিনিয়োগ কৰিছে তাক এখন তালিকাৰ (তালিকা ১) সহায়ত দেখুওৱা হ'ল।

তালিকা ১

অসমৰ পৰিবহণ আৰু যোগাযোগ ব্যৱস্থাত পৰিকল্পনা ব্যয়

| পৰিকল্পনা | পৰিকল্পনাৰ ধাৰ্য ব্যয় | প্ৰকৃত ব্যয় | শতাংশ (%) |
|---|---|---|---|
| প্ৰথম | ৩.২৭ | ৩.৪৯ | ১৭.০২ |
| দ্বিতীয় | ৭.৬৯ | ৬.৫৫ | ১২.২ |
| তৃতীয় | ১০.৬৫ | ৭.৮৫ | ৫.৯ |
| বাৰ্ষিক পৰিকল্পনা (৬৬-৬৯) | ৫.২ | ৪.০৫ | ৪.৭ |
| চতুৰ্থ | ২৮.৭২ | ২৫.৯৮ | ১৩.১০ |
| পঞ্চম | ৫৫.৬০ | | ১০.০৯ |
| ষষ্ঠ | ১০১.০০ | ১০৫.৭৭ | ৮.২৪ |
| সপ্তম | ১৬২.২০ | তথ্যাভাৱ | ৭.৯ |
| অষ্টম | ২৯৮.৮৪ | তথ্যাভাৱ | ৬.৩১ |
| নৱম | ৮৪৪.৩৬ | তথ্যাভাৱ | ১০.২৪ |
| দশম | ৫৪০.৪৮ | তথ্যাভাৱ | ৬.৫০ |



তালিকাখনৰপৰা দেখা যায় যে পৰিবহণ আৰু যোগাযোগ খণ্ডৰ উন্নয়নৰ বাবে অসমে প্ৰতিটো পৰিকল্পনাতেই ইয়াৰ পূৰ্ববৰ্তী পৰিকল্পনাতকৈ অধিক ধন ধাৰ্য কৰি আহিছে। অৱশ্যে পৰিকল্পনাত মুঠ ধাৰ্য কৰা ধনৰ শতাংশ হিচাপত এই পৰিসংখ্যা বৰ আশাব্যঞ্জক নহয়। প্ৰথম পৰিকল্পনাৰ ১৭.০২ শতাংশৰপৰা ই কমি আহি তৃতীয় পৰিকল্পনাত ৫.৯ শতাংশ মাত্ৰ হয়গৈ। বিভিন্ন পৰিকল্পনাত ই হ্ৰাস-বৃদ্ধি হৈ থাকি দশম পৰিকল্পনাত ৬.৫ শতাংশ মাত্ৰ হৈছেগৈ।

গতিকে দেখা যায় এইটো খণ্ডৰ উন্নয়নত পৰিবহণ ব্যৱস্থা বেছি দূৰ আগুৱাব পৰা নাই। পৰিবহণ ব্যৱস্থাৰ অনুন্নয়ন অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতাৰ এটা ঘাই কাৰণ হিচাপে ইতিমধ্যেই পৰিগণিত হৈছে। অৱশ্যে পঞ্চবাৰ্ষিক পৰিকল্পনাৰ উপৰি শেহতীয়াভাৱে উত্তৰ-পূব পৰিষদেও ইয়াৰ নিজা পুঁজিৰপৰা এই খণ্ডৰ উন্নয়নৰ বাবে সময়ে সময়ে বিনিয়োগ কৰি আহিছে। অতি শেহতীয়াভাৱে নাবাৰ্ড, বিশ্ব বেংক প্ৰভৃতিয়েও পৰিবহণ ব্যৱস্থাৰ উন্নয়নৰ বাবে বিভিন্ন পৰিসৰত বিত্তীয় সাহায্য প্ৰদান কৰিছে। গতিকে কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ যৌথ সহযোগত অদূৰ ভৱিষ্যতে এই খণ্ডৰ পৰ্যাপ্ত উন্নয়ন হ'ব বুলি আশা কৰিব পৰা যায়।

পৰিবহণ ব্যৱস্থাৰ অনুন্নয়নৰ বাবে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল দেশৰ অন্যান্য ৰাজ্যৰপৰা প্ৰায় পৃথক হৈ থাকিবলগীয়া হৈছে। পথ আৰু ৰেল পৰিবহণৰ অভাৱে শ্ৰমিক আৰু অন্যান্য দ্ৰব্য সামগ্ৰীৰ চলাচল সীমিত কৰি উন্নয়ন প্ৰক্ৰিয়া বাধাগ্ৰস্ত কৰি তুলিছে। আকাশী পৰিবহণৰ উন্নয়ন অঞ্চলটোত তেনেই সীমিত। ঊনৈছ শতিকাৰ শেষভাগলৈকে একমাত্ৰ জল-পৰিবহণৰ ওপৰতেই নিৰ্ভৰশীল আছিল এই অঞ্চলৰ বেপাৰ-বাণিজ্য আৰু যাত্ৰী তথা বয়বস্তু সৰবৰাহ। সেই দিশৰপৰা আভ্যন্তৰীণ জল-পৰিবহণ যদিও এই অঞ্চলটোৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ হৈ উঠিব পাৰিলেহেঁতেন, তথাপি বিগত কেইবা দশক জুৰি এই জল-পৰিবহণৰ উন্নয়ন সীমিত হৈ পৰাহে পৰিলক্ষিত হৈছে। বাংলাদেশৰ লগত ৰাজনৈতিক আৰু অৰ্থনৈতিক সম্পৰ্কৰ জটিলতাই এই খণ্ডৰ উন্নয়ন প্ৰক্ৰিয়া একেবাৰে স্থবিৰ কৰি পেলাইছে।

অসমত ওপৰত উল্লেখ কৰা এই ৰেল, জল আৰু আকাশী পৰিবহণ ব্যৱস্থাৰ উন্নয়নৰ এটি পৰিক্ৰমা আৰু বৰ্তমানৰ একবিংশ শতাব্দীত ই কি অৱস্থাত উপনীত হৈছে তাৰ এটি চমু আভাস এই লেখাটোৰ জৰিয়তে দিব খোজা হৈছে।

প্ৰথমেই ৰেল-পৰিবহণৰ উন্নয়ন আৰু বৰ্তমানত ইয়াৰ স্থিতি কি সেই বিষয়ৰ আলোচনালৈ অহা যাওক।

## ৰেল-পৰিবহণ

১৮৫০ চনৰ ভিতৰত চাহ-উদ্যোগৰ উন্নয়ন আৰু বৃদ্ধিয়ে অসমত ৰে'লপথ খোলাৰ বাবে চৰকাৰক ভবাই তুলিছিল। চাহ-উদ্যোগৰ বাবে প্ৰয়োজনীয় যন্ত্ৰ-পাতি আৰু অন্যান্য কেঁচা সামগ্ৰী, কয়লা, শ্ৰমিকৰ বাবে খাদ্য ইত্যাদি সৰবৰাহৰ প্ৰয়োজন হৈছিল। তদুপৰি উৎপাদিত চাহপাত কলিকতাত অৱস্থিত চাহ নিলাম কেন্দ্ৰলৈ পঠিওৱাৰ আৱশ্যকতাও আছিল। সেই সময়ত সৰহখিনি চাহবাগিচাই ডিব্ৰুগড় আৰু যোৰহাটত আৰু ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত অৱস্থিত আছিল। গতিকে ডিব্ৰুগড় আৰু ককিলামুখত অৱস্থিত জাহাজঘাটসমূহে সামগ্ৰী সৰবৰাহৰ সমস্যা বহুলাংশে দূৰ কৰিছিল। কিন্তু চাহ-উদ্যোগৰ সম্প্ৰসাৰণৰ ফলত নতুন নতুন চাহবাগান ব্ৰহ্মপুত্ৰৰপৰা বহু দূৰৈত স্থাপিত হ'বলৈ ধৰিলে আৰু ইয়ে সামগ্ৰী সৰবৰাহৰ সমস্যাটো অধিক জটিল কৰি তুলিলে। সেইবাবেই চাহ-উদ্যোগৰ উন্নয়নৰ স্বাৰ্থতেই ৰে'লপথৰ স্থাপন আৰু সম্প্ৰসাৰণ অতিকৈ জৰুৰী হৈ পৰিছিল।

১৮৮১ চনত অসম ৰেলৱে আৰু ট্ৰেডিং কোম্পানি গঠন হোৱাৰ লগে লগে অসমত ৰেল পৰিবহণ ব্যৱস্থা আৰম্ভ হৈছিল। চাহপাত আৰু কয়লা সৰবৰাহ কৰিবলৈ এই কোম্পানিয়ে ডিব্ৰুগড়ৰপৰা মাৰ্ঘেৰিটালৈ ৬৫ কি মি গজ-লাইন সাজি উলিয়াইছিল। পিছৰ পৰ্যায়ত এই কোম্পানিয়ে ডিব্ৰু-শদিয়া ৰে'লৱে নামেৰে প্ৰথমখন যাত্ৰী-সৰবৰাহকাৰী ট্ৰেইনৰ চলাচল আৰম্ভ কৰিছিল। অৰ্থনীতিবিদ পি চি গোস্বামীয়ে এই বিষয়ে লিখিছে: "১৮৮২ চনত ডিব্ৰুগড় ষ্টিমাৰ ঘাটৰপৰা জয়পুৰ ৰোডলৈ প্ৰথম ৰে'লপথ মুকলি কৰা হৈছিল। ১৮৮৪ চনত মাৰ্ঘেৰিটাৰ কয়লা-খনিবোৰ এই পথৰদ্বাৰা সংযোগ কৰা হৈছিল। এই সময়ত ডিব্ৰু-শদিয়া ৰোডৰ দুয়ো কাষে থকা চাহবাগানবোৰৰ প্ৰয়োজন পূৰাবলৈ এই পথৰ দৈৰ্ঘ্য ৯১ মাইললৈ বৃদ্ধি কৰা হৈছিল। চাহবাগানৰ উৎপাদিত চাহপাতৰ উপৰি মাকুমৰ তেল আৰু কয়লা ব্ৰহ্মপুত্ৰলৈ সৰবৰাহ কৰাৰ ক্ষেত্ৰত এই পথছোৱাই প্ৰচুৰ পৰিমাণে সহায় কৰিছিল। চৰকাৰী গেৰাণ্টিত এটা ব্যক্তিগত খণ্ডৰ কোম্পানিয়ে এই ৰে'লপথ সাজি উলিয়াইছিল। ১৮৮৫ চনত যোৰহাট আৰু থেৰাইঘাটৰ সৈতে কোম্পানিগঞ্জ-সংযোগী দুটা নতুন ৰে'লপথ মুকলি কৰা হৈছিল। মৰিয়নি আৰু তিতাবৰৰপৰা ব্ৰহ্মপুত্ৰৰ ককিলামুখ-সংযোগী ৩০ মাইল দৈৰ্ঘ্যৰ এই পথছোৱাই ঘাইকৈ চাহবাগানবোৰৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ কাৰ্য সম্পাদন কৰিছিল। দ্বিতীয় ৰে'লপথছোৱা ১৮৯৭ চনৰ বৰভূঁইকঁপত ক্ষতিগ্ৰস্ত হোৱাৰ পৰিপ্ৰেক্ষিতত বন্ধ হৈ পৰে। এই সময়তেই ব্যক্তিগত খণ্ডৰ ৰে'ল কোম্পানি এটাই তেজপুৰৰপৰা বালিপাৰালৈ ২০ মাইল দীৰ্ঘ পথত তেওঁলোকৰ সেৱা আগবঢ়াইছিল।

১৮৯২ চনত অসম-বেংগল ৰে'লৱে খোলাৰ লগে লগে দেশৰ অইন অঞ্চলৰ লগত অসমৰ যোগসূত্ৰ স্থাপিত হয়। অৱশ্যে এই ৰে'লৱেৰ মূল উদ্দেশ্য আছিল ব্ৰিটিছৰ মালিকীস্বত্বত থকা চাহবাগানবোৰৰ উন্নয়ন আৰু চাহপাতৰ সৰবৰাহ।



১৮৯৬-৯৮ চনৰ ভিতৰত অসম-বেংগল ৰে'লৱেই বদৰপুৰলৈ আৰু ১৯০৩ চনত লামডিঙলৈ ইয়াৰ যোগাযোগ সম্প্ৰসাৰিত কৰে। ১৯০০ চনত অসম-বেংগল ৰে'লৱেই গুৱাহাটী চহৰলৈ ইয়াৰ শাখা সম্প্ৰসাৰিত কৰে। ১৯০২ চনত তিনিচুকীয়াকো এই ৰে'লৱেৰ অধীনত সামৰি লোৱা হয়। উল্লেখযোগ্য যে এই সময়ছোৱাতেই — অৰ্থাৎ ১৯০২ চনত — ইষ্টাৰ্ন-বেংগল ৰে'লৱেই ধুবুৰী আৰু কলিকতাৰ মাজত সংযোগ স্থাপন কৰে।

এইখিনিতে উল্লেখ কৰি থোৱা ভাল হ'ব যে পিছৰ পৰ্যায়ত অৰ্থাৎ ১৯৪২ চনৰ ১ জানুৱাৰিত অসম-বেংগল আৰু ইষ্টাৰ্ন বেংগল ৰে'লৱে দুয়োটাকে একেলগ কৰি বেংগল ৰে'লৱে নামেৰে নামকৰণ কৰা হয় আৰু ইয়াৰ মালিকীস্বত্ব ভাৰত চৰকাৰৰ হাতলৈ গতাই হয়। দেশে স্বাধীনতা লাভ কৰাৰ সময়ত উত্তৰবঙ্গ আৰু অসমৰ অধীনত থকা ৰে'লপথছোৱাক অসম ৰে'লৱে নামেৰে নামকৰণ কৰা হয়। ১৯৫২ চনত এই অসম ৰে'লৱে আৰু ওধ (অৱধ) আৰু ত্ৰিহুত ৰে'লৱে একত্ৰীকৰণৰ যোগেদি নৰ্থ ইষ্টাৰ্ন ৰে'লৱে গঠন কৰা হয়। ১৯৫৮ চনৰ ১৫ জানুৱাৰি তাৰিখে ইয়াক নৰ্থ-ইষ্ট ফ্ৰণ্টিয়াৰ ৰে'লৱেলৈ উন্নীত কৰা হয়। মালিগাঁৱত মুখ্য কাৰ্যালয় থকা এই ৰে'লৱেই উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে বিশেষভাৱে কাৰ্য সম্পাদন কৰিব বুলি আশা কৰা হৈছিল।

অসম-বেংগল ৰে'লৱেই চট্টগ্ৰাম বন্দৰৰ লগত অসমৰ বিভিন্ন ঠাইক ৰে'লপথেৰে যুক্ত কৰাৰ উদ্দেশ্যেৰে কাম কৰিছিল। ত্ৰিপুৰা, চিলেট (শ্ৰীহট্ট), কাছাৰ, নৰ্থ কাছাৰ জিলাৰ মাজেদি লামডিং হৈ এই ৰে'লপথে ডিব্ৰু-শদিয়া ৰে'লপথক যুক্ত কৰিছিল। এই ৰে'লপথৰ পাহাৰীয়া পথছোৱাৰ দৈৰ্ঘ্য আছিল ১১৩ মাইল। ১১৩ মাইল দৈৰ্ঘ্যৰ এই পথছোৱাত ২৪টা সুৰঙ্গ আৰু ৭৪খন ডাঙৰ দলং সাজিবলগীয়া হৈছিল। পথছোৱাৰ নিৰ্মাণত যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছিল। অভিযান্ত্ৰিক অসুবিধাৰ উপৰি স্থানীয় শ্ৰমিক আৰু খাদ্যৰ অভাৱে প্ৰধান অসুবিধা হিচাপে দেখা দিছিল। ৰে'লপথ নিৰ্মাণৰ সামগ্ৰীৰ উপৰি ২৫,০০০তকৈও অধিক শ্ৰমিকৰ বাবে খাদ্য আৰু অন্যান্য নিত্য ব্যৱহাৰ্য সামগ্ৰীবোৰ হাতী, ঘোঁৰা, বলদ ইত্যাদিৰে সৰবৰাহ কৰিবলগীয়া হৈছিল।

বিংশ শতাব্দীৰ প্ৰাৰম্ভিক বৰ্ষত ৰে'লপথৰ উন্নয়ন আছিল চমকপ্ৰদ। শ্ৰীহট্ট জিলাকে ধৰি অসমত ৰে'লপথৰ মুঠ দৈৰ্ঘ্য ১৮৯১ চনত আছিল ১১৪ মাইল। কিন্তু ই বৃদ্ধি হৈ ১৯০৩ চনত ৭১৫ মাইল হৈছিলগৈ। ১৯২১-২২ চনত ই ৯৮৯.৬৪ মাইললৈ বৃদ্ধি হৈছিল। নতুন নতুন ৰে'লপথ নিৰ্মাণৰ কামও ক্ষিপ্ৰতাৰে চলিয়েই আছিল। কটখালৰপৰা হাইলাকান্দি হৈ লালাঘাট, বাদুলিপাৰ হৈ ফৰকাটিং জংচনৰ সৈতে যোৰহাট-সংযোগী পথ, খোৱাঙৰ সৈতে শিৱসাগৰ হৈ শিমলুগুৰি জংচন সংযোগী-পথ ইত্যাদি আছিল এইটো দশকত নিৰ্মিত হোৱা কিছু উল্লেখযোগ্য পথ। এতদুপৰি কৰিমগঞ্জৰপৰা লঙ্কাই উপত্যকালৈ, শেনছোৱা জংচনৰপৰা মৈৰাবাৰীলৈ আৰু টংলাৰপৰা ৰঙ্গাপাৰালৈ ৰে'লপথসমূহৰ নিৰ্মাণৰ কামো এই

দশকতেই সম্পন্ন হৈছিল।

ৰে'লপথৰ এই উন্নয়নে অসমৰ আন্তঃগাঁথনিৰ প্ৰভূত উন্নয়নৰ জৰিয়তে অৰ্থনৈতিক উন্নয়ন নিশ্চিত কৰিছিল। চাহ, কাঠ, কয়লা আৰু অন্যান্য উদ্যোগৰ লগতে ডাক-যোগাযোগৰো প্ৰভূত উন্নয়ন সাধিত হৈছিল। দ্ৰব্য-সামগ্ৰীৰ লগতে অসমৰ মানুহৰ অইন ৰাজ্যৰ মানুহৰ লগত সঘন আহ-যাহ সহজ হৈ পৰিছিল। অইন ঠাইৰপৰা বিনিয়োগকাৰী অহাৰ ক্ষেত্ৰতো ৰে'ল পৰিবহণে যথেষ্ট সুচলতাৰ সৃষ্টি কৰিছিল। অৱশ্যে ইয়াৰ লগতে প্ৰব্ৰজনৰ সমস্যায়ো লাহে-লহে গা কৰি উঠিছিল।

ব্ৰিটিছৰ শাসনকালতেই ঠন ধৰি উঠা ৰেল-উদ্যোগে স্বাধীনতাৰ পিছত এক নতুন মাত্ৰা লাভ কৰিছিল। ইতিমধ্যে উল্লেখ কৰা এন এফ ৰে'লৱেই অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰে'লপথ উন্নয়নৰ ক্ষেত্ৰত এক ইতিবাচক পদক্ষেপ ল'বলৈ আৰম্ভ কৰিছিল। উল্লেখ্য যে পৰিচালনাৰ বাবে এন এফ ৰে'লৱেক পাঁচটা মণ্ডলত ভাগ কৰা হৈছিল। সেইকেইটা হৈছে: আলিপুৰদুৱাৰ, কাটিহাৰ, লামডিং, ৰঙিয়া আৰু তিনিচুকীয়া মণ্ডল। এন এফ ৰে'লৱে গঠিত হোৱাৰ বৰ্ষতেই অসমৰ একমাত্ৰ (তেতিয়ালৈকে) ৰেল আৰু পথ-পৰিবহণ দুয়োটাৰে সুবিধা থকা ১০,৬৫,১৬,৮৯১ টকা ব্যয় কৰি শৰাইঘাট দলং নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছিল। ক্ষিপ্ৰতাৰে কাম সমাপ্ত হোৱা এই দলংখন মালবাহী ট্ৰেইনৰ বাবে ১৯২৬ চনৰ অক্টোবৰ মাহত মুকলি কৰি দিয়া হয়। তেতিয়াৰ প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহেৰুৱে পিছৰ বছৰৰ জুন মাহৰ ৭ তাৰিখে দলংখন যাত্ৰী-পৰিবহণৰ বাবে মুকলি কৰি দিয়ে। এই দলংখন ৰাইজৰ বাবে মুকলি কৰি উত্তৰ-পূৰ্বাঞ্চল তথা অসমৰ অৰ্থনৈতিক উন্নয়ন ত্বৰান্বিত কৰাত ৰেল-পৰিবহণে পৰৱৰ্তী পৰ্যায়ত প্ৰভূত বৰঙণি আগবঢ়াইছে।

স্বাধীনতাৰ পৰৱৰ্তী পৰ্যায়ত দেশৰ ৰেল-পৰিবহণ ব্যৱস্থাৰ প্ৰভূত উন্নয়ন সাধন হৈছে। কিন্তু এই উন্নয়ন অসম তথা উত্তৰ-পূৰ্বাঞ্চলত সন্তোষজনক নহয়। বিভিন্ন সময়ত উন্নয়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে মাহী-আইৰ দৃষ্টি গ্ৰহণ কৰি অহা বুলি মানুহে কৰি থকা অভিযোগ ৰেল-পৰিবহণ ব্যৱস্থাৰ ক্ষেত্ৰতো প্ৰযোজ্য। উদাহৰণস্বৰূপে ১৯৮২ চনত ভাৰতবৰ্ষৰ মুঠ ৰে'লপথৰ দৈৰ্ঘ্য ৬১,২৩০ কিলোমিটাৰৰ বিপৰীতে অসমত ইয়াৰ মুঠ দৈৰ্ঘ্য আছিল ২,১৭,৮৫৫ কিলোমিটাৰ। এই দৈৰ্ঘ্য ভাৰতবৰ্ষৰ মুঠ ৰে'লপথৰ দৈৰ্ঘ্যৰ ৪ শতাংশহে আছিল। ব্ৰডগজ লাইনৰ পৰিসংখ্যা আৰু বেছি দুখলগা আছিল। ই আছিল মাত্ৰ ০.৩ শতাংশ। ২০০১-০২ বৰ্ষত ভাৰতবৰ্ষৰ ৰে'লপথৰ দৈৰ্ঘ্য ৬৩,১৪০ কিলোমিটাৰলৈ বৃদ্ধি পায় যদিও অসমৰ ক্ষেত্ৰত ৪ শতাংশহে অপৰিৱৰ্তিত হৈ ৰয়। ২০০৫ আৰু ২০১১ চনত ভাৰতবৰ্ষৰ ৰে'লপথৰ মুঠ দৈৰ্ঘ্য যথাক্ৰমে ৬,৬৩,৩০০ কিলোমিটাৰ (অসমৰ ৪ শতাংশ) আৰু ৬৪২১৫ কিলোমিটাৰলৈ বৃদ্ধি হয়। কিন্তু লক্ষণীয় কথাটো হ'ল যে ২০১১ চনত অসমৰ ক্ষেত্ৰত ৩.৮ শতাংশলৈ হ্ৰাসহে হৈছে।



স্বাধীনতাৰ পৰৱৰ্তী কালত অসমত ৰে'লপথৰ বিস্তৃতি আৰু পৰিসৰ কেনেকুৱা হৈছে তাক তলৰ তালিকাখনৰপৰা স্পষ্টকৈ অনুধাৱন কৰিব পৰা যায়।

তালিকা ২

অসমৰ ৰে'ল পৰিবহণৰ তথ্য

| চন | মুঠ দৈৰ্ঘ্য (কিলোমিটাৰ) | ব্ৰডগজ (কিলোমিটাৰ) | মিটাৰ গজ (কিলোমিটাৰ) |
|---|---|---|---|
| ১৯৬৫-৬৬ | ১৯১২.২৭ | - | ১৯১২.২৭ |
| ১৯৭০-৭১ | ২১৯৩.৬৫ | ১০৫.২২ | ২০৮৮.৪৩ |
| ১৯৭৪-৭৫ | ২১৯৩.৬৫ | ১০৫.২২ | ২০৮৮.৪৩ |
| ১৯৮২-৮৩ | ২১৯৩.৬৫ | ১০৫.২২ | ২০৮৮.৪৩ |
| ১৯৮৩-৮৪ | ২৩৩৭.৫১ | ২৬২.০৯ | ২০৭৫.৪২ |
| ১৯৮৭-৮৮ | ২৩৩৭.৫১ | ২৬২.০৯ | ২০৭৫.৪২ |
| ১৯৯৫-৯৬ | ২৪৪০.৯০ | ৫৩৭.৫৯ | ১৯০৩.৩১ |
| ১৯৯৭-৯৮ | ২৩৭৩.৫২ | ৯০২.৩৯ | ১৪৭০.৫৮ |
| ২০০৩-০৪ | ২৫১৭.২৩ | ১২২৭.৭০ | ১২৮৯.৫৩ |
| ২০০৬-০৭ | ২২৮৩.৭১ | ১২২৬.৫৯ | ১০৫৭.১২ |
| ২০০৯-১০ | ২৪৩৩.৩৪ | ১৩৭৬.২২ | ১০৫৭.১২ |
| ২০১০-১১ | ২৪৩৩.৯৯ | ১৪৪৩.০৩ | ৯৯০.৯৬ |

তালিকাখনৰপৰা এইটো স্পষ্ট হৈ পৰিছে যে নতুন পথ-নিৰ্মাণৰ ক্ষেত্ৰত অসমত ৰে'লপথৰ উন্নয়ন আশাব্যঞ্জক নহয়। ১৯৬৫-৬৬ চনৰপৰা ২০১০-১১ চনৰ মধ্যৱৰ্তী ৪৫ বছৰীয়া কালছোৱাত অসমত মাত্ৰ ৫২১.৭২ কিলোমিটাৰহে নতুন ৰে'লপথ নিৰ্মাণ হৈছে। যদিও দেশৰ মুঠ ব্ৰডগজ লাইন অসমৰ ক্ষেত্ৰত ০.৪ শতাংশতকৈ বেছি বৃদ্ধি হ'ব পৰা নাই। নৰ্থ-ইষ্ট ভিচন ২০১০ত উল্লেখ কৰা মতে প্ৰতি এক লাখ জনসংখ্যাৰ বাবে অসমত ৰে'লপথৰ দৈৰ্ঘ্য মাত্ৰ ৯.৪৫ আৰু প্ৰতি এহেজাৰ বৰ্গ কিলোমিটাৰত এই দৈৰ্ঘ্য ৩১.৯৫ কিলোমিটাৰ। কিন্তু ইয়াৰ বিপৰীতে দেশৰ ৰে'লপথৰ উপৰোক্ত দৈৰ্ঘ্য যথাক্ৰমে ১৩৫.৫৬ আৰু ৭০৯.৯১ কিলোমিটাৰ। অসমৰ ৰে'ল পৰিবহণৰ প্ৰগতিৰ ছবিখন এই পৰিসংখ্যাই স্পষ্টকৈ আমাৰ চকুৰ সন্মুখত দাঙি ধৰিছে।

অৱশ্যে ৰেল মন্ত্ৰণালয়ে উত্তৰ-পূবৰ ৰেল-পৰিবহণৰ উন্নয়নৰ বাবে শেহতীয়াভাৱে কিছু পদক্ষেপ গ্ৰহণ কৰিছে। অসমৰ মাজেদি উত্তৰ-পূবৰ অইন ৰাজ্যসমূহলৈ ৰে'লপথৰ সংযোগ স্থাপন বা সম্প্ৰসাৰণৰ কাম ৰেল মন্ত্ৰণালয়ে আৰম্ভ কৰিছে। সদ্যহতে তিনিচুকীয়া জিলাত দুখলগীয়া বগীবিল দলঙৰ কাম আৰু বৰাক উপত্যকাত গজ পৰিৱৰ্তনৰ কাম চলি আছে। এতদুপৰি আজাৰা-তেতেলীয়া-বৰ্নিহাট ৰে'লপথছোৱাৰ কামো আগবাঢ়িছে। দুধনৈৰপৰা মেঘালয়ৰ মেন্দিপথাৰক সংযোগ কৰিবলগীয়া ১৯.৭৫ কিলোমিটাৰ দীঘলীয়া ৰে'লপথছোৱাৰ কাম ২০১৩ চনৰ মাৰ্চ মাহৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি ধাৰণা কৰা হৈছে। অসমৰ

হাৰমতীৰপৰা অৰুণাচলৰ নাহৰলগুণ-সংযোগী ২০ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'লপথছোৱাৰ কামও আগবাঢ়িছে।

আনহাতে নতুনকৈ স্থাপন হ'বলগীয়া যোগীঘোপা-গুৱাহাটী (বৰপেটা-সৰ্থেবাৰী-হাজো-শুৱালকুচি হৈ), উত্তৰ লখিমপুৰ-আলং-চিলাপথাৰ, মিছামাৰী-টাৱাং, পাচিঘাট-তেজু-ৰূপাই — এইকেইটা ৰে'লপথৰ প্ৰাথমিক ক্ষেত্ৰ অধ্যয়নৰ কাম বিভিন্ন পৰ্যায়ত হৈ আছে। প্ৰাৰম্ভিক পৰ্যায়ত গুৱাহাটীৰপৰা ডিগাৰুলৈ ৰে'লপথছোৱাৰ double takingৰ কাম চলিছে। ইতিমধ্যে ঠাকুৰকুছিৰপৰা ডিগাৰুলৈকে পথছোৱাৰ সম্প্ৰসাৰণৰ কাম সম্পূৰ্ণ হৈছে আৰু ইয়াক ২০১১ চনৰ ৩০ জানুৱাৰি তাৰিখে যাত্ৰীসকলৰ বাবে মুকলি কৰি দিয়া হৈছে।

উল্লিখিত আঁচনিসমূহৰ কাম সম্পন্ন হ'লে অহা কিছু বছৰৰ ভিতৰত অসমত ৰেল-পৰিবহণ যথেষ্ট সুচল হ'ব বুলি আশা কৰিব পৰা যায়।

## অসমৰ পথ-পৰিবহণ ব্যৱস্থা

ঐতিহাসিকভাৱে অসমৰ পৰিবহণ-ব্যৱস্থা জল-পৰিবহণৰ ওপৰত বেছি নিৰ্ভৰশীল আছিল। সেই হেতুকে ৰেল আৰু পথ-পৰিবহণ ব্যৱস্থাৰ উন্নয়নত বেছি গুৰুত্ব আৰোপ কৰা হোৱা নাছিল। কিন্তু, পৰৱৰ্তী পৰ্যায়ত চাহ-ব্যৱসায়ৰ সম্প্ৰসাৰণ, তেলৰ পুং আৱিষ্কাৰ, ৰেল-উদ্যোগৰ সম্প্ৰসাৰণৰ বাবে আৰু তুলনামূলকভাৱে ৰেল আৰু আকাশী পথৰ অনুন্নয়ন আৰু জল-পৰিবহণৰ আশানুৰূপ উন্নয়ন আৰু সম্প্ৰসাৰণ নোহোৱাৰ পৰিপ্ৰেক্ষিতত পথ-পৰিবহণৰ দায়িত্ব বহু গুণে বৃদ্ধি পাইছে। চাহ, মৰাপাট, তেল, কাঠ প্ৰভৃতি দ্ৰব্য ইংলেণ্ড আৰু ভাৰতবৰ্ষৰ অইন ঠাইলৈ সৰবৰাহ কৰিবলৈ উৎপাদনৰ ঠাইৰপৰা যোগাযোগৰ প্ৰধান ঠাই অৰ্থাৎ জাহাজঘাট বা ৰে'লৱে ষ্টেচন ইত্যাদিলৈ নিবলৈ আৰু এখন চাহবাগানক অইন এখন বাগানৰে সংযোগ কৰিবলৈ যথেষ্ট ৰাস্তাঘাট নিৰ্মাণ কৰিবলগীয়া হৈছিল। অসমৰ দুৰ্গম প্ৰাকৃতিক পৰিৱেশ, সঘনে হোৱা বৰষুণ আৰু বানপানী বহু ঠাইত যোগাযোগ ব্যৱস্থাৰ অন্তৰায় আছিল। উজনি অসম আৰু পাৰ্বত্য অঞ্চলত বাটপথৰ সম্প্ৰসাৰণৰ বাবে অসংখ্য দলং আৰু পুল নিৰ্মাণৰ প্ৰয়োজন হৈছিল। ই ব্যয়বহুল হ'ব দেখি ঔপনিৱেশিক চৰকাৰে বিষয়টোত গুৰুত্ব নিদিলে। কিন্তু অসমৰ বিভিন্ন প্ৰকাৰৰ প্ৰাকৃতিক সম্পদ ইংলেণ্ডৰ ঔদ্যোগিক উন্নয়নৰ বাবে প্ৰয়োজন হোৱাত আৰু লগতে প্ৰথম আৰু দ্বিতীয় মহাসমৰৰ বাবে বৃহৎসংখ্যক যানবাহন সঞ্চালনৰ প্ৰয়োজনত ব্ৰিটিছ চৰকাৰে বাধ্য হৈ ৰাস্তাঘাটৰ উন্নয়নসাধন কৰিবলগীয়া হ'ল। তদুপৰি সময়ে সময়ে বিভিন্ন ঠাইত ঔপনিৱেশিক চৰকাৰৰ বিৰুদ্ধে হোৱা বিদ্ৰোহ দমনৰ বাবেও সৈন্য পঠিয়াবলৈ তেওঁলোকে পথ পৰিবহণ ব্যৱস্থাৰ উন্নয়নত গুৰুত্ব আৰোপ কৰিবলগীয়া হৈছিল। গতিকে ১৮৬৮ চনত গড়কাপ্তানি বিভাগ আৰু গাঁও অঞ্চলৰ পথ-যোগাযোগৰ উন্নয়নৰ বাবে ১৯৮০ চনত লোকেল ব'ৰ্ড গঠন কৰা হ'ল।



গড়কাপ্তানি বিভাগ খোলাৰ পিছত অসমত হোৱা পথ-যোগাযোগ ব্যৱস্থাৰ উন্নয়নৰ এক চমু খতিয়ান তলত দাঙি ধৰা হ'ল।

১৮৬৬ চনত গড়কাপ্তানি বিভাগে ধুবুৰীৰপৰা শদিয়ালৈকে ট্ৰাংক ৰোড নিৰ্মাণৰ কাম হাতত লৈছিল। কিন্তু বিভাগটোৰ এই কামৰ অগ্ৰগতি বেছ লেহেমীয়া হয়। বিত্তীয় সমস্যা আৰু শ্ৰমিকৰ যোগান কম হোৱাটোৱেই এই লেহেমীয়া গতিৰ ঘাই কাৰণ আছিল। সেই সময়ত ৰাজ্যত ভূমিহীন কৃষক প্ৰায় নাছিলেই আৰু ইয়াৰ পৰিপ্ৰেক্ষিতত কৃষি-শ্ৰমিকৰ উপস্থিতিও আছিল তেনেই তাকৰীয়া। কৃষিকৰ্ম সমাপ্ত হোৱাৰ পিছতহে কিছু শ্ৰমিক অনা-কৃষিকৰ্মত নিয়োজিত হ'ব পাৰিছিল। গতিকে বিভাগে চুক্তি শেষ হোৱা চাহবাগানৰ বনুৱা আৰু আমদানিকৃত বনুৱাৰ ওপৰতেই নিৰ্ভৰ কৰিবলগীয়া হৈছিল। এইবোৰৰ উপৰি প্ৰতিকূল ভৌগোলিক পৰিৱেশ, প্ৰচুৰ পৰিমাণৰ বৰষুণ আৰু তাৰ ফলত হোৱা বানপানী, দূৰৈৰপৰা ৰাস্তা সজাৰ সামগ্ৰী আনিবলগীয়া হোৱাৰ দৰে কাৰকবোৰে বিভাগটোৰ কাম লেহেমীয়া কৰি তুলিছিল।

ঊনৈছ শতিকাৰ শেহৰ ফালে ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ পাৰৰ আৰু গোলাঘাটৰ সৈতে মণিপুৰ-সংযোগী সৈনিক-পথছোৱাৰ কাম সমাপ্ত হয়। ট্ৰাংক ৰোডৰ উচ্চতাবৃদ্ধি আৰু অস্থায়ী দলংবোৰ স্থায়ীভাৱে সজোৱাৰ কামো এই সময়তেই কৰা হৈছিল। ৮/৯ ঘণ্টাৰ ভিতৰতে পাব পৰাকৈ ৬৩.৫ মাইল দৈৰ্ঘ্যৰ গুৱাহাটী-শ্বিলং পথছোৱাৰ উন্নয়নৰ কামো এই সময়তেই কৰা হয়। পিছৰ পৰ্যায়ত ইয়াক চেৰাপুঞ্জী আৰু কাছাৰলৈকে সম্প্ৰসাৰিত কৰা হৈছিল। ফলত ১৯১১-১২ চনত অসমত পথৰ দৈৰ্ঘ্য হ'ল ৩৫৫৯ মাইল আৰু ইয়াৰে ৩৭৫ মাইল আছিল পকী পথ। ১৯২০-২১ চনত এই দৈৰ্ঘ্য বৃদ্ধি হৈ ক্ৰমে ৪৩৪০ মাইল আৰু ৪৪৮ মাইল হৈছিলগৈ। অৰ্থনৈতিক আৰু strategic — দুয়ো দিশৰপৰা পথৰ গুৰুত্ব বৃদ্ধি পাই অহাৰ পৰিপ্ৰেক্ষিতত নতুন নতুন ৰাস্তাঘাট নিৰ্মাণৰ কাম ক্ষিপ্ৰ গতিত চলি আছিল আৰু ১৯২৯ চনত পথৰ দৈৰ্ঘ্য পুনৰায় বৃদ্ধি হৈ ৪৯২৭ মাইল হৈছিলগৈ। ইয়াৰে ৫৬৫ মাইল আছিল পকী পথ। ১৯২৮-২৯ চনত ৰোড ব'ৰ্ডে ১১২৮ মাইল দৈৰ্ঘ্যৰ ৰাস্তা পকীকৰণ আৰু শিল দিয়াৰ কামৰ লগতে স্থায়ী দলং নিৰ্মাণৰ বাবে পৰিকল্পনা যুগুত কৰিছিল। ইয়াৰ ফলত ১৯৩৭-৩৮ চনত অসমত পথৰ মুঠ দৈৰ্ঘ্য ৫৪১২ মাইল (৭৩৭ মাইল পকী)লৈ বৃদ্ধি পাইছিল।

১৯৩৭-৩৮ চনত প্ৰদেশিক চৰকাৰে ব্ৰহ্মপুত্ৰত এখন দুখলপীয়া দলং নিৰ্মাণৰ প্ৰস্তাৱ প্ৰেৰণ কৰিছিল। কিন্তু দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ পৰিপ্ৰেক্ষিতত এই প্ৰস্তাৱ কাৰ্যকৰী কৰিব পৰা নগ'ল। কিন্তু এই সময়ছোৱাতেই যুদ্ধৰ সৈনিক আৰু অন্যান্য লাগতিয়াল সামগ্ৰী সৰবৰাহ কৰিবলৈ পথসমূহৰ উন্নয়ন আৰু নতুন পথনিৰ্মাণৰ প্ৰকল্প ৰূপায়ণ কৰা হয়। এই সময়ছোৱাতেই শিলিগুৰিৰ লগত যোগীঘোপাক ৰেলপথেৰে সংযুক্ত কৰা হ'ল। ডিমাপুৰৰপৰা কোহিমা হৈ ইম্ফললৈ সম্প্ৰসাৰিত এই পথছোৱাৰ উন্নয়ন আৰু ভাৰত-ব্ৰহ্মদেশৰ (বৰ্তমানৰ ম্যানমাৰৰ)

টুমু পৰ্যন্ত ইয়াৰ সম্প্ৰসাৰণৰ কাম দ্ৰুতগতিত সম্পন্ন কৰা হয়। আমাৰ সকলোৰে অতি পৰিচিত ১০৪৩ মাইল দৈৰ্ঘ্যৰ বিখ্যাত ষ্টিলৱেল পথৰ নিৰ্মাণও দ্বিতীয় মহাসমৰৰ সময়তেই সম্পন্ন হৈছিল।

পথ-পৰিবহণে অসমৰ অৰ্থনীতিত এটা অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অতি ভিতৰুৱা অঞ্চলৰ গাঁওবোৰৰ পথ-পৰিবহণ ব্যৱস্থাৰ জৰিয়তে যুক্ত কৰিব পাৰিলেহে এই অঞ্চলসমূহৰ দ্ৰুত উন্নয়ন সম্ভৱ হৈ উঠিব।

অসমৰ পৰিবহণ ব্যৱস্থাত ৰাজহুৱা আৰু ব্যক্তিগত দুয়োটা খণ্ডৰ সহাৱস্থান দেখা যায়। ৰাজহুৱা খণ্ডত অসম-মেঘালয় ৰাজ্যিক পথ পৰিবহণ নিগম আৰু কেন্দ্ৰীয় পথ পৰিবহণ নিগম নামৰ দুটা প্ৰতিষ্ঠানে সেৱা আগবঢ়াই আছিল। প্ৰথম সংস্থাটোৱে অসম আৰু মেঘালয়ৰ মাজত দ্ৰব্যসামগ্ৰী আৰু যাত্ৰী সৰবৰাহৰ কামত আৰু দ্বিতীয় সংস্থাটোৱে দেশৰ বাকী অংশৰ লগত অসমৰ দ্ৰব্যসামগ্ৰী সৰবৰাহৰ কামত নিয়োজিত হৈ আছিল।

১৯৫০-৫১ চনত অসম-মেঘালয় ৰাজ্যিক পথ-পৰিবহণ নিগমে মাত্ৰ ৫৫০ কিলোমিটাৰ ৰাষ্ট্ৰীয় পথহে সামৰি লৈছিল। কিন্তু এই পৰিমাণ ১৯৭৪-৭৫ চনত ৩৬৩৯ কিলোমিটাৰ হৈছিলগৈ। ১৯৭২ চনত মেঘালয় পৃথক ৰাজ্য হিচাপে গঠন হোৱাৰ পৰৱৰ্তী পৰ্যায়ত অৰ্থাৎ ১৯৭৬ চনৰ ১ জুলাইত নিগমক দুটা ভাগত ভগোৱা হয়। কৰ্মচাৰীসকলৰ লগতে সকলোবোৰ যানবাহন সেই একে বৰ্ষৰে ১ আগষ্টৰপৰা কাৰ্যকৰী হোৱাকৈ ভাগ-বাটোৱাৰা কৰা হয়। গুৱাহাটী-শ্বিলং পথছোৱাত দুয়োখন ৰাজ্যৰে যানবাহন চলাচল কৰিব পাৰিব বুলি তেতিয়াই সহমত পোষণ কৰা হৈছিল।

অৰ্থনৈতিক আৰু strategic দুয়োটা দিশৰেপৰা অসমত এটা উন্নত পথ-পৰিবহণ ব্যৱস্থাৰ অত্যন্ত প্ৰয়োজন। কিন্তু অসমে আজিৰ তাৰিখতো সৰ্বভাৰতীয় পৰ্যায়তকৈ বহু পিছপৰি আছে। এতিয়াও অসমৰ বহু গ্ৰামাঞ্চল আৰু গাঁও বহুৰৰ সকলো বতৰতেই চলিব পৰা পথেৰে সংলগ্ন হোৱা নাই। স্বাধীনতাৰ পৰৱৰ্তী পৰ্যায়ত অসমৰ পথ উন্নয়ন ব্যৱস্থা তলৰ তালিকাখনৰ সহায়েৰে বিশ্লেষণ কৰিব পৰা যায়।

তালিকা ৩

স্বাধীনতাৰ পিছৰ অসমৰ পথ পৰিবহণৰ উন্নয়নৰ প্ৰতিচ্ছবি

| চন | ৰাষ্ট্ৰীয় পথ | পকী পথ | কেঁচা পথ | মুঠ | পথৰ দৈৰ্ঘ্য | |
|---|---|---|---|---|---|---|
| | | | | | প্ৰতি লাখ জনসংখ্যা বিপৰীতে | প্ৰতি ১০০ বৰ্গ কিলোমিটাৰ |
| ১৯৫০-৫১ | | | | ৯,৭৫৯ | | |
| ১৯৭০ | তথ্যাভাৱ | ৩,২৫০ | ১৩,১১৭ | ১৬,৩৬৭ | তথ্যাভাৱ | তথ্যাভাৱ |
| ১৯৭৩ | তথ্যাভাৱ | ৩,৯২৩ | ১৪,৬৮৩ | ১৮,৬০০ | তথ্যাভাৱ | তথ্যাভাৱ |
| ১৯৭৪ | তথ্যাভাৱ | ৪,০৬৬ | ১৫,২১৪ | ১৯,২৮০ | ১৩১.৮২ | ২৪.৫৫ |
| ১৯৭৬-৭৭ | তথ্যাভাৱ | ৪,২৭৬ | ১৬,০৪৫ | ২০,৩২১ | ১১৮.০৮ | ২৫.৮৮ |
| ১৯৮০-৮১ | তথ্যাভাৱ | ৫,৩৬১ | ১৮,৩০৫ | ২৩,৬৭৪ | তথ্যাভাৱ | তথ্যাভাৱ |
| ১৯৮২-৮৩ | ২,০০২ | ৩,৪০৭ | ১৮,৮২৩ | ২৪,২৩২ | ১১৬ | ৩১ |
| ১৯৮৫-৮৬ | তথ্যাভাৱ | ৫,৯৬২ | ২০,৮৪৪ | ২৬,৭৭২ | তথ্যাভাৱ | তথ্যাভাৱ |
| ১৯৮৬-৮৭ | ২,০২০ | ৪,২৬৬ | ২১,৩৩৪ | ২৭,৬২০ | ১২২ | ৩৫ |
| ১৯৯০-৯১ | তথ্যাভাৱ | ৬২৮৬ | ২২৬৩৯ | ২৮,৯৭৯ | তথ্যাভাৱ | তথ্যাভাৱ |
| ১৯৯৩-৯৪ | তথ্যাভাৱ | ৮৩৩৫ | ২৩৮১৯ | ৩২,১৫৪ | তথ্যাভাৱ | তথ্যাভাৱ |
| ১৯৯৫-৯৬ | তথ্যাভাৱ | ৮৫৭২ | ২৪৫৩৮ | ৩৩,১১০ | তথ্যাভাৱ | তথ্যাভাৱ |
| ২০০৪ | তথ্যাভাৱ | ৯৯৫৪ | ২৫১৪৮ | ৩৫,১০২ | তথ্যাভাৱ | তথ্যাভাৱ |
| ২০০৭-০৮ | ২,৭৫৪ | ১০,৪৮৮ | ২৪,৪৫৮ | ৩৭,৭০০ | ১৪১ | ৪৯ |
| ২০০৮-০৯ | ২,৭৫৫ | ১০,৯৭৯ | ২৫,০২৪ | ৩৮,৭৫৮ | ১৪৫.৪ | ৪৯.৪ |
| ২০১০-১১ | ২,৮৪১ | ১৮,৭৫৩ | ২১,০৪৭ | ৪২,৬৪১ | ১৩৬.৮ | ৫৪.৩৬ |



তালিকাখনৰপৰা এইটো স্পষ্টভাৱে দেখা গৈছে যে অসমত ১৯৫০-৫১ চনত পথৰ দৈৰ্ঘ্য আছিল মুঠতে ৯,৭৫৯ কিলোমিটাৰ। এই দৈৰ্ঘ্য বৃদ্ধি হৈ ২০১০-১১ চনত ৪২,৬৪১ কিলোমিটাৰ হয়গৈ। ১৯৭০ চনত অসমৰ মুঠ পথৰ প্ৰায় ২০ শতাংশ পকী আছিল। কিন্তু পৰৱৰ্তী পৰ্যায়ত পকীপথৰ পৰিমাণ যথেষ্ট পৰিমাণে বৃদ্ধি পায় আৰু ২০১০-১১ চনত ই মুঠ পথৰ প্ৰায় ৪৪ শতাংশ হয়গৈ। কোনো এটা অঞ্চলৰ জনমূৰি পথৰ পৰিসংখ্যা আৰু প্ৰতি বৰ্গ কিলোমিটাৰত কিমান পথ আছে — এই দুয়োটাই পথ-পৰিবহণৰ উন্নয়নৰ সূচক হিচাপে কাম কৰে। তলৰ তালিকাখনৰপৰা অসমৰ ক্ষেত্ৰত এই দুয়োটা পৰিসংখ্যা অনুধাৱন কৰিব পাৰি।

তালিকা ৪

প্ৰতি লাখ জনসংখ্যা আৰু ১০০ বৰ্গ কিলোমিটাৰত অসমৰ পথৰ দৈৰ্ঘ্য

| চন | প্ৰতি লাখ জনসংখ্যা বিপৰীতে | প্ৰতি ১০০ বৰ্গ কিলোমিটাৰ |
|---|---|---|
| ১৯৭৪ | ১৩১.৮২ | ২৪.৫৫ |
| ১৯৭৬-৭৭ | ১১৮.০৮ | ২৫.৮৮ |
| ১৯৮২-৮৩ | ১১৬ | ৩১ |
| ১৯৮৬-৮৭ | ১২২ | ৩৫ |
| ২০০৭-০৮ | ১৪১ | ৪৯ |
| ২০০৮-০৯ | ১৪৫.৪ | ৪৯.৪ |
| ১০০৯-১০ | ১৫১ | ৫১ |
| ২০১০-১১ | ১৩৬.৮ | ৫৪.৩৬ |

প্ৰতি লাখ জনসংখ্যা আৰু ১০০ বৰ্গ কিলোমিটাৰৰ বিপৰীতে থকা পথৰ সংখ্যা প্ৰতি ১০০ বৰ্গ কিলোমিটাৰ পথৰ দৈৰ্ঘ্য ১৯৪৭ চনৰ ২৪.৫৫ কিলোমিটাৰৰপৰা ২০১০-১১ চনত ৫৪.৩৬ কিলোমিটাৰলৈ বৃদ্ধি পাইছিলগৈ।

কিন্তু একলাখ জনসংখ্যাৰ বিপৰীতে ১৯৭৪ চনত ১৩১.৮২ কিলোমিটাৰ পথৰপৰা ২০১০-১১ চনত ই মাত্ৰ ১৩৬.৮ কিলোমিটাৰলৈহে বৃদ্ধি পাইছে। এই পৰিসংখ্যা আশানুৰূপ নোহোৱাৰ ঘাই কাৰণ হৈছে অত্যধিক জনসংখ্যা বৃদ্ধি।

এই পৰিসংখ্যাৰ লগত সৰ্বভাৰতীয় পৰিসংখ্যাৰ তুলনা কৰিলে পথ-পৰিবহণ ব্যৱস্থাত অসমৰ এখন ধূসৰ প্ৰতিচ্ছবিহে ফুটি উঠে। ১৯৫০-৫১ চনত ভাৰতবৰ্ষত পথৰ দৈৰ্ঘ্য আছিল ৩,৯৯,৯০০ কিলোমিটাৰ আৰু ই ২০০৭-০৮ চনত ৪২,৩৬,৪০০ কিলোমিটাৰলৈ বৃদ্ধি পাইছে। একে সময়তে পকীপথৰ দৈৰ্ঘ্য ১,৫৭,০০০ কিলোমিটাৰপৰা ২০,৯০,০০০ কিলোমিটাৰলৈ বৃদ্ধি পাইছিল। ৰাষ্ট্ৰীয় ঘাইপথ এই একে সময়ছোৱাত ১৯,৮০০ কিলোমিটাৰপৰা ৬৬,৮০০ কিলোমিটাৰলৈ বৃদ্ধি পায়। অৱশ্যে পকীপথ বৃদ্ধিৰ ধাৰা সৰ্বভাৰতীয় পৰ্যায়তকৈ অসমত বেছি খৰতকীয়া আছিল।

অসমত ৰাষ্ট্ৰীয় ঘাইপথ উন্নয়নৰ পৰিসংখ্যা বৰ সন্তোষজনক নহয়। ৰাষ্ট্ৰীয় ঘাইপথৰ সৰ্বভাৰতীয় পৰিসংখ্যা ৬৬,৮০০ কিলোমিটাৰৰ তুলনাত অসমত মাত্ৰ ২৭৫৪ কিলোমিটাৰ অৰ্থাৎ মাত্ৰ চাৰি শতাংশ। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় ঘাইপথসমূহ এখন ৰাজ্যৰ মাজতেই সীমাবদ্ধ হৈ নাথাকে। ই একাধিক ৰাজ্যৰ মাজেদি পাৰ হৈ যায়। তলৰ তালিকাখনত অসমৰ গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় ঘাইপথকেইটা আৰু ইয়াৰ দূৰত্ব কিমান তাক সন্নিৱিষ্ট কৰা হৈছে।

স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাত অসমত বিভিন্ন প্ৰকাৰৰ গাড়ী-মটৰ দ্ৰুত গতিত বৃদ্ধি পাইছে। তলৰ তালিকাখনৰ সহায়ত এই বৃদ্ধিৰ ধাৰা সম্পৰ্কে জানিব পৰা যাব।

তালিকা ৫

অসমৰ ৰাস্তাত চলাচল কৰা মটৰ গাড়ীৰ সংখ্যা

| চন | ৰাস্তাত চলাচল কৰা মটৰ গাড়ীৰ সংখ্যা | অসমত পঞ্জীয়নকৃত মটৰ গাড়ীৰ সংখ্যা |
|---|---|---|
| ১৯৫৬ | ১৬৮৫৭ | তথ্যাভাৱ |
| ১৯৬১ | ২৫৩০৩ | তথ্যাভাৱ |
| ১৯৬৫ | ৩৫৫৪৪ | তথ্যাভাৱ |
| ১৯৭০ | ৪১৩০০ | তথ্যাভাৱ |
| ১৯৭৫ | ৫৩,৯২১ | ৫২০০ |
| ১৯৭৬ | ৫৯,৫৪৯ | ৬৪২৮ |
| ১৯৮২ | ৯৫,৫৬৬ | ৮৮৪৯ |
| ১৯৮৩ | ১,০০,৪৫৯ | ১১০৮৭ |
| ১৯৮৪ | ১,১৯,০৩৯ | ১৪৯৭৮ |
| ১৯৮৫ | ১,৩৫,৮২২ | ১৭১৫৪ |
| ১৯৮৬ | ১,৫৯,৩৯৬ | ২০৬৪৯ |
| ১৯৮৭ | ১,৮০,৯৪২ | ২২৯৯৪ |
| ১৯৯০ | ২৩১৪৬৬ | তথ্যাভাৱ |
| ১৯৯৫ | ২,৯৪,৭২৬ | তথ্যাভাৱ |
| ২০০০-০১ | ৫,৩৪,৮৮৫ | তথ্যাভাৱ |
| ২০০৫-০৬ | ৮,৯৮,৯২৬ | তথ্যাভাৱ |
| ২০০৭-০৮ | ১০,৭৪,৭৬৩ | তথ্যাভাৱ |
| ২০০৮-০৯ | ১১,৮০,১৭৭ | তথ্যাভাৱ |
| ২০০৯-১০ | ১৩,২০,৮৬৭ | ২,৪১,২৪৭ |
| ২০১০-১১ | ১৩,৬৩,৬২৫ | তথ্যাভাৱ |



তালিকাখনৰপৰা দেখা গৈছে যে বিভিন্ন প্ৰকাৰৰ মটৰ গাড়ী ১৯৫৬ চনৰ ১৬,৮৫৭খনৰপৰা ২০১০-১১ চনত ১৩,৬৩,৬২৫খনলৈ বৃদ্ধি পাইছে। এই বৃদ্ধি যথেষ্ট আশাব্যঞ্জক। কিন্তু ইয়াৰ বিপৰীতে যদি অসমত পঞ্জীয়ন হোৱা গাড়ীৰ সংখ্যালৈ মন কৰা যায় তেন্তে বুজিব পাৰি ই তেনেই তাকৰীয়া। ২০০৯-১০ বৰ্ষত মুঠ বাহনৰ মাত্ৰ ১৮ শতাংশহে অসমত পঞ্জীয়ন কৰা হৈছিল। ৮২ শতাংশ বাহনৰ পঞ্জীয়ন অসমৰ বাহিৰত হোৱাৰ ফলত অসমে বছৰি এক বৃহৎ পৰিমাণৰ ৰাজহ হেৰুৱাই আহিছে। তালিকাখনত গাড়ী-মটৰৰ যিটো সংখ্যা দিয়া হৈছে তাৰ ভিতৰত দুচকীয়া আৰু তিনিচকীয়া যানবাহন, ট্ৰাক, ট্ৰেক্টৰ, জীপ গাড়ী, ক্ৰেইন, চৰকাৰী বাহন ইত্যাদি সকলো অন্তৰ্ভুক্ত হৈ আছে। ১৯৫৬ চনৰপৰা ১৯৬৫ চনলৈকে যি-তথ্য দাঙি ধৰা হৈছে তাত মেঘালয় আৰু মিজোৰামৰ তথ্যও সন্নিৱিষ্ট হৈ আছে। যানবাহনৰ দ্ৰুত বৃদ্ধিৰ লগে লগে গৰাকীসকলকো তেওঁলোকৰ গাড়ীসমূহ অসমতে পঞ্জীয়ন কৰিবলৈ উৎসাহিত কৰিব লাগিব।

তালিকা ৬

অসমৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সবিশেষ

| ৰাষ্ট্ৰীয় ঘাইপথৰ নং | আৰম্ভ | শেষ | দূৰত্ব (কিলোমিটাৰ) |
|---|---|---|---|
| ৩১ | শিলিগুৰি | শিলচৰ | ৩২৩ |
| ৩৭ | পঞ্চৰত্ন | ডাঙৰি | ৬৮০ |
| ৩৬ | নগাঁও | ডিমাপুৰ | ১৭০ |
| ৩৯ | নুমলিগড় | ম'ৰ | ৪৩৬ |
| ৩৮ | মাকুম | লেখপানী | ৫৪ |
| ৪০ | যোৰহাট | ডাউকি | তথ্যাভাৱ |
| ৫৩ | বদৰপুৰ | ইম্ফল | ৩২০ |
| ৫৪ | শিলচৰ | টিপাম | ৫৬০ |
| ৫১ | কৃষ্ণাই | ডালু | ১৪৯ |
| ৫২ | বাইহাটা চাৰিআলি | পাচিঘাট | ৫৮০ |

উল্লেখিত ধৰণে যদিও ৰেল আৰু পথ-পৰিবহণ ব্যৱস্থাৰ উন্নয়ন সাধিত

হৈছিল, ই কোনোপধ্যেই জল-পৰিবহণৰ গুৰুত্ব হ্ৰাস কৰিব পৰা নাছিল। বৰঞ্চ পথ-যোগাযোগে জল-পৰিবহণৰ অধিক উন্নয়নত সহায়কহে হৈছিল। উল্লেখযোগ্য যে ব্ৰহ্মপুত্ৰৰে ভাপ জাহাজ ডিব্ৰুগড় পৰ্যন্ত চলাৰ সুবিধা থকা হেতুকে অসম উপত্যকাৰ প্ৰায় সমস্ত বেপাৰ-বাণিজ্য নদীপথেৰে সমাধা কৰা হৈছিল। বাৰিষা বতৰত ব্ৰহ্মপুত্ৰৰ উপনৈ সমূহেদি বেপাৰ-বাণিজ্য কৰিবলৈ বেছ সুবিধা আছিল। অৱশ্যে এই জাহাজঘাটসমূহক ভিতৰুৱা উৎপাদন কেন্দ্ৰসমূহৰ সৈতে পথেৰেই যোগাযোগ কৰা হৈছিল।

ঔপনিৱেশিক অসমত আভ্যন্তৰীণ আৰু বহিঃ দুয়ো প্ৰকাৰৰ বাণিজ্যাই জল-পৰিবহণৰ জৰিয়তে সম্পন্ন কৰা হৈছিল। যাত্ৰী আৰু দ্ৰব্যসামগ্ৰী সৰবৰাহৰ বাবে বজৰা আৰু পানচৈ ধৰণৰ লেহেমীয়া গতিৰ দেশী নাও ব্যৱহৃত হৈছিল। ইয়াৰ গতি ইমানেই লেহেমীয়া আছিল যে গোৱালপাৰাৰপৰা কলিকতা পাবলৈ ইয়াক প্ৰায় এমাহ সময়ৰ প্ৰয়োজন হৈছিল। উজনিৰ যাত্ৰাত ই আৰু আঠ দিন বেছি সময় লৈছিল। কিন্তু ঔদ্যোগিক বিকাশৰ লগে লগেই এই যাত্ৰাৰ সময় হ্ৰাস কৰাৰ চিন্তা-চৰ্চা কৰা হৈছিল আৰু চৰকাৰীভাৱে ব্ৰহ্মপুত্ৰত ভাপ জাহাজৰ সেৱা আৰম্ভ কৰা হৈছিল। প্ৰথমতে যদিও এই সেৱা গুৱাহাটীতে সীমিত ৰখা হৈছিল, চাহ আৰু অন্যান্য উদ্যোগৰ উন্নয়নৰ লগে লগে চৰকাৰে এই সেৱা ডিব্ৰুগড় পৰ্যন্ত সম্প্ৰসাৰিত কৰে। ইতিমধ্যে দুটা ব্যক্তিগত খণ্ডৰ কোম্পানিয়েও ব্ৰহ্মপুত্ৰত এই সেৱা প্ৰদান কৰিবলৈ আৰম্ভ কৰিছিল। কিন্তু এই সেৱা অনিয়মীয়া হোৱা হেতুকে ১৮৮৩ চনত দুটা ব্যক্তিগত খণ্ডৰ কোম্পানিয়ে চৰকাৰী সাহায্য লাভ কৰি ব্ৰহ্মপুত্ৰত নিতৌ জাহাজ চলাচল আৰম্ভ কৰে। পৰৱৰ্তী পৰ্যায়ত এই সেৱাৰ উন্নয়ন ঘটে আৰু কম সময়তে দূৰৱৰ্তী ভ্ৰমণো সুচল হয়।

১৮৪৭ চনত ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানিয়ে প্ৰথমে ষ্টিমাৰ সেৱাৰ প্ৰৱৰ্তন কৰিছিল। ইয়াৰ পিছত ১৮৬৪ চনত অসমত আৰু দুটা বেচৰকাৰী কোম্পানি — ইণ্ডিয়ান জেনেৰেল ষ্টীম নেভিগেচন কোম্পানি আৰু ৰিভাৰ ষ্টীম নেভিগেচন কোম্পানিয়ে নিয়মীয়া সেৱা প্ৰৱৰ্তন কৰে। ইয়াৰ পিছত এই দুই কোম্পানিক একেলগ কৰি জয়েণ্ট কোম্পানি গঠন কৰা হয় আৰু ই গোটেই ব্ৰিটিছ শাসনকালত অসমত ষ্টীমাৰ সেৱা চলাই গৈছিল।

পৰৱৰ্তী পৰ্যায়ত গুৱাহাটী আৰু ধুবুৰীত সৰু সৰু ফেৰি সেৱাৰ প্ৰচলন হ'বলৈ ধৰে। সৰু সৰু নৈ-উপনৈবোৰত যথেষ্টসংখ্যক দলং নিৰ্মাণ কৰা হয় আৰু অৱশিষ্টবোৰত ফেৰিৰ জনপ্ৰিয়তা বৃদ্ধি পায়। পাণ্ডু আৰু আমিনগাঁৱৰ মাজৰ ফেৰিসেৱা ৰে'ল কোম্পানিয়ে আৰু তেজপুৰ-শিলঘাট সেৱা জইণ্ট ষ্টীমাৰ কোম্পানিয়ে পৰিচালনা কৰিছিল। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহ পাৰ হ'বলৈ ব্যৱহাৰ হোৱা অন্যান্য ফেৰি সেৱাসমূহ গড়কাপ্তানি বিভাগ বা লোকেল ব'ৰ্ড বা অন্যান্য কোনো ব্যক্তিগত খণ্ডই পৰিচালনা কৰিছিল। আনকি কিছুমান উপনৈ পাৰ হ'বলৈ বাৰিষা ফেৰি সেৱাৰ প্ৰচলন আছিল যদিও খৰালি নৈ শুকাই যোৱাত



বাঁহৰ অস্থায়ী দলং সাজি উলিওৱা হৈছিল।

অসমত মুঠ ৪০৬৫.৬ কিলোমিটাৰ নাও আৰু জাহাজ চলাচল কৰিব পৰা আভ্যন্তৰীণ জলপথ আছে। ইয়াৰে ২১৯৩.৬ কিলোমিটাৰ গোটেই বছৰ জুৰি আৰু ১৮৭২ কিলোমিটাৰ মাত্ৰ বাৰিষা কালতহে ব্যৱহাৰ কৰিব পৰা যায়। ১৯৬৫ চনৰ আগতে ৯৩ শতাংশ চাহ আৰু ৯০ শতাংশ মৰাপাট এই নদীপথেৰে সৰবৰাহ কৰা হৈছিল।

অসমত সম্প্ৰতি আভ্যন্তৰীণ জল-পৰিবহণ ৰাজ্যিক সঞ্চালক বিভাগ আৰু কেন্দ্ৰীয় আভ্যন্তৰীণ জল-পৰিবহণ নিগম নামৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান দুটাই বাণিজ্যিক ভিত্তিত জল-পৰিবহণ সেৱা আগবঢ়াই আছে। ইয়াৰে প্ৰথমটোৱে ৰাজ্যৰ ভিতৰত আৰু পিছৰটোৱে কলিকতাৰ লগত বাংলাদেশৰ মাজেদি সেৱা আগবঢ়াই আহিছে।

১৯৯৫-৯৬ চনত অসমৰ আভ্যন্তৰীণ জল-পৰিবহণ ৰাজ্যিক সঞ্চালক বিভাগে ব্ৰহ্মপুত্ৰৰ ওপৰত মুঠ ৪১টা জলপথত সেৱা আগবঢ়াই আছিল। ২০০০-০১ চনত এই সঞ্চালক বিভাগটোৰ হাতত মুঠ ৬৬খন বিভিন্ন ধৰণৰ জলযান আছিল। সেই একেটা বছৰতে অসম ৰাজ্যিক আভ্যন্তৰীণ জল-পৰিবহণ বিভাগে মুঠ ১১৫.৪ লাখ যাত্ৰী আৰু ০.৮৪ লাখ টন বয়বস্তু সৰবৰাহ কৰিছিল। আভ্যন্তৰীণ জল-পৰিবহণ বিভাগে ২০০৫-০৬ চনত ৰাজহুৱা সেৱা আগবঢ়াবলৈ ৭৩খন ফেৰি ব্যৱহাৰ কৰিছিল। কিন্তু পৰৱৰ্তী পৰ্যায়ত বিভাগে এই সেৱা আগবঢ়োৱা ফেৰিৰ সংখ্যা ৮১খনলৈ বৃদ্ধি কৰে। এই ফেৰিসমূহে কিদৰে সেৱা আগবঢ়াইছে তাৰ এটা আভাস তলৰ তালিকাখনৰপৰা পাব পাৰি।

তালিকা ৭

অসমৰ আভ্যন্তৰীণ জলপৰিবহণ ব্যৱস্থাই সৰবৰাহ কৰা যাত্ৰী আৰু সামগ্ৰীৰ পৰিমাণ

| চন | ফেৰিৰ সংখ্যা | যাত্ৰী | সামগ্ৰী (টনত) | ৰাজহ (কোটিৰ হিচাপত) |
|---|---|---|---|---|
| ১৯৭৭-৭৮ | তথ্যাভাৱ | ২০,৮৮,০০০ | ১৯,৫৪৩ | তথ্যাভাৱ |
| ১৯৭৮-৭৯ | ৭৩ | ২৩,২২,০০০ | ৩০,১৭৩ | তথ্যাভাৱ |
| ১৯৮১-৮২ | ১০৮ | ২২,৪০,০০০ | ৮৫,০০০ | তথ্যাভাৱ |
| ১৯৮২-৮৩ | ৭৫ | ২২,৯৭,০০০ | ১,২৫,৩০৬ | তথ্যাভাৱ |
| ১৯৮৩-৮৪ | তথ্যাভাৱ | ২৪,৭১,০০০ | ৪,১৮,০৬০ | তথ্যাভাৱ |
| ১৯৮৪-৮৫ | তথ্যাভাৱ | ৩১,৭৬,০০০ | ৬৩,৯১২ | তথ্যাভাৱ |
| ১৯৮৫-৮৬ | তথ্যাভাৱ | ২৮,৯৩,০০০ | ১,৩৩,৪৬৬ | তথ্যাভাৱ |
| ১৯৮৬-৮৭ | তথ্যাভাৱ | ৩০,৭৮,০০০ | ৫৫,৯২০ | তথ্যাভাৱ |
| ১৯৯৫-৯৬ | তথ্যাভাৱ | ১,১৫,৩৯,০০০ | ৪৮,৯৩৮ | ১৪০.৯৭ |
| ২০০১-০২ | ৬১ | ৩০,৯১,০০০ | ২,৮২,০০০ | ১১৪.৪৩ |

| | | | | |
|---|---|---|---|---|
| ২০০৬-০৭ | ৭৩ | ২,৪৯,২২,৪৪৬ | ৭,৪১,৫৬৪ | ৩.৯৮ |
| ২০০৭-০৮ | ৭৩ | ২,৫৯,৪৪,০৫৭ | ৮,৪৬,২৪৬ | ৪.৪৯ |
| ২০০৮-০৯ | ৭৩ | ২,৬৫,৫৩,১৫১ | ৮,৬৫,১৪৮ | ৪.৮৮ |
| ২০০৯-১০ | ৭০ | ২,৩৪,৩৫,৭৬১ | ৮০,০২৪ | ৫.২৬ |
| ২০১০-১১ | ৮১ | ১,১৩,৪৫,৫৩০ | ৩,৭৮,১৬৪ | তথ্যাভাৱ |

ওপৰৰ তালিকাখনৰপৰা যোৱা প্ৰায় চাৰিটা দশকত জল-পৰিবহণে অসমত কি ধৰণৰ সেৱা আগবঢ়াই আহিছে সেয়া স্পষ্ট হৈ পৰিছে। উল্লেখযোগ্য যে এই সময়ছোৱাত ৰাজ্যখনত পথ আৰু ৰেল-পৰিবহণৰ যথেষ্ট উন্নয়ন হোৱা সত্ত্বেও জল-পৰিবহণে যথেষ্টসংখ্যক যাত্ৰী আৰু পৰ্যাপ্ত মালবস্তু সৰবৰাহ কৰাটোৱে ৰাজ্যখনত জল-পৰিবহণৰ বৰ্ধিত গুৰুত্বকে সূচাইছে। সেৱা আগবঢ়োৱা ফেৰিৰ সংখ্যা ১৯৭৮-৭৯ চনত ৭৩খনৰপৰা ২০১০-১১ চনত ৮১খনলৈ বৃদ্ধি হৈছে। যাত্ৰী আৰু মালবস্তু সৰবৰাহ দুই-এটা বৰ্ষত হ্ৰাস পালেও সাধাৰণতে এটা বৰ্ধিত ধাৰাহে তালিকাত ফুটি উঠিছে। অৱশ্যে জল-পৰিবহণৰ বিভিন্ন উৎসৰপৰা সংগৃহীত আয় বা ৰাজহ যোৱা কেইটামান বছৰত আশাতীতভাৱে হ্ৰাস পাইছে। ১৯৯৫-৯৬ চনত এই ৰাজহৰ পৰিমাণ আছিল ১৪০.৯৭ কোটি টকা। ই ২০০৯-১০ চনত মাত্ৰ ৫.২৬ কোটি টকালৈ হ্ৰাস পায়। উল্লেখযোগ্য যে এই ৰাজহ বা আয় মাথোন যাত্ৰী আৰু বয়বস্তু সৰবৰাহ কৰিয়েই লাভ কৰা নাই। যাত্ৰী পৰিবহণ আৰু বয়বস্তু সৰবৰাহৰ উপৰি ব্যৱসায়িক সেৱা আৰু ভগা-ছিগা সামগ্ৰী বিক্ৰী ইত্যাদিৰপৰাও ৰাজহ সংগৃহীত হয়।

## বায়ু পৰিবহণ

বিমান হৈছে আটাইতকৈ দ্ৰুত পৰিবহণ ব্যৱস্থা। অসমত এই পৰিবহণ ব্যৱস্থা তুলনামূলকভাৱে নতুন। বহু বছৰৰপৰা অসমৰ ৰাইজে ইয়াত বিমান সেৱা প্ৰৱৰ্তনৰ দাবী উত্থাপন কৰি আহিছিল। ১৯৮১ চনত দিল্লী-গুৱাহাটী-সংযোগী বিমান চলাচল আৰম্ভ হোৱাৰ লগে লগেই অসম তথা উত্তৰ-পূৰ্বৰ ৰাইজৰ এক দীৰ্ঘদিনীয়া দাবী পূৰণ হয়। তুলনামূলকভাৱে নতুন আৰু পৰ্যাপ্ত উন্নয়ন হোৱা নাই যদিও বিমান পৰিবহণে এই অঞ্চলত যাত্ৰী আৰু বয়বস্তু সৰবৰাহৰ ক্ষেত্ৰত এক অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বিমান চলাচল ব্যৱস্থাই ছটা বিমানবন্দৰৰপৰা ৰাইজক ইয়াৰ সেৱা আগবঢ়াই আহিছে। সেই কেইটা হৈছে বৰঝাৰ (গুৱাহাটী), শালনিবাৰী (তেজপুৰ), লীলাবাৰী (লখিমপুৰ), মোহনবাৰী (ডিব্ৰুগড়), ৰৌৰিয়া (যোৰহাট), আৰু কুম্ভীৰগ্ৰাম (শিলচৰ)।

পাহাৰীয়া আৰু দুৰ্গম অঞ্চলবোৰত পৰিবহণ সেৱা আগবঢ়োৱাৰ উদ্দেশ্যে বায়ুদূত সেৱাও ১৯৮১ চনৰ ১ জুন তাৰিখৰপৰা এই অঞ্চলত আৰম্ভ হৈছিল। গুৱাহাটী হৈছে বায়ুদূত সেৱা আগবঢ়োৱা একাদশ নগৰ। বায়ুদূতে গুৱাহাটী-



ৰূপচী, গুৱাহাটী-বৰাপানী, গুৱাহাটী-কমলপুৰ (ত্ৰিপুৰা) আৰু চাবুৱা-তেজুৰ মাজত ইয়াৰ সেৱা আগবঢ়াই আহিছে।

অসমৰ ৰাইজৰ দাবী অনুসৰি বৰঝাৰ বিমান বন্দৰক আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰলৈ উন্নীত কৰা হৈছে। লালাবাৰী বিমানবন্দৰকো অৰুণাচল প্ৰদেশ আৰু ইয়াৰ ওচৰৰ অন্যান্য জিলাৰ বিমান চলাচলৰ সুচলতাৰ বাবে পুনৰ সজাই-পৰাই তোলা হৈছে। উল্লেখ্য যে চৰকাৰী খণ্ডৰ উপৰি বেচৰকাৰী খণ্ডৰ বিভিন্ন বিমান পৰিবহণ সংস্থা, যেনে — চাহাৰা, জেট, জেট লাইট, স্পাইচ জেট, ইণ্ডিগ', কিংফিচাৰ ইত্যাদিয়েও অসমত ইয়াৰ সেৱা আগবঢ়াই আহিছে। এই আটাইবোৰ অৰ্থাৎ চৰকাৰী আৰু বেচৰকাৰী খণ্ডৰ বিমানসেৱাসমূহে অসমত বছৰি কিমান যাত্ৰী আৰু বয়বস্তু সৰবৰাহ কৰে তাৰ শেহতীয়া কিছু তথ্য তলৰ তালিকাখনত সন্নিৱিষ্ট কৰা হ'ল।

তালিকা ৮

অসমৰ আভ্যন্তৰীণ জল-পৰিবহণ ব্যৱস্থাই সৰবৰাহ কৰা যাত্ৰী আৰু সামগ্ৰীৰ পৰিমাণ

| চন | যাত্ৰীৰ সংখ্যা | সামগ্ৰীৰ পৰিমাণ (টনত) |
|---|---|---|
| ১৯৭৪ | ১৩১.৮২ | ২৪.৫৫ |
| ১৯৭৬-৭৭ | ১১৮.০৮ | ২৫.৮৮ |
| ১৯৮২-৮৩ | ১১৬ | ৩১ |
| ১৯৮৬-৮৭ | ১২২ | ৩৫ |
| ২০০৭-০৮ | ১৪১ | ৪৯ |
| ২০০৮-০৯ | ১৪৫.৪ | ৪৯.৪ |
| ১০০৯-১০ | ১৫১ | ৫১ |
| ২০১০-১১ | ১৩৬.৮ | ৫৪.৩৬ |

## বিমানেৰে কঢ়িওৱা দ্ৰব্যসামগ্ৰী আৰু যাত্ৰী

তালিকাখনৰপৰা এইটো স্পষ্ট হৈ পৰিছে যে বায়ু-পৰিবহণৰ গুৰুত্ব লাহে লাহে বৃদ্ধি পাই আহিছে। যাত্ৰী আৰু বয়বস্তু পৰিবহণৰ বৰ্ধিত ধাৰাই এই কথাকেই প্ৰমাণ কৰিছে যে বয়বস্তু সৰবৰাহ ২০০৫-০৬ আৰু ২০০৮-০৯ বৰ্ষত যদিও কিছু হ্ৰাস পাইছিল ২০০৯-১০ বৰ্ষত ই পুনৰায় বৃদ্ধি পায়। অসমৰ বিভিন্ন বিমানবন্দৰত দৈনন্দিন যাত্ৰী পৰিবহণ আৰু বয়বস্তু সৰবৰাহৰ পৰিসংখ্যা আশাব্যঞ্জক। তলৰ তালিকাখনৰপৰা এই কথা স্পষ্ট হৈ পৰিব।

দৈনন্দিন বিমানৰ আহ-যাহ লাহে লাহে বৃদ্ধি পাই আহিছে। ২০০৮-০৯ বৰ্ষত এই সংখ্যা সৰ্বোচ্চ হৈছিল। মন কৰিবলগীয়া কথাটো হ'ল, পিছৰ বছৰত এই সংখ্যা যদিও হ্ৰাস পাইছিল দৈনন্দিন যাত্ৰী পৰিবহণ পিছে বৃদ্ধিহে হৈছিল।

আনহাতে আন্তঃৰাষ্ট্ৰীয় যাত্ৰী পৰিবহণৰ ক্ষেত্ৰতো অসমৰ বিমান পৰিবহণ ব্যৱস্থা কিছু আগবাঢ়িছে। লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰপৰা যোৱা কিছু বছৰ ধৰি গুৱাহাটী আৰু থাইলেণ্ডৰ বেংককৰ মাজত

তালিকা ৯

গড় হিচাপত বিমান, যাত্ৰী আৰু সামগ্ৰী সৰবৰাহৰ পৰিসংখ্যা

| চন | বিমানৰ সংখ্যা | যাত্ৰীৰ সংখ্যা | সামগ্ৰী (টনত) |
|---|---|---|---|
| ২০০৩-০৪ | ৫৫ | ২,০২৬ | ১৬ |
| ২০০৪-০৫ | ৫৭ | ২,২৭০ | ১৮ |
| ২০০৫-০৬ | ৫৮ | ২,৬২৪ | ১৭ |
| ২০০৬-০৭ | ৭৪ | ৩,৭৬০ | ১৪ |
| ২০০৭-০৮ | ৯০ | ৪,৫৬৩ | ৮ |
| ২০০৮-০৯ | ১৯৬ | ১১,৯২১ | ৯ |
| ২০০৯-১০ | ৯৭ | ১৫,৫১৩ | ১৬.৮৯ |

বিমানসেৱাৰ চলাচল হৈ আছে। তলৰ তালিকাখনৰপৰা কিমান আন্তঃৰাষ্ট্ৰীয় যাত্ৰীৰ পৰিবহণ আৰু বয়বস্তু এই বিমানবন্দৰেদি সৰবৰাহ হৈছে তাৰ এটা আভাস তলৰ তালিকাখনৰপৰা পোৱা যায়।

তালিকা ১০

লোকপ্ৰিয় গোপিনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত

আন্তঃৰাষ্ট্ৰীয় যাত্ৰী আৰু সামগ্ৰী সৰবৰাহৰ পৰিসংখ্যা

| চন | বিমান | যাত্ৰী | সামগ্ৰী (টনত) |
|---|---|---|---|
| ২০০৩-০৪ | ৩৬ | ৪৩৭০ | ১১৩ |
| ২০০৪-০৫ | ৫০ | ১২৫৬ | ২ |
| ২০০৫-০৬ | ২৮৮ | ৯৮৬৫ | ১৪০ |
| ২০০৬-০৭ | ৮৮ | ৪২৩৪ | ৫০ |

আন্তঃৰাষ্ট্ৰীয় যাত্ৰী পৰিবহণ আৰু বয়বস্তু সৰবৰাহৰ পৰিসংখ্যা

## সামৰণি

শান্তি আৰু সমৃদ্ধিৰ পূৰ্বচৰ্তই হৈছে উন্নত পৰিবহণ আৰু যোগাযোগ ব্যৱস্থা। উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনীতি পুনৰুজ্জীৱিত কৰিবৰ বাবে এই খণ্ডৰ উন্নয়ন আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰাথমিক চৰ্ত। অঞ্চলটোৰ বাবে এখন উমৈহতীয়া বজাৰ, কম খৰচত দ্ৰব্যসামগ্ৰী আৰু শ্ৰমৰ যোগান ইত্যাদিয়ে ইয়াৰ অৰ্থনৈতিক কাৰ্যকলাপ বৃদ্ধি কৰি উন্নয়ন নিশ্চিত কৰিব পাৰে। মধ্যভোগীক উচ্ছেদ কৰি অতি ভিতৰুৱা অঞ্চলৰ মানুহকো উৎপাদিত পণ্য বজাৰলৈ নিজে লৈ গৈ বিক্ৰী কৰি, উপযুক্ত মূল্য লাভ কৰাত পৰিবহণ ব্যৱস্থাই অৰিহণা যোগাব পাৰে। এই ক্ষেত্ৰত সম্ভাব্য উন্নয়ন কেন্দ্ৰৰ সংযোগ, পৰ্যটন উদ্যোগৰ উন্নয়ন, সীমা-বাণিজ্যৰ সম্প্ৰসাৰণ ইত্যাদিয়ে অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন ত্বৰান্বিত কৰিব। কিন্তু উপযুক্ত পৰিবহণ ব্যৱস্থা অবিহনে এয়া সম্ভব নহ'বগৈ। বিভিন্ন ৰাজ্যৰ লোকৰ মাজত সদ্ভাব জগাই শান্তি আৰু সমৃদ্ধিৰ পথ মুকলি কৰাত ই সহায়ক হ'ব পাৰে। মানুহৰ জীৱন আৰু সম্পত্তি ৰক্ষাৰ বাবে প্ৰয়োজনীয় আইন-শৃঙ্খলাৰ উন্নতি সাধন কৰাত



পৰিবহণ ব্যৱস্থাৰ প্ৰভূত কৰণীয় আছে।

এইখিনিতে এটা কথা উল্লেখ কৰা ভাল হ'ব যে, পৰিবহণ ব্যৱস্থাৰ ক্ষেত্ৰত অসম হ'ল ভাৰতৰ অন্যতম পিছপৰা ৰাজ্য। অসমৰ অৰ্থনৈতিক অনগ্ৰসৰতাৰ এটি অন্যতম গুৰুত্বপূৰ্ণ কাৰণ হ'ল অনুন্নত পৰিবহণ ব্যৱস্থা। ভৌগোলিক বিচ্ছিন্নতা, প্ৰাকৃতিক দুৰ্যোগ আৰু সীমামূৰীয়া ৰাজ্য হোৱা হেতুকে অসমত পৰিবহণ-ব্যয় অত্যন্ত অধিক। সকলো বতৰতে চলিব পৰা ৰাস্তাৰ অভাৱ অসমৰ পৰিবহণ ব্যৱস্থাৰ আন এটা প্ৰধান সমস্যা। অতীজৰেপৰা জল-পৰিবহণ ব্যৱস্থা উচ্চমানৰ আছিল যদিও পাৰ্বত্য অঞ্চলবোৰত, ঘাইকৈ অৰুণাচল প্ৰদেশত, হোৱা নিৰ্বনানীকৰণ আৰু তাৰ ফলত হোৱা ভূমিস্খলনৰ কাৰণে নদীবোৰৰ বুকু বাম হৈ যোৱাত জল-পৰিবহণ ব্যৱস্থা আশাতীতভাৱেই ব্যাহত হোৱা পৰিলক্ষিত হৈছে। এই আটাইবোৰ সমস্যা সুচিন্তিত আৰু পৰিকল্পিতভাৱে দূৰ কৰি অসম তথা উত্তৰ-পূৰ্বাঞ্চলক অৰ্থনৈতিকভাৱে আগুৱাই লৈ যাব লাগিব। এই ক্ষেত্ৰত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰ উভয়েই সুচিন্তিত আৰু সুপৰিকল্পিত আঁচনি যুগুতাই সেইবোৰৰ কাৰ্যকৰীকৰণৰ জৰিয়তে অসমৰ পৰিবহণ ব্যৱস্থাৰ উন্নয়ন কৰিব লাগিব। তেতিয়াহে অসমকে ধৰি সমগ্ৰ উত্তৰ-পূৰ্ব ভাৰতৰ উন্নয়নে থন ধৰি উঠিব।

**সহায়ক গ্ৰন্থপঞ্জী**

১ *Assam Bengal Railways*, Wikipedia, 18 Nov. 2012

২ *Eastern Bengal Railway*, Wikipedia, 18 Nov. 2012

৩ *Economic Servey of Assam*, 1975-76, 1980-81, 1982-83, 1981-82, 1997-98, 1998-99, 2004-05, 2007-08, 2008-09, 2010-12

৪ *Imperial Gazetteer of India*, vol. 3. New Edition, Oxford at the Clavenden Press, 1908

৫ J. B. Ganguli. *An Economic History of North East India - 1826 to 1947*. New Delhi: Akansha Publishing Gouse, 2006

৬ *North East Region Vision Document 2020*. New Delhi: National Institute of Public Finance & Policy, 2001

৭ P. C. Goswami. *The Economic Development of Assam*. Ludhiana: Kalyani Publishing, 1994

৮ P. K. Dhar. *Asamar Arthanaitik Ruprekha (Uttar-Pubanchalar Arthaniti Saha)*. New Delhi: Kalyani Publishing, 2008

৯ R. K. Lekhi and E.K. Choudhury. *Economy of India including Assam and North East*. New Delhi: Kalyani Publishing, 1994

১০ S. Hillali. *The Railways in Assam 1885-1947*. Silgrim Publication. Web Pages : *North East Frontier Ralway Zone*, Wikipedia, 18 Nov. 2012

১১ *Statistial Handbook*, Assam, 1976, 1980, 1988, 1984, 2008, 2009, 2010, 2011

Websites :

১ www.indiabudget.nic.in

২ www.nfr.indianrailaways.gov.in

# অসমলৈ প্ৰব্ৰজন: অতীতৰ প্ৰয়োজন আৰু বৰ্তমানৰ শঙ্কা

ড° মনোজকুমাৰ নাথ

মানৱ-প্ৰব্ৰজন হ'ল পৃথিৱীৰ কোনো এঠাইৰপৰা আন ঠাইলৈ মানুহৰ স্থানান্তৰগমন। এই স্থানান্তৰ বা গমনক তেতিয়াহে প্ৰব্ৰজন (migration) বুলি কোৱা হয়, যেতিয়া ইয়াৰ লক্ষ্য হয় নতুন স্থানত স্থায়ী (permanent) বা আধা-স্থায়ী (semi-permanent)ৰূপে বসবাস কৰা আৰু যেতিয়া সাধাৰণভাৱে (usually) এই গমনে ৰাজনৈতিক সীমা অতিক্ৰম কৰে। মানুহৰ স্থানান্তৰ গমন বা প্ৰব্ৰজন দুই ধৰণে হ'ব পাৰে — ইচ্ছাকৃতভাৱে আৰু বাধ্যত পৰি।

বিভিন্ন কাৰকে মানৱ-প্ৰব্ৰজনক প্ৰভাৱিত কৰে। কিছুমান কাৰকে মানুহক এটুকুৰা ঠাই এৰি যাবলৈ বাধ্য কৰে। এনে কাৰকসমূহক push factors বুলি কোৱা হয়। খাদ্যৰ অভাৱ, যুদ্ধ, সঘন বানপানী আদি এনে কাৰকৰ উদাহৰণ। আকৌ, এটুকুৰা ঠায়ে নিজৰ কিছুমান গুণ বা বৈশিষ্ট্যৰ বাবে অন্য ঠাইৰ মানুহক আকৰ্ষিত কৰিব পাৰে। এনে বৈশিষ্ট্যবোৰক প্ৰব্ৰজনৰ pull factors বুলি কোৱা হয়। ঠাই এখনৰ সুন্দৰ পাৰিপাৰ্শ্বিকতা, খাদ্যৰ অপৰ্যাপ্ত যোগান, মানুহৰ স্বাধীনতা আদি এনেধৰণৰ কাৰকৰ উদাহৰণ। এখন ঠাইৰ পাৰিপাৰ্শ্বিকতা (বতৰ, প্ৰাকৃতিক দুৰ্যোগ আদি), ৰাজনৈতিক অৱস্থা (যুদ্ধবিগ্ৰহ, ৰাজনৈতিক সুস্থিৰতা আদি), অৰ্থনৈতিক অৱস্থা (কাম কৰাৰ সুবিধা, সুযোগ আদি) আৰু সাংস্কৃতিক পৰিৱেশ (ধৰ্মীয় স্বাধীনতা, শিক্ষাৰ অৱস্থা আদি) — কেতিয়াবা প্ৰব্ৰজনৰ push factors হয় আৰু কেতিয়াবা pull factorsও হয়। প্ৰব্ৰজনৰ ক্ষেত্ৰত কেইটামান সৰ্বজনস্বীকৃত নিয়ম হৈছে: (১) মানুহে সদায় সেইখন ঠাইলৈহে প্ৰব্ৰজন কৰে, যিখন ঠাই তেওঁ বৰ্তমান বসবাস কৰি থকা ঠাইখনতকৈ সামাজিক, অৰ্থনৈতিক বা পাৰিপাৰ্শ্বিকভাৱে উন্নত। (২) জীয়াই থকাৰ বা জীৱনৰ মান আৰু সুযোগ সদায় প্ৰব্ৰজিত ঠাইত আগৰ ঠাইতকৈ অধিক বেছি বা উন্নত হ'ব লাগিব। প্ৰব্ৰজনৰ ক্ষেত্ৰত মানুহে সমান সুযোগৰ দুখন ঠাইৰ ভিতৰত নিকটৱৰ্তী ঠাইখনহে পছন্দ কৰে। (৩) সমান সুযোগ-সুবিধাৰে পূৰ্ণ দুখন ঠাইৰ ভিতৰত মানুহ সেইখনলৈহে প্ৰব্ৰজিত হয় যিখনৰ বিষয়ে তেওঁ বেছিকৈ জানে, যিখনৰ জীৱন তেওঁৰ জীৱনৰ লগত বেছিকৈ মিলে।



মানৱসভ্যতাৰ ইতিহাস প্ৰব্ৰজনৰ ইতিহাস। প্ৰব্ৰজন মানৱসভ্যতাৰ গতিৰ এক স্বাভাৱিক প্ৰক্ৰিয়া আৰু এক গুৰুত্বপূৰ্ণ উপাদান হৈ ৰৈছে। মানুহৰ সভ্যতাৰ আৰম্ভ হোৱা দিন ধৰি প্ৰব্ৰজন ঘটি আহিছে — ইখন মহাদেশৰপৰা সিখনলৈ, ইখন দেশৰপৰা আনখনলৈ, এটা অঞ্চলৰপৰা আন এটালৈ, গাঁৱৰপৰা চহৰলৈ। এনে প্ৰব্ৰজনে মানুহৰ সভ্যতাৰ গতিক সমৃদ্ধিশালী কৰি আহিছে।

এখন ঠাইৰ বাবে প্ৰব্ৰজনৰ প্ৰয়োজনীয়তা বা অপ্ৰয়োজনীয়তাৰ কথা এটাও আছে। এখন ঠাইলৈ প্ৰব্ৰজন হোৱাটো তেতিয়ালৈকেহে প্ৰয়োজন, যেতিয়ালৈকে প্ৰব্ৰজিত মানুহখিনিৰ প্ৰয়োজনীয়তা থাকে। যেতিয়াই এই প্ৰয়োজন শেষ হয় তেতিয়াৰপৰা পিছত এনে প্ৰব্ৰজন ঠাইখনৰ বাবে সমস্যা হ'বলৈ ধৰে আৰু ক্ৰমান্বয়ে বিপদ হৈ পৰে। ক্ষিপ্ৰ হাৰত আজিৰ পৃথিৱীৰ জনসংখ্যা বাঢ়িছে আৰু লগে লগে পৃথিৱীত মানুহৰ থকা ঠাই কমিছে। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত স্বাধীন দেশবোৰৰ মাজলৈ অনা জাতি-ৰাষ্ট্ৰ (nation state)ৰ ধাৰণাই ৰাষ্ট্ৰবিশেষে একক জাতিবাদক সংহত কৰিছে, যি-জাতীয়তাবাদৰ এক মূল ধাৰণা হৈছে দেশৰ সীমা। এই দুটা কথাই মানৱ-প্ৰব্ৰজনৰ ধাৰণা আৰু প্ৰক্ৰিয়াটোলৈ যথেষ্ট পৰিৱৰ্তন আনিছে। আজিৰ পৃথিৱীত যদিও প্ৰব্ৰজন এক স্বাভাৱিক প্ৰক্ৰিয়া, ইয়াক কিন্তু সহজভাৱে গ্ৰহণ কৰা নহয়। প্ৰব্ৰজন বিষয়টো এতিয়া হৈ পৰিছে দেশবিশেষে সমস্যা, শঙ্কা আৰু বিপদ।

## পৃষ্ঠভূমি অসম

প্ৰাগৈতিহাসিক কালৰপৰা বৰ্তমানলৈকে বিভিন্ন সময়ত বিভিন্ন জনগোষ্ঠীয় আৰু ধৰ্মৰ মানুহে আহি অসমত বসবাস কৰিছেহি। এই প্ৰব্ৰজনসমূহে অসমত এখন জটিল আৰু এক বহুসাংস্কৃতিক সমাজ গঢ় লৈ উঠাত সহায় কৰিছে। সাৰুৱা উপত্যকা, উচ্চ আৰ্দ্ৰতা, প্ৰচুৰ পৰিমাণৰ বৰষুণ, গছ-বনৰ প্ৰাচুৰ্য, বিভিন্ন প্ৰজাতিৰ প্ৰাণীকুলেৰে সমৃদ্ধ এক উপযোগী পৰিৱেশথলি হোৱাৰ সুবাদত বৰ্তমানৰ উত্তৰ-পূৰ্বাঞ্চলে প্ৰাগৈতিহাসিক কালৰেপৰা মানুহক আকৰ্ষণ কৰি আহিছে। নৃতত্ত্ববিদসকলৰ মতে, বৰ্তমানৰ উত্তৰ-পূৰ্বাঞ্চলত জনবসতি আৰম্ভ হৈছিল খ্ৰীষ্টজন্মৰ কেইবাশতিকাও পূৰ্বে দক্ষিণ-পূব এছিয়াৰপৰা অহা অষ্ট্ৰিক লোকসকলৰদ্বাৰা। ব্ৰহ্মপুত্ৰ উপত্যকাৰ সমীপৱৰ্তী পাহাৰীয়া অঞ্চলবোৰত তেওঁলোকে বসবাস কৰিবলৈ লৈছিল। সম্ভৱতঃ পিছত অহা তিব্বতীয়-বৰ্মী জনগোষ্ঠীসমূহে তেওঁলোকক খেদি পঠিয়ায় আৰু তেওঁলোক বৰ্তমান বসবাস কৰি থকা খাচী, কাৰ্বি আংলং আৰু কাছাৰ পাহাৰলৈ যায়গৈ। তিব্বতীয়-বৰ্মী ভাষা-ভাষী জনগোষ্ঠীসমূহ অসমলৈ প্ৰব্ৰজিত দ্বিতীয় উল্লেখনীয় জনজাতি। এওঁলোক মঙ্গোলীয় আৰু বৰ্তমান অৰুণাচলৰ মনপা জনগোষ্ঠী, অসমৰ মিচিং, দেউৰী আৰু বড়ো, নগা, মণিপুৰী আৰু মিজো জনজাতিৰ বহুকেইটা গোট এই তিব্বতীয়-বৰ্মী বৰ্গৰ জনজাতি। আকৌ, ত্ৰয়োদশ শতিকাৰ আৰম্ভণিৰপৰা অসমলৈ দুই ধৰণৰ প্ৰব্ৰজন আৰম্ভ হৈছিল — পূৰ্বৰপৰা

আহোমৰ আৰু পশ্চিমৰপৰা মুছলমানৰ। এই প্ৰব্ৰজনসমূহৰ পৰিণতিত আহোমে ১২২৮ খ্ৰীষ্টাব্দত অসমত এখন ৰাজ্য স্থাপন কৰিবলৈ সক্ষম হ'ল আৰু ১৮২৬ খ্ৰীষ্টাব্দত ব্ৰিটিছে অধিগ্ৰহণ কৰালৈকে প্ৰায় ৬০০ বছৰ তেওঁলোকে অসমত শাসন চলালে। ১২০৬ খ্ৰীষ্টাব্দৰপৰা পিছৰ ৪০০ বছৰ মুছলমানেও অসম অধিকাৰ কৰিবলৈ কেইবাবাৰো আক্ৰমণ চলালে যদিও সফল নহ'ল। এই সময়ছোৱাত মোগল বা পাঠান সেনাবাহিনীৰ মুছলমান সৈন্যসকল, যিসকল যুদ্ধবন্দী হিচাপে বা স্ব-ইচ্ছাৰে উভতি নগৈ ইয়াত ৰৈ গৈছিল, স্থানীয় সুদক্ষ লোকৰ অভাৱত আহোম প্ৰশাসনে যিসকল কাৰিকৰী জ্ঞানসম্পন্ন মুছলমানক উত্তৰ ভাৰতৰ বিভিন্ন অঞ্চলৰপৰা আমদানি কৰি আনিছিল আৰু যিসকল মুছলমান ধৰ্মপ্ৰচাৰ কৰিবলৈ আহিছিল সেই সকলৰ মাধ্যমেৰে মুছলমানৰ প্ৰব্ৰজন অসমলৈ চলি আহিছিল।

ব্ৰিটিছে অধিকাৰ কৰালৈকে অসমলৈ হৈ থকা প্ৰব্ৰজন আছিল এক অহৰহ প্ৰক্ৰিয়া। ওপৰত আমি তাৰে কিছুমান মুখ্য প্ৰৱণতা (trend)হে উল্লেখ কৰিছোঁ। ব্ৰিটিছে অসম অধিকাৰ কৰাৰ পিছত আধুনিক অসমলৈ প্ৰব্ৰজনৰ গতি আৰু প্ৰকৃতিলৈও যথেষ্ট পৰিৱৰ্তন আহিল। ব্ৰিটিছৰ শাসনকালত অসমলৈ হোৱা প্ৰব্ৰজনত ইংৰাজ চৰকাৰৰ প্ৰত্যক্ষ বা পৰোক্ষ সহযোগ আছিল।

## ব্ৰিটিছ শাসনকালত অসমলৈ হোৱা প্ৰব্ৰজন

ব্ৰিটিছ শাসিত অসমলৈ বিভিন্ন গোষ্ঠী আৰু সম্প্ৰদায়ৰ মানুহৰ প্ৰব্ৰজন ঘটিছিল। এই প্ৰব্ৰজনসমূহৰ প্ৰেক্ষাপট আৰু প্ৰকৃতি অৱশ্যে ভিন্ন আছিল। এই প্ৰব্ৰজনসমূহৰ প্ৰেক্ষাপট আৰু প্ৰকৃতি জানিবলৈ চেষ্টা কৰা যাওক।

## চাহবনুৱা শ্ৰেণীৰ প্ৰব্ৰজন

অসমত চাহৰ ব্যৱসায় আৰম্ভ কৰাৰ পিছতেই ইংৰাজ চাহখেতিয়কসকল বনুৱাৰ সমস্যাত পৰিছিল। চাহ-উদ্যোগত অহৰহ বনুৱাৰ যোগানৰ দৰকাৰ। কিন্তু আৰম্ভ কৰা চাহ-উদ্যোগটোক গতি দিবলৈ সহজলভ্য আৰু যোগ্য বনুৱাৰ অভাৱ ইংৰাজসকলে বাৰুকৈয়ে উপলব্ধি কৰিছিল। আনকি ১৯৩১ চনৰ The Royal Commission of Labour in Indiaই ব্যক্ত কৰিছিল: "From the point of view of the employer, the outstanding problem during the whole history of tea planting in Assam had been the scarcity of labour."[১]

প্ৰথমতে ইংৰাজ চাহখেতিয়কসকলে অসমৰ থলুৱা মানুহৰ মাজৰপৰাই চাহবাগানৰ বনুৱা মকৰল কৰাৰ প্ৰচেষ্টা চলাইছিল। কিন্তু নিম্নলিখিত কাৰণবোৰে তেওঁলোকৰ এই প্ৰচেষ্টা সফল হ'বলৈ নিদিলে। প্ৰথম, ঊনৈছ শতিকাৰ প্ৰথম ভাগত সঘনাই স্বাভাৱিক ৰূপত হৈ থকা কলেৰা, মেলেৰিয়া, মাজুআই, গ্ৰহণী আদি মহামাৰীয়ে অসমৰ থলুৱা জনসংখ্যা যথেষ্ট কমাই আনিছিল। দ্বিতীয়তে, ১৮১৬ চনৰপৰা ১৮২৪ চনৰ ভিতৰত ব্ৰহ্মদেশে অসমৰ ওপৰত বহুবাৰ আক্ৰমণ



চলাইছিল। আকৌ ওঠৰ শতিকাত অসমৰ বিভিন্ন প্ৰান্তত ঘটা গৃহযুদ্ধবোৰেও অঞ্চলটোক সন্ত্ৰাসজৰ্জৰিত কৰি ৰাখিছিল। এনে সন্ত্ৰাস আৰু মানৱ আক্ৰমণ আৰু অত্যাচাৰৰপৰা পৰিত্ৰাণ পাবলৈ অসমৰ সমতল অঞ্চলৰ জনসাধাৰণৰ এক বৃহৎ অংশ ওচৰৰ পাহাৰসমূহলৈ পলাই গৈছিল। তৃতীয়তে, তেতিয়ালৈকে অসমৰ থলুৱা জনসাধাৰণ শ্ৰম-মজুৰি ব্যৱস্থাটোৰ লগত চিনাকি আৰু অভ্যস্ত হোৱা নাছিল। তেওঁলোকৰ দৈনন্দিন প্ৰয়োজনীয় খাদ্যশস্য আদিৰ অভাৱ নাছিল। মাত্ৰ খাজানা দিবলৈহে তেওঁলোকক নগদ টকাৰ প্ৰয়োজন হৈছিল, যি আকৌ পৰিমাণত তেনেই নগণ্য আছিল। তেনে প্ৰেক্ষাপটত চাহবাগানত কষ্টৰ মজদুৰি কৰিবলৈ থলুৱা জনসাধাৰণ মুঠেই আগ্ৰহী নাছিল। আকৌ, থলুৱা হোৱাৰ সূত্ৰে এওঁলোক প্ৰকৃতিত সংগঠিত আৰু বিপ্লৱী আছিল, যিটো কথা আকৌ ইংৰাজ মালিক পক্ষই মুঠেই পছন্দ নকৰিছিল।[২]

এনে এক পৰিৱেশত, ইংৰাজ চাহখেতিয়কৰ ব্যৱসায়ৰ স্বাৰ্থত ব্ৰিটিছ চৰকাৰে অসমৰ বাহিৰৰপৰা বনুৱা আমদানিৰ পৰিকল্পনা ল'লে। প্ৰথমে ইংৰাজসকলে চীনা বনুৱা আমদানিৰ কথা ভাবিলে। কিন্তু চীনা বনুৱাসকলে দাবী কৰা মজুৰি আছিল যথেষ্ট উচ্চ। সেই সময়ত থলুৱা বনুৱাই চাহবাগানত কৰা শ্ৰমৰ মজুৰি মাহে ৩/৪ টকা দাবী কৰাৰ বিপৰীতে চীনা বনুৱাসকলে দাবী কৰিলে মাহে ১৬ টকা। সেয়ে ১৮৪৩ চন মানৰপৰা ইংৰাজ চাহখেতিয়কে চীনা বনুৱাৰ আমদানি বন্ধ কৰিবলৈ বাধ্য হ'ল। ইফালে থলুৱা বনুৱাৰেও চাহ-উদ্যোগক চলাই নিব নোৱৰা অৱস্থা এটা হ'ল। ১৮৫৯ চনত চাহবনুৱাৰ সংখ্যা হৈছিলগৈ মাত্ৰ ১০০০০ মান, অথচ এই সময়ত বনুৱাৰ প্ৰয়োজন আছিল ১৬০০০ৰপৰা ২০০০০ৰ ভিতৰত।[৩] তেতিয়া ইংৰাজ চাহখেতিয়কসকলে অসমৰ বাহিৰৰপৰা, কিন্তু ব্ৰিটিছে ভাৰতৰে কোনো স্থানৰপৰা চাহবাগানৰ শ্ৰমিক আমদানিৰ পৰিকল্পনা ল'লে। তেওঁলোকে এনেকুৱা স্থানৰ সন্ধান কৰিলে য'ত জনবসতি অতি ঘন, সৰ্বত্ৰ দৰিদ্ৰতা বিৰাজমান আৰু জীয়াই থকাৰ স্বাৰ্থত কাম কৰিবলৈ মানুহ ব্যাকুল। এনে সন্ধানৰ অন্তত ইংৰাজ চাহখেতিয়কসকলে ব্ৰিটিছ ভাৰতৰ বিহাৰ, উৰিষ্যা, বংগ, ছোটনাগপুৰ, কেন্দ্ৰীয় প্ৰদেশ (বৰ্তমানৰ মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ আৰু ছত্তিচগড়ৰ অংশ), মাদ্ৰাজ (বৰ্তমানৰ অন্ধ্ৰ আৰু তামিলনাডু) আদি অঞ্চলৰপৰা জাকে জাকে শ্ৰমিক আমদানি কৰিবলৈ ল'লে। এই অঞ্চলসমূহত ১৮৭৩ চনৰ দুৰ্ভিক্ষ আৰু স্থায়ী আৰু অস্থায়ী জমিদাৰী ব্যৱস্থাই থিৰাং কৰা উচ্চ হাৰৰ মাটিৰ খাজানাই এচাম ভূমিহীন শ্ৰমিকৰ জীৱন দুৰ্বিষহ কৰি তুলিছিল। এনে দুৰ্বিষহ জীৱনৰপৰা পৰিত্ৰাণ বিচাৰি এইচাম শ্ৰমিকৰ এক বুজন অংশ এক নিৰাপদ জীৱনৰ সন্ধানত অসমৰ চাহবাগানত শ্ৰমিক হ'বলৈ ঢাপলি মেলিছিল।

অধ্যাপক অমলেন্দু গুহৰ মতে, ১৮৮৪-৮৫ চনত অসমৰ মুঠ চাহবনুৱাৰ ৪৪.৭ শতাংশ ছোটনাগপুৰ, ২৭.২ শতাংশ বঙ্গ, ২১.৬ শতাংশ যুক্ত প্ৰদেশ (বৰ্তমান উত্তৰ প্ৰদেশ) আৰু বিহাৰ, ০.২ শতাংশ বোম্বাই আৰু ০.৭ শতাংশ

মাদ্ৰাজ প্ৰদেশৰপৰা আমদানি কৰা বনুৱাৰে সংগঠিত হৈছিল। ইয়াৰ ভিতৰত মাত্ৰ ৫.৫ শতাংশ বনুৱাহে অসমৰ থলুৱা আছিল। আকৌ ১৮৮৯ চনত মুঠ চাহবনুৱাৰ অৰ্ধেক ছোটনাগপুৰৰ, এক-চতুৰ্থাংশ বঙ্গৰ আৰু মাত্ৰ ৫ শতাংশহে অসমৰ বনুৱাৰে সংগঠিত হৈছিল।[৪] তলৰ তালিকাই (তালিকা ১) ১৯০২ চনৰপৰা ১৯৩৭-৩৮ চনলৈকে অসমলৈ প্ৰতি বছৰে আমদানি কৰা চাহবনুৱাৰ তথ্যক প্ৰতিফলিত কৰিব।

তালিকা ১

অসমলৈ বাৰ্ষিক সন্তানসহ বনুৱাৰ প্ৰব্ৰজন (১৯০২-১৯৩৮)

| বৰ্ষ | সংখ্যা | বৰ্ষ | সংখ্যা |
|---|---|---|---|
| ১৯০২-০৩ | ২৬,৬৮৪ | ১৯১৯-২০ | ১,০২,০৮৯ |
| ১৯০৩-০৪ | ২২১৬২ | ১৯২০-২১ | ২৫,৪৭২ |
| ১৯০৪-০৫ | ২৪২০৯ | ১৯২৪-২৫ | ৩৩,৭২৭ |
| ১৯০৫-০৬ | ৩১৮৩০ | ১৯২৫-২৬ | ৩৩,০০৯ |
| ১৯০৬-০৭ | ২৫৬১৭ | ১৯২৬-২৭ | ৪৫,৬৯৪ |
| ১৯০৭-০৮ | ৮৪৮২৪ | ১৯২৭-২৮ | ৪২,৮৪৫ |
| ১৯০৮-০৯ | ৬০৭৭৩ | ১৯২৮-২৯ | ৬৮,৯০০ |
| ১৯০৯-১০ | ৩৯৩৩২ | ১৯২৯-৩০ | ৫৯,৭৯৬ |
| ১৯১০-১১ | ৪৩৬৫৭ | ১৯৩০-৩১ | ৫৩,৫১৯ |
| ১৯১১-১২ | ৫৮৬৪৬ | ১৯৩১-৩২ | ৫০,৯৯৭ |
| ১৯১২-১৩ | ৫৯৮৭৩ | ১৯৩২-৩৩ | ৩৯,৯০১ |
| ১৯১৩-১৪ | ৫৮৬৪৬ | ১৯৩৩-৩৪ | ৪৭,৯৬০ |
| ১৯১৪-১৫ | ৬৩৬৩৮ | ১৯৩৪-৩৫ | ১৯,৯৬৮ |
| ১৯১৫-১৬ | ১১০৩৭৬ | ১৯৩৫-৩৬ | ২৩,৮৭৬ |
| ১৯১৬-১৭ | ৪৮১৩০ | ১৯৩৬-৩৭ | ২৭,৮৪২ |
| ১৯১৭-১৮ | ১৯৪০৭ | ১৯৩৭-৩৮ | ৩২,৩৩৫ |
| ১৯১৮-১৯ | ২২২১৭১ | | |

উৎস: Amalendu Guha. *Planter Raj to Swaraj: Freedom Struggle & Electoral Politics in Assam*. Delhi: ICHR, 2006, p. 290

ক'ব পাৰি, স্বাধীনতাৰ পূৰ্ববৰ্তী সময়ত অসমলৈ হোৱা চাহবনুৱাৰ প্ৰব্ৰজন আছিল ইংৰাজ চৰকাৰৰ প্ৰত্যক্ষ সহযোগ আৰু পৃষ্ঠপোষকতাত হোৱা প্ৰব্ৰজন, আৰু ই আছিল প্ৰয়োজনভিত্তিক।

## হিন্দু-বাঙালীৰ প্ৰব্ৰজন

অসমত ঔপনিৱেশিক শাসন আৰম্ভ হোৱাৰ প্ৰায় লগে লগেই ব্ৰহ্মপুত্ৰ উপত্যকালৈ আৰম্ভ হৈছিল হিন্দু বাঙালীৰ প্ৰব্ৰজন। ঔপনিৰেশিক শাসনৰ লগে লগে এক নতুন ব্যৱস্থা আৰম্ভ হৈছিল, মূলতঃ প্ৰশাসনিক ক্ষেত্ৰখনত। এই নতুন



প্ৰশাসনিক ব্যৱস্থাটোক আগুৱাই নিবলৈ নতুন জ্ঞান আৰু নতুন কৌশল (skill)ৰ প্ৰয়োজন হৈছিল। আৰু এই নতুন জ্ঞান আৰু কৌশলৰ মূল মাপকাঠী হৈছিল ইংৰাজী ভাষাত দক্ষতা। অসমতকৈ বহু আগতে ইংৰাজৰ অধীনলৈ অহা বঙ্গ অঞ্চলত ইতিমধ্যে ঔপনিৱেশিক শিক্ষাৰে শিক্ষিত হৈ এচাম ইংৰাজী ভাষাত দক্ষ লোকৰ সৃষ্টি হৈছিল। আৰু অসমৰ নিয়োগৰ ক্ষেত্ৰখনে কঢ়িয়াই অনা সুযোগখিনিক গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিছিল ইংৰাজী শিক্ষাৰে শিক্ষিত এচাম বাঙালী লোক। ইংৰাজ প্ৰশাসনত থলুৱাসকলৰ বাবে মুক্ত থকা নিয়োগৰ ক্ষেত্ৰখন দখল কৰিবলৈ ল'লে মূলতঃ হিন্দু বাঙালীসকলে। বিংশ শতাব্দীৰ প্ৰথম ভাগলৈকে, আনকি অসমৰ চিকিৎসা, আইন, শিক্ষকতা আদি বৃত্তিৰ ক্ষেত্ৰখনো, হিন্দু বাঙালী লোকৰ একচেটীয়া ক্ষেত্ৰ হৈ উঠিছিল। অসমৰ ব্ৰিটিছ-শাসনৰ আৰম্ভণিৰ সময়ত ইংৰাজ চৰকাৰ এই হিন্দু বাঙালীসকলৰ ওপৰত ইমানেই নিৰ্ভৰশীল হৈ উঠিছিল যে ১৮৩৭ চনৰপৰা ১৯৭৩ চনলৈকে চৰকাৰে বাংলাক অসমৰ স্কুলৰ মাধ্যম আৰু আইনী ভাষাৰ মৰ্যাদা দিছিল।

ইংৰাজ-শাসনৰ অধীনত অসমলৈ যথেষ্টসংখ্যক বাঙালী হিন্দুৰ প্ৰব্ৰজন ঘটিছিল। এই প্ৰব্ৰজনো মূলতঃ ব্ৰিটিছ ভাৰতবৰ্ষৰ ভিতৰৰ প্ৰক্ৰিয়াই আছিল। ব্ৰিটিছ ভাৰতবৰ্ষত ছিলেটৰপৰা ঘটা প্ৰব্ৰজন আছিল আন্তঃ বা ভিতৰুৱা। আকৌ, ১৯০৫ চনৰপৰা ১৯১২ চনলৈকে অসম আৰু পূৰ্ববঙ্গক লৈ এখন ৰাজ্য গঠন কৰা হৈছিল। যি নহওক, ব্ৰহ্মপুত্ৰ উপত্যকালৈ হিন্দু বাঙালীসকল প্ৰব্ৰজিত হৈছিল মূলতঃ ইংৰাজ প্ৰশাসনৰ বিভিন্ন স্তৰৰ নিয়োগৰ সুবিধা ল'বলৈ।

## নেপালী প্ৰব্ৰজন

চুবুৰীয়া ৰাষ্ট্ৰ নেপালৰপৰা অসমলৈ পুৰণি কালৰপৰাই প্ৰব্ৰজন ঘটি আহিছে। অসমলৈ অহা এই নেপালীসকল মূলতঃ নেপালৰ জনজাতীয় গোষ্ঠীৰ আৰু কাঠমাণ্ডু উপত্যকাৰ নেৱাৰ গোষ্ঠীৰ। ব্ৰিটিছৰ শাসনকালতো অসমলৈ নেপালীসকলৰ প্ৰব্ৰজন ঘটি আছিল। উত্তৰ-পূৰলৈ এক বৃহৎ নেপালী প্ৰব্ৰজন ঘটিছিল উনৈছ শতিকাৰ শেষভাগত। এওঁলোকক ইংৰাজ চৰকাৰে আনিছিল বঙ্গৰ দাৰ্জিলিং জিলালৈ চাহবাগানৰ বনুৱা হিচাপে কাম কৰিবলৈ। দাৰ্জিলিঙৰ পাহাৰীয়া অঞ্চলৰ এটলীয়া ঠাইৰ চাহবাগানত কাম কৰাত জনজাতীয় নেপালীসকল সুদক্ষ প্ৰমাণিত হৈছিল। লাহে লাহে চিকিম আৰু দাৰ্জিলিঙৰ সমাজ আৰু অৰ্থনীতিত নেপালীসকল শক্তিশালী হৈ আহিবলৈ ল'লে। বিংশ শতাব্দীৰ আৰম্ভণিৰপৰা অসমলৈ নেপালী প্ৰব্ৰজন ক্ৰমাৎ বাঢ়ি আহিবলৈ ধৰিলে। ব্ৰিটিছ শাসনত North-East Frontier Agency (বৰ্তমানৰ অৰুণাচল)ক বাদ দি অসমৰ সকলো অঞ্চলত নেপালীসকলক কৰ্ম আৰু বাসস্থানৰ সুবিধা দিয়া হ'ল। ব্ৰিটিছ-শাসনত আনকি যিবোৰ excluded areaত অসমৰ ভৈয়ামৰ লোকে বাস কৰিব নোৱাৰিছিল, সেইবোৰতো প্ৰব্ৰজিত নেপালীসকলে বাস কৰিব পাৰিছিল। ১৯৮০ চনলৈকে

অসমৰ ট্ৰাইবেল বেল্টসমূহতো জনজাতিসমূহৰ দৰে নেপালীসকলেও সুৰক্ষা আৰু সংৰক্ষণ লাভ কৰি আহিছিল। এনে পৰিস্থিতিত নেপালীসকলৰ প্ৰব্ৰজনৰ বাবে অসম এখন অতি সুবিধাজনক আৰু আকৰ্ষণীয় ঠাই বুলি চিহ্নিত হৈছিল। আনকি ১৯৫০ চনৰ ভাৰত-নেপাল মৈত্ৰী চুক্তিয়েও দুয়োখন দেশৰ মাজত বাধাহীন অহা-যোৱা, অৰ্থনৈতিক কাৰ্যকলাপত লিপ্ত হোৱা, বসবাস কৰা, সম্পত্তি আহৰণ কৰা আৰু সকলো আইনী অধিকাৰ পোৱাৰ ব্যৱস্থা কৰি থৈছে। এনে পৰিৱেশে আৰু ব্যৱস্থাই যথেষ্ট জনসংখ্যাৰ দুখীয়া দেশ নেপালৰপৰা অসমলৈ প্ৰব্ৰজনৰ পথ সকলো সময়তে প্ৰশস্ত কৰি ৰাখিছে।

২নং তালিকাৰ তালিকাৰপৰা ১৯০১ খ্ৰীষ্টাব্দৰপৰা ১৯৯১ খ্ৰীষ্টাব্দলৈকে অসমত নেপালী জনসংখ্যাৰ বৃদ্ধিৰ পৰিসংখ্যা লাভ কৰিব পাৰি।

তালিকা ২

অসমত নেপালী জনসংখ্যাৰ বৃদ্ধি (১৯০১-১৯৯১)

| বৰ্ষ | নেপালী জনসংখ্যা | মুঠ জনসংখ্যাৰ শতকৰা হাৰ |
|---|---|---|
| ১৯০১ | ২১,৩৪৭ | ০.৩৫ |
| ১৯১১ | ৪৭,৬৫৪ | ০.৬৭ |
| ১৯২১ | ৭০,৩৪৪ | ০.৯৪ |
| ১৯৩১ | ৮৮,৩০৬ | ১.০২ |
| ১৯৫১ | ১,০১,৩৩৮ | ১.২৬ |
| ১৯৬১ | ২,১৫,২১৩ | ১.৯৮ |
| ১৯৭১ | ৩,৪৯,১১৬ | ২.৩৮ |
| ১৯৯১ | ৪,৩২,৫১৯ | ১.৯৩ |

উৎস: Census of India Reports, 1901-71. Monimala Devi. "Economic History of Nepali Migration and Settlement in Assam." *Economic and Political Weekly*, 21 July 2007, p. 3005

## মাৰোৱাৰী, বিহাৰী আদি

ব্ৰিটিছ শাসনকালত অসমলৈ প্ৰব্ৰজন ঘটা আন এক গোষ্ঠী হ'ল মাৰোৱাৰীসকল। এওঁলোক ৰাজস্থানৰ এক ব্যৱসায়ী গোষ্ঠী। অসমত সিন্ধীসকলকো মাৰোৱাৰী বুলিয়েই ভবা হৈছিল। ব্ৰিটিছ ভাৰতত অন্য প্ৰান্তৰপৰা অহা বনুৱাৰে চাহ-ব্যৱসায়ে গঢ় লোৱাত, পূৰ্ববঙ্গৰপৰা অহা মুছলমানে পতিত মাটিবোৰত খেতি কৰাৰ আৰু শিক্ষিত বাঙালীসকলে চৰকাৰৰ প্ৰশাসন ব্যৱস্থাটোক সুস্থিৰ কৰি তোলাৰ পিছত অসমত উদ্ভৱ হোৱা ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰখন দখল কৰিবলৈ আগবাঢ়ি আহিছিল বৰ্তমান ভাৰতৰ পশ্চিম প্ৰান্তৰ কিছুমান ব্যৱসায়িক গোষ্ঠীয়ে, যাৰ ভিতৰত প্ৰধান আছিল মাৰোৱাৰীসকল। ব্যৱসায়ৰ স্বাৰ্থত তেওঁলোক ডাঙৰ চহৰৰ লগতে সৰু সৰু চহৰসমূহত, আনকি যোগাযোগৰ সুচল গাঁওসমূহতো



সোমাই পৰিছিল। তেওঁলোকে বিভিন্ন খুচুৰা ব্যৱসায়ৰ দোকান আৰম্ভ কৰিছিল, সাপ্তাহিক হাটবোৰত ব্যৱসায় কৰিছিল আনকি চিনাকী দাঁতিকাষৰীয়া মানুহক ঋণ দিয়াৰ ব্যৱসায়ো কৰিছিল। লাহে লাহে অসমত ব্ৰহ্মপুত্ৰ উপত্যকাৰ সমগ্ৰ ব্যৱসায় এই মাৰোৱাৰী গোষ্ঠীৰ নিয়ন্ত্ৰণলৈ আহিছিল।

আকৌ শ্ৰমৰ সন্ধানত অসমলৈ বৰ্তমানৰ বিহাৰ, উত্তৰ প্ৰদেশ আদিৰপৰা এচাম হিন্দীভাষী শ্ৰমিকৰো প্ৰব্ৰজন হৈছিল। এই হিন্দীভাষী শ্ৰমিকসকলক বিহাৰী বুলিয়েই জনা গৈছিল। তেওঁলোক মূলতঃ ৰিক্সা চলোৱা, ঠেলা চলোৱা, ৰাজমিস্ত্ৰী, কাঠ-মিস্ত্ৰী, মাটি-কটা, চুলি-কটা আদি কামত নিয়োজিত হৈছিল।

৩নং তালিকাই ১৯২১ আৰু ১৯৩১ চনৰ জনগণনাৰ তথ্য অনুসৰি ব্ৰিটিছ ভাৰতত বিভিন্ন প্ৰান্তৰপৰা অসমলৈ প্ৰব্ৰজিত লোকৰ সংখ্যা দেখুৱাইছে। এই তালিকাৰ তথ্যই ওপৰৰ আলোচনাক যথেষ্ট পৰিমাণে সাব্যস্ত কৰিব।

তালিকা ৩

অসমলৈ হোৱা প্ৰব্ৰজন (১৯২১-১৯৩১) [হাজাৰত]

| জন্মস্থান | ১৯২১ | ১৯৩১ |
|---|---|---|
| বঙ্গ | ৩৭৬ | ৫৭৩ |
| বিহাৰ আৰু উৰিষ্যা | ৫৭১ | ৪৭২ |
| কেন্দ্ৰীয় প্ৰদেশ | ৯১ | ৮২ |
| সংযুক্ত প্ৰদেশ | ৭৭ | ৬৮ |
| মাদ্ৰাছ | ৫৫ | ৫৮ |
| চেণ্ট্ৰেল ইণ্ডিয়া এজেঞ্চি | ১৮ | ১৫ |
| ৰাজপুতনা | ১৬ | ২২ |
| বাৰ্মা | ৭ | ৮ |
| বম্বে | ১ | ৬ |
| পাঞ্জাব | ৩ | ৬ |
| ভাৰতৰ অনান্য ঠাই | ২ | ২ |

উৎস: Census of India, 1931, Assam Part, Vol. III, Part. I, Chap, III, pp. 43-5

## মুছলমানৰ প্ৰব্ৰজন

ব্ৰিটিছ-শাসনকালত যথেষ্টসংখ্যক মুছলমান অসমলৈ প্ৰব্ৰজিত হৈছিল আৰু অসমলৈ মুছলমান প্ৰব্ৰজন ব্ৰিটিছ ভাৰতৰ ভিতৰতে হোৱা প্ৰব্ৰজন আছিল। অসমলৈ মুছলমান প্ৰব্ৰজনৰ নেপথ্যৰ মূল কাৰণ আছিল দুটা: ব্ৰিটিছ চৰকাৰৰ ৰাজহ-বৃদ্ধিৰ প্ৰয়োজন আৰু অসমত মুছলমানৰ জনসংখ্যা বৃদ্ধিৰে অঞ্চলটোক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰিবলৈ মুছলিম লীগ নেতৃত্বাধীন অসমৰ প্ৰাদেশিক চৰকাৰখনে কৰা ৰাজনীতি। উল্লিখিত প্ৰয়োজন আৰু ৰাজনীতি অসমৰ ইতিহাসত যথেষ্ট চৰ্চিত আৰু বিতৰ্কিত। অসমলৈ ব্ৰিটিছ শাসনৰ অধীনত হোৱা মুছলমান প্ৰব্ৰজনৰ প্ৰকৃত চিত্ৰখন বুজি উঠাৰ স্বাৰ্থত এই প্ৰয়োজন আৰু ৰাজনীতি কিছু

ক. য'ত দ্বিধাহীনভাৱে প্ৰব্ৰজিতসকল সংস্থাপিত হ'ব পাৰিব,
খ. য'ত প্ৰব্ৰজিতসকল কোনোপধ্যেই সংস্থাপিত হ'ব নোৱাৰিব, আৰু
গ. যিবোৰ অঞ্চলত লাইন-প্ৰথা বলৱৎ কৰা হৈছিল সেইবোৰত লাইনৰ নিৰ্দিষ্ট এফালেহে প্ৰব্ৰজিতসকল সংস্থাপিত হ'ব পাৰিব।

চৰকাৰৰ লাইন-প্ৰথা আঁচনি বৰ্ধিত ৰাজহ-সংগ্ৰহৰ ক্ষেত্ৰত যথেষ্ট ফলদায়ক হ'ল। এই আঁচনিয়ে পতিত ভূমিত অৱস্থিত গাঁওসমূহক বিভিন্ন ভাগত ভাগ কৰিলে:

১. প্ৰব্ৰজনকাৰীৰ পূৰ্ণ দখলত থকা গাঁও,
২. অসমীয়া খিলঞ্জীয়াসকলৰ বাবে সম্পূৰ্ণৰূপে সংৰক্ষিত গাঁও,
৩. এই দুই গোটে সহাৱস্থান কৰা মিশ্ৰ গাঁও, আৰু
৪. লাইন নিৰ্ধাৰণ কৰা গাঁও য'ত লাইনৰ যি-ফালে খিলঞ্জীয়াসকলে বসবাস কৰিছিল, সেইফালে প্ৰব্ৰজিতসকলে ভূমিৰ আবণ্টন নাপাইছিল।

লাইন-প্ৰথাই পূৰ্ববঙ্গৰপৰা বৃহৎ হাৰত অসমলৈ হৈ থকা প্ৰব্ৰজনক কোনোপধ্যেই কমাব নোৱাৰিলে। অৱশ্যে চৰকাৰে ঘোষণা কৰিলেও লাইন-প্ৰথাত প্ৰব্ৰজন ৰোধ কৰাৰ ব্যৱস্থা নাছিল। এই ব্যৱস্থাৰ অন্তৰ্নিহিত লক্ষ্য আছিল খিলঞ্জীয়াসকলক প্ৰব্ৰজিতসকলৰপৰা সুৰক্ষিত কৰি ৰখা, যাতে এই দুই গোটৰ সংঘাতে খিলঞ্জীয়াসকলৰ মাজত প্ৰব্ৰজন প্ৰক্ৰিয়াটোৰ প্ৰতি কোনো প্ৰতিবাদৰ জন্ম নিদিয়ে। ব্ৰিটিছ চৰকাৰে ৰাজহ বৃদ্ধিৰ স্বাৰ্থত এই নীতি উৎসাহেৰে আগুৱাই লৈ গ'ল। লাইন-প্ৰথাই বৃদ্ধি কৰা ৰাজহৰ পৰিমাণত উদ্বুদ্ধ হৈ চৰকাৰে ১৯২৮ খ্ৰীষ্টাব্দত কল'নাইজেচন আঁচনি গ্ৰহণ কৰিলে। এই কল'নাইজেচন আঁচনি আছিল লাইন-প্ৰথাক প্ৰায় বাতিলকৰণৰ দৰে। কাৰণ এই কল'নাইজেচন আঁচনিৰ অধীনত অগ্ৰিম ধনৰ বিনিময়ত প্ৰতিটো প্ৰব্ৰজিত পৰিয়ালক ২০ বিঘাকৈ ভূমি আবণ্টনৰ নিশ্চয়তা দিয়া হ'ল। এই আঁচনি ১৯২৮ খ্ৰীষ্টাব্দত প্ৰথমতে নগাঁও জিলাত আৰু পিছত কামৰূপ জিলাৰ বৰপেটা মহকুমা আৰু দৰং জিলাৰ মঙ্গলদৈ মহকুমাত কাৰ্যকৰী কৰা হ'ল।[৭]

লাইন-প্ৰথা আৰু তাৰ পিছত ক'লনাইজেচন আঁচনিয়ে পূৰ্ববঙ্গৰপৰা অসমলৈ অনুপ্ৰৱেশৰ এক প্ৰবল সোঁতৰ সৃষ্টি কৰিলে। এই আঁচনি দুয়োখনেই ব্ৰিটিছ চৰকাৰৰ ৰাজহ সংগ্ৰহ যথেষ্ট বৃদ্ধি কৰিলে, মূলতঃ যিটো কথাত ব্ৰিটিছ প্ৰশাসন আগ্ৰহী আছিল। অৱশ্যে এই আঁচনি দুয়োখনে ৰাজহ বৃদ্ধিৰ লগে লগে অসমত প্ৰব্ৰজিত মুছলমানৰ সংখ্যাও বঢ়াই আনিলে। ১৯৩৩ খ্ৰীষ্টাব্দৰ মাৰ্চ মাহলৈকে নগাঁও জিলাৰ ৪৭,৬৩৬ একৰ ভূমি ১৬১৯টা মুছলমান আৰু ৪৪১টা হিন্দু প্ৰব্ৰজনকাৰী পৰিয়ালক চৰকাৰে আবণ্টন দিছিল। কিছুমান পৰিয়ালে আকৌ হাজাৰ হাজাৰ বিঘা ভূমি চৰকাৰৰপৰা লাভ কৰিছিল। এনেদৰে ভূমি লাভ কৰা লোকসকল সৰু-সুৰা জমিদাৰ হৈ উঠিছিল আৰু প্ৰব্ৰজিত মুছলমানসকলৰ মাজত তেওঁলোক মাতব্বৰ বুলি খ্যাত হৈছিল। এই মাতব্বৰসকলে তেওঁলোকৰ ভূমিত



কাম কৰিবলৈ বা এই ভূমিত আধিয়াৰি কৰিবলৈ প্ৰতি বছৰে বহু মুছলমান পৰিয়াল আমদানি কৰিছিল।[৮]

১৯৩০ দশকৰ অৰ্থনৈতিক মন্দাৱস্থাই অসমলৈ পূৰ্ববঙ্গৰপৰা হৈ থকা প্ৰব্ৰজনক আৰু বঢ়াই তুলিলে। এই বৰ্ধিত প্ৰব্ৰজনে চৰকাৰী ভূমি আৰু সংৰক্ষিত অঞ্চলসমূহও এইসকলৰ হাতলৈ লৈ গ'ল। ঠায়ে ঠায়ে প্ৰব্ৰজনকাৰীসকলে জিলা প্ৰশাসনে নিৰ্ণয় কৰি দিয়া লাইনো অমান্য কৰিলে। এইখিনিতে উল্লেখযোগ্য যে জিলা প্ৰশাসনে কৰা লাইনৰ যি-ফালে প্ৰব্ৰজনকাৰীসকল সংস্থাপিত হ'ব পাৰে, তাত প্ৰব্ৰজনকাৰীসকলে যিমান ইচ্ছা সিমান ভূমি স্থায়ী লিজত ল'ব পাৰিছিল। মুঠতে চৰকাৰৰ শিথিল নীতিৰ প্ৰেক্ষাপটত ১৯১১ৰপৰা ১৯৪১ খ্ৰীষ্টাব্দৰ ভিতৰত পূৰ্ব বঙ্গৰপৰা প্ৰব্ৰজিত মানুহেৰে অসমৰ গোৱালপাৰা, কামৰূপ, নগাঁও আৰু দৰং জিলা ভৰি পৰিল। এই কেইখন জিলাৰ ভিতৰত নগাঁও জিলাত মুছলমানৰ জনসংখ্যা বৃদ্ধিৰ হাৰ আছিল সৰ্বাধিক।

১৯৩৫ খ্ৰীষ্টাব্দৰ ভাৰত শাসন আইনে দ্বৈত শাসন-ব্যৱস্থাৰ অন্ত পেলাই সামূহিক দায়িত্ব আৰু প্ৰাদেশিক স্বায়ত্ত শাসন ধাৰণাৰ মাধ্যমেৰে জনপ্ৰিয় চৰকাৰ গঠনৰ ব্যৱস্থা কৰিছিল। ১৯৩৭ খ্ৰীষ্টাব্দত এই আইনৰ অধীনত বিধান মণ্ডললৈ নিৰ্বাচন অনুষ্ঠিত হোৱাৰ লগে লগে অসম সংসদীয় গণতান্ত্ৰিক ব্যৱস্থাটোত সোমাই পৰিল। নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা লাভ কৰা কংগ্ৰেছ দলৰ এখন সংযুক্ত চৰকাৰ গঠন কৰাৰ সুযোগ আছিল। কিন্তু কংগ্ৰেছ দলে চৰকাৰ গঠনৰ কোনো আগ্ৰহ নেদেখুৱালে। ব্ৰিটিছ চৰকাৰৰ প্ৰত্যক্ষ সহযোগত ১৯৩৭ খ্ৰীষ্টাব্দত ১ এপ্ৰিল তাৰিখে মহম্মদ সাদ্উল্লা* অসমৰ প্ৰথম গণতান্ত্ৰিক চৰকাৰখনৰ মুৰব্বী হ'ল। তেওঁ এখন সংযুক্ত চৰকাৰৰ প্ৰধান হ'ল। সাদ্উল্লাৰ এই ৰাজনৈতিক উত্থানৰ লগে লগে অসমলৈ মুছলমান প্ৰব্ৰজনৰ এক নতুন যুগৰ সূচনা হ'ল। ভাৰত বিভাজন আৰু স্বাধীনতাৰ সময়লৈকে মহম্মদ সাদ্উল্লাই অসমৰ মুছলমান ৰাজনীতিক নিয়ন্ত্ৰণ কৰি থাকিল। প্ৰথম মন্ত্ৰীসভাৰ সময়খিনিত তেওঁৰ সংযুক্ত চৰকাৰখন চলাই নিবলৈ সাদ্উল্লা বিধান সভাৰ বিভিন্ন নিৰ্দলীয় সদস্য, অনুসূচিত জাতি আৰু জনজাতিৰ গোটসমূহ আৰু ইংৰাজ গোটসমূহৰ ওপৰত নিৰ্ভৰশীল হৈ থাকিবলগীয়া হৈছিল। তথাপি মুছলিম লীগৰ লক্ষ্ণৌ অধিৱেশনৰ পিছত সাদ্উল্লাই বিধানসভাৰ প্ৰায় সকলো মুছলমান সদস্যৰ সমৰ্থন আদায় কৰিবলৈ সমৰ্থ হৈছিল। এই সমৰ্থনৰে বিধানসভাত মুছলিম লীগৰ শক্তি ৪ৰপৰা ৩১জনলৈ বাঢ়িছিল। এনেদৰেই ১৯৩০ আৰু ১৯৪০ৰ দশকত অসমৰ ৰাজনীতিত সাদ্উল্লা মুছলমানৰ অবিসম্বাদী নেতা হৈ উঠিছিল। মাত্ৰ মুঠ ২৪ মাহ বাদ দি ১৯৩৭ৰপৰা ১৯৪৬ খ্ৰীষ্টাব্দৰ নিৰ্বাচনলৈকে সাদ্উল্লাই মুঠ পাঁচবাৰ প্ৰধানমন্ত্ৰী হৈ অসম শাসন

* কিছুমানে 'ছাদুল্লা' আৰু সৰহভাগে 'চাদুল্লা' বুলি লিখিলেও এই নামৰ গৰাকীজনে অসমীয়া ভাষাত 'সাদ্উল্লা' বানানেৰে নিজৰ নামটো লিখিছিল। (দ্ৰষ্টব্য সদানন্দ চলিহা। 'বৰদলৈৰ সেই চিঠিখন'। *অসমবাণী*, ৭ জুন ১৯৮৫, পৃষ্ঠা ৩।) — মুখ্য সম্পাদক।

কৰিছিল।

১৯৩৫ খ্ৰীষ্টাব্দৰ ভাৰত শাসন আইনে সৃষ্টি কৰা প্ৰাদেশিক স্বায়ত্ত শাসন-ব্যৱস্থাই এনে এক পৰিৱেশৰ সৃষ্টি কৰিলে যে অসমৰ ৰাজনীতিত এক প্ৰব্ৰজিত বা পমুৱা লবিৰ উত্তৱ হ'ল, যি সময় আগবঢ়াৰ লগে লগে আব্দুল হামিদ খান ভাচানীৰ গতিশীল নেতৃত্বত যথেষ্ট শক্তিশালী হৈ উঠে। ১৯৩৭ খ্ৰীষ্টাব্দৰ ১৫ ছেপ্টেম্বৰ তাৰিখে সুৰমা ভেলি ইউনাইটেড মুছলিম পাৰ্টিৰ সদস্য মুনাৱাৰ আলীয়ে অসমত লাইন-প্ৰথা বিলুপ্ত কৰাৰ হকে বিধানসভাত এক প্ৰস্তাৱ দাঙি ধৰে। এই প্ৰস্তাৱ দাঙি ধৰি মুনাৱাৰ আলীয়ে যুক্তি দৰ্শাইছিল: "প্ৰব্ৰজনকাৰীসকলে অসমৰ ঘন জংঘলক সকলো প্ৰকাৰৰ কৃষিৰে পৰিপূৰ্ণ পথাৰলৈ ৰূপান্তৰিত কৰিছে, যিয়ে অসম প্ৰদেশলৈ উন্নয়ন, স্বাস্থ্য আৰু সম্পদ কঢ়িয়াই আনিছে।" তেনে প্ৰেক্ষাপটত তেওঁ লাইন-প্ৰথা স্বেচ্ছাচাৰী আৰু জাতিগঠনৰ পৰিপন্থী এক নীতি বুলি অভিহিত কৰিছিল।[৩]

ইংৰাজ চৰকাৰো লাইন-প্ৰথা বাতিল কৰাৰ সপক্ষে নাছিল, যিহেতু চৰকাৰে সন্দেহ কৰিছিল যে বাধাহীন প্ৰব্ৰজনে অসমৰ খিলঞ্জীয়া জনসাধাৰণক অসমৰ মানচিত্ৰৰপৰাই নিশ্চিহ্ন কৰি পেলাব পাৰে। তথাপি প্ৰব্ৰজিত লবিৰ হেঁচাত চৰকাৰে লাইন-প্ৰথাৰ কাৰ্যকাৰিতাৰ বিষয়ে অধ্যয়ন কৰিবৰ বাবে ১৯৩৭ খ্ৰীষ্টাব্দত এখন কমিটী গঠন কৰিলে। বিভিন্ন স্বাৰ্থক প্ৰতিনিধিত্ব কৰা অসম বিধানসভাৰ মুঠ আঠজন সদস্যৰে এই কমিটী গঠন কৰা হ'ল। এই কমিটীৰ সদস্য চৈয়দ আব্দুল ৰৌফে প্ৰব্ৰজিতসকলৰ স্বাৰ্থক প্ৰতিনিধিত্ব কৰিছিল। ১৯৩৮ খ্ৰীষ্টাব্দৰ ফেব্ৰুৱাৰি মাহত এই কমিটীয়ে ইয়াৰ প্ৰতিবেদন প্ৰকাশ কৰিলে।

এই কমিটীৰ প্ৰতিবেদনে প্ৰব্ৰজিতসকলক সংস্থাপিত কৰিব পৰা নিৰ্দিষ্ট অঞ্চল নিৰ্ণয় কৰি কিছু পৰিমাণৰ নিয়ন্ত্ৰণৰ পোষকতা কৰে। লগতে কমিটীয়ে প্ৰব্ৰজনকাৰীসকলে মাটিৰ পট্টা পোৱাৰ ক্ষেত্ৰত থকা নিয়ন্ত্ৰণক নাইকিয়া কৰাৰ, খিলঞ্জীয়া অসমীয়াসকল যিবোৰ মাটিৰ প্ৰতি কোনোধৰণে আকৰ্ষিত নহয় সেইবোৰ ভূমিহীন প্ৰব্ৰজনকাৰীৰ মাজত বিতৰণ কৰা, কলনাইজেচন আঁচনি প্ৰসাৰিত কৰি আগুৱাই নিয়া, আৰু জধে-মধে য'তে-ত'তে প্ৰব্ৰজনকাৰীসকল সংস্থাপিত হোৱাৰ ব্যৱস্থাটোৰ যিকোনো প্ৰকাৰে অন্ত পেলোৱাৰ পোষকতা কৰে। কমিটীৰ প্ৰায় সকলো সদস্যই এই পোষণ কৰে যে তেতিয়ালৈকে অসমলৈ প্ৰব্ৰজন কৰাসকলক, যদিহে সম্ভৱ হয়, সকলোকে ভূমি আৱণ্টন দিব লাগে। কেইজনমান সদস্যই অৱশ্যেই মত প্ৰকাশ কৰে যে অসমলৈ আৰু প্ৰব্ৰজন হ'বলৈ দিব নালাগে, আৰু ইয়াৰ পিছত অহা অনুপ্ৰৱেশকাৰীক ভূমি আৱণ্টন দিয়াৰ কোনো ব্যৱস্থা ৰাখিব নালাগে। শেষত কমিটীখনে মত প্ৰকাশ কৰে যে প্ৰশাসনৰ দৃঢ়তা, অপ্ৰয়োজনীয় হস্তক্ষেপৰ অনুপস্থিতি আৰু চৰকাৰী আদেশবোৰ কাৰ্যকৰী কৰিবলৈ এক কাৰ্যক্ষম কৰ্মচাৰী বাহিনীৰ অবিহনে কমিটীৰ পৰামৰ্শবোৰৰ কোনো গুৰুত্ব নাথাকিব।

সাদ্উল্লা চৰকাৰে উল্লেখিত কমিটীৰ পৰামৰ্শৱলীৰ ওপৰত কোনো ধৰণৰ



ব্যৱস্থা গ্ৰহণ নকৰিলে। নিশ্চিতকৈ নিজৰ ৰাজনৈতিক অস্তিত্ব বৰ্তাই ৰখাৰ স্বাৰ্থতেই প্ৰব্ৰজন সমৰ্থক লবিটোক অসন্তুষ্ট নকৰাকৈ সাদ্উল্লাই এইক্ষেত্ৰত কোনো পদক্ষেপ গ্ৰহণ নকৰিলে। ইতিমধ্যে ১৯৩৮ খ্ৰীষ্টাব্দৰ ১৩ ছেপ্টেম্বৰ তাৰিখে সাদ্উল্লা চৰকাৰে পদত্যাগ কৰে আৰু কংগ্ৰেছ দলৰ নেতৃত্বত এখন সন্মিলিত চৰকাৰ গঠন হ'ল। এই নতুন কংগ্ৰেছ নেতৃত্বাধীন চৰকাৰখনে ১৯৩৯ খ্ৰীষ্টাব্দৰ ৪ নৱেম্বৰ তাৰিখে লাইন-প্ৰথা কমিটীৰ প্ৰতিবেদনৰ সন্দৰ্ভত গ্ৰহণ কৰিবলগীয়া নীতিসমূহ প্ৰকাশ কৰিলে। এইক্ষেত্ৰত চৰকাৰে খিলঞ্জীয়া মানুহৰ স্বাৰ্থৰ সুৰক্ষা আৰু পৰিকল্পিত সংস্থাপনৰ বিষয় দুটাত গুৰুত্ব দিছিল। চৰকাৰে সংস্থাপনৰ অনুমতি নথকা অঞ্চলসমূহত, বিশেষকৈ চৰণীয়া পথাৰসমূহত ইতিমধ্যে সংস্থাপিত হোৱা প্ৰব্ৰজনকাৰীসকলক আঁতৰাই পঠিওৱাৰ দৃঢ় সঙ্কল্পৰ কথাও দোহাৰে। কিন্তু চৰকাৰখনে কোৱা ধৰণে কামবোৰ কৰিব নোৱাৰিলে, যিহেতু ১৯৩৯ খ্ৰীষ্টাব্দৰ ১৬ নৱেম্বৰ তাৰিখে কংগ্ৰেছ নেতৃত্বাধীন সন্মিলিত চৰকাৰখনে পদত্যাগ কৰিবলগীয়া হ'ল।

কংগ্ৰেছ নেতৃত্বাধীন সন্মিলিত চৰকাৰৰ ঘোষিত নীতিয়ে প্ৰব্ৰজনকাৰী লবিটোৰ মাজত যথেষ্ট অসন্তুষ্টিৰ সৃষ্টি কৰিলে। কংগ্ৰেছ নেতৃত্বাধীন চৰকাৰখনৰ পতনৰ পিছত সাদ্উল্লাই আকৌ চৰকাৰ গঠন কৰিলে আৰু ১৯৪০ খ্ৰীষ্টাব্দত বিধানসভাৰ বাজেট ভাষণত এই প্ৰব্ৰজন-সমৰ্থক লবিটোক সন্তুষ্ট কৰিবলৈ সাদ্উল্লাই স্পষ্ট ভাষাৰে ক'লে যে বঙ্গৰপৰা অসমলৈ প্ৰব্ৰজন বন্ধ কৰাটো এটা "ডাঙৰ মূৰ্খামি" হ'ব, যিহেতু অসমত থকা বিশাল কৃষিযোগ্য মাটিত হাল মাৰি খেতি কৰিবলৈ মানুহৰ অভাৱ হৈ আছে। সাদ্উল্লাৰ এই ঘোষণাই বঙ্গৰপৰা অসমলৈ হোৱা মুছলমান প্ৰব্ৰজন বৃদ্ধি কৰিলে।

সাদ্উল্লা চৰকাৰৰ প্ৰব্ৰজনক উৎসাহিত কৰা নীতিক খিলঞ্জীয়াসকলৰ বৃহৎসংখ্যকে তীব্ৰ বিৰোধিতা কৰাত ১৯৪১ খ্ৰীষ্টাব্দৰ ডিচেম্বৰত এই চৰকাৰৰ পতন ঘটিল। কিন্তু ১৯৪২ খ্ৰীষ্টাব্দৰ ২৫ আগষ্টত সাদ্উল্লা নেতৃত্বাধীন চৰকাৰ এখন আকৌ ক্ষমতালৈ আহিল। ইয়াৰ আগৰ (মানে শেষৰ) সাদ্উল্লা চৰকাৰে "উন্নয়ন আঁচনি"ৰ আলমত পূৰ্ববঙ্গৰপৰা অসমলৈ প্ৰব্ৰজনক উৎসাহিত কৰিছিল। এই চৰকাৰখনে এনে এক ধাৰণা দিবলৈ চেষ্টা কৰিছিল যে অসমত পৰি থকা ভূমিক কৃষিৰে নদন-বদন কৰি অসমৰ উন্নয়ন সাধি এই উন্নয়নৰ ফল সকলোকে ভোগ কৰিবলৈ দিয়াৰ স্বাৰ্থতহে চৰকাৰে প্ৰব্ৰজনক এনেদৰে উৎসাহিত কৰিছিল। কিন্তু সাদ্উল্লাৰ নতুন চৰকাৰখনে এইবাৰ কোনো লুক-ঢাক নকৰাকৈ খোলাখুলিকৈ প্ৰব্ৰজনক সমৰ্থন কৰিবলৈ ল'লে। সাদ্উল্লাই এই নতুন চৰকাৰত মুনাৱাৰ আলীক ৰাজহ মন্ত্ৰী পাতিলে — যিজন আছিল অসমলৈ প্ৰব্ৰজনৰ ঘোৰ সমৰ্থক। এই মুনাৱাৰ আলীৰ নেতৃত্বত সাদ্উল্লা চৰকাৰৰ "Grow More Food" আঁচনিক সজোৰে আগুৱাই নিয়া হ'ল, যাৰ আলমত লাইন প্ৰথাক আওকাণ আৰু একাষৰীয়া কৰি অভূতপূৰ্ব হাৰত অসমৰ বিভিন্ন ঠাইত প্ৰব্ৰজনকাৰীক সংস্থাপিত কৰা হ'ল।

ছাদুউল্লাৰ ৰাজত্বকালত অভূতপূৰ্ব হাৰত অসমলৈ পূৰ্ববঙ্গীয় মানুহৰ প্ৰব্ৰজন ঘটিল, যিয়ে অসমৰ জনগাঁথনিক চিৰদিনৰ বাবে সলনি কৰি পেলাব পাৰে। এই প্ৰব্ৰজনে অসমৰ খিলঞ্জীয়া জনসাধাৰণলৈ কঢ়িয়াই আনিব পৰা বিপদক ইংৰাজ চৰকাৰেও অনুধাৱন কৰিছিল। দুই-এক ইংৰাজ বিষয়াৰ ভাষাত এই অনুধাৱন স্পষ্ট ৰূপত ধৰা পৰিছিল। কিন্তু একমাত্ৰ ৰাজহ-বৃদ্ধিৰ স্বাৰ্থতে এই প্ৰব্ৰজন বন্ধ কৰাৰ কোনো পদক্ষেপ ইংৰাজ চৰকাৰে গ্ৰহণ নকৰিলে। বৰঞ্চ ছাদুউল্লা চৰকাৰৰ মাত্ৰ ৰাজহ বৃদ্ধিৰ নীতিক ইংৰাজে সমৰ্থন কৰিলে।

১৯৪৬ প্ৰাদেশিক নিৰ্বাচনত জয়ী হৈ কংগ্ৰেছে অসমত চৰকাৰ গঠন কৰিলে। ইতিমধ্যে ব্ৰিটেনৰ লেবাৰ পাৰ্টিৰ চৰকাৰে ভাৰতক সাম্প্ৰদায়িক ভিত্তিত দ্বিখণ্ডিত কৰি স্বাধীনতা দিয়াৰ কথা ঘোষণা কৰে আৰু মুছলিম প্ৰধান ছিলেট জিলা ভাৰতৰ লগত থাকিব নে পাকিস্তানৰ হাতলৈ যাব, তাক নিৰ্ণয় কৰিবলৈ ভাইচৰয় লুইছ মাউণ্টবেটেনৰ নেতৃত্বত ১৯৪৭ খ্ৰীষ্টাব্দৰ ৬ আৰু ৭ জুলাইত ছিলেট জিলাত এক গণভোট অনুষ্ঠিত হ'ল। এই গণভোটত মুঠ বৈধ ভোটৰ ৫৬.৬ শতাংশই ছিলেট পাকিস্তানৰ অংশ হোৱাক সমৰ্থন কৰিলে। ফলত ব্ৰিটিছ চৰকাৰে পাথাৰকান্দি, ৰাতাবাৰী আৰু বদৰপুৰ থানা তিনিখন আৰু কৰিমগঞ্জ থানাৰ আধা অংশক ভাৰতৰ লগত ৰাখি ছিলেট জিলাক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰিলে। মুছলমান-সংখ্যাগৰিষ্ঠ (৬০ শতাংশ মুছলমান) ছিলেট পাকিস্তানৰ অন্তৰ্ভুক্ত হোৱাৰ লগে লগে স্বাধীনতাৰ পিছত অসমৰ মুছলমান জনসংখ্যাৰ সমীকৰণলৈ যথেষ্ট পৰিৱৰ্তন আহি পৰিল।

## স্বাধীনতাৰ পিছত অসমলৈ প্ৰব্ৰজন

স্বাধীনোত্তৰ কালতো অসমলৈ বিভিন্ন গোটৰ প্ৰব্ৰজন অব্যাহত আছে। ইয়াৰ ভিতৰত মূলতঃ প্ৰব্ৰজন ঘটিছে ভাৰতৰ বিভিন্ন প্ৰান্তৰপৰা। ভাৰতৰ সংবিধানে ইয়াৰ নাগৰিকক দেশখনৰ যিকোনো অঞ্চলত বসতি কৰাৰ আৰু যিকোনো কৰ্মত নিয়োজিত হোৱাৰ মৌলিক অধিকাৰ প্ৰদান কৰিছে। গতিকে এনে প্ৰব্ৰজন সংবিধানৰ গণ্ডীৰ ভিতৰত তেনেই স্বাভাৱিক। অন্যহাতে ভাৰতৰ পূৰ্ব প্ৰান্তৰ সীমান্তৰ উন্মুক্ততা আৰু শিথিলতাৰ বাবে চুবুৰীয়া ৰাষ্ট্ৰ পূব পাকিস্তান/বাংলাদেশ আৰু নেপালৰপৰাও অসমলৈ বিদেশীৰ প্ৰব্ৰজন অব্যাহত আছে। এই প্ৰব্ৰজন কিন্তু অবৈধ।

ভাৰতৰ লগত নেপালৰ প্ৰায় ১০০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ আন্তঃৰাষ্ট্ৰীয় সীমা আছে আৰু এই সীমা কাৰ্যতঃ উন্মুক্ত। ভাৰত চৰকাৰে নেপালৰ নাগৰিকক ভাৰতত ব্যৱসায় কৰা, বসবাস কৰা, আনকি চৰকাৰী কামত মকৰল কৰাৰ ব্যৱস্থাও কৰিছে। এনে প্ৰেক্ষাপটত নেপালৰ বহুসংখ্যক নাগৰিক অহৰহ ভাৰতলৈ প্ৰব্ৰজিত হৈ আহিছে। অসমলৈ প্ৰব্ৰজিত হোৱা নেপালী লোকৰ সংখ্যাও কম নহয়। ১৯৮৩ খ্ৰীষ্টাব্দত সদৌ অসম ছাত্ৰ সন্থাই প্ৰকাশ কৰা *The Foreigners*



*Problem* শীৰ্ষক গ্ৰন্থত "Restricted Area Permit" অবিহনে অসমত সোমোৱা নেপালী আৰু ভূটানী লোকৰ সংখ্যা লিপিবদ্ধ কৰিছে এনেদৰে:

| বৰ্ষ | ব্যক্তিৰ সংখ্যা |
|---|---|
| ১৯৫১ | ১০১,৩৩৫ |
| ১৯৬১ | ১৮২,৯২৫ |
| ১৯৭১ | ৩৫৩,৬৭৩ |

উৎস: S.U. Ahmed. *Muslim in Assam 1200-2000*. Nagaon: Marigold Compu Print. 1999. p. 150

স্বাজোত্তৰ কালত অসমত বিশেষ গুৰুত্ব লাভ কৰা আৰু অতি স্পৰ্শকাতৰ হৈ উঠা বিদেশী প্ৰব্ৰজন মূলতঃ হৈ আছে পূব পাকিস্তান/বাংলাদেশৰপৰা। অসম চুক্তিয়ে (১৯৮৫) ইতিমধ্যে পূব পাকিস্তানৰপৰা হোৱা প্ৰব্ৰজনক বৈধতা প্ৰদান কৰিলে। বাংলাদেশৰ জন্মৰ পিছতো দেশখনৰপৰা বৃহৎ হাৰত প্ৰব্ৰজন অসমলৈ হৈ আছে। এতিয়া আমি স্বাধীনতা পৰৱৰ্তী কালত পূব পাকিস্তান/ বাংলাদেশৰপৰা অসমলৈ হৈ থকা প্ৰব্ৰজনৰ বাস্তৱতাক জানিবলৈ চেষ্টা কৰিম।

১৯৫২ খ্ৰীষ্টাব্দৰ ১৫ অক্টোবৰৰপৰাহে ভাৰত আৰু পাকিস্তানৰ মাজত পাৰপত্ৰ (Visa)ৰ প্ৰচলন হ'ল। আকৌ ১৯৪৮ খ্ৰীষ্টাব্দৰ জুন মাহৰপৰা ভাৰত-পাকিস্তান দুয়ো দেশে নাগৰিকক আনখন দেশভ্ৰমণৰ বাবে অনুজ্ঞাপত্ৰ প্ৰদানৰ ব্যৱস্থা কৰিছিল। কিন্তু এই অনুজ্ঞাপত্ৰৰ গোটেই ব্যৱস্থাটো অতি নমনীয় আছিল। ১৯৪৭ চনৰ ১৫ আগষ্টৰপৰা ১৯৪৮ চনৰ জুন মাহলৈকে দুয়োখন দেশৰ মাজত নাগৰিক অহা-যোৱাৰ কোনো আনুষ্ঠানিক ব্যৱস্থাই নাছিল। মানে ১৯৫২ চনত পাৰপত্ৰৰ প্ৰচলন হোৱালৈকে বৃহৎসংখ্যক পাকিস্তানী নাগৰিক বিনা বাধাই ভাৰতত সোমাইছিল এই বাস্তৱক স্বীকাৰ কৰি ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে ১৯৬২ চনৰ ২৭ জুন তাৰিখে সংসদত ঘোষণা কৰিছিল: ভাৰতলৈ পাকিস্তানী অনুপ্ৰৱেশৰ বেছিখিনি ঘটিছিল স্বাধীনতাৰ প্ৰথম পাঁচ বছৰত, যেতিয়া ভাৰতৰ সীমান্ত সুৰক্ষিত নাছিল। — সেয়ে সম্ভৱতঃ ১৯৫২ খ্ৰীষ্টাব্দৰ আগতে অহা অনুপ্ৰৱেশকাৰীসকলক খেদি পঠোৱাটো বৰ সহজ নহ'ব।[১০]

তালিকা ৪

অসমত থকা পাকিস্তানত জন্মগ্ৰহণ কৰা লোকৰসংখ্যা (১৯৫১) [হাজাৰত]

| অসমৰ জিলা ভৈয়ামৰ জিলা | পাকিস্তানত জন্মগ্ৰহণ কৰা লোক |
|---|---|
| কাছাৰ | ১৩০ |
| গোৱালপাৰা | ১৩৬ |
| কামৰূপ | ১৮৬ |
| দৰং | ৮৪ |

| | |
|---|---|
| নগাঁও | ১৭৩ |
| শিৱসাগৰ | ২৬ |
| **পাহাৰীয়া জিলা** | |
| খাছি আৰু জয়ন্তীয়া পাহাৰ | ১৬ |
| লুচাই পাহাৰ | ০৭ |
| গাৰো পাহাৰ | ০৮ |
| মিকিৰ আৰু উত্তৰ কাছাৰ পাহাৰ | ০৪ |
| মিচিমি পাহাৰ | ০১ |
| মুঠ | ৮৩৩ |

উৎস: Census Report, 1951

৪নং তালিকাই দেখুৱাইছে ১৯৫১ খ্ৰীষ্টাব্দৰ লোকপিয়লৰ তথ্য অনুসৰি অসমত থকা আৰু পাকিস্তানত জন্মগ্ৰহণ কৰা লোকৰ সংখ্যা আছিল ৮,৩৩,০০০। লোকপিয়ল অনুসৰি দেশ-বিভাজনৰ আলমত অসমত সোমোৱা শৰণাৰ্থীৰ সংখ্যা আছিল ২,৭৪,০০০জন। ইয়াৰ ভিতৰত মাত্ৰ ১৪,০০০জনহে পাহাৰত পোৱা গৈছিল। বাকী ৫,৫৯,০০০জন মানুহ শৰণাৰ্থী নাছিল, আছিল অনুপ্ৰৱেশকাৰী।

দেশ-বিভাজনৰ পিছত ভাৰত চৰকাৰে পশ্চিম পাকিস্তানৰ লগত থকা সীমা সুৰক্ষাৰ ক্ষিপ্ৰ আৰু জৰুৰী ব্যৱস্থা গ্ৰহণ কৰিলে। কিন্তু একেখন চৰকাৰে ভাৰতৰ লগত পূৰ্ব পাকিস্তানৰ সীমাক সুৰক্ষিত কৰাৰ কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। ইয়াৰ ফলত ১৯৯০ৰ দশকলৈকে প্ৰথমে পূৰ্ব পাকিস্তান আৰু পিছলৈ বাংলাদেশৰ লগত ভাৰতৰ সীমা উন্মুক্ত হৈয়ে থাকিল। অৱশ্যে ১৯৮৫ চনত স্বাক্ষৰিত হোৱা অসম চুক্তিৰ আধাৰত ভাৰত চৰকাৰে ১৯৫২ খ্ৰীষ্টাব্দত ভাৰত-বাংলাদেশ সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰা দিয়া কাম আৰম্ভ কৰে। এই কাম আজিকোপতি সম্পূৰ্ণ হৈ উঠা নাই। এই উন্মুক্ত সীমান্তৰ সুবিধা লৈ বৃহৎ আকাৰত অনুপ্ৰৱেশকাৰী পূৰ্ব পাকিস্তান/বাংলাদেশৰপৰা অসমত স্বাধীনতাৰ দিনটোৰেপৰা সোমায়েই থাকিল। পূৰ্ব পাকিস্তানী/বাংলাদেশীৰ অসমলৈ এই নিৰৱচ্ছিন্ন প্ৰব্ৰজনে ১৯৫০ আৰু ১৯৬০ৰ দশকত অসমৰ জনসংখ্যা অবিশ্বাস্য হাৰত বঢ়াই তুলিলে।

তালিকা ৫

অসম আৰু ভাৰতৰ জনসংখ্যাৰ তাৰতম্য

(১৯৫১-৬১ৰপৰা ১৯৬১-৭১) [শতাংশত]

| বৰ্ষ | অসম | ভাৰত |
|---|---|---|
| ১৯৫১-৬১ | ৩৪,৯৮ | ২১.৫১ |
| ১৯৬১-৭১ | ৩৪,৯৫ | ২৪,৮০ |

উৎস: Census Reports, 1951, 1961, 1971

স্বাধীনতাৰ পিছতো নিৰৱচ্ছিন্নভাৱে অসমলৈ পূৰ্ব পাকিস্তানৰপৰা হৈ থকা প্ৰব্ৰজনক ১৯৭১ চনৰ বাংলাদেশ যুদ্ধই আকৌ এবাৰ বঢ়াই তুলিলে।



ভাৰত-পাকিস্তান যুদ্ধৰ পৰিপ্ৰেক্ষিতত, যি-যুদ্ধই স্বাধীন বাংলাদেশৰ জন্ম দিলে, তাৰ ফলস্বৰূপে লাখ লাখ পূৰ্ব পাকিস্তানী অসম আৰু পশ্চিমবঙ্গলৈ সোমাই আহিল। এই যুদ্ধৰ বাবে ১৯৭১ খ্ৰীষ্টাব্দৰ ছেপ্টেম্বৰলৈকে ভাৰতৰ উত্তৰ-পূবৰ ৰাজ্যসমূহলৈ কমেও ৯৫ লাখ পূৰ্ব পাকিস্তানী শৰণাৰ্থী হিচাপে সোমাই আহিল।[১১] পিছৰ সময়ত এইসকলৰ প্ৰায়খিনিয়েই উত্তৰ-পূবত থাকি গ'ল। এই ধৰণে সোমাই অহা গৰিষ্ঠসংখ্যক শৰণাৰ্থী সংস্থাপিত হ'ল অসমত, কিয়নো পূৰ্ব পাকিস্তানীসকলৰ জীৱননিৰ্বাহৰ প্ৰণালী বেছিকৈ খাপ খাইছিল পাহাৰতকৈ নদীপ্ৰধান সমতলভূমি অসমত। সময় আগবঢ়াৰ লগে লগে এইসকল অসমৰ নিগাজি বাসিন্দা হৈ পৰিল, যিহেতু অসম চুক্তিৰ চৰ্তমতে ২৪ মাৰ্চ ১৯৭১ তাৰিখলৈ অসমলৈ অহা সমূহ প্ৰব্ৰজনকাৰীক ভাৰতৰ নাগৰিক হিচাপে স্বীকৃতি দিয়া হ'ল।

১৯৭১ চনৰ সময়ছোৱাত অসমত হিন্দুৰ তুলনাত মুছলমান জনসংখ্যা বৃদ্ধিৰ হাৰ যথেষ্ট বেছি হোৱা দেখা গ'ল। অসমত ইতিমধ্যে থাকি যোৱা মুছলমানৰ অস্বাভাৱিক জনসংখ্যা বৃদ্ধি আৰু নিৰৱচ্ছিন্নভাৱে বাংলাদেশৰপৰা অসমলৈ হৈ থকা মুছলমানৰ প্ৰব্ৰজনেই অসমত মুছলমানৰ জনসংখ্যা বৃদ্ধিৰ মূল কাৰণ। তালিকা ৫এ দেখুৱাব ১৯৭১-৯১ সময়ছোৱাত অসমত হিন্দুৰ তুলনাত আৰু সৰ্বভাৰতীয় স্তৰত মুছলমানৰ তুলনাত অসমত মুছলমানৰ জনসংখ্যা বৃদ্ধিৰ হাৰ কিমান অস্বাভাৱিক।

তালিকা ৬

অসম আৰু ভাৰতত সম্প্ৰদায়ভিত্তিক জনসংখ্যা বৃদ্ধি (১৯৭১-১৯৯১)

(শতাংশ)

| সময় | অসম | | ভাৰত | |
|---|---|---|---|---|
| ১৯৭১-১৯৯১ | হিন্দু | মুছলমান | হিন্দু | মুছলমান |
| | ৪১.৮৯ | ৭৭.৪২ | ৪৮.৩৮ | ৫৫.০৪ |

তথ্যসূত্ৰ: Census Report 1971, 1991

(অসমত ১৯৮১ চনৰ লোকগণনা অনুষ্ঠিত হোৱা নাছিল।)

অসমত অনুপ্ৰৱেশকাৰী থকাটো সত্য, কিন্তু তেওঁলোকৰ সংখ্যা নিৰূপণৰ বাবে আজিলৈকে কোনো ধৰণৰ চৰকাৰী ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। তৎসত্ত্বেও এই সংখ্যাৰ এক সম্যক জ্ঞান পাবলৈ হ'লে কিছুমান চৰকাৰী উদ্ধৃতিক জুকিয়াই চাব পাৰি, অৱশ্যে এই উদ্ধৃতিবোৰ পৰস্পৰ-সামঞ্জস্যহীন। ১৯৯২ খ্ৰীষ্টাব্দৰ ১০ এপ্ৰিল তাৰিখে তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই প্ৰকাশ কৰিছিল যে অসমত ৩০ লাখ অবৈধ বাংলাদেশী আছে। কিন্তু দুদিনৰ পিছতেই তেওঁ এই তথ্যৰপৰা আঁতৰি আহি প্ৰকাশ কৰিলে যে অসমত এজনো অবৈধ অনুপ্ৰৱেশকাৰী নাই। ১৯৯৭ খ্ৰীষ্টাব্দৰ ৬ মে' তাৰিখে ভাৰতৰ তেতিয়াৰ গৃহমন্ত্ৰী ইন্দ্ৰজিৎ গুপ্তই সংসদত প্ৰকাশ কৰিছিল যে ভাৰতত কমেও এক কোটি অনুপ্ৰৱেশকাৰীয়ে বসবাস কৰি আছে। গৃহ মন্ত্ৰণালয়ৰ এই বক্তব্যৰ আলমত ইণ্টেলিজেন্স ব্যুৰ'ৰ তথ্যক

সাৰোগত কৰি ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনী *India Today*ৰ ১৯৯৮ খ্ৰীষ্টাব্দৰ ১০ আগষ্ট সংখ্যাই কোন কোন ৰাজ্যত কিমান অনুপ্ৰৱেশকাৰী আছে সেয়া প্ৰকাশ কৰিলে এনেদৰে:

| ৰাজ্য | অনুপ্ৰৱেশকাৰীৰ সংখ্যা |
|---|---|
| পশ্চিমবঙ্গ | ৫৪ লাখ |
| অসম | ৪০ লাখ |
| ত্ৰিপুৰা | ৮ লাখ |
| বিহাৰ | ৫ লাখ |
| মহাৰাষ্ট্ৰ | ০.৫ লাখ |
| ৰাজস্থান | ০.৫ লাখ |
| দিল্লী | ৩ লাখ |
| মুঠ | ১ কোটি ১১ লাখ |

আকৌ Writ Petition (Civil) No. 125 of 1998 in the matter of AIFCL and Another গোচৰ সম্পৰ্কত ১৯৯৮ চনত ভাৰত চৰকাৰে উচ্চতম ন্যায়ালয়ত দাখিল কৰা এক শপতনামাত উল্লেখ কৰিছিল যে ১৯৭২-১৯৯৮ সময়ছোৱাত ১০,২৮,৩২২ জন বাংলাদেশী নাগৰিক বৈধ নথিপত্ৰৰে ভাৰতত সোমাইছিল যদিও তেওঁলোক ঘূৰি যোৱাৰ কোনো তথ্য নাই।

শেহতীয়াকৈ বাংলাদেশৰ লোকপিয়লৰ তথ্যত দেশখনত হেৰাই যোৱা জনসংখ্যাৰ তথ্য সন্নিবিষ্ট হৈছে। ১৯৯১ চনৰ বাংলাদেশৰ লোকপিয়লে প্ৰথমতে এক কোটি আৰু পিছত (চূড়ান্তভাৱে) ৮০ লাখ জনসংখ্যা দেশখনৰপৰা হেৰাই যোৱা বুলি উল্লেখ কৰে, যাৰ ভিতৰত ১৭.৩ লাখ হিন্দু আৰু ৬২.৭ লাখ মুছলমান। এই হেৰাই যোৱা জনসংখ্যা আচলতে বাংলাদেশৰপৰা ওলাই পৃথিৱীৰ বিভিন্ন ঠাইলৈ গুচি যোৱা মানুহৰ সংখ্যা।[১২] বাংলাদেশত হিন্দু জনসংখ্যাৰ শতকৰা হাৰ ১৯৫১ চনত ২২.৫ শতাংশৰপৰা ১৯৮১ চনত ১২ শতাংশলৈ হ্ৰাস হৈছে। বাংলাদেশত হিন্দুৰ দশকীয় জনসংখ্যা বৃদ্ধিৰ হাৰ ১৯৮১ চনৰ তথ্যমতে ৯.৩ শতাংশ আৰু ১৯৯১ চনৰ তথ্যমতে ৫.৮ শতাংশ। ইয়াৰ বিপৰীতে এই সময়ছোৱাত ভাৰতীয় উপ-মহাদেশত হিন্দুৰ জনসংখ্যা বৃদ্ধিৰ গড় হাৰ ২৪ শতাংশ। এতিয়া কথা হ'ল, বাংলাদেশৰ হেৰুওৱা জনসংখ্যা ক'লৈ গৈছে বা হিন্দুৰ মাজৰ জনসংখ্যা বৃদ্ধিৰ হাৰ ইমান কম কিয় হৈছে? নিশ্চিতকৈ এই হেৰুওৱা জনসংখ্যা মূলতঃ চুবুৰীয়া ৰাষ্ট্ৰ ভাৰতত সোমাইছে। বাংলাদেশৰপৰা বৃহৎ হাৰত ভাৰতলৈ হোৱা অনুপ্ৰৱেশৰ বাবেই হিন্দুৰ বৃদ্ধিৰ হাৰো বাংলাদেশত কমিছে। যি-সময়ত ভাৰতত জনসংখ্যা বৃদ্ধিৰ ৰাষ্ট্ৰীয় গড় ২৩ শতাংশ, বাংলাদেশৰপৰা হিন্দু আৰু মুছলমানৰ প্ৰব্ৰজনে দেশখনৰ গাতে লাগি থকা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ জনসংখ্যা বৃদ্ধিৰ হাৰ ৰাষ্ট্ৰীয় হাৰতকৈ যথেষ্ট বঢ়াই তুলিছে। উদাহৰণস্বৰূপে ১৯৯১ আৰু ২০০১ চনৰ লোকগণনাৰ তথ্যসমূহ তুলনা কৰিলে দেখা যায় উত্তৰ-পূৰ্বাঞ্চলৰ



ৰাজ্যসমূহৰ জনসংখ্যা বৃদ্ধিৰ হাৰ এনেকুৱা:

| | |
|---|---|
| অৰুণাচল প্ৰদেশ | ২৬.২০ শতাংশ |
| মণিপুৰ | ৩০.০০ শতাংশ |
| মেঘালয় | ২৯.২০ শতাংশ |
| মিজোৰাম | ২৯.১৮ শতাংশ |
| নাগালেণ্ড | ৬৪.৪১ শতাংশ |
| ছিকিম | ৩২.০০ শতাংশ |
| ত্ৰিপুৰা | ১৫.৭৩ শতাংশ |

১৯৮১ চনৰ ভাৰতৰ লোকগণনাৰ তথ্যত প্ৰকাশ যে ভাৰতত থকা মুঠ ৪০ লাখ লোকৰ জন্ম বাংলাদেশত আৰু তাৰ ভিতৰত ২০ লাখ লোক অসমৰ আকৌ ২০০৩-০৪ চনত কেন্দ্ৰীয় চৰকাৰে বাৰ্ষিক বাজেটত ভাৰত বাংলাদেশ সীমান্তৰ সিপাৰৰপৰা হৈ থকা অনুপ্ৰৱেশক লৈ উদ্বেগ প্ৰকাশ কৰে আৰু এই সীমান্ত সুৰক্ষাৰ অনুদান আগৰ বৰ্ষৰ তুলনাত দুগুণতকৈও অধিক বৃদ্ধি কৰে।

অসমত অনুপ্ৰৱেশকাৰীৰ সমস্যাৰ বিষয়ে উনুকিয়াই ১৯৯৮ খ্ৰীষ্টাব্দত তেতিয়াৰ ৰাজ্যপাল অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল এছ কে সিনহাই ভাৰতৰ ৰাষ্ট্ৰপতিলৈ এখন প্ৰতিবেদন প্ৰেৰণ কৰিছিল। এই প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি Bangladesh Institute of Development Studies, Dhakaৰ জ্যেষ্ঠ গৱেষক ৰীতা আফচাৰে ভাৰতৰ বিভিন্ন ৰাজ্যত বসবাস কৰা অবৈধ বাংলাদেশী নাগৰিকৰ আনুপাতিক অংশক দেখুৱাইছে এইদৰে

তালিকা ৭

ভাৰতৰ বিভিন্ন ৰাজ্যত থকা অবৈধ বাংলাদেশী

(শতাংশত)

| ৰাজ্য | বাংলাদেশী অনুপ্ৰৱেশকাৰী |
|---|---|
| পশ্চিমবঙ্গ | ৪০ |
| অসম | ৩০ |
| দিল্লী | ১১ |
| ত্ৰিপুৰা | ০৭ |
| বিহাৰ | ৩.৭ |
| ৰাজস্থান | ৩.৭ |
| মহাৰাষ্ট্ৰ | ৩.৭ |
| অনান্য ৰাজ্য | ০.৯ |
| মুঠ | ১০০ |

উৎস: Rita Afsar. "Population Movement in the Fluid, Fragile and Contentious Borderland between Bangladesh and India". 2008, p. 5 (Reproduced)

## সামৰণি

ভাৰতৰ স্বাধীনতাৰ পিছতো চুবুৰীয়া ৰাষ্ট্ৰৰপৰা অসমলৈ হৈ থকা প্ৰব্ৰজন কোনোপধ্যে স্বীকাৰ্য হ'ব নোৱাৰে। স্বাধীনতাৰ পৰৱৰ্তী সময়ত ভাৰত চৰকাৰে দুবছৰৰ ভিতৰত পশ্চিম পাকিস্তানৰ লগত সীমা সম্পূৰ্ণ সুৰক্ষিত কৰিছিল। কিন্তু পূৰ্ব পাকিস্তানৰ লগত সীমা সুৰক্ষাত তেতিয়া ভাৰত চৰকাৰে কোনো গুৰুত্বই আৰোপ নকৰিলে। স্বাধীনতাৰ ৬৫ বছৰৰ পিছতো আগৰ পূৰ্ব পাকিস্তান আৰু এতিয়াৰ বাংলাদেশৰ লগত ভাৰতৰ সীমা সম্পূৰ্ণ সুৰক্ষিত হৈ উঠা নাই। কেন্দ্ৰীয় চৰকাৰে ভাৰত-বাংলাদেশ সীমান্তৰ ক্ষেত্ৰত কিয় এনে মনোভাব লৈ আহিছে, সি সঁচাই চিন্তনীয় আৰু ৰহস্যজনক। আনকি অসম চুক্তি (১৯৮৫) নিজে স্বাক্ষৰ কৰিও, এই চুক্তি অনুসৰি অসম-বাংলাদেশ সীমান্তক সুৰক্ষিত কৰাৰ ক্ষেত্ৰতো কেন্দ্ৰীয় চৰকাৰে প্ৰয়োজনীয় তৎপৰতা আজিলৈকে দেখুওৱা নাই। ফলত, অসুৰক্ষিত সীমান্তৰে বৃহৎ হাৰত বাংলাদেশৰপৰা দাঁতিকাষৰীয়া অসমলৈ অবৈধভাৱে প্ৰব্ৰজন ঘটি আহিছে। এই অবৈধ প্ৰব্ৰজনে অসমৰ জনগাঁথনিক যথেষ্টভাৱে পৰিৱৰ্তিত কৰিছে আৰু এনে পৰিৱৰ্তনে অসমৰ খিলঞ্জীয়া মানুহৰ মাজলৈ কঢ়িয়াই আনিছে শঙ্কা — অস্তিত্ব হেৰুওৱাৰ। অসমলৈ হৈ থকা সাম্প্ৰতিক প্ৰব্ৰজন অপ্ৰয়োজনীয়, ই সৃষ্টি কৰিছে সমস্যা, বঢ়াইছে বিবাদ।

#### তথ্যসূত্ৰ


১ Bolin Hazarika. *A Socio-Political Study of the Tea-Tribe Students of Brahmaputra Valley in Assam*. A Ph. D. Thesis submitted to Gauhati University, Guwahati (unpublished), 2006, p. 30

২ তদেৱ, pp. 30-1

৩ Amalendu Guha. *Planter Raj to Swaraj : Freedom Struggle & Electoral Politics in Assam*. Delhi: Tulika Books, 2006, p. 13

৪ তদেৱ, p. 37

৫ M. Kar. *Muslims in Politics of Assam*. Delhi: Omsons Publication. 1990, pp. 8-9

৬ হেমচন্দ্ৰ শইকীয়া। *প্ৰব্ৰজনৰ ভয়াৱহতা (১৮২৬-১৯৯২): অসমৰ অস্তিত্ব বিপন্ন?* ত্ৰিনয়ন প্ৰিণ্টাৰ্ছ, পৃষ্ঠা ২-৩।

৭ Monirul Hussain. *The Assam Movement : Class, Ideology and Identity*. New Delhi: Manak Publishers Pvt. Ltd, 1993, p. 204

৮ A. C. Bhuyan and S. De. *Political History of Assam*, Vol - II, Guwahati: Publication Board of Assam, 1999, p. 312

৯ M. Kar, প্ৰাগুক্ত, pp. 26-31

১০ হৰেকৃষ্ণ ডেকা। "অসমত অনুপ্ৰৱেশ", *সাতসৰী*, মে' পৃষ্ঠা ৪১-৮।

১১ J. N. Dixit. *Across Borders: Fifty Years of India's Foreign Policy*. New Delhi: Picas Books, 1998, p. 104

১২ Rita Afsar. "Population Movement in the Fluid, Fragile and Contentious Borderland Between Bangaladesh and India", paper presented in the School of Arts, History and Culture, University of Manchester, U.K. July 7-11-2008, p. 5




#### অন্যান্য সহায়ক সূত্ৰ


১ B. J. Dev and D. K. Lahiri. *Assam Muslims: Politics and Cohesion*. Delhi: Mittal Publication, 1985

২ Monimala Devi. "Economic History of Nepali Migration and Settlement in Assam", *Economic and Political Weekly*, 21 July 2007, pp. 3005-7
Sanjib Baruah. *India Against Itself: Assam and the Politics of Nationality*. Oxford University Press, 2001

৩ S. U. Ahmed. *Muslims in Assam (1200-2000)*. Nagaon: Marigold Compu Print, 1999

৪ মনোজকুমাৰ নাথ। *অসমৰ ৰাজনীতিত মুছলমান বিশ্বাস, বাস্তৱ আৰু সংঘাত*। নগাঁও: ক্ৰান্তিকাল প্ৰকাশন, ২০১১।

৫ Report on "Illegal Migration into Assam" submitted to the President of India by the Governor of Assam (Sinha Report), 8 November, 1998

৬ Memorandum of Settlement (The Assam Accord), 1985

# ব্ৰহ্মপুত্ৰৰ বান-গৰাখহনীয়া প্ৰতিৰোধৰ সমস্যা

হীৰেন গঁগৈ

অসমৰ মানুহৰ বাবে ব্ৰহ্মপুত্ৰ আশীৰ্বাদ নহৈ এতিয়া এক ভয়ঙ্কৰ অভিশাপত পৰিণত হৈছে। প্ৰায় ডেৰ দশকমানৰ আগতে কোনোবা এখন বাতৰি কাকতত লিখিছিলোঁ যে অসমৰ বানপানী হৈছে বন্দুক-বাৰুদেৰে হিংসা-সন্ত্ৰাস চলাই থকা সন্ত্ৰাসবাদীসকলতকৈ বহু ডাঙৰ সন্ত্ৰাসবাদী। সন্ত্ৰাসবাদী সংগঠনবোৰে বহু চেষ্টা-শ্ৰম কৰি ইমান দিনে যিমানখিনি মানুহ মাৰিব পাৰিছে বা যিমানবোৰ সম্পত্তি নষ্ট কৰিব পাৰিছে, তাতোকৈ শ শ গুণে বেছিসংখ্যক মানুহৰ জীৱন আৰু পৰিয়ালবোৰৰ সা-সম্পত্তি ব্ৰহ্মপুত্ৰৰ বানপানী আৰু গৰাখহনীয়াই কেইদিনমানৰ ভিতৰতে ধ্বংস কৰি থৈ যায়। আৰু এই ধ্বংস প্ৰক্ৰিয়াৰ যেন কোনো অন্ত নাই! প্ৰতি বছৰে বান-গৰাখহনীয়াই অসমত একোটা নতুন প্ৰলয়-গাথা ৰচনা কৰি থৈ যায় বা যাব পাৰে। তাক বন্ধ কৰাৰ কোনো কাৰ্যক্ষম চেষ্টা আৰু পৰিকল্পনা হ'লে এতিয়ালৈকে চকুত পৰা নাই। বানপানী শুকাই যোৱাৰ পিছত চৰকাৰে ক্ষয়ক্ষতিৰ হিচাপ লয়, বানাক্ৰান্তসকলক কম-বেছি পৰিমাণে সাহায্য দিয়াৰ ব্যৱস্থা কৰে, দুই-এটা ভগা মথাউৰিৰ মেৰামতিৰ আঁচনি লয় (তাকো ৰাইজৰ হেঁচাত পৰিহে), বান-সাহায্য আৰু মথাউৰি নিৰ্মাণৰ নামত দুৰ্নীতিৰ প্ৰতিযোগিতা চলে, ছল চাই ফুৰা মন্ত্ৰী-বিষয়া-ঠিকাদাৰ-ব্যৱসায়ী আৰু মধ্যভোগীসকলে যিমান পাৰে ধন-সম্পত্তি সংগ্ৰহ কৰে, আন্দোলনকাৰী বিৰোধী দল-সংগঠনবোৰে চৰকাৰক পাৰেমানে গালি পাৰে, ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত সাহায্যপুঁজিৰ পৰিমাণক লৈ টনা-আঁজোৰা লাগে, চৰকাৰ আৰু বিৰোধী দল-সংগঠনবোৰৰ মাজত ৰাইজৰ চিন্তা তথা অসমপ্ৰেমৰ প্ৰদৰ্শনীমূলক প্ৰতিযোগিতা চলে, অসমৰ বানসমস্যাক ৰাষ্ট্ৰীয় সমস্যা বুলি স্বীকৃতি দিয়াৰ দাবী উঠে আৰু বাৰিষা শেষ হৈ যোৱাৰ লগে লগে সকলো হৈ-হাল্লা চেঁচা পৰি যায়। এয়ে হৈছে বান আৰু গৰাখহনীয়াক লৈ চৰকাৰ আৰু দল-সংগঠনবোৰৰ বাৎসৰিক কৰ্মসূচী আৰু সেইবোৰৰ ৰূপায়ণো নিয়মীয়াকৈ হৈ থাকে।

কিন্তু ৰাজ্যখনৰ বান-গৰাখহনীয়াৰ দৰে ক্ষয়ঙ্কৰী সমস্যাটোৰ স্থায়ী সমাধানৰ



বাবে চৰকাৰ আৰু বিৰোধী দল-সংগঠনবোৰৰ কিবা ঐকান্তিক চিন্তা, কল্পদৃষ্টি আৰু নেৰানেপেৰা চেষ্টা-শ্ৰম আছেনে? বান-সাহায্য, সাহায্যপুঁজি আৰু ভগা মথাউৰি মেৰামতিৰ দৰে কেতবোৰ হ্ৰস্বম্যাদী আঁচনিৰ বাহিৰে সাগৰসদৃশ ব্ৰহ্মপুত্ৰৰ নিয়ন্ত্ৰণৰ বাবে গভীৰ অধ্যয়ন আৰু দীৰ্ঘম্যাদী পৰিকল্পনা কিবা হাতত লোৱা হৈছেনে? নাই, সেইবোৰ একো হোৱা নাই। চৰকাৰে ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ নামত হেজাৰ হেজাৰ কোটি টকা খৰচ কৰি আছে, কিন্তু উপযুক্ত গৱেষণা আৰু পৰিকল্পনাৰ অভাৱত সেই সমস্ত ৰাজহুৱা ধনৰ একাংশ ব্ৰহ্মপুত্ৰৰ পানীত উটি গৈছে আৰু আন একাংশ সুযোগসন্ধানীসকলৰ পেটত সোমাইছে। ব'ৰ্ডখন এতিয়া চৰকাৰ আৰু বিষয়া-ঠিকাদাৰৰ বাবে খীৰতী গাই আৰু ৰাইজৰ বাবে বগা হাতী।

অথচ আমাৰ চকুৰ আগতে ব্ৰহ্মপুত্ৰই অসমৰ মাটিকালি বছৰে বছৰে গোগ্ৰাসে গিলি আহিছে। এটা হিচাপমতে ১৯৫৪ চনৰপৰা ২০০২ চনৰ ভিতৰত প্ৰায় ৪ লাখ হেক্টৰ মাটি ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত জাহ গৈছে। এতিয়ালৈকে তাৰ পৰিমাণ নিশ্চয় বহুখিনি বাঢ়িছে। বানপানীয়ে আক্ৰান্ত মানুহবোৰৰ ঘৰ-দুৱাৰ, পথাৰৰ শস্য, পশুধন আদি উটুৱাই নি যিমানবোৰ ক্ষতি কৰি আছে, তাতোকৈ হেজাৰ গুণে বেছি ক্ষতি কৰি আছে অবাধ গৰাখহনীয়াই। খেতি-বাতি আৰু সা-সম্পত্তি সাময়িকভাৱে নষ্ট হোৱা বন্যাক্ৰান্তসকলক হয়তো পৰ্যাপ্ত ক্ষতিপূৰণ দিব পৰা যায়, কিন্তু গৰাখহনীয়াত জাহ যোৱা মাটিবোৰ কোনোকালেই উদ্ধাৰ কৰিব পৰা নাযায়। এনেদৰে ব্ৰহ্মপুত্ৰৰ বুকুত গাঁওভূঁই জাহ গৈ থকাৰ ফলত অসমৰ মাটিকালি কমি আহিছে, খেতি মাটিবোৰ নোহোৱা হৈ আহিছে, গৃহহাৰা, উদ্বাস্তু লোকসকলৰ সংখ্যা হেজাৰৰ হিচাপত বাঢ়ি গৈ আছে, অথচ পুনৰ্সংস্থাপনৰ বাবে খালি মাটি ৰাজ্যখনত নোহোৱা হৈছে, সংৰক্ষিত বনাঞ্চলসমূহত ব্যাপক হাৰত বেদখল চলিছে, খাল-বিল-পুখুৰী সকলোবোৰ বেদখলকাৰীৰে ভৰি পৰিছে। ৰাজ্যখনৰ জনসংখ্যা হু হুকৈ বাঢ়ি আহিছে, কিন্তু বাসযোগ্য মাটি আৰু প্ৰয়োজনীয় খাদ্যশস্যৰ উৎপাদন সেই হাৰত কমি আহিছে। অসমত এদিন উশাহ ল'বলৈও মুকলি ঠাই অকণমান নোহোৱা হ'বগৈ। ইপিনে একাধিক কাৰণত ব্ৰহ্মপুত্ৰৰ বুকুত প্ৰতি বছৰে নতুন নতুন চৰ বা মাজুলীৰ সৃষ্টি হৈছে আৰু নদীখনৰ জলস্ৰোতৰ স্বাভাৱিক গতিপথ ক্ৰমাৎ বেছিকৈ বাধাগ্ৰস্ত হৈছে। ফলত নদীখনৰ কোবাল সোঁতে পাৰবোৰত বেছিকৈ খুন্দিয়াবলৈ লৈছে আৰু গৰাখহনীয়াৰ কোব বাঢ়ি গৈছে। অৰুণাচলৰ পাহাৰবোৰৰপৰা নামি অহা উত্তৰ পাৰৰ নদীবোৰ চুটি আৰু সেইবোৰৰ সোঁতো অধিক কোবাল। পাহাৰবোৰত তীব্ৰ গতিত বনধ্বংসৰ অভিযান আৰু খননকাৰ্য চলি থকাৰ বাবে খৰস্ৰোতা নৈবোৰে ব্যাপক হাৰত শিল, বালি আৰু মাটি উটুৱাই আনি ভৈয়ামত আৰু মোহনাত জমা কৰেহি। সেয়ে উত্তৰ পাৰে, বিশেষকৈ উজনি অংশত, বাৰিষা ব্ৰহ্মপুত্ৰৰ বানৰ প্ৰকোপ থাকিলেও গৰাখহনীয়াৰ প্ৰকোপ তুলনামূলকভাৱে কম। নদীখনৰ কোবাল সোঁতে উজনিত স্বাভাৱিকতে দক্ষিণ পাৰৰ ফালেহে গতি কৰি আছে। এই গতি চলি থাকিলে সমগ্ৰ

দক্ষিণ পাৰ এদিন ব্ৰহ্মপুত্ৰই গিলি পেলাব আৰু বৰ্তমানৰ অগণন চহৰ-নগৰ ভাঙিছিঙি অসংখ্য চৰ-চাপৰি বা মাজুলীৰহে সৃষ্টি কৰিবগৈ। অসমৰ গৌৰৱস্থল কাজিৰঙা অভয়াৰণ্যখনো ব্ৰহ্মপুত্ৰই খহাই খহাই সৰু কৰি আনিছে আৰু নৈৰ বুকুত নতুন নতুন বালিচৰ পাতি আছে। নিয়মমতে সেই বালিচৰবোৰ কাজিৰঙাৰে মাটি আৰু অভয়াৰণ্যখনৰ ষষ্ঠ সংযোজনত সেইবোৰ কাজিৰঙাৰ লগত সামৰিও লোৱা হৈছে। কিন্তু কাৰ্যক্ষেত্ৰত সেইবোৰত বাতিৰ ভিতৰতে বেদখলকাৰীৰ নতুন নতুন বসতি গঢ়ি উঠিছে। পৰিণামত আন এক সামাজিক অশান্তিৰো সৃষ্টি হ'বলৈ ধৰিছে।

কেন্দ্ৰ আৰু ৰাজ্যৰ চৰকাৰ দুটাই সন্ত্ৰাসবাদীসকলক মাৰিবলৈ বা ধৰিবলৈ আৰক্ষী আৰু সেনাৰ শক্তি বৃদ্ধি কৰিছে আৰু নতুন নতুন অভিযান চলাই আছে। তাৰ বাবে হেজাৰ হেজাৰ কোটি টকাৰ ৰাজহুৱা ধনো খৰচ কৰা হৈছে। কিন্তু ব্ৰহ্মপুত্ৰক নিয়ন্ত্ৰণ কৰিবলৈ চৰকাৰৰ হাতত কোনো দীৰ্ঘম্যাদী আৰু ফলপ্ৰসূ আঁচনি নাই। ব্ৰহ্মপুত্ৰৰ দৰে সাগৰসদৃশ নদী এখন নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা অসম চৰকাৰৰ নাই। তাৰ বাবে এটা সংহত আৰু দীৰ্ঘম্যাদী পৰিকল্পনা আৰু লক্ষ লক্ষ কোটি টকাৰ প্ৰয়োজন হ'ব। সেই জনশক্তি আৰু অৰ্থবল অসম চৰকাৰৰ নাই আৰু আগলৈয়ো নহ'ব। ব্ৰহ্মপুত্ৰৰ নিয়ন্ত্ৰণৰ লগত জড়িত আন্তঃৰাজ্যিক আৰু আন্তঃদেশীয় বিষয়বোৰতো অসমে অকলে একো কৰিব নোৱাৰে। কিন্তু কেন্দ্ৰীয় চৰকাৰ কেৱল অসমৰ সম্পদ লুণ্ঠনতহে আগ্ৰহী আৰু তৎপৰ। ব্ৰহ্মপুত্ৰৰ নিয়ন্ত্ৰণৰ দৰে অসমৰ জনসাধাৰণৰ জীৱন-মৰণৰ সমস্যা এটাৰ দায়িত্ব লোৱাত কেন্দ্ৰীয় চৰকাৰৰ সাংঘাতিক মনৰ নাটনি।

ব্ৰহ্মপুত্ৰৰ নিয়ন্ত্ৰণৰ বাবে ব্ৰহ্মপুত্ৰ ব'ৰ্ডে যোৱাটো শতিকাৰে একেবাৰে শেষৰ ফালে প্ৰায় ৩৭ হেজাৰ কোটি টকীয়া এখন আঁচনি লৈছিল। কিন্তু আঁচনিখন পৰ্যাপ্ত নাছিল আৰু তাৰ ৰূপায়ণৰো কোনো নিশ্চয়তা নাছিল। তেওঁলোকে কেৱল বিশেষজ্ঞসকলৰ ওপৰতে নিৰ্ভৰ কৰিছিল; কিন্তু বিশেষজ্ঞসকলতো সৰ্বজান্তা নাছিল আৰু তেওঁলোকৰ অধ্যয়ন আৰু পৰিকল্পনাও যে বিস্তৃত আৰু নিখুঁত আছিল তাতো সন্দেহৰ অৱকাশ আছিল। ব্ৰহ্মপুত্ৰৰ সুদীৰ্ঘ গতিপথ, তাৰ অৱস্থান, তাৰ প্ৰকৃতি, তাৰ ইতিহাস, উপনৈসমূহৰ গতিপ্ৰকৃতি, সেইবোৰৰ উৎপত্তিস্থল পাহাৰবোৰৰ গঠনপ্ৰণালী, ভৈয়াম অঞ্চলত সেইবোৰৰ প্ৰভাৱ, প্ৰাকৃতিক ভাৰসাম্য আদি সমস্ত দিশৰ বিস্তাৰিত অধ্যয়ন অবিহনে বিশাল ব্ৰহ্মপুত্ৰৰ বান-সমস্যাৰ স্থায়ী সমাধানৰ কাৰ্যক্ষম আৰু নিৰাপদ আঁচনি এখন প্ৰস্তুত কৰা সম্ভৱ নহয়। ত্ৰুটিপূৰ্ণ আঁচনিয়ে জটিলতৰ সমস্যাৰহে সৃষ্টি কৰাৰ দুৰ্ভাৱনা থাকি যায়। বৰ্তমান নামনি সোৱণশিৰিৰ নিৰ্মীয়মাণ বৃহৎ বান্ধক কেন্দ্ৰ কৰিও তো তেনে কেতবোৰ সমস্যাৰহে সৃষ্টি হৈছে। ৰাষ্ট্ৰীয় জলবিদ্যুৎ প্ৰকল্প আয়োগে আন্তৰ্জাতিক খ্যাতিসম্পন্ন বিশেষজ্ঞসকলৰ পৰামৰ্শ লৈ নামনি সোৱণশিৰিকে ধৰি অৰুণাচলৰ নৈবোৰৰ বৃহৎ বান্ধৰ আঁচনি প্ৰস্তুত কৰা বুলি দাবী কৰি আহিছিল যদিও এতিয়া সেইবোৰ



আঁচনিৰো অসংখ্য আসোঁৱাহ ধৰা পৰিছে। প্ৰধান আসোঁৱাহ হৈছে এই প্ৰকল্পৰ একমুখিতা। কেৱল জলবিদ্যুৎ উৎপাদনৰ লক্ষ্যৰেহে প্ৰকল্পবোৰ গ্ৰহণ কৰা হৈছে আৰু জলসম্পদৰ আনবোৰ ব্যৱহাৰৰ দিশ আওকাণ কৰা হৈছে। অৰ্থাৎ বান্ধে আবদ্ধ কৰা পানীৰ সঞ্চয় আৰু জলসিঞ্চনৰ দৰে দিশবোৰ নামনি সোঁৱণশিৰি জলবিদ্যুৎ প্ৰকল্পত সামৰি লোৱা হোৱা নাই। সেয়ে প্ৰকল্পটোক বহুমুখী কৰাৰ প্ৰয়োজন আৰু সুযোগ থকা সত্ত্বেও তেনে আঁচনি গৃহীত নহ'ল। কেৱল ব্যৱসায়িক ভিত্তিত বিদ্যুৎ উৎপাদনৰ লক্ষ্যৰে প্ৰকল্পটোৰ আঁচনি প্ৰস্তুত কৰাৰ বাবে অৰুণাচলৰ কোমল পাহাৰবোৰৰ গাঁথনি আৰু ভৈয়াম অঞ্চলৰ পাৰিপাৰ্শ্বিকতাৰ ওপৰত পৰিব পৰা ক্ষয়ংকৰী প্ৰভাৱবোৰৰ বিষয়ে পৰ্যাপ্ত অধ্যয়ন হোৱা নাই আৰু প্ৰয়োজনীয় নিৰাপত্তামূলক ব্যৱস্থাবোৰো সন্নিৱিষ্ট কৰা হোৱা নাই। নদীবান্ধ নিৰ্মাণৰ দায়িত্ব জলসম্পদ বিভাগৰপৰা কাঢ়ি নি শক্তি বিভাগৰ হাতত গতাই দিয়া আৰু ব্ৰহ্মপুত্ৰ ব'ৰ্ডখনক কাৰ্যতঃ এলাগী কৰি ৰখাৰপৰাই বুজা যায় যে ব্ৰহ্মপুত্ৰত বান-খহনীয়া সমস্যা সমাধানৰ কোনো চিন্তা বা পৰিকল্পনা চৰকাৰৰ নাই।

চিন্তাশীল আৰু যুক্তিবাদী লেখক মহম্মদ গজনবীয়ে বহু বছৰৰ আগতেই বান আৰু খহনীয়াৰ বিষয়ে *আজিৰ অসম* কাকতত এলানি চিন্তাগধুৰ আৰু বিশ্লেষণাত্মক প্ৰবন্ধ লিখি ব্ৰহ্মপুত্ৰই সৃষ্টি কৰিব পৰা ভাবুকিৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষণ কৰিছিল। উজনীৰ তিনিচুকীয়া জিলাৰ অনন্ত নলাৰ বিপদ সম্পৰ্কে তেওঁ বিশদভাৱে আলোচনা কৰিছিল আৰু এনে আশংকাও ব্যক্ত কৰিছিল যে ব্ৰহ্মপুত্ৰৰ বুঢ়ীদিহিংমুখী সোঁতত তিনিচুকীয়াৰ দৰে চহৰ এদিন উটি যাব। তেওঁৰ সেই আশংকা মুঠেও অমূলক নহয়। যিকোনো সময়তে তেনে প্ৰলয়ংকৰী দুৰ্ঘটনা ঘটিব পাৰে। অকল সেইখন জিলাতেই নহয়, ব্ৰহ্মপুত্ৰৰ উপকূলৱৰ্তী যিকোনো অঞ্চল বা চহৰতেই এনে ঘটনা ঘটিব পাৰে। সেইসময়ত "নাছা"ৱো এটা ইংগিত দিছিল যে, ব্ৰহ্মপুত্ৰৰ সুঁতিৰ গতিপথ উজনিত দক্ষিণ ফালে আৰু নামনিত উত্তৰ ফালে ঢাল খাইছে। ব্ৰহ্মপুত্ৰৰ সোঁত এনেয়ে বৰ কোবাল, তাতে তাৰ অন্তঃস্ৰোত অধিক মাৰাত্মক আৰু আগ্ৰাসী। গতিকে সেই সোঁতে যি-কোনো ঘটনাই ঘটাব পাৰে। কিন্তু গজনবীৰৰ দৰে "সৰু সুৰা" বিশেষজ্ঞৰ কথা শুনে কোনে? এতিয়াতো কেউফালে কেৱল "বৃহৎ"বোৰৰহে দিন, "সৰু"বোৰৰ গুৰুত্ব নোহোৱা হৈছে। চৰকাৰ, উদ্যোগপতি, ব্যৱসায়ী, অৰ্থনীতিবিদ, ৰাজনীতিবিদ, পৰিকল্পনাকাৰী, নিৰ্মাণকাৰী সকলোকে কেৱল "বৃহৎ" প্ৰকল্প, "বৃহৎ" উৎপাদন, "বৃহৎ" ব্যৱসায় (Big Bazar), "বৃহৎ" ঠিকা, "বৃহৎ" উন্নয়ন, "বৃহৎ" কমিছন, "বৃহৎ" লাভ আদিহে লাগে। "সৰু"বোৰত কোনো নাই। বৃহৎ বৃহৎ জাঁপেৰে মানৱসভ্যতা আগবাঢ়ি গৈছে। মানুহৰ লালসাও বৃহৎ হাৰত বাঢ়ি গৈছে আৰু প্ৰাকৃতিক সম্পদবোৰৰ ওপৰতো বৃহৎ বৃহৎ লুণ্ঠন চলিছে। কিন্তু সভ্যতাৰ এই বৃহৎ অগ্ৰগতি আৰু মানুহৰ বৃহৎ লোভ-ভোগৰ পৰিণাম কি? পৰিণাম হৈছে মানৱসভ্যতাৰ দ্ৰুত পৰিসমাপ্তি। প্ৰাকৃতিক সম্পদবোৰ দ্ৰুত গতিৰে শেষ হৈ আহিছে আৰু

বিশ্বৰ পৰিৱেশ দিনক দিনে বাসৰ অনুপযোগী হৈ আহিছে। আমি আমাৰ ভৱিষ্যৎ প্ৰজন্মবোৰৰ বাবে একো সম্পদেই বাকী ৰখা নাই। সিহঁত কঙাল হ'ব আৰু খাদ্য তথা বিশুদ্ধ বায়ুপানীৰ অভাৱত এই উত্তপ্ত ধৰাতলত সিহঁত ছটফটাই মৰিব লাগিব। সেয়ে বিশ্বৰ প্ৰখ্যাত চিন্তাবিদসকলে ক'বলৈ ধৰিছে যে মানৱসভ্যতাৰ গতিবেগ প্ৰয়োজনতকৈ বাঢ়ি গৈছে। একেবাৰে সঁচা কথা। মানুহ ইমান দ্ৰুত গতিৰে সভ্যতাৰ জখলাত নবগোৱা হ'লেও চলি গ'লহেতেন। অন্ততঃ মানৱজাতিৰ আয়ুস্ আৰু কিছুদিন বাঢ়িলহেতেন।

উনৈছশ পঞ্চাছ চনৰ বৰভূঁইকম্পৰ ফলত ব্ৰহ্মপুত্ৰৰ তলিভাগ কেইবাফুটো ওপৰলৈ উঠিল আৰু নদীখন বহল হৈ পৰিল। বুকুখন বাম হোৱাৰ বাবে নদীখনৰ সোঁত দুয়োকাষলৈ প্ৰবাহিত হ'ল আৰু খহনীয়াৰ প্ৰকোপ বাঢ়িল। আগতে একেবাৰে উজনিৰ চৈখোৱা ঘাটতে লোহিতখন হেনো একেবাৰে ঠেক আছিল, সিপাৰৰ শদিয়া চহৰখন দেখা পোৱাত আছিল। কিন্তু ভূমিকম্পৰ পাছত খহনীয়াত পৰি পুৰণি শদিয়া নগৰখনৰ চিনছাব নোহোৱা হ'ল। কিন্তু নদীখন বহলহে হৈছে, দ হোৱা নাই। মাজত সৰু সৰু বহুতো বালিচৰবহে সৃষ্টি হৈছে। খৰালি ব্ৰহ্মপুত্ৰৰ প্ৰায় অংশতে মাজৰ বালিচৰবোৰ ওলাই পৰে। আন কিছু কিছু অংশত পানী থাকিলেও তলিখন একেবাৰে বাম, সেইফালে কেনেবাকৈ নাৱনাও যাবলৈ হ'লে লাগি ধৰে। গতিকে খৰালি নাৱৰে ব্ৰহ্মপুত্ৰ পাৰ হওঁতে অসুবিধা বেছিহে হয়। নাও অকাই পকাই নিব লগা হোৱাৰ বাবে সময়ো লাগে বেছি। কোনো কোনো ঘাটত একোখন নাও আৰু ফেৰীৰে ইপাৰ সিপাৰ হ'ব নোৱাৰি। মাজতে বৃহৎ একোটা বালিচৰ থকাৰ বাবে খোজ কাঢ়ি সেইটো পাৰ হ'বলগীয়া হয়; তাৰ পাছত একোটা নতুন সুঁতি। বাৰিষাৰ প্ৰবল সোঁতত উটি অহা শিল, বালি, পলস, জাবৰ-জোঠৰ, গছ-গছনি আদি নৈৰ মাজৰ বাম অংশবোৰত লাগি ধৰে আৰু সেইবোৰ জমা হৈ হৈ একোটা বৃহৎ বালিচৰৰ সৃষ্টি হয়। এই প্ৰক্ৰিয়া এতিয়া আগতকৈয়ো দ্ৰুত হৈছে; কাৰণ হৈছে পাহাৰবোৰত চলি থকা বনধ্বংসৰ অভিযান। গছ-গছনি যিমানে কাটি মেলি ধ্বংস কৰা হৈছে, পাহাৰবোৰৰ ভূমিস্খলনো সিমানে বাঢ়ি গৈছে আৰু নামনিত ব্ৰহ্মপুত্ৰৰ গতিপথত চৰ সৃষ্টিৰ প্ৰক্ৰিয়াও জোৰদাৰ হৈছে। এতিয়া ব্ৰহ্মপুত্ৰৰ ঘাই সুঁতি বুলি একো নোহোৱাৰ দৰে। পৰিণাম হৈছে বান আৰু খহনীয়াৰ প্ৰকোপ বৃদ্ধি। বুকুৰ বাধাবোৰ আঁতৰাই নদীখনক স্বচ্ছন্দ গতিৰে বোৱাব নোৱাৰিলে আৰু তাৰ বহনক্ষমতা বৃদ্ধি কৰিব নোৱাৰিলে এই বান আৰু খহনীয়াৰ উপশম কোনো ফালে নঘটিব আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভৌগোলিক মানচিত্ৰও একে হৈ নাথাকিব।

কিন্তু চৰকাৰ আৰু বিশেষজ্ঞসকলৰ চিন্তা আৰু পৰিকল্পনাত বান-খহনীয়াৰ প্ৰতিৰোধৰ বাবে ব্ৰহ্মপুত্ৰৰ তলিখন খান্দি, মাজৰ সৰু-সুৰা চৰচাপৰিবোৰ আঁতৰাই নদীখনৰ গতিপথ মুকলি কৰাৰ কোনো আঁচনি নাই। তেওঁলোকে এতিয়া উপনৈবোৰত বৃহৎ বৃহৎ বান্ধ দি বিজুলি উৎপাদনৰ আঁচনি লৈছে। যুক্তি হৈছে,



বিজুলি উৎপাদনৰ লগতে উপনৈবোৰৰ জলৰাশিৰো নিয়ন্ত্ৰণ হ'ব আৰু ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠও কমিব। কিন্তু কামেকাজে দেখা গৈছে সেইবোৰ বিৰাট ফাঁকি। বাৰিষা পাহাৰবোৰত পানী বেছি হ'লে বান্ধৰ দুৱাৰ খুলি সেইবোৰ এৰি দিয়া হ'ব আৰু সেই পানীয়ে ভৈয়ামত বিভীষিকাৰ সৃষ্টি কৰিব। ইতিমধ্যে অসমকে ধৰি পৃথিৱীৰ বহুত দেশতে বৃহৎ নদীবান্ধৰ পানীয়ে তেনে ধৰণৰ বিপদ বিপৰ্যয়ৰ সৃষ্টি কৰিছেই। ভূটানৰ কুৰিশ্বু নদীৰ বান্ধে উত্তৰ কামৰূপত আৰু ৰঙানদী জলবিদ্যুৎ প্ৰকল্পই এৰি দিয়া পানীয়ে লখিমপুৰ-ধেমাজি জিলাত কি ধৰণৰ তাণ্ডৱ সৃষ্টি কৰিছে আৰু কৰিব পাৰে সেই অভিজ্ঞতা অসমৰ মানুহৰ ভালকৈয়ে হৈছে। আকৌ খৰালি কালত বান্ধবোৰৰ পানী প্ৰয়োজন অনুসাৰে এৰি নিদিয়াৰ ফলত (ব্যৱসায়িক ভিত্তিত কেৱল বিদ্যুৎ উৎপাদনৰ স্বাৰ্থত) নৈবোৰৰ নামনি অংশবোৰ শুকাই গৈ অৱবাহিকাৰ অঞ্চলবোৰত মৰুভূমিৰ সৃষ্টি কৰিব। আচল কথা হৈছে, চৰকাৰ আৰু বৃহৎ ব্যৱসায়িক কোম্পানিবোৰৰ দৃষ্টিত এতিয়া বানপানী-গৰাখহনীয়া নিয়ন্ত্ৰণৰ কোনো লক্ষ্য নাই, আছে কেৱল বিজুলি শক্তিৰ আহৰণ আৰু লাভ-সংগ্ৰহৰ স্বাৰ্থহে।

ব্ৰহ্মপুত্ৰৰ ভূ-পৃষ্ঠৰ খনন সম্পৰ্কে অসমৰ প্ৰাক্তন সাংসদ তথা কেন্দ্ৰীয় উপমন্ত্ৰী বেদব্ৰত বৰুৱাই ১৯৮৮ চনতে কোনোবা এখন তিনিদিনীয়া কাকতত এটা নীতিদীৰ্ঘ নিবন্ধ লিখি নিজৰ মতামত ব্যক্ত কৰিছিল। কেইবছৰ মানৰ আগেয়ে *অসমীয়া খবৰ* নামৰ দৈনিক কাকতখনে সেই নিবন্ধটোক প্ৰাসঙ্গিক বুলি ভাবি পুনৰ প্ৰকাশ কৰিছিল। তেওঁৰ সেই মতামতৰ প্ৰাসঙ্গিকতা নোহোৱা হৈ যোৱা নাই, বৰং এতিয়া বাঢ়িছেহে। সেই নিবন্ধত তেওঁ লিখিছিল:

> এই ধৰণৰ প্ৰকল্পৰ [ দিহিং আৰু সোৱণশিৰি প্ৰকল্পৰ ] সহায়ত আমি সকলো সমস্যা সমাধান কৰিব নোৱাৰোঁ। ব্ৰহ্মপুত্ৰৰ পানীৰ সুঁতি অধিক সংকুচিত হ'বলৈ নিদিয়াৰ দায়িত্বৰ পৰা আমি কেতিয়াও নিজকে সৰুৱাই ৰাখিব নোৱাৰিম। পৰ্বত আৰু ভৈয়ামত চলি থকা বৃক্ষবিনাশ যজ্ঞৰ পৰিসমাপ্তি ঘটাব নোৱাৰিলে আমাৰ সৰ্বনাশ অনিবাৰ্য। বন নাশকৰণৰ ফলত পাহাৰী অঞ্চলবিলাকৰ বিস্তৰ ক্ষতি হৈছে। বেছিভাগ পূৰ্বোত্তৰ ৰাজ্যই এই বিষয়ে সজাগতা দেখুওৱা নাই। তাৰ বিপৰীতে পূৰ্বোত্তৰৰ ৰাজ্যবোৰে কাঠৰ কাৰবাৰক অবাঞ্ছিত উদগনি দি আমাৰ উমৈহতীয়া সৰ্বনাশ মাতি আনিছে। এই কাৰখানাবোৰ নোহোৱা হ'লে হিজাৰ্ভবোৰ কোনেও ধ্বংস কৰিব নোৱাৰিলেহেতেন।
>
> তৃতীয়টো দীৰ্ঘম্যাদি সমাধান হৈছে ব্ৰহ্মপুত্ৰৰ ভূ-পৃষ্ঠ খন্দাৰ দ্বাৰা পানী ওলাই যোৱাৰ পথ মুকলি কৰা। ১৯৬৭ চনত যেতিয়া মই লোকসভাৰ সদস্য হৈ আছো, অসমৰ এই সমস্যাৰ বিষয়ে সন্ধান বিচাৰি কেইবাজনো বিশেষজ্ঞৰ কাষ চাপিছিলো। তেতিয়া কেন্দ্ৰীয় জলসিঞ্চন মন্ত্ৰী স্বৰ্গীয় কে এল ৰাওৰ লগতো আলোচনা কৰাৰ সুযোগ পাইছিলো। বান নিয়ন্ত্ৰণৰ বিষয়ত তেওঁৰ খ্যাতি আন্তৰ্জাতিক আছিল; ৰাও ব্ৰহ্মপুত্ৰৰ বুকুত পৰীক্ষামূলকভাৱে খনন কাৰ্য কৰাৰ পক্ষপাতী আছিল। এই খনন কাৰ্যৰ লগতে নদীৰ স্বাভাৱিক সোঁতে সহায় কৰিলে ডাঙৰ কাম হৈ উঠিব পাৰে। এই খনন কাৰ্য (dredging) কৰাৰ উপকাৰ কেইবাটাও। গৰাখহনীয়াৰ নিবাৰণৰ

ক্ষেত্রত এই কাম নিতান্তই সহায়ক হ'ব বুলি ভবা গৈছিল। ব্ৰহ্মপুত্ৰৰ সুঁতি দ হোৱাৰ লগে লগে পানীৰ বেগৰ দ্বাৰা আৰু বেছিকৈ মুকলি প্ৰবাহৰ সম্ভাৱনা আছে। ব্ৰহ্মপুত্ৰ আমাৰ দেশৰ এক জাতীয় জলমাৰ্গ (National Waterway) বুলি স্বাধীনতাৰ সময়তে ঘোষণা কৰা সত্ত্বেও, ঠিক সেই ঘোষণাৰ কিছুদিনৰ পাছতে আমাৰ এই শ শ বছৰ চলি অহা অতি ঐতিহ্যপূৰ্ণ জলমাৰ্গ বন্ধ কৰা হৈছিল। পাকিস্তানৰ লগত যুদ্ধৰ ফলত তেনে সিদ্ধান্ত লোৱা হৈছিল।

এতিয়া এই জলমাৰ্গ ব্যৱহাৰ নকৰাৰ যুক্তি হৈছে যে, অব্যৱহাৰৰ ফলত ব্ৰহ্মপুত্ৰৰ ঠায়ে ঠায়ে পোত গৈ ডাঙৰ জাহাজ যাব নোৱৰা হৈছে। খনন কাৰ্য্য আৰম্ভ হ'লে সেই যুক্তি দিব পৰা নাযাব। ব্ৰহ্মপুত্ৰইদি জাহাজ অহা যোৱা আৰম্ভ কৰিলে আমাৰ অৰ্থনীতি সম্পূৰ্ণ পৰিবৰ্তিত হৈ যাব। কেন্দ্ৰীয় মন্ত্ৰী ৰাৱে আমাক পূৰা সমৰ্থন কৰাৰ বাবেই ১৯৬৯ চনত দুখন ড্ৰেজাৰ অসমলৈ পঠাবলৈ নীতিগতভাৱে স্থিৰ কৰা হ'ল। এইটোও ঠিক হ'ল যে এই দুখনৰ মূল্য দহ কোটি টকা কেন্দ্ৰীয় চৰকাৰে দিব। ১৯৭২ চনৰ শেষৰ ফালে প্ৰথমখন ড্ৰেজাৰ গুৱাহাটী পালেহি। আনখন আহোঁতে আৰু কেইমাহমান লগাৰ কথা আছিল। গুৱাহাটীলৈ গৈ চাকিট হাউচৰ ওচৰত ড্ৰেজাৰখন দেখি ভাল লাগিল। দুমাহৰ পিছত আকৌ অসমলৈ যাওঁতে ড্ৰেজাৰখন সেই একে স্থানতে অকৰ্মণ্য হৈ পৰি থকা দেখি আচৰিত হ'লো। কথাটো কি? খবৰ কৰি গম পালো যে চালকৰ কাৰণে কিছুদিনৰ আগতে কেইখনমান ভাৰতৰ বাতৰি কাকতত বিজ্ঞাপন দিয়া হৈছিল, কিন্তু তাৰ কোনো উত্তৰ পোৱা নাই। অৰ্থাৎ মাহে ৯০০ টকা দৰমহাত কোনো দৰ্খাস্তকাৰী নোলায়লে কাম বন্ধ থাকিব। ৫ কোটি টকা সুদ আৰু অৱমূল্যায়নৰ খৰচ ধৰিলে, এদিন ড্ৰেজাৰখন বহি থকাৰ লোকচান ত্ৰিশ হাজাৰ টকা হ'ব। অৰ্থাৎ কেন্দ্ৰীয় চৰকাৰে প্ৰতিদিনে সিমানখিনি টকা ভৰি আছিল। উচিত দৰমহা দি নিজা সম্পৰ্কৰ যোগে এসপ্তাহৰ ভিতৰত এজন ড্ৰেজাৰ মাষ্টাৰক গুৱাহাটীত উপস্থিত কৰাই দিয়াটো একেবাৰে সম্ভৱ বুলি মই কৰ্তৃপক্ষক জনালোঁ।

দুমাহমানৰ পিছত আকৌ যাওঁতে ড্ৰেজাৰখন একেদৰেই পৰি থকা দেখিলোঁ। দিছপুৰলৈ গৈ ৰাজ্য চৰকাৰৰ গুৰিয়াল সকলক লগ পালো। তেতিয়া মই কেন্দ্ৰীয় চৰকাৰৰ উপমন্ত্ৰী। তাৰ পাছত যেতিয়াই আহোঁ ড্ৰেজাৰখন একেদৰেই পৰি থকা অৱস্থাত দেখিবলৈ পাওঁ। পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ ড্ৰেজাৰ এখনৰ এনে অৱহেলা দেখি বৰ বেয়া লাগিছিল। কিন্তু কৰিবলৈ একো নাছিল। এবছৰ নে দুবছৰৰ পাছত ড্ৰেজাৰখনে অসমৰ পৰা বিদায় ল'লে। কোনোবা এটা পোতাশ্ৰয়ে সেইখন পালে। সেইখনে বৰ ভালদৰে কাম কৰি আছে। ... ডাঙৰ ডাঙৰ সাগৰৰ জাহাজবোৰ পোতাশ্ৰয়লৈ অহা পথ মুকলি কৰাত দিনে ৰাতিয়ে ব্যস্ত। এইদৰে এটা সপোনৰ পৰিসমাপ্তি ঘটিল।

বৰুৱাই যি এটা সপোনৰ পৰিসমাপ্তি দেখি দুখ পাইছিল তেনে এটা সপোন ময়ো দেখিছিলো আৰু এই সপোন এতিয়াও দেখি থাকোঁ। এই বিষয়ত যোৱা ১৯৯৬ চনৰ ২২ জুলাই তাৰিখৰ *আজিৰ অসম* কাকতত মোৰ "হে মোৰ দুৰ্ভগীয়া দেশ" শিতানত এটা নিবন্ধ ওলাইছিল, যিটো আৰম্ভ কৰা হৈছিল মহম্মদ গজনবীৰ এলানি নিবন্ধৰ উল্লেখেৰেহে। তেতিয়ালৈকে বৰুৱাৰ উক্ত নিবন্ধটোৰ কথা (কোনোবা তিনিদিনীয়া কাকতত ১৯৮৮ চনতে প্ৰকাশ হোৱা) মোৰ অজ্ঞাত



আছিল। *অসমীয়া খবৰ*ত পুনৰ্মুদ্ৰিত নিবন্ধটো পিছতহে পঢ়িবলৈ পাওঁ। যিহওক, ১৯৯৬ চনত ময়ো প্ৰায় বৰুৱাৰ দৰেই ব্ৰহ্মপুত্ৰৰ বান-গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানকল্পে নদীখনৰ বুকুখন খন্দাই একমাত্ৰ উপায় বুলি ভাবি এখন আঁচনিৰ সপোন দেখিছিলোঁ। উক্ত নিবন্ধটোত লিখিছিলোঁ:

> চৈখোৱাৰপৰা ধুবুৰীলৈ শ শ মাইল অতিক্ৰম কৰি যোৱা ব্ৰহ্মপুত্ৰৰ দুয়োপাৰ ভেটিব লাগিব। তাৰ বাবে দুয়োপাৰ বৈজ্ঞানিক পদ্ধতিৰে বেৰ দিব লাগিব। ব্ৰহ্মপুত্ৰই দুয়োপাৰ খহাই বহলে কেইবামাইল জোৰা বালিচৰ পেলাই থৈছে। এই বালিচৰৰ অৰ্ধেক পুনৰুদ্ধাৰ কৰিব পৰা যায় আৰু তাৰ বাবে নৈৰ বুকুৰ ফালে ডেৰ দুই কিলোমিটাৰ আগুৱাই বেৰ দিব লাগিব। এই বেৰ আৰু ব্ৰহ্মপুত্ৰৰ মথাউৰিৰ মাজত যি-বিবাট বালিচৰ আবদ্ধ হ'ব, সেই দ অংশটো পূৰণ কৰিব লাগিব ব্ৰহ্মপুত্ৰৰ বুকুৰ পৰা খান্দি অনা বালিৰে। এই কাম কৰিব লাগিব ক্ৰমাগতভাৱে এফালৰ পৰা, হয়তো চৈখোৱা ফালৰপৰা। এইদৰে ব্ৰহ্মপুত্ৰক নিয়ন্ত্ৰণ কৰিব পাৰিলে সমগ্ৰ ৰাজ্যখনৰ কেইটামান মহৎ লাভ হ'ব: (১) ব্ৰহ্মপুত্ৰৰ বুকুখন দ হ'লে বানপানীৰ ভয়াৱহতা কমি যাব। (২) ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে লাখ লাখ হেক্টৰ মাটি নতুনকৈ মুকলি হ'ব। এই মাটিত ব্যাপক বনাঞ্চল গঢ়ি তুলিব পৰা যাব। লাখ লাখ গৃহহীন লোকক ভেটি আৰু খেতিৰ মাটি দিব পৰা যাব। (৩) ব্যাপক জলসিঞ্চনৰ আঁচনি ল'ব পৰা যাব। (৪) ব্ৰহ্মপুত্ৰৰ বুকুৰেদি এটা সুচল আৰু সুদীৰ্ঘ জলপথ পুনৰ কাৰ্যক্ষম হৈ উঠিব। (৫) ব্ৰহ্মপুত্ৰৰ নিয়ন্ত্ৰিত পানীৰে হাজাৰ হাজাৰ মেগাৱাট বিজুলি শক্তি উৎপাদন কৰিব পৰা যাব। এই বিজুলিৰে উত্তৰ-পূৰ্বাঞ্চলকে ধৰি উত্তৰ ভাৰতৰো চাহিদা পূৰণ কৰিব পৰা যাব বুলি বিশেষজ্ঞসকলে মাজে মাজে কোৱা শুনিছোঁ। (৬) ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ হ'লে গৰাখহনীয়া ৰোধ হ'ব আৰু বছৰেকীয়া বানপানীবোৰৰ ভয়াৱহতা আৰু ক্ষতিৰ পৰিমাণ যথেষ্ট কমি যাব।"

মই আৰু লিখিছিলোঁ:

> কোনোবাই ক'ব পাৰে: 'এইবোৰ কথা ক'বলৈ তুমি কোন? তোমাৰ জ্ঞানেই বা কিমান?' সঁচা কথা মই নৈ নিয়ন্ত্ৰণৰ কোনো বিশেষজ্ঞ নহওঁ। কিন্তু মোৰ দৃঢ় বিশ্বাস, কেৱল বিশেষজ্ঞৰ দ্বাৰাই সকলো কাম নহয়। কেতিয়াবো আমাৰ দৰে অতি সাধাৰণ মানুহৰ চিন্তা আৰু কল্পনাকো বিচাৰ কৰি চোৱাৰ বা কামত লগোৱাৰ প্ৰয়োজন আছে। লগতে একত্ৰিত কৰাৰ। চীনৰ হোৱাংহো নৈৰ নিয়ন্ত্ৰণৰ সময়ত বিশেষ জ্ঞান আৰু অভিজ্ঞতাক এনেদৰে কামত লগোৱা হৈছিল।

বেদব্ৰত বৰুৱাই যিখন ড্ৰেজাৰৰ কথা লিখিছিল, সেইখনৰ কথা মোৰ কাণতো পৰিছিল। তেতিয়া মই এজন ছাত্ৰ। স্বাভাৱিকতে সেই কথাক লৈ মই সিমান মূৰ ঘমোৱা নাছিলোঁ। বৰুৱাই চালকৰ অভাৱত ড্ৰেজাৰখন কামত লগাব পৰা ন'হল বুলি লিখিছে। কিন্তু মই শুনিছিলোঁ অন্য এটা কাৰণৰ কথাহে। ড্ৰেজাৰখনে বালিবোৰ ক'ত পেলাব সেইটো ঠিক কৰিব নোৱৰাৰ বাবেহে হেনো খননকাৰ্য চলোৱা নহ'ল। সি যি কি নহওক, পিছত বৰুৱাৰ লেখাৰপৰা আচল কথাটো গম পোৱা গ'ল। তথাপি কিন্তু খন্দাবালিবোৰ পেলোৱা ঠাইৰ সমস্যাটো

আছিল আৰু আগলৈও থাকিব। সেয়ে মই দুয়োপাৰৰ বালিচৰৰ কিছু অংশ শিলৰ বেৰেৰে আৱৰি লৈ তাত বালিবোৰ পেলোৱাটো সহজ আৰু কামত অহা বিধৰ হ'ব বুলি ভাবিছিলোঁ। তেনেদৰে বালিবোৰ পুতি বৃহৎ পৰিমাণৰ নতুন ঠায়ো উলিয়াব পৰা গ'লহেতেন আৰু সেইবোৰ বৃক্ষৰোপণ বা বসবাসৰ কাৰণে ব্যৱহাৰ কৰিব পৰা গ'লহেতেন। কিন্তু পাৰৰপৰা নদীৰ ফালে ভিতৰত বেৰ দিয়াটো যে অকণো সহজ কাম নহয় সেই কথা বুজি পোৱাত মোৰ অসুবিধা হোৱা নাছিল। কিন্তু সকলো ঠাইতে সম্ভৱ ন'হ'লেও নদীৰ বহুতো অংশত সেইটো নিশ্চয় কৰিব পৰা গ'লহেতেন। তদুপৰি এই ক্ষেত্ৰত বৃহৎ বৃহৎ স্পাৰৰ আঁচনিও ল'ব পাৰি। একোটা স্পাৰে নদীৰ আগ্ৰাসী সোঁতক ভেটি ধৰে বাবে পাছৰ অংশত সোঁতে খুন্দিয়াব নোৱাৰা হয় আৰু সেয়ে খহনীয়াও বন্ধ হয়। তেনেদৰে স্পাৰে ভেটি নিৰাপদ কৰা অংশবোৰো দেখোন নদীৰ বুকু খান্দি অনা বালিৰে পূৰ কৰিব পৰা যায়। কামটো প্ৰথমে নিশ্চয় পৰীক্ষামূলক হ'ব। কিন্তু তেনে পৰীক্ষা-নিৰীক্ষাৰ উদ্যোগটো চৰকাৰে আজিলৈকে লোৱা নাই। তেনেদৰে নদী নিয়ন্ত্ৰণৰ কথা চৰকাৰে বোধ কৰোঁ বাদেই দিছে। আৰু এটা কথা, নদীৰ খনন-কাৰ্য আৰম্ভ কৰিলে পানীৰ স্বাভাৱিক সোঁতে কামটো সহজ কৰি তুলিব বুলি বহুৱাই উল্লেখ কৰিছে। কাৰ্যতঃ সেইটোৱেই নিশ্চিতভাৱে ঘটিব, কাৰণ বোৱতি পানীয়ে নিজৰ ৰাস্তা পাৰ্যমানে নিজেই মুকলি কৰি যাব। আমাৰ কৰ্তব্য হৈছে অলপ সহায় কৰি দিয়াহে। নৈৰ পানীয়ে সোমাজে পোনে পোনে ব'বলৈ সুবিধা পালে তাৰ গতি অধিক খৰতকীয়া হোৱাৰ লগতে কম সময়তে অধিক পৰিমাণৰ পানী বৈ গুচি যাব। তেতিয়া পাৰৰ ফালেও সোঁতৰ হেঁচা নপৰি বালিচৰ সৃষ্টি হোৱাৰহে সম্ভাৱনা বাঢ়িব। নৈৰ বুকুৰেদি জাহাজ চলাচল আৰম্ভ হ'লে মূলসুঁতিৰ গতিপথো সদায় মুক্ত হৈ থাকিব।

কিন্তু এনে এক বৃহৎ আৰু অতি-অভিলাষী পৰিকল্পনা হাতত লয় কোনে? ব্ৰহ্মপুত্ৰৰ এনেধৰণৰ খনন আৰু স্থায়ী নিয়ন্ত্ৰণৰ কাম ইমান ব্যাপক পৰিসৰৰ হ'ব আৰু অৰ্থ তথা সময়ৰ ফালৰপৰাও ইমান বেছি খৰচী হ'ব যে কেৱল অসমহে নালাগে পূৰ্বোত্তৰৰ আটাইবোৰ ৰাজ্য একগোট হ'লেও কামটো তেওঁলোকৰ বাবে সম্ভৱ ন'হ'বগৈ। এই কামৰ বাবে বহু লাখ কোটি টকাৰ প্ৰয়োজন হ'ব আৰু প্ৰকল্পটোৰ ৰূপায়ণত এটা সুদীৰ্ঘ কাল উকলি যাব। এনে এটা প্ৰকল্পৰ কাম হাতত লোৱাৰ ক্ষমতা কেৱল কেন্দ্ৰীয় চৰকাৰৰহে আছে। সেইটো কেন্দ্ৰৰ দায়িত্বও। পূৰ্বোত্তৰৰ সম্পদৰাজিৰ বিনিময়ত আৰু স্বৰাজোত্তৰ সুদীৰ্ঘ তিনিকুৰি বছৰীয়া বৈষম্য আৰু প্ৰতাৰণাৰ ক্ষতিপূৰণ হিচাপে কেন্দ্ৰই অসম তথা পূৰ্বোত্তৰৰ নিৰাপত্তা তথা বিকাশৰ স্বাৰ্থত ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ কাৰ্যক্ষম প্ৰকল্প এটা হাতত ল'বই লাগিব। অসমক স্বাধীন কৰিবলৈ "সংগ্ৰাম" চলাই থকা "মুক্তি যুঁজাৰুসকলে"ও কেন্দ্ৰৰ সৈতে দৰদাম কৰিবলৈ ইয়াতকৈ উপযুক্ত আৰু অৰ্থবহ বিষয় কমেই ওলাব।



কিন্তু কেন্দ্ৰীয় চৰকাৰৰ পৰিকল্পনাত ব্ৰহ্মপুত্ৰৰ বুকু খান্দি জলপ্ৰবাহৰ গতিপথ মুকলি কৰা, নদীখনক ৰাষ্ট্ৰীয় জলপথ হিচাপে ব্যৱহাৰ কৰা, তাৰ জৰিয়তে বান-গৰাখহনীয়াৰ প্ৰশমন ঘটোৱা আৰু নদীখনৰ জলসম্পদৰ ব্যৱহাৰ বৃদ্ধি কৰাৰ কোনো আঁচনি নাই। তাৰ সলনি কেন্দ্ৰীয় চৰকাৰে জাতীয় বিকাশ এজেন্সিৰ জৰিয়তে নদী সংযোগকৰণ (inter-linking of rivers) নামৰ এখন অতি বৃহৎ আৰু অভিলাষী আঁচনিহে প্ৰস্তুত কৰি থৈছে। আঁচনিখন কাৰ্যকৰণ হোৱা নাই যদিও তাৰ প্ৰয়াস অব্যাহত আছে। আঁচনিখনৰ জৰিয়তে দেশৰ ৩৭খন সৰু-বৰ নৈক ৩০টা খালেৰে সংযোগ কৰিবলৈ বিচৰা হৈছে। তাৰে ১৪টা খালে হিমালয় পৰ্বতমালাৰপৰা নামি অহা নৈবোৰক আৰু ১৬টা খালে দক্ষিণ ভাৰতৰ নৈবোৰক সংযোগ কৰিব। পানী বেছি থকা নৈবোৰৰপৰা খৰাংপীড়িত অঞ্চলবোৰলৈ পানী বোৱাই নিয়াই হৈছে আঁচনিখনৰ লক্ষ্য। তাৰ ভিতৰত ব্ৰহ্মপুত্ৰকো সামৰি লোৱা হৈছে। বাৰিষা ব্ৰহ্মপুত্ৰই প্ৰায়ে বানেৰে প্ৰলয় সৃষ্টি কৰে। গতিকে নদীখনৰ কোনোবা উৎসস্থলৰপৰা আৰু নামনি অংশৰপৰাও খাল কাটি পানীবোৰ আনফালে বোৱাই নিব পাৰিলে বানপানীৰ উপদ্ৰৱো কমি যাব। সেইটোৱেই চৰকাৰৰ চিন্তা আৰু পৰিকল্পনা। সেই লক্ষ্যৰেই নদীসংযোগকৰণ আঁচনিখনত ভূটানৰপৰা বৈ অহা ব্ৰহ্মপুত্ৰৰ দুখন উপনৈ মানাহ আৰু সোণকোষৰ গতিপথত দুটা বান্ধ দি দুয়োখন নৈক সংযোগ কৰি সোণকোষ নৈক পুনৰ তিস্তা নৈৰ সৈতে সংযোগ কৰিবলৈ বিচৰা হৈছে। তিস্তাৰপৰা খালটো বঢ়াই নি পুনৰ গংগাৰে সৈতে সংযোগ কৰা হ'বগৈ। সেইদৰে গংগাকো সুবৰ্ণৰেখা আৰু সুবৰ্ণৰেখাক মহানদীৰে সৈতে সংযোগ কৰি অসমৰ প্ৰাপ্য পানী দক্ষিণ ভাৰতলৈ বোৱাই নিয়া হ'ব। এই আঁচনিৰ অধীনতে ব্ৰহ্মপুত্ৰৰ পানী উলিয়াই নিবলৈ আন এটা বিকল্প খালৰ প্ৰকল্পও প্ৰস্তুত কৰি থোৱা আছে। সেইটো হৈছে যোগীঘোপা-তিস্তা-ফৰাক্কা খাল। কিন্তু এই বিকল্প খালটোৰ কৃতকাৰ্যতাত সন্দেহ আছে। কাৰণ ফৰাক্কাৰ ভূ-প্ৰাকৃতিক উচ্চতা যোগীঘোপাৰ তুলনাত যথেষ্ট বেছি। গতিকে পাম্প ব্যৱহাৰৰ প্ৰয়োজন হ'ব আৰু সেইটো অতি খৰচী বেপাৰ হ'ব। আনহাতে পাম্প ব্যৱহাৰ নকৰাকৈয়ে মানাহ-সোণকোষৰ পানী বোৱাই নিব পৰা যাব। (তথ্যৰ উৎস: "ৰাজ্যিক জলনীতি আৰু নদীসংযোগ": ড° সুশীল গোস্বামী, *অসমীয়া প্ৰতিদিন*, ৪ আগষ্ট ২০০৯।) উদ্বেগৰ কথা যে অসম চৰকাৰৰ টাস্ক ফ'ৰ্চে প্ৰস্তুত কৰা ৰাজ্যিক জলনীতিৰ খচৰাত পানীৰ আন্তঃ-অৱবাহিকা স্থানান্তৰকৰণ (inter-basin transfer)ৰ ব্যৱস্থা এটাও সন্নিৱিষ্ট কৰা হৈছে। এই ব্যৱস্থাৰ জৰিয়তে অসমৰ পানী ৰাজ্যখনৰ ভিতৰতে এঠাইৰপৰা আন ঠাইলৈ নিয়াৰ লগতে বহিঃ-ৰাজ্যলৈও লৈ যোৱা হ'ব পাৰে।

কিন্তু ব্ৰহ্মপুত্ৰৰ পানী অসমৰ বাবে কেৱল সমস্যা নহয়, এটা ডাঙৰ সম্পদো। অসমত তাৰ সদ্ব্যৱহাৰ হোৱা নাই — সেই বুলি পানীখিনি আনক দি দিয়াৰো কোনো যুক্তি নাই। ৰাজ্যখনৰ ভৱিষৎ উন্নতিৰ বাবে, কৃষি আৰু উদ্যোগৰ বিকাশৰ বাবে, বৰ্ধিত জনসংখ্যাৰ দৈনন্দিন ব্যৱহাৰৰ বাবে, এই ভূ-খণ্ডৰ পৰিৱেশ

সুস্থ কৰি ৰখাৰ বাবে, ইয়াৰ সভ্যতা-সংস্কৃতি ৰক্ষাৰ বাবে ব্ৰহ্মপুত্ৰৰ পানী লাগিবই আৰু তাৰ জলধাৰাই স্বাভাৱিক গতিৰে প্ৰবাহিত হৈ থাকিবই লাগিব। এদিন হয়তো নদীখনৰ প্ৰতি টোপাল পানী অসমবাসীৰ বাবে মহাৰ্ঘ হৈ পৰিব। ব্যৱসায়-বাণিজ্য তথা যাতায়াতৰ প্ৰসাৰৰ বাবেও ব্ৰহ্মপুত্ৰৰ জলপথে এদিন মহতী ভূমিকা পালন কৰিব। তেনে এক ভৱিষ্যৎ চিন্তা পৰিহাৰ কৰি ব্ৰহ্মপুত্ৰৰ উদ্দাম জলৰাশিক দেশীয়-আন্তৰ্দেশীয় এজেন্সিৰ হাতত তুলি দিয়াটো নিৰ্লজ্জ জাতিদ্ৰোহিতা বুলিহে প্ৰমাণিত হ'ব। অসম-অসমীয়াই প্ৰকৃতিপ্ৰদত্ত পানীখিনিৰ অধিকাৰ হেৰুৱাব আৰু আজিৰ এই সৰ্বগ্ৰাসী বজাৰ অৰ্থনীতিৰ যুগত বৃহৎ বণিকগোষ্ঠীয়ে সহজে সেই অধিকাৰ হস্তগত কৰি ৰাজ্যই ৰাজ্যই পানীৰ বেপাৰ কৰিব। তদুপৰি মানাহ আৰু সোণকোষৰ প্ৰস্তাৱিত বৃহৎ বান্ধ দুটা হ'বলৈ হ'লে ব্ৰহ্মপুত্ৰৰ মুক্ত প্ৰৱাহ ব্যাহত হ'ব আৰু নামনি অসমৰ পৰিৱেশ আৰু জীৱবৈচিত্ৰ্যও ধ্বংস হ'ব। নামনি সোৱণশিৰিৰ নিৰ্মীয়মাণ বৃহৎ বান্ধৰপৰাও তেনে এক প্ৰতিকূল প্ৰৱাহৰ আশংকা ঘনীভূত হৈছে। প্ৰাকৃতিক কাৰণত বা বৃহৎ বান্ধে আবদ্ধ কৰি ৰখা বৃহৎ জলৰাশিৰ নিৰৱচ্ছিন্ন চাপত ডাঙৰ ভূমিকম্প হ'বলৈ হ'লে বান্ধো ভাগি পৰিব আৰু তাৰপৰা বাগৰি অহা পৰ্বতপ্ৰমাণ জলস্ৰোতে নামনিত মহাপ্ৰলয়ৰ সৃষ্টি কৰিব।

নামনি সোৱণশিৰিৰ বৃহৎ নদীবান্ধ প্ৰকল্পৰ বিৰুদ্ধে মই সাধাৰণ বিদ্যাবুদ্ধিৰে আৰম্ভণিৰেপৰা কৈ আহিছোঁ যে, অতি স্বাভাৱিক ভূ-প্ৰাকৃতিক কাৰণতেই সেই বান্ধ কেতিয়াও নিৰাপদ হ'ব নোৱাৰে। অৰুণাচলকে ধৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল ভূমিকম্প-প্ৰৱণ অঞ্চল। তাতে অৰুণাচলৰ পাহাৰবোৰ একেবাৰে নুমলীয়া আৰু তাৰ শিলাস্তৰৰ গাঁথনি একেবাৰে নৰম। আগ্নেয়শিলৰ পাহাৰ হোৱা হ'লে বেলেগ কথা আছিল, কিন্তু অৰুণাচলৰ দৰে কোমল শিল-মাটিৰ পাহাৰত প্ৰায় ৩৫০ ফুট ওখ বান্ধ এটা কেতিয়াও নিৰাপদে বৰ্তি থাকিব নোৱাৰে। ভূমিকম্পৰ কথা বাদেই, বান্ধে আবদ্ধ কৰি ৰখা সাগৰ-সদৃশ জলৰাশিয়ে কাষৰ পাহাৰবোৰ লাহে লাহে কোমলাই পেলাব আৰু সেই কোমল মাটিয়েদি ওপৰৰ আবদ্ধ পানীয়ে স্বাভাৱিক নিয়ম মতেই বাট উলিয়াই ব'বলৈ আৰম্ভ কৰিব। সেই প্ৰক্ৰিয়া এবাৰ আৰম্ভ হ'লে কাৰো সাধ্য নহ'ব তাক বন্ধ কৰাৰ। পাহাৰৰ তলেদিয়েই নৈ ব'বলৈ আৰম্ভ কৰিব আৰু সময়ত পাহাৰ, বান্ধ সকলো মহতিয়াই লৈ যাব। পাহাৰৰ মাজত কোমল মাটিৰ ভেটাৰে পুখুৰী সিঁচাৰ অভিজ্ঞতা যিসকলৰ আছে তেওঁলোকে অৰুণাচলৰ বৃহৎ নদীবান্ধৰ অৱস্থাটোৰ কথাও সহজে উপলব্ধি কৰিব পাৰিব। তাৰ লগত প্ৰকৃতিৰ ৰুদ্ৰৰোষৰ বিপদটোও সদায় থাকিব। প্ৰকৃতিৰ মহাশক্তিৰ ৰহস্য আজিও মানুহৰ উদ্‌ঘাটন ক্ষমতাৰ বাহিৰত। অহঙ্কাৰাচ্ছন্ন মানুহে নিজৰ উপাৰ্জিত জ্ঞান আৰু প্ৰযুক্তিৰ জোৰত প্ৰকৃতিক একেবাৰে বশ কৰাৰ সপোনো দেখিব পাৰে। কিন্তু মানুহৰ তেনেধৰণৰ চৰম ধৃষ্টতাপূৰ্ণ প্ৰতিটো প্ৰয়াসকে প্ৰকৃতিয়ে নিজৰ ৰহস্যময় ৰুদ্ৰশক্তিৰে বাৰে বাৰে ওফৰাই দিছে। সাগৰত অকল্পনীয় ছুনামিৰ সৃষ্টি হৈছে, পৃথিৱীৰ ভূগৰ্ভত ভূমিকম্পৰ অভাবনীয় তাণ্ডৱ চলিছে, বায়ুমণ্ডলৰ



উত্তাপ ভয়ঙ্কৰ হাৰত বাঢ়ি গৈছে, জলবায়ুৰ পৰিৱৰ্তন হৈছে, বৰফৰ পৰ্বতবোৰ গলিবলৈ ধৰিছে, সাগৰৰ জলপৃষ্ঠ ওপৰলৈ উঠি পৃথিৱীৰ সমস্ত উপকূল বুৰাই পেলোৱাৰ ভাবুকি আহিছে। এইবোৰৰ কোনটোক বাধা দিয়াৰ শক্তি মানুহৰ আছে? এই সকলোবোৰ হৈছে পৰিণামৰ কথা বুজিব নোৱৰা মানুহৰ অন্তহীন লালসা-নিবৃত্তিৰ বাসনাৰে ফল। প্ৰকৃতিয়ে প্ৰতিশোধ লয় আৰু সেই প্ৰতিশোধ হয় অতি নিৰ্মম আৰু ভয়ঙ্কৰ। প্ৰকৃতিৰ বাবে ভাল বেয়া বুলি কোনো কথা নাই, নৈতিকতা বুলিও একো নাই। কেৱল নিয়ম আছে, ভাৰসাম্য আছে, পৰিমিতি আছে, কাৰ্যকাৰণৰ চক্ৰৱৎ গতি আছে আৰু আছে স্থিতিস্থাপকতাৰ অদমনীয় প্ৰবৃত্তি। অৱধাৰিত হ'লে হয়তো জীৱকুল ধ্বংস হ'ব, মানুহৰ সভ্যতা ধ্বংস হ'ব, কিন্তু প্ৰকৃতি থাকিব আৰু নিজৰ স্থিতিস্থাপকতাৰ নিয়মমতেই প্ৰকৃতিয়ে লাহে লাহে নিজৰ পূৰ্বাৱস্থালৈ গতি কৰিব।

সেয়ে নদী আৰু পানীৰ স'তেও মানুহে সহবাস কৰিবলৈ শিকিব লাগিব আৰু সেই জীৱনদায়িনী শক্তিৰ আশীৰ্বাদ আদায় কৰিবলৈ সাধনা কৰিব লাগিব: নৈ থাকিলে আৰু বৃষ্টিপাত হ'লে নদীত বান উঠিবই। সেই বানে ধ্বংস যিদৰে কৰে, সেইদৰে মানুহক দিও যায় বহুত। বানপানীয়ে পথাৰ সাৰুৱা কৰে, মাছ-কাছৰ বংশবিস্তাৰ ঘটায়, গেলা-পচা জাবৰ-জোঠৰবোৰ উটুৱাই লৈ যায়, অৰণ্যক জীপাল কৰে, তৃণজীৱী প্ৰাণীৰ বাবে ঘাঁহ-বনৰ এখন উৰ্বৰ ক্ষেত্ৰ প্ৰস্তুত কৰি থৈ যায়। অসমত বানপানী সৰ্বতিকাল হৈ আহিছে। কিন্তু আগতে বানপানী আহে আৰু কেইদিনমান থাকি শুকাই যায়। সেই বানপানীৰে সৈতে মানুহ অভ্যস্ত আছিল, জীৱন-সম্পত্তি-খেতিবাতিৰ ক্ষতিও কম হৈছিল। কিন্তু বানপানী ভেটিবলৈ যেতিয়াৰপৰা মথাউৰিবোৰ নিৰ্মাণ কৰিবলৈ লোৱা হ'ল আৰু উন্নয়নৰ স্বাৰ্থত যেতিয়া ডাঙৰ ডাঙৰ ৰাস্তাবোৰ নিৰ্মাণ কৰা হ'ল, তেতিয়াৰপৰা বানপানীত সোমাই অহা পানীবোৰ সহজে ওলাই যাব নোৱৰা হ'ল। নৈৰ দোকোল-টকা পানীয়ে মথাউৰি ভাঙি মানুহৰ ঘৰ-দুৱাৰ, জীৱজন্তু, খেতিপথাৰৰ শইচ আদি মহতীয়াই উটুৱাই নিয়াৰ ঘটনাবোৰো বাঢ়িবলৈ ধৰিলে। সেইবোৰ সমস্যাই এতিয়া অসমৰ মানুহক জুৰুলা কৰিছে, অসমৰ অৰ্থনীতিৰ কঁকাল ভাঙিছে।

এটা কথা এতিয়া বিশেষজ্ঞসকলেও স্বীকাৰ কৰিছে যে কেৱল মথাউৰি আৰু স্পাৰ আদিৰ নিৰ্মাণেৰেই বান-খহনীয়াৰ বৰ্ধমান সমস্যাটোক সমাধান কৰা সম্ভৱ নহয়। সেয়ে নদী-নিয়ন্ত্ৰণৰ বিকল্প চিন্তা আৰু প্ৰকল্পবোৰৰ প্ৰাসঙ্গিকতাও আহি পৰিছে। কিন্তু চৰকাৰে অসমৰ প্ৰধান নদী ব্ৰহ্মপুত্ৰৰ নিয়ন্ত্ৰণৰ বাবে যিবোৰ আঁচনি গ্ৰহণ কৰিছে সেইবোৰ ব্যৱসায়কেন্দ্ৰিক হৈ পৰাৰ বাবে লক্ষ্যচ্যুত হৈ পৰিছে। নদীৰ বুকু খান্দি জলপ্ৰবাহক মুক্ত কৰা আৰু তাৰ জৰিয়তে বান-গৰাখহনীয়াৰ প্ৰকোপ কমোৱাৰ দৰে কামবোৰ লৈ ব্যৱসায় নহয়। গতিকে সেইবোৰ কামত বৃহৎ পৰিমাণৰ পুঁজি খটাবলৈ চৰকাৰ বেছি আগ্ৰহী নহয়। ব্যক্তিগত পুঁজিপতি গোষ্ঠীৰ বা কোম্পানিবোৰৰ স্বাৰ্থও তেনে-কামৰ জৰিয়তে পূৰণ নহয়।

কিন্তু পানীৰপৰা বৃহৎ পৰিমাণৰ বিজুলী-শক্তি উৎপাদন কৰিব পাৰিলে তাৰে এটা বৃহৎ ব্যৱসায় চলাই থাকিব পাৰি। সেইদৰে পানীক পণ্যলৈ ৰূপান্তৰ কৰিব পৰিলেও ব্যৱসায়ীৰ স্বাৰ্থপূৰণ হয়। আজি বিশ্বায়নৰ যুগত সকলোবোৰ কথা-কামেই ব্যৱসায়কেন্দ্ৰিক হৈ পৰাত ব্যক্তিগত পুঁজি বা কোম্পানিবোৰৰ হাতলৈ উৎপাদন আৰু ব্যৱসায়ৰ সমস্ত দায়িত্ব আৰু কৰ্তৃত্ব হস্তান্তৰিত হৈ গৈ আছে। এই পুঁজিবাদী বিশ্বায়নৰ মূল শ্লʼগানেই হৈছে ব্যক্তিগতকৰণ। অৰ্থাৎ আৰ্থিক খণ্ড বা ক্ষেত্ৰবোৰত চৰকাৰবোৰৰ নিজস্ব উদ্যোগ বা হস্তক্ষেপ সম্পূৰ্ণ বন্ধ হʼব লাগে আৰু সেই ক্ষেত্ৰবোৰৰ বা সাধাৰণভাৱে অৰ্থনৈতিক ব্যৱস্থাপনাৰ সমস্ত দায়িত্ব পুঁজিপতিগোষ্ঠী বা কোম্পানিবোৰৰ হাতত গতাই দিব লাগে। বৃহৎ নদীবান্ধ-নিৰ্মাণৰ জৰিয়তে বৃহৎ হাৰত বিজুলী শক্তি উৎপাদনৰ আঁচনি নাইবা নদী-সংযোগকৰণৰ জৰিয়তে জল-বিতৰণৰ আঁচনিৰ অন্তৰালতো সেই আৰ্থিক দৰ্শনেই নিৰ্ণায়কভাৱে ক্ৰিয়া কৰিছে।

কিন্তু চৰকাৰৰ এনেবোৰ আঁচনিৰ জৰিয়তে ব্ৰহ্মপুত্ৰৰ বান-গৰাখহনীয়া সমস্যাৰ স্থায়ী আৰু বাঞ্ছিত সমাধান হʼব বুলি কেতিয়াও আশা কৰিব নোৱাৰি। বৰং নদীখনৰ স্বাভাৱিক প্ৰৱাহ মুক্ত কৰাৰ সলনি তাক বান্ধৰ জৰিয়তে বাধা দিবলৈ গʼলে, নাইবা পানীবোৰ অন্য ফালে বোৱাই লৈ গৈ সেই প্ৰৱাহক ব্যাহত কৰিবলৈ বিচাৰিলে অধিক বিষম সমস্যাৰ সৃষ্টি হোৱাৰ দুৰ্ভাৱনাহে প্ৰকট হৈ উঠিব। কিন্তু কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ দুটাক তেনে অপচেষ্টাৰপৰা বিৰত কৰা যায় কেনেকৈ? বান-গৰাখহনীয়াৰ প্ৰতিৰোধৰ আগতে এতিয়া চৰকাৰৰ ক্ষতিকৰ আঁচনিবোৰ বন্ধ কৰাটোহে ডাঙৰ সমস্যা হৈ পৰিছে।

এটা কথা এতিয়া স্পষ্ট যে, দিল্লী বা বিদেশৰপৰা কোনো বিশেষজ্ঞ আহি ব্ৰহ্মপুত্ৰৰ বান-গৰাখহনীয়া সমস্যাটো বিস্তৃতভাৱে অধ্যয়ন কৰি তাৰ সমাধানৰ উপায় আমাক নিদিয়েহি। তদুপৰি ভাৰালৈ অনা বিশেষজ্ঞসকলৰ প্ৰায়ভাগৰে অধ্যয়ন আৰু চিন্তা-চৰ্চাবোৰ হয় নিতান্তই যান্ত্ৰিক। সেয়ে আমাৰ থলুৱা বিজ্ঞানী, প্ৰযুক্তিবিদ, চিন্তাবিদ আৰু অভিজ্ঞ লোকসকলেই এই সমস্যাৰ স্থায়ী সমাধানৰ বাবে প্ৰয়োজনীয় অধ্যয়ন আৰু আঁচনি প্ৰস্তুতিৰ দায়িত্ব কান্ধ পাতি লʼব লাগিব। তাৰ বাবে সকলোৰে এটা সংহত আৰু নেৰানেপেৰা প্ৰচেষ্টাৰ প্ৰয়োজন হʼব। দুৰ্ভাগ্যৰ কথা যে অসমত এতিয়ালৈকে তেনে কোনো সংহত প্ৰচেষ্টা চকুত পৰা নাই। আমাৰ ভূবিজ্ঞানী আৰু বিশেষজ্ঞসকলৰ চিন্তা আৰু প্ৰতিভাক এই কামত ঐক্যবদ্ধ আৰু নিযুক্ত কৰাৰ বাবে কোনেও বিশেষ একো উদ্যোগ লোৱা নাই। প্ৰসঙ্গক্ৰমে কেইবছৰ মানৰ আগৰ এটা বাতৰিৰ কথা উল্লেখ কৰিব পাৰি। *খবৰ* নামৰ কাকতখনৰ ১৫-৭-২০০৬ তাৰিখৰ সংখ্যাত বাতৰিটো প্ৰকাশ পাইছিল। তেজপুৰৰ এজন ভূগোলবিদ আৰু সেই সময়ত শোণিতপুৰ জিলাৰ ৰঙাপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ডʼ শৈলেন্দ্ৰ বৰঠাকুৰে "এ কষ্ট-ইফেক্‌টিভ ফ্লাড-ৱাটাৰ ৰেগুলেটৰি মডেল" নামৰ এটা আৰ্হিৰে "টেক্‌ন'-ইকলজিকেল প্ৰজেক্ট" এটা



প্ৰস্তুত কৰি ২০০৪ চনত অসমৰ মুখ্যমন্ত্ৰী তৰুণ গগৈৰ হাতত অৰ্পণ কৰিছিল। উক্ত প্ৰজেক্টৰ আৰ্হি আৰু নক্সা আদি ৰাষ্ট্ৰপতিলৈও তেওঁ প্ৰেৰণ কৰিছিল আৰু ৰাষ্ট্ৰপতিয়েও সেইবোৰ কেন্দ্ৰীয় জলসম্পদ দপ্তৰলৈ পঠোৱা বুলি জানিবলৈ দিছিল। ডʼ বৰঠাকুৰে দাবি কৰামতে প্ৰজেক্টটোৰ ৰূপায়ণ হʼলে লুইতৰ জলধাৰাৰ নিয়ন্ত্ৰণ সম্ভৱ হৈ উঠিলহেঁতেন আৰু ৰাজ্যখনৰ দুই লাখ নিবনুৱাই কৰ্মসংস্থান লাভ কৰিলেহেঁতেন। তদুপৰি চৰকাৰেও বছৰি ছয় হেজাৰ কোটি টকাৰ ৰাজহ সংগ্ৰহ কৰিব পাৰিলেহেঁতেন। তদুপৰি ডʼ বৰঠাকুৰৰ মতে, প্ৰজেক্টটোত পাৰিপাৰ্শ্বিক, আৰ্থ-সামাজিক, ভূ-প্ৰাকৃতিক আৰু কাৰিকৰী দিশত গুৰুত্ব দিয়া হৈছিল আৰু তাৰ ৰূপায়ণৰ বাবে কোনো বিদেশী সংস্থাৰ সহায়ৰো প্ৰয়োজন নাছিল। কিন্তু বাতৰি-কাকতত সেই প্ৰকল্পটোৰ বিষয়ে সেই এবাৰ যি পঢ়িবলৈ পোৱা গʼল, তাৰ পাছত কোনোদিনেই সেই বিষয়ে একো কথাই শুনা নগʼল। প্ৰকল্পটো বাস্তৱসন্মত আৰু কাৰ্যকৰী কৰিব পৰা বিধৰ আছিল নে নাই, সেই বিষয়ে কোনোদিনেই একো আলোচনা নʼহল। মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় জলসম্পদ দপ্তৰে সেইটো অলাগতিয়াল বুলি ভাবি বোধ কৰোঁ দলিয়াই পেলালে। আমাৰ বোধেৰে, ডʼ বৰঠাকুৰে যে প্ৰকল্পটোৰ ৰূপায়ণত কোনো বিদেশী সংস্থাৰ সহায়ৰ প্ৰয়োজন নহʼব বুলি দেখুৱাইছিল, সেইটোৱেই সম্ভৱতঃ তেওঁৰ কাল হʼল। চৰকাৰৰ ওচৰত থলুৱা বিশেষজ্ঞৰ কোনো দাম নাই। তাতে যদি বিদেশী কোম্পানিৰো প্ৰয়োজন নহয়, তেনেহʼলে তেনে এটা প্ৰকল্পক লৈ চৰকাৰ চলোৱা নেতাসকলৰ কমিছন আহিব কʼৰপৰা আৰু বৃহৎ কোম্পানিবোৰেও ব্যৱসায় কৰিব কিহেৰে?

কেন্দ্ৰীয় চৰকাৰৰ প্ৰাক্তন উপমন্ত্ৰী বেদব্ৰত বৰুৱাই যে ব্ৰহ্মপুত্ৰৰ বাম বুকু খান্দি দ কৰাৰ ব্যৱস্থাটোৰ বাবে পৰিশ্ৰম কৰিছিল আৰু এই প্ৰাবন্ধিকও যে বহু বছৰৰপৰা ঠিক তেনে ধৰণৰ আঁচনি এখনৰ প্ৰয়োজনৰ কথা দোহাৰি আহিছে, চৰকাৰৰ ওচৰত সেইবোৰৰ কোনো দাম নাই। সেই আঁচনিখনৰ কাৰ্যকৰণ বাস্তৱত সম্ভৱ নহয় বুলি চৰকাৰ আৰু বিশেষজ্ঞসকলে নিশ্চয় ভাবিব পাৰে, কিন্তু সম্ভৱপৰ আৰু ভূ-প্ৰাকৃতিক বিধিসন্মত আঁচনি এখন প্ৰস্তুত কৰাৰ বাবে অসমৰ থলুৱা বিজ্ঞানী আৰু বিশেষজ্ঞসকলৰ পৰামৰ্শ লোৱা আৰু তেওঁলোকক একগোট কৰি সেই কামত নিযুক্ত কৰাৰ উদ্যোগ তো চৰকাৰে লʼব পাৰিলেহেঁতেন! সেই কাম চৰকাৰৰ জৰুৰী কৰ্তব্য আছিল। কিন্তু চৰকাৰে তেনেধৰণৰ কোনো উদ্যোগৰ কথা কেতিয়াও ভবা নাই। তাৰ সলনি বান-গৰাখহনীয়া নিয়ন্ত্ৰণৰ বাবে চিন্তা আৰু আঁচনি প্ৰস্তুত কৰাৰ কাম বিদেশী বিশেষজ্ঞ আৰু বৃহৎ কোম্পানিবোৰৰ হাততহে গতাই দিছে। সেইসকল বিশেষজ্ঞ আৰু তেনেবোৰ কোম্পানিয়ে কি কৰিব পাৰে তাৰ নমুনা নামনি সোৱণশিৰিৰ বৃহৎ নদীবান্ধ প্ৰকল্পৰ ক্ষেত্ৰতে দেখা পোৱা গৈছে।

এই কথা স্পষ্ট যে কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগ বা সক্ৰিয় সহযোগিতা অবিহনে ব্ৰহ্মপুত্ৰৰ দৰে বিশাল আৰু আন্তৰ্দেশীয় নদী এখনৰ নিয়ন্ত্ৰণ কোনোপধ্যেই

সম্ভৱ নহয়। ব্ৰহ্মপুত্ৰৰ মুঠ দৈৰ্ঘ্য হৈছে প্ৰায় ২৯০০ কিলোমিটাৰ আৰু তাৰ গতিপথে তিব্বতীয় চীন, ভাৰত আৰু বাংলাদেশ — তিনিওখন দেশকে সামৰি লৈছে। ইয়াৰ অৱবাহিকা অঞ্চলৰ মাটিকালি হৈছে প্ৰায় ৫,৮০,০০০ বৰ্গ কিলোমিটাৰ আৰু তাৰ ভিতৰত ভুটানো সোমাই আছে। ব্ৰহ্মপুত্ৰৰ নিয়ন্ত্ৰণৰ বাবে এই সমগ্ৰ অৱবাহিকা অঞ্চলৰ পৰিৱেশ-পৰিস্থিতিৰ এক বিস্তৃত অধ্যয়নৰ প্ৰয়োজন হ'ব আৰু নদীখনৰ উৎপত্তি-স্থলৰপৰা মোহনালৈকে সামৰি মূলসুঁতিৰ লগতে প্ৰতিখন উপনৈৰ জলবিজ্ঞানসম্পৰ্কীয় সকলো দিশ সামৰি ল'ব লাগিব। তেহে ব্ৰহ্মপুত্ৰৰ জলপ্ৰবাহৰ এখন পূৰ্ণাঙ্গ চিত্ৰ আঁকিব পৰা যাব। তেনে এক অধ্যয়নৰ জৰিয়তেহে নদীখনৰ গতিৰ মান, বিভিন্ন অংশত ঘটা তাৰ হৰণ-ভগন আদিৰ হিচাপ এটা উলিয়াব পৰা যাব আৰু কোনো এখন আঁচনিৰ সম্ভাব্য প্ৰভাৱ বা কু-প্ৰভাৱ সম্পৰ্কেও এটা সঠিক ধাৰণা কৰিব পৰা যাব। কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ণ সহযোগ অবিহনে এই কাম কেতিয়াও সম্ভৱ নহয়। এই কামত প্ৰচুৰ ধন, জন আৰু সময়ৰ লগতে আন্তৰ্জাতিক সহযোগিতাৰো প্ৰয়োজন। সেইবোৰৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ বাদে আন কোনো সংস্থা বা কৰ্তৃপক্ষই ল'ব নোৱাৰে। কিন্তু কেন্দ্ৰীয় চৰকাৰক বাধ্য কৰোৱা দায়িত্বটো থলুৱা জনসাধাৰণ, দল-সংগঠন, বিজ্ঞানী আৰু বিশেষজ্ঞসকলেই ল'ব লাগিব।

উদ্বেগৰ কথা যে দুই-এক আন্তৰ্জাতিক গৱেষকৰ গৱেষণাৰপৰা জনামতে চীনৰ অভিজ্ঞ অভিযন্তা আৰু প্ৰযুক্তিবিদসকলে ব্ৰহ্মপুত্ৰৰ আদি অংশ "য়াৰলাং-চাংপ"'ৰ নিৰ্মল জলৰাশিক সুউচ্চ তিব্বত মালভূমিৰ বুকু ভেদি উত্তৰৰ গোবি মৰুভূমিলৈ বোৱাই নিয়াৰ আঁচনি এখনৰ ৰূপায়ণৰ কামত লাগি আছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ অৰেগন প্ৰদেশৰ প'টলেণ্ড মহানগৰৰ নিবাসী টাচি চেৰিং নামৰ এগৰাকী গৱেষকে "টিবেট জাষ্টিচ চেণ্টাৰ"'ৰ সহযোগত ২০০২ চনতে "Hydrologic Water for Human Development Analysis of China's Water Management and Policies" শীৰ্ষক এখন গৱেষণাপত্ৰ প্ৰকাশ কৰিছিল। তাত প্ৰকাশ পোৱা মতে চীনে য়াৰলাং-চাংপ' (ব্ৰহ্মপুত্ৰ) আঁচনিৰ আগতেই তিব্বতৰ আন তিনিখন নৈত বান্ধ দি তাৰ পানী উত্তৰ চীনৰ প্ৰধান ভূখণ্ডলৈ বোৱাই নিছে। নৈ কেইখন হৈছে য়াংজে, উত্তৰ হান (ডানজিয়াংকউ জলধাৰা) আৰু য়াংজে নৈৰ তিনিখন উপনৈ - থংথুন, নাগেগচু আৰু গিয়াৰং। এই নৈবোৰত বান্ধ দি তাৰ পানী খালেৰে বোৱাই লৈ যোৱা হৈছে। তিনিওটা প্ৰকল্পৰ ভিতৰত শেষৰ প্ৰকল্পটোৱেই অৰ্থাৎ য়াংজে নৈৰ উপনৈ তিনিখনৰ পানী মেকং নৈলৈকে বোৱাই নিয়াটোৱেই আছিল আটাইতকৈ জটিল। মেকং নৈ যিটো ভূখণ্ডৰ মাজেৰে বৈ গৈছে তাৰ উচ্চতা উক্ত উপনৈ তিনিখনৰ অৱবাহিকা অঞ্চলতকৈ বহুত বেছি। সেয়ে থুংথুন নৈত ৩০২ মিটাৰ উচ্চতাৰ, নাগেগচু নৈত ১৭৫ মিটাৰ উচ্চতাৰ আৰু গিয়াৰৱ নৈত ২৯৬ মিটাৰ উচ্চতাৰ বান্ধ নিৰ্মাণ কৰিব লগা হৈছিল। আনকি বান্ধৰ পানী বোৱাই নিবলৈ ৰিয়ান হা-ৰি পৰ্বতত টানেল আৰু খাল



সাজোঁতে "শান্তিপূৰ্ণ পাৰমাণৱিক বিস্ফোৰণো" হেনো ঘটাবলগীয়া হৈছিল। (তথ্যৰ উৎস: মোহিনীকুমাৰ শৰ্মা: "ব্ৰহ্মপুত্ৰৰ গতি পৰিৱৰ্তন: পৰিৱেশ বিপন্ন হ'ব নেকি?", *আমাৰ অসম*, ১৫ আগষ্ট ২০১১)। এতিয়া চীনৰ সেইসকল অভিযন্তা আৰু প্ৰযুক্তিবিদেই "য়াবলং-চাংপ" নৈৰ পানী চীনৰ মূল ভূখণ্ডলৈ বোৱাই নিয়াৰ আঁচনি ৰূপায়ণ কৰি আছে। স্বাভাৱিকতে এই আঁচনি কাৰ্যকৰী হ'বলৈ হ'লে ব্ৰহ্মপুত্ৰৰ নামনি অংশত তাৰ বিৰূপ প্ৰভাৱ পৰিব আৰু সেই অংশৰ অৱবাহিকা অঞ্চলৰ পৰিৱেশ আৰু পৰিস্থিতিও বিৰাট পৰিমাণে ক্ষতিগ্ৰস্ত হ'ব। এইটো এটা আন্তৰ্জাতিক সমস্যা আৰু তাৰ সমাধানৰ বাবে, অৰ্থাৎ ব্ৰহ্মপুত্ৰৰ জলপ্ৰবাহ অপৰিৱৰ্তিত বা বাধাহীন কৰি ৰখাৰ বাবে কেন্দ্ৰীয় চৰকাৰে দ্ৰুত আৰু বিহিত ব্যৱস্থা গ্ৰহণ কৰিবই লাগিব। কিন্তু ভয় হৈছে, যি-চৰকাৰে নিজেই ব্ৰহ্মপুত্ৰৰ উপনৈবোৰত বৃহৎ বৃহৎ বান্ধ দি পানীবোৰ অন্যফালে বোৱাই নিবলৈ বিচাৰিছে, সেই চৰকাৰে চীনৰ আগ্ৰাসী আৰু একপক্ষীয় আঁচনিবোৰক বাধা দিব কেনেকৈ?

ব্ৰহ্মপুত্ৰ অসমৰ মানুহৰ চকুলো হৈছে ঠিকেই, কিন্তু নদীখন অসম আৰু অসমবাসীৰ জীৱনৰেখাও। ব্ৰহ্মপুত্ৰৰ অবিহনে অসমৰ সভ্যতা, সংস্কৃতি, অৰ্থনীতি, পৰিৱেশ একোৱেই বাচি নাথাকে। সেয়ে ব্ৰহ্মপুত্ৰৰ বান-গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ ব্যৱস্থা কৰিব লাগিব নদীখনৰ জলপ্ৰবাহৰ গতিপথত থকা বাধাবোৰ আঁতৰাই তাক মুক্ত কৰি দিহে, বৃহৎ বৃহৎ বান্ধেৰে ভেটা দি নহয়। বিজুলী উৎপাদন আৰু জলসিঞ্চনৰ বাবে উপনৈবোৰত নদীবান্ধৰ প্ৰয়োজন নিশ্চয় আছে। কিন্তু সেই প্ৰয়োজন মজলীয়া বান্ধবোৰেই পূৰণ কৰিব লাগিব, যাতে নৈবোৰৰ স্বাভাৱিক জলপ্ৰবাহত বিশেষ একো বাধাৰ সৃষ্টি নহয়। নদী আৰু প্ৰকৃতিক ভাল পাবলৈ শিকিলে, সেইবোৰৰ সুৰক্ষা আৰু সংৰক্ষণৰ বাবে যত্নপৰ হ'লে, নৈয়ে কেতিয়াও বিধ্বংসী প্ৰতিশোধ নলয়, বৰং প্ৰেমিক মানুহক বৰদানেৰে সমৃদ্ধহে কৰিব।

নাজানিলোঁ আমি হায় নদীৰ মৃত্যুৰ স'তে আমাৰো মৰণ ধ্ৰুৱ
জ্বলাব খুজিছোঁ আমি সহস্ৰ সূৰ্যৰ এক বিশাল মৃত্যুৰ বহ্নি
তুমি মাথো পাৰিবা কাটিব এই ভ্ৰান্ত বাসনাৰ পাখি।
হে নদী! আমাক কৰুণা কৰা
নক'বা নক'বা জানো উভতি যোৱাৰ পথ লুপ্তশোভা বসন্তকুঞ্জৰ।

(মহেন্দ্ৰ বৰা)

---

"ব্ৰহ্মপুত্ৰ"ক "নদী" নুবুলি বহুতে "নদ"হে বোলে। এই প্ৰবন্ধত অৱশ্যে ব্ৰহ্মপুত্ৰক "নদী" বুলি কোৱা হৈছে। আমি প্ৰবন্ধকাৰৰ শব্দটোক অক্ষত ৰাখিছোঁ। — মুখ্য সম্পাদক।

# আধুনিক অসমৰ স্বাস্থ্য আৰু চিকিৎসা

ডাঃ মিহিৰকুমাৰ গোস্বামী

আলোচনাৰ আৰম্ভণিতেই দুটামান ঐতিহাসিক তথ্য উনুকিয়াব খুজিছোঁ। ১৭৬৫ চনত ইংলিছ ইষ্ট ইণ্ডিয়া কোম্পানিয়ে বঙ্গদেশৰ দেৱানী অধিগ্ৰহণ কৰাৰ পাছতেই আহোমৰ লগত ব্ৰিটিছৰ সংস্পৰ্শ আৰম্ভ হয়। আহোমে চুবুৰীয়া দেশৰপৰা নিজকে নিলগাই ৰখাৰ নীতি গ্ৰহণ কৰাৰ ফলত আৰু অসমৰ বিশেষ ভৌগোলিক অৱস্থিতিৰ বাবে ভাৰতৰ অন্যান্য অংশৰ মানুহৰ সৈতে অসমৰ মানুহৰ বৰ বেছি মিলা মিছা হোৱা নাছিল। অষ্টাদশ শতিকাৰ দ্বিতীয়াৰ্ধৰপৰা আহোম শক্তি লাহে লাহে টুটিবলৈ ধৰিছিল। ব্ৰিটিছসকলে ১৮২৬ চনত অসম দখল কৰাৰ মাথোঁ কেইবছৰমানৰ ভিতৰতে ৰাজ্যখনৰ অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত নাটকীয় পৰিৱৰ্তন ঘটিছিল আৰু অসমখন ব্ৰিটিছ ভাৰতৰ অবিচ্ছেদ্য অঙ্গ হৈ পৰিছিল। সেই সময়ত অসমৰ অৰ্থনীতি বিধ্বস্ত অৱস্থাত আছিল আৰু ৰাজ্যখন হাবিয়ে বননিয়ে আগুৰি আছিল। পৰিবহণৰ অৱস্থাও তেনে সুচল নাছিল। আইন-শৃঙ্খলাৰ পৰিস্থিতি শোচনীয় আছিল আৰু জলবায়ুও বৰ উপযোগী নাছিল। ঊনবিংশ শতাব্দীৰ শেষৰ ফালে ব্ৰিটিছে সগৌৰৱে দাবী কৰিছিল যে অসম দেশৰ মানুহক তেওঁলোকে সুসভ্য কৰিলে আৰু স্থানীয় অধিবাসীসকলৰ জীৱনধাৰাৰ আমূল পৰিৱৰ্তন ঘটালে। মেলেৰিয়া বেমাৰৰ বীজাণুৰ আৱিষ্কাৰ কৰি ছাৰ ৰ'নাল্ড ৰছে নোবেল বঁটা লভিছিল আৰু তেওঁ ভাৰতত ভালেমান বছৰ থাকি এই সন্দৰ্ভত গৱেষণা চলাইছিল। তেওঁ দৃঢ়ভাৱে মত পোষণ কৰিছিল যে ভাৰতবাসীৰ উন্নতি আৰু মঙ্গলৰ বাবে ব্ৰিটিছ শাসন অপৰিহাৰ্য। ভাৰতীয়সকলৰ তুলনাত ব্ৰিটিছসকল সততা, বিজ্ঞান, স্বাভাৱিক সামৰ্থ্য আদিৰ ক্ষেত্ৰত বহুখিনি আগবঢ়া বুলি তেওঁ লেখিছিল। "বগা মানুহৰ বোজা" তথা "সভ্যতাৰ অভিযান" আদি শব্দবোৰ ইংৰাজী সাহিত্যত সঘনাই উল্লেখ ঘটাটো এনে মানসিকতাৰে প্ৰতিফলন বুলিব পাৰি।

অসমলৈ অহা ইউৰোপীয়সকলৰ দুশ্চিন্তাৰ এক গুৰুত্বপূৰ্ণ কাৰণ আছিল ৰাজ্যখনত স্বাস্থ্যসেৱাৰ অস্তিত্বহীন অৱস্থা। কলেৰা, সৰু আই, পেট চলা আদিকে ধৰি বিভিন্ন ৰোগে সেই সময়ত সঘনাই মহামাৰীৰ ৰূপত দেখা দিছিল। যদিও



ভাৰতলৈ অহা ইউৰোপীয়সকলৰ প্ৰতিখন জাহাজত পছিমীয়া পদ্ধতিত প্ৰশিক্ষিত ডাক্তৰ আহিছিল, তথাপি তেনে ডাক্তৰসকল কলিকতাৰপৰা কাহানিও অসমলৈ অহা নাছিল। গতিকে বেমাৰ-আজাৰত পৰিলে ইউৰোপীয়সকলে কি কৰিছিল সেয়া সহজেই অনুমেয়। অসমত স্বাস্থ্যসেৱাৰ অস্তিত্বহীন অৱস্থাৰ বাতৰি সাত সাগৰ তেৰ নদীৰ সিপাৰৰ ইংলেণ্ড পাইছিলগৈ আৰু সেয়েহে বহুতেই অসমভূমিত পদাৰ্পণ কৰাৰ পূৰ্বে চিকিৎসা-বিজ্ঞানৰ যৎসামান্য লাগতিয়াল জ্ঞান আহৰণৰ বাবে প্ৰয়াস কৰিছিল। পাছে এনেধৰণৰ জ্ঞান প্ৰকৃতাৰ্থত ক'বলৈ গ'লে আধাকেঁচেলুৱা আৰু আংশিক ধৰণৰ আছিল— যিখিনি নেকি চিকিৎসা-বিজ্ঞানৰ কোনো শিক্ষকে শ্ৰেণীকোঠাত প্ৰদান কৰা ভাষণ শুনি বা বন্ধুত্বভাবাপন্ন চিকিৎসকৰ চেম্বাৰত প্ৰত্যক্ষভাৱে দেখি-শুনি আহৰণ কৰা বিধৰ আছিল। নতুন পৰিৱেশৰ লগত খাপ খুৱাই ল'বলৈ সেইখিনি যথেষ্ট নাছিল। সেয়েহে কবিৰাজ আৰু বৈদ্যসকলৰ শৰণাপন্ন হোৱাৰ বাদে ইউৰোপীয়সকলৰ গত্যন্তৰ নাছিল, যদিও ভাৰতীয় পদ্ধতিৰ চিকিৎসকসকলক তেওঁলোকে হেয় জ্ঞান কৰিছিল। হাবি-বননিত হোৱা জ্বৰ আৰু সৰ্প-দংশনৰ বিষয়ে জৰ্জ এম বাৰ্কাৰ নামৰ ইংৰাজ চাহ-খেতিয়ক এজনে তেওঁৰ *এ টী প্লেণ্টাৰ্ছ লাইফ ইন আছাম* নামৰ কিতাপখনত এনেদৰে লেখিছিল: "মোৰ বোধেৰে এনেবোৰ ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত স্থানীয় অধিবাসীসকলৰ তুলনাত একোজন ইংৰাজৰ অভিজ্ঞতা তেনেই সীমিত। গতিকে এনেক্ষেত্ৰত আমি স্থানীয় চিকিৎসকৰ শৰণাপন্ন হ'বই লাগিব।" তদুপৰি বাৰ্কাৰে এনে মতো ব্যক্ত কৰিছিল: "কুইনিন, ক্লোৰোকুইন আৰু এবটল ব্ৰেণ্ডিৰ আনুষঙ্গিকভাৱে স্থানীয় চিকিৎসা প্ৰয়োগ কৰিলে ই বিভিন্ন ধৰণৰ ৰোগ সকাহৰ ক্ষেত্ৰত আচৰিত ধৰণৰ সুফল দেখুৱাব পাৰে।"

এষাৰ কথা প্ৰাসঙ্গিকভাৱে উল্লেখ কৰিব খুজিছোঁ যে ব্ৰিটিছ-শাসনৰ কালছোৱাত অসমৰ জনস্বাস্থ্যৰ অৱস্থা তথা চিকিৎসাৰ সা-সুবিধা সম্বন্ধে কেতবোৰ অতি গুৰুত্বপূৰ্ণ তথ্য লাভ কৰিব পৰা গৈছে সেই সময়তে বিৰচিত ঐতিহাসিক গ্ৰন্থ খনদিয়েকৰপৰা। এই ক্ষেত্ৰত প্ৰথমেই ডব্লিউ ডব্লিউ হাণ্টাৰ বিৰচিত *এ ষ্টেটিছটিকেল একাউণ্ট অৱ আছাম* নামৰ গ্ৰন্থখনিলৈ আঙুলিয়াব পাৰি। কিতাপখনত লেখকে সেই সময়ৰ অসমত বসবাস কৰা ইউৰোপীয়সকল আক্ৰান্ত হোৱা ৰোগবোৰৰ বিষয়ে উল্লেখ কৰিছে। ইয়াৰ ভিতৰত দুটা গুৰুত্বপূৰ্ণ ৰোগ আছিল মেলেৰীয়া আৰু পেলুৰ আক্ৰমণ। মেলেৰীয়া হোৱাৰ ফলত লিভাৰৰো ক্ষতি হোৱাৰ শঙ্কা উদ্ভৱ হৈছিল। সেই সময়ত স্থানীয় মানুহসকল সঘনাই যিবোৰ বেমাৰত আক্ৰান্ত হৈছিল সেইবোৰৰ ভিতৰত উল্লেখনীয় আছিল জ্বৰ, পেটৰ নানা ৰোগ (ডায়েৰিয়া, ডিছেণ্ট্ৰি আদি), প্লীহাৰ আকৃতি বৃদ্ধি, হস্তীপদাকৃতিযুক্ত ভৰি (এলিফেণ্টিয়াছিছ), যৌন ৰোগ আৰু ঘাঁ আদি। সেই সময়ৰ মুখ্য নগৰ গুৱাহাটীৰ পৰিৱেশ অতিকৈ অস্বাস্থ্যকৰ আছিল। অৱশ্যে সমগ্ৰ অসমৰে জলবায়ু ইউৰোপীয়সকলৰ বাবে অসহনীয় আছিল আৰু এনে জলবায়ুৰ প্ৰভাৱত তেওঁলোকে দৈহিক অসমৰ্থতাৰ উপৰি অৱসাদগ্ৰস্ততাত ভুগিছিল। বিশেষকৈ এপ্ৰিল মাহৰপৰা

অক্টোবৰলৈকে চলা বৰষুণৰ দিনকেইটা এই বিদেশীসকলৰ বাবে অতিকৈ অসহনীয় আছিল। তেওঁলোকৰ বাবে জাৰৰ দিনকেইটা উপভোগ্য আছিল। মহামাৰীৰ আকাৰত মাজে সময়ে কলেৰা ৰোগে আক্ৰমণ কৰিছিল আৰু সৰু আইৰ আক্ৰমণৰ ফলত জনবলৰ বিস্তৰ ক্ষতি হৈছিল। বিশেষকৈ দৰিদ্ৰ শ্ৰেণীৰ মানুহখিনিৰ মাজত এনে ক্ষতিৰ মাত্ৰা বেছি হৈছিল। সৰ্বসাধাৰণৰ মাজত কানিৰ প্ৰতি আসক্তি অতি বেছি আছিল। কানিৰ ব্যাপক প্ৰচলনৰ হেতুকে জনস্বাস্থ্যৰ ওপৰত বিৰূপ প্ৰভাৱ পৰিছিল।

বিভিন্ন জলবাহিত (water-borne) ৰোগবদ্বাৰা ৰাইজৰ স্বাস্থ্য যাতে ক্ষতিগ্ৰস্ত নহয় তাৰ বাবে ব্ৰিটিছে অনাময়-ব্যৱস্থাৰ (sanitation) ওপৰত গুৰুত্ব আৰোপ কৰিছিল, যিটো সেই সময়ৰ বাবে এটা নতুন ধাৰণা আছিল। ডাঙৰ ডাঙৰ পুখুৰীবোৰ খোৱা-পানীৰ উৎসৰূপে ব্যৱহাৰ কৰা হৈছিল আৰু সেইবোৰ পৰিষ্কাৰ কৰি ৰখাৰ ব্যৱস্থা কৰা হৈছিল। কোনোবাই তেনে পুখুৰীৰ পানী লেতেৰা কৰিলে আইন অনুযায়ী দণ্ড বিহা হৈছিল। নগৰখনৰ দক্ষিণ পিনে থকা ডাঙৰ ডাঙৰ বিলবোৰে পৰিৱেশ অস্বাস্থ্যকৰ কৰি তুলিছিল। গতিকে এনেবোৰ বিল পৰিষ্কাৰ কৰাৰ বাবে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। ইয়াৰ ভিতৰত উল্লেখনীয় আছিল বৰ্তমান পল্টনবজাৰ অঞ্চলত অৱস্থিত চলাবিল।

১৮৭৫ চনলৈকে সেই সময়ৰ অবিভক্ত কামৰূপ জিলাত (বৰ্তমানৰ বৰপেটা, নলবাৰী আদিকে ধৰি প্ৰায় পাঁচখন জিলাৰ সমষ্টি) মাথো এখনেই দাতব্য চিকিৎসালয় আছিল আৰু সেইখনো গুৱাহাটীত আছিল। প্ৰাপ্ত তথ্যানুযায়ী সেই চিকিৎসালয়খনত ১৮৭৪ চনত বহিৰ্বিভাগত ৯৭২জন আৰু অন্তৰ্বিভাগত ১৮৬জন ৰোগীক চিকিৎসা প্ৰদান কৰা হৈছিল।

উক্ত গ্ৰন্থখনিত থলুৱাভাৱে ব্যৱহাৰ হোৱা দৰবৰোৰৰ নাম আৰু সেইবোৰৰ উপযোগিতাৰ বিষয়েও আলচ কৰা হৈছে। ইয়াৰ ভিতৰত কেতবোৰ উল্লেখনীয় দৰব হৈছে — পটল, কচু, মোহিনীমণি ইত্যাদি।

কামৰূপ জিলাৰ উপৰি উজনি অসমৰ শিৱসাগৰ জিলাৰ সেই সময়ৰ জনস্বাস্থ্যৰ এখন সামগ্ৰিক চিত্ৰ গ্ৰন্থখনিত ফুটাই তুলিবলৈ চেষ্টা কৰা হৈছে। জিলাখনত যিবোৰ ৰোগৰ প্ৰাদুৰ্ভাৱ আছিল, তাৰ ভিতৰত উল্লেখনীয় হ'ল জ্বৰ, ডিছেণ্ট্ৰি, ডায়েৰিয়া, হাওঁফাওঁৰ ৰোগ, বাতবিষ, প্লীহাৰ আকৃতি বৃদ্ধি, কলেৰা, সৰু আই, ছালৰ ৰোগ আদি। শিৱসাগৰ জিলাত মহামাৰীৰ প্ৰাদুৰ্ভাৱ গ্ৰন্থখনৰ মতে কম আছিল। ১৯৬৯ চনত ভালেমান বছৰৰ বিৰতিৰ পাছত কলেৰা আৰু যক্ষ্মাৰোগ মহামাৰীৰ ৰূপত দেখা দিছিল। প্ৰথমজন ৰোগী সেই বছৰটোৰ ১২ ফেব্ৰুৱাৰিৰ দিনাখন ধৰা পৰিছিল আৰু শেষৰজন ৰোগীক একেই বছৰৰ ২৯ জুনৰ দিনাখন চিনাক্তকৰণ কৰা হৈছিল। চাহ-খেতিৰ বাবে বঙ্গদেশৰপৰা (সেইসময়ত বিহাৰ তথা ঝাড়খণ্ড বঙ্গদেশৰ অংশস্বৰূপ আছিল) আমদানি কৰা বনুৱাসকলৰ জৰিয়তে এই বেমাৰ বিয়পিছিল বুলি অনুমান কৰা হৈছিল। স্থানীয় অসমীয়া মানুহখিনিৰ মাজত (বিশেষকৈ শিৱসাগৰ নগৰত বসবাস কৰা মানুহখিনিৰ মাজত) এই বেমাৰৰ



তেনে কোনো প্ৰাদুৰ্ভাৱ নাছিল। উল্লিখিত হাণ্টাৰৰ *ষ্টেটিছটিকেল একাউণ্ট অৱ আছাম* নামৰ গ্ৰন্থখনিত সেই সময়ৰ শিৱসাগৰ জিলাত কৰ্মৰত কবিৰাজ আৰু বৈদ্যসকলৰ বিষয়ে বৰ্ণনা আছে, যি-সকলে হিন্দুশাস্ত্ৰত উল্লেখিত নিয়ম অনুযায়ী চিকিৎসা কৰিছিল। শল্য চিকিৎসাৰ বিষয়ে এইসকল ব্যক্তি অজ্ঞ আছিল আৰু তেওঁলোকৰ চিকিৎসা পদ্ধতি মুঠেই বিজ্ঞানসন্মত নাছিল। বিভিন্ন ধৰণৰ ঔষধিগুণসম্পন্ন গছৰ ভিতৰত উল্লেখনীয় আছিল — বেল, আফিম, মদাৰ আদি। প্ৰাসঙ্গিকভাৱে উল্লেখ কৰিব পৰা আন এখন গুৰুত্বপূৰ্ণ গ্ৰন্থ হৈছে জন মেক'ছৰদ্বাৰা ৰচিত *দ্য ট'প'গ্ৰাফী অৱ আছাম*। এই কিতাপখনত উল্লেখ কৰা অনুযায়ী অসমত সেই সময়ত সাপ আৰু জোকৰ প্ৰাদুৰ্ভাৱ অতি বেছি আছিল। ঔষধিগুণযুক্ত হোৱা হেতুকে চিকিৎসাৰ উদ্দেশ্যে জোক ব্যৱহাৰ কৰা হৈছিল। এই ধৰণৰ জোক সেই সময়ত বজাৰত এটকা দৰত এশটাকৈ বিক্ৰী কৰা হৈছিল। হাবিয়ে জংঘলে ইমানেই বেছিসংখ্যক জোক আছিল যে মাথোঁ কেইখোজমান গ'লেই দুই তিনিটা জোকে ছালত লাগি ধৰাৰ সম্ভাৱনা আছিল। উইলিয়াম ৰবিন্সনৰদ্বাৰা ৰচিত *এ ডেছক্ৰিপ্‌টিভ একাউণ্ট অৱ আছাম* নামৰ গ্ৰন্থখনিত উল্লেখ কৰা আছে যে সাধাৰণতে জুন মাহৰপৰা অক্টোবৰ মাহৰ ভিতৰত জ্বৰৰ প্ৰাদুৰ্ভাৱ বাঢ়ে। নগৰীয়া অঞ্চলত জ্বৰৰ তীব্ৰতা তেনেই কম যদিও পাহাৰীয়া আৰু হাবিতলীয়া অঞ্চলত বসবাস কৰা মানুহবিলাকক জ্বৰে আক্ৰমণ কৰিলে জীৱনৰ প্ৰতি ভাবুকিৰ সৃষ্টি হ'ব পাৰে। অৰ্থাৎ ৰোগীৰ অৱস্থা অতি সঙ্কটাপন্ন হৈ পৰে। অৰ্থাৎ ঠাই ভেদে তীব্ৰতা তথা ধৰণৰ তাৰতম্য আছে। গ্ৰহণী বা ডিছেণ্ট্ৰি বেমাৰত স্থানীয় লোকসকল বেছিকৈ আক্ৰান্ত হোৱা পৰিলক্ষিত হয়। অন্যান্য ৰোগত আক্ৰান্ত হৈ যিমান সংখ্যক মানুহৰ মৃত্যু হয় তাতোকৈ বেছিসংখ্যক মানুহৰ মৃত্যু হয় অকল এই ৰোগত আক্ৰান্ত হৈয়েই। ঘাইকৈ হিন্দুস্থান আৰু বঙ্গদেশৰপৰা প্ৰব্ৰজন কৰা মানুহৰ মাজত এই ৰোগৰ প্ৰাদুৰ্ভাৱ বেছি। পাছৰখিনি (অৰ্থাৎ বঙ্গদেশৰপৰা আহি অসমত থিতাপি লোৱা) মানুহৰ ভিতৰত যিসকল বিশেষকৈ ভগ্নস্বাস্থ্যৰ অধিকাৰী সেই সকল দীঘলীয়া সময়ৰ বাবে জ্বৰত আক্ৰান্ত হৈ এই ৰোগত ভোগাৰ শঙ্কা বাঢ়ে। *দ্য ডেছক্ৰিপ্‌টিভ একাউণ্ট অৱ আছাম* নামৰ গ্ৰন্থখনিত ব্ৰিটিছ শাসনৰ আৰম্ভণিৰ কালছোৱাত অসমত যিবোৰ ৰোগে বেছিকৈ আক্ৰমণ কৰি জনস্বাস্থ্যৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছিল সেইবোৰৰ বিষয়ে এক সংক্ষিপ্ত অথচ সুন্দৰ বৰ্ণনা আছে। উদাহৰণস্বৰূপে হাঁপানি ৰোগৰ প্ৰাদুৰ্ভাৱ ঘাইকৈ উজনি অসমৰ জিলা কেইখনত বেছি আৰু আবাল-বৃদ্ধ-বণিতা সকলোকে এই ৰোগে আক্ৰমণ কৰিব পাৰে।

শোঁথ (oedema) নামৰ ৰোগবিধ হৈ দেহৰ বিভিন্ন অঙ্গত পানী জমা হোৱাৰ ফলত হাত-ভৰি ফুলি আক্ৰান্ত ব্যক্তিগৰাকীক দুৰ্বল কৰি পেলায়। প্লীহা ডাঙৰ হোৱাৰ ফলত এই ৰোগ হোৱাৰ শঙ্কা আছে বুলি কিতাপখনত উল্লেখ কৰা হৈছে। ব্ৰহ্মপুত্ৰ নদীৰ দাঁতি-কাষৰীয়া কেতবোৰ অঞ্চলৰ উপৰি উজনি অসমৰ পিনে (বিশেষকৈ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে) হস্তীপদাকৃতিবিশিষ্ট ৰোগ হোৱাৰ শঙ্কা

বেছি। অসমৰ চৌদিশে থকা পাহাৰীয়া অঞ্চলবোৰৰ দাঁতিকাষৰীয়া ঠাইবোৰত গৰল ৰোগ বিয়পাৰ শঙ্কা বেছি আছিল। অসমত ব্ৰিটিছ শাসনৰ আৰম্ভণিৰ সময়ছোৱাত যিকেইটা বছৰত কলেৰা ৰোগ মহামাৰীৰ ৰূপত বিৰ্ভূত হৈছিল সেইবোৰ হৈছে — ১৮২৫ চন, ১৮২৯ চন, ১৮৩৩ চন, ১৮৩৫ চন আৰু ১৮৩৮ চন। ইয়াৰে ভিতৰত ১৮২৯ চন আৰু ১৮৩৮ চনত হোৱা মহামাৰীৰ ফলত কেইবা হেজাৰো মানুহৰ মৃত্যু হৈছিল।

ঊনবিংশ শতাব্দীৰ চতুৰ্থ দশকত ব্ৰিটিছে অসমত তেওঁলোকৰ খোপনি সুদৃঢ় কৰাৰ প্ৰয়াস কৰে আৰু সেই উদ্দেশ্যে প্ৰশাসনীয় সুবিধাৰ বাবে কেৰাণী-মহৰী আদিৰ কাম কৰাৰ বাবে ভাৰতৰ অন্যান্য প্ৰদেশৰপৰা ভালেখিনি মানুহ অসমলৈ আনিছিল। ৰেল, চাহ, খনি আদি উদ্যোগত কাম কৰাৰ বাবেও বহুখিনি মানুহৰ অসমলৈ আগমণ ঘটিছিল। তদুপৰি সামৰিক আৰু অৰ্ধ-সামৰিক বিভাগৰ ছাউনি বিভিন্ন ঠাইত স্থাপিত হোৱাৰ ফলত এক বৃজনসংখ্যক বাহিৰা মানুহ অসমলৈ জীৱিকাৰ তাড়নাত আহিছিল। ইয়াৰ ফলত ৰাজ্যখনৰ পৰিৰ্গাঠনিৰ এক আমূল পৰিৱৰ্তন ঘটাৰ উপৰি কেতবোৰ ন ন বেমাৰৰো প্ৰাদুৰ্ভাৱ ঘটে। কেতবোৰ খ্যাতনামা বিশেষজ্ঞৰ লেখাত উল্লেখ কৰা তথ্য অনুযায়ী যাতায়াত ব্যৱস্থাৰ উন্নয়নৰ হেতুকে হোৱা প্ৰব্ৰজনৰ ফলত নতুন (উদাহৰণস্বৰূপে ছিফিলিছ) আৰু পুৰণি ৰোগৰ প্ৰকোপ বৃদ্ধি পায় আৰু স্থানীয় লোকসকলে এইবোৰক সাধাৰণভাৱে "ফিৰিঙ্গী ৰোগ" বুলি উল্লেখ কৰে। সঘনাই ক'লাজ্বৰ, মেলেৰিয়া, কলেৰা, ডিছেণ্ট্ৰি আৰু সৰু আই আদি বেমাৰ মহামাৰীৰ ৰূপত দেখা দিয়া হেতুকে হেজাৰ হেজাৰ মানুহৰ অকালমৃত্যু ঘটিছিল। ১৮৮৬ চনৰপৰা ১৮৯০ চনৰ ভিতৰত উজনি অসমৰ বিভিন্ন খনিত কৰ্মৰত বনুৱাসকলৰ মাজত মৃত্যুৰ নিৰিখ আছিল শতকৰা ৮.৭ৰপৰা শতকৰা ১৩.৬। ই চৰকাৰী মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল আৰু এই সন্দৰ্ভত সুপৰামৰ্শ প্ৰদান কৰিবলৈ এখন কমিটি গঠন কৰা হৈছিল। অসমৰ তদনান্তীন চীফ কমিছনাৰক প্ৰদান কৰা ৰিপ'ৰ্টত কমিটিৰ সদস্যসকলে এনেদৰে উল্লেখ কৰিছিল: "যদিহে ব্ৰিটিছ চৰকাৰৰ হাতত ধনবল আৰু বৈজ্ঞানিক কৌশল থকা সত্ত্বেও অসমত থকা সৈন্যসকলৰ মাজত বিভিন্ন বেমাৰৰ ভয়াৱহ প্ৰাদুৰ্ভাৱ ৰোধ কৰিবলৈ সক্ষম নহয় তেনেহ'লে ই বৰ দুখৰ বিষয়।

১৮৯৮ চনত ভাৰতীয় চিকিৎসা-সেৱাৰ বিশেষ কৰ্তব্যৰত চিকিৎসা-বিষয়া জি এম গাইলছে ক'লাজ্বৰৰ বিষয়ে অনুসন্ধান চলাইছিল। ৰ'নাল্ড ৰছৰ বিষয়ে ইতিমধ্যে উল্লেখ কৰা হৈছেই।

সৰু-আই আছিল অন্য এক মাৰাত্মক ব্যাধি। এই ৰোগত আক্ৰান্ত সৰহখিনি মানুহৰেই মৃত্যু হৈছিল আৰু জীয়াই থকা অৱশিষ্ট দুৰ্ভগীয়া মানুহখিনিৰো বিভিন্ন অঙ্গত জটিলতাৰ বাবে বিলাই-বিপত্তিৰ সীমা নোহোৱা হৈছিল। অসমৰ আটাইবোৰ পৌৰসভাৰ পৰিসীমাৰ ভিতৰত থকা ৰাইজক আৰু পাছলৈ মহকুমাৰ সদৰবোৰৰ অধিবাসীসকলৈকো ১৮৮০-৮১ চনত প্ৰৱৰ্তন কৰা ছিটা আইন অনুযায়ী



বাধ্যতামূলকভাৱে টিকা দিয়া হৈছিল। পিছে বিদেশৰপৰা আমদানিকৃত বেজীৰ জুই-স্থাই দাম আছিল। সেয়েহে সেই সময়ৰ অসমৰ ৰাজধানী শ্বিলঙত পাস্তুৰ ইন্‌ষ্টিটিউট্ স্থাপন কৰি গৰুৰ লসিকা (lymph) ৰসৰপৰা উদ্ভুত এবিধ ছিটা ব্যৱহাৰ কৰিছিল। সংৰক্ষণশীল হিন্দুসকলৰ মাজত অৱশ্যে ইয়াৰ ফলত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি নোহোৱাকৈ থকা নাছিল।

অৱশ্যে এটা সময়ত পলমকৈ হ'লেও এই ক্ষেত্ৰত কাৰ্যকৰী পদক্ষেপ হাতত লোৱা হৈছিল। মুখ্য চিকিৎসা বিষয়া আৰু অন্যান্য বিষয়াৰ পৰামৰ্শক্ৰমে অসমৰ চীফ কমিছনাৰে ডাকঘৰবোৰত কুইনিন টেবলেট বিক্ৰী কৰাৰ ব্যৱস্থা ৰাখিবলৈ নিৰ্দেশ দিছিল। তদুপৰি চৰকাৰী উদ্যোগত গণ্যমান্য ব্যৱসায়ী আৰু চাহ-বাগিচাৰ বিপণিৰ জৰিয়তেও দৰৱ বিক্ৰীৰ ব্যৱস্থা কৰা হৈছিল।

সেই সময়ত এলোপেথিক পদ্ধতিত প্ৰশিক্ষিত চিকিৎসকৰ সংখ্যা তেনেই আঙুলিৰ মূৰত লেখিব পৰা ধৰণৰ আছিল। সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাত মাথোঁ তিনিজন এছিষ্টেণ্ট ছাৰ্জন আছিল। পৰৱৰ্তী সময়ছোৱাত ভাৰতীয় চিকিৎসক নিযুক্তি দিয়াৰ এক নীতি প্ৰৱৰ্তিত হৈছিল যদিও বাস্তৱ ক্ষেত্ৰত দেখা গৈছিল যে ভাৰতৰ অন্য প্ৰদেশৰপৰা অহা চিকিৎসকসকলে হয় অসমৰ জলবায়ু বা পৰিৱেশৰে সৈতে নিজকে খাপ খুৱাব পৰা নাছিল বা বৰ বেছি দীঘলীয়া সময়ৰ বাবে ইয়াত থাকিবলৈ অনীহা দেখুৱাইছিল। গতিকে চৰকাৰী জলপানী প্ৰদান কৰি ভাৰতৰ বিভিন্ন ঠাইত আয়ুৰ্বেদ আৰু ইউনানি পদ্ধতিত প্ৰশিক্ষণ দিয়াই কিছুমান স্থানীয় মানুহক পৰিস্থিতিৰে মোকাবিলা কৰিবলৈ লগোৱা হৈছিল। অৱশ্যে সেয়া এপাচি শাকত এটা জালুকৰ দৰেহে হৈছিলগৈ। সেই সময়ৰ চিকিৎসা আৰু স্বাস্থ্য সেৱা প্ৰতিষ্ঠানবোৰ ঘাইকৈ তিনি প্ৰকাৰে পৰিচালিত হৈছিল:

১ **প্ৰাদেশিক:** ৰাজ্য চৰকাৰে এনেবোৰ অনুষ্ঠানৰ খৰচ বহন কৰিছিল। পৌৰসভা, দান-বৰঙণি আৰু ধন-বিনিয়োগৰ জৰিয়তেও কিছু খৰচ উলিওৱা হৈছিল।

২ **স্থানীয়:** লোকেল ব'ৰ্ডবোৰৰ জৰিয়তে এইবোৰ পৰিচালনা কৰা হৈছিল। এছিষ্টেণ্ট ছাৰ্জন আৰু অন্যান্য কৰ্মচাৰীসকলৰ দৰমহাৰ খৰচ চৰকাৰে বহন কৰিছিল। তদুপৰি বিশেষ অনুদানৰ জৰিয়তে বিদেশৰপৰা আধুনিক যন্ত্ৰপাতি আমদানি কৰা হৈছিল।

৩ **ব্যক্তিগত:** চাহ আৰু অন্যান্য খনিজ উদ্যোগ, যিবোৰ কোম্পানিয়ে নিয়ন্ত্ৰণ কৰিছিল, মূলতঃ সেইবোৰৰদ্বাৰা এনে ধৰণৰ স্বাস্থ্যসেৱা পৰিচালিত হৈছিল। অসমত এই শেষোক্ত বিধেই সংখ্যাত বেছি আছিল। যিকোনো বৃহদাকাৰ বাণিজ্যিক প্ৰতিষ্ঠানৰেই স্বকীয় চিকিৎসা-সেৱাৰ ব্যৱস্থা আছিল। নামনি অসমৰ গৌৰীপুৰ আৰু লক্ষীপুৰত অৱস্থিত ডিছপেন্সাৰি দুখন স্থানীয় জমিদাৰসকলে পৰিচালনা কৰিছিল। প্ৰকৃতাৰ্থত এইবোৰত এনে ধৰণৰ শেহতীয়া সা-সুবিধা উপলব্ধ হৈছিল যে তাত বিভিন্ন ধৰণৰ অস্ত্ৰোপচাৰো সম্পন্ন কৰা হৈছিল।

এই আলোচনাটি আধৰুৱা হৈ ৰ'ব যদিহে ইয়াত স্বাস্থ্য তথা চিকিৎসা

ক্ষেত্ৰত মিছনেৰিসকলৰ অৱদানৰ বিষয়ে শ্ৰদ্ধাৰে সোঁৱৰা নহয়। ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাহিৰেও খাছীয়া, জয়ন্তীয়া, গাৰো, লুছাই আৰু নগা পাহাৰৰ (এইবোৰ অঞ্চল সেই সময়ত অসমৰ অন্তৰ্ভুক্ত আছিল) দুৰ্গম অঞ্চলতো মিছনেৰিসকলে খোপনি পোতাৰ উপৰি স্বাস্থ্যসেৱাও আগবঢ়াইছিল। চিকিৎসাক্ষেত্ৰখনত যিহেতুকে চিকিৎসক আৰু নাৰ্ছৰ এক অনৱদ্য ভূমিকা আছে সেয়েহে ভাৰতীয় মানুহক প্ৰশিক্ষণপ্ৰাপ্ত কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। তদুপৰি বিভিন্ন ধৰণৰ প্ৰতিবন্ধকতাৰ মোকাবিলা কৰিও জনস্বাস্থ্য সজাগতা কাৰ্যসূচীবোৰ ৰূপায়ণ কৰাৰ কামত তেওঁলোক অগ্ৰসৰ হৈছিল। ওপৰত উল্লেখ কৰা দ্বিতীয় ধৰণৰ ডিছপেনচাৰিসমূহ (যিবোৰ লোকেল ব'ৰ্ডৰদ্বাৰা পৰিচালিত হৈছিল) প্ৰতিখন জিলা আৰু প্ৰতিটো মহকুমাৰ সদৰস্থানত অৱস্থিত আছিল। প্ৰদেশিক চিকিৎসা বিভাগৰ সদৰ কাৰ্যালয় আছিল ৰাজধানী শিলঙত।

১৮৩৬ চনৰ মাৰ্চ মাহত ডাঃ নাথান ব্ৰাউন আৰু অলিভাৰ টি কাটাৰ নামৰ আমেৰিকান মিছনেৰি দুজন আহি শদিয়াত উপস্থিত হৈছিল। ইয়াৰ পাছত মাইল্‌ছ ব্ৰন্সন আহিছিল ১৮৩৭ চনত শদিয়ালৈ। তেওঁলোকে প্ৰস্তুত কৰা টোকাৰপৰা জনা গৈছিল যে চিকিৎসাৰ বাবে দৰব-পাতি তেওঁলোকৰ হাতত মজুত আছিল। শদিয়াত থকা সময়ছোৱাত তেওঁলোকে চৌদিশৰ গাঁৱে-ভূঞে অসুস্থ মানুহখিনিক এলোপেথিক পদ্ধতিৰে দৰব-পাতি দি চিকিৎসা কৰিছিল। যদিও খ্ৰীষ্টধৰ্মপ্ৰচাৰ কৰাহে তেওঁলোকৰ মুখ্য উদ্দেশ্য আছিল তথাপি অসমীয়া ভাষা-সাহিত্য আৰু অসমৰ জনস্বাস্থ্যৰ সুৰক্ষাৰ বাবেও তেওঁলোকে অহোপুৰুষাৰ্থ কৰিছিল। সেই সময়ত জলপথেই আছিল পৰিবহণৰ একমাত্ৰ উপায় আৰু নাও-জাহাজেদি কলিকতাৰপৰা আহি শদিয়া পাবলৈ ৪০ দিন সময় লাগিছিল। ভাপ-নাওৰ প্ৰচলন তেতিয়াও আৰম্ভ হোৱা নাছিল। সেই সময়ৰ অবিভক্ত শিৱসাগৰ জিলাৰ চিভিল ছাৰ্জন ডাঃ লঙৰ (১৮৫৩ চন) প্ৰতিৱেদনৰ উদ্ধৃতি দি মফট মিল্‌ছৰ ৰিপ'ৰ্টত উল্লেখ কৰা হৈছিল যে সেই সময়ত উজনি অসমৰ ৰাইজৰ মাজত প্ৰাদুৰ্ভাৱ থকা ৰোগকেইটা হৈছে: কুষ্ঠ ৰোগ, ৰিউমেটিক বীজাণুঘটিত কলিজাৰ ৰোগ, ফাইলেৰিয়াছিছ আৰু ছালৰ নানা ৰোগ।

এই লেখকৰদ্বাৰা সংগৃহীত এটা টোকা অনুযায়ী ১৮৫৩-৫৪ চনত ডিব্ৰুগড়ত এখন সামৰিক হাস্পতাল স্থাপন কৰা হৈছিল। হাস্পতালখনৰ ঘৰটোৰ কালি আছিল ৬৯০৯ বৰ্গ ফুট আৰু ইয়াৰ নিৰ্মাণৰ খৰচ আছিল ১০,০৬১ টকা। মজিয়াখন কংক্ৰিটৰ আছিল আৰু চি আই শ্বিটৰদ্বাৰা মুধছটো ঢকা হৈছিল। শদিয়াত আন এখন হাস্পতাল ১৮৮৫-৮৬ চনত ৪৪১৫ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা হৈছিল যাৰ দৈৰ্ঘ্য আৰু প্ৰস্থ আছিল ক্ৰমে ৭২ ফুট আৰু ৪২ ফুট। আনুষঙ্গিকভাৱে শদিয়াৰ হাস্পতালখনত বাঁহৰ বেৰেৰে কেইবাটাও সৰু-সুৰা ঘৰ নিৰ্মাণ কৰা হৈছিল।

ডাঃ ডব্লিউ জে লং নামৰ চিকিৎসকজনে ১৮৪৬ চনত ডিব্ৰুগড়ত চিভিল



ছাৰ্জন হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল বুলি এটা টোকাত পোৱা গৈছে। কলেৰা ৰোগ সম্বন্ধে তেওঁ এখন পুস্তিকা ৰচনা কৰি ৰাইজৰ মাজত বিতৰণ কৰিছিল। পুস্তিকাখনত এনেদৰে উল্লেখ কৰা হৈছিল যে অসমত যিহেতু চিকিৎসকৰ সংখ্যা নগণ্য সেয়েহে পঢ়ুৱৈসকলে যাতে পুস্তিকাত থকা তথ্যখিনি নিজৰ পাৰ-পৰিয়াল আৰু বন্ধু-বান্ধৱৰ মাজত প্ৰচাৰ কৰে। অসমত থকা মুষ্টিমেয়সংখ্যক ব্ৰিটিছ চিকিৎসকৰ জনসেৱাৰ প্ৰতি থকা মানসিকতাৰ বিষয়ে এক উমান ইয়াৰপৰা পাব পাৰি। ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানিৰ অধীনত খালি হৈ থকা চিকিৎসকৰ পদবীবোৰ পূৰণৰ বাবে লণ্ডনৰ বহুল-প্ৰচাৰিত বাতৰি-কাকতবোৰত বিজ্ঞাপন দিয়া হৈছিল। সেইবোৰৰ প্ৰতি সঁহাৰি জনাই বহুতে দৰ্খাস্ত কৰিছিল আৰু নিযুক্তি লভা চিকিৎসকসকলৰ দুই-এজন সাত সাগৰ তেৰ নদী পাৰ হৈ অসমলৈকো আহিছিল। ইয়াৰে এজন নমস্য ব্যক্তি আছিল ডাঃ জন বেৰী হোৱাইট। ১৮৫৮ চনত তেওঁ চাকৰিত সোমাই ১৮৭২ চনত অৱসৰ লৈছিল। অৱশ্যে অৱসৰ গ্ৰহণৰ ভালেমান বছৰৰ পাছলৈকে তেওঁ উজনি অসমত আছিল। সেই সময়ত তেওঁ ব্যৱসায় বাণিজ্যত আত্ম-নিয়োগ কৰি প্ৰচুৰ অৰ্থ উপাৰ্জন কৰিছিল। ঘাইকৈ তেওঁ ৰে'লৱেৰ উপৰি চাহ আৰু কয়লা উদ্যোগত অংশীদাৰ হিচাপে ব্যৱসায় কৰিছিল।

দুখীয়া ৰাইজৰ সেৱাৰ উদ্দেশ্যে তেওঁৰ মন সদায়েই ব্যাকুল আছিল আৰু সেয়েহে ডিব্ৰুগড়ৰ গ্ৰেহেম বজাৰ অঞ্চলত (বৰ্তমানেও সেই ঠাইডোখৰ একেই নামেৰে পৰিচিত আৰু গ্ৰেহেম চাহাবৰ বঙলা থকা বাবে ঠাইডোখৰৰ এনে নামকৰণ কৰা হৈছিল) তেওঁ বেপ্টিষ্ট মিছনেৰিসকলৰ আশ্ৰমৰ চৌহদত এখন দাতব্য চিকিৎসালয় সৰুকৈ খুলিছিল। ঊনবিংশ শতাব্দীৰ শেহৰটো দশকৰ কোনোবা এটা বছৰত তেওঁৰ উদ্যোগত ডিব্ৰুগড়ত স্থাপিত হৈছিল এখন মেডিকেল স্কুল। স্কুলখন সুপ্ৰতিষ্ঠিত কৰিবলৈ তেওঁ সেই সময়ত ৫০ হেজাৰ টকা (আজিৰ হিচাপত ৫০ লাখতো বেছি) দান হিচাপে আগবঢ়াইছিল। স্কুলখন এটা সময়ত এছিয়া মহাদেশৰ ভিতৰতে এটা অগ্ৰণী চিকিৎসা-শিক্ষাৰ অনুষ্ঠান হিচাপে পৰিগণিত হৈছিল। স্বাধীনতা-লাভৰ ঠিক আগে আগে অসমত এখন মেডিকেল কলেজ স্থাপনৰ দাবী তীব্ৰতৰ হৈ উঠিছিল। সেই সময়ৰ অসমৰ প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈয়ে ৰাইজৰ ইচ্ছাৰ প্ৰতি সঁহাৰি জনাই মেডিকেল কলেজৰ বাবে স্থান নিৰ্বাচন কৰিবলৈ এখন কমিটি গঠন কৰি দিছিল। ইয়াৰ সভাপতিৰ দায়িত্বত আছিল বিখ্যাত চিকিৎসক ডাঃ বি চি ৰায় আৰু অন্যান্য সদস্যসকলৰ ভিতৰত উল্লেখনীয় আছিল লোকবন্ধু ডাঃ ভুৱনেশ্বৰ বৰুৱা আৰু ডাঃ ঘনশ্যাম দাস। মূল দাবীদাৰ আছিল এই কেইখন ঠাই: (১) গুৱাহাটী, (২) ডিব্ৰুগড় আৰু (৩) ছিলেট (যাৰ ভালেখিনি অংশ বৰ্তমান বাংলাদেশৰ অন্তৰ্ভুক্ত)। ডিব্ৰুগড়ত এখন "মেডিকেল কলেজ স্থাপন দাবী সমিতি" গঠন কৰা হৈছিল আৰু তাৰ সভাপতি আছিল মৌলানা ফইজনুৰ আলি। শেহান্তৰত ডিব্ৰুগড়তেই তলত উল্লেখ কৰা কাৰণ দুটাত মেডিকেল কলেজ স্থাপন কৰিবলৈ সিদ্ধান্ত লোৱা হ'ল:

ক। বেৰী হোৱাইট মেডিকেল স্কুলখন ইতিমধ্যে তাত আছিলেই আৰু ভাৰত চৰকাৰে গঠন কৰা ভোৰে কমিটীৰ সিদ্ধান্ত অনুযায়ী এইখন কলেজলৈ উন্নীত কৰাৰ অতীৱ প্ৰয়োজনীয়তা আহি পৰিছিল।

খ। জন বেৰী হোৱাইটে যিখন দানপত্ৰ (deed) প্ৰদান কৰিছিল তাত এটা অনুচ্ছেদ আছিল যে স্কুলখন ডিব্ৰুগড়ৰপৰা স্থানান্তৰ কৰিব বা বন্ধ কৰিব নোৱাৰিব— মাথোঁ উন্নীতহে কৰিব পাৰিব।

স্বাধীনতা-লাভৰ কিছুদিনৰ পাছতেই ১৯৪৭ চনৰ ৩ নৱেম্বৰৰপৰা অসম চিকিৎসা মহাবিদ্যালয়ৰ কামকাজ আৰম্ভ হ'ল। ক্ৰমান্বয়ে ১৯৬০ চনত গুৱাহাটীত আৰু ১৯৬৮ চনত শিলচৰতো চিকিৎসা মহাবিদ্যালয় স্থাপিত হ'ল। শেহতীয়াভাৱে যোৰহাট আৰু বৰপেটাতো এখনকৈ চিকিৎসা মহাবিদ্যালয় স্থাপিত হৈছে। লগতে ডিফু আৰু তেজপুৰত কলেজ তথা হাস্পতাল নিৰ্মাণৰ কাম চলি আছে।

ব্ৰিটিছ শাসনৰ আৰম্ভণিৰ সময়ছোৱাত অসমত মানসিক ৰোগীসকলৰ চিকিৎসাৰ বাবে তেনে কোনো সা-সুবিধা নাছিল আৰু সেয়েহে এনেবিলাক ৰোগীৰ অৱস্থা গুৰুতৰ বিধৰ হ'লে চিকিৎসাৰ বাবে ঢাকা (বৰ্তমান বাংলাদেশৰ ৰাজধানী)লৈ পঠিয়াবলগীয়া হৈছিল। ১৮৭৪ চনত অসমক চীফ কমিছনাৰৰদ্বাৰা শাসিত এখন সুকীয়া প্ৰদেশৰূপে স্বীকৃতি দিয়া হৈছিল আৰু ঘাইকৈ চাহ-বাগিচাবোৰত ব্ৰিটিছ মালিকৰ অত্যাচাৰত জৰ্জৰিত হৈ মানসিক ভাৰসাম্য হেৰুৱাই পেলোৱা বনুৱাসকলৰ উপৰি পুলিচ তথা সৈন্য বাহিনীত কৰ্মৰত যিসকল চিপাহীৰ মানসিক বিকৃতি ঘটিছিল সেই সকলৰ চিকিৎসাৰ বাবে এখন মানসিক ৰোগৰ চিকিৎসালয় স্থাপনৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হৈছিল। সেই অনুযায়ী তেজপুৰকেই সুচল ঠাই বুলি বিবেচনা কৰি তাকেই হাস্পতালৰ স্থান হিচাপে নিৰ্বাচন কৰা হ'ল। তেতিয়া সুৰমা উপত্যকাৰ বাদে অসমৰ অন্যান্য অঞ্চলৰ সৈতে তেজপুৰৰ যাতায়াতৰ ব্যৱস্থা সুগম আছিল। সম্ভৱতঃ মহাভৰালী আৰু ব্ৰহ্মপুত্ৰ নদীৰ মিলন স্থলত অৱস্থিত হাস্পতালৰ স্থানডোখৰত এক সুন্দৰ নিৰিবিলি প্ৰাকৃতিক পৰিৱেশ বিৰাজমান হোৱা হেতুকে ৰোগীৰ মনৰ ওপৰত এক উদ্বেগ উত্তেজনা প্ৰশমনকাৰী প্ৰভাৱ পৰিব বুলি পূৰ্বানুমান কৰা হৈছিল আৰু তাৰ ভিত্তিতেই অনুষ্ঠানৰ স্থান ৰূপে উক্ত ঠাইডোখৰ নিৰ্বাচন কৰা হয়।

১৮৭৬ চনৰ এক এপ্ৰিলৰ দিনাখন হাস্পতালখন উদ্বোধন কৰা হৈছিল। ৪৩জন নকৈ ভৰ্তি হোৱা ৰোগী আৰু ঢাকা পগলা ফাটেকৰপৰা স্থানান্তৰ কৰা ২১জন ৰোগীৰ চিকিৎসাৰদ্বাৰা কামকাজৰ সূচনা কৰা হৈছিল। প্ৰথম অৱস্থাত হাস্পতালৰ অৱস্থা অতি বীভৎস ধৰণৰ আছিল। ঘৰবোৰ ইকৰা-বেৰৰ কেঁচাঘৰ আছিল আৰু বেছিকৈ অস্থিৰ তথা উগ্ৰ ব্যৱহাৰ প্ৰদৰ্শন কৰা ৰোগীবোৰক হাত-কেৰেয়া লগাই বান্ধি থোৱা হৈছিল। শৌচাগাৰৰ কোনো ব্যৱস্থা নাছিল আৰু ৰোগীসকলে য'তে ততে শৌচ, প্ৰস্ৰাৱ কৰিছিল। প্ৰতিদিনে ৰাতিপুৱা চাফাই কৰ্মচাৰীয়ে মজিয়াখন পৰিষ্কাৰ কৰি থৈ গৈছিল। এনে অপৰিষ্কাৰ পৰিৱেশত



থাকিবলগীয়া হোৱা বাবে বীজাণুঘটিত ৰোগত আক্ৰান্ত হৈ বহুতো বেমাৰীৰ মৃত্যু ঘটিছিল। ১৮৯৮ চনৰ ১০ মাৰ্চৰ দিনাখন একুৰা ডাঙৰ জুই লাগি ৰোগিণী ৰখা চাৰিটা ঘৰ সম্পূৰ্ণৰূপে নষ্ট হৈ গৈছিল যদিও সৌভাগ্যক্ৰমে কাৰো মৃত্যু হোৱা নাছিল।

এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ১৯২২-২৩ চনত সমগ্ৰ হাস্পতালখনেই পুনৰ নিৰ্মাণৰ সিদ্ধান্ত লোৱা হৈছিল আৰু কলিকতাৰ বিখ্যাত জাৰ্ডিন মেন্‌জুল কোম্পানিক ইয়াৰ ঠিকাৰ দায়িত্ব দিয়া হৈছিল। ১৯২২ চনত পগলা ফাটেকৰ পৰিৱৰ্তে হাস্পতালখনৰ নামকৰণ কৰা হৈছিল মানসিক ৰোগ চিকিৎসালয়। সময়ৰ লগে লগে নানা পৰিৱৰ্তন সাধিত হ'ল আৰু ৰোগীসকলক হাতকেৰেয়া লগাই বান্ধি ৰখা পদ্ধতিৰো অৱসান ঘটিল। এনে ধৰণৰ হাতকেৰেয়া আৰু নানা বীভৎস পদ্ধতিৰ বাবে ব্যৱহাৰ হোৱা সা-সঁজুলিবোৰ ব্ৰহ্মপুত্ৰ নদীত উটুৱাই দিয়া হৈছিল। আৰম্ভণিৰ সময়ছোৱাত ৰোগীসকলক চোৱা-চিতা কৰিবলৈ কোনো পূৰ্ণকালীন চিকিৎসক নাছিল আৰু এজন স্বাস্থ্য সহায়কে কামখিনি কৰিছিল। ১৯১০ চনত "উপ-অধীক্ষক"ৰ পদবীৰ সৃষ্টি কৰা হ'ল আৰু গিৰিশচন্দ্ৰ দাসক এই পদবীত নিযুক্তি দিয়া হৈছিল। ইংৰাজ চৰকাৰে পাছলৈ তেওঁক "ৰাইবাহাদুৰ" পদবীৰে সন্মানিত কৰিছিল। দৰং জিলাৰ চিভিল চাৰ্জনেই প্ৰথম কালছোৱাত হাস্পতালখনৰ অধীক্ষক ৰূপে কাম চলাইছিল যদিও ১৯৩২ চনত এটা সুকীয়া অধীক্ষক পদবীৰ সৃষ্টি কৰা হৈছিল আৰু ৰাঁচিস্থিত মানসিক চিকিৎসালয়ত প্ৰশিক্ষণপ্ৰাপ্ত ডাঃ এছ এন চৌধুৰীক প্ৰথম অধীক্ষকৰূপে নিযুক্তি দিয়া হৈছিল।

বিদ্যুৎ যোগানৰ অভাৱত "শ্বক" চিকিৎসা দিব পৰা নগৈছিল আৰু সেয়েহে অস্থিৰ, উৎপতীয়া প্ৰকৃতিৰ ৰোগীক পেৰালডিহাইড নামৰ ৰাসায়নিক দ্ৰব্যবিধ বেজীৰে প্ৰয়োগ কৰা হৈছিল। এনেদৰে প্ৰয়োগ কৰা দ্ৰব্যৰ মাত্ৰা ইমানেই বেছি আছিল যে প্ৰতিদিনে ৰাতিপুৱাৰ সময়ছোৱাত সমগ্ৰ চিকিৎসালয়খনৰ চৌহদটিয়েই পেৰালডিহাইডৰ গোন্ধেৰে পৰিপূৰ্ণ হৈ গৈছিল।

১৯৫১ চনত তেজপুৰৰ প্ৰসিদ্ধ ব্যৱসায়ী ছোহন ডুগৰে আগবঢ়োৱা ৩ হাজাৰ টকা দানৰ সহায়ত হাস্পতালখনৰ চৌহদটিৰ বৈদ্যুতিকীকৰণ কৰা হৈছিল। তদুপৰি ১৯৫২ চনত "শ্বক" চিকিৎসা আৰম্ভ কৰা হৈছিল। ১৯৫৪-৬০ চনৰ সময়ছোৱাত উদ্বিগ্নতা-নাশক পদ্ধতি হিচাপে উৎকৃষ্টতৰ দৰবৰ ব্যৱহাৰ আৰম্ভ কৰা হয়। ১৯৬২ চনৰ চীন-ভাৰতৰ যুদ্ধৰ সময়ত হাস্পতালখন গভীৰ সঙ্কটৰ গ্ৰাসত পৰিছিল। সেই বছৰৰ ২০ নৱেম্বৰৰ দিনাখন চীনা সৈন্যৰ আগমনৰ পৰিপ্ৰেক্ষিতত ১৪০জন আৰোগ্যৰ পথলৈ অহা ৰোগীক মুকলি কৰি দিয়া হয়। অন্যান্য প্ৰায় ৬০০ বেমাৰীক এমুঠি কৰ্মচাৰীয়ে বহুদিনৰ বাবে চোৱা-চিতা কৰিছিল।

১৯৬২ চনলৈ আদালতৰ অনুমতি সাপেক্ষেহে ৰোগীক ভৰ্তি কৰা হৈছিল যদিও তাৰ পাছত পৰিৱৰ্তিত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত স্বেচ্ছামূলকভাৱে ৰোগীক ভৰ্তি কৰাৰ নিয়ম প্ৰৱৰ্তন কৰা হয়। সময়ৰ সোঁতত হাস্পতালখনৰ বহু পৰিৱৰ্তন তথা অগ্ৰগতি সম্ভৱপৰ হৈছে। বৰ্তমানে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক

মানসিক ৰোগ চিকিৎসালয় নামে জনাজাত এই অনুষ্ঠানটিত মানসিক ৰোগ-চিকিৎসা বিভাগৰ স্নাতকোত্তৰ পাঠ্যক্ৰম অধ্যয়নৰো সুবিধা উপলব্ধ হৈছে।

ভাৰতৰ বিভিন্ন ৰাজ্যৰ লেখীয়াকৈ অসমৰ স্বাস্থ্য তথা চিকিৎসাসেৱা ব্যৱস্থাটোক দুটা খণ্ডত বিভক্ত কৰিব পাৰি— চৰকাৰী আৰু বেচৰকাৰী। প্ৰথমটো আকৌ এটা তিনি-তৰপীয়া সেৱা ব্যৱস্থা। প্ৰাথমিক তৰপত উপস্বাস্থ্যকেন্দ্ৰ, প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ (PHC) আৰু কমিউনিটি স্বাস্থ্যকেন্দ্ৰ (CHC)। দ্বিতীয়টো তৰপত আছে জিলা বা মহকুমাবোৰৰ সদৰত অৱস্থিত চিভিল হাস্পতালবোৰ। তৃতীয়টো তৰপক tertiary পৰ্যায় বোলে আৰু চিকিৎসা মহাবিদ্যালয়বোৰ হৈছে ইয়াৰ অন্তৰ্ভুক্ত। আধুনিক অসমৰ স্বাস্থ্যঘটিত প্ৰত্যাহ্বানবোৰ হৈছে ডায়েৰিয়া, এমিবিয়াছিছ আদি পেটৰ বেমাৰ, যক্ষ্মা, মেলেৰিয়া, শ্বাসনলীঘটিত ৰোগ, এনকেফেলাইটিছ আদি। আনুষঙ্গিকভাৱে কৰ্কট ৰোগ, উচ্চ ৰক্তচাপ বা বহুমূত্ৰঘটিত ৰোগ, দৃষ্টিহীনতা আদিৰ বিষয়েও উল্লেখ কৰিব পাৰি। ভাৰতৰ ৭০ শতাংশ মানুহে গ্ৰামাঞ্চলত বাস কৰে যদিও অসমৰ ক্ষেত্ৰত ই ৯০ শতাংশ। ভাৰতৰ স্বাস্থ্য-সন্দৰ্ভীয় আন্তঃগাঁথনিৰ ৭৫ শতাংশই নগৰাঞ্চলত অৱস্থিত। অসমতো এই বৈষম্য বিদ্যমান যদিও শেহতীয়াভাৱে ইয়াৰ কিছু অগ্ৰগতি পৰিলক্ষিত হয়: তালিকাখনত বিগত বছৰবোৰত ক্ৰমান্বয়ে বৰ্ধিতসংখ্যক স্বাস্থ্যকেন্দ্ৰৰ বিষয়ে উল্লেখ কৰা হৈছে:

| চন | ১৯৮১-৮৫ | ১৯৮৫-৯০ | ১৯৯১-৯৬ | ১৯৯৬-২০০২ | বৰ্তমান |
|---|---|---|---|---|---|
| চি এইচ চি | ১২ | ৬০ | ১০০ | ১০৬ | ১০৮ |
| পি এইচ চি | ২৩৭ | ৪৪৯ | ৬১০ | ৬১০ | ৮৪৪ |
| এছ চি | ১৭১১ | ৫১০৯ | ৫১০৯ | ৫১০৯ | ৫১০৯ |

ইয়াৰ উপৰি "চি এইচ চি"ক "এফ আৰ ইউ"লৈ (First Reference Unit) উন্নীত কৰা হৈছে। চৰ-চাপৰিৰ বাসিন্দাসকলৰ স্বাস্থ্যসেৱাৰ অৰ্থে "ক'ট ক্লিনিক" নামৰ এক নতুন ধৰণৰ প্ৰচেষ্টাও আৰম্ভ কৰা হৈছে।

গাঁও অঞ্চলৰ লোকসকলৰ বাবে ২০০৫ চনৰপৰা এন আৰ এইচ এম নামৰ এক অভিযানৰ জৰিয়তে চিকিৎসা আৰু স্বাস্থ্যৰ ক্ষেত্ৰত বিশেষ প্ৰয়াস কৰা হৈছে। অসমতো এই অভিযানে ঈপ্সিত লক্ষ্য পূৰণৰ দিশত অগ্ৰসৰ হৈছে। তদুপৰি মৃত্যুঞ্জয়-১০৮ সেৱাৰ অধীনত ২৮০খন অত্যাধুনিক সা-সুবিধাসম্পন্ন এম্বুলেন্সে মুমূৰ্ষু অৱস্থাত থকা ৰোগীক কঢ়িওৱা কামত জড়িত হৈ আছে।

ব্যক্তিগত খণ্ডৰ চিকিৎসালয়বোৰেও স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। বিগত দুটামান দশকত চিকিৎসা বিজ্ঞানত উচ্চতৰ ডিগ্ৰীধাৰী বহুতো উঠি অহা ডেকা-গাভৰুৰ মাজত নানা কাৰণত মেডিকেল কলেজৰ চাকৰিৰ প্ৰতি আকৰ্ষণ কমিছে আৰু ব্যক্তিগত খণ্ডৰ সেউজ দলিচাই তেওঁলোকক আকৃষ্ট কৰিছে। প্ৰকৃততে চৰকাৰী আৰু ব্যক্তিগত খণ্ডই পৰিপূৰকৰূপে কাম কৰিলেহে আধুনিক অসমৰ স্বাস্থ্য-জগতত আমূল পৰিৱৰ্তন ঘটিব।



অসমৰ ব্যক্তিগত খণ্ডৰ চিকিৎসালয়বোৰৰ (সৰ্বসাধাৰণৰ ভাষাত নাৰ্ছিংহোমৰ) ক্ৰমবিকাশৰ বুৰঞ্জী পৰ্যবেক্ষণ কৰিলে দেখা যায় যে বিগত শতাব্দীৰ ষাঠিৰ দশকতে আৰম্ভ হোৱা গুৱাহাটী মহানগৰৰ কালাপাহাৰস্থিত কালিচৰণ নাৰ্ছিংহোমখন আৰু ডিব্ৰুগড়ৰ ভামানীজ নাৰ্ছিংহোম এই ক্ষেত্ৰত বাটকটীয়া। অৱশ্যে কালিচৰণ নাৰ্ছিংহোমখন আৰম্ভণিতে মাইকৈ স্ত্ৰী-ৰোগী আৰু প্ৰসূতিসকলৰ পৰিচৰ্যাৰ বাবেহে স্থাপিত হৈছিল। ১৯৬৭ চনত বৰ্তমানে খাৰঘুলি অঞ্চলত অৱস্থিত বৰঠাকুৰ নাৰ্ছিংহোমখনৰ বহিৰ্বিভাগ আৰু ১৯৭৮ চনত আন্তঃবিভাগ মুকলি কৰা হয়। আশীৰ দশকত আৰম্ভ হয় গুৱাহাটীত ডাঃ এন এন দত্তৰ উদ্যোগত ডাউনটাউন হাস্পতাল আৰু ডাঃ নোমল বৰাৰ নেতৃত্বত জি এন আৰ চি, যিখনে নেকি স্নায়ৱিক ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত এক উল্লেখনীয় অৰিহণা যোগাইছে। অনুৰূপভাৱে ডিব্ৰুগড়ত নব্বৈৰ দশকৰ আৰম্ভণিতে আত্মপ্ৰকাশ ঘটে ডাঃ এন চাহেৱালাৰ নেতৃত্বাধীন আদিত্য নাৰ্ছিং হোমৰ, যিয়ে নেকি সামান্যভাৱে হ'লেও অসম চিকিৎসা মহাবিদ্যালয়ৰ অভাৱখিনিৰ পৰিপূৰকৰূপে ভূমিকা এটা সময়ত লৈছিল। অসমৰ বিভিন্ন সৰু-বৰ নগৰত আৰু আনকি গ্ৰামাঞ্চলতো শেহতীয়াভাৱে নানা নাৰ্ছিংহোম গঢ়ি উঠিছে। আধুনিক অসমৰ চিকিৎসা-সেৱাৰ অগ্ৰগতিৰ ক্ষেত্ৰত খ্ৰীষ্টান মিছনেৰিসকলে স্থাপন কৰা হাস্পতালবোৰৰ উপৰি কৰ্পৰেট খণ্ডত (বিশেষকৈ তেল আৰু চাহ-উদ্যোগৰ সৈতে জড়িত কোম্পানিবোৰে) থকা উন্নত মানৰ হাস্পতালবোৰৰ ভূমিকাও বিশেষ স্মৰ্তব্য।

**গ্ৰন্থপঞ্জী**


১ অসম সচিবালয় ৰেকৰ্ডছ, ৰাজহ আৰু কৃষি (আগষ্ট ১৮৯৪ চন) নং ১৪১, চিঠিৰ ক্ৰমিক নং ২১৪০ (তাৰিখ ১০ ফেব্ৰুৱাৰি ১৮৯৪ চন)।

২ (Dr). D. Sarmah, "Development of Medical edication and health care in Assam." *Nidanam*. Ed. (Dr) Mihir Kumar Goswami. Guwahati, 2012, pp. 166-71

৩ David Arnold. *Imperial Medicine and Indigenous Societies*. New York: Manchester University Press, 1988, p. 5

৪ G. M. S. Giles. "A Report of an Investigation into the Causes of the Diseases Known in Assam as Kala-azar and Beri-Beri" । অসম সচিবালয় ৰেকৰ্ড ১৮৯০।

৫ George M. Barker. *A Tea Planter's Life in Assam*. Calcutta: Thacker, Spink and Co., 1884

৬ Home Department A (Medical), July, 1896, Prog. Nos. 144

৭ Mark Harrison. *Public Health in British India. Anglo-Indian Preventive Medicine 1857-1914*. Cambridge: Cambridge University Press, 1994

৮ Rosemary FitGerald. "Clinical Christianity: The Emergence of Medical Work as Missionary Strategy in Calonial India 1800-1914". *Health, Medicine and Empire: Perspectives on Colonial India*. Biswamoy Pati and Mark Harricon, eds. New Delhi: Orient Longman, 2001, p. 111

# হোমিঅ'পেথিক চিকিৎসা: জাৰ্মানিৰপৰা অসমলৈ

ডাঃ নাৰায়ণ দেৱনাথ

১৭৫৫ চনৰ ১০ এপ্রিলৰ মাজনিশা জাৰ্মানিৰ ছেক্সনি চহৰত চিনামাটিৰ পাত্ৰত ৰং কৰোঁতা এজন দুখীয়াৰ গৃহত জন্ম গ্ৰহণ কৰিছিল হোমিঅ'পেথিকৰ পিতৃ ছেমুৱেল হেনিমেন। তেওঁ ১৭৭৯ চনত এম ডি (এলোপেথিক) ডিগ্ৰী লাভ কৰে। কিন্তু পিছত তেওঁ হোমিঅ'পেথিক চিকিৎসা পদ্ধতি আৱিষ্কাৰ কৰি* সেই পদ্ধতিৰে চিকিৎসা কৰিবলৈ লয় আৰু বহু চিকিৎসকৰ বিৰাগভাজন হয়। তেওঁৰ বিচাৰ হয়, নিষিদ্ধ হয় তেওঁৰ চিকিৎসাব্যৱস্থা। জাৰ্মানিৰ এখন চহৰৰপৰা আন এখন চহৰলৈ তেওঁ ঘূৰি ফুৰিবলগীয়া হয়। পিছত তেওঁ আহিল পেৰিছলৈ আৰু তাতেই তেওঁৰ চিকিৎসা জনপ্রিয় হৈ উঠিল।

তথ্য অনুসৰি, ১৮১০ চনত হোমিঅ'পেথিক চিকিৎসা ভাৰতত আৰম্ভ হয় কলিকতাৰ ভৱানীপুৰত। ১৮৩৯ চনৰ মাৰ্টিন হামিংবাৰ্জাৰে পাঞ্জাবৰ মহাৰজা ৰণজিৎ সিংহৰ চিকিৎসা কৰিছিল হোমিঅ'পেথিক চিকিৎসাৰে আৰু তেওঁ কলিকতাত "কলেৰা ডাক্তৰ" নামেৰে জনাজাত হৈছিল।

ডাঃ ৰাজেন্দ্ৰলাল দত্ত আৰু ডাঃ মহেন্দ্ৰলাল সৰকাৰে ভাৰতত প্ৰথম হোমিঅ'পেথিক প্ৰসাৰত অগ্ৰণী ভূমিকা লৈছিল। ডাঃ ৰাজেন্দ্ৰলাল দত্ত এজন বিখ্যাত এলোপেথিক চিকিৎসক আছিল। তেওঁৰ নিজৰ কিবা পুৰণি ৰোগ হোমিঅ'পেথিক চিকিৎসাৰে আৰোগ্য হোৱাৰ পিছত হোমিঅ'পেথিক চিকিৎসা পদ্ধতিৰ উন্নতিৰ কাৰণে আজীৱন চেষ্টা কৰিলে। পণ্ডিত ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ চিকিৎসক আছিল ডা: ৰাজেন্দ্ৰলাল দত্ত।

ডাঃ মহেন্দ্ৰলাল সৰকাৰে কলিকতা বিশ্ববিদ্যালয়ৰপৰা এম ডি ডিগ্ৰী লাভ কৰিছিল ১৮৬৩ চনত। প্ৰথমতে তেওঁ হোমিঅ'পেথিক চিকিৎসা পদ্ধতিৰ

* একাংশ হোমিঅ' পণ্ডিতৰ অভিমত, "Hippocrates, the father of medicine (460-370 B. C.), was the first Homoeopath"। গ্ৰীক প্ৰবাদ *Omoia Omoiois Eisin Iamata* ইংৰাজীত যাৰ অৰ্থ "similars cure similars" আহিছে হিপ'ক্ৰেটিছৰপৰা। "সদৃশৰদ্বাৰা সদৃশৰ ৰোগমুক্তি ঘটে" — এয়াই প্ৰবাদটোৰ অসমীয়া অৰ্থ। দ্ৰ. "The Art of Homoeopathy coming from Ancient Hellas (Greece)." Hpathyezine, April 2004. web. – মুখ্য সম্পাদক, *আধুনিক অসম*।



সমালোচকহে আছিল। পৰৱৰ্তী সময়ত তেওঁ হোমিঅ'পেথিক চিকিৎসা আৰম্ভ কৰিলে আৰু ইয়াৰ প্ৰসাৰৰ কাৰণে আহোপুৰুষাৰ্থ কৰিলে।

১৮৮১ চনত ভাৰত তথা এছিয়াৰ প্ৰথম হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয় স্থাপিত হয় কলিকতাত — কেলকাটা হোমিঅ'পেথিক মেডিকেল কলেজ এণ্ড হস্পিটাল নামেৰে।

প্ৰথমবাৰৰ বাবে চেণ্ট্ৰেল এছেমব্লিত হোমিঅ'পেথিক আইন প্ৰণয়ন হয় ১৯৩৬ চনত।

অল ইণ্ডিয়া হোমিঅ'পেথিক ইন্সটিটিউট স্থাপিত হয় ১৯৪৪ চনত। আনুষ্ঠানিকভাৱে ভাৰত চৰকাৰে ১৯৪৮ চনত Homoeopathic Enquiry Committee নামৰ এখন কমিটী নিয়োগ কৰে। এই কমিটীয়ে ১৯৪৯ চনত Central Council of Homoeopathic Medicine গঠন কৰাৰ পৰামৰ্শ আগবঢ়ায়। এই পৰামৰ্শৰ ভিত্তিতেই ১৯৭৩ চনৰ ১৭ ডিচেম্বৰত Homoeopathic Central Council Bill উভয় সদনত গৃহীত হয় আৰু ৰাষ্ট্ৰপতিৰদ্বাৰা অনুমোদিত হয়। সেই মৰ্মে ১৯৭৪ চনৰ ১৭ ডিচেম্বৰত কেন্দ্ৰীয় হোমিঅ'পেথিক পৰিষদ অৰ্থাৎ Central Council of Homoeopathy গঠন হয়।

হোমিঅ'পেথিক শিক্ষাৰ মান নিয়ন্ত্ৰণ কৰা, ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰ ঘটোৱা তথা ইয়াৰ লগত সঙ্গতি থকা বিভিন্ন দিশ পৰিচালনা কৰাই কেন্দ্ৰীয় হোমিঅ' পৰিষদৰ দায়িত্ব।

কেন্দ্ৰীয় হোমিঅ'পেথিক পৰিষদৰদ্বাৰা স্বীকৃতিপ্ৰাপ্ত পাঠ্যক্ৰমসমূহ হ'ল:

Homoeopathy (Diploma Course) DHMS Regulations 1983: DHMS Courseৰ বাবে শিক্ষাবৰ্ষ চাৰি বছৰৰ বাবে নিৰ্ধাৰণ কৰা হৈছে। চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত ছমহীয়া internship বাধ্যতামূলক। শিক্ষাগত অৰ্হতা — উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাত পদাৰ্থবিদ্যা, ৰসায়নবিদ্যা, জীৱবিদ্যা আৰু ইংৰাজীক বিষয় হিচাপে লৈ উত্তীৰ্ণ হ'ব লাগিব। অৱশ্যে বৰ্তমানে অসমত এই কৰ্ছৰ পাঠদান বন্ধ আছে।

Homoeopathy (Degree Course) BHMS Regulations 1983: BHMS Courseৰ বাবে শিক্ষাবৰ্ষ চাৰে পাঁচ বছৰ নিৰ্ধাৰণ কৰা হৈছে। চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত এবছৰীয়া internship বাধ্যতামূলক। শিক্ষাগত অৰ্হতা উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাত নিম্নতম ৫০ শতাংশ নম্বৰ লৈ উত্তীৰ্ণ হ'ব লাগিব। পদাৰ্থবিদ্যা, ৰসায়নবিদ্যা, জীৱবিদ্যা আৰু ইংৰাজী বাধ্যতামূলক বিষয় হ'ব লাগিব।

Homoeopathy (Graded Degree Course) BHMS Regulations 1983: DHMS ডিগ্ৰীধাৰী চিকিৎসকসকলে BHMSৰ সমান শৈক্ষিক স্বীকৃতি পাবলৈ হ'লে দুবছৰীয়া এই Graded Degree Course কৰিব পাৰে।

Homoeopathy (Post-Graded Degree Course) MD (Hom):

কেন্দ্রীয় হোমিঅ'পেথিক পৰিষদে এতিয়ালৈকে পাঁচটা বিষয়ত MD কৰাৰ কাৰণে শৈক্ষিক স্বীকৃতি প্ৰদান কৰিছে। এই বিষয়সমূহ হ'ল Materia Medica, Homoeopathic Philosophy, Practice of Medicine, Paediatric আৰু Repertory। MDৰ শৈক্ষিক সময় তিনি বছৰ।

ভাৰতবৰ্ষত এতিয়ালৈকে ২৫খন হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয়ক কেন্দ্রীয় হোমিঅ'পেথিক পৰিষদে MD Courseৰ বাবে স্বীকৃতি প্ৰদান কৰিছে। অসমত এতিয়ালৈকে এই এমডি কৰ্ত্তৃক কোনো আনুষ্ঠানিক স্বীকৃতি প্ৰদান কৰা হোৱা নাই।

ভাৰতবৰ্ষ তথা ইয়াৰ অঙ্গৰাজ্য অসমতো সৰ্বসাধাৰণ লোকৰ মাজত হোমিঅ'পেথিক চিকিৎসাৰ জনপ্ৰিয়তা দিনক দিনে বৃদ্ধি পাই অহা পৰিলক্ষিত হৈছে। অসমত এই চিকিৎসা পদ্ধতি প্ৰাক্-স্বাধীনতা সময়ৰপৰাই প্ৰচলন হোৱাৰ তথ্য পোৱা যায়। প্ৰায় ১৯৩৫ চন মানৰপৰা গোলাঘাটৰ প্ৰয়াত ডাঃ ভোগেশ্বৰ দত্ত, প্ৰয়াত ডাঃ ৰুদ্ৰ শৰ্মা (গুৱাহাটী), ডাঃ দামোদৰ শৰ্মা (নলবাৰী), ডাঃ চণ্ডীপদ চক্ৰৱৰ্তী (শিলচৰ) আৰু যোৰহাটৰ ডাঃ ডি চি ৰাজকুমাৰ, ডাঃ বিএন চক্ৰৱৰ্তী আদি ব্যক্তিসকলৰ আশাশুধীয়া প্ৰচেষ্টাত অসমৰ বিভিন্ন ঠাইত হোমিঅ'পেথিক চিকিৎসাৰ প্ৰচলন হ'বলৈ ধৰে।

এইসকলৰ ভিতৰৰে অসমত হেনিমেন বুলি জনাজাত ডাঃ ভোগেশ্বৰ দত্তৰ জন্ম হৈছিল ১৯১১ চনৰ ২১ এপ্ৰিলত। তেওঁৰ পিতৃ আছিল তেতিয়াৰ অবিভক্ত শিৱসাগৰ জিলাৰ অন্তৰ্গত গোলাঘাট মহকুমাৰ চিনাতলী হাবিহেৰা গাঁৱৰ বাসিন্দা কেৰকণ দত্ত আৰু মাতৃ আছিল কেতেকী দত্ত। তেওঁ আছিল পিতৃ-মাতৃৰ জ্যেষ্ঠ পুত্ৰ। কেৰকণ দত্ত আছিল সেই গাঁৱৰ হাবিয়াল বংশৰ নামজ্বলা সাংস্কৃতিক ওজা।

পৰিয়ালৰ অৰ্থনৈতিক অস্বচ্ছলতা দূৰ কৰিবলৈ এইজনা মহান ব্যক্তি ডাঃ ভোগেশ্বৰ দত্তই জীৱনৰ আৰম্ভণিৰেপৰাই কৰ্মসংগ্ৰামত অৱতীৰ্ণ হয়। মাতৃ স্বৰ্গীয়া কেতেকী দত্তৰ লগ লাগি অতি কষ্ট আৰু পৰিশ্ৰমেৰে তেওঁ সংসাৰখন নিয়াৰিকৈ চলাই নিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাছিল। তেওঁ প্ৰায় ১২ বছৰ বয়সতেই নিজৰ কৰ্মজীৱন আৰম্ভ কৰে। এই উদ্দেশ্যে তেওঁ বগীধলা বাগিচাত চাৰ্ভেয়াৰৰ চাকৰিত যোগদান কৰিছিল। এই চাকৰি কৰি থকা দিনতে তেওঁ হোমিঅ' চিকিৎসা প্ৰণালীৰ প্ৰতি আকৃষ্ট হয় আৰু এই উদ্দেশ্য আগত ৰাখি তেওঁ কলিকতালৈ ঢাপলি মেলে। তাতে তেওঁ "হোমিঅ'পেথিক মেডিকেল ফেকাল্টি" নামৰ শিক্ষানুষ্ঠানত এই শিক্ষা গ্ৰহণ কৰিবলৈ লয়। বিংশ শতাব্দীৰ চল্লিছৰ দশকত সোণৰ পদকসহ এইচএমবি (HMB) উপাধিৰে প্ৰথম বিভাগত উত্তীৰ্ণ হৈ শিক্ষা সাং কৰে।

অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ হোমিঅ' চিকিৎসা ব্যৱস্থা কাৰদ্বাৰা পোন প্ৰথমবাৰলৈ প্ৰচলিত হৈছিল সেই কথা খাটাংকৈ জনা নাযায় যদিও এই কথা প্ৰায় নিশ্চিত যে ডাঃ ভোগেশ্বৰ দত্তই আছিল আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত প্ৰথম



অসমীয়া হোমিঅ' চিকিৎসক। ডাঃ লক্ষ্মী হাজৰিকাৰ লিখনিৰপৰাও এই কথা নিশ্চিত কৰিব পৰা যায়।

এজন চিকিৎসক হিচাপে নিজৰ জীৱিকা উপাৰ্জন কৰাৰ উপৰি সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলতে হোমিঅ'পেথিৰ সৰ্বাঙ্গীন উন্নতিত তেওঁ অত্যধিক মনোনিৱেশ কৰিছিল। এই উদ্দেশ্যৰে তেওঁ হোমিঅ' চিকিৎসাৰ কেবাখনো গ্ৰন্থ ৰচনা কৰি উলিয়াইছিল। তাৰ ভিতৰত *ৰেডিঅ' এক্‌টিভ ট্ৰিটমেণ্ট অব্ হোমিঅ'পেথি, হোমিঅ'পেথিক চিকিৎসাৰ প্ৰথম পদক্ষেপ* আৰু *হোমিঅ' দৰ্শন* - এই তিনিখনেই প্ৰধান। উল্লেখযোগ্য যে উক্ত তিনিওখন গ্ৰন্থ ১৯৪৫ চনত অসম চৰকাৰৰ অনুমোদন সাপেক্ষে তেওঁ ৰচনা কৰিছিল। পোনতে এই কিতাপ তিনিখন কলিকতাৰ প্ৰেছত ছপা কৰোৱাৰ কথা ভবা হৈছিল। এই উদ্দেশ্যৰে তেওঁ কলিকতাত হোমিঅ' শিক্ষা গ্ৰহণ কৰি থকা শ্ৰীদেৱেন বৰা আৰু তেওঁৰেই ভ্ৰাতৃ শ্ৰীপদ্মেশ্বৰ দত্তক এই বিষয়ে কলিকতাৰ ছপাশালৰ গৰাকীৰ লগত আলোচনা কৰাৰ দায়িত্ব দিয়ে। সেই সময়ত দ্বিতীয় মহাসমৰৰ কুফলস্বৰূপে সমগ্ৰ দেশতে ভয়ানক দুৰ্যোগ আৰু সকলো বস্তুৰে জুই-চাই দাম হয়। এই কাৰণৰ লগতে আন আন অসুবিধাৰ বাবে উক্ত কিতাপ কেইখন কলিকতাৰ প্ৰেছত ছপা কৰিব পৰা নহ'ল।

পাছত ১৯৪৫ চনত গোলাঘাটৰ জেনেৰেল প্ৰিণ্টাৰ্ছত ছপা কৰি প্ৰকাশ কৰে। সেই সময়ত তেওঁ দেৱগাঁৱত হোমিঅ' চিকিৎসা সেৱা আগবঢ়োৱাত ব্যস্ত আছিল। এই তিনিখন কিতাপৰ উপৰি *হোমিঅ' বিজ্ঞান প্ৰদৰ্শিকা, আদৰ্শ বাইঅ'কেমিক চিকিৎসা, প্ৰেকটিকেল মেটেৰিয়া মেডিকা, হোমিঅ' ইঞ্জেকচন চিকিৎসা, গৃহ চিকিৎসা প্ৰদীপ* আদিও তেওঁ লিখা গ্ৰন্থ। তেওঁৰ উদ্যোগতে ১৯৪৬ চনত দ্য আসাম হোমিঅ' ৰিছাৰ্চ এণ্ড পাবলিক হেলথ এছ'চিয়েচন নামৰ সংগঠনটোৰ জন্ম হয়। অসমত হোমিঅ'পেথিৰ বহুল প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যৰে এই সংগঠনে হোমিঅ'পেথিক শিক্ষানুষ্ঠান, চিকিৎসালয় আৰু গৱেষণাগাৰ স্থাপন কৰাত গুৰুত্ব দিছিল। ডাঃ ভোগেশ্বৰ দত্তৰ উদ্যোগত তেতিয়াৰ অসম চৰকাৰৰ মন্ত্ৰী আৰু বিভিন্ন বিষয়ববীয়ালৈ উক্ত সংগঠনৰ জৰিয়তে সহায় সহযোগিতাৰ বাবে প্ৰাৰ্থনা জনোৱা হৈছিল। এই কাৰ্যত তেওঁ বহুখিনি সফলতাও লাভ কৰিছিল। ১৯৪৮ চনত উক্ত এছ'চিয়েচনখন All India Homoeo Medical Association, New Delhiৰ অন্তৰ্ভুক্ত হয়।

ডাঃ ভোগেশ্বৰ দত্তই নিজৰ জীৱন যেন হোমিঅ'পেথিৰ উন্নতি তথা গৱেষণাৰ নামতেই উচৰ্গা কৰিছিল। হোমিঅ' চিকিৎসা পদ্ধতিক জনতাৰ মাজলৈ লৈ যাবলৈ তথা ইয়াৰ প্ৰসাৰৰ কাৰণে ১৯৪৭ চনৰ ১৬ জানুৱাৰি তাৰিখে গোলাঘাটত দ্য আসাম হোমিঅ' ৰিছাৰ্চ স্কুল অৱ মেডিচিন নামৰ এটা অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। প্ৰথম অৱস্থাত এই অনুষ্ঠানৰ কামকাজ গোলাঘাটৰ এটি ভাড়াঘৰত আৰম্ভ কৰা হয়। এই অনুষ্ঠানত ছমহীয়া, দুবছৰীয়া আৰু তিনিবছৰীয়া পাঠ্যক্ৰমৰ ব্যৱস্থা আছিল। সেই সময়ত অসমৰ বহু ঠাইৰ লোকে ইয়াত হোমিঅ'

শিক্ষা গ্ৰহণ কৰাৰ সুবিধা লাভ কৰিছিল।

১৯৫১ চনত এই বিদ্যালয়খন দ্য আসাম হোমিঅ' বিছাৰ্চ ইনষ্টিটিউট নাম দি গোলাঘাট চহৰৰপৰা ৫ কিলোমিটাৰ আঁতৰৰ চিনাতলী চাবিআলিলৈ স্থানান্তৰ কৰা হয়। ইয়াতে DHMS পাঠ্যক্ৰমৰ প্ৰৱৰ্তন কৰা হয়। সেই সময়ত ডাঃ ভোগেশ্বৰ দত্তৰ লগত আন কেবাজনো চিকিৎসকে এই অনুষ্ঠানত অধ্যাপনা কৰিছিল। তেওঁলোক আছিল ডাঃ দেৱেন বৰা, ডাঃ পদ্মেশ্বৰ দত্ত, ডাঃ দুৰ্গেশ্বৰ দত্ত, ডাঃ ভীম বৰা, ডাঃ মিৰাজউদ্দিন আহমেদ, ডাঃ লক্ষী ৰাজখোৱা আৰু ডাঃ হেম নাথ। এই ইনষ্টিটিউটৰ লগতে ১২খন বিছনাযুক্ত এখন সংলগ্ন চিকিৎসালয়ও আছিল। একে সময়তে এই চিকিৎসালয়ৰ লগতে এখন গৱেষণাগাৰো প্ৰতিষ্ঠা কৰা হৈছিল। উল্লেখযোগ্য যে দুমহলীয়া এই গৱেষণাগাৰটো আছিল সম্পূৰ্ণ মাটিৰ তলত। এই ব্যৱস্থাৰ কাৰণে ঔষধৰ সংৰক্ষণ আৰু গৱেষণাত যথেষ্ট সুবিধা হৈছিল।

১৯৫১ চনত তেতিয়াৰ স্বাস্থ্যমন্ত্ৰী বেভাৰেণ্ড জেমছ জয়মোহন নিকলছ ৰয়ে এই গৱেষণা কেন্দ্ৰ পৰিদৰ্শন কৰিছিল। এই গৱেষণাগাৰৰ সংলগ্ন ১২খন বিছনাযুক্ত চিকিৎসালয়খনৰ দুৱাৰ মুকলি কৰা হৈছিল ১৯৫৫ চনৰ ১৫ ডিচেম্বৰত। দুৱাৰ মুকলি কৰিছিল তেতিয়াৰ বনমন্ত্ৰী ৰামনাথ দাসে। এই উপলক্ষে একেদিনাই উক্ত চিকিৎসালয় ভৱন প্ৰাঙ্গণত এখনি ৰাজহুৱা সভাৰো আহ্বান কৰা হয়।

সেইদিনা বনমন্ত্ৰী ৰামনাথ দাসৰ লগতে স্বাস্থ্যমন্ত্ৰী ৰূপনাথ ব্ৰহ্মাও সভাত উপস্থিত থাকে। এই সভাৰ নিৰ্দিষ্ট বক্তা আছিল বাগ্মীবৰ নীলমণি ফুকন আৰু উপাধ্যক্ষ আছিল ৰাজেন্দ্ৰনাথ বৰুৱা। এই চিকিৎসালয়খনেই আছিল অসমৰ হোমিঅ'পেথিক চিকিৎসাৰ প্ৰথমখন চিকিৎসালয়। ইয়াৰ পূৰ্বে অসমৰ কোনো ঠাইত এনে আদৰ্শমূলক চিকিৎসালয় প্ৰতিষ্ঠা হোৱা নাছিল। দুৱাৰ মুকলি কৰিছিল স্বাস্থ্যমন্ত্ৰী ৰূপনাথ ব্ৰহ্মাই।

এই গৱেষণাগাৰৰ লগতে আছিল এখন সৰু বোটানিকেল গাৰ্ডেন। ১৯৫২ চনত ঔষধ প্ৰস্তুত কৰাৰ বাবে প্ৰয়োজনীয় গছবোৰৰ ৰক্ষণাবেক্ষণ আৰু উৎপাদনৰ কাৰণে এই বোটানিকেল গাৰ্ডেনখনৰ নিৰ্মাণ কৰা হৈছিল। ইয়াত থকা বিভিন্ন গছৰ ভিতৰত প্ৰধান আছিল কমলা টেঙা, ভীমকল, নাৰ্জীফুল, অমিতা, চতিয়না গছ, দূবৰিবন, ডালিম, নহৰু, পিঁয়াজ, আমলখি, তেজপাত আদি। ইয়াৰ উপৰি ঔষধ প্ৰস্তুতকৰণৰ বাবে প্ৰয়োজনীয় বহুতো আপুৰুগীয়া গছ এই বাগিছাত ৰোপণ কৰা হৈছিল। বাগিছাৰ উপৰি ওচৰৰ নামবৰ হাবিৰপৰাও প্ৰয়োজনীয় ঔষধিগুণযুক্ত গছ-বন সংগ্ৰহ কৰা হৈছিল। এই গৱেষণাগাৰটোত নামবৰ হাবিৰ গৰপানীৰ উঁহবোৰৰপৰা সংগৃহীত গন্ধকযুক্ত (sulphur) পানীৰ ঔষধি গুণৰ কাৰ্যকাৰিতা সম্পৰ্কেও গৱেষণা চলোৱা হৈছিল। এয়াই বিংশ শতাব্দীৰ অসমৰ প্ৰথমটো হোমিঅ' গৱেষণাগাৰ আৰু ইয়াৰ প্ৰথমজন হোমিঅ' বিজ্ঞানী আছিল ডাঃ ভোগেশ্বৰ দত্ত।

গৱেষণাগাৰটোত কেলেণ্ডুলা, কেলেণ্ডুলাৰ বাহ্য প্ৰয়োগ, এলিয়াম চেপা, এলিয়াম চেটাইভা, এলোষ্টিনিয়া কেপচিকাম, ৰিং ৱৰ্ম আৰু ইনজেকচন আদি



প্ৰস্তুত কৰা হৈছিল। লগতে খনিজাত দ্ৰব্য আদিৰপৰা হেনিমেনীয় পদ্ধতিৰে ঔষধ তৈয়াৰ কৰাৰ পৰীক্ষা চলোৱা হৈছিল। কিছু কিছু বন্যপ্ৰাণীৰপৰা কোষ সংগ্ৰহ কৰিও তেওঁ বহুতো পৰীক্ষা চলাইছিল। তেওঁৰ এই কামত সহায় কৰিছিল গোলাঘাটৰ দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° মোহিনী শইকীয়া আৰু প্ৰকৃতিপ্ৰেমী জীৱন দাসে। ভোগেশ্বৰ দত্তই এই দুজন ব্যক্তিক লগত লৈ নামবৰ হাবিত খনিজাত দ্ৰব্য আৰু বিভিন্ন গছ-বন বিচাৰি চলাথ কৰিছিল। তেওঁৰ গৱেষণাতেই গোলাঘাটৰ কালিয়নী নদীত সোণ থকাৰ কথা জনা গৈছিল।

১৯৫৩ চনত দ্য আসাম হোমিঅ'পেথিক বিল ১৯৫৩ নামৰ বিলখন অসম বিধান সভাত উত্থাপিত হয় আৰু ১৯৬৭ চনত নতুন দিল্লীৰ বিজ্ঞান ভৱনত পোন প্ৰথমবাৰৰ কাৰণে আন্তঃৰাষ্ট্ৰীয় হোমিঅ'পেথিক মহাসভা অনুষ্ঠিত হয়।

এই মহাসভাত উত্তৰ-পূৰ্বাঞ্চলৰ কেবাজনো হোমিঅ' চিকিৎসকেৰে গঠিত এটা প্ৰতিনিধি দলে অংশগ্ৰহণ কৰিছিল। *নতুন অসমীয়া* কাকতৰ ১৯৬৭ চনৰ ১ নৱেম্বৰ সংখ্যাত এই বাতৰি প্ৰকাশিত হৈছিল। এই প্ৰতিনিধি দলটোত ভোগেশ্বৰ দত্তৰ উপৰি আৰু আছিল ডাঃ দেৱেন বৰা, ডাঃ ডিম্বেশ্বৰ ডেকা, ডাঃ জামিৰ আহমেদ, ডাঃ বি চি ফুকন, ডাঃ চৈয়দ আবদুৰ ৰহমান, ডাঃ নবীন বৰ্মন, ডাঃ নগেন বৰুৱা, ডাঃ চিলাৰায় উজিৰ আৰু ডাঃ গঙ্গাধৰ বড়ো।

১৯৭৩ চনৰ ৮ ছেপ্টেম্বৰত ডাঃ ভোগেশ্বৰ দত্তৰ মৃত্যু হয়। পিছত তেওঁ প্ৰতিষ্ঠা কৰি থৈ যোৱা হোমিঅ' শিক্ষা অনুষ্ঠানটিক ডাঃ ভোগেশ্বৰ দত্ত ভেষজ মহাবিদ্যালয় নামেৰে নামাঙ্কিত কৰা হয়।

নানা কাৰণত ১৯৮০ চনৰ বিদেশী বিতাড়ন আন্দোলনৰ সময়ত কলেজখন বন্ধ হৈ যায়। কলেজখনৰ ভগ্নাৱশেষ এতিয়াও চিনাতলী গাঁৱত বিদ্যমান।

১৯৬৮ চনত নগাঁৱত ডাঃ দ্বিজেন্দ্ৰনাৰায়ণ ঘোষক অধ্যক্ষ হিচাপে লৈ অসম হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয়, নগাঁও, ১৯৭৫ চনত যোৰহাটত ডাঃ গণেশচন্দ্ৰ ৰাজকুমাৰৰ অধ্যক্ষতাত অসম হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয়, যোৰহাট (বৰ্তমান ডাঃ জে কে এছ আঞ্চলিক হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয়) আৰু ১৯৭৮ চনত গুৱাহাটীত ডাঃ অনিলকুমাৰ ভট্টাচাৰ্যৰ অধ্যক্ষতাত প্ৰাগজ্যোতিষ হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয়, গুৱাহাটী (বৰ্তমান এছ জে এন হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয়) নামেৰে তিনিখন হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয় প্ৰতিষ্ঠা হয়। তিনিওখন হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয়ৰ চৰকাৰীকৰণ কৰা হয় ১৯৮৮-১৯৮৯ চনৰ কালছোৱাত।

তিনিওখন চৰকাৰী হোমিঅ'পেথিক মেডিকেল কলেজত অধ্যাপক তথা সহকাৰী অধ্যাপকৰ সংখ্যা ৬৪জন আৰু মেডিকেল অফিচাৰৰ সংখ্যা ১৫জন। তদুপৰি নেচনেল ৰুৰেল হেল্থ মিছনৰ অধীনত ১৫০জন হোমিঅ'পেথিক মেডিকেল অফিচাৰে স্বাস্থ্য সেৱা আৰু স্কুল হেল্থ ছাৰ্ভিচৰ জৰিয়তে সেৱা আগবঢ়াই আছে। ইয়াৰ উপৰি অসম চৰকাৰৰ ডাইৰেক্টৰেট অৱ হেল্থ ছাৰ্ভিচৰ

অধীনত ৭৬জন হোমিঅ'পেথিক মেডিকেল অফিচাৰে অসমৰ বাইজৰ বাবে সেৱা আগবঢ়োৱাৰ লগতে হোমিঅ'পেথিক চিকিৎসাবিজ্ঞানৰ প্ৰসাৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আছে।

**ডাঃ বিজয়কৃষ্ণ নাথৰ সংযোজন**

হোমিঅ'পেথি হ'ল সদৃশবিধান নীতিৰ ওপৰত প্ৰতিষ্ঠিত এক অনুপম চিকিৎসাবিজ্ঞান। Mono (এক), mini (minimum বা সৰ্বনিম্ন) আৰু simi (similia similiar বা সদৃশ) — এই শব্দ তিনিটাক আক্ষৰিক অৰ্থত সাৰোগত কৰি ই তাৰ বিজয়যাত্ৰা অব্যাহত ৰাখিছে। এজন ৰোগীৰ শৰীৰত এটা নিৰ্দিষ্ট সময়ত বহু অসুবিধাজনক লক্ষণৰ প্ৰকাশ বা সমাহাৰ ঘটিব পাৰে, যিবোৰ এজন অভিজ্ঞ চিকিৎসকৰ দৃষ্টিত এক লক্ষণসমষ্টি বুলি নিৰ্ণীত হয়। সেই লক্ষণসমষ্টি আঁতৰাবৰ কাৰণে তেওঁ এনেকুৱা দৰব বাছি উলিয়ায় যিটো সেই লক্ষণসমষ্টিৰে সৈতে গুণগতভাৱে সৰ্বাধিক সাদৃশ্যপূৰ্ণ। যিহেতু তেওঁৰ চিকিৎসা-পদ্ধতিৰ মূলসূত্ৰ হ'ল mono, mini আৰু simi, সেই হেতুকে তেওঁ এটা নিৰ্দিষ্ট কালছোৱাত এজন ৰোগীক একাধিক নহয়, এটা মাত্ৰ দৰব সেৱনৰ বিধান দিয়ে আৰু সেইটো তেওঁ কৰে হেনিমেনৰ নিম্নোদ্ধৃত পৰ্যৱেক্ষণৰ আধাৰত: "A weaker dynamic affection is permanently extinguished in the living organism by a stronger one, if the latter (whilst differing in kind) is very similar in its manifestations."[১]

দুৰ্ভাগ্যক্ৰমে বৰ্তমানৰ ব্যস্ততাপূৰ্ণ জীৱনত একাংশ হোমিঅ' চিকিৎসকে ৰোগীৰ লগত পৰ্যাপ্ত পাৰস্পৰিক ক্ৰিয়া (interaction) নোহোৱাকৈ এটা ৰোগসমষ্টিৰ বাবে এটা মাত্ৰ দৰব নিৰ্ধাৰণ কৰা প্ৰক্ৰিয়াৰপৰা আঁতৰি আহিছে! তেওঁলোকে একো একোটাকৈ লক্ষণৰ বাবে দিবলৈ ধৰিছে একো একোটাকৈ দৰব, যাৰ ফলত তেওঁলোকৰ প্ৰেছক্ৰিপ্‌চন বা ব্যৱস্থাপত্ৰৰ আকাৰবোৰ দীৰ্ঘৰপৰা অতি দীৰ্ঘ হ'বলৈ ধৰিছে আৰু এইদৰে হোমিঅ'পেথি চিকিৎসাৰ ক্লাছিকেল বা ধ্ৰুপদী ধাৰাৰ লগত এইচাম চিকিৎসকৰ চিকিৎসা-পদ্ধতিৰ বিশাল দূৰত্বৰ সৃষ্টি হৈছে।

অৱশ্যে এয়া মূলতঃ ব্যক্তিগত খণ্ডত চলি থকা হোমিঅ' চিকিৎসাৰ কথা। ৰাজহুৱা খণ্ডত হোমিঅ' চিকিৎসাই তাৰ ক্লাছিকেল ঐতিহ্য কিমানখিনি বজাই ৰাখিব পাৰিছে সেয়া নিশ্চয় এই প্ৰসঙ্গত এক গুৰুত্বপূৰ্ণ প্ৰশ্ন হ'ব। এয়া জনা কথা যে নেচনেল ৰুৰেল হেল্‌থ মিছনৰ অধীনত যিসকল হোমিঅ' আৰু আয়ুৰ্বেদিক চিকিৎসকে চৰকাৰী চিকিৎসালয়বোৰত নিযুক্তি পাইছে, তেওঁলোকৰ প্ৰায়খিনিয়েই প্ৰায় সময়তে যি-চিকিৎসা-পদ্ধতি প্ৰয়োগ কৰে সেয়া হোমিঅ' বা আয়ুৰ্বেদ নহয়, এলোপেথিহে। অসম চৰকাৰে হোমিঅ'পেথিক আৰু আয়ুৰ্বেদিক চিকিৎসাৰ বাবে সম্পূৰ্ণ সুকীয়া চিকিৎসালয় নাপাতিলে এই দুই মহান চিকিৎসা-ব্যৱস্থাৰ সঙ্কট ঘণীভূত হোৱাৰ সম্ভাৱনাই প্ৰবল।



১৮৩৬ শকৰ ফাগুন (১৯১৪ খ্ৰীষ্টাব্দ) সংখ্যা *বাঁহী*ত ওলাইছিল এম মোছলেহ উদ্দিন আহম্মদ ৰচিত "মহাত্মা চেমুয়েল হানিমান" শীৰ্ষক এটি প্ৰবন্ধ। ইয়াৰ আগতে অসমীয়া ভাষাত হেনিমেন বা তেওঁৰ চিকিৎসা-ব্যৱস্থা সম্পৰ্কে যদিহে কিবা প্ৰবন্ধপাতি ওলাইছে সেয়া আমাৰ অবিদিত। যিয়ে নহওক, উক্ত প্ৰবন্ধটি প্ৰকাশিত হোৱাৰ প্ৰায় সমকালতেই গোৱালপাৰা জিলাৰ গৌৰীপুৰত কালিকুমাৰ ভট্টাচাৰ্য নামৰ এজন ব্যক্তিয়ে হোমিঅ' চিকিৎসা কৰিছিল। *Drugs of Hindusthan* নামৰ কিতাপখনত ডাঃ এছ চি ঘোষে লিখিছে যে ১৯১৭ খ্ৰীষ্টাব্দৰ মে' মাহত তেওঁ থকা ঠাইডোখৰত — অৰ্থাৎ গোৱালপাৰা জিলাৰ গৌৰীপুৰত — মেলেৰিয়া জাতীয় এবিধ জ্বৰৰ প্ৰাদুৰ্ভাৱ হৈছিল। এই ৰোগত আক্ৰান্ত হোৱা লোকসকল দুই-এদিনৰ মূৰে মূৰে জ্বৰটোত ভুগিছিল কাৰণে বেমাৰটোৰ নাম হৈছিল পালাজ্বৰ বা পালজ্বৰ। এদিন তেওঁৰ ঘৰলৈ বননিম্বু (glycosmis pentaphylla) গছৰ ঠানিৰে দাঁত ঘঁহি ঘঁহি এজন হিন্দুস্থানী মানুহ আহিল আৰু তেওঁ ক'লে যে তেওঁ যিখন ঘৰত বন কৰে তাত একমাত্ৰ তেওঁৰ বাহিৰে আন সকলো মানুহ পালজ্বৰত আক্ৰান্ত হৈছে। ঘটনাটোৱে ডাঃ ভট্টাচাৰ্যৰ মনত বিপুল কৌতূহলৰ সৃষ্টি কৰে আৰু তেওঁ গৱেষণা কৰি উলিয়ালে যে বননিম্বু গছত পালজ্বৰ নামেৰে পৰিচিত জ্বৰবিধৰ প্ৰতিৰোধৰ ক্ষমতা আছে আৰু সেই কাৰণে সেই বিধ গছৰ ঠানিৰে দাঁত মজা মানুহজনৰ বাহিৰে পৰিয়ালটোৰ আন সকলোবিলাক মানুহ বেমাৰটোত আক্ৰান্ত হৈছে। ডাক্তৰজনে উক্ত উদ্ভিদৰ আৰকেৰে জ্বৰবিধ নিবাময়ৰ দৰব প্ৰস্তুত কৰিলে।[২]

জীৱনৰ আৰম্ভণিত হেনিমেনে এলোপেথিক পদ্ধতিৰে ৰোগীক চিকিৎসা কৰিছিল। পিছলৈ তেওঁ হোমিঅ' চিকিৎসাৰ জগতলৈ গুচি আহে। আমি এই প্ৰসঙ্গত এনে এক চিকিৎসকৰ নামোল্লেখ কৰিম যিজনৰ নাম হেনিমেনৰ নামেৰে সৈতে একে উশাহতে ল'ব লগা নহয় যদিও তেৰো এলোপেথিৰপৰা গুছি আহিছিল হোমিঅ'পেথিৰ জগতলৈ। চিকিৎসকজনৰ নাম দক্ষিণাৰঞ্জন দত্ত। তেওঁ আছিল সুৰমা উপত্যকাৰ কৰিমগঞ্জৰ এক জমিদাৰ বংশৰ সন্তান। তেওঁৰ ককায়েক চিত্তৰঞ্জন আছিল এজন চখৰ হোমিঅ' চিকিৎসক। স্বয়ং দক্ষিণাৰঞ্জনে ডাক্তৰি কৰিছিল কৰিমগঞ্জৰেই এখন চাহবাগিচাত। জমিদাৰি মেজাজৰ এই ডাক্তৰজনৰ লগত বাগিচা-কৰ্তৃপক্ষৰ নানা কথাত বিৰোধ হৈছিল আৰু এদিন সেই বিৰোধ হতিয়াহতিৰ পৰ্যায়লৈ গুচি গৈছিল। স্বাভাৱিকতে চাহবাগিচাৰ ডাক্তৰ হিচাপে দক্ষিণাৰঞ্জনৰ কৰ্মজীৱনৰ তাতেই অন্ত পৰে আৰু ঘৰৰ ল'ৰা ঘৰলৈ উভতি আহিবলগা হয়। এদিন তেওঁৰ ঘৰলৈ এজন মেলেৰীয়া ৰোগী অহাত নিতান্ত খিয়ালবশতঃ তেওঁ ককায়েকে ব্যৱহাৰ কৰা আৰ্ছেনিক এলব্ বেমাৰীজনক ব্যৱহাৰ কৰিবলৈ দিয়ে। দৰবটো সেৱন কৰি বেমাৰীজন ৰোগমুক্ত হ'লত আৰু বহু বেমাৰী তেওঁৰ ওচৰলৈ আহিবলৈ ধৰে আৰু তেওঁ হোমিঅ' পদ্ধতিৰেই সেই ৰোগীসকলৰ চিকিৎসা কৰে। পিছত তেওঁ জন্মভূমি কৰিমগঞ্জৰপৰা নগাঁও জিলাৰ

হোজাইলৈ গুচি আহে আৰু তাতো হোমিঅ' পদ্ধতিৰেই ৰোগীক সেৱাদান কৰাৰ ধাৰা অব্যাহত ৰখে। এয়া ১৯৫০-৬০ৰ কালছোৱাৰ কথা। "ফীজ" বা "ভিজিট"ৰ পৰিমাণ লৈ ৰোগীৰ লগত দৰদাম কৰিবলৈ বেয়া পোৱা কিম্বদন্তিপ্ৰতিম এই ডাক্তৰজনে বহু বদ্ধ উন্মাদকো হোমিঅ' পদ্ধতিৰেই চিকিৎসা কৰি আৰোগ্য কৰা বুলি শুনিবলৈ পোৱা যায়।

### তথ্যসূত্ৰ

১ Samuel Hahneman. *Organon of Medicine*. Translated from the fifth edition with an appendix by R. E. Dudgeon, with additions and alterations as per sixth edition translated by William Boericke and introduction by James Krauss. Indian edition. Calcutta: Roy Publishing House, 1961, p. 41

২ S. C. Ghose. *Drugs of Hindusthan*. Calcutta: Hahnemann Publishing Co.,1984, p. 176

# অসমত আয়ুৰ্বেদিক চিকিৎসাৰ ক্ৰমবিকাশ

মনোজকুমাৰ শইকীয়া

আয়ুৰ্বেদিক এক প্ৰাচীন চিকিৎসা পদ্ধতি। বৈদিক যুগৰপৰা এই ভাৰতীয় চিকিৎসা প্ৰচলিত হৈ আহিছে। প্ৰথম অৱস্থাত আয়ুৰ্বেদৰ আঠটা বিভাগ আছিল বাবে ইয়াক অষ্টাঙ্গ আয়ুৰ্বেদ বোলা হৈছিল। চৰক এজন সুদক্ষ কায় চিকিৎসক আছিল আৰু *চৰক সংহিতা* ৰচনা কৰিছিল। শল্য চিকিৎসাৰ (Surgery) পিতামহ সুশ্ৰুত এজন সুদক্ষ শল্যবিদ আছিল আৰু *সুশ্ৰুত সংহিতা* ৰচনা কৰিছিল। এইদৰে অভিজ্ঞ আয়ুৰ্বেদিক চিকিৎসকসকলে ভালেমান গ্ৰন্থ ৰচনা কৰিছিল। সুস্থ ব্যক্তিক নিৰোগ কৰি ৰখা আৰু ৰোগাক্ৰান্ত ব্যক্তিক চিকিৎসাৰদ্বাৰা আৰোগ্য কৰাটোৱেই আয়ুৰ্বেদিক চিকিৎসাৰ মূল উদ্দেশ্য। উন্নত ধৰণৰ জীৱনযাপন, ৰোগ প্ৰতিৰোধ ব্যৱস্থা, পুষ্টিকাৰক খাদ্য, পৰিষ্কাৰ পৰিচ্ছন্নতা, দৈনন্দিন পালনীয় নিয়ম, দীৰ্ঘায়ু লাভৰ বাবে দেশ-কাল ভেদে খাদ্য গ্ৰহণ আদি সুন্দৰ বৰ্ণনা *চৰক সংহিতাৰ* দিনচৰ্যা অধ্যায়ত পোৱা যায়।

অসমত প্ৰাচীন কালৰপৰা আয়ুৰ্বেদিক চিকিৎসা চলি আহিছে। বংশানুক্ৰমে আৰু পৰম্পৰা অনুযায়ী কবিৰাজসকলে অসমত এই চিকিৎসাৰদ্বাৰা ৰোগীসকলক সেৱা আগবঢ়াই আহিছে। পূৰ্বতে অসমৰ আয়ুৰ্বেদিক চিকিৎসকসকলে শাস্ত্ৰীয় বিধি অনুযায়ী ঘৰতে নিজ হাতেৰে তৈয়াৰ কৰা ঔষধ প্ৰয়োগ কৰিছিল। ১৮২৬ চনত য়াণ্ডাবু সন্ধি অনুযায়ী অসম ইংৰাজৰ শাসনাধীন হয়। কালক্ৰমে অসমতো এলোপেথিক চিকিৎসাৰ প্ৰসাৰ হ'বলৈ ধৰিলে। অসমৰ শাসনভাৰ ইংৰাজৰ হাতলৈ যোৱাৰ পিছত বহিঃৰাজ্য আৰু অসমৰ মাজত যোগাযোগ উন্নত হয়। সেয়েহে অসমৰপৰা বহুতো ছাত্ৰ ঢাকা, কাশী, কলিকতা আদি ঠাইলৈ গৈছিল আয়ুৰ্বেদ শাস্ত্ৰ অধ্যয়নৰ বাবে। মানৰ আক্ৰমণত অসমৰ আৰ্থ-সামাজিক ভেটি থানবান হৈছিল। এক দুৰ্যোগপূৰ্ণ অস্বাস্থ্যকৰ পৰিৱেশত জীৱন ধাৰণ কৰোঁতে ৰাজ্যখনৰ মানুহ নানা ধৰণৰ ৰোগত আক্ৰান্ত হ'বলগীয়া হৈছিল। পুষ্টিহীনতাৰ বাবেও বিভিন্ন বেমাৰ-আজাৰত বহু লোকৰ মৃত্যু হৈছিল।

অসম নদ-নদী, পাহাৰ-পৰ্বত আৰু হাবি-বননিৰে ভৰা। মে মাহৰপৰা

অক্টোবৰ মাহ পৰ্যন্ত অসমত প্ৰচুৰ বৰষুণ হয়। প্ৰাকৃতিক কাৰণত অসমৰ জলবায়ু সেমেকা বাবে পানীৰপৰা হোৱা কলেৰা, ডায়েৰিয়া, ডিছেন্ট্ৰি, টাইফইড, জণ্ডিচ আদি ৰোগৰ উপৰি মেলেৰিয়া, ক'লাজ্বৰ আৰু কৃমি ৰোগতো মানুহ সঘনে আক্ৰান্ত হৈছিল।

ইংৰাজে অসমৰ আৰ্থ-সামাজিক বিশেষকৈ স্বাস্থ্যখণ্ডৰ উন্নতিৰ প্ৰতি লক্ষ্য ৰাখি জৰীপ চলাইছিল। সেই সময়ৰ ভাৰত চৰকাৰৰ পৰিসংখ্যা বিভাগৰ সঞ্চালক প্ৰধান ডব্লিউ ডব্লিউ হাণ্টাৰে লিখা আৰু ১৮৭৮ চনত প্ৰথম প্ৰকাশ হোৱা *A Statistical Account of Assam* নামৰ কিতাপখনত অসমৰ জনস্বাস্থ্য আৰু চিকিৎসা সম্পৰ্কে বহুতো তথ্য পোৱা যায়। হাণ্টাৰে উল্লেখ কৰামতে ঊনবিংশ শতাব্দীৰ অসমত মেলেৰিয়া, কলেৰা, বৰ আই, ডায়েৰিয়া, ডিছেণ্ট্ৰি আৰু ক'লাজ্বৰ মহামাৰী ৰূপত হোৱাত বছৰি বহুত মানুহ মৰিছিল। এতদুপৰি কুষ্ঠ, গইটাৰ, কৃমি ৰোগ, প্লীহা বৃদ্ধি, বাতবিষ, শোথ, শ্লীপদ আদি ৰোগত বছৰি বহুত লোক আক্ৰান্ত হৈছিল। সেইসময়ত অৰুণাচল, মেঘালয়, নাগালেণ্ড, মিজোৰাম আৰু পূৰ্ববঙ্গৰ ছিলেট অসমৰ অন্তৰ্গত আছিল। ব্ৰহ্মপুত্ৰ আৰু সুৰমা উপত্যকা অঞ্চল বানাক্ৰান্ত হোৱা বাবে এই অঞ্চলত মে' মাহৰপৰা অক্টোবৰ মাহলৈকে কলেৰা, ডায়েৰিয়া, ডিছেণ্ট্ৰি, ক'লাজ্বৰ, টাইফইড, প্লেগ আৰু মেলেৰিয়া ৰোগ মহামাৰীৰূপে দেখা দিছিল। মেলেৰিয়া আৰু কলাজ্বৰত আক্ৰান্ত ব্যক্তিৰ প্ৰায়েই প্লীহা বৃদ্ধি হৈছিল। সেমেকা জলবায়ুৰ কাৰণে শিশুসকল কৃমি ৰোগত অধিক আক্ৰান্ত হৈছিল। পাহাৰীয়া সীমান্তৱৰ্তী অঞ্চল বিশেষকৈ গোৱালপাৰা আৰু গাৰো পাহাৰ জিলাৰ সীমান্তৱৰ্তী অঞ্চল, মঙ্গলদৈৰ উত্তৰাঞ্চল, কাৰ্বিআংলং জিলা, নগাঁও আৰু শিৱসাগৰ জিলাত কুষ্ঠৰোগ বেছিকৈ হৈছিল। মঙ্গলদৈ, নগাঁও আৰু শিৱসাগৰ জিলাত বহুত লোক গইটাৰ ৰোগত আক্ৰান্ত হৈছিল। ১৮৬৫ চনত মঙ্গলদৈ অঞ্চলত কেৱল কলেৰা ৰোগত মুঠ জনসংখ্যাৰ প্ৰায় ৪ শতাংশ মানুহৰ মৃত্যু হয়। নগাঁও জিলাৰ চিভিল চাৰ্জনৰ মতে ১৮৬৬, ১৮৬৯ আৰু ১৮৭৪ চনত মহামাৰীৰূপত হোৱা কলেৰাত নগাঁও জিলাত কেবা হেজাৰ লোকৰ মৃত্যু হয়। এই কলেৰা পূৰ্ব বঙ্গৰ (বৰ্তমানৰ বাংলাদেশৰ) সীমান্তৱৰ্তী অঞ্চলৰপৰা বিস্তাৰিত হৈ নগাঁও জিলাত বিয়পি পৰিছিল। ১৮৩৭ চনত প্ৰকাশ হোৱা জন মেক'ছ (John M'Cosh)ৰ *Topogruphy of Assam* কিতাপত উল্লেখ কৰামতে অসমত প্লেগ, মেলেৰিয়া, ক'লাজ্বৰ বেছিকৈ হৈছিল। ১৮৩৪ চনৰ মে-জুন মাহত গোৱালপাৰা, গুৱাহাটী আৰু শোণিতপুৰ জিলাৰ নদুৱাৰ অঞ্চলত হোৱা কলেৰা ৰোগত বহুত মানুহ মৰিছিল। গাৰো পাহাৰ জিলাত মেলেৰিয়াৰ উপৰি গোধা আৰু হাওঁফাওঁৰ ৰোগ বেছিকৈ হৈছিল। ছিলেট, কাছাৰ, মঙ্গলদৈ আৰু খাছীয়া পাহাৰ জিলাত বৰ আই বেছিকৈ হৈছিল।

ইংৰাজসকলে অসমলৈ অহাৰ সময়ত ওজা, কবিৰাজ আৰু বেজসকলৰ চিকিৎসাৰ ওপৰত সকলোৱে নিৰ্ভৰ কৰিছিল। অধিকসংখ্যক কবিৰাজ বা বৈদ্য



ব্ৰাহ্মণ আছিল। তেওঁলোকে ঘৰতে তৈয়াৰ কৰা আয়ুৰ্বেদিক ঔষধৰ বড়ি, ৰস, ক্বাথ, কল্ক, চূৰ্ণ, স্নেহপাক আদি বস্তু ৰোগ অনুযায়ী প্ৰয়োগ কৰিছিল। এতদুপৰি সৰ্বসাধাৰণ মানুহেও পৰম্পৰাগত লোকবিজ্ঞানৰ ভিত্তিত বনৌষধি ব্যৱহাৰ কৰিছিল।

অসমত উদ্ভিদী হৈ থকা ঔষধি গছ-লতাৰপৰা ঔষধ তৈয়াৰ কৰিছিল। গুলঞ্চ, নাগকেশৰ (নাহৰ), ডিমৰু, তুলসী, ঘৃতকুমাৰী, শতমূল, মদাৰ, এৰা, আম, পলাশ, সোণাৰু, শিলিখা, আমলখি, চজিনা, কুপিলো, ধঁতুৰা, সিজু, আকণ, হালধি, আদা, মানিমুনি, ব্ৰাহ্মী, দুপৰীয়া টেঙা, মুষ্টক, কুটজ, বচ, ডালিম, নিম, বেল, গমাৰি, মাখিয়তী, দন্তী, জয়ন্তী, বাহাকা, পচতীয়া, অৰ্জুন, তিতাভেকুৰী, সোণবড়িয়াল, বিশল্যকৰণী, হাড়জোৰা, দুবৰিবন, থেকেৰা, মিচিমি তিতা, সৰ্পগন্ধা, মছন্দৰী, ভৃঙ্গৰাজ, পুনৰ্ণবা, জালুক, পিপলি, জাইফল, চিৰতা, ছাল-মুগৰা, শুকলতি, ভেদাইলতা, বিড়ঙ্গ, কচু, বকুল, খদিৰ আদি বহুত গছ-লতা ঔষধ হিচাপে ব্যৱহাৰ কৰিছিল। হৰিণাৰ শিঙৰ ভস্ম, ফিট্‌কিৰী, হিং, গন্ধক, সৈন্ধৱ লৱণ, কৰ্পূৰ আদি ব্যৱহাৰ কৰিছিল। উল্লেখযোগ্য যে হাণ্টাৰে লিখা *A Statistical Account of Assam* কিতাপখনত বহুতো ঔষধি গছ আৰু লতাৰ নাম আৰু ব্যৱহাৰ সম্পৰ্কে উল্লেখ কৰাৰ উপৰি কিছুমান আয়ুৰ্বেদিক যৌগ ঔষধৰো নামোল্লেখ কৰিছে।

১ জ্বৰ হ'লে হিং, মুঠা, ৰবাক্ষ, পিপলি, লং, জালুকৰ গুৰি, আদা ৰস অথবা নেমু ৰসৰ লগত খাবলৈ দিছিল।

২ ডায়েৰিয়া হ'লে কৰ্পূৰ, কুটজ (ইন্দ্ৰযৱ), আহিফেন, জাইফল আৰু বেল গুৰি কৰি খাইছিল।

৩ প্লীহা বৃদ্ধি হ'লে আদা, পিপলিৰ শিপা, জলকীয়া, সৈন্ধৱ লৱণ আদিৰে প্ৰস্তুত কৰা বড়ি সেৱন কৰিছিল।

৪ কুষ্ঠ ৰোগক্ৰান্ত ব্যক্তিক নিমছাল, হৰীতকী (শিলিখা), আমলখি, আদা, অশ্বগন্ধা, অৰ্জুন, চিৰতা গুৰি কৰি খাবলৈ দিয়া হৈছিল।

আয়ুৰ্বেদিক চিকিৎসাত জলৌকাৰ বা জোকৰো ব্যৱহাৰ কৰা হৈছিল। কাঠ আচিনা, শামুকীয়া, পুৰণি ঘাঁ আৰু ৰক্ত দূষণ ৰোগত শোধিত জলৌকাৰ লগতে ঔষধি দৰবেৰে চিকিৎসা কৰা হৈছিল। ৰোগাক্ৰান্ত স্থান ভালদৰে পৰিষ্কাৰ কৰি তাত জোকৰ মুখ লগাই দিয়া হৈছিল। জোকে বিষাক্ত তেজ শুহি লোৱাৰ পিছত সেই ৰোগৰ উপশম হৈছিল। অসমতো অভিজ্ঞ কবিৰাজ আৰু বৈদ্যসকলে এই জলৌকা ব্যৱহাৰ কৰি চিকিৎসা কৰিছিল। মেক'ছৰ *Topography of Assam* কিতাপখনত কোৱা হৈছে যে ১৮৩৭ চনত ঔষধিগুণবিশিষ্ট এশ জোকৰ দাম আছিল এটকা।

অসমত পৰম্পৰাগতভাৱে সাধাৰণ মানুহে কিছুমান আয়ুৰ্বেদিক ঔষধ ব্যৱহাৰ কৰি বহুত ৰোগৰপৰা মুক্ত হৈছিল। নাকৰপৰা তেজ ওলালে দোৰোণ অথবা দুবৰি বনৰ ৰস নাকত কেইফোটামান দিলেই তেজ ওলোৱা বন্ধ হৈছিল। অৰ্শ অথবা তিৰোতা মানুহৰ ৰক্তস্ৰাৱ বেছি হ'লে দুবৰিবনৰ ৰস, ৰঙা জবাফুলৰ

ৰস, চাঙেৰী টেঙাৰ ৰস, অশোক চালৰ ক্বাথ এতোলা পৰিমাণে খাই ৰক্তস্ৰাৱ বন্ধ কৰিছিল। চৰ্দি-জ্বৰ হ'লে পিপলি, জালুক, লং, যষ্ঠিমধু, তেজপাত, ৰবাক্ষ, হিং আদি গুৰি কৰি সমপৰিমাণে মিলাই দুই ৰতিকৈ খাইছিল। কাহ হ'লে বাহক পাতৰ ৰস, কণ্টকাৰী ৰস, সোমলতা ৰস, তুলসী পাতৰ ৰস উতলাই লৈ পান কৰিছিল।

প্ৰসৱৰ পিছত হোৱা উপসৰ্গ উপশমৰ কাৰণে শুকলতি আৰু ভেদাইলতা পাতৰ ৰসৰ লগত পিপলি আৰু জালুক মিহলাই খাইছিল। বাতবিষ হ'লে সোণ বড়িয়াল, পচতীয়া, অশ্বগন্ধা, ভাতঘিলাৰ বাকলি সিজাই ৰস (ক্বাথ) উলিয়াই চাৰি তোলা পৰিমাণে খোৱাৰ উপৰি শিহ তেলেৰে মালিচ কৰিছিল। যিকোনো ধৰণৰ মোচোকা খোৱা ৰোগত কেঁচা হালধি পিহি ভালদৰে লেপন দি ধঁতুৰা পাতেৰে মেৰিয়াই বান্ধি ৰাখিলে কেইদিনমানৰ পিছতে বিষ আৰু উখহা কমি যায়। মানুহে এনেবিধ চিকিৎসা আগতে কৰিছিল আৰু এতিয়াও কৰে। মেলেৰিয়া ৰোগত শেৱালী গছৰ পাতৰ ৰস, মিচিমি তিতা ৰস, নিমপাতৰ ৰস, চতিয়না গছৰ বাকলিৰ ক্বাথ খালে মেলেৰিয়া ভাল হয়। এতদুপৰি মেলেৰিয়া ৰোগীয়ে তিতাফুল, নিমপাত আৰু শেৱালী পাত ভাজি খোৱাৰ ৰীতি প্ৰচলিত আছে। ডায়েৰিয়া আৰু ডিছেণ্ট্ৰি হ'লে বেল, কুটজ ছালৰ ক্বাথৰ লগত কৰ্পূৰ মিহলাই খোৱা হয়। জাইফল, কৰ্পূৰ, অহিফেন, ইন্দ্ৰয়ৱ গুটি (কুটজ), গৃহধুম (এলান্ধু) গুৰি কৰি তৈয়াৰ কৰা বড়ি দুই ৰতিকৈ খাইছিল। তাৰোপৰি ডায়েৰিয়া আৰু ডিছেণ্ট্ৰি হোৱা ৰোগীয়ে মছন্দৰী কলপাতত দি সিজাই খাইছিল, পকা ভীমকল বা সিজোৱা কাচকল খাইছিল। কৃমি আৰু পেলু নিবাময়ৰ বাবে বিড়ঙ্গ আৰু কম্পিলক গুটিৰ চূৰ্ণ দুই ৰতি পৰিমাণে মদাৰ পাতৰ ৰসৰ লগত খাইছিল। যকৃত বৃদ্ধিৰ বাবে ঘৃতকুমাৰীৰ ৰস, চিৰতা ক্বাথ, বাহক ৰস, ওলকচু আদি খাইছিল। যকৃত বৃদ্ধিৰ কাৰণে ছাগলী গাখীৰৰ লগত এলাই জাৰৰী আৰু দেৱাচালী গছৰ বাকলিৰ ৰস মিহলাই খাইছিল। এলোপেথি চিকিৎসা-ব্যৱস্থাৰ অপ্ৰতিহত অগ্ৰগতিৰ দিনতো এনে চিকিৎসা-ব্যৱস্থা এতিয়াও চলি আছে।

মহামাৰীত একোটা অঞ্চল আক্ৰান্ত হ'লে সেই গাঁৱৰ মানুহে বেলেগ স্থানলৈ গৈ নতুনকৈ গাঁও পাতি বসতি স্থাপন কৰিছিল। পিছলৈ পুৰণি গাঁওবোৰ এৰাবাৰীত পৰিণত হৈছিল। মহামাৰীৰপৰা ৰক্ষা পাবলৈ দেৱ-দেৱীৰ পূজা-পাৰ্বণ কৰিছিল। ঠাইবিশেষে ৰোগীয়ে ব্যৱহাৰ কৰা কাপোৰ পুৰিছিল আৰু মলমূত্ৰ মাটিত পুতিছিল। নিতৌ সন্ধিয়াপৰত বিহলঙনী, নিমপাত আৰু অগৰা পাতেৰে ধোঁৱাজাক দিছিল। বসন্ত কালত আই নোলাবৰ কাৰণে দুৱাৰমুখত নিমপাত মুঠি বান্ধি ওলোমাই ৰাখিছিল। শুকান মাছ খালে মেলেৰিয়া নহয় বুলি এটি পুৰণি প্ৰবাদ পাহাৰীয়া জিলাকেইখনত চলি আছিল।

১৯৪৭ চনত দেশ স্বাধীন হোৱাত গোপীনাথ বৰদলৈ অসমৰ প্ৰথম মুখ্যমন্ত্ৰী হয়। তেওঁৰ প্ৰচেষ্টাত ১৯৪৮ চনৰ ২০ ডিচেম্বৰ তাৰিখে চানমাৰিত অসমৰ একমাত্ৰ আয়ুৰ্বেদিক মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা হয়। পিছলৈ এই মহাবিদ্যালয় জালুকবাৰীলৈ স্থানান্তৰিত হয়। জগদীশচন্দ্ৰ ভট্টাচাৰ্য আয়ুৰ্বেদিক মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আছিল। প্ৰথম অৱস্থাত ব'ৰ্ড অৱ আয়ুৰ্বেদিক মেডিচিনৰ অধীনত চাৰি বছৰীয়া ডি এ এম এছ (Diploma of Ayurvedic Medicine and Surgery) পাঠ্যক্ৰম আছিল। ১৯৭০ চনত লোকসভা আৰু ৰাজ্যসভাত গৃহীত হোৱা আই এম চি চি আইন (Indian Medicine Central Council Act) অনুযায়ী কেন্দ্ৰীয় চৰকাৰে চেণ্ট্ৰেল কাউন্সিল অৱ ইণ্ডিয়ান মেডিচিন (CCIM) গঠন কৰে। চি চি আই এম-এ সমগ্ৰ দেশত থকা ডিপ্ল'মা পাঠ্যক্ৰম বন্ধ কৰি বি এ এম এচ (Bachelor of Ayurvedic Medicine and Surgery) পাঠ্যক্ৰম আৰম্ভ কৰে। ১৯৭৬ চনত ২৫খন আসনৰে চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত চাৰে-পাঁচ বছৰীয়া ডিগ্ৰী পাঠ্যক্ৰম আৰম্ভ কৰে। উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাত প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰছাত্ৰীয়ে আয়ুৰ্বেদিক মহাবিদ্যালয়ত নামভৰ্তি কৰিব পাৰে। বৰ্তমান ডিগ্ৰী পাঠ্যক্ৰমত আসনৰ সংখ্যা পঞ্চাছখন আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমৰ ছটা বিভাগত আসনৰ সংখ্যা ২৪খন। বৰ্তমান ৩০০খন বিছনাযুক্ত এখন পূৰ্ণাঙ্গ পৰ্যায়ৰ চিকিৎসালয় আছে। ১৯৮৩ চনত আয়ুৰ্বেদিক মহাবিদ্যালয়ৰপৰা প্ৰথমচাম ছাত্ৰছাত্ৰী ডিগ্ৰী পাঠ্যক্ৰম উত্তীৰ্ণ হয় আৰু চিকিৎসকৰূপে ওলায়। আয়ুৰ্বেদিক মহাবিদ্যালয়ত এখন উন্নতমানৰ উদ্ভিদ-উদ্যান আৰু ৰসশালা আছে। ৰসশালাত প্ৰয়োজনীয় বহুতো ঔষধ প্ৰস্তুত কৰি ৰোগীসকলক বিনামূলীয়াকৈ যোগান ধৰা হয়। তদুপৰি ৰসশালাত আয়ুৰ্বেদিক ঔষধ শাস্ত্ৰীয় পদ্ধতিমতে তৈয়াৰ কৰাৰ ব্যৱহাৰিক জ্ঞান ছাত্ৰছাত্ৰীক দিয়া হয়।



উত্তৰ-পূৰ্বাঞ্চল ঔষধি গছ-লতাৰে ভৰপূৰ বাবে যোৱা ১৯৭০ৰ দশকটোতে কেন্দ্ৰীয় চৰকাৰে মহাবিদ্যালয়খনৰ চৌহদত এটা আঞ্চলিক গৱেষণা কেন্দ্ৰ পাতে আৰু তাৰপৰা ভেষজদ্ৰব্য সংগ্ৰহ কৰি বহিঃৰাজ্যলৈ গৱেষণাৰ বাবে প্ৰেৰণ কৰিবলৈ লয়। এতিয়াও সেই ধাৰা অব্যাহত আছে। গৱেষণা কেন্দ্ৰটোক এটা পূৰ্ণাঙ্গ পৰ্যায়ৰ অত্যাধুনিক গৱেষণাগাৰলৈ উন্নীত কৰিব লাগে বুলি সচেতন মহলৰপৰা দাবী উত্থাপিত হৈছে।

২০১২ চনত মহাবিদ্যালয় চৌহদত এটা অত্যাধুনিক পূৰ্ণাঙ্গ পৰ্যায়ৰ ঔষধ পৰীক্ষাগাৰ (Drugs Testing Laboratory) স্থাপন কৰা হয়। ইয়াৰ লক্ষ্য হ'ল অসম তথা উত্তৰ-পূৰ্বাঞ্চলত বিক্ৰি হৈ থকা ভেজাল আৰু নিম্নমানৰ আয়ুৰ্বেদিক ঔষধৰ বেহা ৰোধ কৰা।

আয়ুৰ্বেদিক মহাবিদ্যালয় ছাত্ৰসন্থা আৰু চিকিৎসক সন্থাই বহুবছৰ ধৰি পৃথক আয়ুৰ্বেদিক সঞ্চালক নিযুক্তিৰ বাবে দাবী জনাই আহিছে। ইতিমধ্যে ২০১২ চনত অসম চৰকাৰে এজন পূৰ্ণকালীন আয়ুৰ্বেদিক সঞ্চালক নিযুক্তি দিয়ে। পৃথক আয়ুৰ্বেদিক সঞ্চালক নিযুক্তিৰ জৰিয়তে অসমত এই চিকিৎসা পদ্ধতিৰ উন্নতি ক্ষিপ্ৰতৰ কৰি তোলাটোৱেই চৰকাৰৰ লক্ষ্য। নৰেন্দ্ৰ মোদীয়ে আয়ুৰ্বেদিক তথা ভাৰতীয় অন্যান্য চিকিৎসা পদ্ধতিৰ আমূল পৰিৱৰ্তনৰ বাবে ভালেমান আঁচনি

গ্ৰহণ কৰিছে। ইতিমধ্যে কেন্দ্ৰত আয়ুস (AYUSH) বিভাগ চোৱা-চিতা কৰাৰ বাবে এজন ৰাজ্যিক পৰ্যায়ৰ মন্ত্ৰী নিযুক্তি দিছে। উল্লেখনীয় যে AYUSH এটা acronym। ইয়াৰ 'A' মানে Ayurved, 'Y' মানে 'Yoga', 'U' মানে 'Unani', 'S' মানে 'Siddhi' আৰু 'H' মানে 'Homoeopathy'। কেন্দ্ৰীয় চৰকাৰৰ আয়ুস্ অভিযান যদি সফল হয় তেন্তে আয়ুৰ্বেদো নিঃসন্দেহে অধিক জনপ্ৰিয় আৰু সবল হৈ উঠিব। অন্যান্য ৰাজ্যৰ লগত অসমতো AYUSH Missionৰ কাম আৰম্ভ কৰা হৈছে। ইতিমধ্যে অসমৰ কেবাজনো চিকিৎসকক ক্ষাৰকৰ্ম আৰু পঞ্চকৰ্মৰ উচ্চ প্ৰশিক্ষণ দিয়াই অনা হৈছে। বিগত তিনিটা দশকত অসমত আয়ুৰ্বেদিক চিকিৎসাৰ চকুত পৰা ধৰণৰ অগ্ৰগতি হৈছে।

উত্তৰ-পূৰ্বাঞ্চল ঔষধি গছ-লতাৰে ভৰপূৰ বাবে যোৱা ১৯৭০ৰ দশকটোতে কেন্দ্ৰীয় চৰকাৰে মহাবিদ্যালয়খনৰ চৌহদত এটা আঞ্চলিক গৱেষণা কেন্দ্ৰ পাতে আৰু তাৰপৰা ভেষজ দ্ৰব্য সংগ্ৰহ কৰি বহিঃৰাজ্যলৈ গৱেষণাৰ বাবে প্ৰেৰণ কৰিবলৈ লয়। এতিয়াও সেই ধাৰা অব্যাহত আছে। এনেস্থলত গৱেষণা কেন্দ্ৰটোক এটা পূৰ্ণাঙ্গ পৰ্যায়ৰ অত্যাধুনিক গৱেষণাগাৰলৈ উন্নীত কৰিব লাগে বুলি সচেতন মহলৰপৰা দাবী উত্থাপিত হৈছে।

২০১২ চনত মহাবিদ্যালয় চৌহদত এটা অত্যাধুনিক পূৰ্ণাঙ্গ পৰ্যায়ৰ ঔষধ পৰীক্ষাগাৰ (Drugs Testing Laboratory) স্থাপন কৰা হয়। ইয়াৰ লক্ষ্য হ'ল অসম তথা উত্তৰ-পূৰ্বাঞ্চলত বিক্ৰি হৈ থকা ভেজাল আৰু নিম্নমানৰ আয়ুৰ্বেদিক ঔষধৰ বেহা ৰোধ কৰা।

১৯৮৩ চনৰপৰা ১৯৮৭ চনলৈকে উত্তীৰ্ণ হোৱা আয়ুৰ্বেদিক স্নাতক চিকিৎসকসকলক স্থায়ী পদত নিযুক্তিৰ বাবে অসম লোকসেৱা আয়োগে ১৯৮৮ চনত এটি পৰীক্ষা পাতে। সেই বছৰতেই ৰাজপত্ৰিত বিষয়া পদমৰ্যাদাৰে আয়ুৰ্বেদিক চিকিৎসকসকলক নিযুক্তি দিয়ে। ২০১৫ চনত অসমত কৰ্মৰত ৮৭৩জন আয়ুৰ্বেদিক চিকিৎসক আছে। ইয়াৰে চৰকাৰী চিকিৎসক ৪১১জন আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত থকা চিকিৎসক ৪৬২জন। অসমৰ বিভিন্ন চৰকাৰী চিকিৎসালয়ত কৰ্মৰত আয়ুৰ্বেদিক চিকিৎসকসকলে এলোপেথিক চিকিৎসকসকলৰ সমান গুৰুত্ব লাভ কৰে। চলিত ২০১৫ চনত প্ৰায় শতাধিক চিকিৎসালয়ত আয়ুৰ্বেদিক চিকিৎসকে ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়াৰ দায়িত্ব পালন কৰি আছে। ৰোগী চোৱাৰ উপৰি ৰাষ্ট্ৰীয় আঁচনিসমূহ ৰূপায়ণৰ ক্ষেত্ৰতো তেওঁলোকে দায়িত্ব পালনৰ সুবিধা পায়। এলোপেথিক আৰু আয়ুৰ্বেদিক চিকিৎসকসকলক একেলগে আৰু সমগুৰুত্বৰে প্ৰশিক্ষণ দিয়া হয়।

আয়ুৰ্বেদিক চিকিৎসকসকলে জৰুৰী সেৱা, দুৰ্যোগ ব্যৱস্থাপনা, প্ৰসূতিৰ চিকিৎসা আৰু প্ৰসৱ কৰোৱা মেডিকোলিগেল, প্ৰয়োজনীয় অস্ত্ৰোপচাৰ, ক্ষাৰকৰ্ম, পঞ্চকৰ্ম আদি কৰিব লাগে। আয়ুৰ্বেদিক চিকিৎসকসকলে এইবোৰৰ উপৰি ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অন্তৰ্গত এইড্ছ, ডটছ্, বাহক ৰোগ নিৰ্মূলকৰণ, স্কুল হেল্‌থ,



পালছ প'লিঅ' প্ৰতিষেধক আঁচনি, কুষ্ঠ নিৰ্মূলকৰণ আঁচনি, পৰিয়াল পৰিকল্পনা আৰু জননী সুৰক্ষা যোজনাৰ দৰে গুৰুত্বপূৰ্ণ আঁচনি ৰূপায়ণত অংশগ্ৰহণ কৰিব লাগে।

আয়ুৰ্বেদিক ঔষধ বুলিলে সাধাৰণ মানুহে কেৱল গছ-লতাৰপৰা তৈয়াৰ কৰা ঔষধ বুলি ভাবে। দৰাচলতে আয়ুৰ্বেদত গছ-লতা, জীৱ-জন্তুৰ অঙ্গ আদি ব্যৱহাৰ কৰাৰ উপৰি খনিজ আৰু ধাতৱ পদাৰ্থ ব্যৱহাৰ হয়। সোণ, ৰূপ, তাম, কাঁহ, দস্তা, সীহ, লোহা, পাৰা, গন্ধক, আৰ্চেনিক, শিলাজিৎ, মুক্তা, প্ৰৱাল, শঙ্খ ইত্যাদি পদাৰ্থ শাস্ত্ৰীয় প্ৰথানুযায়ী শোধন কৰি লোৱা হয়। পিছত ভস্ম, পৰ্পটি আৰু বড়ী হিচাপে ব্যৱহাৰ কৰা হয়। শোধন কৰি তৈয়াৰ কৰা হোৱা কাৰণে আয়ুৰ্বেদিক ঔষধৰ পাৰ্শ্বক্ৰিয়া নাই।

ভগন্দৰ, অৰ্শ, কিডনিৰ ষ্টʼন, এনলাৰ্জড, প্ৰষ্ট্ৰেট, নানা প্ৰকাৰ টিউমাৰ, চিষ্ট, স্পণ্ডিলাইটিছ, নেজেল পলিপাচ, জৰায়ুৰ স্থানচ্যুতি আদি ৰোগ বিনা অস্ত্ৰোপচাৰে কেৱল আয়ুৰ্বেদিক ঔষধৰদ্বাৰা আৰোগ্য হয়। এই ৰোগ অস্ত্ৰোপচাৰ কৰিলেও সম্পূৰ্ণ সফল নহয়। কিড্‌নিৰ নানা ৰোগ, যকৃৎৰোগ, স্ত্ৰীৰোগ, হৃদৰোগ, উচ্চ ৰক্তচাপ, পেৰালিছিছ, সন্তানহীনতা আদি শাৰীৰিক সমস্যাৰ ফলপ্ৰসূ চিকিৎসা আয়ুৰ্বেদত আছে। সেয়েহে বিগত তিনিটা দশকত আয়ুৰ্বেদিক চিকিৎসাৰ প্ৰতি জনসাধাৰণ অধিক আকৰ্ষিত হৈছে।

# যৌগিক চিকিৎসা আৰু অসম

অৰুণকুমাৰ তালুকদাৰ

যৌগিক চিকিৎসা-পদ্ধতি পৃথিৱীৰ অন্যতম প্ৰাচীন চিকিৎসা-পদ্ধতি। প্ৰাচীন ভাৰতীয় ঋষি-মুনিসকল যোগ-শাস্ত্ৰ তথা যৌগিক চিকিৎসা পদ্ধতিৰ আবিষ্কাৰক। যোগৰ বিভিন্ন ধাৰাৰ ভিতৰত হঠযোগ অন্যতম। হঠযোগে মানৱ-শৰীৰৰ ত্ৰুটি-বিচ্যুতিবোৰ সংশোধন কৰি অন্যান্য উচ্চাঙ্গ যোগচৰ্চাৰ বাবে শৰীৰটোক উপযোগী কৰি তোলে।

হঠযোগৰ যৌগিক ক্ৰিয়াবোৰ প্ৰতিষেধকধৰ্মী। এইবোৰৰ নিয়মীয়া অনুশীলনৰ ফলত দেহত ৰোগবিহ থাকিব নোৱাৰে আৰু বাহিৰৰপৰা ৰোগ-বীজাণুৱে শৰীৰত প্ৰৱেশ কৰি শৰীৰৰ অনিষ্ট সাধন কৰিব নোৱাৰে।

যৌগিক চিকিৎসা পদ্ধতিৰ মাজত আছে আসন, মুদ্ৰা, প্ৰাণায়াম, ধৌতি, নেতি, বস্তি আদি বিভিন্ন ক্ৰিয়া। বিভিন্ন আসনৰ মাধ্যমেৰে শৰীৰৰ অস্থি, পেশী, সন্ধি ইত্যাদিৰ চিকিৎসা হয়। মুদ্ৰাই যাৱতীয় গ্ৰন্থিসমূহৰ দোষত্ৰুটি দূৰ কৰে। আনহাতে প্ৰাণায়ামে হাওঁফাওঁ আৰু হৃদ্‌পিণ্ডৰ দোষ-ত্ৰুটিবোৰৰ চিকিৎসাৰ উপৰি শৰীৰৰ এটি অতি প্ৰয়োজনীয় উপাদান অক্সিজেনৰ মাত্ৰা নিয়ন্ত্ৰণ কৰাৰ লগে লগে জীৱনীশক্তি বৃদ্ধি কৰে। হাওঁফাওঁৰ দুৰ্বলতাজনিত কাৰণত হোৱা চৰ্দি-কাহ, ইনফ্লুয়েঞ্জা, নিউমোনিয়া, প্লুৰিচি, যক্ষ্মা, টাইফয়েড, হাঁপানিৰ দৰে মাৰাত্মক ব্যাধিবোৰৰ প্ৰতিষেধক হ'ল প্ৰাণায়াম। স্নায়বিক দুৰ্বলতা আৰু এই দুৰ্বলতাৰপৰা হোৱা নানা ৰোগ-নিৰাময়ৰ আশ্চৰ্যজনক ক্ষমতা আছে প্ৰাণায়মৰ।

ৰোগ-নিৰাময়ৰ বাবে ধৌতি, বস্তিক্ৰিয়া তথা নেতিক্ৰিয়া আদিৰ অভাৱনীয় ক্ষমতা আছে।

যৌগিক পদ্ধতি হ'ল এলোপেথি-হোমিঅ'পেথি-আয়ুৰ্বেদীয় আদি বিভিন্ন চিকিৎসা পদ্ধতিৰ দৰে এক স্বতন্ত্ৰ চিকিৎসা পদ্ধতি। কোনো কোনো ক্ষেত্ৰত ই উল্লেখিত পদ্ধতিবোৰৰ পৰিপূৰক। এনেকুৱা কিছুমান ব্যাধি আছে, যিবোৰৰ ক্ষেত্ৰত এলোপেথিয়ে প্ৰায়ে ৰোগ-নিৰাময়েৰে শৰীৰিক সমস্যাৰ স্থায়ী সমাধান কৰিব নোৱাৰে, কিন্তু যৌগিক চিকিৎসাই সেইবোৰৰ ক্ষেত্ৰত আশ্চৰ্য ফল দিব পাৰে। যেনে — আমাশয়, ছাইনিচাইটিছ, ৰক্তচাপবৃদ্ধি, স্পণ্ডিলাইটিচ্‌, হাঁপানি, দৈহিক



স্থূলতা (obesity), নানাপ্ৰকাৰৰ বাতবিষ (rheumatic pain), কোষ্ঠকাঠিন্য, পক্ষাঘাত, ধাতুৰোগ, নানান স্ত্ৰীৰোগ ইত্যাদি। আকৌ কিছু ৰোগৰ চৰম পৰ্যায়ত, যেনে — একিউট এপেণ্ডিচাইটিছ, চি ভি এ, ফ্ৰেকচাৰ, কেন্সাৰ, থ্ৰম্বচিচ্‌, প্লুৰোচি আৰু আকস্মিক কিছু দুৰ্ঘটনাৰ ক্ষেত্ৰত এলোপেথিয়েই ফলদায়ক আৰু গ্ৰহণীয়; এইবোৰ ক্ষেত্ৰত যৌগিক পদ্ধতি প্ৰায় অসহায়।

যৌগিক পদ্ধতি অন্যতম প্ৰাচীন চিকিৎসা-পদ্ধতি হ'লেও জনসাধাৰণৰ মাজত বহুলভাৱে প্ৰচাৰিত হোৱা নাছিল। প্ৰধানতঃ গুৰু-পুৰোহিত আৰু অধ্যাত্মবাদীসকলৰ মাজতেই ই সীমাবদ্ধ আছিল। সঁচাকৈ ক'বলৈ হ'লে সেই সময়ত সৰ্বসাধাৰণক এই অমূল্য সম্পদৰপৰা বঞ্চিত কৰি ৰখা হৈছিল। ফলত যোগৰ আশ্চৰ্য ক্ষমতা সম্পৰ্কে মানুহ প্ৰায় অজ্ঞ হৈ আছিল। মুষ্টিমেয় কিছুসংখ্যক মানুহ যৌগিক চিকিৎসা-পদ্ধতিৰ অদ্ভুত গুণাগুণ সম্পৰ্কে সচেতন। অসমৰ যৌগিক চিকিৎসাৰ কেন্দ্ৰবোৰত সাধাৰণতে দেখা যায় যে কোনো ৰোগীয়েই ৰোগৰ প্ৰাৰম্ভত যোগ-চিকিৎসকৰ ওচৰলৈ নাহে। ৰোগৰ প্ৰাৰম্ভত যোগ-চিকিৎসকৰ ওচৰলৈ অহা ৰোগীৰ সংখ্যা অতি নগণ্য। বিপুল গৰিষ্ঠাংশ ৰোগীয়েই এলোপেথি বা অন্যান্য চিকিৎসা-পদ্ধতিত ৰোগৰ চিকিৎসা কৰি অকৃতকাৰ্য নাইবা হতাশ হৈ, এবাৰ ইয়াকো চেষ্টা কৰি চাওঁচোন বুলি যোগ-চিকিৎসা কেন্দ্ৰলৈ আহে। ফলত কিছুমান ক্ষেত্ৰত যৌগিক চিকিৎসা প্ৰায় অসহায় হৈ পৰে, কিয়নো ৫-১০ বছৰ ঘূৰি ঘূৰি আৰু বিভিন্ন প্ৰকাৰৰ চিকিৎসা কৰি আৰু দৰব-পাতি ব্যৱহাৰ কৰি, ৰোগক প্ৰায় দুৰাৰোগ্য কৰি পেলায়। অথচ সেই একেই ৰোগীক প্ৰথমাৱস্থাত পালে হয়তো যৌগিক পদ্ধতিৰে আৰোগ্য কৰিব পৰা গ'লহেতেন। অসমত এয়া অতি সাধাৰণ অভিজ্ঞতাৰ কথা।

ৰোগ-চিকিৎসাৰ এটা গুৰুত্বপূৰ্ণ উপাদান হ'ল ৰোগীৰ মানসিক প্ৰফুল্লতা। যৌগিক পদ্ধতিত যিবোৰ প্ৰাণায়াম, ধ্যান-ধাৰণা তথা ভাবনাৰ নিৰ্দেশ আছে সেইবোৰে ৰোগীক মানসিকভাৱে উৎফুল্লিত কৰি ৰাখিব পাৰে। হতাশাগ্ৰস্ত বা প্ৰতাৰিত বা প্ৰতিবন্ধী ৰোগীৰ ক্ষেত্ৰত মনৰ প্ৰফুল্লতাই ৰোগৰ উপশম বা নিৰাময়ত এক বিশেষ ভূমিকা পালন কৰে।

কিছুদিনৰ আগলৈকে যোগ আৰু যৌগিক ক্ৰিয়াদিৰ লগত জনসাধাৰণৰ খুব এটা ঘনিষ্ঠ সম্পৰ্ক নথকাৰ হেতুকে বহুতৰেই ধাৰণা আছিল যে যৌগিক চিকিৎসা নিশ্চয় খুব টান নাইবা কষ্টসাধ্য চিকিৎসা-পদ্ধতি। আকৌ যোগ যে এটা চিকিৎসা-পদ্ধতি, এয়াও বহুতৰে বাবে অকল্পনীয় আছিল। বহুতৰে ধাৰণা আছিল, যোগ এবিধ ব্যায়ামহে মাত্ৰ, ই আকৌ চিকিৎসা পদ্ধতি হ'ব কেনেকৈ! তেওঁলোকে নাজানিছিল যে হঠযোগ এক বিজ্ঞানসন্মত পূৰ্ণাঙ্গ চিকিৎসা-পদ্ধতি। ৰোগ-নিৰাময়ৰ বাবে ৰোগীক প্ৰায়ে কোনো যোগানুশীলনৰ প্ৰয়োজন নহয়। ৰোগীৰ আসনাদি নিৰ্বাচনৰ ক্ষেত্ৰত যোগ চিকিৎসকে ৰোগীৰ বয়স, লিঙ্গ, সামৰ্থ্য, অৱস্থা আদিৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিয়েই তেওঁৰ কাৰণে যথাযোগ্য প্ৰণালীবোৰ নিৰ্বাচন কৰে।

অসমৰ বিভিন্ন যোগ-চিকিৎসাকেন্দ্ৰৰ বাস্তৱ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি চিকিৎসকে ৰোগীক বিভিন্ন ধৰণৰ যোগানুশীলনৰ পৰামৰ্শ দি আহিছে। বৰ্তমান যুগত বিজ্ঞানৰ যিমানেই উন্নতি হৈছে, যৌগিক ক্ৰিয়াদিৰ প্ৰয়োজনীয়তাও সিমানেই বাঢ়ি গৈছে। কল-কাৰখানা, জনসংখ্যা-বৃদ্ধি, বৃক্ষচ্ছেদন ইত্যাদিৰ ফলত পৃথিৱীৰ আকাশ-বতাহ, জলাশয়, যিমানেই প্ৰদূষিত হৈছে, হোটেল-বাৰ-ৰেষ্টুৰেণ্টত নানা অস্বাস্থ্যকৰ তামসিক খাদ্যাদি গ্ৰহণ কৰি মানুহে যিমানেই নিজৰ অস্তিত্ব বিপন্ন কৰি তুলিছে, নিত্য-নতুন সমস্যাত জৰ্জৰিত হৈ যিমানেই মানসিক ভাৱসাম্য হেৰুৱাই পেলাইছে, ৰুগ্ণ দেহ-মন সুস্থ কৰি তুলিবলৈ যোগাভ্যাসৰ প্ৰয়োজনো সিমানেই বৃদ্ধি পাইছে। যোগৰ প্ৰতিষেধক গুণ অপৰিসীম। অন্যান্য চিকিৎসা-পদ্ধতিত ৰোগৰ আক্ৰমণৰ পাছতহে চিকিৎসাৰ ব্যৱস্থা আছে। কিন্তু যৌগিক পদ্ধতিত আগতীয়াকৈ ৰোগ-প্ৰতিৰোধ কৰি শৰীৰক দুৰ্ভেদ্য দুৰ্গত পৰিণত কৰি ৰখাৰ ব্যৱস্থা বিদ্যমান। মন কৰিবলগীয়া কথা, বিভিন্ন চৰকাৰী-বেচৰকাৰী শিক্ষানুষ্ঠান আৰু স্বেচ্ছাসেৱী অনুষ্ঠানৰ উদ্যোগত তথা কৰ্মকৰ্তাসকলে দ্ৰুত পৰিৱৰ্তনশীল সামাজিক আৰু পৰিৱেশগত পৰিস্থিতিত যোগানুশীলনক জনপ্ৰিয় কৰি তোলাত যত্নৱান হৈছে। প্ৰায়বোৰ বেচৰকাৰী শিক্ষানুষ্ঠানৰ কৰ্তৃপক্ষই ছাত্ৰসংখ্যা বৃদ্ধিৰ উদ্দেশ্য আগত ৰাখি অনুষ্ঠানবোৰত যোগানুশীলনৰ ব্যৱস্থা কৰিছে আৰু বিজ্ঞাপনৰ জৰিয়তে সেই কথা প্ৰচাৰো কৰিছে। তদুপৰি নামঘৰ, পূজাবাৰী, সাংস্কৃতিক-সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানবোৰতো সময়ে সময়ে যোগ-প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হোৱা দেখা গৈছে। কিন্তু প্ৰচাৰ যিমান হৈছে কাম হৈছে তাতকৈ বহুত কম।

যৌগিক ক্ৰিয়াবোৰ, বিশেষতঃ হঠযোগৰ ক্ৰিয়াবোৰ — *হঠযোগ প্ৰদীপিকা, ঘেৰণ্ড সংহিতা, শিৱ সংহিতা* আদি গ্ৰন্থত সন্নিৱিষ্ট আছিল। এইবোৰ অধিকাংশই সাধাৰণ মানুহৰ অনুশীলনৰ উপযোগী নাছিল। গতিকে সাধাৰণ মানুহে বুজি পোৱা ভাষাৰে গ্ৰন্থ-ৰচনাৰ প্ৰয়োজন অনুভূত হ'ল আৰু তেনে কিতাপ ৰচিত হ'বলৈ ধৰিছে।

ঔপনিৱেশিক শাসনকালৰ অন্তিম লগ্নত যৌগিক চিকিৎসা-পদ্ধতি নৱ উদ্যমেৰে প্ৰৱৰ্তিত হৈছিল অসমৰ গুৱাহাটীৰ উমাচল যোগাশ্ৰম চিকিৎসালয়ৰপৰা। ১৯২৯ চনত প্ৰতিষ্ঠিত এই যৌগিক চিকিৎসালয়খনেই ভাৰতৰ প্ৰথম যৌগিক চিকিৎসালয়। ইয়াৰ প্ৰতিষ্ঠাপক স্বামী শিৱানন্দ সৰস্বতী। তেওঁ ওৰেটো জীৱন যৌগিক চিকিৎসা-পদ্ধতিৰ বিষয়ত গৱেষণা কৰি গৈছে। তেওঁ বিভিন্ন প্ৰাচীন ভাৰতীয় শাস্ত্ৰত বৰ্ণিত বিভিন্ন আসন-মুদ্ৰা-প্ৰাণায়ামাদিৰ আধুনিকীকৰণ তথা সৰলীকৰণ কৰি সৰ্বসাধাৰণ মানুহৰ চৰ্চাৰ উপযোগী কৰি তুলিছে। বিশেষকৈ হঠযোগৰ জটিল তথা সাধাৰণ লোকে অনুশীলন কৰিব নোৱৰা ক্ৰিয়াবোৰক তেওঁ ৰোগাৰোগ্যৰ বাবে অতিকৈ ফলদায়ক কৰি প্ৰথমবাৰৰ বাবে সেইবোৰৰ প্ৰয়োগ-পদ্ধতিক এক পূৰ্ণাঙ্গ চিকিৎসা-পদ্ধতিলৈ ৰূপান্তৰিত কৰি ঔষধ ব্যৱহাৰ নকৰাকৈয়ো যে ৰোগৰপৰা হাত সাৰিব পাৰি তাকে প্ৰতীয়মান কৰিলে।



স্বামী শিৱানন্দ সৰস্বতীৰ নিৰলস কঠোৰ সাধনা, নিৰন্তৰ গৱেষণা আৰু পৰীক্ষা-নিৰীক্ষাৰ অন্তত তেওঁৰ এই গৱেষণালব্ধ তথ্য আৰু তত্ত্বৰ ভিত্তিত ইংৰাজী ১৯৪৮-৪৯ চনত বাংলা ভাষাত ৰচিত হ'ল *যোগবলে ৰোগাৰোগ্য* নামৰ এক অবিস্মৰণীয় গ্ৰন্থ। কিতাপখন প্ৰকাশৰ লগে লগে যোগ প্ৰক্ৰিয়া সম্বন্ধে দেশ জুৰি এক জাগৰণৰ সৃষ্টি হ'ল। বিশেষতঃ ইয়াৰ ইংৰাজী অনুবাদ *Yogic Therapy* প্ৰকাশ হোৱাৰ পিছত বহিৰ্ভাৰতত, বিশেষকৈ আমেৰিকা আৰু ৰাছিয়াকে ধৰি পাশ্চাত্যৰ বিভিন্ন দেশত, এক বৈপ্লৱিক জাগৰণৰ সৃষ্টি হ'ল। ফলত সেইবোৰ দেশৰপৰা স্বামীজীলৈ আমন্ত্ৰণ আহিবলৈ ধৰিলে।

ইংৰাজী অনুবাদৰ পাছত কিতাপখন স্পেনিছ আৰু হিন্দী ভাষাত অনূদিত হয়। পৰৱৰ্তী সময়ত অসমীয়া, মাৰাঠী আৰু তামিল ভাষাতো কিতাপখন অনূদিত হয়।

স্বাধীনতালাভৰ পিছত ভাৰত চৰকাৰে প্ৰাচীন ভাৰতীয় চিকিৎসা পদ্ধতিবোৰ পুনৰুদ্ধাৰৰ বাবে Central Council for Research in Indian Medicine & Homoepathy নামৰ এটি পৰিষদ গঠন কৰে। এই পৰিষদে বিশেষ কেইটামান চিকিৎসাপদ্ধতিক AYUSH নাম দি বিজ্ঞানভিত্তিক গৱেষণাৰে পুনঃ-প্ৰতিষ্ঠাৰ কাম হাতত লয়। পদ্ধতি কেইটা হ'ল: আয়ুৰ্বেদ (সংক্ষেপ A), যোগ (সংক্ষেপে Y), ইউনানি (সংক্ষেপে U), সিদ্ধি (সংক্ষেপে S) আৰু হোমিঅ'পেথি (সংক্ষেপে H)।

ভাৰত চৰকাৰৰ Ministry of Educationৰ তত্ত্বাৱধানত আৰু Yoga Evaluation Committeeৰ অনুমোদনক্ৰমে ১৯৭১ চনত উমাচল যোগাশ্ৰমে হাস্পতাল ভৱন নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰপৰা পোৱা আৰ্থিক অনুদানেৰে ৫০খন শয্যাবিশিষ্ট উমাচল যৌগিক হাস্পতাল নিৰ্মাণ কৰে। ইয়াৰ ঠিক পিছৰ বছৰত অৰ্থাৎ ১৯৭২ চনত Central Council for Research in Indian Medicine & Homoeopathyৰ অৰ্থানুকূল্যত যোগ-চিকিৎসাৰ ফলাফলৰ বিজ্ঞানভিত্তিক গৱেষণাৰ বাবে এটি গৱেষণাগাৰ নিৰ্মিত হয়।

উমাচল যোগাশ্ৰম হাস্পতাল প্ৰতিষ্ঠাৰ পাছত ১৯৫৪ চনত পশ্চিমবঙ্গৰ মেদিনীপুৰৰ মহাগ্ৰামত প্ৰতিষ্ঠিত হয় স্বামী শিৱানন্দ সৰস্বতীৰ দ্বিতীয়খন যৌগিক আশ্ৰম তথা আৱাসিক যোগ বিদ্যালয় আৰু চিকিৎসালয়। ইয়াৰ কিছু দিনৰ পাছত কলিকতাৰ বৰানগৰত স্থাপিত হয় শিৱানন্দ যোগাশ্ৰম আৰু যৌগিক হাস্পতাল। পৰৱৰ্তী সময়ত এই উমাচল যোগাশ্ৰম যোগ মহাবিদ্যালয়লৈ ৰূপান্তৰিত হয়।

১৯৭৮ চনত Central Council for Research in Indian Medicine and Homoeopathy চাৰিটা সুকীয়া সুকীয়া বিভাগৰ গৱেষণা তথা উন্নয়নৰ উদ্দেশ্যে চাৰিটা Councilত বিভক্ত হয়। Yoga and Naturopathyৰ বিষয় তদাৰকী কৰিবৰ কাৰণে Central Council for Research in Yoga & Naturopathy নামৰ এটি সুকীয়া Council গঠিত হয়। এই Councilৰ আৰ্থিক অনুদানেৰে বৰ্তমান ভাৰতবৰ্ষৰ প্ৰায় সকলো ৰাজ্যত যৌগিক চিকিৎসালয় সুকলমে

চলি আছে।

উত্তৰ-পূৰ্বাঞ্চলৰ অসম, মণিপুৰ, ত্ৰিপুৰা আদি ৰাজ্যৰ বিভিন্ন ঠাইত উমাচল যোগাশ্ৰমৰ অনুগামী তথা Councilৰ অৰ্থ সাহায্যত বহু যোগ-চিকিৎসা কেন্দ্ৰ চলি আছে।

গুৱাহাটী আৰু ইয়াৰ পাৰ্শ্ববৰ্তী বহু অঞ্চলত যোগ-চিকিৎসা কেন্দ্ৰ স্থাপিত হৈছে। গুৱাহাটীৰ মালিগাঁৱত ভাৰতীয় যোগ-চিকিৎসা আৰু যোগ-সংস্কৃতি কেন্দ্ৰ এটি উল্লেখযোগ্য অনুষ্ঠান। এই কেন্দ্ৰৰ তত্ত্বাৱধানত বৃহত্তৰ গুৱাহাটী তথা অসমৰ বিভিন্ন জিলাত যোগ-চিকিৎসা শিবিৰ তথা উপকেন্দ্ৰ স্থাপিত হৈছে। উমাচল যোগাশ্ৰম মহাবিদ্যালয়ৰ ছাত্ৰ এই লেখকে যোৱা ১৯৮৭ চনত যোগ ডিপ্লোমা কৰ্ষ সম্পূৰ্ণ কৰি নগাঁৱৰ ধিং চহৰত পূৰ্বাঞ্চল যোগ নিকেতন নামৰ ২০খন আসনযুক্ত এটি যৌগিক চিকিৎসালয় তথা প্ৰশিক্ষণকেন্দ্ৰ প্ৰতিষ্ঠা কৰিছে। ২০০০ চনত এই চিকিৎসালয় Central Councilৰপৰা অনুমোদন লাভ কৰে আৰু চৰকাৰী আৰ্থিক সাহায্যৰে আৱাসিক চিকিৎসাকেন্দ্ৰ আৰু প্ৰশিক্ষণ কেন্দ্ৰলৈ উন্নীত হয়। যোৱা ২৫ বছৰে এই প্ৰতিষ্ঠানৰপৰা শ শ ৰোগীয়ে ঔষধ ব্যৱহাৰ নকৰাকৈ কেৱল যোগ আৰু প্ৰাকৃতিক পদ্ধতিৰে আৰোগ্য লাভ কৰিছে।

উত্তৰ-পূৰ্বাঞ্চলৰ মণিপুৰ ৰাজ্যত Central Councilৰ আৰ্থিক সাহায্যপ্ৰাপ্ত আৰু এটি অনুষ্ঠান আছে। ২০খন শয্যাযুক্ত আনন্দ সিং যোগ আৰু প্ৰাকৃতিক চিকিৎসালয় নামৰ এই অনুষ্ঠানত চিকিৎসা আৰু প্ৰশিক্ষণৰ ব্যৱস্থা আছে।

ইয়াৰ উপৰি অসমৰ মঙ্গলদৈ চহৰত ৫খন শয্যাযুক্ত পশ্চিম মঙ্গলদৈ যৌগিক হাস্পতাল নামৰ এটি আৰু ত্ৰিপুৰা ৰাজ্যৰ আগৰতলাত আন এটি ৫খন শয্যাযুক্ত আনন্দ যোগ আৰু প্ৰাকৃতিক চিকিৎসা কেন্দ্ৰ নামৰ আন এটি অনুষ্ঠান চলি আছে।

বৰ্তমানে অসমৰ তিনিখনমান চিকিৎসা মহাবিদ্যালয়ত একো একোটাকৈ যোগ চিকিৎসা ইউনিট কৃতকাৰ্যতাৰে চলি আছে। গুৱাহাটী মেডিকেল কলেজত ১৯৮৭ চনত, ডিব্ৰুগড়ৰ অসম মেডিকেল কলেজত ১৯৯০ চনৰপৰা, শিলচৰত শিলচৰ মেডিকেল কলেজত যোৱা ১৯৯৪ চনৰপৰা আৰু শেহতীয়াকৈ গুৱাহাটীৰ মহেন্দ্ৰমোহন চিকিৎসালয়ত অসম চৰকাৰৰ মঞ্জুৰীকৃত একোটাকৈ যোগ-চিকিৎসা বিভাগ খোলা হৈছে। এই বিভাগসমূহৰ প্ৰতি ৰোগীৰ আগ্ৰহ দিনক দিনে বাঢ়ি গৈ থকা দেখা গৈছে। চৰকাৰী চিকিৎসালয়ত এই ধৰণৰ যোগ বিভাগ থকাটো দেশৰ ভিতৰত অসমতেই প্ৰথম। উল্লেখ্য যে অসম চৰকাৰে গুৱাহাটীৰ বাজ্জিক জেলৰ কয়দীসকলৰ মানসিক আৰু শাৰীৰিক স্বাস্থ্যৰ বিকাশ তথা উন্নয়নৰ অৰ্থে জেল চৌহদত এটা যৌগিক বিভাগ চলাই আছে।

শেহতীয়াকৈ ভাৰতবৰ্ষ তথা পৃথিৱীৰ বিভিন্ন দেশত যোগৰ আশ্চৰ্য ক্ষমতাৰ বিষয়ে এক নতুন দিগন্তৰ সূচনা কৰিছে স্বামী ৰামদেৱে। তেওঁৰদ্বাৰা প্ৰৱৰ্তিত যোগ আৰু আয়ুৰ্বেদৰ যুগল বন্ধনৰ প্ৰতি বিশ্ব জুৰি এক অভিনৱ সঁহাৰি দেখা



পোৱা গৈছে। প্ৰচাৰ মাধ্যম আৰু তেওঁৰ ব্যক্তিগত প্ৰচেষ্টাত বিশ্বৰ লক্ষ লক্ষ ৰোগী তথা সাধাৰণ মানুহ উল্লেখযোগ্যভাৱে উপকৃত হৈছে। অসমো ইয়াৰপৰা বাদ পৰা নাই।

Central Council for Research in Yoga and Naturopathyএ যোগ আৰু প্ৰাকৃতিক পদ্ধতিক একেটা ভেটিত প্ৰতিস্থাপন কৰি এই চিকিৎসা-পদ্ধতিক আৰু অধিক কাৰ্যক্ষম ও উপযোগী কৰি তুলিছে। বৰ্তমান এই পদ্ধতিয়ে বিশ্বত এক নৱ জাগৰণৰ সূচনা কৰিছে। এই পদ্ধতি সম্পূৰ্ণ বিজ্ঞানসন্মত। ইয়াৰ আন এক বৈশিষ্ট্য হ'ল এই যে ই প্ৰায় পাৰ্শ্ব-প্ৰতিক্ৰিয়াহীন এক চিকিৎসা-ব্যৱস্থা। শৰীৰৰ যাৱতীয় অঙ্গ-প্ৰত্যঙ্গ আৰু অন্তঃস্ৰাৱী গ্ৰন্থিক সক্ষম কৰি ৰাখি শৰীৰক আজীৱন নিৰোগ কৰি ৰাখিবলৈ ই সক্ষম। সুষম খাদ্য আৰু অনুকূল প্ৰাকৃতিক তথা সামাজিক পৰিৱেশ পালে যোগৰ এজন নিষ্ঠাবান অনুশীলনকাৰীৰ আজীৱন শাৰীৰিক আৰু মানসিকভাৱে সুস্থ হৈ থকাৰ পূৰ্ণ সম্ভাৱনা থাকে। গাঁৱে-ভূঞে, নগৰে-চহৰে, পাহাৰে-ভৈয়ামে, চৰে-চাপৰিয়ে এই বোধ সঞ্চাৰিত কৰিবৰ বাবে এতিয়াও বহু বাট বুলিব লাগিব।

## লক্ষীপ্ৰসাদ বৰঠাকুৰৰ সংযোজন

সাম্প্ৰতিক সময়ত জনসাধাৰণৰ পৰিৱৰ্তিত জীৱনশৈলী, অস্বাস্থ্যকৰ খাদ্যাভ্যাস আৰু প্ৰদূষিত পাৰিপাৰ্শ্বিকতাই মানুহৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত মানুহে হঠযোগৰ বিজ্ঞানসম্মত অঙ্গ, যেনে — আসন, মুদ্ৰা আদিৰ অভ্যাসৰদ্বাৰা ৰোগমুক্তি আৰু ৰোগ প্ৰতিৰোধৰ প্ৰতি অধিক আকৃষ্ট হোৱাৰ বাবেই, কামাখ্যাস্থিত পূৰ্বাঞ্চলৰ অগ্ৰণী যোগ অনুষ্ঠান উমাচল যোগ মহাবিদ্যালয় আৰু যৌগিক চিকিৎসালয়ৰ প্ৰতিষ্ঠাপক স্বামী শিৱানন্দ সৰস্বতীৰদ্বাৰা প্ৰচলিত পন্থাৰ বিষয়ে বহুল আলোচনা কৰা হ'ল। বৰ্তমান যুগৰ মানুহৰ শাৰীৰিক সামৰ্থ্য আৰু মানসিক স্থিতিৰ অনুকূল হঠযোগৰ প্ৰচলন সেয়ে বোধ হয় অধিক দেখিবলৈ পোৱা যায়। অসমো ইয়াৰপৰা পৃথক নহয়। অতীজৰপৰা অসমত ৰাজযোগৰ লগে লগে হঠযোগৰ প্ৰচলন হৈ আহিছে। বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক শ্ৰীশ্ৰীশঙ্কৰদেৱৰদ্বাৰা কৰা যোগাভ্যাস বোধ হয় ইয়াৰ এক শ্ৰেষ্ঠ উদাহৰণ হ'ব। ঐক্যভূমি অসমৰ হিন্দু আৰু ইছলাম ধৰ্মৰ সাধন পদ্ধতিৰ মাজেৰে হিন্দু-মুছলমান উভয়ে যোগাভ্যাস কৰি আহিছে।

বিগত দশকৰপৰা ভাৰতৰ লগতে অসমতো স্বামী ৰামদেৱে হঠযোগক এক অনন্য মাত্ৰা দিবলৈ সক্ষম হৈছে। বৰ্তমানৰ জনসাধাৰণৰ মানসিক স্থিতিৰ প্ৰতি লক্ষ্য ৰাখি স্বামী ৰামদেৱে অভ্যাস প্ৰণালীত সূক্ষ্ম ব্যায়াম, যৌগিক ব্যায়ামৰ লগতে আসন, মুদ্ৰা আদি সৰলীকৃত ৰূপত সন্নিৱিষ্ট কৰাৰ ফলত জনসাধাৰণ যোগৰ প্ৰতি অধিক আকৰ্ষিত হোৱা দেখা যায়। এতিয়ালৈকে অসমৰ বিভিন্ন স্থানত কুৰিৰো অধিক যোগ শিবিৰত ৰামদেৱে নিজে উপস্থিত থাকি অসমৰ

জনসাধাৰণক যোগচৰ্চাৰ প্ৰতি অনুপ্ৰাণিত কৰাৰ উপৰি তেওঁৰ অনুগামীসকলে অসমৰ বিভিন্ন স্থানত যোগ-কেন্দ্ৰ আৰু যোগ-শিবিৰ অনুষ্ঠিত কৰি এই ধাৰা অব্যাহত ৰাখিছে।

সেয়ে হ'লেও, কেৱল হঠযোগেই নহয়, ৰাজযোগৰ চৰ্চাও অসমত বহুদিনৰপৰাই চলি আহিছে। স্বামী বিৱেকানন্দৰ অনুগামীসকলে গুৱাহাটীৰ উজান বজাৰৰ ওচৰৰ ব্ৰহ্মপুত্ৰৰ পাৰত বিৱেকানন্দ কেন্দ্ৰ নামে এক সুন্দৰ অনুষ্ঠান গঢ় দি ইয়াৰ জৰিয়তে যোগশ্চিত্ত বৃত্তি নিৰোধ ভাবাদৰ্শৰে মানুহৰ মানসিক উৎকৰ্ষসাধনৰ উদ্দেশ্যে যোগচৰ্চা কৰি আহিছে। একেদৰে প্ৰজাপিতা ব্ৰহ্মাকুমাৰী নামৰ অনুষ্ঠানটোৱেও অসমত বিগত কেইবা দশকৰপৰা যোগচৰ্চাৰ মাধ্যমৰে জনসাধাৰণৰ মানসিক উৎকৰ্ষ সাধনৰদ্বাৰা মানুহৰ অন্তৰত ভ্ৰাতৃত্ববোধ জগাই সমাজত শান্তি প্ৰতিষ্ঠাৰ কামত ব্ৰতী হৈছে। অৱশ্যে, উপৰোক্ত দুয়োটা অনুষ্ঠানেই কেৱল ৰাজযোগৰ চৰ্চাতেই সীমাবদ্ধ নাথাকি, জনসাধাৰণৰ আগ্ৰহৰ প্ৰতি লক্ষ্য ৰাখি হঠযোগৰো কিছু কিছু চৰ্চা সন্নিৱিষ্ট কৰিছে।

আনহাতে অসমৰ বিভিন্ন বিদ্যালয়ত শৰীৰচৰ্চাক শিক্ষাৰ অঙ্গৰূপে স্বীকৃতি প্ৰদান কৰি ছাত্ৰছাত্ৰীৰ জৰিয়তে যোগচৰ্চাক সমাজলৈ আগুৱাই দিছে। যোগচৰ্চাৰ মাধ্যমৰে ছাত্ৰছাত্ৰীৰ মানসিক স্বাস্থ্যৰ উন্নতিৰ প্ৰতিও মন দিয়া হৈছে। অতি সম্প্ৰতি অসমৰ বিভিন্ন চিকিৎসালয়ত লঘু ব্যায়ামৰ লগতে যোগৰ কিছুমান ক্ৰিয়াক/আসনক সবলীকৃত কৰি ৰোগ নিৰাময়ৰ উদ্দেশ্যে অভ্যাস কৰোৱা দেখা যায়।

# অসমৰ পশুপালন আৰু পশুচিকিৎসা বিভাগ

ৰেজাউল কৰিম

অসম এখন কৃষিপ্ৰধান ৰাজ্য। কৃষিৰ সৈতে পশুপালনৰ ওতপ্ৰোত সম্পৰ্ক। পশুধনৰ ৰোগ-ব্যাধিৰে সৈতে অসমৰ সাধাৰণ সমাজখনো পৰিচিত। চিকিৎসাৰ ক্ষেত্ৰত পদ্ধতিগত অধ্যয়ন আৰম্ভ হোৱাৰ আগলৈকে অসমৰ মানুহে স্থানীয় গছ-লতা ব্যৱহাৰ কৰি জৰা-ফুকাৰ মাধ্যমেৰে পশুধনৰ চিকিৎসা কৰিছিল। ঔষধি গুণসম্পন্ন গছ-লতাই কিছু কিছু ক্ষেত্ৰত ৰোগ-নিৰাময় কৰিলেও ৰোগৰ প্ৰকৃত কাৰণ আৰু ইয়াৰ প্ৰতিকাৰ সম্পৰ্কে সাধাৰণ মানুহৰ জ্ঞান নাছিল। তাহানিতে কেতবোৰ বিশেষ ৰোগৰ নামকৰণ স্থানীয় ৰাইজে কৰিছিল। সেই নামবোৰ আজিও প্ৰচলিত। যেনে — গুটি (গে-বসন্ত), চৰকা আৰু ভোক্‌লা। পদ্ধতিগত অধ্যয়ন নথকাৰ বাবে পশুধনৰ ৰোগ সম্পৰ্কে বিশেষ তথ্য পোৱা নাযায়। জনামতে, অসমত মহামাৰীত পশুধনৰ যথেষ্ট ক্ষতি হোৱাত কামৰূপৰ চিভিল ছাৰ্জনে ১৮৬৮ চনত ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰি চৰকাৰক বিতং প্ৰতিৱেদন দাখিল কৰিছিল। এই প্ৰতিৱেদনেই আছিল প্ৰথম পদ্ধতিগত অধ্যয়ন। ১৯১২ চনত অসমত ইংৰাজ চৰকাৰে উইলিয়াম হেৰিছ নামৰ এজন বিষয়াক চিভিল ভেটেৰিনাৰি ছুপাৰিণ্টেণ্ডেণ্ট পদত নিযুক্তি দিয়ে। এই পদবীটোক ১৯৪০ চনত পশুপালন বিভাগৰ সঞ্চালক হিচাপে অভিহিত কৰা হয়।

১৯১৫ চনত Assam Local Self-Government Act 1915 (Assam Act I, 1915)ৰ অধীনত লোকেল বৰ্ড গঠিত হয়। তেতিয়াৰপৰা পশুপালন বিভাগটো লোকেল বৰ্ডে চোৱা-চিতা কৰিছিল। ১৯২২ চনত অসমত ৪৮জন পশুচিকিৎসা-সহায়ক নিযুক্ত হৈ আছিল। লোকেল বৰ্ডে তেতিয়াৰ অসমৰ বিভিন্ন জিলাত পশু-চিকিৎসালয় নিৰ্মাণ কৰি পশুপালন, চিকিৎসা আৰু ৰোগ-নিৰাময়ৰ ব্যৱস্থা কৰিছিল। ভাৰত চৰকাৰে ১৮৯৭ চনৰ ১৭ ছেপ্টেম্বৰৰ সিদ্ধান্ত মৰ্মে বিভিন্ন প্ৰদেশত সুকীয়াকৈ পশুপালন আৰু পশুচিকিৎসা বিভাগ স্থাপন কৰে যদিও অসমত তেতিয়াও সুকীয়াকৈ পশুপালন বিভাগ স্থাপিত হোৱা নাছিল। শিৱসাগৰ জিলাত লোকেল বৰ্ডে বি কে বসুক Veterinary Assistant হিচাপে

নিযুক্তি দিয়াটোৱেই পশুপালন বিভাগৰ উল্লেখযোগ্য খতিয়ান আছিল।

স্বাধীনতাৰ আগেয়ে পশুধন (livestock) উন্নয়ন বিভাগটো কৃষি বিভাগৰে সৈতে সাঙোৰ খাই আছিল। ১৯৫২ চনত বিভাগটো পশুচিকিৎসা বিভাগৰ সৈতে লগ লগাই দিয়া হয় আৰু সমগ্ৰ বিভাগটোৰ পশুপালন আৰু পশুচিকিৎসা বিভাগ (Animal Husbandry and Veterinary Deptt) বুলি নামকৰণ কৰা হয়। পশুধনৰ উন্নয়নৰ বাবে ৰাজ্যখনত প্ৰাক্-স্বাধীনতাৰ সময়ছোৱাত চাৰিখন পশুধন পাম স্থাপন কৰা হয়। সেই চাৰিখন হৈছে: খানাপাৰা, বৰপেটা, শ্বিলং আৰু ছিলেট (বৰ্তমান বাংলাদেশত)।

পশুচিকিৎসা বিভাগটো মূলতঃ দুটা বহল ভাগত বিভক্ত। এটা হৈছে চিকিৎসাৰদ্বাৰা পশুধনৰ স্বাস্থ্যৰক্ষা আৰু প্ৰতিষেধক ব্যৱহাৰ কৰি ৰোগ নিয়ন্ত্ৰণ কৰা আৰু আনটো হৈছে পশুধনৰ উৎপাদন বৃদ্ধি কৰি পশুজাত খাদ্য উৎপাদন বৃদ্ধি কৰা।

ভাৰতবৰ্ষৰ বৰ্ধিত প্ৰয়োজন পূৰাব পৰাকৈ পুষ্টিকৰ আহাৰ যোগান ধৰিব পৰাটো কেন্দ্ৰীয় চৰকাৰৰ লক্ষ্য আৰু উদ্দেশ্য। অপুষ্টিজনিত ৰোগত ভোগা অলেখ দৰিদ্ৰ লোকক সহজতে পুষ্টিকৰ খাদ্য যোগান দিবলৈ আৰু পশুজাত খাদ্যৰ উৎপাদন বৃদ্ধি কৰিবলৈ চৰকাৰে কেইবাখনো আঁচনি গ্ৰহণ কৰিছিল। এই আঁচনিসমূহৰ ভিতৰত গাখীৰৰ উৎপাদন বৃদ্ধি কৰাটোৱে চৰকাৰৰ পিনৰপৰা প্ৰাথমিকতা পাইছিল। পশুপালন বিভাগৰ পশুজাত পুষ্টিকৰ খাদ্য উৎপাদনৰ ভিতৰত গাখীৰ, কণী আৰু মাংস প্ৰধান। গোধন-উন্নয়নৰ আঁচনিখন ১৯১০ চনতে অসমত আৰম্ভ কৰা হৈছিল। সেই অনুসৰি অসমত sere আৰু talor নামৰ দুবিধ উন্নত জাতৰ গৰু অন্তৰ্ভুক্ত কৰা হৈছিল। পৰৱৰ্তী সময়ত হাৰিয়ানা, ৰেড সিন্ধি, থাৰপাৰকাৰ আৰু ছাহিৱাল জাতৰ গৰুও অসমত অন্তৰ্ভুক্ত কৰা হৈছিল। প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাত অধিক গাখীৰ উৎপাদন কৰিবলৈ গ্ৰহণ কৰা আঁচনিখন আছিল Key Village Scheme।

১৯৫১-৫৬ চনৰ প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাত ভাৰতবৰ্ষৰ গো-ধনৰ উৎপাদন ক্ষমতা বৃদ্ধি কৰিবলৈ অধিক উৎপাদনক্ষম উন্নত জাতৰ ষাঁড়-গৰুৰ বীৰ্যৰে কৃত্ৰিম প্ৰজনন ব্যৱস্থাৰ প্ৰচলন কৰা হয়। এই ব্যৱস্থাৰ ফলত জন্ম হোৱা চেঁউৰী-পোৱালিসমূহৰ মাকতকৈ উৎপাদন-ক্ষমতা অধিক হয়। অসমৰ স্থানীয় জাতৰ গৰুসমূহৰ গাখীৰ উৎপাদন ক্ষমতা তেনেই কম। অসমৰ নিম্ন উৎপাদন-ক্ষমতাসম্পন্ন গাই-গৰুক কৃত্ৰিম প্ৰজনন কৰাই অধিক উৎপাদনক্ষম গাই গৰু জন্ম দিয়াবলৈ অসমতো Key Village Schemeৰ জৰিয়তে প্ৰথমবাৰৰ বাবে কৃত্ৰিম প্ৰজনন ব্যৱস্থাৰ প্ৰচলন কৰা হয়। ১৯৫৩-৫৪ চনত অসমত অধিক গাখীৰ উৎপাদন কৰিবলৈ Key Village Schemeখন প্ৰৱৰ্তন কৰা হয়। বৰ্তমানে অসমত ১০খন Key Village Block আছে। এইখন আঁচনিমতে একোটা Key Village Blockত মাত্ৰ ১০,০০০ গো-ধনকহে সাঙুৰি লোৱা হৈছিল। কৃত্ৰিম প্ৰজননৰ



আগত উন্নত জাতৰ ষাঁড়-গৰু যোগান ধৰি প্ৰজনন কৰোৱা হৈছিল।

**বিস্তৃত গো-উন্নয়ন আঁচনি (Intensive Cattle Development Project)**

Key Village Schemeখনে দেখুওৱা সফলতাৰ পাছত অধিকাংশ গো-ধনক কৃত্ৰিম প্ৰজনন কৰাই উৎপাদন বৃদ্ধি কৰিবলৈ ভাৰত চৰকাৰে ১৯৬৫ চনত Intensive Cattle Development Project নামৰ আঁচনিখন গ্ৰহণ কৰে। অসমত ১৯৬৮ চনৰ ১৬ ডিচেম্বৰ তাৰিখে খানাপাৰাত এই আঁচনিৰ শুভাৰম্ভ কৰা হয়। আঁচনিখনৰ যোগেদি যথেষ্ট সংখ্যক গো-ধনৰ কৃত্ৰিম প্ৰজনন সফল কৰিবলৈ অসমত Regional Artifical Insemination Centre স্থাপন কৰা হয়। যেনে — গুৱাহাটী, তেজপুৰ, বৰপেটা আৰু শিৱসাগৰ। এই আঞ্চলিক কেন্দ্ৰবোৰৰ অধীনত একাধিক কৃত্ৰিম প্ৰজনন কেন্দ্ৰ আৰু উপকেন্দ্ৰ স্থাপন কৰি পশুধনলৈ সেৱা আগবঢ়োৱা হয়। আঞ্চলিক কেন্দ্ৰবোৰত কুলীন জাতৰ ষাঁড়-গৰু ৰখাৰ ব্যৱস্থা কৰি ষাঁড়-গৰুৰ বীৰ্য সংগ্ৰহ কৰা হয় আৰু কৃত্ৰিম প্ৰজনন কেন্দ্ৰ আৰু উপকেন্দ্ৰবোৰত জুলীয়া বীৰ্য যোগান ধৰি স্থানীয় গাইগৰুৰ কৃত্ৰিম প্ৰজননৰ ব্যৱস্থা কৰা হয়। ১৯৭৬ চনত অসমত frozen semen অৰ্থাৎ হিমায়িত শুক্ৰ ব্যৱহাৰ কৰি কৃত্ৰিম প্ৰজনন ব্যৱস্থা আৰম্ভ কৰা হয়। জুলীয়া নাইট্ৰ'জেন গেছত — ১৯৬° উষ্ণতাত জুলীয়া বীৰ্যক হিমায়িত কৰি সংৰক্ষণ কৰিব পাৰি। এনেদৰে সংৰক্ষণ কৰা উচ্চগুণসম্পন্ন ষাঁড়ৰ বীৰ্য দহ বছৰলৈকে ৰাখিব পাৰি আৰু ষাঁড়টোৰ মৃত্যুৰ পিছতো হিমায়িত সংৰক্ষিত বীৰ্য ব্যৱহাৰ কৰি কৃত্ৰিম প্ৰজনন কৰিব পাৰি। কৃত্ৰিম প্ৰজননক সফল কৰিবলৈ Regional Artificial Insemination Centreবোৰত Liquid Nitrogen Plant স্থাপন কৰি জুলীয়া নাইট্ৰ'জেন গেছ প্ৰস্তুত কৰা হয়। বিভিন্ন কাৰণত ই সফল নোহোৱাত গুৱাহাটীত উৎপাদন কৰা হিমায়িত শুক্ৰ জমা কৰি ৰাখিবলৈ বৰপেটা জিলাৰ হাউলী, কোকৰাঝাৰ আৰু তেজপুৰত Frozen Semen Bank স্থাপন কৰা হয়।

১৯৯০ চনৰ শেষাৰ্ধত কৃত্ৰিম প্ৰজনন আঁচনিখনলৈ বিশ্ববেংকে পুঁজিৰ যোগান ধৰে। Assam Rural Infrastructure and Agriculture Service Project (ARIASP) আঁচনিৰ অধীনত এই পুঁজি লাভ কৰা হয় আৰু অসমৰ কৃত্ৰিম প্ৰজনন ক্ষেত্ৰখন অধিক প্ৰসাৰিত কৰিবলৈ পূৰ্বৰ তিনিটা Semen Bankৰ উপৰি আন সাতটা নতুন Frozen Semen Bank স্থাপন কৰা হয়। অসমত থকা দহটা Frozen Semen Bank হৈছে খানাপাৰা, হাউলী, তিনিচুকীয়া, নগাঁও, তেজপুৰ, যোৰহাট, শিলচৰ, কোকৰাঝাৰ, মানজা আৰু উমৰাংচু। বৰ্তমানে অসমত ২৬টা Regional A. I. কেন্দ্ৰ আৰু ১১টা বিস্তৃত গো-উন্নয়ন প্ৰকল্প আছে।

ভাৰত চৰকাৰে ২০০০-১ চনত National Project for Cattle and Buffalo Breeding (NPCBB) নামৰ এখন নতুন আঁচনিৰ জৰিয়তে গো-ধন আৰু গাখীৰ উৎপাদন বৃদ্ধিৰ লক্ষ্য বান্ধি লয়। এই আঁচনিখন চলাই নিবলৈ

২০০৪ চনত অসমত থকা পশুপালন বিভাগৰ কৃত্রিম প্রজনন শাখাটো সাঙুৰি Assam Livestock Development Agency (ALDA) গঠন কৰা হয়। ALDAৰ জৰিয়তে ভিতৰুৱা অঞ্চলত কৃত্রিম প্রজনন ফলপ্রসূ কৰিবলৈ গো-পাল-মিত্র নিয়োগ কৰা হয়। গো-পাল-মিত্রসকল হৈছে স্থানীয় নিবনুৱা যুৱক। কৃত্রিম প্রজননৰ প্রশিক্ষণপ্রাপ্ত হৈ এওঁলোকে ভিতৰুৱা অঞ্চলত কৃত্রিম প্রজনন কৰি অর্থ উপার্জন কৰে। ALDAৰ জৰিয়তে কৃত্রিম প্রজননৰ প্রসাৰ বৃদ্ধি কৰিবলৈ লোৱা আঁচনিত কৃত্রিম প্রজননৰ বাবে ব্যৱহাৰ হোৱা হিমায়িত শুক্রৰ এক নির্ধাৰিত মূল্য গো-পালকৰপৰা গ্রহণ কৰা হয়।

## প্রজনন নীতি (Breeding Policy)

অসমত Key Village Scheme প্রবর্তন হোৱাৰ সময়ত স্থানীয় গো-ধনৰপৰা অধিক উৎপাদনক্ষম পোৱালি জন্ম দিয়াবলৈ Key Village Scheme আঁচনিয়ে সামৰি লোৱা গ্রামাঞ্চলত ৰেড সিন্ধী আৰু হাৰিয়ানা জাতৰ ষাঁড়-গৰু যোগান ধৰা হৈছিল। ইয়াৰ পাছত বিস্তৃত গো-উন্নয়ন আঁচনিৰ অধীনত জাৰ্ছী গৰুৰ শুক্র ব্যৱহাৰ কৰি কৃত্রিম প্রজননৰ ব্যৱস্থা কৰা হয়। ৰাষ্ট্রীয় ব্রিডিং পলিচি (National Breeding Policy)ৰ আধাৰত এই ব্যৱস্থা গ্রহণ কৰা হৈছিল যদিও কিমান শতাংশ উন্নত জাতৰ গুণাগুণ স্থানীয় গো-ধনৰ দেহত থাকিলে স্থানীয়ভাৱে ই ফলপ্রসূ হ'ব সেইটো নির্ধাৰিত নোহোৱা বাবে অসুবিধাৰ সৃষ্টি হৈছিল। সেইবাবে অসমৰ ক্ষেত্রত প্রযোজ্য হোৱাকৈ ১৯৮০ চনত অসমৰ বাবে সুকীয়া breeding policy গ্রহণ কৰা হয়। Breeding policy মর্মে অসমৰ স্থানীয় গৰুৰ দেহত তিনিটা পৃথক জেনেটিক গুণসম্পন্ন জাতৰ গোবীর্যৰ প্রৱেশ ঘটাই বর্ণসঙ্কৰ গৰু উৎপাদন কৰা হয়। সেই জাত তিনিটা হৈছে -- জাৰ্ছি, ৰেড সিন্ধি আৰু স্থানীয় গৰু। এক বিশেষ নীতি অৱলম্বন কৰি উৎপাদন কৰা বর্ণসঙ্কৰ গৰুৰ দেহত ৫০ শতাংশ জাৰ্ছি, ২৫ শতাংশ ৰেড সিন্ধি আৰু ২৫ শতাংশ স্থানীয় গৰুৰ জাতৰ গুণাগুণ থাকিব। এইটোৱেই আছিল ১৯৮০ চনত প্রস্তুত কৰা অসমৰ ব্রিডিং পলিচি (breeding policy) বা প্রজনন নীতি। এই নীতি বর্তাই ৰখাটো এটা সময়ত খৰচী আৰু কঠিন হৈ পৰাত ২০০২ চনত প্রজনন নীতিখন পুনৰ সলনি কৰি নতুন প্রজনন নীতি গ্রহণ কৰা হয়। এই নতুন প্রজনন নীতিখনক Breeding Policy for Cattle and Buffalo in the State of Assam বোলা হয়। ২০০২ চনৰ breeding policy অনুসৰি অসমৰ গোধনক কৃত্রিম প্রজনন কৰাই ৫০ শতাংশ জাৰ্চি আৰু ৫০ শতাংশ স্থানীয় জাতৰ গুণসম্পন্ন বর্ণসঙ্কৰ গো-ধন উৎপাদনক নীতি হিচাপে গ্রহণ কৰা হয়। গোটেই অসমৰ বাবে প্রযোজ্য হোৱাকৈ এই নীতি নির্ধাৰণ কৰা হয় যদিও কিছু বিশেষ ক্ষেত্রত চর্তসাপেক্ষে জাৰ্ছিৰ গুণাগুণ ৬২.৫ শতাংশ বৃদ্ধি কৰিবলৈয়ো অনুমতি দিয়া হয়।

আনহাতে এই প্রজনন-নীতি অনুসৰি ম'হৰ প্রজননৰ ক্ষেত্রত স্থানীয়



ম'হৰ বাবে Selective Breeding আৰু অধিক উৎপাদনক্ষম মুৰ্ৰা আৰু চূর্তি প্রজাতিৰ ম'হ অসমত ৰাখি এই জাতৰ ম'হ পালনত উৎসাহিত কৰা আঁচনি লোৱা হয়। লগতে মুৰ্ৰা প্রজাতিৰ ম'হৰ সৈতে অসমৰ স্থানীয় ম'হৰ প্রজনন কৰোৱা নীতি গ্রহণ কৰা হয়।

## পশুচিকিৎসা বিজ্ঞান মহাবিদ্যালয়

অসমত পশুপালন আৰু পশুচিকিৎসা বিভাগটো গঢ়ি উঠাৰ লগে লগে পশুচিকিৎসা ক্ষেত্রখনত সেৱা আগবঢ়াবলৈ পশুচিকিৎসকৰ প্রয়োজন হৈ পৰে। সেই উদ্দেশ্যে ১৯৪৮ চনৰ ১৮ আগষ্ট তাৰিখে অসমৰ নগাঁৱত Assam Veterinary College নামেৰে এখন পশুচিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হয়। এই মহাবিদ্যালয়খনত প্রথম অৱস্থাত তিনিবছৰীয়া ডিপ্ল'মা পাঠ্যক্রম অনুসৰি শিক্ষাদান কৰা হৈছিল। শিক্ষাৰ শেষত উত্তীর্ণসকলক Graduate in Veterinary Science (GVSC) বোলা হৈছিল। ১৯৫০ চনত মহাবিদ্যালয়খন চেনিকুঠিৰ পশুপালন আৰু পশুচিকিৎসা বিভাগৰ সঞ্চালকালয়লৈ স্থানান্তৰিত কৰা হয়। ১৯৫১ চনত মহাবিদ্যালয়খনে গুৱাহাটী বিশ্ববিদ্যালয়ৰ affiliation লাভ কৰে। সেই বছৰতে ডিপ্ল'মাৰ সলনি পশুপালন আৰু পশুচিকিৎসা বিভাগৰ স্নাতক পাঠ্যক্রম Bachelor of Veterinary Science and Animal Husbandry (BVSc and AH) আৰম্ভ হয়। ১৯৫৯ চনৰ ২০ আগষ্ট তাৰিখে খানাপাৰাত পশুচিকিৎসা বিজ্ঞান মহাবিদ্যালয়খনৰ স্থায়ী ভৱনৰ আধাৰশিলা স্থাপন কৰা হয় আৰু ১৯৬০ চনত স্থায়ীভাৱে এই চৌহদলৈ স্থানান্তৰ কৰা হয়। ১৯৬১ চনত BVSc and AH পাঠ্যক্রম পাঁচ-বছৰীয়া কৰা হয়। ১৯৬৯ চনৰ পহিলা এপ্রিল তাৰিখে অসম কৃষি বিশ্ববিদ্যালয় স্থাপন হোৱাত Assam Veterinary Collegeখন কৃষি বিশ্ববিদ্যালয়ৰ অন্তর্ভুক্ত হৈ মহাবিদ্যালয়খন College of Veterinary Science নামেৰে নামকৰণ হয়। বর্তমান মহাবিদ্যালয়খনত ১৮টা বিভাগ আছে আৰু প্রতিটো বিভাগতে স্নাতকোত্তৰ শিক্ষাৰ সুবিধা আছে।

## ৰোগ-নির্ণয়, নির্মূল/নিয়ন্ত্রণ আৰু প্রতিষেধক টিকা উৎপাদন

পশুধনৰ চিকিৎসা আৰু ৰোগ-প্রতিৰোধ কৰিব পৰাটো অসমৰ পশুপালন বিভাগটোৰ প্রাথমিক কর্ম-নীতি। পশুধনৰ ৰোগ-প্রতিৰোধ কৰিবলৈ টিকা প্রদান কৰা পশুপালন বিভাগৰ নিয়মীয়া কর্তব্য। আনহাতে ৰোগ চিনাক্ত কৰিবলৈ উপযুক্ত মানৰ ৰোগ-নির্ণয়কাৰী লেবৰেটৰি স্থাপন আৰু পর্যাপ্ত পৰিমাণৰ টিকা প্রদান কৰিবলৈ টিকা প্রস্তুত কৰা প্রতিষ্ঠান স্থাপন কৰাটো অতি জৰুৰী। অসমৰ পশুপালন বিভাগৰ খানাপাৰাত অৱস্থিত North-Eastern Regional Disease Diagnostic Laboratory (NERDDL) ভাৰতবর্ষৰ ভিতৰতে এটা উন্নত মানৰ লেবৰেটৰি। প্রথম পঞ্চবার্ষিকী পৰিকল্পনাৰ সময়ছোৱা (১৯৫১-৫৬)ত লেবৰেটৰিটো স্থাপন কৰা হৈছিল আৰু পর্যায়ক্রমে ইয়াক Regional Disease

Diagnostic Laboratory অৰ্থাৎ আঞ্চলিক ৰোগ-নিৰ্ণয় কৰা লেবৰেটৰি আৰু শেহতীয়াকৈ NERDDL নামেৰে উন্নীত কৰা হৈছে।

## ৰোগ-নিৰ্ণয় আৰু NERDDL

পশুধনৰ ৰোগ-নিৰ্ণয় পশুধন উন্নয়নৰ মাপকাঠী। আৰম্ভণিতে বৰ্তমানৰ পশুপালন আৰু পশুচিকিৎসা বিভাগটোৰ নাম আছিল Civil Veterinary Department of Assam। এই বিভাগটোত ১৯৪৮ চনলৈকে এজন Veterinary Investigating Officerৰ তত্ত্বাৱধানত ৰোগ-নিৰ্ণয়ৰ কামকাজ কৰা হৈছিল। পৰৱৰ্তী সময়ত ৰোগনিৰ্ণয় কৰিবলৈ Provincial Diagnostic Laboratory নামেৰে ইয়াৰ নামকৰণ কৰি কাম চলাই যোৱা হৈছিল। ১৯৫১ চনত BCPP আৰু ১৯৫৯ চনত Hump Sore (চুট খৰ) ৰোগ-নিৰ্ণয় আৰু নিয়ন্ত্ৰণৰ বাবে সুকীয়া আঁচনি লোৱা হয়। ১৯৬০ চনত পশুধনৰ ৰোগ-নিৰ্ণয় আৰু প্ৰণালীবদ্ধ গৱেষণা কৰিবলৈ Livestock Research Station স্থাপন কৰা হয়। ১৯৭১ চনত এই বিভাগটোক The Animal Health Centre, Assam নামেৰে নামকৰণ কৰা হয়। বিভাগটো খানাপাৰাত অৱস্থিত। এই কেন্দ্ৰটোৰ যোগেদি পশুধনৰ ৰোগ-নিৰ্ণয়, অনুসন্ধান আৰু গৱেষণামূলক কাম চলাই যোৱা হয়। এইখিনি কামৰ আধাৰ হিচাপে Animal Healthৰ ৰোগ-নিৰ্ণায়ক লেবৰেটৰিটো ব্যৱহাৰ কৰা হয়। কেন্দ্ৰীয় লেবৰেটৰি হিচাপে এই লেবৰেটৰিলৈ ৰাজ্যখনত থকা জিলা ৰোগ-নিৰ্ণায়ক লেবৰেটৰিয়ে তথ্যৰ যোগান ধৰি আহিছে। অসমত থকা আন ৰোগ-নিৰ্ণায়ক লেবৰেটৰি হৈছে — (১) ধুবুৰী, (২) গোৱালপাৰা, (৩) নগাঁও, (৪) যোৰহাট, (৫) তেজপুৰ, (৬) শিৱসাগৰ, (৭) ডিব্ৰুগড়, (৮) লখিমপুৰ, (৯) শিলচৰ, (১০) কৰিমগঞ্জ, (১১) নলবাৰী, (১২) বৰপেটা, (১৩) গোলাঘাট আৰু (১৪) কোকৰাঝাৰৰ লেবৰেটৰি।

২০০৩ চনত ভাৰত চৰকাৰে আঞ্চলিক ৰোগ-নিৰ্ণায়ক লেবৰেটৰি স্থাপন কৰিবলৈ আৰম্ভ কৰে। সেই সূত্ৰে Animal Health Centreত থকা ৰোগ-নিৰ্ণায়ক লেবৰেটৰিটোৱে North-Eastern Regional Disease Diagnostic Laboratory (NERDDL)ৰূপে আত্মপ্ৰকাশ কৰে। অত্যাধুনিক সকলো সা-সুবিধাৰে সজ্জিত এই গৱেষণাগাৰ তথা ৰোগ-নিৰ্ণায়ক কেন্দ্ৰটো ভাৰতবৰ্ষৰ আন পাঁচটা Regional Disease Diagnostic Laboratoryৰ অন্যতম। বৰ্তমানে গুৱাহাটীৰ খানাপাৰাত থকা NERDDLটো উত্তৰ-পূৰ্বাঞ্চলৰ অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু মেঘালয়ৰ Referal Laboratory হিচাপে দক্ষতাৰে কাম কৰি আছে। উল্লেখনীয় যে ভাৰতৰ একমাত্ৰ কেন্দ্ৰীয় ৰোগ-নিৰ্ণায়ক কেন্দ্ৰটো উত্তৰ প্ৰদেশৰ ইজ্জতনগৰত অৱস্থিত।

অসমৰ পশুপালন আৰু পশুচিকিৎসা বিভাগটোৰ বাবে hump sore (চুট খৰ), kumri, bovine contagious pleuro pneumonia আৰু caprine



pleuro pneumonia ৰোগৰ সঠিক নিৰ্ণয় আৰু কাৰণ উপযুক্ত গৱেষণা পদ্ধতিৰে নিৰ্ণয় কৰি ৰোগ-নিৰ্ণয়কাৰী বিভাগটোৱে গৌৰৱ কঢ়িয়াই আনিছে। ভাৰতবৰ্ষৰ ভিতৰতে উচ্চ মানৰ NERDDLখনত বৰ্তমানে সকলো ধৰণৰ ৰোগ-পৰীক্ষা আৰু ৰোগ নিৰ্ণয় কৰিব পৰা ব্যৱস্থা আছে। শেহতীয়াকৈ bird flu ৰোগ-নিৰ্ণয় কৰিব পৰাকৈ প্ৰতিষ্ঠানটো সক্ষম কৰি তোলা হৈছে।

## BCPP নিয়ন্ত্ৰণ

ৰোগ-প্ৰতিৰোধৰ ক্ষেত্ৰত অসমৰ পশুপালন আৰু পশুচিকিৎসা বিভাগৰ অন্যতম সফলতা হৈছে bovine contagious pleuri pneumonia নামৰ মাৰাত্মক ৰোগ বিধ নিয়ন্ত্ৰণ কৰা। ১৯৪২ চনত অবিভক্ত গোৱালপাৰা জিলাৰ দেওশিৰী নামৰ ঠাইত এই ৰোগ ধৰা পৰিছিল। এই বিধ ৰোগে পৰৱৰ্তী সময়ত অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত মহামাৰী ৰূপত সহস্ৰাধিক গো-ধনৰ মৃত্যু ঘটাইছিল। অসমৰ বাহিৰে এইবিধ ৰোগ ভাৰতবৰ্ষৰ আন ঠাইত দেখিবলৈ পোৱা নাযায়। ১৯৫১ চনত অসম চৰকাৰ আৰু Indian Council of Agricultural Research (ICAR), ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ সহযোগত BCPP নিৰ্মূল/নিয়ন্ত্ৰণ আঁচনি হাতত লোৱা হয়। এই আঁচনি অনুযায়ী অসম চৰকাৰৰ পশুপালন বিভাগে প্ৰতিষেধক টিকা প্ৰস্তুত কৰে আৰু পশুধন টিকা প্ৰদান কৰিবলৈ আৰম্ভ কৰে। ১৯৭২-৭৩ চনত NEC (North East Council)ৰ অধীনত এখন মাষ্টাৰ প্লেন যুগুত কৰি ৰোগ-নিয়ন্ত্ৰণৰ আঁচনি গ্ৰহণ কৰে। এই আঁচনি অনুসৰি লখিমপুৰ জিলাৰ আজাদত টিকা সংৰক্ষণ কৰিবলৈ এটা ভঁড়াল আৰু ক্ষেত্ৰ-অধ্যয়ন কেন্দ্ৰ স্থাপন কৰা হয়। দুটা ভিজিলেন্স গেট, তিনিটা immune belt আৰু সাতটা চেক-পষ্ট গঠন কৰা হয়। ১৯৮৪ চনৰ পাছত ৰোগ বিধ দেখিবলৈ পোৱা নাই বাবে ১৯৯০ চনৰপৰা ৰোগ-নিয়ন্ত্ৰণৰ বাবে টিকাকৰণ বন্ধ ৰখা হৈছে। কিন্তু ৰোগবিধৰ গতিবিধি নিৰীক্ষণ কৰি ইয়াক সম্পূৰ্ণ নিৰ্মূল কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ National Programme on Rinderpest Eradicationৰ অধীনত এখন আঁচনি প্ৰস্তুত কৰা হৈছে।

## অসমৰ পশুপালন বিভাগৰ বৰ্তমান অৱস্থা

অসমৰ পশুপালন আৰু পশুচিকিৎসা ক্ষেত্ৰখনত চিকিৎসা, প্ৰতিষেধক ব্যৱস্থা, সম্প্ৰসাৰণ কাৰ্য আদি সম্পন্ন কৰিবলৈ ১৯০৫ চনত গুৱাহাটীৰ চেনিকুঠিত প্ৰথমখন চিকিৎসালয় স্থাপন কৰা হৈছিল। ইয়াৰ উপৰি অসমক দুটা খণ্ডত বিভক্ত কৰি উজনি অসম খণ্ড বা Upper Assam Zone আৰু নামনি অসম খণ্ড বা Lower Assam Zone হিচাপে নামকৰণ কৰা হয়। Upper Assam Zoneৰ মুখ্য কাৰ্যালয় আছিল যোৰহাট আৰু Lower Assam Zoneৰ মুখ্য কাৰ্যালয় আছিল গুৱাহাটী। অসমৰ পশুপালন আৰু পশুচিকিৎসাৰ মুখ্য বিষয়াজনক Superintendent বোলা হৈছিল। পাছলৈ এই পদটো সঞ্চালক হিচাপে নামকৰণ

কৰা হয়। উজনি আৰু নামনি অসম খণ্ডৰ মুখ্য বিষয়া দুজনক Zonal Veterinary Inspector বোলা হৈছিল। ইয়াৰ পাছতেই আছিল পশুচিকিৎসক আৰু ক্ষেত্ৰ সহায়কসকল।

বৰ্তমান পশুপালন আৰু পশুচিকিৎসা বিভাগটোৰ বিভিন্ন দিশ চোৱা-চিতা কৰিবলৈ চিকিৎসালয়, উপকেন্দ্ৰ, চৰকাৰী পাম, প্ৰশিক্ষণ কেন্দ্ৰ, ৰোগ নিৰূপণ কেন্দ্ৰ আদি আছে। এনে দিশসমূহ সাঙুৰি বিভিন্ন ক্ষেত্ৰত সেৱা আগবঢ়াবলৈ যিবোৰ অনুষ্ঠান-প্ৰতিষ্ঠান আছে সেইসমূহৰ তালিকা এখন উল্লেখ কৰা হ'ল।

**অসমত থকা পশুপালন বিভাগৰ চৰকাৰী প্ৰতিষ্ঠানৰ তালিকা**

| ক্ৰমিক নং | প্ৰতিষ্ঠানৰ নাম | সংখ্যা |
|---|---|---|
| ১ | পশুচিকিৎসালয় | ৫৮৪খন |
| ২ | পশুচিকিৎসা উপকেন্দ্ৰ | ৭৩৯খন |
| ৩ | পশু চিকিৎসা পলিক্লিনিক | ১খন |
| ৪ | হিমায়িত শুক্ৰ উৎপাদন কেন্দ্ৰ | ১টা |
| ৫ | হিমায়িত শুক্ৰ বেংক | ৭টা |
| ৬ | উত্তৰ-পূব আঞ্চলিক ৰোগ-নিৰ্ণায়ক লেবৰেটৰি | ১টা |
| ৭ | ৰোগ নিৰ্ণায়ক লেবৰেটৰি | ১৫টা |
| ৮ | প্ৰশিক্ষণ কেন্দ্ৰ | ১টা |
| ৯ | পশুধন পাম | ৪খন |
| ১০ | গাহৰি পাম | ১২খন |
| ১১ | হাঁহ কুকুৰা পাম | ২২খন (৫ খন হাঁহ পাম) |
| ১২ | ঘাঁহ পাম | ৪খন |
| ১৩ | ছাগলি পাম | ২খন |

**তথ্যসূত্ৰ**


১ H. K. Barpujari, ed. *The Comprehensive History of Assam* vol. 5. Guwahati: Publication Board, Assam, 1993

২ *Hand Book of Animal Husbandry*, Revised Edition, July 1990

৩ (Dr.) M.R. Choudhury. "Present Status of BCPP in Assam", published in Souvenir 26th Biennial General Conference AAHVSA, 2005

৪ (Dr.) P. Borah. "Veterinary Education in Assam: A Historical Perspective." www.vetbifguwahati.enet.in. Web

৫ *Report of Evaluation Committee on A. I. Activities in Assam*, submitted to Director, A. H. and Vety., Govt. of Assam on 29-03-2010

৬ (Dr.) Suresh Handique, (Dr.) Hiralal Hazarika, (Dr.) Namita Das and (Dr.) Parech Sarma. "A Brief Introduction to Animal Health Centre and North Eastern Regional Disease Diagnostic Laboratory, Khanapara" published in *Barchora*, Souvenir 30th Biennial General Conference, AAHVSA, 2013


# লেখক পৰিচিতি


**অৰুণকুমাৰ তালুকদাৰ।** ধিং গিৰিবালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ আৰু পূৰ্বাঞ্চল যোগ নিকেতনৰ প্ৰতিষ্ঠাতা তথা প্ৰতিষ্ঠাপক যোগ-প্ৰশিক্ষক। ১৯৯৫ চনত পাণ্ডাৱত হোৱা সৰ্বভাৰতীয় যোগাসন প্ৰতিযোগিতাত অসম যোগ সংস্থাৰ প্ৰশিক্ষক। জন্ম ১৯৫৬ চনত আৰু বিয়োগ ২০১৪ চনত।

**(ড°) অৱনীকুমাৰ ভাগৱতী।** গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল-বিজ্ঞান বিভাগৰ অধ্যাপক। *দেশ, নৈ আৰু মানুহ, প্ৰকৃতিৰ অনুকূলে-প্ৰতিকূলে, আৱাসত আউল, পৰিস্থিতি পৰিৱৰ্তন আৰু পৰিবেশ, মজিয়াত মুখৰ ছবি* (চুটিগল্প সঙ্কলন), *Geography of Assam* (সম্পাদিত গ্ৰন্থ) আৰু *Biodiversity of Assam* (সম্পাদিত গ্ৰন্থ)কে আদি কৰি ত্ৰিছখনমান কিতাপৰ লেখক/সম্পাদক। প্ৰকাশিত গৱেষণাপত্ৰ সংখ্যা ৬২। অসম বিজ্ঞান সমিতিৰ প্ৰধান সচিব আৰু সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল ক্ৰমে ১৯৯৫-৯৭ আৰু ২০১৩-১৫ কালছোৱাত সম্প্ৰতি উত্তৰ-পূব ভাৰতৰ ভূগোল সংস্থাৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। ১৯৫৭ চনত জন্ম।

**কল্যাণ বৰা।** নগাঁও ছোৱালী কলেজৰ বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপক। নিবন্ধকাৰ। জন্ম ১৯৫৩ চনত।

**কুলেনচন্দ্ৰ দাস।** নগাঁও ছোৱালী কলেজৰ অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপক আৰু পৰিবেশকৰ্মী। নিবন্ধকাৰ। ১৯৭২ চনত জন্ম।

**গুণীন হাজৰিকা।** কলিয়াবৰ কলেজৰ বুৰঞ্জী বিভাগৰ একালৰ সহযোগী অধ্যাপক। ১৯৮৬, ১৯৯৬, ২০০১ চনৰ বিধানসভাৰ নিৰ্বাচনত কলিয়াবৰ সমষ্টিৰপৰা নিৰ্বাচিত হৈ ৰাজ্যখনৰ বিধায়ক তথা ১৯৮৮-৯০ চনৰ কালছোৱাত ৰাজ্যখনৰ শক্তিমন্ত্ৰী আৰু ১৯৯৬-২০০১ চনৰ কালছোৱাত ৰাজ্যখনৰ উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী। জন্ম ১৯৪৮ চনত। প্ৰকাশিত গ্ৰন্থ: *দেশভক্ত তৰুণৰাম ফুকনৰ জীৱন-পৰিক্ৰমা* আৰু *স্বাধীনতা সংগ্ৰাম* (প্ৰবন্ধ পুথি), *কৰ্ণফুলি* (উপন্যাস), *বিবিধ প্ৰসংগ, ভিন্ন দৃষ্টিকোণ* (প্ৰবন্ধ সঙ্কলন)।

**(ডাঃ) নাৰায়ণ দেৱনাথ।** অসম হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক। প্ৰকাশিত গ্ৰন্থ: *হোমিঅ'পেথিক শিশু চিকিৎসা, An Introduction to Materia Medica Pura, H. C. Allen's Keynotes*ৰ অসমীয়া অনুবাদ এলেন'ছ মেটিৰিয়া মেডিকা পুৰা। জন্ম ১৯৬৬ চনত।

**(ড°) নিত্যানন্দ ডেকা।** গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল-বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক। দহখনমান আন্তঃৰাষ্ট্ৰীয় গৱেষণা পত্ৰিকাত গৱেষণাপত্ৰ প্ৰকাশিত হৈছে। জন্ম ১৯৮০ চনত।

**(ড°) বিজয়কৃষ্ণ নাথ।** আসাম হোমিঅ'পেথি মেডিকেল কলেজৰ অৱসৰপ্ৰাপ্ত ৰীডাৰ। প্ৰাবন্ধিক। জন্ম ১৯৫১ চনত।

**(ড°) মনোজকুমাৰ নাথ।** নগাঁও কলেজৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক। প্ৰকাশিত গ্ৰন্থ দুখন হ'ল: *অসমৰ ৰাজনীতিত মুছলমান: বিশ্বাস, বাস্তৱ আৰু সংঘাত, অসমৰ জনজাতি ৰাজনীতি* আৰু *খিলঞ্জীয়াৰ সংশয়: মুছলমানৰ আত্মসন্ধান*। জন্ম ১৯৭৬ চনত।

**মনোজকুমাৰ শইকীয়া।** সম্প্ৰতি বৰক'লা প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত কৰ্মৰত আয়ুৰ্বেদিক চিকিৎসা বিষয়া। চিকিৎসা বিষয়ত প্ৰকাশিত গ্ৰন্থ দুখন হ'ল *দাম্পত্য জীৱন* আৰু *ৰোগ আৰু আয়ুৰ্বেদিক চিকিৎসা*। জন্ম ১৯৬৩ চনত।

45150 14/12/20

**(ড°) মিহিৰকুমাৰ গোস্বামী।** যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ পালম'নাৰি মেডিচিন বিভাগৰ মুৰব্বী অধ্যাপক। প্ৰবন্ধকাৰ আৰু কথা-সাহিত্যিক। লেখকৰ প্ৰকাশিত কেইখনমান গ্ৰন্থ: *ৰূপ আৰু চিকিৎসা, নাৰীৰ ৰূপ, প্ৰাথমিক চিকিৎসা, শিশুৰ ৰোগ আৰু যতন, কমিউনিটি হেল্থ নাৰ্ছিং, চুলি আৰু ৰূপ, বিভিন্ন ৰোগ আৰু যৌন সমস্যা, গেষ্ট্ৰিক আৰু পেটৰ নানা ৰোগ, স্বাস্থ্য কথা, প্ৰতিজৈৱিক (এণ্টিবায়োটিক), সকলো জনসাধাৰণৰ বাবে চিকিৎসা, বিজ্ঞানজগতৰ জনদিয়েক কৰ্ণধাৰ আৰু ৰক্তপ্ৰাৰ* আৰু *বহুমূত্ৰ* ইত্যাদি বিষয়। লেখকৰ প্ৰকাশিত অনূদিত গ্ৰন্থ: বাৰ্ধক্য আৰু কেতবোৰ অসুখ-বিসুখ। লেখকৰ সম্পাদিত গ্ৰন্থ: *Medical History of Assam*। ১৯৬১ চনত জন্ম।

**ৰণজিৎ বৰুৱা।** নগাঁও ছোৱালী কলেজৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক। সম্পাদিত গ্ৰন্থ *Understanding Conflict Situation in North East India for National Integration* (২০১১)। জন্ম ১৯৭৭ চনত।

**(ড°) ৰাণী মুদিয়াৰ ডেকা।** দিশপুৰ কলেজৰ অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপিকা আৰু বহু তথ্যভিত্তিক প্ৰবন্ধৰ লেখিকা। উল্লেখযোগ্য কিতাপ: *অৰ্থনৈতিক ডায়েৰী, অসমৰ অৰ্থনীতি: সমস্যা আৰু সম্ভাৱনা, সম্পাদকীয় স্তম্ভৰ অনুভৱ* আৰু *বাবে ৰহণীয়া* (প্ৰবন্ধ সঙ্কলন)। জন্ম ১৯৬২ চনত।

**ৰেজাউল কৰিম।** নগাঁও জিলাৰ নগাঁও মহকুমাত পশুপালন ও পশু চিকিৎসা বিষয়া। অসমীয়া সাহিত্য সন্মিলনীৰ প্ৰতিষ্ঠাপক উপ-সভাপতি। *অসমবাণী* কাকতকে আদি কৰি অসমৰ বিভিন্ন বাতৰি কাকতৰ নিয়মীয়া লেখক। লেখকৰ প্ৰকাশিত গ্ৰন্থৰ ভিতৰত আছে *চৰচাপৰিৰ সমাজ আৰু অসমৰ মুছলমান, অসমৰ মুছলমান: সত্য আৰু সংঘাত, বৈজ্ঞানিক পদ্ধতিত পশুপালন আৰু পশুচিকিৎসা* আৰু *এটা পোৱা কলৰ পাহৰিব নোৱৰা গোন্ধ*। লেখকৰ সম্পাদিত গ্ৰন্থ: *মনৰ খিৰিকী* (স্বাধীনতা সংগ্ৰামী আবু চামাৰ জীৱনকৃতি)। জন্ম ১৯৬২ চনত।

**লক্ষ্মীপ্ৰসাদ বৰঠাকুৰ।** কায়াযোগী। এছিয়ান ডেভলাপমেণ্ট বেংকৰ কমিউনিটি বেল্ট ফ্লাড ৰিস্ক মেনেজমেণ্ট এণ্ড লাইভলিহুড মেনেজমেণ্ট প্ৰজেক্টৰ কনছালটেণ্ট। জন্ম ১৯৬২ চনত।

**শৰৎ হাজৰিকা।** নগাঁও ছোৱালী কলেজৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক। প্ৰকাশিত গ্ৰন্থ: *ইতিহাস চিন্তা*। জন্ম ১৯৬৫ চনত।

**(ড°) সঞ্জীৱকুমাৰ বৰকাকতী।** আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপক। লেখকৰ কেইখনমান উল্লেখনীয় গ্ৰন্থ: *Place of Srimanta Sankaradeva in All India Perspective, Unique Contributions of Srimanta Sankaradeva in Religion and Culture, Mahapurusha Srimanta Sankaradeva, NAMGHOSHA- the Oriental Gem, Strategy for Industrilization, The Declaration Phenomena, Development Issues of North East India, অৰ্থনৈতিক উত্তৰণৰ চিন্তা, পূৰ্ণাংগ গুৰুচৰিত কথা, শঙ্কৰী সাহিত্য আৰু সংস্কৃতিৰ বৈশিষ্ট্য, শ্ৰীমন্ত শঙ্কৰদেৱৰ দৰ্শন* আৰু *শঙ্কৰদেৱৰ অধ্যয়নৰ বিসংগতি*। জন্ম ১৯৬০ চনত।

**হীৰেন গঁগৈ।** মাৰ্ক্সবাদৰ অনুগামী এজন কৰ্মী আৰু বিশিষ্ট প্ৰবন্ধকাৰ। জন্ম ১৯৫২ চনত।

ড° জ্যোতিৰ্ময় জানা। নগাঁও ছোৱালী কলেজৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক আৰু একালৰ সাংবাদিক। প্ৰকাশিত গ্ৰন্থ: *দেৱাসুৰ আৰু দুই জাতি, ৰুদ্ৰৰাম বড় দলৈৰ বঙ্গাল বঙ্গালনী নাটক: মূল নাটক আৰু আলোচনা*। সম্পাদিত গ্ৰন্থ: *সুনীল আকাশ সোণালী দিগন্ত: নাৰীশিক্ষা বিষয়ক প্ৰবন্ধ সঙ্কলন (ড° মঞ্জু লস্কৰৰ সৈতে)* আৰু ***History at a Cross-Roads: Three Essays on Nineteenth-Century Assam***। জন্ম ১৯৫৩ চনত।

ড° মঞ্জু লস্কৰ। নগাঁও ছোৱালী কলেজৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা। প্ৰবন্ধ সঙ্কলন: *অতুলচন্দ্ৰ হাজৰিকাৰ নৰকাসুৰ, শৈৱ আৰু শাক্তধৰ্ম: উৎসৱপৰ্বা অসমলৈ, হৰিনাৰায়ণ দত্ত বৰুৱাৰ জীৱন আৰু সাহিত্যকৃতি, কীৰ্ত্তন পুথি আৰু সম্পাদনা, মামণি ৰয়ছম গোস্বামীৰ মামৰে ধৰা তৰোৱাল: স্বপ্ন-দুঃস্বপ্নৰ দিনলিপি, প্ৰেমচন্দ্ৰৰ কফন, পত্ৰলেখাৰ দাপোণত লক্ষ্মীনাথ বেজবৰুৱা ইত্যাদি*। কবিতাপুথি: আকৌ উপনিষদ। সম্পাদিত গ্ৰন্থ: *সময় বালিৰ খোজ, আকাশ, সুনীল আকাশ সোণালী দিগন্ত: নাৰীশিক্ষা বিষয়ক প্ৰবন্ধ সঙ্কলন (জ্যোতিৰ্ময় জানাৰ সৈতে) ইত্যাদি*।। জন্ম ১৯৬০ চনত।

ISBN 978-93-85310-08-9

₹ 300